# খোঁচা বিন্ধা বুৰঞ্জী

ড° দিলীপ দত্ত

অসমী প্ৰকাশন
আনন্দৰাম বৰুৱা পথ
পাণবজাৰ, গুৱাহাটী— ৭৮১০০১

প্ৰকাশক :
ড° দিলীপ দত্ত
ৰড আইলেণ্ড ইউনিভাৰচিটি
U. S. A.

প্ৰথম প্ৰকাশ
১৯৯১ চন

বেটুপাত :
ৰাজু বড়া

মূল্য : ৩৫·০০ টকা

মুদ্ৰক :
চন্দ্ৰকান্ত প্ৰেছ
ভবতল নগৰ

# বিষয়সূচী


আগকথা

বুৰঞ্জী সাহিত্যৰ কথা ১

খোঁচা-বিন্ধা বুৰঞ্জীৰ পৰিচয় ২

মহামানৱতাৰ যাত্ৰা ৫

১৮১৬-১৯৭৯ লৈকে [illegible] কথাৰ বুৰঞ্জী ৬


## প্ৰথম ভাগ : আন্দোলনৰ পাতনি


প্ৰথম অধ্যায় : শিলং [illegible] দিনৰ ধাৰাবাহিক বুৰঞ্জী ৯

দ্বিতীয় অধ্যায় : নেহেৰু : সত্তৰৰ দশকৰ এটি বিশ্লেষণ ১২

তৃতীয় অধ্যায় : ইন্দিৰাৰ শাসনৰ প্ৰথম দহ বছৰৰ ধাৰাবাহিক বুৰঞ্জী ১৯

চতুৰ্থ অধ্যায় : নিৰ্বাচনৰ বোমা ফাটি চুৰমাৰ হ'ল ২৭


## দ্বিতীয় ভাগ : ইন্দিৰাৰ ভাৰতত [illegible] অসমৰ সংগ্ৰাম


পঞ্চম অধ্যায় : জুয়ে পোৰা বিৰাশীৰ ধাৰাবাহিক বুৰঞ্জী ৩১

ষষ্ঠ অধ্যায় : আমেৰিকাবাসী অসমীয়াৰ অসম আন্দোলনত যোগদান ৪০

সপ্তম অধ্যায় : ভাৰতৰ বিধ্বস্ত ৰাজ্য অসম ৪৩

অষ্টম অধ্যায় : অসমবাসীসকল আজি কিয় আতংকিত ৪৫

নৱম অধ্যায় : অসম আন্দোলন ৫৩

দশম অধ্যায় : অসম আন্দোলন দমাবলৈ ইন্দিৰাৰ কৌশল ৫৬

একাদশ অধ্যায় : বিশ্ববাসীক অনুৰোধ ৬৬

দ্বাদশ অধ্যায় : অসম আন্দোলনৰ বিষয়ে আন এক দৃষ্টিভংগী ৭১

ত্ৰয়োদশ অধ্যায় : ১৯৮৪ চনৰ ধাৰাবাহিক বুৰঞ্জী ৭৩

চতুৰ্দশ অধ্যায় : আন্দোলনৰ নেতৃত্ব, অসমৰ ভৱিষ্যত আৰু মূৰ্খৰ স্বৰ্গ ৮৮

পঞ্চদশ অধ্যায় : সংস্কৃতি বিচু ৯১
ষোড়শ অধ্যায় : ১৯৮৫ চনৰ ধাৰাবাহিক বুৰঞ্জী ৯৬
সপ্তদশ অধ্যায় : অসমত নৈতিকতাৰ স্খলন দেখি ১০১
অষ্টাদশ অধ্যায় : আমেৰিকাবাসী অসমীয়াৰ কৰ্তব্য ১০৫

## তৃতীয় ভাগ : অ-গ-প চৰকাৰৰ দিন

এক দহ ন অধ্যায় : ১৯৮৬ চনৰ ধাৰাবাহিক বুৰঞ্জী ১০৯
কুৰি অধ্যায় : গুৱাহাটীৰ কথা ১১৬
একুৰি এক অধ্যায় : টেলিভিছনৰ কথা ১২১
একুৰি দুই অধ্যায় : নতুন চৰকাৰৰ কথা ১২৫
একুৰি তিনি অধ্যায় : দুৰ্নীতিমুক্ত প্ৰশাসনৰ সম্ভাৱনা ১২০
একুৰি চাৰি অধ্যায় : শিক্ষামন্ত্ৰীৰ বিবৈল ১৩৬
একুৰি পাঁচ অধ্যায় : ১৯৮৭ চনৰ ধাৰাবাহিক বুৰঞ্জী ১৪০
একুৰি ছয় অধ্যায় : ১৯৮৭ চনৰ বৰ বানপানীৰ কথা ১৪৭
একুৰি সাত অধ্যায় : বানপানী আৰু খেতি ১৫৬
একুৰি আঠ অধ্যায় : ইংৰাজীৰ মাধমাৰ ১৬১
একুৰি ন অধ্যায় : অসমীয়াৰ মাধমাৰ ১৭৫
ডেৰকুৰি অধ্যায় : ১৯৮৮ চনৰ ধাৰাবাহিক বুৰঞ্জী ১৯১
তিনি দহ এক অধ্যায় : শিক্ষাৰ পৰিৱেশ সলনি কৰাৰ উপায় ২০৫
তিনি দহ দুই অধ্যায় : অসমত ডাঙৰ ডাঙৰ ডাক্তৰ ধ্বংস-লীলা ২১৬
তিনি দহ তিনি অধ্যায় : উদ্যোগ প্ৰধান দেশৰ চিন্তা-কেহা অভিজ্ঞতা ২২৩
তিনি দহ চাৰি অধ্যায় : ১৯৮৯ চনৰ ধাৰাবাহিক বুৰঞ্জী ২২৯
তিনি দহ পাঁচ অধ্যায় : ফেটী সাপে কঁকালৰ কোৰ নাপাহৰে ২৪৬
তিনি দহ ছয় অধ্যায় : নুৰেমবাগৰ বিচাৰৰ নীতি আৰু ইন্দিৰা চৰকাৰৰ দিনৰ হত্যা অত্যাচাৰ ২৫৭
তিনি দহ সাত অধ্যায় : লুইত পাৰৰ ডেকা বন্ধু নাথাকিবা বৈ ২৬১

# আগ কথা

## বুৰঞ্জী সাহিত্যৰ কথা

আজি কেইবছৰ মানৰ পৰা বুৰঞ্জী সাহিত্যৰ সোৱাদ নতুনকৈ পাবলৈ ধৰিছো। আহোমৰ দিনৰ লিখকসকলৰ দৰে বুৰঞ্জী লিখিবলৈ অসমীয়াই কিয় এৰি দিলে ক'ব নোৱাৰোঁ। আমি নিজে কিন্তু বুৰঞ্জী সাহিত্যৰ আৰ্হিত আধুনিক সাহিত্য সৃষ্টি কৰাৰ নানান পথ দেখিবলৈ পাইছো। ইতিমধ্যে, 'ফলি-লোৱা বুৰঞ্জী' প্ৰকাশ হৈ ওলাইছে আৰু এতিয়া এই খোঁচা-বিন্ধা বুৰঞ্জীৰ পাতনি মেলিছো। মুখ মেলোতেই মোক ৰবকৈ আকৰ্ষণ কৰা বুৰঞ্জী সাহিত্যৰ কেইটামান বৈশিষ্ট্যৰ বিষয়ে কৈ লোৱা ভাল হ'ব :

প্ৰথমঃ বুৰঞ্জীত সময়ৰ গাঁথনিটো বৰ দৃঢ়। ঘটনাবিলাক বৰ্ণনা কৰোঁতে সময়ক আগা-পিছা কৰা নহয় অৰ্থাৎ সময় অনুসৰি ইটোৰ পিছত সিটোকৈ সেইবিলাক ঘটাৰ ক্ৰম অনুসৰি ঘটনাবিলাক বৰ্ণনা কৰি যোৱা হয়। এনে হোৱাৰ কাৰণে পাঠকৰ বৰ সুবিধা। কথাবিলাক বুজাত অৰু ঘটনাৰ পম খেদাত এই ব্যৱস্থাই বিশেষ সহায় কৰে।

দ্বিতীয়ঃ বুৰঞ্জীবিলাকৰ ভাষা অতি সহজ-সৰল, শুনিবলৈ শুৱলা আৰু কথিত ভাষাৰ নিচিনা যেন লিখাবিলাক লিখকে কৈহে গৈছে।

তৃতীয়ঃ বুৰঞ্জীবিলাকৰ নামও বৰ সংকেতপূৰ্ণ। বেছিভাগ ক্ষেত্ৰতে বুৰঞ্জীখনৰ নামটোৱে মূল বিষয়-বস্তুক স্পষ্ট কৰে, যেনেঃ 'তুংখুংগীয়া বুৰঞ্জী', 'জয়ন্তীয়া বুৰঞ্জী' আদি। কোনো কোনো ক্ষেত্ৰত মূল বিষয়-বস্তুক একোটা বিশেষ ৰচনা-ৰীতি নাইবা একোটা বিশেষ দৃষ্টি-ভংগীৰে লিখা হয় আৰু নামটোত সেই ৰচনা-ৰীতি বা সেই দৃষ্টি-ভংগীৰে ইংগিত দিয়া হয়, যেনেঃ 'অসমৰ পদ্য বুৰঞ্জী', 'কলি ভাৰতৰ বুৰঞ্জী' (ইয়াত অসমৰ বেলি-মাৰ যুগৰ অন্যায়, অধৰ্ম, অনাচাৰ, দুৰ্যোগ আদি বৰ্ণোৱা হৈছে)। সেইদৰে 'চকৰী-ফেটী বুৰঞ্জী' আৰু 'সাতসৰী বুৰঞ্জী' নাম কেইটাতো হয়তো লিখকৰ বিশেষ দৃষ্টি-ভংগীৰ সংকেতপূৰ্ণ ইংগিত আছে (এই দুখন বুৰঞ্জী অৱশ্যে মই এতিয়ালৈকে পঢ়িবলৈ পোৱা নাই)।

চতুৰ্থঃ বুৰঞ্জীবিলাকত লিখকে নিজে দেখা বা সচা বুলি জনা কথাবিলাক অতি নিসংকোচ ভাবে লিখি যায় আৰু লিখকে যিমান দূৰ পাৰে নিৰপেক্ষ হৈ থাকিবলৈ বিচাৰে। সমসাময়িক ঘটনাৰ পৰা নিজকে নিৰপেক্ষ কৰাটো খুব কঠিন যদিও বুৰঞ্জী লিখক সকলে নিৰপেক্ষৰূপে থাকিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে।

## খোঁচা-বিন্ধা বুৰঞ্জীৰ পৰিচয়

এতিয়াৰ এই বুৰঞ্জী ১৯৭৯ চনৰ পৰা ১৯৮৯ চনলৈকে অসমৰ প্ৰধান প্ৰধান ঘটনা সমূহৰ বুৰঞ্জী। এই বছৰ কেইটা অসমৰ কাৰণে বিশেষ তাৎপৰ্য্যপূৰ্ণ। এই কালছোৱাতে দীঘলীয়া অসম আন্দোলন হ'ল, জুইয়ে পোৰা তিৰাশীৰ নিৰ্বাচনীৰ ঘটিল, অসমলৈ টেলিভিছন আহিল, তাৰ পিছত, অসমৰ ৰাজনীতিত অসম-গণ-পৰিষদ দলৰ আবিৰ্ভাৱ আৰু শাসন আৰম্ভ হ'ল। এই কেইবছৰত লিখকে আঠবাৰ ভাৰতলৈ (ঘাইকৈ অসমলৈ) গৈ সকলো ঘটনাৰ নিজে উম লৈ আহিছে। বিশেষকৈ, ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা মে মাহৰ সাত তাৰিখলৈকে দীঘলীয়া ছুটি লৈ মই অসমত কটালো। তদুপৰি, ১৯৮০ - ৮৯ চনলৈকে আমালৈ অসমৰ বাইজে অসংখ্য চিঠিপত্ৰ লিখি বহু কথা আমাক জনালে। সেইদৰে, অসমৰ বাতৰি কাকত আৰু আলোচনী সমূহৰ লগতও, বিশেষকৈ 'অগ্ৰদূত' আৰু 'প্ৰান্তিক'ও আমাৰ হাতলৈ নিয়মীয়াকৈ আহিল। এই বুৰঞ্জী এইবিলাক প্ৰত্যক্ষ অভিজ্ঞতা আৰু যোগাযোগৰ আলমতে লিখা। সেই দহটা বছৰ অসমত বহু ঘটনা দেখিলো, বহু মানুহ লগ পালো যদিও ইয়াত বিশেষ কিছুমান ঘটনাকহে এক বিশেষ দৃষ্টি-ভংগীৰে লিখিছো।

এই বুৰঞ্জীৰ কালছোৱাত অসমীয়া জাতিয়ে নানান বিপদ-বিঘিনি, দুখ-কষ্ট, পৰীক্ষা নিৰীক্ষাৰ মাজেদি যোৱা দেখিলো। মাজে মাজে অসমীয়া জাতিয়ে নতুন ৰূপত গঢ় লোৱাৰ এক বিশেষ প্ৰতিশ্ৰুতি আৰু সম্ভাৱনা দেখিবলৈ পালো যদিও মাজে মাজে জাতিটো অধপতনে যোৱা যেনও অনুমান হ'ল। অসমীয়াৰ উজ্জ্বল প্ৰতিশ্ৰুতিক সফল কৰিবলৈ বা অসমীয়াসকলৰ অধপতনত বাধা দিবলৈ বহুতেই বহু প্ৰকাৰে ৰৰঙণি যোগাইছে। আমাৰও দেখাক দেখি উঠিল গা - জাতি ভাইৰ কাৰণে কিবা এটা কৰিবৰ মন গ'ল। কিন্তু কৰোঁ কি? - দান দিবলৈ আমাৰ লাখ লাখ টকা নাই, সমাজ সেৱা কৰিবলৈ আমাৰ অৱসৰ নাই, ৰাজনীতি কৰিবলৈ আমাৰ শিয়াল-বুদ্ধি নাই আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ আমাৰ সুমতি নাই। হেন জানি কৃষ্ণক চিন্তি কলমটোকে তুলি লৈছো, বোলো দুই চাৰিক খুঁচি চাওঁ - কিজানি অসমীয়াৰ অধোগতিত অলপ বাধা দিবই পাৰোঁ।

ইয়াত সেই কাৰণে আনক খোঁচা-বিন্ধা কৰিব পৰা কথাবিলাকহে লিখিছো, আন কথাবিলাক একপ্ৰকাৰ বাদ দিছো। সেইকাৰণে ৰাইজে যেন এইটো নাভাবে যে মই অসমত একো ভাল নেদেখিলো। দৰাচলতে, সেই কেইদিন মই দেশৰ বহু ভাল লক্ষণ দেখিলো আৰু সেইবিলাক দেখি মোৰ ইমান আনন্দ লাগিল যে সেই আনন্দতহে এই বুৰঞ্জীৰ সৃষ্টি হ'ল। এইবিলাক দুখ বেজাৰৰ খুঁচনি নহয় আনন্দৰহে খুঁচনি, এইবিলাক বিদ্বেষৰ খুঁচনি নহয় শুভ ইচ্ছাৰহে খুঁচনি - ইয়াৰ ফলাফল ভাল হওক, মই খোঁচা-বিন্ধা কৰাসকল সক্ষম হওক আৰু সজ পথত চলিব পৰা হওক এয়েই মোৰ কামনা। লগতে মই পৰামৰ্শ

আৰু সহায়ৰ হাত আগ বঢ়াইছো, আৰু মোৰ বিবেচনা এতে সজ পথ আৰু সৎ পথলৈ আঙুলিয়াইছো।

তদুপৰি, আমাৰ দৃঢ় বিশ্বাস যে অসমীয়া জাতিয়ে নিজে ভবাতকৈও বহু খৰকৈ ৰসাতললৈ গৈছে আৰু অসম ৰাজ্যখন ধ্বংসৰ পিনলৈ খেলিবলৈ ধৰিছে। সেয়েহে, এই পুথিৰ যোগেদি কেবাটাও দিশত মই অসমীয়াক সতৰ্ক কৰি দিছো - এইবিলাকৰ বিপক্ষে এতিয়াৰ পৰা কিবা সংশোধন নকৰিলে একৈশ শতিকাত অসম আৰু অসমীয়াৰ অস্তিত্বই নাথাকিব-

(১) ডাঙৰ ডাঙৰ উদ্যোগে অসমৰ জল-স্থল-বায়ু অতি বেয়াকৈ দূষিত কৰিবলৈ ধৰিছে।

(২) নিতৌ বন-জংঘল ধ্বংস কৰা কাৰ্য্য আৰু অপৰিকল্পিত ভাবে সজা মথাউৰিয়ে ব্ৰহ্মপুত্ৰৰ তলীভাগৰ অভাৱনীয় পৰিৱৰ্তন ঘটাইছে।

(৩) আমাৰ শিক্ষা-ব্যৱস্থা কেৱল এক শ্ৰেণীৰ লোকৰ কাৰণেই লগোৱা হৈছে। ই সাধাৰণ ৰাইজৰ উপকাৰত অহা নাই বা ই সমাজৰ কাৰণে বহুমুখী শিক্ষাৰ আধাৰ হোৱা নাই।

(৪) অসমীয়া ভাষা অসমীয়াই লিখিব পঢ়িবলৈ টান পোৱা হৈছে। অসমৰ বহু জনজাতীয় লোক অসমীয়া ভাষাৰ প্ৰতি বিৰাগ হৈছে - দোষ অসমীয়া ভাষী সকলৰেই।

(৫) অসমীয়াৰ চৰিত্ৰৰ ইমান অধঃপতন হৈছে যে অসমীয়া জাতিৰ অস্তিত্বৰ বিষয়ে সন্দিহান নহৈ নোৱাৰি। আজিৰ অসমীয়া অতিশয় স্বাৰ্থপৰ - মই অসমত থাকোতে লগ পোৱা মানুহ বেছি ভাগৰে 'বাটত পালো কমাৰ, দা ধৰা আমাৰ' মনোবৃত্তি দেখি সচাঁকৈয়ে আচৰিত হৈছিলো। তেওঁলোকে মোৰ পৰা নিজৰ স্বাৰ্থ কেনেভাবে পূৰাব পাৰে তাৰহে চিন্তা কৰিছিল - অসমীয়া ভাষা-সাহিত্য, অসমীয়া জাতি, দেশৰ বা দহৰ উপকাৰৰ কাৰণে মোৰ পৰা কিবা জানিব পাৰে নেকি বা নিজেও কিবা কৰিব পাৰে নেকি সেইবিলাক বিষয়ে খুব কমেহে ভাবিছিল। সেয়েহে, বৰ ভাল লাগিছিল ধেমাজী অঞ্চলৰ ডেকা কেইজনমানে আহি তেওঁলোকে নিজৰ গাওঁখনৰ কাৰণে কি কৰিব পাৰে তাৰ পৰামৰ্শ বিচাৰি অহা কাৰণে। সেইদৰে, গুৱাহাটীৰ প্ৰদীপ আৰু বন্তি ভূঞাই তেওঁলোকে [illegible] ভূঞে পঢ়াশালি পাতিবলৈ লোৱা কামত মোকও সাঙুৰি [illegible] আনন্দিত হৈছিলো।

আজিৰ চহৰীয়া (হয়তো গাঁৱলীয়া) অসমীয়া বেছিভাগৰে [illegible] হৈছে টকা - আজিৰ শিক্ষক, ডাক্তৰ, ইঞ্জিনীয়াৰ, চৰকাৰী বিষয়া, পাত্ৰ-মন্ত্ৰী [illegible] যেই কোনো উপায়েৰে ধন ঘটিবলৈ বিচাৰে আৰু সেই ধনেৰে [illegible] সাজিবলৈ,

গাড়ী কিনিবলৈ, ৰিফ্রিজাৰেটৰ-টেলিভিছন আদি কিনিবলৈ চেষ্টা কৰাটোৱেই যেন জীৱনৰ চৰম লক্ষ্য। তেওঁলোকৰ ধাৰণা যে সেইবিলাক আহৰণ কৰিঃ

(ক) মাছে মঙহেৰে ভালকৈ তিনি সাজ খাই থাকিবলৈ পোৱাটোৱেই জীৱনৰ চৰম সুখ,

(খ) লগে ভাগে মদ খোৱাটো চৰম ফূর্তি

(গ) বিদেশী মদ যাচিব পৰাটো চৰম অভিজাত্য

(ঘ) নিজৰ ল'ৰা-ছোৱালীয়ে যি বিচাৰে তাকে দিবলৈ পোৱাটো চৰম আনন্দ

(ঙ) অবৈধ প্রেম কৰিবলৈ পোৱাটো চৰম কৃতিত্ব।

মই বহুত অসমীয়া দম্পতি দেখিলো যি ল'ৰা-ছোৱালী ডাঙৰ কৰাটো একপ্রকাৰ আমনি আৰু নিজৰ মাক দেউতাকৰ আল-পৈছান ধৰাটো এক দুর্বহ বোজা বুলি ভাবে। বহুতৰ মুখত মই এনেকুৱা মন্তব্যও শুনিলো- 'এই বুঢ়াটো গ'লেও আমি বেয়া নাপাওঁ', 'বুঢ়া-বুঢ়ীবিলাক সোনকালে মৰিলেই ভাল', 'এই বুঢ়ী বৰ লেতেকা, কেতিয়ানো আমি নিস্তাৰ পাম ক'ব নোৱাৰো'। এইবিলাক কথাই মোৰ কাণত বিহ ঢালিছিল কিয়নো গোটেই জীৱন কষ্ট কৰি মোক ডাঙৰ কৰা মোৰ প্রাণত সজ চিন্তা সজ আদর্শৰ বীজ সিঁচা মোৰ দেউতাৰ কাৰণে তেখেত জীয়াই থকা কালত একো কৰিব নোৱাৰাটোৱেই মোৰ জীৱনৰ গভীৰ বেদনা। মোৰ আইৰ নানা মনোবাঞ্ছা মই পূৰণ কৰিব পাৰিছিলো যদিও তেখেতৰ বুঢ়া বয়সত তেখেতৰ আল পৈছান ধৰিবলৈ নোপোৱা কাৰণে মই নিজকে দুর্ভগীয়া বুলি ভাবিছিলো।

সেয়েহে, খোঁচা-বিন্ধা বুৰঞ্জী লিখিছো আমাৰ ক্ষয়িষ্ণু চিন্তাধাৰাৰ অধোগতি ৰোধ কৰিবলৈ যৎকিঞ্চিৎ কৰাৰ আশাত, আজিৰ অসমীয়াই এৰি দিয়া আমাৰ কিছুমান অতীত মূল্যবোধ পুনৰ উদ্ধাৰ কৰাৰ আশাত আৰু আটাইতকৈ ডাঙৰ লক্ষ্য হৈছে অসমীয়াসকলক মহামানৱতাৰ পথত ধাৱমান হ'বলৈ উদগনি দিয়াৰ আশা হৈছে।

ইয়াৰ প্রবন্ধবিলাকৰ বেছিভাগেই বাতৰি কাকত বা আলোচনীত প্রকাশিত হৈছে। সেইবিলাকত সময়ৰ সাঁচ ৰাখিবৰ কাৰণে সাধাৰণ শুধৰণিৰ বাদে সেইবিলাক সাল-সলনি কৰা হোৱা নাই। তদুপৰি সেইবিলাকৰ বিষয়ে আন লোকে দিয়া মতামতকো সাল-সলনি নকৰাকৈ ইয়াত দিয়া হৈছে।

# মহামানৱতাৰ যাত্ৰা

সভ্যতাৰ আধাৰশিলা হৈছে ধৰ্ম। ধৰ্ম নোহোৱাকৈ কোনো সভ্যতা হ'ব নোৱাৰে। অৱশ্যে, ধৰ্ম মানে যই সেইবিলাক সত্যকে বুজাইছো যি মানৱক মহামানৱতাৰ পথ দেখুৱাই দিয়ে। কেৱল নিজৰ ইন্দ্ৰিয়বিলাক চিনি পোৱা পশুৰ জীৱনৰ বিপৰীতে ধৰ্মই মানুহক নিজৰ ইন্দ্ৰিয়বিলাক সংযত কৰি সেইবিলাক সৃষ্টিধৰ্মী কৰিবলৈ শিকায়। সকলো সৃষ্টিৰ মূলতে ভগৱান আৰু আমি ভগৱান সৃষ্ট অংশ এই বিশ্বাসকে কেন্দ্ৰ কৰি সকলো ধৰ্মই মানুহক সৃষ্টিধৰ্মী কৰ্মপথ দেখুৱায়। মানুহে যেতিয়া এই সত্য উপলব্ধি কৰে আৰু জীৱনৰ কাৰণে এক কৰ্মপথৰ সঁহাৰি পায় তেতিয়া মানুহে নিজকে চিনিবলৈ শিকে আৰু অনন্ত সময়ৰ এক বিশেষ খণ্ডত সীমিত মানৱ জীৱনত এক মহামানৱতাৰ যাত্ৰা আৰম্ভ কৰিবলৈ সমৰ্থ হয়। মহামানৱতাৰ প্ৰতি ধাৱমান মানৱৰ যাত্ৰাই সভ্যতা। স্থাপত্য, ভাস্কৰ্য্য, চিত্ৰ, সাহিত্য, নৃত্য-গীত আদিৰ সৃষ্টি বা কাৰুকাৰ্য্য এই যাত্ৰাৰে যুগচিহ্ন মাথোন।

মানৱ জাতি ইমান বিস্তীৰ্ণ আৰু ইমান বিস্তৃত যে ইয়াৰ ভিন ভিন অংশত বেলেগ বেলেগ ধৰ্মই গঢ় লৈছে। ভিন ভিন সময়ত ভিন ভিন মহাপুৰুষ, ভগৱৎ-পুত্ৰ বা অৱতাৰৰ আবিৰ্ভাৱ হৈছে। সেয়েহে, পৃথিৱীত বেলেগ বেলেগ সভ্যতাই গঢ় লৈ আহিছে। গোটেই মানৱ জাতিকে একে ধৰ্ম বা একে সভ্যতাৰ বশৱৰ্তী কৰিব পৰা যাব বুলি কৰা কল্পনা অতিশয় অলীক। কিন্তু সকলো মানুহকে এনে এক প্ৰেমৰ ডোলেৰে বান্ধিব পাৰি যাৰ লক্ষ্য হৈছে মানৱক মহামানৱৰ সাৰিলৈ তোলা।

অৱশ্যে, আজিৰ পৃথিৱীজুৰি বিশ্বৰ বুদ্ধিজীৱীসকলৰ মাজত বিশেষ বিতৰ্ক যে মহামানৱতাৰ যাত্ৰাত মানুহক ধৰ্মই উপস্থিত কৰাব পাৰে নে বিজ্ঞানে পাৰে। আজিৰ বহু বৈজ্ঞানিকে ধৰ্মক অলৌকিক অমূলক বুলি হাঁহে আৰু বহু ধাৰ্মিক লোকে বিজ্ঞানক অসাৰ্থক বুলি হাঁহে - ই এক প্ৰকাৰ দুখৰ কথা। দৰাচলতে, সেই বিজ্ঞানেই সত্য যি মহামানৱতাৰ যাত্ৰাত সহায় কৰে আৰু সেই ধৰ্মই সত্য যি বিজ্ঞানৰ যুক্তি আৰু সৃষ্টিকো মহামানৱতাৰ যাত্ৰাত সাঙুৰিব পাৰিছে।

আজি যিহেতু পৃথিৱীত ইন্দ্ৰিয়-বিলাসৰ প্ৰতিপত্তি বাঢ়িছে আৰু বিজ্ঞানৰ অপপ্ৰয়োগৰ ফলত মানৱতা, মানৱীয় গুণ গৰিমা লোপ পাওঁ পাওঁ হৈছে, পৃথিৱীৰ সভ্য লোকসকল একগোট হোৱাটো নিতান্ত প্ৰয়োজন হৈছে। যি মহামানৱতাক বিশ্বাস কৰে, যিসকলে ইন্দ্ৰিয়ক সংযত কৰি সৃষ্টিধৰ্মী হ'বলৈ প্ৰয়াস কৰে তেওঁলোক একগোট হৈ অনাচাৰী, দুৰাচাৰী, অধৰ্মী সকলৰ বিপক্ষে সংগ্ৰাম নকৰিলে আমাৰ সকলো সভ্যতাই ধ্বংসৰ মুখত পৰিব। এই সংগ্ৰামৰ মূলমন্ত্ৰ হ'ব লাগে মহামানৱতাৰ যাত্ৰা।

মানৱৰ মহামানৱভাবৈ এই নতুন যাত্ৰা লুইতৰ পাৰত আৰম্ভ হোৱাৰ শুভ লক্ষণ দেখা গৈছে - হে লুইতপৰীয়া ডেকা-গাভৰু, বুঢ়া-মেথা, ভাইটি-ভনিটাহঁত তোমালোক নাথাকিবা বৈ।

# ১৮১৬ চনৰ পৰা ১৯৭৯ চনলৈকে লেখত লব লগীয়া কথাৰ বুৰঞ্জী

১৮১৬ - ১৮২৬ আহোম ৰাজ্য, দৰং আৰু কোচ ৰাজ্যত মানৰ ৰাজত্ব আৰম্ভ। এই কালছোৱাৰ শেষৰ পিনে মানে এই কেইখন ৰাজ্য ছাৰখাৰ কৰাৰ উপৰিও ইয়াৰ প্ৰায় আধাখিনি লোকক কাটি মাৰি শেষ কৰে। সাহসী আৰু যুজাৰু খলুৱালোকে দেশ ৰক্ষা কৰিবৰ কাৰণে মানৰ লগত যুজি আত্ম বলিদান দিয়ে কিন্তু ভীৰু, স্বাৰ্থ-অন্বেষী আৰু কেৱল নিজৰ নিৰাপত্তাৰ কথা ভবাসকল পৰ্বত-পাহাৰ আৰু ওচৰৰ ৰাজ্যলৈ পলাই বা মানৰ ওচৰত সম্পূৰ্ণৰূপে আত্ম-সমৰ্পণ কৰি জীয়াই থাকে। আন কিছুমানে আকৌ মান সাজি দোৱনীয়া মান হৈ নিজৰ মানুহৰ ওপৰতে উৎপাত আৰম্ভ কৰে। বৰ্ত্তমান অসমৰ বেছি ভাগ খলুৱা লোকেই সেই দোৱনীয়া মান বা স্বাৰ্থ-অন্বেষী পলৰীয়াসকলৰেই সতি-সন্ততি।

১৮২৬ দৰং, কোচ ৰাজ্য আৰু আহোম ৰাজ্য ইংৰাজৰ অধীনলৈ যায় আৰু বৰ্ত্তমানৰ ৰাজনৈতিক অসম গঢ়া হয়।

১৮৩৬ বঙালীক অসমৰ প্ৰশাসনীয় ভাষা কৰা হয়।

আমেৰিকান বেপটিষ্ট মিছনেৰী নেথন ব্ৰাওন দম্পতি আৰু অলিভাৰ কাটাৰ দম্পতিৰ অসমত পদাৰ্পণ।

১৮৩৭ আমেৰিকান বেপটিষ্ট মিছনেৰী মাইল্স ব্ৰন্সনৰ অসম আগমন।

১৮৪৬ অসমৰ খলুৱা লোকসকল আৰু তেওঁলোকৰ ভাষাক ব্ৰন্সনৰ দ্বাৰা 'অসমিয়া' নামেৰে নামাকৰণ। অসমত অসমিয়া ভাষাক শিক্ষা আৰু প্ৰশাসনৰ ভাষা ৰূপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা আৰম্ভ আৰু মিছনেৰীসকলৰ দ্বাৰা প্ৰথম অসমিয়া বাতৰি আলোচনী 'অৰুণোদই'ৰ প্ৰকাশ আৰু অসমৰ প্ৰথম ভাষা আন্দোলন আৰম্ভ।

১৮৪৮ ব্ৰাওনে অসমিয়া ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰকাশ কৰে।

১৮৬৭ ব্ৰন্সনৰ দ্বাৰা প্ৰথম অসমিয়া অভিধান প্ৰকাশ আৰু অসমৰ দ্বিতীয় ভাষা আন্দোলন আৰম্ভ।

১৮৭২ অসমৰ দ্বিতীয় ভাষা আন্দোলনৰ সফল সামৰণি আৰু অসমত অসমিয়া ভাষা প্ৰশাসনীয় ভাষাৰূপে স্বীকৃত হয়। তথাপি অসমিয়াৰ মূৰ্খামি আৰু স্বাৰ্থপৰতাৰ কাৰণে অসমৰ শিক্ষা আৰু প্ৰশাসনীয় জগতত বঙালী ভাষাইহে বেছিকৈ গা কৰে।

১৮৮৯ 'জোনাকী যুগ' আৰম্ভ আৰু 'অসমিয়া' ভাষা 'অসমীয়া' ভাষালৈ ৰূপান্তৰিত।

১৯৩৭ মহম্মদ ছাদুল্লা অসমৰ মুখ্য-মন্ত্ৰী পদত অধিষ্ঠিত হয় আৰু 'অধিক শস্য উৎপাদন'ৰ কাৰণে অসমলৈ বাংলাদেশী মুছলমানলোকৰ আমদানী আৰম্ভ কৰে।

১৯৪৭ ভাৰত স্বাধীন হয়। নগাসকলে স্বাধীন ৰাজ্যৰ দাবীত যুদ্ধ আৰম্ভ কৰে। অসমৰ বহু বঙালীয়ে অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষা ৰূপে গ্ৰহণ কৰাৰ বিৰোধিতা কৰে। অসমৰ জনজাতীয়লোকৰ সুৰক্ষাৰ নিমিত্তে জনজাতীয় বেষ্টনী আৰু আবাসথলী সৃষ্টি কৰা হয়।

১৯৫৩ বহু বঙালীলোকে অসমৰ গোৱালপাৰা জিলা পশ্চিম বংগৰ লগত চামিল কৰিবলৈ দাবী কৰে।

১৯৬০ অসমৰ শাসনত থকা কংগ্ৰেছ দলে অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষা বুলি ঘোষণা কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰে। অসমত থকা বহু বঙালীয়ে এই প্ৰস্তাৱৰ বিৰোধিতা কৰে। লামডিং আৰু মৰিয়ানিৰ নিচিনা সৰহ সংখ্যক বঙালী থকা ঠাইত বঙালীসকলে থলুৱা অসমীয়ালোকক আক্ৰমণ কৰে। তাৰ প্ৰতিক্ৰিয়াত গোটেই অসম জুৰি সংঘৰ্ষ চলে।

অক্টোবৰ মাহত অসমীয়াক ৰাজ্যভাষা কৰি এখন বিধেয়ক বিধান সভাত গৃহীত হয়।

১৯৬২ অসম সীমান্তত চীন-ভাৰত যুদ্ধ। নৱেম্বৰৰ মাজ ভাগত তেজপুৰৰ নেহৰু ময়দানত হোৱা বিৰাট ৰাজহুৱা সভাত বিপিনপাল দাসে শিলগুটিৰেই চীনা সৈন্যক ওভোটাই পঠাম বুলি দপদপায়। কিন্তু যেতিয়া চীনা সৈন্যই তেজপুৰৰ ওচৰৰ বমডিলা পায়হি আৰু তেওঁলোকে তেজপুৰও লোৱাৰ শংকা

হয়, বিপিনপাল আৰু শিলগুটি মাৰি চীনা খেদিম বুলি দম্ভ কৰা আন এজন নেতাই তৎক্ষণাৎ তেজপুৰ এৰি প্ৰথমেই পলায়। অসমত পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ দ্বাৰা অসমৰ মাটিত পাকিস্থানী পতাকা উত্তোলন।

১৯৬৩ প্ৰধান মন্ত্ৰী নেহৰুৰ দ্বাৰা পিপ অৰ্থাৎ পাকিস্থানৰ পৰা অনুপ্ৰৱেশ বন্ধ আইন প্ৰণয়ন।

১৯৬৪ নেহৰুৰ দেহ অৱসান আৰু লাল বাহাদুৰ শাস্ত্ৰী ভাৰতৰ প্ৰধান মন্ত্ৰী নিযুক্ত।

১৯৬৬ শাস্ত্ৰীৰ মৃত্যু আৰু ইন্দিৰা গান্ধী ভাৰতৰ প্ৰধান মন্ত্ৰী নিযুক্ত। অসমৰ কাৰণে দুৰ্দিনৰ সুচনা হয়।

১৯৭২ অসমৰ বহু বঙালীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়াক শিক্ষাৰ মাধ্যম ৰূপে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰোধিতা কৰে।

১৯৭৪ আছু অৰ্থাৎ সদৌ অসম ছাত্ৰ সন্থাই চৰ্কাৰৰ ওচৰত ২১টা দাবীৰ এখন স্মাৰকপত্ৰ দিয়ে। তাৰে এটা দাবী আছিল বিদেশীক চিনাই দেশৰ পৰা বাহিৰ কৰা।

১৯৭৫ দেশত ইন্দিৰা গান্ধীৰ কঠোৰ শাসন আৰম্ভ। কেন্দ্ৰত থকা অসমীয়া নেতা দেৱকান্ত বৰুৱাই 'ইন্দিৰাই ভাৰত' বুলি ইন্দিৰাৰ পদ সেৱিবলৈ লয়।

১৯৭৭ ইন্দিৰা গান্ধীৰ দলে ভাৰত আৰু অসমৰ নিৰ্বাচনীত হাৰে কিন্তু অসম বিধান সভাৰ ১২৬ জন সদস্যৰ ভিতৰত ৩৯জনেই বিদেশী ভোটেৰে জয়লাভ কৰি অসম বিধান সভাৰ সদস্য হয়। গোলাপ বৰবৰা অসমৰ মুখ্য মন্ত্ৰী হয়।

অসমীয়া নেতাই সুবিধা বুজি সুৰ সলাই কংগ্ৰেছৰ এখন সভাত ইন্দিৰা 'দলৰ কাৰণে এক বোজা' বুলি কয়। তাকে শুনি ইন্দিৰাই 'অই মুৰ্খ, চুপ থাক' (Shut up, you stupid) বুলি তেওঁৰ মুখ বন্ধ কৰে।

১৯৭৮ অসমৰ ভোটাৰ তালিকাত হাজাৰ হাজাৰ বিদেশীৰ নাম আছে বুলি অসমৰ ছাত্ৰ নেতাসকলে সন্দেহ প্ৰকাশ কৰে। ছাত্ৰসকলৰ এই সন্দেহ সচা বুলি ভাৰতৰ মুখ্য নিৰ্বাচনী সচিবে ঘোষণা কৰে। কিন্তু, এই বিষয়ে জনতা চৰ্কাৰে একো কৰিবলৈ আগ নাবাঢ়ে।

# প্ৰথম ভাগ
# আন্দোলনৰ পাতনি

*প্ৰথম অধ্যায়*

# আন্দোলনৰ পাতনি

## পিছে সাৰ পোৱা বছৰৰ (১৯৭৯ চনৰ) ধাৰাবাহিক বুৰঞ্জী

জানুৱাৰী - মাৰ্চ — মাৰ্চ মাহত হ'ব লগীয়া মঙলদৈ সমষ্টিৰ উপ-নিৰ্বাচনীৰ কাৰণে ভোটাৰ তালিকাৰ সংশোধন আৰম্ভ হয়। তালিকাত থকা ৬০০,০০০ হেজাৰ ভোটাৰৰ প্ৰায় ৭০,০০০জনৰ বিপক্ষে আপত্তি তোলা হয়। মুখ্যমন্ত্ৰী বৰবৰাই পতা ট্ৰিবিউনেলে ৪৫,০০ বেআইনী বুলি ঘোষণা কৰে। মঙলদৈৰ উপ-নিৰ্বাচনী স্থগিত ৰখা হয়।

বৰবৰাই আন আন ৮০টা সমষ্টিৰ ভোটাৰ তালিকাৰ পৰা বিদেশী লোকৰ নাম বাদ দিবলৈ ট্ৰিবিউনেল পাতে। বৰবৰাৰ এই প্ৰচেষ্টাক তেওঁৰ কেবিনেটৰ দুজন মুছলিম সদস্য (জেহিৰুল ইছলাম আৰু গোলাম ওছমানি) আৰু বিদেশী ভোটেৰে জিকি অহা আন ৩৪জন বিধায়কে প্ৰতিবাদ জনায়।

৭ - ১০ মাৰ্চ — আছুৰ বছৰেকীয়া অধিবেশনত বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যা আলোচনা কৰা হয় আৰু তাৰ বিপক্ষে আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

৮ জুন — অসমৰ পৰা বিদেশী বহিষ্কাৰৰ দাবী কৰি আছুৰ আহ্বানত 'অসম বন্ধ' পালন কৰা হয়।

জুলাই — কেন্দ্ৰত জনতা চৰ্কাৰৰ পতন আৰু ডিচেম্বৰত নিৰ্বাচনী পতা হ'ব বুলি ঘোষণা। নিৰ্বাচনী আয়োগৰ মুখ্য সচিবে কংগ্ৰেছৰ প্ৰৰোচনাত আগৰ সিদ্ধান্ত এৰি ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম নাকাটিবলৈ নিৰ্দেশ দিয়ে।

১৫ আগষ্ট — আছুৰ আহ্বানত অসমৰ বাইজে স্বাধীনতা দিৱস পালনৰ পৰা বিৰত থাকে।

২৭ আগষ্ট — আছুৰ আহ্বানত ডিব্ৰুগড়ৰ কানৈ কলেজত পতা অসমৰ বিভিন্ন দলৰ তিনি দিনীয়া অধিবেশনত অসম গণ সংগ্ৰাম পৰিষদ গঠন

কৰা হয়। পৰিষদে ৬ ছেপ্তেম্বৰৰ পৰা বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দি তেওঁলোকক দেশৰ পৰা বাহিৰ কৰিবৰ কাৰণে দাবী জনাই বিৰাট জন আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লয়।

৪ ছেপ্তেম্বৰ বিৰোধী দলে বৰবৰা মন্ত্ৰীসভাৰ পতন ঘটাবলৈ সমৰ্থ হয়।

যোগেন হাজৰিকা অসমৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হয়।

৬ৰ পৰা ১৪ ছেপ্তেম্বৰ জিলাধিপতি, মহকুমাধিপতি আদিৰ অফিচৰ সন্মুখত পিকেটিং আদিৰে আন্দোলন কৰা হয়।

১৮ ছেপ্তেম্বৰ অসম চৰ্কাৰৰ এখন বিজ্ঞপ্তিৰ মতে, 'নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাৰ পৰা নাগৰিকত্বৰ প্ৰশ্ন লৈ কোনো লোকৰ নাম বাদ নিদিবলৈ নিৰ্দেশ দিছে কিয়নো নাগৰিকত্ব প্ৰমাণ কৰাটো দীঘলীয়া প্ৰণালী। আয়োগৰ মতে নিৰ্বাচনীৰ পিছত ভোটাৰ তালিকা সংশোধন কৰিব পৰা যাব।'

২৬ ছেপ্তেম্বৰৰ পৰা ৯ অক্টোবৰলৈ অসমৰ দাবীত চহী সংগ্ৰহ।

২ অক্টোবৰ ভোট গণোতাসকলে নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাৰ বিষয়ে দিয়া নিৰ্দেশ নমনালে ভোটাৰ তালিকা দাখিল নকৰিবলৈ সিদ্ধান্ত লয়।

অসমৰ ছপাকাৰসকলেও বিদেশীৰ নাম বাদ নিদিয়া ভোটাৰ তালিকা ছপা নকৰোঁ বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

৬ অক্টোবৰ গুৱাহাটীৰ জজ ফিল্ডত অসমৰ ভিন ভিন ঠাইৰ পৰা অহা আন্দোলনকাৰীৰ বিৰাট সমাবেশ।

১১ ৰ পৰা ১৮ অক্টোবৰ পিকেটিং, ধৰ্মঘট আৰু সত্যাগ্ৰহ।

২০ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ বেআইনী ভোটাৰৰ নামৰ বিপক্ষে পাইকটীয়া ভাবে আপত্তি প্ৰতিবেদন দাখিল কৰা হয়।

২২ৰ পৰা ২৯ নৱেম্বৰলৈ শান্তিপূৰ্ণ গণ-সত্যাগ্ৰহ। হাজাৰ হাজাৰ সত্যাগ্ৰহীয়ে কাৰাগাৰ বৰণ কৰে।

২৮ নৱেম্বৰ কেন্দ্ৰৰ অস্থায়ী চৰণ চিং মন্ত্ৰীসভাৰ গৃহমন্ত্ৰী ৱাই-বি চৱনে অসমৰ পৰা উলটি গৈ আগৰ ভোটাৰ তালিকাকে লৈ অসমতো লোকসভাৰ নিৰ্বাচনী পাতিবলৈ সিদ্ধান্ত লয়। অসম গণ সংগ্ৰাম পৰিষদৰ দ্বাৰা নিৰ্বাচনীত অসহযোগৰ সিদ্ধান্ত।

৩, ৪ ডিচেম্বৰ অসম বন্ধ

১০ ডিচেম্বৰ ৩ - ১০ ডিচেম্বৰ প্ৰাৰ্থীসকলৰ দ্বাৰা নিৰ্বাচনী মনোনয় পত্ৰ দিয়াৰ দিন আছিল। আছু আৰু গণ সংগ্ৰাম পৰিষদৰ স্বেচ্ছাসেৱকৰ দ্বাৰা প্ৰাৰ্থীসকল যাতে ওলাই গৈ মনোনয় পত্ৰ দিব নোৱাৰে তাৰ কাৰণে তেওঁলোকক ঘেৰাও কৰে। বহু লোক গ্ৰেপ্তাৰ আৰু - ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমদৰ পত্নীয়ে পুলিচৰ ছদ্মবেশ ধৰি মনোনয় পত্ৰ দিব যাওঁতে তেওঁক ধৰা পেলোৱাৰ দোষত খৰ্গেশ্বৰ তালুকদাৰ নামৰ এজন অসমীয়া যুৱকক পুলিচৰ দ্বাৰা নিৰ্ষ্ঠুৰ বাৱে হত্যা। কাছাৰৰ দুটা সমষ্টিৰ বাদে অসমৰ কোনো ঠাইতে মনোনয় পত্ৰ দিয়া সম্ভৱ নহয়। ফকৰুদ্দিন পত্নীৰ মনোনয় পত্ৰ অগ্ৰাহ্য কৰা হয়।

১২ ডিচেম্বৰ হাজৰিকা মন্ত্ৰী সভাৰ পতন আৰু অসমত ৰাষ্ট্ৰপতিৰ শাসন আৰম্ভ কৰা হয়।

২৭ ডিচেম্বৰ আন্দোলনকাৰীয়ে অসমৰ বাহিৰলৈ তেল পঠিওৱা বন্ধ কৰে।

অসমৰ অ'ত ত'ত হোৱা সংঘৰ্ষত পূৰ্ণ নিৰ্মালিয়া, কমলেশ্বৰ বৰা, প্ৰমোদ কলিতা আৰু মুকুন্দ বড়োৱে বিদেশী অনুপ্ৰৱেশকাৰীৰ হাতত প্ৰাণ হেৰুৱায়।

*দ্বিতীয় অধ্যায়*

## লেঙেৰা: সত্তৰৰ দশকৰ এটি বিশ্ব প্ৰবাহ



ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভোকেন্দ্ৰ বৰুৱা' নামৰ এটা গল্প আছে। এই গল্পটো তেওঁৰ 'জোনবিৰি' নামৰ পুথিত আৰু বৰ্তমান অসম সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা 'বেজবৰুৱা গ্ৰন্থাৱলী' (প্ৰথম খণ্ড)ৰ ৭১৮ - ৭২৯ পৃষ্ঠাত আছে। এই গল্পৰ নায়ক ভোকেন্দ্ৰ বৰুৱাই মৰাণ সভাত বক্তৃতা দিবৰ কাৰণে গদিয়ালৈ যাওঁতে তাৰ মানুহৰ মাজত কেনে ওখল মাখল লাগিছিল তাক বৰ্ণনা কৰি বেজবৰুৱাদেৱে বিশেষ হাস্য ৰসৰ সৃষ্টি কৰিছে। হাঁহিৰ ফুঁকুৰা মেলিবলৈ গৈ বেজবৰুৱাদেৱে লিখিছে যে ভোকেন্দ্ৰ বৰুৱাক চাবৰ কাৰণে-

> "এটা খোৰাই এঠেঙেৰেই খোৰাই খোৰাই ঢেংকুৰচ ঢেংকুৰচকৈ গৈ বেগত উজুটি খাই পৰি আগ দাঁত দুটা ভাঙিলে। এটা কণাই বাট বিচাৰি নাপাই খপিয়াই জপিয়াই অন্ততঃ তাৰ গোৱালঘৰৰ তলত সোমালগৈ। এটা বেঙাই উধাতু খাই গৈ গৈ আলিৰ কাষৰ খাৱৈত পৰি নগুৰ্নাকতি হ'ল।"

কোৱা বাহুল্য যে এজন খোৰা বা এজন কণাৰ দৰে খুত অংগৰ দ্বাৰা বাধাপ্ৰাপ্ত আৰু মানুহৰ সাধাৰণ শক্তিৰ পৰা বঞ্চিত এজন বেঙাৰ দৰে লোকৰ দুৰ্বলতাক হাঁহিৰ সমল ৰূপে ব্যৱহাৰ কৰিবলৈ বেজবৰুৱাই অকণো বেয়া নাপালে। অৱশ্যে, বেজবৰুৱাৰ তেনে কাৰ্য্য আমাৰ সমাজত বিৰাজ কৰি অহা মানসিকতাৰে পৰিচায়ক।

আমাৰ সমাজত লেঙেৰা, কণা, বেমাৰী, বেঙা, পংগু আদি লোকক মানুহে সততে সহানুভূতিৰে নাচায়। 'অই লেঙেৰা', 'অই কণা', 'অই বেঙা' আদি সম্বোধন আমাৰ লোকে সদায় উপহাসৰ সুৰতহে ব্যৱহাৰ কৰে। সেই দুৰ্ভগীয়াসকল বহুত সময়ত সুস্থ মানুহৰ হাঁহিয়াতৰ পাত্ৰ মাথোন। এতিয়া প্ৰশ্ন হ'ল - এনে ধৰণেৰে মানুহৰ সাধাৰণ শক্তিৰ পৰা বঞ্চিত লোক সচাকৈয়ে হাঁহিয়াতৰ পাত্ৰ হোৱা উচিত নে? এনে লোকৰ প্ৰতি আমাৰ সমাজখনো

দায়িত্ব কি হোৱা উচিত? আন আন সভ্য দেশতনো এনে লোকক কেনে ধৰণেৰে চোৱা হয়? এইবিলাক কথা এতিয়া ফঁহিয়াই চাবৰ হ'ল।

মানুহ বিকলাংগ, অংগক্ষত, বেঙা, পংগু আদি হোৱাৰ নানান কাৰণ থাকে। কোনো কোনোৰ কাৰণে ই জন্মগত দোষ, কোনো কোনোৰ কাৰণে ই দুৰ্ঘটনাৰ ফল। কেতিয়াবা কেতিয়াবা আকৌ আনৰ অসাৱধানতা বা কুঅভিসন্ধিৰ কাৰণেও মানুহ বাধাগ্ৰস্ত অৱস্থাত পৰে। সি যিয়েই নহওক, এইটো থিক যে বাধাগ্ৰস্ত লোক এজনে মানুহৰ দৈনন্দিন জীৱনৰ লাগতিয়াল কাম কিছুমান স্বাভাৱিক লোক এজনৰ দৰে সমাধা কৰিবলৈ অক্ষম। এইটোও সচা যে কোনেও নিজ ইচ্ছাৰে এনে বাধাগ্ৰস্ত বা অক্ষম অৱস্থাত উপনীত হোৱা নাই। সেয়েহে তেনে লোকক আমি হাঁহিয়াতৰ পাত্ৰ নকৰি তেওঁলোকৰ প্ৰতি সহানুভূতিসূচক মনোভাৱহে লোৱা উচিত। বাধাগ্ৰস্তলোকৰ দুখ দুৰ্গতিৰ প্ৰতি পিঠি নিদি আমি তেওঁলোকৰ জীৱন উন্নত কৰিবলৈ চেষ্টা কৰা উচিত। আন সভ্য দেশৰ চিন্তাধাৰা এনেকুৱাই।

## বাধাগ্ৰস্ত লোকৰ প্ৰতি সমাজৰ দায়িত্ব

আজিৰ যুগত প্ৰত্যেক ব্যক্তিয়েই শিক্ষাৰ সুবিধা, চিকিৎসাৰ সুবিধা আদি আৰু এক মুক্ত ৰাজনৈতিক পৰিবেশত জীৱন কটাবলৈ পোৱাটো মানুহৰ সাধাৰণ অধিকাৰ বুলি ধৰা হয়। সকলো মানুহে যাতে এই অধিকাৰবিলাক উপভোগ কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰাটো প্ৰত্যেক মানুহৰে ধৰ্ম বুলিব পাৰি। কিন্তু, আমাৰ সমাজত এই যুগ চেতনাৰ বিশেষ অভাৱ। সেয়েহে, বহুতো অংগক্ষত, বিকলাংগ বা আন প্ৰকাৰে বাধাগ্ৰস্তলোকে মানুহৰ এই সাধাৰণ অধিকাৰবিলাক পাবলৈ অসমৰ্থ।

আমাৰ স্কুল কলেজ বা আন আন শিক্ষা অনুষ্ঠানবিলাকত বাধাগ্ৰস্তলোকক শিক্ষা দিবৰ কাৰণে কোনো ধৰণৰ সুবিধা নাই বুলিবই পাৰি। দুই এঠাইত কলা-বোবাৰ স্কুল বা মানসিক ভাবে পিছপৰা শিশুৰ কাৰণে আচুতীয়া স্কুল আছে যদিও সি একেবাৰে নগণ্য। তদুপৰি এই স্কুলবিলাক সমাজৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন। সমাজৰ পৰা সম্পূৰ্ণ নিলগত কাৰণে সেইবিলাকৰ শিক্ষাই তাৰ ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ পৰা আঁতৰ কৰিহে নিয়ে। এইবিলাকত শিক্ষা দিয়াবলৈ হ'লে ল'ৰা-ছোৱালীৰ মাক-দেউতাকে যদি স্কুল থকা ঠাইলৈ গৈ বসতি কৰিব নোৱাৰে তেনেহলে তাৰ শিক্ষাৰে ল'ৰা-ছোৱালীক উপকৃত কৰাটো অসম্ভৱ। আমাৰ দেশত প্ৰায় প্ৰত্যেক সুস্থ শিশুৱেই নিজৰ মাক দেউতাকৰ লগত থাকি শিক্ষা লাভ কৰাৰ সুবিধা পায়। তেনেস্থলত শাৰীৰিক বা মানসিকভাবে বাধাগ্ৰস্ত শিশুসকলে সেই একে সুবিধা নোপোৱাটো দুখৰ কথা। আনহাতে বাধাগ্ৰস্ত শিশুসকলৰ কাৰণে নিজৰ পৰিয়ালৰ সান্নিধ্যৰ হয়তো বেছিহে প্ৰয়োজন। তেওঁলোকেও যাতে নিজৰ মাক-দেউতাকৰ লগত থাকি

একে ধৰণৰ শিক্ষা পাবলৈ সমৰ্থ হয় আৰু একেধৰণ সমাজতে তাওঁৰ দীঘল হ'বলৈ সুবিধা পায় তাৰ কাৰণে চেষ্টা কৰাটো সমাজৰ কৰ্তব্য। শিক্ষা নাপালে তেওঁলোকে চাকৰি কৰি বা ব্যৱসায় আদি কৰি জীৱিকা উপাৰ্জনৰ কোনো বাট উলিয়াই ল'ব নোৱাৰিব আৰু সদায়ে সমাজৰ এক অশিক্ষিত অক্ষম পংগু অংশ ৰূপে বিৰাজ কৰিব। সেয়েহে পংগুলোকক অৱহেলা কৰা মানে সমাজকে পংগু কৰা।

শিক্ষা থাকিলেও জানো এজন শাৰীৰিক আঁসোৱাহৰ বাবে বাধাগ্ৰস্তলোকক একে শিক্ষা থকা এজন সম্পূৰ্ণ সুস্থ লোকৰ সৈতে সমান বুলি ধৰা হয়? উদাহৰণ স্বৰূপে এখন কলেজে যদি এম-এ পাচ কৰা এজন শিক্ষক ল'বলৈ বিচাৰে তেনেহলে সেই কলেজে দুখন ভৰি নথকা আৰু চকী-গাড়ীত নিৰ্ভৰ কৰা এজন এম-এ পাচ লোকক নিয়োগ নকৰাটোহে স্বাভাৱিক। যদি সেয়ে হয় তেনেহলে সেই অংগক্ষত লোকজনে কেনেকৈ জীৱিকাৰ বাট উলিয়াব? আমাৰ সমাজৰ এনে বিচাৰে তেওঁৰ শিক্ষাক আমাৰ সমাজে যথোচিত মুল্য নিদিয়াটোহে বুজায়। যিদৰে নিবনুৱা সমস্যা সমাজৰ কাৰণে ক্ষতিকৰ সেইদৰে বাধাগ্ৰস্তলোকক নিবনুৱা কৰি ৰখাটোও সমাজৰ কাৰণে বিশেষ ক্ষতিকৰ।

স্বাধীনতাৰ পিচৰে পৰা আমাৰ চৰ্কাৰে পিচপৰা বা অনুন্নত জনগোষ্ঠীৰ শিক্ষা, চাকৰি আৰু অৱস্থা উন্নত কৰিবৰ কাৰণে বহু কৰি আহিছে কিন্তু বাধাগ্ৰস্ত লোকৰ কাৰণে তেনে একো কৰা নাই বুলিব পাৰি। ই অন্যায় কিয়নো সমাজত বাধাগ্ৰস্ত লোকসকলেই হয়তো আটাইতকৈ পিছ পৰি আছে। ই দেশৰ কাৰণেও ক্ষতিকৰ কিয়নো ভাৰতত বাধাগ্ৰস্ত লোকৰ সংখ্যা হয়তো কোটী কোটী হ'ব। আনকি আমেৰিকাৰ নিচিনা এখন সতৰ্ক দেশতে বৰ্তমান প্ৰায় ৮০ লাখ শাৰীৰিক বা মানসিক ভাবে বাধাগ্ৰস্ত শিশু আৰু ২৮০ লাখ বয়সীয়া লোক আছে - অৰ্থাৎ মুঠ বাধাগ্ৰস্ত লোকৰ সংখ্যা তিনি কোটীৰও অধিক হ'ব। আমাৰ দেশত বাধাগ্ৰস্তলোকৰ এনে কোনো পিয়ল নাই বুলিয়েই মোৰ ধাৰণা। কিন্তু, ভাৰতত বাধাগ্ৰস্ত লোকৰ সংখ্যা দহ কোটীৰও অধিক হ'ব বুলি অনুমান কৰিব পাৰি। শাৰীৰিক বা মানসিক আঁসোৱাহৰ বাবে বাধাগ্ৰস্ত এই কোটী কোটী লোকক সমাজৰ এৰাব নোৱাৰা অংগ হেন জানি তেওঁলোকৰ শিক্ষা সংস্থানত সহায় কৰি তেওঁলোকেও মানুহৰ সাধাৰণ অধিকাৰবিলাক উপভোগ কৰাৰ সুবিধা দিয়াটো সমাজৰ দায়িত্ব।

এই দায়িত্ব আমেৰিকা চৰ্কাৰ আৰু বাইজে কেনেদৰে বহন কৰিছে তাৰ প্ৰতি আঙুলিয়াই দিয়াটো এই প্ৰবন্ধৰ এটা উদ্দেশ্য। তেনে কৰাৰ আগতে কেইটামান কথা অলপ আলোচনা কৰা যুগুত হ'ব। প্ৰথমেই, ল'ৰা-ছোৱালী শাৰীৰিক বা মানসিক ভাবে দুৰ্বল বা বিকলাংগী হৈ জন্ম হোৱাৰ কাৰণ কিছুমান হৈছে -

(১) মাক দেউতাকে ব্যৱহাৰ কৰা ঔষধ পাতি,

(২) মাক বা দেউতাকৰ চিগাৰেট-চাধা আদি খোৱা স্বভাৱ,

(৩) মাক বা দেউতাকৰ দুশ্চৰিত্ৰ,

(৪) গৰ্ভ ধাৰণৰ সময়ত মাকৰ উপযুক্ত আহাৰৰ অভাৱ আদি।

এইবিলাক দিশৰ প্ৰতি আমাৰ সমাজ আৰু মাক-দেউতাক সকল সম্পূৰ্ণ সজাগ হোৱা উচিত - জানি শুনি সন্তানক বাধাগ্ৰস্ত কৰাৰ পৰা অন্ততঃ মাক দেউতাক সতৰ্ক হোৱাটো অতি প্ৰয়োজন। কোন ঔষধৰ কেনে প্ৰতিক্ৰিয়া, কোন ৰসায়নিক সামগ্ৰীয়ে সন্তানৰ কেনে অনিষ্ট সাধন কৰিব পাৰে। ধোঁৱা-খোৱা আদি কুস্বভাৱে বা মাক-দেউতাকৰ কি ৰোগে সন্তানৰ কেনে অনিষ্ট কৰিব পাৰে সেইবিলাকৰ বিষয়ে আজিকালি নানান তথ্য পাতি পোৱা যায়। সন্তান জন্ম দিবলৈ বিচৰা প্ৰত্যেক পুৰুষ নাৰীয়েই সেইবিলাক ভালদৰে অধ্যয়ন কৰা উচিত। [এইখিনিতে, কেৰেন এনৰাইটৰ ঘটনাটো বৰ্ণোৱা উচিত হ'ব। কেৰেনৰ আইতাকে অসময়ত গৰ্ভপাত হোৱা বন্ধ কৰিবৰ কাৰণে কেৰেনৰ মাক পেট্ৰিচিয়া গৰ্ভত থাকোতে দেচ (Diethystilbestrol otherwise known as DES) নামে জনাজাত ঔষধ ব্যৱহাৰ কৰিছিল। সেই ঔষধে দেখাত পেট্ৰিচিয়াৰ হানি নকৰিলে যদিও তাৰ ৩০ বছৰ পিছত পেট্ৰিচিয়াই জন্ম দিয়া কেৰেনক পংগু কৰিলে। কেৰেনৰ মগজু অনিষ্ট কৰাৰ উপৰিও কেৰেনৰ চেৰিব্ৰেল পল্সিৰ দ্বাৰা আক্ৰান্ত আৰু কেৰেনে গোটেই জীৱন চকী-গাড়ীতেই কটাব লাগিব।

দ্বিতীয়তে, ডি-ডি-টিৰ দৰে কীট পতংগ নিধন কৰা দ্ৰব্য, কাগজ কলৰ দৰে কিছুমান উদ্যোগে বতাহ বা পানীত এৰি দিয়া সীহ, পাৰা আদি দ্ৰব্যইও ল'ৰা-ছোৱালীক পংগু কৰে। আজি কিছু বছৰ আগতে এখন চাহ বাগিচাত খুব বেছিকৈ ডি-ডি-টি আৰু আন আন ধৰণৰ কীট নাশক আদি ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা দেখি মই সেইবিলাকৰ বিষময় পৰিণতিৰ বিষয়ে দুই এগৰাকী বাগিচাৰ উচ্চ বিষয়াক সতৰ্ক কৰি দিছিলো। এতিয়া জানিব পাৰিছো যে চাহ বাগিচাৰ কেবা গৰাকীও মেনেজাৰ, সহকাৰী মেনেজাৰ আদিৰ শাৰীৰিক বা মানসিকভাৱে ঘুণীয়া ল'ৰা-ছোৱালী জন্ম হৈছে। তেনে হোৱাৰ কাৰণে বাগিচাত ব্যৱহৃত ৰাসায়নিক দ্ৰব্যবিলাক বুলি সন্দেহ কৰিবৰ যথেষ্ট থল আছে। তৃতীয়তে, পলিঅ', মাল্টিপল স্কল'ৰ'চিচ (Multiple Sclerosis) আদি ৰোগত আক্ৰান্ত হ'লেও ল'ৰা-ছোৱালী বিকলাংগী হয়। ল'ৰা-ছোৱালীক এনে ৰোগৰ পৰা প্ৰতিৰক্ষা কৰিবৰ নানান উপায় আছে। সেইবিলাকৰ প্ৰতি ল'ৰা-ছোৱালীৰ মাক দেউতাকে বিশেষ ভাৱে চকু ৰখা উচিত।

চতুৰ্থতে, মানুহক অংগক্ষত কৰিব পৰা দুৰ্ঘটনাৰ সম্ভাৱনা কমাবৰও কিছু উপায় আছে। দুৰ্ঘটনাৰ ওপৰত মানুহৰ কোনো হাত নাথাকিলেও দায়িত্বপূৰ্ণভাৱে সতৰ্কতা অৱলম্বন কৰিলে হয়তো বহুতো দুৰ্ঘটনাৰ পৰা হাত সাৰি থাকিব পাৰি। তদুপৰি কল, কাৰখানা, গাড়ী মটৰ আদিৰ নিৰ্মাতা আৰু

পৰাকীসকলক সেই কল কাৰখানা বা গাড়ী মটৰে কৰা ক্ষতিৰ বাবে সম্পূৰ্ণৰূপে জগৰীয়া কৰিলে দুৰ্ঘটনাৰ সংখ্যা কমিব বুলি আশা কৰিব পাৰি। জাগীৰোডৰ কাগজৰ কল বা নামৰূপ সাৰ ফেক্টৰীয়ে বায়ু-পানী-মাটিত ভয়ানক দ্ৰব্যবোৰ পেলোৱাটো বন্ধ কৰাৰ উপায় আন দেশত আছে কিন্তু আমাৰ দেশত দুৰ্নীতিৰ কাৰণেই সেইবিলাক অবাধে চলি থাকে। এইবিলাক চলি থাকিলে যে অদূৰ ভৱিষ্যতত অসমত বাধাগ্ৰস্ত লোকৰ সংখ্যা বাঢ়িব তাত সন্দেহ নাই। মুঠৰ ওপৰত যিবিলাক কাৰণে মানুহৰ শাৰীৰিক বা মানসিক শক্তি অস্বাভাৱিক ভাবে ক্ষতিগ্ৰস্ত হ'ব পাৰে সেইবিলাকৰ বিপক্ষে বাইজে সজাগ সংগ্ৰাম চলাব লাগে।

ক্ষত অংগ বা পংগু অংগৰ কাৰণে বাধাগ্ৰস্ত হোৱা লোকৰ জীৱন মধুৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰিব নালাগে। এওঁলোকৰ জীৱনৰ কষ্ট লাঘৱ কৰিবলৈ আজিৰ বিজ্ঞান আৰু যান্ত্ৰিক জ্ঞানক প্ৰয়োগ কৰিব লাগে। এখন হাত বা এটা ভৰি নথকা বা আন প্ৰকাৰে শাৰীৰিক ভাবে বাধাগ্ৰস্ত এজন লোকে হয়তো বজাৰত পোৱা চাইকেল, মটৰ গাড়ী বা আন আন যন্ত্ৰ পাতি ব্যৱহাৰ কৰিবলৈ অপাৰগ কিয়নো এই যন্ত্ৰ পাতিবিলাক সুস্থ সবল মানুহৰ কাৰণেহে সজা। কিন্তু, যি যন্ত্ৰ পাতি দুখন হাতেৰে চলাব পৰা কৰা হৈছে তাক এখন হাতেৰে চলাব পৰা কৰিবৰ উপায় থাকিব পাৰে। এইখিনিতেই মানুহতকৈ যন্ত্ৰপাতিৰ ক্ষমতা বেছি। - মানুহৰ দেহ-মনৰ ক্ষমতা নিজৰ দেহতেই সীমাবদ্ধ কিন্তু যন্ত্ৰপাতি মানুহৰ সৃষ্টি যেতিয়া সেইবিলাকৰ ক্ষমতা একপ্ৰকাৰ অসীম। প্ৰয়োজন অনুসৰি যন্ত্ৰপাতিক বেলেগ বেলেগ ৰূপ দিব পৰা যায় আৰু বেলেগ বেলেগ পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ সাজিব পৰা যায়। আজিৰ বৈজ্ঞানিক জ্ঞানৰ সহায়ত নানা ধৰণৰ সা সজুলি সৃষ্টি কৰিব পৰাটো সম্ভৱপৰ হৈছে যাৰ কাৰণে বাধাগ্ৰস্ত লোকৰ জীৱনলৈ নতুন আশাৰ বেঙনি আহিছে। এনে যন্ত্ৰপাতি সাজিবলৈ আৰু তাক উন্নত কৰিবলৈ নিতে নতুন গৱেষণা আৰু নতুন প্ৰচেষ্টা চলা উচিত।

মুঠৰ ওপৰত, যিবিলাক কাৰণে মানুহৰ শাৰীৰিক বা মানসিক সাধাৰণ শক্তি নাশ হ'ব পাৰে সেইবিলাকৰ বিপক্ষে সমাজে সজাগ সংগ্ৰাম চলাব লাগে আৰু বাধাগ্ৰস্ত লোকক সমাজত সুস্থ ভাবে সংস্থাপিত কৰিবলৈ সকলো প্ৰকাৰে যত্ন কৰিব লাগে। এই পথত প্ৰথম খোজ হৈছে বাধাগ্ৰস্ত লোকৰ প্ৰতি সাহানুভূতি আৰু তেওঁলোকেও যে মানুহৰ সাধাৰণ অধিকাৰবিলাক উপভোগ কৰিবলৈ সুবিধা পাব লাগে সেই কথা গ্ৰহণ কৰা। এই বিষয়ত আমেৰিকাৰ বাইজ আৰু চৰ্কাৰে কৰা প্ৰচেষ্টা অনুকৰণীয় কিয়নো আজি কিছুদিনৰ পৰা এওঁলোকে যি পাৰে কৰিবলৈ উঠি পৰি লাগিছে।

## আমেৰিকাৰ আদৰ্শ

আমেৰিকাৰ আইনমতে বাধাগ্ৰস্ত (handicapped) লোক বুলিলে এনে লোককে বুজায় যি কোনো শাৰীৰিক বা মানসিক ত্ৰুটিৰ কাৰণে খোজ কঢ়াৰ, দেখাৰ, শুনাৰ, কথা কোৱাৰ, হাতৰ কাম কৰা বা শিক্ষা লাভ কৰাৰ নিচিনা দৈনন্দিন জীৱনৰ কোনো কোনো প্ৰয়োজনীয় কাম সাধাৰণ মানুহৰ দৰে সমাধা কৰিবলৈ অক্ষম। আমিও 'বাধাগ্ৰস্ত' শব্দটো একে অৰ্থতে ব্যৱহাৰ কৰিছো। ১৯৭৩ চনতে আমেৰিকাই '১৯৭৩ চনৰ পুনৰ সংস্থাপনৰ আইন' (Rehabilitation Act of 1973) বুলি জনাজাত এখন আইন প্ৰনয়ণ কৰে। এই আইনৰ প্ৰখ্যাত ৫০৪ দফাৰ প্ৰধান উদ্দেশ্য হৈছে বাধাগ্ৰস্ত লোকক সমাজত সুস্থভাৱে সংস্থাপন কৰা। এই আইন অনুসৰিঃ

(ক) সকলো ৰাজ্যিক আৰু জিলা কৰ্তৃপক্ষই নিজৰ নিজৰ এলেকাত থকা প্ৰত্যেক বাধাগ্ৰস্ত শিশু বিচাৰি উলিয়াই চৰ্কাৰী খৰচত তেওঁলোকৰ শিক্ষাৰ ব্যৱস্থা কৰাটো সেই কৰ্তৃপক্ষবিলাকৰ দায়িত্ব বুলি নিৰ্দেশ দিয়া হয়।

(খ) পৰাপক্ষত বাধাগ্ৰস্ত শিশুক আন সুস্থ ছাত্ৰসকলৰ সৈতে একেটা কোঠীতে বহি শিক্ষা লাভ কৰাৰ সুবিধা দিব লাগিব। তাৰ কাৰণে বাধাগ্ৰস্ত শিশুৱে নিজৰ বাধা লাঘৱ কৰিবলৈ সুবিধা কৰি দিয়াটো কৰ্তৃপক্ষৰ দায়িত্ব বান্ধি দিয়া হয়।

(গ) বাধাগ্ৰস্ত শিশুৰ অভিভাৱকৰ সৈতে আলোচনা কৰি প্ৰত্যেক বাধাগ্ৰস্ত শিশুৰ কাৰণে পাইগুটীয়া আঁচনি কৰাটোও স্কুল কৰ্তৃপক্ষৰ দায়িত্ব বুলি ধৰি দিয়া হয়।

(ঘ) বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ আন প্ৰতিষ্ঠানবিলাকৰ কৰ্তৃপক্ষৰ এইটো দায়িত্ব বুলি নিৰ্দেশ দিয়া হয় যে বাধাগ্ৰস্ত লোকে ডিগ্ৰী, ডিপ্লমা আদি লাভ কৰিবৰ কাৰণে নিৰ্ধাৰিত সময় প্ৰয়োজন অনুসৰি বঢ়াই দিব লাগিব, বাধাগ্ৰস্ত ছাত্ৰৰ প্ৰয়োজন অনুসৰি শিকোৱা প্ৰণালী বা পৰীক্ষাৰ নিয়ম সলাব লাগিব আৰু বাধাগ্ৰস্ত লোকৰ সহায়ৰ কাৰণে সকলো সা-সৰঞ্জাম (যেনে অন্ধৰ কাৰণে ব্ৰেইলীত লিখা কিতাপ, ভালকৈ নুশুনা ছাত্ৰৰ কাৰণে শব্দ যন্ত্ৰ আদি) যোগাই দিব লাগিব।

(ঙ) স্কুল কলেজৰ সকলো বিষয় আৰু শিক্ষা ব্যৱস্থা প্ৰত্যেক বাধাগ্ৰস্ত ছাত্ৰৰ কাৰণে মুকলি হ'ব লাগিব। তাৰ কাৰণে স্কুল কলেজৰ সকলো ঘৰ-দুৱাৰ, শৌচাগাৰ আদিলৈ বাধাগ্ৰস্তলোকে সহজে অহা-যোৱা কৰিব পৰা হ'ব লাগিব - যেনে চিৰি থকা ঘৰলৈ চৰ্কী-গাড়ী যাব পৰা এটলীয়া পথ, শৌচাগাৰত বাধাগ্ৰস্তলোকে ব্যৱহাৰ কৰিব পৰা বিশেষ ব্যৱস্থা, বাধাগ্ৰস্তলোকৰ কাৰণে আচুতীয়া গাড়ী ৰখা ঠাই আদিৰ ব্যৱস্থা কৰিব লাগিব।

(চ) চাকৰি আদিৰ ক্ষেত্ৰতো বাধাগ্ৰস্তলোকক আহুতীয়া কৰাটো আইনমতে দণ্ডনীয়। চাকৰিৰ কাৰণে জাননী, দৰ্খাস্ত বা বাছনিত কোনো ধৰণৰ শাৰীৰিক বা মানসিক বিজুতিৰ প্ৰশ্ন কৰিব নোৱাৰিব। সেইদৰে চাকৰিত নিয়োগ কৰোতে বা পদোন্নতিৰ ক্ষেত্ৰত বাধাগ্ৰস্তলোকক হেয় কৰিব নোৱাৰিব। এজন বাধাগ্ৰস্তলোকক চাকৰিত নিয়োগ কৰাৰ পিচত তেওঁ যাতে নিজৰ কাম সুচাৰুৰূপে কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। যেনে অন্ধলোকৰ কাৰণে পঢ়ি দিব পৰা সহায়, কলা লোকৰ কাৰণে ফোন আদিত কথা পাতি দিব পৰা সহায় আদিৰ ব্যৱস্থা কৰি দিব লাগিব।

ওপৰত উনুকিওৱা ধৰণৰ নিৰ্দেশবিলাক মানি নচলিলে আইনমতে দণ্ডনীয় হোৱাৰ উপৰিও সেই স্কুল কলেজ বা প্ৰতিষ্ঠানবিলাকে পাই থকা চৰ্কাৰী বিত্তীয় আৰু আন সহায় বন্ধ কৰি দিয়া হ'ব। অকল সেয়ে নহয় এই নিৰ্দেশবিলাক কাৰ্য্যত পৰিণত কৰিবলৈ তলত দিয়া ধৰণেৰে সময় বান্ধি দিয়া হয়ঃ

১ অক্টোবৰ ১৯৭৭ঃ আহুতীয়া শিক্ষা ল'ব লগীয়া সকলো শিশুৰ শিক্ষা আজিৰ পৰা ৰাজ্যিক কৰ্তৃপক্ষৰ দায়িত্ব হ'ল। ইতিমধ্যে ভৰ্তি হোৱা সকলো বাধাগ্ৰস্ত শিশুৰ কাৰণে পাইওটীয়া শিক্ষা ব্যৱস্থা আজিৰ পৰা থাকিব লাগিব।

১ ছেপ্তেম্বৰ ১৯৭৮ঃ তিনিৰ পৰা সোতৰ বছৰ বয়সৰ সকলো বাধাগ্ৰস্ত চেমনীয়াৰ কাৰণে বিনামূলীয়া শিক্ষা ব্যৱস্থা আজিৰ পৰা থাকিব লাগিব।

১ ছেপ্তেম্বৰ ১৯৮০ঃ ওঠৰৰ পৰা একৈশ বছৰ বয়সৰ সকলো বাধাগ্ৰস্ত যুৱকৰ কাৰণে বিনামূলীয়া আৰু যথোচিত শিক্ষা ব্যৱস্থা থাকিব লাগিব।

১৯৮০ চনৰ এক ছেপ্তেম্বৰ হ'বলৈ আৰু বেছি দিন নাই। ইতিমধ্যে, আমেৰিকাৰ সকলো শিক্ষানুষ্ঠানতে বাধাগ্ৰস্তলোকৰ কাৰণে আহুতীয়া ব্যৱস্থা কৰা প্ৰায় হৈ গৈছে। ইয়াৰ স্কুল কলেজ বিলাকত এতিয়া সততে চকী-গাড়ী ব্যৱহাৰ কৰা বা আন প্ৰকাৰেৰে বাধাগ্ৰস্ত ছাত্ৰ ছাত্ৰী এতিয়া অনেক দেখিবলৈ পোৱা যায়। বাধাগ্ৰস্তলোকৰ কাৰণে আহুতীয়া ব্যৱস্থাৰ চিনটো (এই প্ৰবন্ধৰ আৰম্ভণিতে দিয়া ধৰণৰ) আজিকালি সকলোতে বিদ্যমান। আমেৰিকাৰ বাধাগ্ৰস্তলোকসকলে এতিয়া মানুহৰ সাধাৰণ অধিকাৰবিলাক লাভ কৰি সমাজত এটা সুস্থ পৰিবেশৰ সৃষ্টি কৰিছে।

ৰচনাকালঃ জুলাই ১৯৮০

তৃতীয় অধ্যায়

# ইন্দিৰা গান্ধীৰ কুশাসনৰ প্ৰথম তিনি বছৰৰ (১৯৮০ - ৮২ চনৰ) ধাৰাবাহিক বুৰঞ্জী

## ১৯৮০ চন

৩ জানুৱাৰী — উত্তৰ কামৰূপৰ ৰবিকাডংগাত দিলীপ হুজুৰী নামৰ এজন ১৬ বছৰীয়া অসমীয়া যুৱকক বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে নৃশংস ভাবে হত্যা কৰে।

৫ - ১১ জানুৱাৰী — উত্তৰ কামৰূপৰ বহু অঞ্চল বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ দ্বাৰা আক্ৰান্ত। উত্তৰ কামৰূপৰ কেবাখনও অসমীয়া গাঁৱত অগ্নি সংযোগ আৰু এজন চি-আৰ-পিৰ জোৱানকও হত্যা কৰা হয়। বাংলাদেশীৰ এই আক্ৰমণত প্ৰায় পাঁচ হেজাৰ খলুৱা অসমীয়াই ঘৰবাৰী হেৰুৱাই আশ্ৰয় শিবিৰত থাকিব লগীয়া হয়। বাংলাদেশীসকলৰ মাজত বহু সংখ্যক মুক্তি বাহিনীৰ প্ৰশিক্ষিত লোকেও যোগদান কৰা বুলি বিশ্বাস। প্ৰত্যেকখন অসমীয়া গাঁৱৰ ওপৰত চলা আক্ৰমণত মুক্তি বাহিনীয়ে তেওঁলোকৰ স্বাধীনতা যুদ্ধত ব্যৱহাৰ কৰা সফল কৌশল প্ৰয়োগ কৰে।

উত্তৰ কামৰূপৰ নানা ঠাইত বিদেশী অনুপ্ৰৱেশকাৰী আৰু খলুৱা লোকৰ মাজত হোৱা সংঘৰ্ষৰ কাৰণে চি-আৰ-পিৰ সেনা পঠিওৱা হয়। ১১ জানুৱাৰীৰ দিনা এই সেনাৰ কোনো দলে উত্তৰ কামৰূপৰ প্ৰায় ২৯খন অসমীয়া গাঁৱত অসমীয়া নাৰীৰ ওপৰত বলাৎকাৰ আদি পাশৱিক অত্যাচাৰেৰে সন্ত্ৰাস সৃষ্টি কৰে।

১৪ জানুৱাৰী — ইন্দিৰা গান্ধী পুনৰ ভাৰতৰ প্ৰধান মন্ত্ৰী হয়।

১৮ জানুৱাৰী — ডুলিয়াজানৰ তেল কোম্পানীৰ শান্তিপূৰ্ণ সত্যাগ্ৰহীৰ ওপৰত গুলী চালনা কৰি চি-আৰ-পিয়ে চাৰিজন অসমীয়া লোকক হত্যা আৰু বহুতক ঘুণীয়া কৰে। ক্ষুব্ধ জনতাই গুলী চালনাৰ এঘণ্টা পিছত ডুলিয়াজানলৈ পুলিচ মাতি অনা এজন উচ্চ বিষয়াক হত্যা কৰে।

২ ফেব্ৰুৱাৰী — নতুন দিল্লীত ইন্দিৰা গান্ধী আৰু তেওঁৰ গৃহমন্ত্ৰী জাইল ছিঙৰ লগত আন্দোলনৰ নেতাসকলৰ বিফল আলোচনা। ইয়াৰ পিছতো মাৰ্চৰ প্ৰথম সপ্তাহত হোৱা আলোচনা বিফল হয়।

২৯, ৩০ মাৰ্চ গোৱালপাৰাৰ জলেশ্বৰত বাংলাদেশী আৰু কিছু ভাৰতীয় বঙালীৰ দ্বাৰা সদৌ অসম সংখ্যালঘু মৰ্চা গঠন।

৩ এপ্ৰিল অসমৰ মুখ্য সচিবে আন্দোলনকাৰীসকলৰ বিপক্ষে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি ঘোষণা কৰে।

৫ এপ্ৰিল অসমৰ ৰাজ্যপাল এল-পি-সিঙে উত্তৰ কাছাৰৰ বাদে অসমৰ সকলো অঞ্চল 'অশান্ত অঞ্চল' বুলি ঘোষণা কৰে আৰু অশান্ত অঞ্চল তথা সশস্ত্ৰ ফৌজৰ বিশেষ অধিকাৰ আইন প্ৰয়োগ কৰে। এই ব্যৱস্থা অনুসৰি সৈন্য বাহিনীয়ে মানুহৰ ঘৰত প্ৰৱেশ কৰিবলৈ, তালাচ কৰিবলৈ, মানুহক গুলিয়াবলৈ বা যাকে তাকে মাৰিবৰ ক্ষমতা পায়।

৭ এপ্ৰিল অসম হাইকৰ্টে অসম চৰ্কাৰক ৫ এপ্ৰিলৰ আইন ব্যৱস্থা স্থগিত ৰাখিবলৈ শুনানী দিয়ে আৰু অসম চৰ্কাৰক এই ৰায়ৰ বিপক্ষে আবেদন কৰিবলৈ দহ দিন সময় দিয়ে।

বহু মহিলা আৰু সৰু সৰু ল'ৰা-ছোৱালীকে ধৰি প্ৰায় ১৬,০০০ অসমীয়া লোকক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰ কৰিলেও এইসকলৰ বিপক্ষে কোনো গোচৰ তৰা নহয়।

১০ এপ্ৰিল অসম চৰ্কাৰৰ ৮৫,০০০ কৰ্মচাৰীয়ে তেওঁলোকৰ চাকৰি হেৰুৱাব বা বিলম্বিত কৰা হ'ব, জেলত ভৰোৱা হ'ব আদিৰ ভাবুকিলৈ কেৰেপ নকৰি আন্দোলনত যোগ দিয়ে।

১২ এপ্ৰিল ইন্দিৰা গান্ধীয়ে অসম ভ্ৰমণৰ কাৰণে আহি ৯ ঘণ্টা সময় কটায় আৰু তাৰে বেছি ভাগ সময় বাংলাদেশী অনুপ্ৰৱেশকাৰী আৰু তেওঁলোকৰ নেতাসকলৰ লগতে কটায়। অসম আন্দোলনৰ নেতাসকলৰ লগত হোৱা সময়কণ তেওঁ কেৱল অসমৰ মেলেৰিয়াৰ বিষয়ে বক্তৃতা দি সামৰে।

১৮ এপ্ৰিল অসম হাইকৰ্টে অসম চৰ্কাৰৰ ৫ এপ্ৰিলৰ আইন বলৱৎ কৰাৰ আবেদনৰ বিপক্ষে মত দিয়ে। সেই চেষ্টাত ব্যৰ্থ হৈ অসম চৰ্কাৰে ঘণ্টাচেৰেক পিছতেই অসম আপত্তীয়া আটক বিধি বলৱৎ কৰে (Assam Preventive Detention Act)

২০ এপ্ৰিল গুৱাহাটীত ২,৫০০জন আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰে আৰু গুৱাহাটীত কাৰ্ফিউ জাৰি কৰি জোৰেৰে তেল চালান আৰম্ভ কৰিবলৈ চেষ্টা কৰে। সেই কাৰ্ফিউক নামানি লাখ লাখ লোকে নাৰেংগীৰ তেল শোধানাগাৰলৈ যাত্ৰা কৰে আৰু অসমৰ বাহিৰলৈ তেল পঠিওৱা চেষ্টা ব্যৰ্থ কৰে। তেতিয়াৰে পৰা এপ্ৰিলৰ বাকী

কেইটা দিন চৰ্কাৰৰ লগত অসহযোগ আন্দোলন চলি থাকে। অসমৰ পৰা চাহপাত, প্লাইউড, মৰাপাট আদিও বাহিৰলৈ চালান দিয়া আন্দোলনকাৰীয়ে বন্ধ কৰে।

চৰ্কাৰে আন্দোলনকাৰীৰ প্ৰতি সহানুভূতি থকা বুলি অসমৰ মুখ্য সচিব আৰ-এছ-পৰমশিৱম আৰু ডি-আই-জি হিৰণ্য ভট্টাচাৰ্য্যক ছুটি দিয়ায় আৰু ১০০জনমান বিষয়াক বিলম্বিত কৰে। টেলেংগনা আন্দোলনক কঠোৰ ভাবে দমন কৰা এইচ-টি-ছাবিনক অসম চৰ্কাৰৰ মুখ্য পৰামৰ্শক নিযুক্তি দিয়া হয়।

১০ মে বহু ছাত্ৰ নেতাক গ্ৰেপ্তাৰ কৰি বিহাৰৰ ভাগলপুৰ জেললৈ পথিওৱা হয়।

১৬ মে তিনচুকিয়াত সাম্প্ৰদায়িক সংঘৰ্ষ। পুলিচৰ গুলীত পাঁচজন নিহত আৰু বহু লোক আহত হয়।

২৬ মে আমছুৱে (অৰ্থাৎ সদৌ অসম সংখ্যালঘু সন্থাই) বৰপেটা দাবী দিৱস পাতে। বৰপেটাত তেওঁলোকে 'জয় বাংলা' ধ্বনি দিয়ে আৰু বাংলাদেশৰ পতাকা উত্তোলন কৰে।

২৮ মে নগাঁৱ জিলাত বিদেশী অনুপ্ৰবেশকাৰীয়ে ভাৰতীয় গাঁৱ আক্ৰমণ কৰি ৩০০ ঘৰত জুই অবলায় আৰু ১২০০ লোকক গৃহহীন কৰে। আঠগাঁৱ চাপৰিত আক্ৰমণ কৰি তেওঁলোকে দহজন ভাৰতীয় লোকক হত্যা কৰে আৰু প্ৰায় ৩০০জনক জখম কৰে। তাৰ পিছৰ কেইদিনত তেওঁলোকে ভাৰতীয় লোকক আক্ৰমণ কৰাৰ উপৰিও চৰ্কাৰী বাছৰ আৰোহী আক্ৰমণ, অপহৰণ আদি হিংসাত্মক কাৰ্য্য কৰে। পুলিচে তেওঁলোকৰ কাৰ্য্য ৰোধ কৰিবলৈ গুলী চলাই তেওঁলোকৰ কেইজনমানক হত্যা আৰু জখম কৰে।

জুন-অক্টোবৰ ইন্দিৰা চৰ্কাৰৰ লগত এবা-ধৰাকৈ আলোচনা চলি থকা কাৰণে আন্দোলন কিছু কমাই ৰখা হয়। বিশেষকৈ, মণিপুৰৰ মুখ্যমন্ত্ৰী দৰেন্দ্ৰ সিঙৰ মধ্যস্থতাত হোৱা আলোচনাত সমস্যা সমাধানৰ কিছু আশা দেখা যায়। কিন্তু, দৰাচলতে ইন্দিৰা চৰ্কাৰে এই কালছোৱাত নানা প্ৰকাৰে লোভ প্ৰলোভন দেখুৱাই অসম বিধান সভাৰ অ-কংগ্ৰেছী লোকসকলক হাত কৰি অসমত এখন ইন্দিৰা কংগ্ৰেছৰ ৰাজত্ব প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰে।

১ নবেম্বৰ ছলে বলে কৌশলেৰে অসমত ক্ষমতে ইন্দিৰা চৰ্কাৰ এখন পাতিব নোৱাৰে তাৰ কাৰণে সতৰ্ক হ'বলৈ ৰাজধানী দিছপুৰত

বিধায়কসকলক ঘৰে ঘৰে ঘেৰাও কৰে। পুলিচৰ গুলী চালনাত দিলীপ চক্ৰৱৰ্তী নামে এজনৰ মৃত্যু আৰু বহুত জখম হয়।

২, ৩ নবেম্বৰ দিলীপ চক্ৰৱৰ্তীৰ হত্যাৰ প্ৰতিবাদত অসম জুৰি হৰতাল, বন্ধ আদি পালন। বিধায়কসকলৰ প্ৰতিৰক্ষা আৰু তেলৰ যোগান আৰম্ভ কৰিবৰ কাৰণে ভাৰতীয় সেনাবাহিনীক প্ৰয়োগ।

২৮ নবেম্বৰ টি-আৰ-পিয়ে গুৱাহাটীৰ কটন কলেজৰ ছাত্ৰবাস আক্ৰমণ কৰি যাকে য'তে পালে মাৰি পিটি জখম কৰি ৪৬৮জনক বাহুত তুলি পুলিচ থানালৈ নিয়ে। ভেৰ্ঙলোকক পানী এটোপাও খাবলৈ নিদিয়াকৈ বা হগা-মুতা কৰিবলৈ নিদিয়াকৈ আৰু জখম হোৱা কেইজনৰ কোনো শুশ্ৰূষা নকৰাকৈ প্ৰায় দহ ঘণ্টা বাহুতে ৰাখে।

পুলিচে কটন কলেজৰ চুডমাৰ্চন হলত থকা আছুৰ অফিচ লণ্ড ভণ্ড কৰে আৰু অসম সাহিত্য সভাৰ ভাগৱতী প্ৰসাদ ভৱনও দখল কৰে।

*৩ ডিচেম্বৰ গোৱালপাৰাৰ জনজাতীয় নেতা দেবেন শায়ৰীক বাংলাদেশী অনুপ্ৰবেশকাৰীয়ে হত্যা কৰে।*

৬ *ডিচেম্বৰ* অসমৰ বিধান সভাত তেতিয়া ইন্দিৰা কংগ্ৰেছৰ সদস্য মাত্ৰ ৮ জনহে আছিল যদিও নানা প্ৰলোভন ভেটি আদিও ভোল লৈ বা নিজৰ স্বাৰ্থৰ কাৰণে আন ৪৩জন সদস্যই ইন্দিৰা কংগ্ৰেছত যোগ দিয়ে। এইসকলৰ ভিতৰত আগৰ কংগ্ৰেছ (এছ) চৰ্কাৰৰ গৃহ মন্ত্ৰী হিতেশ্বৰ শইকীয়াও আছিল। ইন্দিৰাৰ নিৰ্দেশত আনোৱাৰা টাইমুৰক অসমৰ মুখ্যমন্ত্ৰী পতা হয়। অসমৰ ৰাইজে আনোৱাৰা চৰ্কাৰ প্ৰতিষ্ঠাৰ তীব্ৰ প্ৰতিবাদ কৰে আৰু সত্যাগ্ৰহ, পিকেটিং আদিৰে মন্ত্ৰীসকলৰ শপত গ্ৰহণত বাধা দিবলৈ চেষ্টা কৰে।

আনোৱাৰে টাইমুৰে পুলিচ আৰু টি-আৰ-পিৰ সহায়ত অসমীয়া আন্দোলনকাৰীক মাৰি পিটি আন্দোলন দমাবলৈ অবৰ্ণনীয় কঠোৰ শাসন আৰম্ভ কৰে। আন্দোলনকাৰীক গ্ৰেপ্তাৰ, অমানুষিক অত্যাচাৰ, হত্যা আদিৰে আনোৱাৰাই যেন অসমত দস্যু-ডকাইতৰ শাসন মেলি দিয়ে।

১৭ ডিচেম্বৰ টি-আৰ-পিয়ে পাটাচাৰকুছি হস্পিটালত সোমাই ৰোগী, নাৰ্ছ আদিৰ ওপৰত উপদ্ৰৱ কৰি সা-সৰঞ্জাম, ঔষধ-পাতি নষ্ট কৰে। (আচাম ট্ৰিবিউন ১৮ ডিচেম্বৰ)।

১৮ ডিচেম্বৰ আছু আৰু গণ সংগ্ৰাম পৰিষদৰ আহ্বানত ১৩ দিনীয়া সত্যাগ্ৰহ কাৰ্য্যসূচী আৰম্ভ। চি-আৰ-পিয়ে গুৱাহাটীৰ দুজন প্ৰবীণ উকীলক কাছাৰীৰ সমুখতে আৰু যোৰহাটৰ এজন ন্যায়িক দণ্ডাধীশক আদালত চলাই থকোঁতেই উধাই মুধাই কোবায়। গুৱাহাটীত ৫,০০০জন আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰে আৰু সন্দিকৈ কলেজৰ বৰ-কেৰাণী কল্পনাথ ভট্টাচাৰ্য্যক মৰিয়াই মাৰে।

বৰপেটাত চি-আৰ-পিয়ে মহিলা সত্যাগ্ৰহীৰ ওপৰত জুই-নুমোৱা পানীৰ যন্ত্ৰেৰে পানী মাৰে আৰু তিতা কাপোৰেৰে দৌৰিব নোৱাৰা হোৱাৰ পিছত তেওঁলোকৰ ওপৰত লাঠী চলায়। বৰপেটাত ঠাকুৰ ওজা আৰু পাটাচাৰকুছিত অখেন্দ্ৰ তালুকদাৰক পুলিচে গুলিয়াই মাৰে।

মাৰ-কোৰ খাই অৱশেষত জনতা দলৰ লোকেও আন্দোলনত যোগদান কৰিবলৈ আৰম্ভ কৰে।

২২ ডিচেম্বৰ ৰঙিয়া আৰু মিৰ্জাত পুলিচে ৬জন সত্যাগ্ৰহীক গুলিয়াই মাৰে আৰু বহুতকে জখম কৰে। তেজপুৰত পুলিচে কোবাই, গুৰিয়াই আৰু গুলিয়াই ৭৬জনক আহত কৰে।

২৩ ডিচেম্বৰ পুলিচৰ বৰ্বৰতাৰ বাতৰি প্ৰকাশ হোৱাটো বন্ধ কৰিবলৈ টাইমুৰ চৰ্কাৰৰ পৰামৰ্শত অসমৰ ৰাজ্যপালে অসম বিশেষ ক্ষমতা (প্ৰেছ) আইন প্ৰবৰ্তন কৰে আৰু অসমীয়াই মাৰ খোৱা চাবলৈ ভাল পোৱা কলিকতীয়া বাতৰি কাকতৰ বাতৰি দিওঁতাৰ বাদে অসমৰ বাহিৰৰ পৰা অহা সকলো সাংবাদিকক খেদি পঠিয়ায়।

## ১৯৮১ চন

৪ জানুৱাৰী নতুন দিল্লীত অসমৰ বিষয়ে জাতীয় সমাৱৰ্তন। অসমত চি-আৰ-পি আৰু পুলিচে চলোৱা অত্যাচাৰ আৰু নিষ্ঠুৰ দমনৰ বিষয়ে ভাৰতীয় জনতা পাৰ্টিৰ নেতা বাজপেয়ীয়ে কয়, "অসমত যোৱা এমাহে যিবিলাক ঘটিছে সেইবিলাক আমি কল্পনা কৰিব নোৱাৰা কথা"। ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী মোৰাৰজী দেশায়ে অসম আন্দোলনৰ নেতাসকলক এইবুলি অভিনন্দন জনায় যে চৰ্কাৰে হিংসাত্মক ৰূপ দিবলৈ সকলো ধৰণৰ ষড়যন্ত্ৰ চলাই থকা সত্ত্বেও নেতাসকলে আন্দোলনটো ইমান দিন অহিংস ভাবে চলাই থাকিবলৈ সমৰ্থ হৈ আছে।

অসম আন্দোলনৰ সত্যাগ্ৰহ, পিকেটিং আদি কিছুদিনলৈ শান্ত কাটে। ছাত্ৰসকলে স্কুল কলেজলৈ গৈ এপ্ৰিল মাহত পৰীক্ষা আদিৰ কাৰণে লাগে। তথাপি নেতাসকল আৰু চৰ্কাৰৰ মাজত এবা-ধৰাকৈ আলোচনা চলি থাকে।

১৮ জুন আনোৱাৰা টাইমুৰ চৰ্কাৰৰ পতন। "খোঁৱা বেচা-কিনা আকৌ আৰম্ভ হ'ব" বুলি টাইমুৰে আকৌ বিধায়কক টকা পইচাৰে কিনিবলৈ চেষ্টা কৰি চৰ্কাৰ পতাৰ চেষ্টা চলাব বুলি ইংগিত দিয়ে।

২৩ আগষ্ট বোম্বাইৰ প্ৰখ্যাত চোৰাং কাৰবাৰী হাজী মোস্তানাৰ বন্ধু আৰু আমদানী-ৰপ্তানীৰ ব্যৱসায়ৰে ঢেৰ ধন উপাৰ্জন কৰা প্ৰকাশ মেহৰোত্ৰা অসমৰ ৰাজ্যপাল কৰি ইন্দিৰা গান্ধীয়ে অসমত গুণ্ডাৰ ৰাজত্বৰ সূচনা কৰে। এওঁৰ আগমনত কামৰূপৰ উপায়ুক্তই বিভিন্ন প্ৰতিষ্ঠান আৰু লোকক ভয় দেখুৱাই ৫ ধনকৈ আদৰণি টোৰণ সজাবলৈ বাধ্য কৰে।

ডিচেম্বৰ গ্ৰেপ্তাৰ হোৱাৰ ভয়ত আন্দোলনৰ নেতাসকল লুকাই পলাই ফুৰে যদিও আছুৰ সভাপতি প্ৰফুল্ল মহন্তই নগা পাহাৰত দেখা দি নগালেণ্ড ষ্টুডেন্টছ ফেডাৰেছনৰ সভাপতি জুবেনু লুলেৰ লগত আলোচনা কৰি দুয়ো নেতাই এখন ঘোষণা পত্ৰ চহী কৰি প্ৰচাৰ কৰে।

ছাত্ৰসকলে আকৌ অসহযোগ আন্দোলন আৰম্ভ কৰে। এইবাৰ তেওঁলোকে চৰ্কাৰী বাছত বিনা টিকেটে ভ্ৰমণ আন্দোলন আৰম্ভ কৰে।

৩১ ডিচেম্বৰ পুলিচে তিনিজন সত্যাগ্ৰহীক গুলিয়াই মাৰে।

পুলিচে যোৰহাটত এজন ১২ বছৰীয়া ছাত্ৰক গ্ৰেপ্তাৰ কৰি ওৰে ৰাটটো কাষৰ লাইট পষ্টত তেওঁৰ মূৰটো খুন্দিয়াই খুন্দিয়াই নিয়ে। সেই একেদিনাই ডিমৌত ৰাজীৱ ৰাজকুমাৰ নামে এজন ছাত্ৰই আহত হোৱা আন্দোলনকাৰীক দিবলৈ ঘৰৰ পৰা এবাল্টি পানী লৈ আহোঁতে তেওঁক নিজৰ চোতালতে অসম পুলিচৰ এজন বিষয়াই বিভলভাৰেৰে গুলিয়াই ৰাজীৱক বগৰাই দিয়ে। ৰাজীৱৰ দেউতাকে দৌৰি আহি পুতেকক সাৱটি ধৰোঁতে পুলিচজনে দেউতাকক লক্ষ্য কৰি গুলিয়ায়। (দেউতাকে মাটিত শুই দিয়াত তেওঁৰ গাত গুলী নালাগে)।

**১৯৮২ চন**

১ জানুৱাৰী — পুলিচে নগাওঁ আৰু দৰং জিলাত চাৰিজন সত্যাগ্ৰহীক গুলিয়াই মাৰে।

৪ জানুৱাৰী — গুৱাহাটী উকীল সন্থাৰ এক অভূতপূৰ্ব সভাত পুলিচ আৰু চি-আৰ-পিৰ যোগেদি অসম চৰ্কাৰে চলোৱা অত্যাচাৰ আৰু দমন উপদ্ৰৱক পৰিহণা দিয়া হয়। শোভা যাত্ৰাৰে ১৪৪ ধাৰা ভংগ কৰে।

চি-আৰ-পিৰ লোকে চান্দমাৰিৰ ইউনিয়ন বেংকত সোমাই ব্ৰাঞ্চ মেনেজাৰকে ধৰি তাৰ বিষয়াসকলক মাৰধৰ কৰে।

"অসম গণ সংগ্ৰাম পৰিষদৰ বিষয় ববীয়া সকলক মাৰি পিটি চি-আৰ-পিৰ মানুহ কেইজন উন্মত্ত হৈ পৰে আৰু অসমীয়া পষেকীয়া আলোচনী প্ৰান্তিকৰ সম্পাদক শ্ৰীপ্ৰদীপ বৰুৱাক শিলপুখুৰী অঞ্চলত প্ৰহাৰ কৰে। তেওঁৰ গাড়ীখনৰ কিছু ক্ষতি কৰে আৰু তাৰ আন দুজন যাত্ৰী শ্ৰীধীৰেন বেজবৰুৱা আৰু শ্ৰীইন্দ্ৰজিত বৰুৱাকো মাৰধৰ কৰে" (ইণ্ডিয়া এব্ৰড, জানুৱাৰী, ১৯৮২)

১০-১১ জানুৱাৰী — আইন অমান্য আন্দোলন।

জানুৱাৰী — ইন্দিৰা কংগ্ৰেছৰ কেশৱ গগৈক নেতা ৰূপে লৈ এখন মন্ত্ৰী সভা পতা হয়।

১২ - ১৩ মাৰ্চ — প্ৰশাসনীয় কাৰ্য্যালয়ৰ সন্মুখত চাবি-জনীয়াকৈ যুক্তি যুজাবুৰ ১২ ঘণ্টীয়া অনশন।

১৫ - ১৯ মাৰ্চ — প্ৰশাসনীয় কাৰ্য্যালয়ৰ সন্মুখত চাৰি-জনীয়াকৈ মহিলাৰ ১২ ঘণ্টীয়া অনশন।

প্ৰয়োজনীয় সংখ্যক বিধায়কৰ সমৰ্থনৰ অভাৱত গগৈ মন্ত্ৰীসভাৰ পতন।

জুন — ইন্দিৰা চৰ্কাৰে ভোটাৰ তালিকাৰ পৰা বিদেশীসকলৰ নাম বাদ নিদিয়াকৈ অসমত নিৰ্বাচনী পাতিবৰ তলে তলে আয়োজন কৰিছে বুলি জানি আকৌ আন্দোলন আৰম্ভ।

ইন্দিৰা চৰ্কাৰে আন্দোলনকাৰীৰ কঁকাল বেয়াকৈয়ে বেকা কৰোঁ বুলি দমন আৰু কঠোৰ কৰে। পুলিচী অতিশয্যা আৰু একোৰ

| | |
|---|---|
| | চৰে। আন্দোলনৰ প্ৰতি সহানুভূতি থকা বুলি বহুতো চাকৰিয়াল আৰু বিষয়াক বিলম্বিত কৰে কামৰ পৰা খেদায় বা নানা প্ৰকাৰে ভাবুকি দিয়ে। |
| ৮ জুন | অন্ধকাৰ দিৱস (সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৪ বজালৈকে) আৰু পথবন্ধ। |
| ১৫ জুন | ২৪ ঘণ্টীয়া বন্ধ |
| ২২ জুন | গাওঁ অঞ্চলত সমদল। |
| ২৯ জুন | কামৰূপ বন্ধ। জনতা সান্ধ্য আইন। |
| ৩০ জুন | উত্তৰ পূব ভাৰতৰ বহু ৰাজনৈতিক নেতাই আন্দোলনৰ নতুন চল-কৌশল উলিয়াবলৈ আলোচনা আৰম্ভ কৰে। মেঘালয়ৰ অভিজ্ঞ আৰু জনপ্ৰিয় নেতা নিকলছ ৰয়ে কয় যে অসম আন্দোলন বিফল হলে গোটেই উত্তৰ পূব অঞ্চলৰে বিপদ আহিব। |
| ১৫ আগষ্ট | স্বাধীনতা দিৱসৰ চৰ্কাৰী কাৰ্য্যসূচী বৰ্জন। |
| চেপ্তেম্বৰ | ইন্দিৰা চৰ্কাৰ আৰু আন্দোলনৰ নেতাৰ মাজত আলোচনা চলে যদিও এইটো স্পষ্ট হয় যে সেইবিলাক সকলো ইন্দিৰা গান্ধীৰ চাল-চাতুৰী মাথোন। ইন্দিৰা চৰ্কাৰে ভোটাৰ তালিকাৰ পৰা বিদেশীসকলৰ নাম বাদ নিদিয়াকৈ অসমত নিৰ্বাচনী পাতিবলৈ দৃঢ় প্ৰতিজ্ঞ। তেওঁলোকে অসমৰ বাহিৰত অসমৰ ভোটাৰ তালিকা ছপা কৰাকে আদি কৰি নিৰ্বাচনীৰ যো-জা ইতিমধ্যে আৰম্ভ কৰিছেই (ইণ্ডিয়া এব্ৰড, ১৯ নবেম্বৰ, ১৯৮৯) |
| ডিচেম্বৰ | অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক আৰু ত্ৰিপুৰাৰ নিৰ্বাচনীত ইন্দিৰা কংগ্ৰেছৰ শোচনীয়া পৰাজয়। এনেদৰে থাকিবলৈ আৰম্ভ কৰা তেওঁৰ চৰ্কাৰৰ ক্ষমতাৰ মূল ভেটী সুদৃঢ় কৰিবলৈ অসমত নিৰ্বাচনী পাতি কিছু সংখ্যক সদস্য লোকসভালৈ অনাটো তেওঁৰ কাৰণে অতি প্ৰয়োজন হৈ পৰে। |

চতুৰ্থ অধ্যায়

## শিৱদ'লৰ বোলে ছাতি চুৰি হ'ল

১৯৮১ চনৰ জুন মাহৰ কথা - মই তেতিয়া শিৱসাগৰত। কেইদিনমান ধাৰাসাৰে হোৱা বৰষুণৰ পিচত নগৰখনৰ কেউপিনে পানী। বাট পথ আৰু খাল দোং সকলো একাকাৰ হৈ শিৱসাগৰ যেন সচাঁকৈয়ে সাগৰ হ'ল। দিখৌৰে মথাউৰি ভাঙি চহৰৰ ম'ত যেনেকৈয়ে পাৰে তেনেকৈয়ে সকলো ঠাইতে সোমাল। শিৱসাগৰীয়া বাইজ অতীষ্ঠ হ'ল। দিখৌৰ বানত সকলো তল যাব বুলি বহুতেই ভয় খালে। শিৱসাগৰ তল প'ল দিখৌৰ বানত নহয় - এক নতুন আতংকত।

সেই জলমগন শিৱসাগৰত নগৰবাসী সম্পূৰ্ণ তন্দ্ৰামগন হৈ থাকোঁতে এক ধাৰাসাৰ বৰষুণ দি থকা ৰাতি কোনোবাই শিৱদ'লৰ ৰূপৰ ছাতিটো চুৰি কৰি নিলে। বহুতেই ক'লে -

'নিশ্চয় কোনোবা মুছলমান মানুহৰ কাম। কোন হিন্দুৱেনো মহাদেৱৰ ছাতি চুৰি কৰিবলৈ সাহস কৰিব।' বহুতেই ভয় কৰিলে হঠাৎ কেনেবাকৈ শিৱসাগৰত হিন্দু মুছলমানৰ সংঘৰ্ষ আৰম্ভ হৈ যায় বুলি। আটাইতকৈ সন্ত্ৰাসিত হ'ল অসমীয়া লোকসকল - হিন্দু আৰু মুছলমান উভয়েই।

ধাই আলিৰ এজন বুঢ়া মুছলমানলোকে মোক ক'লে, 'চোৱাচোন এইটো কেতিয়াও আমাৰ মানুহৰ কাম নহয়। শিৱদ'লটো আমাৰ বন্ধু। মোৰ বন্ধু বান্ধৱ আটায়ে তাত পূজা কৰে। আমাৰ মানুহে সদায়েই হিন্দুৰ মন্দিৰ, দেৱ-দেৱীক সন্মান কৰে। আমাৰ মানে আমি অসমীয়া মুছলমানখিনিৰ কথা কৈছো - আৰে আমিটো একেই মানুহ। চোৱাচোন আমি অসমীয়া হিন্দু মুছলমান ইমান দিন একেই অসমীয়া হৈ মিলা প্ৰীতিৰে থাকি আহিছো। কিন্তু, বুজিছা মোৰ আজিকালি কিবা অটা ভয় লগা হৈছে। এইবিলাক ভালৰ লক্ষণ নহয়।'

হয়, মোৰো কিবা এটা ভয় লগা হৈছে। অসমীয়া জাতিৰ শত্ৰু-সকলে এতিয়া সকলো অসমীয়াৰ মনতে সন্ত্ৰাস সৃষ্টি কৰিছে। আজিৰ বিদেশীসকলে কেৱল অসমীয়া ভাষাটোকে আক্ৰমণ কৰি ক্ষান্ত হোৱা নাই। তেওঁলোকে অসমীয়া সমাজৰ ঐতিহ্যপূৰ্ণ মিলাপ্ৰীতিৰ ঠাইত বিভেদ সৃষ্টি কৰিবলৈকো কিছুদূৰ সফল হৈছে। কোৱা বাহুল্য যে যি অসমীয়া সমাজৰ হিন্দু, মুছলমান, চিখ, খৃষ্টিয়ান আটাইৰে মাজত ইমান দিনে মিঠা এক জাতীয় সম্প্ৰীতি বিৰাজ কৰি আহিছিল সেই অসমীয়া সমাজত আজিকালি সাধাৰণ কথাতে হিন্দু মুছলমানৰ মাজত সন্দেহৰ সৃষ্টি হয়।

চোৰ চোৰেই, সি হিন্দুৱেই হওক বা মুছলমানেই হওক। ভাৰতৰ মন্দিৰৰ পৰা সোণ ৰূপৰ বস্তু বা পুৰণা মূৰ্ত্তি আদি চুৰি হোৱাটো একো নতুন কথা

নহয়। আজিকালি বিদেশৰ বজাৰত এনেকুৱা বস্তুৰ দাম অতিশয় বেছি হোৱা কাৰণে ধনলোভী বহুতোলোকে মন্দিৰৰ পৱিত্ৰতা উপেক্ষা কৰি মন্দিৰৰ ভিতৰৰ পৰা বস্তু চুৰি কৰি আছে। ধৰা পৰা তেনে বহুতো চোৰ হিন্দু ধৰ্মীলোকেই বুলি বাতৰি কাকতত বহুবাৰ ওলাইছে। সেইসকলৰ মাজত দুই এজন মুছলমান চোৰ ওলালে আচৰিত হ'ব লগীয়া একো নাই। কিন্তু, শিৱদ'লৰ ৰূপৰ ছাতিটো চুৰি কৰা মানুহ কেবাজনও ধৰা পৰিল আৰু তেওঁলোক আটাই কেইজন হ'ল বাংলাদেশী মুছলমান। তাতে শিৱদ'লৰ ৰূপৰ ছাতিটোৰ ধাতুখিনিও বৰ বেছি মূল্যৰ নহয়। সেয়েহে সেই কেইজন সচা চোৰ নে, সিহঁতে অসমীয়া হিন্দু মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা কৰা ষড়যন্ত্ৰকাৰী সেইটো ভাবিব লগীয়া কথা।

সি যি কি নহওক, চোৰ ধৰা পৰিল কাৰণে সকলোৱে আনন্দ পালে আৰু জুলাই মাহত ভাৰতৰ নানান ঠাইৰ পৰা বহু ঋষি, মুনি, সাধু, সন্ন্যাসী শিৱসাগৰলৈ আহি দ'লৰ চোতালত কেবাদিন জোৰা মহাযজ্ঞ পাতিলে। মহাযজ্ঞৰ শেষত এদিন এটা দীঘলীয়া শোভাযাত্ৰা কৰি মেৰামতি কৰা ছাতিটো পুনৰ শিৱদ'লৰ ভিতৰৰ যথাযথ ঠাইত ভালদৰে বহুৱালে। মহাযজ্ঞৰ বলত সকলো পৱিত্ৰ হ'ল।

সকলোৱে গোটেই ঘটনাটো, বিশেষকৈ চোৰ ধৰা পৰাটো মহাদেৱৰে মায়া বুলিলে। অতি কম সময়ৰ ভিতৰতে শিৱসাগৰলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিল। শিৱদ'লৰ সন্মান আৰু সৌন্দৰ্য্য পুনৰ উদ্ধাৰ হ'ল বুলি শিৱসাগৰীয়া ৰাইজে আকৌ স্বস্তিৰে উশাহ নিশাহ ল'ব পৰা হ'ল।

আমাৰ আচল আলোচনাৰ বিষয় হৈছে শিৱদ'লৰ সন্মান আৰু সৌন্দৰ্য্য সচাকৈয়ে অটুট আছে নে নাই তাক বিচাৰ কৰা আৰু শিৱসাগৰীয়া আৰু অসমীয়া ৰাইজে এতিয়া হাত সাবটি থকা উচিত নে তাকও আঙুলিয়াই দিয়া।

জুলাই মাহৰে কথা - দিখৌৰ বান তেতিয়াও শাম কটা নাই যদিও গেলা ৰবমুণ নাইকিয়া হোৱাত গেলা গৰম আৰম্ভ হ'ল। এদিন উৎপতীয়া গৰমত অসহ্য হৈ আৰু শিৱসাগৰৰ পানী যোগান বিভাগে এটোপাও পানীৰ যোগান নধৰা কাৰণে পিয়াহত মই মোৰ মামা শ্ৰীতাৰা হাজৰিকা আৰু ভনী বুবুৰ সতে বৰ পুখুৰীৰ পাৰলৈ গ'লো - অলপ মুকলি বতাহ আৰু এচোকমান পানী খাওঁ বুলি। তৈ দেখোঁ শিৱদ'লৰ কাষত এক কুৎসিত কংক্ৰিটৰ কংগ্ৰেছী লিংগই দ'ল কেইটাৰ লগত আকাশত সমানে ফেৰ মাৰি আছে। মামাক সুধি জানিব পাৰিলো যে সেইটো হেনো পানীৰ যোগান বিভাগে সজা পানীৰ টেংকী। পানীৰ যোগান ধৰা (নে নধৰা) বিভাগে বুৰঞ্জী প্ৰসিদ্ধ ধুনীয়া দ'ল কেইটাৰ গাতে গা লগাই যেনেকৈ এনে বিভৎসভাবে ঠাইখন আৰু পৰিবেশটোৰ শ্ৰী হানি কৰিবলৈ কুণ্ঠিত বোধ নকৰিলে সি অতি ঘৃণনীয়। দুৰ্ভাগ্যবশত, অসমত আহোম ৰাজত্ব শেষ হ'ল, নহলে এনে কাম কৰা বা কৰিবলৈ বিচৰা লোকসকলক হয়তো বজাই নচচা শূলত দিলেহেঁতেন।

নচচা মূলত শিৱ দৌলৰ আৰু কেইজনমানলোকৰ সন্ধান পালো যৰ পুখুৰীৰ ইটো পাৰলৈ গৈ। তাত দেখিলো যে পৌৰকাৰ্পোৰেচনৰ বিভাগে কংক্রিটৰ পিং, পাইপ, ভঙা চিঙা লোহা, লোহাৰ গাড়ী আদিৰে যেনিবা আবৰ্জনাৰ এক বিৰাট প্ৰদৰ্শনীহে পাতিছে। এই ধুনীয়া ঠাইখিনিৰ ওপৰত এনে বিভৎস অত্যাচাৰ শিৱসাগৰীয়া ৰাইজে কেনেকৈ সহ্য কৰি আছে ভাবি মই আচৰিত হ'লো।

অকল সেয়ে নহয় - ঠিক শিৱদ'লৰ সন্মুখত দেখিলো এপেক্স বেংকৰ ঘৰ সজা হ'ব বুলি চাইনবৰ্ড মৰা আছে। অৰ্থাৎ অনতিপলমে সেইখিনি ঠাইত এটা ওখ আট্টালিকা সজা হ'ব যি দ'ল কেইটাৰ আৰু সেই ঠাইখিনিৰ শ্ৰী হানি কৰিব আৰু পবিত্ৰতা সম্পূৰ্ণ নষ্ট কৰিব।

অ' মোৰ ভুল হৈছে - এপেক্স বেংকটো 'সেই ঠাইত' সজা হ'ব নুবুলি সেই পানীতহে সজা হ'ব বুলিব লাগিছিল কিয়নো সেইখিনিত বৰ্তমান এটা খালহে আছে। বেংকটো সজা হব সেই খালটো পুতিহে। শিৱদ'লৰ সন্মুখত আৰু বৰপুখুৰীৰ কেওপিনে যমুনা খাল নামে এটা খাল খন্দা আছিল। সম্ভৱ বৰষুণৰ পানী জমা হবলৈ আৰু আলিৰ লেতেৰা পানী পুখুৰীৰ পিনে নগৈ খালৰ পিনে পোনাবলৈকে সেই ব্যৱস্থা কৰা হৈছিল। মামাই ক'লে যে তেওঁলোকে হেনো সৰুতে সেই খালটোত সাঁতুৰি নাদুৰি ফুৰিছিল। বৰ্তমান সেই খালটা নামতহে আছে কিয়নো তাক কেওপিনৰ পৰা পুতি তাত মানুহ আৰু চৰ্কাৰে অবাধে ঘৰ সাজি আছিছে। গতিকে বৰষুণৰ পানীয়ে ক'লৈ যাব কি কৰিব একো থিক কৰিব নোৱাৰি শিৱসাগৰৰ মানুহৰ ঘৰ দুৱাৰ য'তে পায় ত'তে সোমায় আৰু বাট, খাল দোং সকলো একাকাৰ কৰে।

শিৱদ'লৰ ছাতি চোৰ ধৰি, যাগ যজ্ঞ কৰি মানুহে দ'লৰ পৱিত্ৰতা উদ্ধাৰ কৰিলে কিন্তু, শিৱদ'ল আৰু তাৰ দাঁতি কাষৰীয়া পৰিবেশটোৰ হেৰাই যোৱা সৌন্দৰ্য্য উদ্ধাৰ কৰিবলৈ দেখোন কাৰো উদ্যম নাই। নাইতো নায়েই আমাৰ জাতীয় ঐশ্বৰ্য্য, জাতীয় সম্পদবিলাকক ধ্বংস কৰা কামত বাধা দিবলৈকো কোনেও মাত এষাৰও নামাতে। এনে বিনষ্টকাৰীসকলক কিয় বাধা দিয়া বা ধৰা নহয়, নে, বিদেশীয়ে আহি খোঁচ এটা নমৰালৈকে আমাৰ জাতীয় চেতনা সুপ্ত হৈয়ে থাকে?

হয়তো, ই ভণ্ডুৱা ভোলানাথৰে মায়া - তেওঁৰ চকু মন্দিৰৰ ভিতৰতহে, বাহিৰত নহয়। ... ...?

টোকাঃ তাৰ পিছত পৌৰীদ'লৰ ওচৰত অ'-এন-জি-চিয়ে পৌৰীদ'লৰ যি অৱস্থা কৰিছো সেইয়া ক'বলৈ নগৈ ফটো এখনেৰেই জনাইছো।

ৰচনাকালঃ জুলাই ১৯৮১



অ. এন. জি চিব পাইপ. লোহাব ধ্বংস পর্ব



অ, এন জি চিব, পাইপ, লোহাব ববলত দুর্দশাগ্রস্থ গো ি দ

# দ্বিতীয় ভাগ

# ইন্দিৰাৰ ভাৰতত জীয়াই থাকিবলৈ অসমৰ সংগ্ৰাম

..প্রস্থ গৌরী দত্ত

# জুয়ে পোৰা তিৰাশীৰ (১৯৮৩ চনৰ) ধাৰাবাহিক বুৰঞ্জী

**৩ জানুৱাৰী** কেন্দ্ৰীয় চৰ্কাৰৰ নিমন্ত্ৰণত ছাত্ৰসন্থা আৰু গণসংগ্ৰামৰ নেতাসকলৰ দিল্লী যাত্ৰা।

**৫ জানুৱাৰী** আলোচনা হঠাৎ বন্ধ কৰি ইন্দিৰা চৰ্কাৰে আগৰ ভোটাৰ তালিকা অনুসৰি অসমত ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰীত নিৰ্বাচনী পাতিব বুলি ঘোষণা কৰে।

**৭ জানুৱাৰী** আলোচনাত অংশ গ্ৰহণ কৰা অসমৰ নেতাসকল দিল্লীৰ পৰা উভতি আহি বৰজাৰ বিমানকোঠত নমাৰ লগে লগে গ্ৰেপ্তাৰ কৰা হয় আৰু বাতৰি কাকতৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হয়।

নেতাসকলে সেই নিৰ্বাচন বৰ্জন কৰিবলৈ সিদ্ধান্ত আৰু সকলো ৰাইজকে নিৰ্বাচন পতাত বাধা দিবলৈ আহ্বান।

**১৩ জানুৱাৰী** মাঘৰ বিহুৰ উৰুকা নিশা মেজি জ্বলাই ৰণধ্বনি দিবলৈ আৰু গোটেই নিশা নিৰ্বাচন প্ৰতিৰোধমূলক যি কোনো ব্যৱস্থা অঞ্চলে অঞ্চলে চলাই থাকিবলৈ আহ্বান।

**১৬ জানুৱাৰী** সম্ভাব্য প্ৰাৰ্থী আৰু ডেওঁলোকৰ প্ৰস্তাৱকসকলৰ ঘৰে ঘৰে আৰু নিৰ্বাচনত যোগ দিবলৈ ওলোৱা দলবিলাকৰ কাৰ্যালয়লৈ হাতত জোৰ লৈ শোভাযাত্ৰা আৰু নিৰ্বাচনত যোগ নিদিবলৈ ধ্বনি।

**২৩ জানুৱাৰী** ছেঙাত পুলিচৰ গুলীত কেৰাজনও আহত।

**১ ফেব্ৰুৱাৰী** মঙলদৈৰ ওচৰৰ টংলাত পুলিচৰ গুলী চালনাত চাৰিজনৰ মৃত্যু।

**২ ফেব্ৰুৱাৰী** চাৰ্কল ইন্সপেক্টৰ ঘনকান্ত সন্দিকৈয়ে তিনিজন সত্যাগ্ৰহীক গুলিয়াই মৰাৰ পিছত উন্মত্ত জনতাৰ হাতত প্ৰাণ হেৰুৱায়।

বৰহাত কুলেন শৰ্মাক পুলিচে হত্যা কৰে।

ছিপাজাৰত পুলিচে গুলিয়াই পাঁচজন সত্যাগ্ৰহীক হত্যা আৰু বহুতক জখম কৰে। আই-এ-এছ বিষয়া জিতেণ খোহলা আৰু

আই-পি-এছ অফিচাৰ ৰামচন্দ্ৰনে সশস্ত্ৰ পুলিচৰ সৈতে ছিপাজাৰৰ ওচৰৰ দক্ষিণ চুবুৰী গাঁৱত সোমাই পঞ্চা বাইজৰ ওপৰত অত্যাচাৰ কৰে।

৩ ফেব্ৰুৱাৰী পুলিচে প্ৰহ্লাদ শৰ্মা, চিত্ৰ বৰুৱা আৰু তপন বৰুৱা নামৰ তিনিজন যুৱকক ছিপাজাৰত জ্বলা জুইত দলিয়াই দিয়ে (এওঁলোক তিনিওৰে পিছত হস্পিটালত মৃত্যু হয়)।

১১ ফেব্ৰুৱাৰী বাংলাদেশীয়ে গুৱাহাটীৰ পৰা ৬০ মাইল দূৰৈৰ ছমৰিয়া সত্ৰ আক্ৰমণ কৰি সাতজনক হত্যা আৰু গোটেই গাঁৱখনক ভস্মীভূত কৰে। (নিউ য়ৰ্ক টাইম্‌চ, ১৫ ফেব্ৰুৱাৰী)।

বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে তিনি গৰাকী খলুৱা অসমীয়া গাভৰুক ঘপিয়াই বধ কৰে (নিউ য়ৰ্ক টাইম্‌চ, ১৮ ফেব্ৰুৱাৰী)।

১৪ ফেব্ৰুৱাৰী নিৰ্বাচনী আৰম্ভ আৰু অসমত জুই জ্বলে।

১৫ ফেব্ৰুৱাৰী উন্মত্ত জনতাই ইন্দিৰা কংগ্ৰেছৰ এজন প্ৰাৰ্থীক হত্যা কৰে।

১৬ ফেব্ৰুৱাৰী বাংলাদেশীয়ে মঙলদৈত পৰিকল্পিত ভাবে খলুৱাৰ বসতি অঞ্চলত আক্ৰমণ কৰে -"বহু অনুপ্ৰৱেশকাৰী বাংলাদেশীয়ে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা আন মুছলমানলোকৰ লগত নাইবা নাৱত বাস কৰে। এই বসতিবিলাকৰ পৰাই আক্ৰমণকাৰী মুছলমানসকল আহে বুলি ধাৰণা হয়। তেওঁলোকে আক্ৰমণ কৰা গাঁৱবিলাকৰ বেছি ভাগতেই সমৃদ্ধিশালী হিন্দু খেতিয়কৰ বসতি।" (নিউ য়ৰ্ক টাইম্‌চ, ১৮ ফেব্ৰুৱাৰী)।

নিৰ্বাচনীৰ গণ্ডগোলত গোৱালপাৰাৰ ওচৰত এদিনে ৰাজস্থান সশস্ত্ৰ পুলিচ আৰু চি-আৰ-পি আনদিনে অসম পুলিচ বেটেলিয়নৰ মাজত গুলিয়াগুলি। চি-আৰ-পিৰ দুজন, ৰাজস্থান পুলিচৰ তিনিজন আৰু অসম পুলিচৰ এজন হাবিলদাৰৰ মৃত্যু হয়। এই ঘটনাৰ অপৰাধত পিছলৈ অসম পুলিচ বেটেলিয়নৰ ৪০জন লোক বৰ্খাস্ত কৰা হয়।

১৮ ফেব্ৰুৱাৰী নেলী অঞ্চলত থকা অনুপ্ৰৱেশকাৰীয়ে খলুৱা গাঁৱ আক্ৰমণ কৰি সাতজন জনজাতীয় শিশুক বধ কৰি উত্তৰ পাৰৰ বাংলাদেশী দলক সহায় কৰিবলৈ যায়। সেই সুযোগতে খলুৱা লোকে নেলীৰ বাংলাদেশী বসতি অঞ্চল আক্ৰমণ কৰি বহুত লোকক হত্যা কৰে। (ডেইলী নিউজ, নিউ য়ৰ্ক, ২২ ফেব্ৰুৱাৰী)।

১৯ ফেব্ৰুৱাৰী অসমৰ নানা ঠাইত খলুৱা লোক আৰু বিদেশী অনুপ্ৰৱেশকাৰীৰ মাজত সংঘৰ্ষ। অসমৰ পৰা ২১,০০০ খলুৱা জনজাতীয় লোকে বাংলাদেশীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবৰ কাৰণে ওচৰৰ অৰুণাচল ৰাজ্যত আশ্ৰয় লয়। (নিউ য়ৰ্ক টাইম্‌চ, ২২ ফেব্ৰুৱাৰী)।

২৩ ফেব্ৰুৱাৰী নগাঁৱৰ পুৰণিগুদামৰ পৰা চামগুৰিলৈকে এক বিস্তীৰ্ণ অঞ্চলত বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে আক্ৰমণ কৰি প্ৰায় ৩০,০০০ খলুৱা অসমীয়া লোকৰ ঘৰবাৰী ধ্বংস কৰে।

কাছাৰ জিলাৰ বাহিৰে অসমৰ কোনো ঠাইতে নিৰ্বাচনী সম্ভৱ নহয়-"১২টা সমষ্টিত ভোট দিওঁতা শতকৰা ৫ জনতকৈও কম, ওপৰ অসমৰ ১০টা সমষ্টিত ভোট দিওঁতাৰ সংখ্যা শতকৰা ৩ জনতকৈও কম। উদাহৰণ স্বৰূপে কামৰূপৰ ধৰমপুৰ সমষ্টিত ৬৭,৩৪১ জন ভোটাৰৰ ২৬৭জনেহে ভোট দিয়ে...ছিপাজাৰৰ নিচিনা কোনো কোনো সমষ্টিত ভোটাৰক ফুচলাবলৈ প্ৰশাসনে পাৰ্টীৰ ভোট কেন্দ্ৰ পখিয়াবলৈ বাধ্য হৈছিল।"(ইণ্ডিয়া টু দে', ১৫ মাৰ্চ, ১৯৮৩)।

ভেনেদৰে পতা নিৰ্বাচনীকে বিহিত বুলি ধৰি ইন্দিৰা কংগ্ৰেছ ৯৩টা সমষ্টিত জয়লাভ কৰে বুলি ঘোষণা কৰা হয়।

২৭ ফেব্ৰুৱাৰী আগৰ কংগ্ৰেছ (এছ) দলৰ পৰা বাগৰি ইন্দিৰা কংগ্ৰেছত যোগ দিয়া হিতেশ্বৰ শইকীয়াক মুখ্যমন্ত্ৰী ৰূপে লৈ অসম চৰ্কাৰ গঠন কৰা হয়। হিতেশ্বৰে 'আমি নিৰ্ষ্ঠুৰ হ'ব লাগিব' বুলি কয়। "কিন্তু উত্তৰ-পূৰ অঞ্চলৰ সাতোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলতে নিৰ্বাচিত চৰ্কাৰ আছে যদিও ইয়াৰ অধিক অংশকে কেন্দ্ৰীয় চৰ্কাৰে ভাৰতীয় সেনাবাহিনীৰ তলত ৰাখিছে। ভাৰতৰ পৰা স্বাধীনতা বিচাৰি জনজাতীয় বিদ্ৰোহ চলি থকা নগালেণ্ডত আজি ২০ বছৰতকৈও অধিক কাল ভাৰতীয় সৈন্য ৰখা হৈছে।" (নিউ য়ৰ্ক টাইম্‌চ, ৪ মাৰ্চ, ১৯৮৩)।

নতুন চৰ্কাৰৰ দ্বাৰা কিছুদিন পিছতে ফৌজদাৰী আইন বিধি (অসম সংশোধনী) (The Code of Criminal Procedure (Assam Amendment)) প্ৰয়োগ কৰে। এই আইনে পুলিচক সাধাৰণ ৰাইজক মাৰপিট কৰিবলৈ বিশেষ ক্ষমতা দিয়ে।

২ মাৰ্চ যোৰহাটৰ ওচৰৰ কেৰাপ্পনও গাঁৱত প্ৰায় ২৫জন চি-আৰ-পি পুলিচ সোমাই বলিয়া হাতীৰ দৰে ঘৰবাৰী ভাঙি ছিঙি সন্ত্ৰাস সৃষ্টি কৰে। ভয়ত মানুহে হাবি জংঘললৈ পলায় যাবে। নিজৰ বুঢ়া মাক-বাপেকক পলাবলৈ সহায় কৰি পিছপৰা দুজন যুৱকক

পুলিচে নিৰ্ষ্ঠুৰ ভাবে হত্যা কৰে। প্ৰথম যুৱক প্ৰদীপ ৰৰাই দেউতাকক সহায় কৰি থাকোতে পুলিচে তেওঁৰ চুলিত ধৰি টানি আনি তেওঁক গুলিয়াই মাৰে। দ্বিতীয়জন যুৱক বভাই ৰৰাই তেওঁৰ মাকক কিছুমান জোপোহাৰ আঁৰত লুকুৱাবলৈ চেষ্টা কঁৰোতে পুলিচে তেওঁৰ মাকক খেদি মাকৰ চকুৰ আগতে প্ৰথমে তেওঁক বেয়নেটেৰে খুঁচে আৰু তাৰ পিছত গুলিয়াই হত্যা কৰে। পুলিচে কেইজনমান গাঁওৰ বাঁহৰ চাঙি সাজি মৰা শ দুটা প্ৰায় ৩ কিলোমিটাৰ পথ কঢ়িয়াই নিয়াবলৈ বাধ্য কৰে। পিছত ঘটনাস্থলীলৈ যোৱা সাংবাদিকসকলে ওবে বাটত পৰা তেজৰ দাগ আৰু পুলিচে ভস্মীভূত কৰা ঘৰদুৱাৰৰ পৰা ওলোৱা খোঁৱা দেখা পায়।(দৈনিক জনমভূমি, ৩,৪,৫ মাৰ্চ, ১৯৮৩)।

৫ মাৰ্চ কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ এজন বিষয়াৰ নেতৃত্বত প্ৰায় ৭০০জন সেনাই উত্তৰ লক্ষীমপুৰৰ কেবাখনও গাঁৱ ঘেৰাও কৰি মানুহৰ সা-সম্পত্তি লুটপাত কৰে আৰু ডেকা বুঢ়া, মতা-মাইকী সবু ডাঙৰ যাকে য'তে পালে মাৰি পিটি সন্ত্ৰাস সৃষ্টি কৰে। পুলিচে গাওঁৰ ধন-সোণ অলংকাৰ আদিও লুট কৰে। সেই মাৰ-কিল আৰু লুট-পাত সেই অঞ্চলত থকা সেনা বাহিনীয়ে আহি বাধা দিয়ালৈকে দুদিন ধৰি চলে। প্ৰায় ৫০০ গাওঁ বাইজে ভয়ত পলাই শিবিৰত আশ্ৰয় লয়গৈ। (দৈনিক জনমভূমি, ৯ মাৰ্চ, ১৯৮৩)।

৬ মাৰ্চ কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ তিনিজন জোৱানে নগাঁৱৰ ওচৰৰ নাৰ্মগাঁৱত এগৰাকী ৩০ বছৰীয়া মহিলাক বলাৎকাৰ কৰে। অসমৰ আন আন ঠাইতো অসমীয়া নাৰীৰ ওপৰত কেন্দ্ৰীয় পুলিচৰ তেনে ধৰণৰ অত্যাচাৰ চলে (দৈনিক জনমভূমি, ৯ মাৰ্চ, ১৯৮৩)।

১১ মাৰ্চ পুলিচৰ পোছাক পিন্ধি সশস্ত্ৰ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে নগাঁৱ জিলাৰ লাওপানি আৰু দাপলং গাঁৱত আগা-পিছাকৈ দুবাৰ আক্ৰমণ কৰি ৪৪জনক হত্যা, বহুতক জখম আৰু ঘৰবাৰী ভস্মীভূত কৰে। (দৈনিক জনমভূমি, ১৩ মাৰ্চ, ১৯৮৩)।

১৯ মাৰ্চ সশস্ত্ৰ বাংলাদেশীয়ে তেজপুৰৰ ওচৰৰ পানপুৰৰ ফেৰীত আক্ৰমণ কৰি ১২জনক হত্যা কৰে। তাৰ পিছত ঘটনাস্থলীত অনুসন্ধান কৰিবলৈ যোৱা দুজন ছাত্ৰনেতাক সিহঁতে নিৰ্ষ্ঠুৰ ভাবে হত্যা কৰে।

২ এপ্ৰিল পুলিচে গোলাঘাটৰ ওচৰৰ পৎকাৰ পৰা ২০জন মজুৰা লোকক ধৰি বান্ধি ওচৰৰ বজাবাৰী চাহ বাগিচাৰ ফেক্টৰীৰ ওচৰৰ খালত নমাই তেওঁলোকৰ ওপৰত গুলিয়াবলৈ আৰম্ভ কৰে। পিছদিনাখন তাতে সাতজনৰ মৃতদেহ পোৱা যায়। দুজন কেনেবাকৈ পলাই আহি ঘটনা জানক জনায়, বাকী এঘাৰজন নিখোজ।

২০ এপ্ৰিলৰ পৰা ২ মে'লৈকে আছুৰ উদ্যোগত সমন্বয় সাংস্কৃতিক বাহিনীৰ অসম ভ্ৰমণ।

৩ মে' বৃটিচ সদনৰ সদস্য ই- ৰবাৰ্টছে আন এগৰাকী সদস্যৰ সহায়ত 'ভাৰত চৰ্কাৰে ৰাজনৈতিক উদ্দেশ্যেৰে মুনিহ, তিৰোতা আৰু কণ কণ ল'ৰা ছোৱালীক বেআইনীভাৱে ইচ্ছা কৰিয়েই হত্যা কৰে" বুলি ঘোষণা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ চেষ্টা কৰে।

৯ মে' চৌধি আৰবীয়াৰ বাতৰি কাকত আৰৱ নিউজৰ আগত দিয়া এক সাক্ষাতত ইন্দিৰা গান্ধীয়ে অসমৰ ঘটনাত বিদেশীৰ হাত থকা বুলি মন্তব্য কৰে।

মে' চি-আৰ-পিয়ে অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী বিমলা চলিহাৰ পত্নী আৰু জোঁৱায়েকক মাৰধৰ কৰে।

"অসমৰ সংঘৰ্ষত ভুক্তভোগী মুছলমান লোকসকলৰ কাৰণে আৰ্থিক সহায় বিচাৰি ছৈয়দ আব্দুল মালিককে ধৰি অসমৰ আন কিছুমান মুছলমান নেতা আৰু অৱসৰপ্ৰাপ্ত বিষয়াই লণ্ডনলৈ আহি ইয়াৰ বেলেগ বেলেগ মুছলিম সন্থাক লগ ধৰিছেহি। তেওঁলোকে 'অসমৰ হত্যাকাণ্ড', 'অসম হলোকাষ্টৰ কাৰণে সহায়-প্ৰাৰ্থনা' আদি নিশংক গোহাৰি বাতৰি কাকতত প্ৰচাৰ কৰিছে।" (টাইম্‌চ অৱ ইণ্ডিয়া, ৪ মে')।

১ জুন দিল্লীৰ বট ক্লাবৰ সমুখত আছু আৰু গণ-সংগ্ৰাম পৰিষদৰ প্ৰতিনিধি দলৰ ৭২ ঘণ্টীয়া অনশন।

১২ জুন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰচেষ্টাত অসমৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা এটা কমিটি পুনাত গঠন কৰা হয়।

২৮ জুন অসমৰ বাকী ১৬টা কেন্দ্ৰত এতিয়া নিৰ্বাচনী পতা নহ'ব বুলি নিৰ্বাচনী আয়োগৰ ঘোষণা।

অসমৰ বেআইনী চৰ্কাৰে অনা-অসমীয়া আৰু বাংলাদেশী অনুপ্ৰৱেশকাৰীৰে গঠিত ৩৬০০জনীয় এটা পুলিচ বাহিনী গঢ়িছে।

৭ জুলাই অসমৰ ৰাজ্যপালৰ দ্বাৰা ১৯৮৩ চনৰ ফৌজদাৰী কাৰ্যবিধি (অসম সংশোধনী) আধ্যাদেশ জাৰি। এই আধ্যাদেশৰ দ্বাৰা কেতবোৰ অপৰাধৰ ক্ষেত্ৰত গ্ৰেপ্তাৰ হোৱা লোকক জামিন দিব নোৱাৰা ব্যৱস্থা, আগতীয়া জামিন নিষেধ, পুলিচ বা আন চৰ্কাৰী বিষয়াৰ বিৰুদ্ধে আদালতত গোচৰৰ বাধা আদিৰ ব্যৱস্থা কৰি নিষ্ঠুৰ শাসনৰ বাট মুকলি কৰি দিয়া হয়।

১১ জুলাই ধুবুৰীৰ ওচৰত বাংলাদেশৰ পৰা বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে চোৰাংকৈ অনা বহু অস্ত্ৰ সস্ত্ৰ জব্দ কৰে। (ইণ্ডিয়া টু-দে', ১৫ আগষ্ট)।

২৯-৩০ আগষ্ট অসম বন্ধ পালন। "অসম বন্ধৰ সময়ছোৱাত পুলিচ, চি-আৰ-পিয়ে মহানগৰীৰ বিভিন্ন ঠাইত ব্যাপকভাৱে অত্যাচাৰ চলায়। গাড়ীৰ নিবলৈ অহা মানুহকো মাৰপিট কৰে। বন্ধ দোকানৰ তলা, দুৱাৰ ভাঙি দোকানীসকলৰ ওপৰত ব্যাপক ভাবে উৎপীড়ন চলায়। পল্টন বজাৰ থানাৰ আৰক্ষী বিষয়া শিৱ শৰ্মাই পুলিচ, চি-আৰ-পি লৈ বহুতো দোকানৰ দুৱাৰ ভাঙি খোলায়। পুলিচৰ ধ্বংস কাৰ্যৰ ফটো লোৱা ফটোগ্ৰাফাৰ শ্ৰীদীপক বেজবৰুৱাক শৰ্মাই আটক কৰি মাৰপিট কৰে, নানান ভাবুকি দি শ্ৰীবেজবৰুৱাৰ পৰা ৰিল কাঢ়ি লয়। ছেণ্টিনেল কাকতৰ ষ্টাফ ৰিপৰ্টাৰ শ্ৰীৰাজ শংকৰকো পল্টন বজাৰ পুলিচ থানাৰ অ-চিয়ে মাৰপিট কৰে।...গুৱাহাটী বিশ্ববিদ্যালয় আৰু পশু চিকিৎসা মহাবিদ্যালয়ৰ দুজন ছাত্ৰক পুলিচে গ্ৰেপ্তাৰ কৰি লকআপৰ ভিতৰত (শ্ৰীকেশৱ মহন্ত আৰু শ্ৰীঅনুজ বুঢ়াগোঁহাই) অত্যাচাৰ কৰাৰ ফলত দুয়োজনৰে গুৰুতৰ ভাবে অংগ ক্ষত হোৱাৰ পিছত অচেতঃ অৱস্থাত গুৱাহাটী মেডিকেল হস্পিটাললৈ অনা হয়।" (দৈনিক অসম, ৩১ আগষ্ট, ১৯৮৩)।

১ ছেপ্তেম্বৰ অসম বন্ধৰ সময়ছোৱাত পুলিচে ব্যৱসায়ীসকলৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিবাদত ব্যৱসায়ীসকলৰ দ্বাৰা বন্ধ পালন।

(৪ ছেপ্তেম্বৰৰ অগ্ৰদূতৰ পৰা) "অসমৰ নতুন পুৰুষক দিল্লী-দিছপুৰে পংগু কৰিছে এবিৰ - ৩৬ ঘণ্টীয়া অসম বন্ধৰ কালছোৱাত ৰাজ্যৰ নানা ঠাইত পুলিচে নিৰীহ দোকানী, ব্যৱসায়ী, ছাত্ৰ, যুৱক, চাকৰিয়াল আৰু সমাজৰ অন্যান্য অংশৰ ওপৰত চলোৱা অত্যাচাৰ আৰু উৎপীড়নে আকৌ এবাৰ দেখুৱাই দিলে যে

অসমত গণতান্ত্ৰিক ব্যৱস্থা দূৰৰে কথা, সুসভ্য শাসনেই চলি থকা নাই আৰু শান্তিৰক্ষক নামধাৰী পুলিচৰ লোকে অবাধে দানবীয় কাৰ্যকলাপ চলাই আছে। এইবোৰ অবৰ্ণনীয় পুলিচী উৎপীড়নে বাইজৰ এই শংকাহে বৃদ্ধি কৰিছে যে দিছপুৰ আৰু দিল্লীয়ে অসমৰ ডেকা চামক শাৰীৰিক আৰু মানসিক ভাবে ঘুণীয়া কৰি ৰাইজৰ সাম্প্ৰতিক আন্দোলন নিঃশেষ কৰাৰ সপোন দেখিছে আৰু সেই সপোনত মতলীয়া হৈ পুলিচ চিপাহীক এই উদ্দেশ্য পুৰণৰ ঘাই আহিলা হিচাবে প্ৰয়োগ কৰি এটা শৃংখলাবদ্ধ বাহিনীক বিবেক-বিচাৰ-বুদ্ধিহীন যন্ত্ৰ-মানুহলৈ পৰিণত কৰিছে।”

১০ ছেপ্তেম্বৰ অসম জুৰি পথভেটা কাৰ্যসূচী।

(১১ ছেপ্তেম্বৰৰ অগ্ৰদূতৰ পৰা) “খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ত ৪ৰ্থ বাৰ পুলিচী আক্ৰমণ - খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ত পুলিচে যি বৰ্বৰোচিত কাৰ্য্য-কলাপ চলাই আহিছে তাক দস্তুৰমত আক্ৰমণ বুলিহে কব লাগিব। যোৱা ৮ ছেপ্তেম্বৰ দেওবাৰে সন্ধিয়া ৭ বজাত ছাত্ৰসকলে নিজ নিজ ছাত্ৰবাসত অধ্যয়নত ব্যস্ত (ভোলেমান ছাত্ৰৰ পিচদিনাখন পৰীক্ষা) থকা সময়ত হঠাতে দিছপুৰ থানাৰ কেতবোৰ পুলিচে এজাক চি-আৰ-পিৰ সৈতে দুই নম্বৰ ছাত্ৰবাসত সোমাই নিৰীহ ছাত্ৰসকলক এফালৰ পৰা কোবাই যায়। তাৰ পিছত এটা এটাকৈ চাৰিটা ছাত্ৰবাসত সশস্ত্ৰ পুলিচৰ লোকসকল প্ৰৱেশ কৰে আৰু বৰ্বৰ যুগৰ বন্য মানুহৰ দৰে এফালৰ পৰা কোবাই যায়। কেবাজনো ছাত্ৰ গুৰুতৰ ভাবে আহত হয় আৰু তেওঁলোক চিকিৎসাধীন হব লগাত পৰে।”

২২ ছেপ্তেম্বৰ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অসমৰ বৰ্ত্তমান বেআইনী চৰ্কাৰে শান্তিপ্ৰিয় অসমীয়া ৰাইজৰ মাজত ডকাইতৰ দৰে মেলি দিয়া পুলিচৰ অত্যাচাৰ আৰু দুৰাচাৰক কঠোৰ ভাবে ধিক্কাৰ দিয়ে।

২৪-২৫ ছেপ্তেম্বৰ আছুৰ উদ্যোগত সৰ্বভাৰতীয় বিৰোধী ৰাজনৈতিক দলৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত অভিবৰ্ত্তন।

২৫ ছেপ্তেম্বৰ আনাই (আচাম এচোচিয়েচন অৱ এমেৰিকাই) গোটেই পৃথিৱীত অসমৰ আন্দোলন প্ৰচাৰ কৰিবলৈ আমেৰিকাত অসম সপ্তাহ আৰম্ভ কৰে।

২৬ ছেপ্তেম্বৰ আমেৰিকাত আচাম এচোচিয়েচনৰ (আনাৰ) সজাতি দলে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ মুখ্য প্ৰাইভেট ছেক্ৰেটাৰী ডঃ পি-চি

আলেকজেণ্ডাৰক নিউ য়ৰ্কত সাক্ষাৎ কৰি অসম সমস্যাৰ বিষয়ে আলোচনা কৰে আৰু প্ৰধান মন্ত্ৰীক স্মাৰক পত্ৰ দান কৰে।

অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰায় এহেজাৰ সদস্যই গুৱাহাটীত অসমৰ পৰা বিদেশী বহিষ্কাৰৰ বাবে ধৰ্মঘট কৰে। পুলিচে আটাইকে গ্ৰেপ্তাৰ কৰাৰ উপৰিও সৰ্বভাৰতীয় সম্থাটোৰ সম্পাদক সুশীল মোডী আৰু শাখা সম্পাদিকা লক্ষ্মী ভালা আৰু কেৰাপৰাকীও ছাত্ৰীক প্ৰহাৰ কৰে।

১০ অক্টোবৰ অসমত পুলিচ, চি-আৰ-পিৰ নিৰ্মম অত্যাচাৰৰ প্ৰতিবাদ কৰি আছুৰে আহ্বান কৰা ধৰ্মঘটত ৰাজ্য জুৰি ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বৰ্জন, প্ৰতিবাদ সভা আৰু হাইকৰ্টৰ বিচাৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ।

১৫ অক্টোবৰ ৰাষ্ট্ৰপতি জাইল চিঙে অবৈধ ভাবে অসমত থিতাপি লোৱা বিদেশী নাগৰিকক চিনাবলৈ ন্যায়াধিকৰণ গঠনৰ (ট্ৰিবিউনেল) বাবে অধ্যাদেশ জাৰি কৰে। এই আধ্যাদেশৰ মুল দিহা কেইটা হ'ল- (ক) ১৯৭১ চন বা তাৰ পিছত অহা প্ৰব্ৰজনকাৰী সকলৰ ক্ষেত্ৰতহে ই প্ৰয়োগ হব। (খ) প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে আবেদন কৰাজন প্ৰব্ৰজনকাৰীৰ বসবাস কৰা ঠাইৰ তিনি কিলোমিটাৰৰ ভিতৰত বাস কৰা লোক হ'ব লাগিব আৰু তেওঁৰ আবেদনৰ লগত আন দুজন লোকৰ এফিদেভিট থাকিব লাগিব। (গ) ন্যায়াধিকৰণে বিদেশী বুলি অভিহিত কৰাজনে আবেদন কৰিবলৈ নানান সুবিধা। অসমত এই আধ্যাদেশে জ্বলা জুইত ঘিউহে ঢালিলে। এই আইনৰ প্ৰতি বিৰোধিতা কৰিবলৈ নেতাসকলৰ আহ্বান।

১৮ অক্টোবৰ বজালী অঞ্চলৰ মুগুৰীয়া, পাঠশালা, কছাৰী ভিঠা, বাং উলা, দৈশিঙৰী, খাটনীয়াৰপাৰা, নিত্যানন্দ, পাটাচাৰকুছি, খাৰাধৰা, ভালুকী, হেলেনা, বাগনা আদি ঠাইত পুলিচে গ্ৰেপ্তাৰ, অত্যাচাৰ, লুটপাত আদিৰে জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে (দৈনিক অসম, ১৯ অক্টোবৰ)।

(২৩ অক্টোবৰৰ অগ্ৰদূতৰ পৰা) "নিৰ্যাতনৰ কণ্ঠস্বৰঃ উত্তৰ লক্ষীমপুৰত পুলিচী অত্যাচাৰ অব্যাহত - জনগণক সংবিধানে প্ৰদান কৰা মৌলিক স্বাধীনতাক স্বৈৰাতান্ত্ৰিক প্ৰশাসনে বেপৰোৱা ভাবে হৰণ কৰি স্বেচ্ছাচাৰী ভাবে চলোৱা পুলিচী অতিশয্যাৰ উন্মাদনাই অহিংস গণতান্ত্ৰিক আন্দোলনকাৰী ৰাইজক অতীষ্ঠ কৰি তুলিছে।"

(২ নৱেম্বৰৰ অগ্ৰদূতৰ পৰা) "পাঠশালাত পুলিচৰ নাৰকীয় অত্যাচাৰ- আজি মাহৰ পিছত মাহ ধৰি পাঠশালা বজালী অঞ্চলত পুলিচৰ নিৰ্মম অত্যাচাৰ অব্যাহত আছে। অত্যাচাৰিত জনতাৰ দুখৰ কাহিনী কৈ থাকিলেও আজি ওৰ নপৰে। এই অঞ্চলৰ জনসাধাৰণে পুলিচক ডকাইত, দস্যু, বৰ্বৰ, অসভ্য গুণ্ডাবাহিনী বুলিহে অভিহিত কৰে।'

৭ নবেম্বৰ গুৱাহাটী ৰেলওৱে ষ্টেচনৰ বোমা বিস্ফোৰণত ১৪জনৰ মৃত্যু আৰু ৬০জন আহত হয়।

১০ নবেম্বৰ ব্ৰহ্মপুত্ৰৰ ওপৰত তৃতীয় দলং নৰনাৰায়ণ সেতুৰ আধাৰশিলা স্থাপনৰ কাৰণে ইন্দিৰা গান্ধীৰ অসম আগমন। গুৱাহাটীৰ দুঠাইৰ বোমা বিস্ফোৰণত এজনৰ মৃত্যু আৰু দুজন আহত।

১৯ নৱেম্বৰ গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ সন্মুখত ত্ৰিদিৱ শৰ্মা নামে এজন যুৱকে হিতেশ্বৰৰ গাড়ী খুলি এহাতে বুকুত খামুচি কপালত বিভলভাৰেৰে খুচি 'খবৰদাৰ' বুলি সাৱধান বাণী শুনালে। পুলিচে ত্ৰিদিৱ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ উপৰিও তেওঁৰ মাক দেউতাকক নানা প্ৰকাৰে জুলুম কৰে।

বছৰটোৰ শ্ৰেষ্ঠ ঘটনা হৈছে 'হিতেশ্বৰৰ সভাত উপস্থিত নথকা কাৰণে নাজিৰা উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় দুখন বেআইনী চৰ্কাৰে বন্ধ কৰি দিয়ে।

ষষ্ঠ অধ্যায়

# আমেৰিকাবাসী অসমীয়াৰ অসম আন্দোলনত যোগদান

১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰী শুকুৰবাৰে আমেৰিকাত থকা অসমীয়া বাইজৰ প্ৰায় আশী জনীয়া এটা দলে অসমত বৰ্তমান চলি থকা চি-আৰ-পিৰ বৰ্বৰতা আৰু ইন্দিৰা গান্ধীয়ে অসমীয়া ৰাইজৰ ন্যায্য দাবীক আওকাণ কৰি পতা নিৰ্বাচনীৰ প্ৰতিবাদ জনাই ৱাশ্বিংটনৰ ভাৰতীয় ৰাষ্ট্ৰদূতৰ অফিচৰ আগত বিক্ষোভ প্ৰদৰ্শন কৰে। অসমত কেন্দ্ৰীয় চৰ্কাৰে চলাই থকা অত্যাচাৰ-উপদ্ৰৱত ইয়াৰ অসমীয়া ৰাইজ বিশেষ ভাৱে ক্ৰোধান্বিত হৈছে। সেয়েহে, এই বিক্ষোভ প্ৰদৰ্শন কৰিবৰ কাৰণে মিচিগান, ফ্লৰিডা, কেণ্টাকী আদি দূৰৰ ৰাজ্যবিলাকৰ পৰাও অসমীয়া ৰাইজে আহি অংশ গ্ৰহণ কৰিছিল। তদুপৰি নিউ য়ৰ্ক, নিউ যাৰ্চি, ৰ'ড আইলেণ্ড, কনেক্টিকাট, পেনচিলভানিয়া আদি ৰাজ্যৰ লোকসকল হাইট্চ টাউন নামে এখন চহৰত এক গোট হৈ তাৰ পৰা বাছ ভাড়া কৰি সুদূৰ ৱাশ্বিংটনলৈ চল পুৱাতে যাত্ৰা কৰে। তাত ৱাশ্বিংটন নিবাসী অসমীয়া ৰাইজেও আহি যোগদান কৰে। অসমীয়া পুৰুষ, মহিলা আৰু কণ কণ ল'ৰা-ছোৱালীয়েও অতি আন্তৰিক ভাৱে আৰু বিশেষ উদ্যমেৰে হাতত নানা ধৰণৰ দাবী-ফলক লৈ ঘূৰি ঘূৰি চিঞৰি চিঞৰি অসম আন্দোলনৰ বিজয় পাতকা আমেৰিকাৰ ৰাজধানীতো উৰুৱায়। ই আৰম্ভ মাথোন।

ৰাতিপুৱা এঘাৰটা বজাৰ পৰা আবেলি তিনিটা বজালৈকে এই বিক্ষোভ চলে। আমেৰিকাৰ এইটো আইন যে এনে ধৰণৰ বিক্ষোভকাৰী একে ঠাইতে থিয় হৈ থাকিব নোৱাৰে। সেয়েহে, গোটেইখিনি সময় ৰাইজে ঘূৰণীয়া আকাৰত ঘূৰি থাকিব লগীয়া হৈছিল। বিক্ষোভৰ মাজতে, এই লিখকৰ সৈতে এটা সঁজাতি দলে ভাৰতৰ ৰাষ্ট্ৰদূতক সাক্ষাৎ কৰি প্ৰায় এঘণ্টা জুৰি আলোচনা চলায় আৰু অসমৰ পৰিস্থিতিত উদ্বেগ জনোৱাৰ লগতে ভাৰত চৰ্কাৰক জনাবলৈ কেবাটাও লিখিত দাবী দিয়ে।

বিক্ষোভ শেষ কৰি সমবেত ৰাইজে স্থানীয় ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ এক আয়োজিত সভাগৃহত ৰবীন গাউণ্ডৰ সভাপতিত্বত এখন সভা পাতি ভৱিষ্যতৰ কাৰণে কাম হাতত ল'বলৈ মহেশ কলিতা, অজিত গাউণ্ড আৰু অতুল শৰ্মাক সদস্য ৰূপে লৈ এটা কমিটি গঠন কৰা হয় আৰু সেই সভাতে শ্ৰীমতী চিন্থিয়া দাসৰ আহ্বানত আমেৰিকাত অসম আন্দোলন

সক্ৰিয় ভাবে চলাবৰ কাৰণে ৰুন্তেকৰ ভিতৰতে চাৰি হেজাৰ ডলাৰ (প্ৰায় ৪২ হেজাৰ টকা) তোলে।

এইয়া অসমৰ শেষ শৰাইঘাট - ভৱিষ্যতে অসমীয়া জাতিৰ অস্তিত্ব থাকিব নে নাথাকে সি এই আন্দোলনৰ ওপৰতেই নিৰ্ভৰ কৰিছে। এই সংগ্ৰামত কোনো অসমীয়াই হাত সাবটি বহি থকা উচিত নহয়। আমেৰিকাত থকা অসমীয়া সকলেও যে কঁকালত টঙালি বান্ধি এই আন্দোলনত নিজৰ শক্তি সামৰ্থ্য অনুসৰি বৰঙণি যোগাবলৈ বিচাৰে তাকে দেখি আৰু উপলব্ধি কৰি গৌৰৱান্বিত হৈছো। অসমত আমাৰ স্বজাতি ভাই ভনীহঁতে হেলাৰঙে নিজৰ জাতিৰ কাৰণে দিয়া স্বাৰ্থ বলিদানত আমি ইয়াৰ পৰা প্ৰেৰণা দিবলৈ বিচাৰোঁ এই আশ্বাসেৰেই যে আমিও যুজত নামিছোঁ। ই নিশ্চয় যে অসমীয়াই আৰু বহু বছৰ যুজিব লাগিব আৰু অদূৰ ভৱিষ্যতত অসমৰ বাহিৰত থকা অসমীয়াসকল একগোট হ'লে অসমৰ এই শেষ শৰাইঘাটত বিশেষ সহায় হ'ব পাৰিব। সেয়েহে, অসমৰ বাহিৰত থকা অসমীয়াই এই লিখকৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছো। যিসকলে এনে লোকৰ ঠিকনা আদি জানে তাকও যেন আমাক জনায়।

এতিয়া ইন্দিৰা গান্ধীৰ চৰ্কাৰে অসমৰ বাহিৰত অসমীয়াৰ বিৰুদ্ধে বিশেষ অপপ্ৰচাৰ চলাইছে। উদাহৰণ স্বৰূপে আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত কে-আৰ-নাৰায়ণে এক সাক্ষাৎ প্ৰসংগত কয়, 'দেশ বিভাজনৰ পিছত ভাৰতৰ প্ৰত্যেক ৰাজ্যতে ভগনীয়া সোমাইছে। পুব বংগই পুব পাকিস্তানৰ পৰা বহুত লৈছে। পঞ্জাৱতো লাখ লাখ সোমাইছে। আনকি দক্ষিণৰ ৰাজ্য সমূহেও বহুত লৈছে। কিন্তু কেৱল অসমতেই ই এক সমস্যা হৈছে।' (নিউ য়ৰ্ক টাইমচ, ২২ ফেব্ৰুৱাৰী, ১৯৮৩)। অসমীয়াৰ বিৰুদ্ধে আন ভাৰতীয়সকলৰ আৰু পৃথিৱীৰ আন আন লোকৰ মনত ভুল ধাৰণা জন্মাবলৈ যে ভাৰত চৰ্কাৰে চেষ্টা কৰি থাকিব তাত সন্দেহ নাই। তদুপৰি বৃটিচেও ভেদভাৱ সৃষ্টি কৰিব নোৱাৰা অসমীয়া হিন্দু মুছলমানসকলৰ মাজতও ইন্দিৰা চৰ্কাৰে হিংসা দ্বেষ সৃষ্টি কৰিছে। অকল সেয়ে নহয় সাত ভনী অঞ্চলৰ ৰাইজক ৰাজনৈতিক ভাবে দুৰ্বল কৰিবৰ কাৰণে তেওঁলোকৰ মাজত বিভেদ সৃষ্টি কৰিবলৈকো ইন্দিৰা চৰ্কাৰ যত্নপৰ। এনে বিভেদকামী প্ৰচেষ্টা আৰু অপপ্ৰচাৰৰ বিপক্ষে সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ বাহিৰত থকা অসমীয়াসকলে নানা কামৰ আঁচনি লৈছে। তাৰে এটা হৈছে অসমত চি-আৰ-পি আৰু চৰ্কাৰী বিষয়াৰ অত্যাচাৰবিলাক বৰ্ণনা কৰি এখন সৰু পুথি অতি সোনকালেই প্ৰকাশ কৰা। এই বিষয়ে কাগজ-পত্ৰ, ফটো আদি যি কোনো উপায়েৰে এই লিখকলৈ পঠিয়াবলৈ অনুৰোধ কৰিলোঁ আৰু আমি হাতত ল'ব পৰা আন কামও যেন আমাক জনায়। চিঠি-পত্ৰ অসমৰ বাহিৰৰ ডাকঘৰত দিলেহে এইখিনি পোৱাৰ সম্ভাৱনা আছে।

ৰচনাকাল: ২৩ ফেব্ৰুৱাৰী ১৯৮০

*সপ্তম অধ্যায়*

# ভাৰতৰ বিধ্বস্ত ৰাজ্য অসম

[অসম আন্দোলনৰ সময়ত এই লিখকে *'ইন্দিৰাৰ ভাৰতত জীয়াই থাকিবলৈ অসমৰ সংগ্ৰাম'* (Assam's Struggle For Survival in Indira's India) নামে এখন ইংৰাজী সৰু পুথি লিখি উলিয়াইছিল। পুথিখন আমেৰিকাবাসী অসমীয়াই গোটেই বিশ্বক অসমৰ সংগ্ৰামৰ বিষয়ে অৱগত কৰিবলৈ বুলি আমেৰিকাৰ পৰা ১৯৮৩ চনৰ মে' মাহত প্ৰচাৰ কৰিছিল। এই অংশ সেই পুথিৰ পৰাই অনুবাদ কৰি দিয়া হ'ল।]

আজি কিছুদিন আগতে চমৰিয়া, গহপুৰ, নেলী আদি অসমৰ বিভিন্ন অঞ্চলত সংঘটিত হোৱা বৰ্বৰোচিত হিংসাত্মক কাৰ্যই অৱশ্যাৰ হেঁচাত মানুহ এজনৰ প্ৰতি আন এজন কেনে নিষ্ঠুৰ হ'ব পাৰে তাৰ ভয়াবহ সোঁৱৰণেৰে গোটেই বিশ্বৰ বিবেকক স্পৰ্শ কৰিছে। এই নৃশংস ঘটনাবিলাকে আমাক আজি যেনেদৰে পীড়িছে আৰু আতংকিত কৰিছে সি আমাক এনে বৰ্বৰতাৰ যাতে পুনৰ অভিনয় নহয় তাৰ কাৰণে এতিয়াৰ পৰাই হাতে কামে লাগি যাবলৈ তৎপৰ কৰা উচিত। আমাৰ আজিৰ এই বেদনা আৰু ভয়ে আমি যাতে এনেদৰে নিজৰ মূৰ্খামিৰ বলি নহওঁ তাৰ কাৰণে আশা আনিব লাগিছিল। কিন্তু, চৰ্কাৰী বাধা, চৰ্কাৰী অপপ্ৰচাৰ, মিছা বাতৰি, বাতৰি কাকতৰ ওপৰত নিষেধ আজ্ঞা, বিদেশীৰ ভ্ৰমণৰ ওপৰত বাধা আদিৰ দ্বাৰা ভাৰত চৰ্কাৰে অসমীয়া সকলৰ দুখ নিৰ্যাতনৰ বিষয়ে যদি এখন ভুল ছবি ভাঙি ধৰি থাকে তেনেহলে আমিনো কি কাম হাতত ল'ব পাৰোঁ বা ভাল কিবা এটা হ'ব বুলি আশা কৰিব পাৰোঁ?

চমৰিয়া আৰু গহপুৰৰ দুৰ্ভগীয়া সকলৰ প্ৰায় সকলোৱেই হ'ল খলুৱা অসমীয়া যাৰ নিজৰ বুলিবলৈ অসমৰ বাহিৰে আন কোনো ঠাই নাই। নেলীৰ ভুক্তভোগীসকল হ'ল বিদেশী যাৰ ঘাই শিপা আছে বাংলাদেশত। তথাপি চমৰিয়া নাইবা নেলী হঠাতে হোৱা উদগীৰণ নহয় - প্ৰকৃততে, এই কেইটা হৈছে ভৱিষ্যত আন্ধাৰ হোৱা এটা জাতিৰ জীয়াই থাকিবলৈ কৰি অহা সংগ্ৰামৰ মন কৰিব লগীয়া পৰিণতি।

উদাহৰণ স্বৰূপে, এতিয়া এইটো জনা গৈছে যে অসমত ইন্দিৰা চৰ্কাৰৰ আৰক্ষী বাহিনী আৰু বেআইনী ভাবে অসমলৈ অহা বাংলাদেশীয়ে বহু খলুৱা লোকক হত্যা আৰু তেওঁলোকৰ বাসস্থানৰ পৰা অপসাৰিত কৰিছে। এটা বাতৰিৰ মতে, 'পুলিচৰ গুলীত নিহত হোৱা ২০০ জনৰ উপৰিও আৰু ১,৫০০ লোক নিহত হৈছে, ২,০০০ জন নিখোজ হৈছে আৰু তেওঁলোকও নিহত হৈছে বুলি ভয় হৈছে, ৩০০,০০০তকৈও অধিক লোকে ভগনীয়া শিবিৰত আশ্ৰয় লৈছে - মুঠতে, সম্ভৱ ৫০০,০০০ জন লোক অপসাৰিত হৈছে।' (দি

ইকনমিষ্ট, লণ্ডন, ১৯ মাৰ্চ, ১৯৮৩)। পুলিচে গুলিয়াই বধ কৰা ২০০জনৰ আটাই কেইজন অসমীয়া আৰু নিখোজ হোৱা বা অপসাৰিত হোৱা লোকসকলৰ আধাতকৈও অধিক মনুৱা অসমীয়া লোক।

নিৰ্বাচনী আৰু সংবিধানৰ নামত এনে বৃহৎ আকাৰৰ হিংসাত্মক হত্যাহত্যিৰ বাবে ইন্দিৰা গান্ধীয়ে কেৱল অসম আন্দোলনৰ নেতাসকলকে দোষাৰোপ কৰি দিয়া ব্যাখ্যাতকৈ বিশ্বাসযোগ্য ব্যাখ্যাৰ প্ৰয়োজন। ৱাশ্বিংটন টাইমচৰ বিশেষ প্ৰতিনিধি ৰঞ্জন বৰাই ক'বৰ দৰে- 'ভাৰত চৰ্কাৰে দুটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্নৰ এতিয়ালৈকে কোনো সন্তোষজনক সমিধান দিব পৰা নাই: কিয় নিৰ্বাচনীটো পিছুৱাব পৰা নহ'ল, আৰু কিয়, সংঘৰ্ষ যাতে নহয় তাৰ কাৰণে ১৫০,০০০ জন সৈন্য-সামন্ত অসমলৈ পঠিওৱা সত্ত্বেও পৰিস্থিতি আয়ত্বাধীন কৰিব পৰা নগ'ল। এই দুয়োটা দেখদেখকৈ চৰ্কাৰৰ দায়িত্ব; এই দুটা প্ৰশ্নৰ উত্তৰ দিয়াত চৰ্কাৰে যিমানেই পলম কৰিব বাইজৰও দিল্লীত থকা নেতাসকলৰ প্ৰকৃত উদ্দেশ্য আৰু আচৰণৰ প্ৰতি সন্দেহ বাঢ়িব' (ৱাশ্বিংটন টাইমচ, ১০ মাৰ্চ, ১৯৮৩)।

ইন্দিৰা চৰ্কাৰে বৰ্তমান গা এৰা দিয়েই আছে আৰু ন্যায়িক তদন্ত কৰিবলৈকো বিচৰা নাই। সেয়েহে, ইয়াত অসমৰ দুখ লগা ঘটনাবিলাকৰ বিষয়ে কিছুমান সচা তথ্য যুগুতালো।

ভাৰতৰ উত্তৰ পুব কোণত গিৰিৰাজ হিমালয়ৰ গাতে গা লাগি থকা সৰু ৰাজ্য অসমখন ভাৰতৰ বাকী অঞ্চলৰ লগত ভূটান আৰু বাংলাদেশৰ মাজৰ এক ঠেক খল ভাগেৰেহে লগ লাগি আছে। প্ৰাকৃতিক সম্পদ আৰু খনিজ পদাৰ্থৰ কাৰণে অসমখন হয়তো ভাৰতৰ ভিতৰতে আটাইতকৈ চহকী ৰাজ্য। ভাৰতত উৎপন্ন হোৱা চাহৰ শতকৰা ৫৫ ভাগেই অসমৰ পৰা আহে, ভাৰতৰ তেলৰ শতকৰা ৬০ ভাগ অসমৰ পৰাই আহে আৰু ভাৰতক প্ৰয়োজন প্লাইউডৰ শতকৰা এশ ভাগ অৰ্থাৎ প্ৰায় সকলোখিনি অসমতে তৈয়াৰ হয়। এইবিলাকৰ উপৰিও ভাৰতৰ কয়লা, মৰাপাট, কাঠ আদিৰ এক বৃহৎ অংশ আৰু পৃথিৱীৰ চিলেমেনাইটৰ (syllemnite) শতকৰা ৯৫ ভাগ অসমৰ পৰাই আহে। অসমে বছৰি প্ৰায় ৩০০০ কোটি টকাৰ নানান সামগ্ৰী ভাৰতক যোগান ধৰে। তথাপি অসমখন ভাৰতৰ আটাইতকৈ অৱহেলিত ৰাজ্য আৰু অসমীয়াসকলেই হয়তো ইন্দিৰা গান্ধীৰ অন্যায় আৰু উৎপীড়নৰ আটাইতকৈ বেছি ভুক্তভোগী।

অষ্টম অধ্যায়

# অসমীয়াসকল আজি কিয় আতংকিত

সাতভনীৰ আন আন অঞ্চলৰ দৰে আজিৰ অসম সামৰিক বা আৰক্ষী বাহিনী আৰু বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ দখলত। আজি অসমৰ অৱস্থা এনে দুখ লগা যে অসমীয়া ভাষা কৃষ্টি আৰু জাতিগত বৈশিষ্ট্য জীয়াই থকাটো একপ্ৰকাৰ সন্দেহজনক।

বাহিৰৰ লোকৰ কাৰণে হয়তো অসমৰ সমস্যাৰ বিস্তৃতি হৃদয়ংগম কৰাটো সহজ নহয়। - ১৯৫১ চনৰ পৰা ভাৰত চৰ্কাৰে অসমত সোমাবলৈ দিয়া বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বানে যে অতি সোনকালে অসমৰ পৰ্বত ভৈয়াম সকলো তল নিয়াব সেইটো বুৰ্জোতা বৰ কম। আমি যে এইটো অতিৰঞ্জন কৰা নাই তাকে পতিয়ন নিয়াবৰ কাৰণে তলত ১৯০১ চনৰ পৰা হোৱা অসমত জনবিতৰণৰ কেনেদৰে সলনি হৈ আহিছে তাৰ এটা ছবি দিলো। (এই তথ্য অমিয় দাসৰ, 'এগনি অৱ আচাম'ৰ পৰা লোৱা হৈছে)



অসমৰ অৱস্থা ত্ৰিপুৰাৰ দৰেই হ'ব বুলি অসমীয়া সকলে বিশেষ ভয় কৰিছে। ১৯৪৭ চনত ত্ৰিপুৰাই যেতিয়া ভাৰতত যোগদান কৰে, ত্ৰিপুৰাৰ জনসংখ্যাৰ শতকৰা নবৈ ভাগ আছিল থলুৱা জনজাতি লোক। কিন্তু আজি ত্ৰিপুৰাৰ থলুৱা জনজাতি, তেওঁলোকৰ নিজৰ বাসভূমিৰ শতকৰা ২৮জনেৰে গঠিত এক সংখ্যালঘু গোট। ত্ৰিপুৰীসকলে সকলো ৰাজনৈতিক ক্ষমতা হেৰুৱাসে আৰু এক সুকীয়া জনগোষ্ঠী ৰূপে তেওঁলোকৰ লোপ পাওঁ পাওঁ অৱস্থা। ত্ৰিপুৰাৰ জন-বিতৰণ-ৰূপৰ এনে পৰিবৰ্তন কিহে আনিলে? তাৰ একমাত্ৰ উত্তৰ বাংলাদেশৰ পৰা বেআইনী ভাবে অহা অনুপ্ৰৱেশকাৰীয়েই - 'ষাঠীৰ দশকৰ এটা ভাগত, গড় হিচাপত ৬০০ জনকৈ লোক নিতৌ পূব পাকিস্তানৰ পৰা আহি ত্ৰিপুৰাত সোমাইছিল। তেতিয়া ত্ৰিপুৰাৰ ক্ষমতাত অধিষ্ঠিত কংগ্ৰেছ দলে পূব পাকিস্তানৰ পৰা অপসাৰিত লোকেৰেই নিজৰ ভোট বেংক পুৰাবলৈ চেষ্টা কৰিছিল আৰু জানি শুনি পগ্লুৱাৰ এই অবাধ সোতৰ প্ৰতি চকু কাণ মুদিছিল। মুঠ সাত কোটি টকাৰ ঋণ দি তেওঁলোকে বঙালীসকলৰ কৃতজ্ঞতা লভিলে। সেই কংগ্ৰেছ প্ৰশাসনে জনজাতিসকলৰ ভাল ভাল খেতিৰ মাটি আন লোকক দিলে - এনে মাটি যে আগতীয়া অনুমতি বিনা আন লোকক বেচিব বা আনলৈ হাত বগৰাব নোৱাৰা ৰাজকীয় বিধি তেওঁলোকে উলংঘা কৰিলে।' [হিম্মত, অসম-মণিপুৰ-নাগালেণ্ড-ত্ৰিপুৰা-অৰুণাচল বিশেষ সংখ্যা, ১৯৮০],

এতিয়া ওপৰত ত্ৰিপুৰাৰ বিষয়ে উল্লেখ কৰা সকলোবিলাক দুষ্কাৰ্যৰ অসমত পুনৰাভিনয় হ'ব ধৰিছে। সেয়েহে, অসমীয়াসকলে তেওঁলোক তলত দিয়া পৰিণতি কেইটাৰ সন্মুখীন হ'ব লাগিব বুলি ভয় কৰিছেঃ

(১) অসমত বাংলাদেশীসকলে সংখ্যা গৰিষ্ঠতা লাভ কৰিব আৰু বাংলাদেশে এদিন অসমক সাঙুৰি ল'ব। অসমৰ কেবাখনো জিলাত বাংলাদেশীসকলে হয়তো ইতিমধ্যে সংখ্যা গৰিষ্ঠতা লাভ কৰিছে।

(২) ত্ৰিপুৰাত হোৱাৰ দৰে অসমো হয়তো অতি সোনকালেই বঙালী অধিপত্য ৰাজ্য হ'ব আৰু ইয়াৰ থলুৱা ভাষা সংস্কৃতি সম্পূৰ্ণ মষিমুৰ হ'ব।

(৩) ভাৰত চৰ্কাৰে অসমক এদিন এৰি দিব বা ভাৰতবৰ্ষখন নিজেই কিছুমান ক্ষুদ্ৰ ৰাজ্যত বিভক্ত হ'ব - তেতিয়া অসম আৰু উত্তৰ পূবৰ আন আন ৰাজ্য সমূহ যেয়ে পাৰে সেয়ে গ্ৰাস কৰিবৰ কাৰণে এৰি দিয়া হ'ব।

ওপৰত দিয়া অসমীয়াসকলৰ শংকাবিলাক যে ভিত্তিহীন নহয় সেইটো আন আন কাৰণৰ উপৰিও তলত দিয়া কাৰণ কেইটাৰ পৰা স্পষ্টঃ

***ইন্দিৰাৰৰ বেআইনী অনুপ্ৰৱেশকাৰী সকলৰ পক্ষ গ্ৰহণ*** - ভাৰত চৰ্কাৰে প্ৰায় ষাঠী লাখ বিদেশীক অসমত বসবাস কৰিবলৈ দিছে। এই সকলক চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম গুচাবলৈ বা ভাৰতৰ আন আন ঠাইতো সমানে বিতৰণ কৰি সংস্থান দিবলৈ দাবী কৰি অসমবাসীয়ে

চলাই অহা আন্দোলনক ইন্দিৰা চৰ্কাৰে অতি নিৰ্ষ্ঠুৰ ভাবে দমন কৰিবলৈ ধৰিছে। ইন্দিৰা গান্ধীয়ে অসমলৈ গ'লে থলুৱা অসমীয়াক সাক্ষাৎ নকৰি বিদেশীসকলৰ লগতহে আলাপ আলোচনা চলায়। ইন্দিৰা গান্ধী আৰু তেওঁৰ চৰ্কাৰে থলুৱা অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰাতকৈ বিদেশী অনুপ্ৰৱেশকাৰীসকলক সা-সুবিধা দিয়াতহে বেছি মনোযোগ দিয়ে।

আনকি যোৱা নিৰ্বাচনীৰ সময়ত অসমত ভোটৰ বাবে অভিযান চলাবলৈ যাওঁতে ইন্দিৰা গান্ধীয়ে কেৱল বিদেশীসকলৰ সভাতহে বক্তৃতা দিছিল আৰু থলুৱা অসমীয়াসকলৰ প্ৰতি কঠোৰ মনোভাব প্ৰদৰ্শন কৰিছিল। সংখ্যালঘুসকলক (অৰ্থাৎ বাংলাদেশীসকলক) ৰক্ষা কৰিবলৈ তেওঁৰ চৰ্কাৰ দৃঢ়প্ৰতিজ্ঞ আৰু তেওঁলোকক অপসাৰিত কৰা নহয় বুলি তেওঁ ঘোষণা কৰিছিল। অসমত তেওঁ বক্তৃতা বঙালীতহে আৰম্ভ কৰিছিল, হিন্দী বা অসমীয়াত নহয়, আৰু সেইবিলাক সামৰিছিল 'খোদা হাফিজ' বুলিহে, সচৰাচৰ ব্যৱহাৰ কৰা 'জয়-হিন্দ' বুলি নহয়। মুঠৰ ওপৰত, ভাব ভাষাৰে অসমত তেওঁ এনে ব্যৱহাৰ কৰিছিল যেন তেওঁ বাংলাদেশতহে আছিল। [প্ৰান্তিক, ১-১৫ মে, ১৯৮৩]। সেইদৰে বৰ্তমান অন্যায় ভাবে নিৰ্বাচিত অসমৰ মুখ্যমন্ত্ৰী শৰাকীয়েও ইন্দিৰা গান্ধীৰ সুৰতে সুৰ মিলাই কৈছে, 'আমি নিৰ্ষ্ঠুৰ হ'বই লাগিব।'

***অসম বাংলাদেশ সীমান্ত ৰক্ষা কৰিবলৈ অনিচ্ছা*** - যদিও অসমলৈ বাংলাদেশৰ পৰা বেআইনী অনুপ্ৰৱেশকাৰী বহুত দিনৰে পৰা আহি আছে তথাপি ভাৰত চৰ্কাৰে অনুপ্ৰৱেশকাৰীসকলৰ পথ বন্ধ কৰিবলৈ কোনো চেষ্টা চলোৱা নাই। অসম সীমান্তত অৱহেলা জল জল পট পট। পশ্চিম পিনৰ ভাৰত পাকিস্তান সীমান্ত বিস্ফোৰক মাইন আদি আৰু ঘনাই পহৰা দিয়া সৈন্যৰ দ্বাৰা ইমান সুৰক্ষিত যে নিগনি এটাও পাকিস্তানৰ পৰা আহি ভাৰতত সোমাব নোৱাৰে। কিন্তু, অসম উপত্যকাৰ ভৱিষ্যতৰ প্ৰতি ভাৰত চৰ্কাৰৰ লেশমানও চিন্তা নাই, সেয়েহে অসম সীমান্তৰ পহৰা চকীবিলাক কেৱল যে নামতহে সেই কথা অসমলৈ আহি থকা লাখ লাখ বেআইনী অনুপ্ৰৱেশকাৰীয়েই প্ৰমাণ কৰে।

***জনজাতীয় খণ্ড আৰু বেষ্টনীবোৰত বেদখল*** - জনজাতিসকলে নিজৰ মতেই নিজৰ কামকাজ চলোৱা আৰু নিজৰ চেষ্টাৰে উন্নতিৰ পথত আগবঢ়াৰ মহৎ আদৰ্শকে লৈ ভাৰত সংবিধানৰ ৰচকসকলে সংবিধানত তথাকথিত ষষ্ঠ পৰিচ্ছেদৰ সৃষ্টি কৰিছিল। অবাধ পমুৱাৰ অনুপ্ৰৱেশে এতিয়া অসমৰ জনজাতিসকলৰ সংখ্যা চেৰাই গৈ সংবিধানৰ ষষ্ঠ পৰিচ্ছেদে জনজাতিসকলক দিয়া স্বায়ত্ত শাসনৰ আশ্বাসক এক উপহাসত পৰিণত কৰিছে।

জনজাতীয় খেতিয়কৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণেই ১৯৪৭ চনত জনজাতীয় খণ্ড আৰু বেষ্টনী কিছুমান সৃষ্টি কৰা হৈছিল। কিন্তু যোৱা কিছু বছৰৰ পৰা

বহু জনজাতীয় গুচক বাংলাদেশৰ পৰা অহা ভগনীয়াক বহুত্বাৰৰ কাৰণে মুকলি কৰি দিয়া হৈছে। এই মুকলি গুচ বিলাকত এতিয়া জাকে জাকে বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে দখল কৰিবলৈ লৈছে কিন্তু কেন্দ্ৰীয় চৰ্কাৰ অথবা ৰাজ্য চৰ্কাৰ কোনেও জনজাতীয়সকলৰ প্ৰয়োজন ৰক্ষা কৰিবলৈ আগ বাঢ়ি নাহে।

জনজাতীয় অঞ্চলবৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সংখ্যা ইমানেই বেছি যে 'ত্ৰিপুৰা উপজাতি সমিতি (টি-ইউ-জে-এছ) আৰু পি-এল-এৰ দৰে কিছুমান জনজাতি সন্থা আজি কিছুদিন আগতে সমস্যাটো আলোচনা কৰিবলৈ গোট খায়। তাত তেওঁলোকে আপত্তি তোলে যে ভাৰত চৰ্কাৰে বুদ্ধি কৰিয়েই সম্প্ৰসাৰণৰ অভিলাষ বুকুত বান্ধি লৈ ৪২ লাখ বাংলাদেশী মুছলমানলোকক অসমত ৰাখিছে যাতে তেওঁলোকক ভৱিষ্যতে নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামৰ জনজাতিসকলক আক্ৰমণ কৰাত ব্যৱহাৰ কৰিব পাৰে আৰু যিমান পাৰে সিমান খলুৱা জনজাতীয় লোকক ব্ৰহ্মদেশৰ সীমান্তইদি খেদি পঠাব পাৰে।' [৪ জুলাই, ১৯৮১ৰ অসম ট্ৰিবিউনত মেজৰ ভেছনথাম (অৱসৰপ্ৰাপ্ত)ৰ চিঠি]। সেয়ে যদি সচা নহয় তেনেহলে ভাৰত চৰ্কাৰে জনজাতীয় অঞ্চলবিলাক বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰি আৰু সেইবিলাকলৈ অনুপ্ৰৱেশ বন্ধ কৰি জনজাতীয় লোকক নিৰাপত্তাৰ আশ্বাস দিব লাগিছিল। তাকে নকৰি, ভেছনথামে কোৱা মতে, 'আমাৰ সামৰিক বাহিনীয়ে পি-এল-এক হে দমন কৰিবলৈ লাগিল আৰু তাক মৰিয়াই তাৰ ৰাজহাঁড় বেকা কৰি দিলে। টি-ইউ-জে-এছকো ত্ৰিপুৰাৰ জাগৰণৰ পিছত কিছু পৰিমাণে মৰিওৱা হয়।'

*বিদেশীৰে ভোট-বেংক শকত কৰা লোকক পুৰস্কাৰ* - ইন্দিৰা গান্ধীয়ে ইচ্ছা কৰিয়েই তেওঁৰ কংগ্ৰেছ দলৰ কাৰণে বিদেশীৰে ভোট বেংক শকত কৰা লোকসকলক পুৰস্কৃত আৰু খলুৱা অসমীয়াসকলৰ প্ৰতি সহানুভূতি দেখুওৱাসকলৰ প্ৰতি কঠোৰ মনোভাৱ প্ৰদৰ্শন কৰি আহিছে। তলত কেইটামান উদাহৰণ দিলো-

১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত অসমৰ কোনো ঠাইত বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে পাকিস্তানী পতাকা (সেই সময়ত বাংলাদেশ পাকিস্তানৰ অন্তৰ্গত আছিল) উৰোৱা বুলি শুনি প্ৰধান মন্ত্ৰী নেহেৰু অতিশয় ক্ষুব্ধ হৈছিল। তেওঁ তাৰ পিছত পিপ (PIP - Prevention of Infiltration from Pakistan) অৰ্থাৎ পাকিস্তানী অনুপ্ৰৱেশকাৰী ৰোধ আইনখন প্ৰণয়ণ কৰে। প্ৰথম অৱস্থাত অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই পিপ আইনখন বেছ জোৰেৰে অসমত খটুৱায়। কিন্তু, ১৯৬৪ চনত নেহেৰুৰ মৃত্যুৰ পিছত সকলো সলনি হয় - পিপ আইনৰ বিৰোধিতা কৰা লোকসকলকহে শ্ৰীমতী গান্ধীয়ে আদৰ কৰিবলৈ ধৰে।

উদাহৰণ স্বৰূপে, পিপ আইনৰ বিৰোধিতা কৰা চলিহা মন্ত্ৰীসভাৰ সদস্য ফখৰুদ্দিন আলি আহমদ আৰু মইনুল হক চৌধুৰী দুয়োকে ইন্দিৰাই কেন্দ্ৰীয়

মন্ত্ৰী সভাত নয়। কেন্দ্ৰীয় মন্ত্ৰী সভাত থাকি এওঁলোক দুজনে চলিহাক পিগ আইনৰ কামত হেমাহি কৰিবলৈ বেছিকৈ জোৰ দিবলৈ সুবিধা পায়। "ফকৰুদ্দিন আলি আহমদে কেন্দ্ৰত তেওঁৰ প্ৰভাৱ খটুৱাই তেতিয়াৰ গৃহমন্ত্ৰী ৱাই-বি-চৱনৰ হতুৱাই এই সংক্ৰান্তত চলিহাক হেমাহি কৰিবলৈ এখন নিৰ্দেশ পঠাবলৈ সমৰ্থ হয়। চলিহা মন্ত্ৰীসভাৰ ১২ জুন, ১৯৬৯ চনৰ বৈঠকত চৱনৰ লিখিত নিৰ্দেশ পঢ়ি শুনোৱা হয় আৰু বিদেশী নাগৰিক ধৰিবলৈ পতা সকলো ট্ৰিবিউনেল বন্ধ কৰি দিবলৈ সিদ্ধান্ত লোৱা হয় আৰু অনুপ্ৰৱেশকাৰীৰ বিপক্ষে চলি থকা সকলো মোকৰ্দমা নিম্ন আদালতলৈ পঠিওৱা হয়।" চোবিন, ইণ্ডিয়াজ নৰ্থ-ইষ্ট ইন ফ্লেম্‌চ, বিকাচ পাব্লিছিংগ হাউচ, নতুন দিল্লী, ১৯৮০)।

অসমীয়াসকলৰ নেৰা নেপেৰা দাবীৰ কাৰণে ১৯৭৫ চনত অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশীসকলৰ নাম চিনাক্ত কৰিবলৈ কিবা এখন আঁচনি লবৰ কাৰণে চৰ্কাৰে নিৰ্দেশ দিয়ে। ইতিমধ্যে, থাইকৈ বিদেশী ভোটেৰে আসন লাভ কৰা অসম বিধান সভাৰ ২৫ জন সদস্য ক্ষমতাৰ তুলাচানীৰ ভাৰ সলাব পৰা শক্তি হৈ পৰিছিল। অসম চৰ্কাৰে কেন্দ্ৰীয় চৰ্কাৰৰ সেই নিৰ্দেশ মানি কাম কৰিলে তেওঁলোক আটায়ে অসম চৰ্কাৰৰ প্ৰতি সমৰ্থন এৰিব বুলি ভাবুকি দিয়ে। আকৌ ফকৰুদ্দিন আলি আহমদে এইসকলৰ পক্ষকে লয়। তাৰ এবছৰ পিছতে ইন্দিৰা গান্ধীয়ে ফকৰুদ্দিন আলি আহমদক ভাৰতৰ ৰাষ্ট্ৰপতিৰ আসনত বহুৱায়।

অসমত বিদেশী অনুপ্ৰৱেশকাৰীৰ পক্ষ লোৱা আনজন সদস্য মইনুল হক চৌধুৰীকও ইন্দিৰা গান্ধীয়ে বহু অনুগ্ৰহ দেখুৱাই আহিছে। মইনুল হক চৌধুৰী এসময়ত পাকিস্তানৰ প্ৰতিষ্ঠাপক জিন্নাৰ ব্যক্তিগত সচিব আছিল। মুছলিম লীগৰ সদস্যৰূপে মইনুল হকে জিন্নাৰ মতে অসমক পাকিস্তানৰ ভিতৰত দিবলৈ দাবী কৰিছিল। সেই প্ৰচেষ্টাত ব্যৰ্থ হৈ জিন্নাই মইনুল হকক কৈছিল, 'তুমি দহ বছৰ অপেক্ষা কৰা, মই গোটেই অসমক ৰূপৰ বাটিত সজাই তোমাৰ হাতত তুলি দিম' অমিয় দাস, এগ'নি অৱ আচাম, ১৯৮২)। এতিয়া ইন্দিৰা গান্ধীয়ে যি ধৰণেৰে থলুৱা অসমীয়াক দমাই বিদেশী অনুপ্ৰৱেশকাৰী সকলৰ স্বাৰ্থৰ প্ৰতি থাটিছে এনেহে অনুমান হয় যে তেওঁ জিন্নাই দিয়া প্ৰতিশ্ৰুতিকে সাৰ্থক কৰিবলৈ লৈছে আৰু অসম খনক ৰূপৰ বাটিত তুলি বাংলাদেশীসকলৰ হাতত দিছে।

ইন্দিৰা গান্ধী আৰু তেওঁৰ বহতীয়া অসম চৰ্কাৰে বিদেশী নাগৰিকক চিনাক্ত কৰি নিজৰ দায়িত্ব পালন কৰা অসমীয়া বিষয়াসকলৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰিছে। আই-পি-এছ বিষয়া হিৰণ্য কুমাৰ ভট্টাচাৰ্যই মঙলদৈ সমষ্টিত ৪৭,৬৫৮ জন বিদেশী আৰু আনোৱাৰা টাইমুৰৰ সমষ্টিত ১৪,৪০৬ জন (আনোৱাৰাই ৯,২০৬ ভোটত নিৰ্বাচনীত জিকিছিল) বিদেশী নাগৰিকক ধৰা পেলায়। সেয়েহে, কেন্দ্ৰীয় নেতাৰ নিৰ্দেশত মুখ্যমন্ত্ৰী হৈ আনোৱাৰাই কৰা

প্ৰথম কাম হ'ল হিৰণ্য ভট্টাচাৰ্যৰ চাকৰিৰ অৱসান কৰোৱা। অৱশ্যে, তেওঁক চাকৰিৰ পৰা খেদোৱাৰ আগতে ভট্টাচাৰ্য আৰু তেওঁৰ অধীনত থকা আন আন পুলিচ বিষয়াসকলে অসমত ৫৮৭,০০০ বিদেশী অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি সমস্যাটো অসমীয়াৰ কাৰণে কিমান ভয়াবহ সেইটো জল জল পট পটকৈ দেখুৱাবলৈ সমৰ্থ হয়। সেইদৰে মণ্ডলদৈ উপ-নিৰ্বাচনীৰ সময়ত ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কাটিবলৈ আগ ভাগ লোৱা আই-এ-এছ বিষয়া জ্যোতিপ্ৰসাদ ৰাজখোৱাক অসম চৰ্কাৰে নানা প্ৰকাৰে নগুৰ নাকতি কৰে। এইবিলাক একোটা লেখহে - এনেকুৱা ধৰণৰ চাকৰিৰ পৰা খেদা, বিলম্বিত কৰা আৰু আন প্ৰকাৰে নগৰ নাকতি কৰা উদাহৰণ আৰু অলেখ আছে।

*আন ভাৰতীয়সকলৰ আওকাণ* - যোৱা কেইবছৰৰ ঘটনাবিলাক, ইন্দিৰা গান্ধী চৰ্কাৰৰ আচৰণ আৰু আন আন ভাৰতীয়সকলৰ মতি গতিৰ কাৰণে অসমীয়াসকলে এতিয়া এইটো ভাবিবলৈ বাধ্য হৈছে যে ভাৰতে অসমক ইয়াৰ এটা অংশ বুলি নাভাবে আৰু বহু ভাৰতীয়ই অসমীয়াসকল হয়তো ভাৰতীয় বুলিয়েই গণ্য নকৰে। এইবিলাকে অসমীয়াসকলক কেনেদৰে হতাশ কৰিবলৈ ধৰিছে তাৰ এটা সুন্দৰ বৰ্ণনা ভিক চাৰিণে তেওঁৰ পুথিত দিছে-

> " ... অসমীয়াসকল কেন্দ্ৰীয় চৰ্কাৰৰ প্ৰতি, জাতীয় নেতাসকলৰ প্ৰতি আৰু তেওঁলোকৰ এই ঘাত প্ৰতিঘাতৰ সময়ত তেওঁলোকৰ প্ৰতি প্ৰদৰ্শোৱা আওকাণ আৰু বুজাবুজিৰ অভাৱৰ কাৰণে দেশী ভাইসকলৰ (আন ভাৰতীয়সকলৰ) প্ৰতি অতিশয় ক্ষুব্ধ। তেওঁলোকৰ এইটো যুক্তিসংগত বিচাৰ যে এই গুৰুত্বপূৰ্ণ অঞ্চলত এক বৃহৎ সংখ্যক বিদেশীৰ অৱস্থানে কেৱল যে জন-বিতৰণৰ সমতা নষ্ট কৰিছে আৰু আৰ্থ-সামাজিক সংঘাতৰ সৃষ্টি কৰিছে এনে নহয়, ই দেশৰ এই অঞ্চলটোৰ নিৰাপত্তা তথা সুস্থ অৱস্থাকো বিপদাপন্ন কৰিছে।
>
> বিদেশীসকলৰ বেআইনী প্ৰৱেশ যথাৰ্থতে এক জাতীয় সমস্যা। কিন্তু, দুখৰ কথা এই যে অসমীয়াসকলে ইয়াৰ কাৰণে কৰি অহা দীঘলীয়া আন্দোলনত যি অবৰ্ণনীয় দুখ-কষ্ট আৰু জীয়াতু ভুগিব লগীয়া হৈছে সি জাতীয় নেতাসকলৰ বা ভাৰতৰ সাধাৰণ ৰাইজৰ গাকে লবোৱা নাই।"
>
> *(চাৰিণ, ঐ, পৃঃ ৩৫)*

অটল বিহাৰী বাজপায়ি আৰু ৰবীন্দ্ৰ ভাৰ্মাৰ দৰে দুই এজন নেতাৰ বাদে ভাৰতৰ জাতীয় নেতাসকলে অসমৰ এই গুৰুতৰ সমস্যা বুজিবলৈ হয় কোনো চেষ্টাই কৰা নাই নহয় ইয়াৰ প্ৰতি সম্পূৰ্ণ পিঠি দিছে।

*অসমত উপনিবেশী শাসনঃ* ওপৰৰ আশংকাবিলাকৰ উপৰিও অসমীয়াসকলে হিঁয়া ভুকোৱাৰ আন এটা কাৰণ হৈছে কেন্দ্ৰীয় চৰ্কাৰে অসম তথা সাত ভনী অঞ্চলত চলোৱা শাসন পদ্ধতি আৰু শোষণ। যোৱা ভেৰকুৰি

বহুৰ এইবিলাক অঞ্চলৰ থলুৱা লোকসকলক কেন্দ্ৰীয় চৰ্কাৰৰ অফিচ আৰু প্ৰতিষ্ঠানবিলাকৰ প্ৰশাসনত মুখ সুৰুৱাবলৈ কোনো সুবিধা দিয়া হোৱা নাই। বিশেষকৈ মেঘালয় আৰু অসমৰ এই চাকৰিবিলাকৰ প্ৰায় শতকৰা ৮৫ ভাগতেই বাহিৰৰ পৰা অহা লোকক প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰে শতকৰা ১৫ ভাগ বাংলাদেশী বুলি সন্দেহ কৰা হয়।

কোনো কোনো ক্ষেত্ৰত কলিকতাত বা বাহিৰৰ আন কোনো ঠাইত থকা প্ৰধান বা আঞ্চলিক কাৰ্যালয়তে এই চাকৰিবিলাকৰ কাৰণে লোক মকৰল কৰা হয়। প্ৰশ্ন হয় - ভাৰতৰ আন কোনো ঠাইতে ঘটা অসম্ভৱ এনেকুৱা ব্যৱস্থা কেনেকৈ অসম আৰু মেঘালয়ৰ ক্ষেত্ৰত চলি থকাটো সম্ভৱ হৈছে? অসম আৰু মেঘালয়ত থকা কেন্দ্ৰীয় প্ৰতিষ্ঠানবিলাকৰ প্ৰায় সকলো উচ্চ বিষয়া, আই-এ-এছ, আই-পি-এছ বিষয়াসকলৰ বেছি ভাগেই বাহিৰৰ। একাউন্টেণ্ট জেনেৰেল, পষ্ট মাষ্টাৰ জেনেৰেল, ইনকাম টেক্সৰ কমিছনাৰ, কেন্দ্ৰীয় আৱকাৰী বিভাগৰ কালেক্টৰ, ৰেলৱেৰ জেনেৰেল মেনেজাৰ, প্ৰায় সকলো কেন্দ্ৰীয় প্ৰতিষ্ঠানৰ মুৰব্বী বিষয়া আৰু তেওঁলোকৰ সকলো সহকাৰী বিষয়াই সদায় অসমৰ বাহিৰৰ। এওঁলোকৰ বহুতকে স্বাৰ্থ জড়িত মহলে বিপথে নিয়ে আৰু বহুতেই ইচ্ছা কৰি পমুৱা চাকৰি প্ৰাৰ্থীকহে সহানুভূতি দেখুৱায়।

অসম আন্দোলন আৰম্ভ হোৱাৰ পিছত ইন্দিৰা গান্ধীয়ে অসমৰ ৰাজ্যিক শাসনৰ পৰাও থলুৱা লোকসকলক খেদিবলৈ সমৰ্থ হয়। ১৯৮৩ চনত ৰাজ্যৰ মুখ্য সচিবৰ পৰা আৰম্ভ কৰি ছাব-ডেপুটী-কালেক্টৰলৈকে ৰাজ্যখনৰ প্ৰধান প্ৰশাসক সকল আছিল অনা-অসমীয়া। অসমীয়া আই-এ-এছ আৰু আই-পি-এছ বিষয়া প্ৰায় সকলোকে হয় ৰাজ্যৰ বাহিৰলৈ বদলি কৰা হয় নহয় কম গুৰুত্বৰ পদবীত পেলোৱা হয়। অৱশ্যে, চেণ্ট্ৰেল ছাৰ্ভিচত অসমীয়া বা সাত ভনী অঞ্চলৰ বিষয়া তেনেই নাম মাত্ৰ। অতি পুৰণা বাছনি পদ্ধতিৰ সহায় লৈ আজি ইমান দিনে অসম আৰু সাত ভনী অঞ্চলৰ লোকক কেন্দ্ৰীয় প্ৰশাসনত সুযোগৰ পৰাও বঞ্চিত কৰি অহা হৈছে। এই বাছনি পদ্ধতি যে অতি অন্যায় আৰু এইটোৱেই যে প্ৰশাসনত থকা বা উচ্চ শ্ৰেণীৰ ভাৰতীয়সকলে অসমীয়া সকলৰ দৰে অৱহেলিত জাতিক ভাৰতৰ শাসক গোষ্ঠীত সুযোগৰ পৰা বঞ্চিত কৰি ৰখাৰ কাৰণে প্ৰয়োগ কৰা হৈছে তাৰ উজ্জ্বল প্ৰমাণ সেই সময়ত অসমত থকা বাহিৰৰ আই-এ-এছ আৰু আই-পি-এছ বিষয়াসকলেই দিয়ে। অসম আন্দোলনৰ কাল ছোৱাত তেওঁলোকৰ কোনো কোনোৱে থলুৱা লোকৰ আশা আকাংক্ষা আৰু আৱেগ অনুভূতি সম্পূৰ্ণ গছকি মোহাৰি নিষ্ঠুৰতাৰ চৰম সীমা পায়গৈ। তেওঁলোকে নাগৰিকৰ অধিকাৰ, গণতান্ত্ৰিক বিচাৰ, ভাৰতীয় কৃষ্টি, মানৱীয় গুণ আদিৰ এনে অজ্ঞতা দেখুৱালে যে তেওঁলোকৰ দৰে অধম সচাকৈয়ে দেশখনৰ কাৰণে লাজৰ কথা।

***বাংলাদেশৰ পৰা অস্ত্ৰ-শস্ত্ৰৰ যোগান*** - অসমীয়াসকলে এইটোও ভয় কৰিছে যে বেআইনী অনুপ্ৰৱেশকাৰীসকলে বাংলাদেশৰ পৰা সামৰিক

সহায় পাইছে। ১৯৮৩ চনৰ ১২ ফেব্ৰুৱাৰীত অনুপ্ৰৱেশকাৰীসকলে নগাওঁ জিলাৰ ১২ খন অসমীয়া গাওঁ জুই লগাই ধ্বংস কৰিবৰ সময়ত "খাকী পোছাক পিন্ধা সশস্ত্ৰ লোকে সামৰিক পদ্ধতিৰ বিভ্ৰান্তকাৰী কৌশল আৰু বিপক্ষক ব্যস্ত ৰাখিবৰ কাৰণে গুলী বৰ্ষণ কৰি দুৰ্বৃত্ত আৰু লুণ্ঠনকাৰীসকলক সহায় কৰিছিল। নিজ চকুৰে দেখা লোকৰ মতে সেই আক্ৰমণৰ আগতে এখন হেলিকপ্টাৰে পমুৱাসকলৰ মাজত কিবা বস্তা টোপোলা বিতৰণ কৰা দেখা গৈছিল। এনেকুৱা ধৰণৰ পৰিকল্পনা আৰু সংগঠন অনুপ্ৰৱেশকাৰী সকলৰ সকলো আক্ৰমণত দেখা গৈছিল।" (আচুৰ ৰাতৰি-পত্ৰিকা, মাৰ্চ ৪, ১৯৮৩)।

সেইদৰে ৫ জানুৱাৰী, ১৯৮০ ত উত্তৰ কামৰূপত হঠাৎ আহি পৰা হাজাৰ হাজাৰ সশস্ত্ৰ বাংলাদেশী সৈন্যৰ আক্ৰমণত খলুৱা অসমীয়াসকল অতিকৈ আতংকিত হৈছিল। প্ৰত্যেকখন অসমীয়া গাওঁৰ আক্ৰমণত বাংলাদেশী মুক্তি বাহিনীয়ে ১৯৭১ চনত পাকিস্তানৰ বিপক্ষে যুজা সংগ্ৰামত সফল ভাৱে প্ৰয়োগ কৰা কৌশলকে প্ৰৱৰ্তন কৰা দেখি বাইজৰ এইটো বুজিবলৈ বাকী নাই যে সুশিক্ষিত মুক্তি বাহিনীৰ সৈন্যসকল অনুপ্ৰৱেশকাৰীসকলৰ মাজত আছে।

*নৱম অধ্যায়*

# অসম আন্দোলন

বৰ্তমানৰ অসম আন্দোলনক নেতৃত্ব দিছে সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অসম গণ সংগ্ৰাম পৰিষদে। এই আন্দোলনৰ আৰম্ভণ ১৯৭৪ চনত তেতিয়াৰ আছুৱে ২১টা দাবীৰে দিয়া স্মাৰকপত্ৰৰ পৰাই বুলিব পাৰি। আছুৰ সেই ২১টা দাবীৰ ভিতৰত এটা আছিল বেআইনী অনুপ্ৰৱেশকাৰীক চিনাই অসমৰ বাহিৰ কৰা। কিয়নো বাংলাদেশী মুক্তি বাহিনীৰ স্বাধীনতা যুজ আৰম্ভ হোৱাৰে পৰা অসমলৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সোঁত বাঢ়িবলৈ ধৰে। ১৯৭১ চনত বাংলাদেশ ৰাজ্য স্থাপন হোৱাৰ পিছত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সংখ্যা নকমি বাঢ়িবলৈহে ধৰে। ইপিনে ইন্দিৰা কংগ্ৰেছে নিৰ্বাচনীৰ প্ৰস্তুতিত বাংলাদেশীৰ ভোট বেংক গঠন কৰাত উঠি পৰি লাগে, সেয়েহে ইন্দিৰা চৰ্কাৰে বাংলাদেশী অনুপ্ৰৱেশকাৰীক তেওঁলোকৰ ভোটৰ বিনিময়ত অসমলৈ আহিবলৈ আওপকীয়া ভাবে উৎসাহহে দিয়ে। ১৯৭৭ চনৰ নিৰ্বাচনীত ইন্দিৰা কংগ্ৰেছ ভাৰত আৰু অসমত হাৰে যদিও অসমৰ ১১৬ জন বিধায়কৰ ৩৯ জনেই বিদেশী ভোটৰ সহায়ত নিৰ্বাচিত হয়।

আন্দোলনৰ এই পৰ্যায় ১৯৭৯ চনত হ'ব লগীয়া মঙলদৈ সমষ্টিৰ উপ নিৰ্বাচনীৰ প্ৰস্তুতিৰ পৰাই আৰম্ভ বুলিব পাৰি। তেতিয়াৰ কামৰূপৰ জিলাধিপতি জ্যোতিপ্ৰসাদ ৰাজখোৱাই মঙলদৈ সমষ্টিৰ ভোটাৰৰ তালিকাত বহু বিদেশীৰ নাম দেখি সেই বিষয়ে চৰ্কাৰ আৰু আছুৰ দৃষ্টি আকৰ্ষণ কৰে। তেতিয়াৰ মুখ্য মন্ত্ৰী বৰবৰাৰ জনতা চৰ্কাৰে পতা ট্ৰিবিউনেলে কেৱল মঙলদৈ সমষ্টিতে প্ৰায় ৪৫,০০০ বেআইনী অনুপ্ৰৱেশকাৰীৰ নাম ধৰা পেলায়। বৰবৰাই তেতিয়া অসমৰ আন আন ৮০টা সমষ্টিৰো ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম আঁতৰাবৰ কাৰণে ট্ৰিবিউনেল পাতে। বৰবৰাৰ এই সিদ্ধান্তক তেওঁৰ কেবিনেটৰ দুজন মুছলিম সদস্য আৰু অসম বিধান সভাৰ ৩৪ জন আন সদস্যাই (এওঁলোকৰ বেছি ভাগ বিদেশীৰ ভোটেৰে নিৰ্বাচিত) বিৰোধিতা কৰে। এই সদস্য সকলে ১৯৭৯ চনৰ ৪ ছেপ্তেম্বৰত বৰবৰা মন্ত্ৰীসভাৰ পতন ঘটায়। তাৰ কিছুদিন আগতে ২৭ আগষ্টত আছু, অসম সাহিত্য সভা আৰু পুৰ্বাঞ্চল লোক পৰিষদ একগোট হৈ অসম গণ সংগ্ৰাম পৰিষদ প্ৰতিষ্ঠা কৰে। পিছলৈ অসম যুৱ সমাজ, জাতীয়তাবাদী দল, ইয়ংগ লয়াৰ্ছ ফৰাম আদিয়েও গণ সংগ্ৰাম পৰিষদত যোগদান কৰে।

ইন্দিৰা গান্ধীৰ চৰ্কাৰে অসমীয়াসকলৰ বিষয়ে ভুল ধাৰণা জগাবৰ কাৰণে অসম আন্দোলনৰ বিষয়ে নানান অপপ্ৰচাৰ চলাই আহিছে। কিন্তু, আছুৱে সদায় ঘোষণা কৰি অহা মতে অসমবাসীৰ প্ৰধান দাবী সমূহ হৈছে -

(১) প্ৰথমেই ভাৰতীয় সংবিধান অনুযায়ী আৰু বিধিমত আইনৰ সহায়ত বিদেশীসকলক চিনাক্ত কৰিব লাগিব। এই চিনাক্তকৰণৰ কাৰণে ১৯৫১ চনৰ ভাৰতীয় নাগৰিকৰ তালিকা (এন-আৰ-চি অৰ্থাৎ National Register of Citizens of India) আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাৰ সহায়ত কৰা হ'ব লাগিব। ভাষা আৰু ধৰ্মৰ ভিত্তিত এই চিনাক্তকৰণ কৰাৰ চেষ্টা চলিব নালাগিব।

(২) বেআইনী ভাবে প্ৰৱেশ কৰা সকলো বিদেশীক দেশৰ পৰা বাহিৰ কৰাটো ভাৰত চৰ্কাৰৰ এক ধৰা বন্ধা কৰ্তব্য আৰু দায়িত্ব। চৰ্কাৰে সকলো বিদেশীক খেদাটো অসম্ভৱ বুলিছে আৰু ১৯৭১ চনৰ পিছত অহা বিদেশী সকলকহে খেদিবলৈ ইচ্ছুক যেতিয়া আছুৱে প্ৰস্তাৱ দিছে যে ১৯৭১ চনৰ আগেয়ে অহা বিদেশীসকলক যেন গোটেই দেশখনতে বিলাই খিতাপি লগোৱা হয়। দেশৰ এটা ডাঙৰ জাতীয় সমস্যা কেৱল অসমৰ ওপৰতে জাপি দিয়াটো অন্যায়।

(৩-ক) আছুৱে গোটেই সমস্যাটোৰ এটা স্থায়ী সমাধান বিচাৰে। সেয়েহে, আছুৱে ১৯৫১-৬১ৰ কালছোৱাত অহা বিদেশী খিনিক অসমত ৰাখি ১৯৬১-৭১ ৰ বিদেশী খিনিক দেশৰ আন আন ঠাইত বহুৱাই আৰু তেওঁলোক যাতে অসমলৈ উভতি নাহে সেইটোৰ যথাবিহিত ব্যৱস্থা ল'ব লাগে।

(৩-খ) মানৱীয় সহৃদয়তাৰ আৰু অসমৰ সাম্প্ৰদায়িক শান্তিৰ খাতিৰত ১৯৫১-৬১ চনৰ বিদেশীখিনিক ৰাখিবলৈ অসমবাসী সম্মত যদিও এই সম্মতিৰ চৰ্ত হৈছে যে ১৯৬১-৭১ৰ বিদেশীখিনিক দেশৰ আন আন ঠাইলৈ পঠাব আৰু দেশৰ বাকী অঞ্চলে তেওঁলোকৰ দায়িত্ব ল'ব।

কেন্দ্ৰীয় চৰ্কাৰে অসমবাসীৰ ন্যায্য আৰু আইনসংগত দাবী সমূহ মানি ল'বলৈ চেষ্টা নকৰি চলে-বলে-কৌশলে সকলো বিদেশীক অসমত সংস্থাপন কৰিবলৈ চেষ্টা কৰিছে। চৰ্কাৰৰ এই দুৰভিসন্ধিক কামত লগোৱাৰ প্ৰধান অস্ত্ৰ হৈছে সাম্প্ৰদায়িক অশান্তি ঘটাই ৰাজ্যখনক অশান্ত কৰা। হৈ যোৱা দুৰ্ভগীয়া ঘটনাবিলাক ইন্দিৰা চৰ্কাৰৰ এই কু-অভিসন্ধিৰেই ফল।

চৰ্কাৰৰ সকলো ষড়যন্ত্ৰ আৰু কৌশল ব্যৰ্থ কৰি আন্দোলনৰ নেতাসকলে এক অহিংসা আন্দোলন চলাই থাকিবলৈ সকলো চেষ্টা কৰিছে। কিন্তু, অহিংসা আন্দোলনৰ কাৰণে নাগৰিকৰ সাধাৰণ অধিকাৰ, মানুহৰ সাধাৰণ অধিকাৰ, স্বাধীন প্ৰেছ আৰু হিতাহিত জ্ঞান থকা এক চৰ্কাৰ আদি কিছুমান প্ৰয়োজনীয় বিভাৱ থাকিব লাগে। অসমত বৰ্তমান এই সকলোবিলাক বিভাৱৰেই অভাৱ। যেতিয়া চৰ্কাৰ আৰু পুলিচে নিতৌ ৰাইজৰ ওপৰত

বৰ্বৰোচিত অত্যাচাৰ চলাই থাকে তেতিয়া অহিংসা আন্দোলন কেনেকৈ চলে ?

অসম আন্দোলনৰ নেতাসকলৰ সন্মুখত বৰ্তমান এইটোৱেই প্ৰধান সমস্যা। উপায়ন্তৰ হৈ অসমৰ কোনো কোনো উগ্ৰ লোকে ইতিমধ্যে দুই এক হিংসাত্মক কাম কৰা চকুত পৰে।

তথাপি, এক বৃহৎ জন সংগ্ৰাম ৰূপে অসম আন্দোলনৰ লগত তুলনা কৰিব পৰা অহিংসা আন্দোলন পৃথিৱীৰ বুৰঞ্জীত বিৰল। বাইজৰ পৰা পোৱা অভূতপূৰ্ব সঁহাৰিৰ উপৰিও স্বয়ং মহাত্মা গান্ধীয়ে চলোৱা সকলো আন্দোলনতকৈ এই আন্দোলন দীঘলীয়া। তদুপৰি, চৰ্কাৰৰ দমন নীতি আৰু অত্যাচাৰৰ বিপক্ষে যুজিবলৈকো আন্দোলনৰ নেতাসকলে নতুন নতুন কৌশল উলিওৱাটো বিশেষ কৃতিত্ব দেখুৱাইছে। চৰ্কাৰে শোভাযাত্ৰা বন্ধ কৰা, মুকলি ভাবে মতামত প্ৰকাশ কৰাত বাধা আৰু শান্তিপ্ৰিয় সত্যাগ্ৰহীৰ ওপৰত মাৰ-ধৰ আদিৰ নিচিনা নানা আসুৰিক কৌশল প্ৰয়োগ কৰিছে। অসমবাসীয়ে নিষ্প্ৰদীপ, বাইজৰ কাৰ্ফিউ, টিকেটবিহীন যাত্ৰা আদিৰে সেইবিলাকৰ প্ৰত্যুত্তৰ দিছে।

সি যিয়েই নহওক, বৰ্তমান অসমৰ অৱস্থা ইমান দুখ লগা আৰু অসমবাসী ইমান নিৰুপায়ত পৰিছে যে ইন্দিৰা চৰ্কাৰৰ আমোলত এটা অহিংসা-আন্দোলন চলোৱাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে। অসমখন বাংলাদেশৰ এটা অঞ্চলত পৰিণত হোৱাৰ পৰা ৰক্ষা কৰাৰ এতিয়া হয়তো একমাত্ৰ উপায় হৈছে আন ভাৰতীয়সকলে অসমবাসীক সহায় কৰিবলৈ আগ বাঢ়ি অহা। নহলে, অসমীয়াসকলে তেজ আহুতি দিওঁতে আন ভাৰতীয় সকলে চকু মুদি থাকিল বুলি অতি অলপ দিনৰ পিচতে তেওঁলোকে অনুতাপ কৰিব লাগিব।

দশম অধ্যায়

# অসম আন্দোলন দমাবলৈ ইন্দিৰাৰ কৌশল

## ভাব-ভেটী

প্ৰথমে ইন্দিৰা গান্ধীয়ে কিছুমান ৰাজনৈতিক নেতাক টকা-পইচাৰে কিনাৰ দৰে অসমৰ ছাত্ৰ নেতাসকলকো ভাব-ভেটী দি কিনিবলৈ চেষ্টা কৰিছিল। "উদাহৰণ স্বৰূপে, তেওঁলোকে শ্ৰীমতী গান্ধী আৰু তেওঁৰ সতীৰ্থ সকলৰ লগত আলোচনাৰ কাৰণে দিল্লীলৈ অহা ঘটনাটোকে চাওক। কেন্দ্ৰীয় চৰ্কাৰে তেওঁলোকক চৰ্কাৰী খৰছত এটা পাঁচ-তাৰকাৰ হোটেলত ৰাখিবলৈ বিচাৰিছিল। সেই যুৱকসকলে সেই আতিথ্য গ্ৰহণ নকৰিলে। তাৰ পৰিৱৰ্তে, তেওঁলোকে একেলগে আড়ম্বৰশূন্য আচাম হাউছতে থাকিলে। যেতিয়া তেওঁলোকক তাজমহল নগৰী আগ্ৰা আৰু গোলাপনগৰী নগৰ জয়পুৰ দেখুৱাবৰ কাৰণে গাড়ী পঠিওৱা হ'ল, তেওঁলোকে 'আমি কামতহে আহিছো, আমোদৰ কাৰণে অহা নাই' বুলি সেইটোও দলিয়াই পেলালে।" (সেঞ্চুৰী (১৯৮০), পৃঃ ১৯)।

ইন্দিৰা গান্ধীয়ে তেওঁৰ দূত ইয়েছপাল কাপুৰকো অসমলৈ পঠিয়াইছিল - "তেওঁ তাত যচা কিছুমান বন্ধুৰ কথাই ছাত্ৰসকলৰ খং তুলিছিল কাৰণ সেইবিলাক তেওঁলোকে ভাব-ভেটী বুলিয়েই বুজিছিল।" (১ আগষ্ট, ১৯৮০ৰ ইণ্ডিয়া এব্ৰড, ডি-কে-যোশী)।

## লুকাই লেং-মৰা কৌশল

ছাত্ৰসকলক ভেটীৰে কিনিব নোৱাৰি ইন্দিৰা চৰ্কাৰে মনে মনে আৰু গুপ্তভাৱে আন্দোলনটো নাশ কৰিবৰ চেষ্টা কৰিলে। "বিশ্বস্ত সূত্ৰৰ পৰা জানিবৰ মতে তেওঁ আন্দোলনৰ নেতাসকললৈ ধন-বিত্ত অহা উৎসবিলাক বন্ধ কৰিবলৈ চেষ্টা কৰিলে। তেওঁ আই-কংগ্ৰেছৰ সাধাৰণ সম্পাদকক তেওঁৰ এই ইচ্ছা চাহ-ব্যৱসায়ীসকলক জনাবলৈ আদেশ দিলে।" (ঐ)

এইটোও জানিব পৰা গৈছে যে ছাত্ৰ সন্থাক কোনো বৰঙণি নিদিবলৈ চৰ্কাৰী কৰ্মচাৰী, ব্যৱসায়ী আৰু মাউদসকললৈ আদেশিকা পঠিওৱা হৈছিল।

## বিৰোধী আন্দোলন

ইন্দিৰা গান্ধীয়ে পশ্চিম বংগ আই-কংগ্ৰেছৰ ছাত্ৰ শাখাৰ সাধাৰণ সম্পাদক চুব্ৰত মুখাৰ্জীক অসম আন্দোলনৰ বিপৰীতে এক আন্দোলন আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। সেইমতে, 'অসমীয়াসকলক তেওঁলোকে কৰাৰ দৰেই এসেকা দিবৰ' কাৰণে এক অসম অৱৰোধ আৰম্ভ কৰা হয়। তেওঁলোকে কিছুমান ট্ৰাক জ্বলায়, ৰেলগাড়ী বগৰায় আৰু কলিকতাত থকা 'আচাম ট্ৰিবিউনৰ' অফিচটো ছেদেলী ভেদেলী কৰি তাৰ মুখ্য বিষয়া গৰাকীক মাৰ-ধৰ কৰে। কিন্তু পশ্চিম বংগৰ কমিউনিষ্ট চৰ্কাৰে সেই অসম অৱৰোধৰ বিপক্ষে কঠোৰ ব্যৱস্থা লয়। সেই অসম অৱৰোধ শেষত "সঞ্জয় গান্ধীয়ে মুখাৰ্জীলৈ কৰা এটা টেলিফোনৰ পিছত সেমেকি যায়।" (সঞ্জয়া, পৃঃ ৩৮)

ইন্দিৰা গান্ধীৰ কংগ্ৰেছ দলেই ১৯৮০ চনত সদৌ অসম সংখ্যালঘু সন্থা গঠনৰ বুদ্ধিদাতা। ইন্দিৰা গান্ধীয়ে এই সন্থাটোৰ পৃষ্ঠপোষকতা কৰিছিল।

## অসম আন্দোলনৰ বিষয়ে অপপ্ৰচাৰ

ক) ***অসম আন্দোলন বিচ্ছিন্নতাবাদী আৰু ই আন ভাৰতীয়ক খেদা আন্দোলনঃ*** ইন্দিৰা গান্ধীয়ে অসম আন্দোলনক বিচ্ছিন্নতাবাদী আৰু ই অসমত থকা অনা-অসমীয়া ভাৰতীয়সকলক খেদাৰ চেষ্টা মাথোন বুলি অপপ্ৰচাৰ কৰিবলৈ চেষ্টা কৰি আহিছে। এই অপপ্ৰচাৰক আনৰ লগতে পাৰ্লিয়ামেণ্টত ইন্দিৰা চৰ্কাৰৰ প্ৰতি সহানুভূতিশীল সদস্য এল গণেষনে ধিক্কাৰ দিয়ে। অসমত থকা তেওঁৰ এজন আত্মীয়ক লগ ধৰি যোৱা গণেষনে কয়, "অসমৰ বাহিৰত কোৱা হৈছে যে অসমীয়া আন্দোলনকাৰীয়ে তামিল নাডু আদি ভাৰতৰ আন আন ঠাইৰ পৰা আহি অসমত বসবাস কৰা লোকসকলক অসমৰ পৰা খেদি পঠিয়াইছে। কিন্তু, ডাঙৰীয়া ই তেনে নহয়। মই মোৰ কৰলত থকা সকলো আন্তৰিকতাৰে কওঁ যে সেইটো সচা নহয়। সচাকৈয়ে ক'বলৈ গ'লে মই তাত থকা তামিল লোকসকলক লগ পাইছো - তেওঁলোকক কোনো প্ৰকাৰে বিৰক্ত কৰা হোৱা নাই আৰু তেওঁলোকৰ কাৰণে একো অসুবিধাৰ সৃষ্টি কৰা হোৱা নাই। মিষ্টাৰ গণেষনৰ কথাখিনি সচা বুলি ৰাজনীতি খেলিবলৈ কোনো অভিলাষ নথকা আন স্বাধীনচিতীয়া পৰ্যবেক্ষকেও সমৰ্থন কৰে।" (ইণ্ডিয়া এব্ৰড, ৬ ফেব্ৰুৱাৰী, ১৯৮১)।

এইটো ভালদৰেই বিদিত যে অসমত থকা অধিকাংশ চিখ, মাৰোৱাৰী, বিহাৰী আৰু দক্ষিণ ভাৰতৰ লোকে এনে সক্ৰিয় ভাৱে অসম আন্দোলনক সহায় কৰিছে যে এই আন্দোলনক অসমীয়াৰ আন্দোলন বোলাটোৱেই ভুল।

বেছি ভাগ অসমীয়াৰে ভাৰতৰ আন আন ঠাইত বিস্তীৰ্ণ শিপা আছে যেতিয়া তেওঁলোক মানসিক ভাবে কেতিয়াও বিচ্ছিন্নতাবাদী হ'ব নোৱাৰে। যদি তেওঁলোকে কেতিয়াবা সচাঁকৈয়ে ভাৰতৰ পৰা বিচ্ছিন্ন হ'বলৈ বিচাৰে তেনেহলে সেইটো একেবাৰে চৰম হতাশাৰ কাৰণেহে সম্ভৱ হ'ব। আজি স্বাধীন হ'বলৈ যুদ্ধ কৰি থকা নগা, এক চাম মণিপুৰী আৰু মিজোসকলৰ দৰে যাতে অসমীয়াসকলও তেনেকুৱা অৱস্থাত উপনীত হ'ব লগীয়া নহয় সেইটো সুনিশ্চিত কৰাটো ভাৰত চৰ্কাৰৰে দায়িত্ব।

খ) *অসম আন্দোলন ইছলাম বিৰোধীঃ* ইন্দিৰা গান্ধী আৰু তেওঁৰ চৰ্কাৰে সকলোকে এইটো বিশ্বাস কৰাবলৈ চেষ্টা কৰিছে যে অসম আন্দোলন মুছলিম-বিৰোধী আৰু অসমৰ হিন্দু সকলে তাৰ মুছলমানসকলক হত্যা কৰিবলৈ ধৰিছে। ইয়াতকৈ দুখজনক মিছা কথা বাৰু কি থাকিব পাৰে? অসম আন্দোলনৰ বহু নেতাই মুছলমান আৰু বহু অসমীয়া মুছলমানে আন্দোলনটোত প্ৰাণ বিসৰ্জন দিছে। আনকি পুলিচৰ গুলিত আন্দোলনৰ আগ ভাগত নিহত হোৱা এজন চহিদ হৈছে কাদিৰ আলি আৰু ১৯৮৩ৰ নিৰ্বাচনী বন্ধ আন্দোলনটোৰ নেতৃত্ব দিছিল নুৰুল হোছেইন - কোৱা বাহুল্য যে কাদিৰ আলি আৰু নুৰুল হোছেইন দুয়ো অসমীয়া মুছলমান।

ইন্দিৰা কংগ্ৰেছৰ কোনো কোনো সমৰ্থকৰ বাহিৰে প্ৰায় সকলো অসমীয়া মুছলমানেই আন্দোলনটো সমৰ্থন কৰে - অসমীয়া হিন্দুসকলৰ ক্ষেত্ৰতো একেটা কথাই সচা অৰ্থাৎ ইন্দিৰা কংগ্ৰেছৰ কোনো কোনো সমৰ্থকৰ বাহিৰে প্ৰায় সকলো অসমীয়া হিন্দুৱেই আন্দোলনটো সমৰ্থন কৰে। বাহিৰৰ পৰা অসমলৈ যোৱা বহু নিৰপেক্ষ সাংবাদিক বা নিৰপেক্ষ দেখোঁতাই বাৰে বাৰে এইটো উল্লেখ কৰিছে যে অসমীয়া নেতাসকল সচাঁকৈয়ে ধৰ্ম-নিৰপেক্ষ। তলত দুটা উদাহৰণ দিলো-

> "পাৰ হৈ যোৱা বছৰটোৰ ঘটনাবিলাকে এইটো স্পষ্ট কৰে যে আন্দোলনটো সাম্প্ৰদায়িক নহয় আৰু ই মূলতে ধৰ্ম-নিৰপেক্ষ। এইটো উল্লেখযোগ্য যে গৃহ মন্ত্ৰী চিঙে আলোচনাৰ মাজত বাংলাদেশৰ পৰা খেদা খাই অহা হিন্দুসকলক বিশেষ ভাবে চাব লাগে বুলি দিয়া পৰামৰ্শ আন্দোলনৰ নেতাসকলে ততালিকে আৰু দৃঢ় ভাবে না কৰিছিল।"
>
> *(৬ ফেব্ৰুৱাৰী, ১৯৮১ৰ ইণ্ডিয়া এক্সপ্ৰেছত ইন্দ্ৰজিত)*

> "তেওঁলোকে যেতিয়া 'বিদেশী'ৰ কথা কয় তেওঁলোকে হিন্দু আৰু মুছলমান উভয় বিধ বঙালীৰ কথা কয়।"
>
> *(১০ মে, ১৯৮০ৰ কাৰেণ্টত আবু ছৈয়দ)*

## বিদেশীৰ হাত

শ্ৰীমতী ইন্দিৰা গান্ধীৰ ইও এক বৈশিষ্ট্য যে দেশৰ য'ত ত'ত চৰ্কাৰ বিৰোধী কিম্বা ৰাজনৈতিক আন্দোলন বা বিক্ষোভ আৰম্ভ হ'লে তেওঁ গোনেই তাত 'বিদেশীৰ হাত' দেখিবলৈ পায়। অৱশ্যে, কোন বিদেশীৰ কেনে হাত সেইটো তেওঁ কেতিয়াও স্পষ্ট নকৰে। বহু ক্ষেত্ৰত তেওঁ ঠাৰে ঠিৰ্ণাৰে আমেৰিকাৰ চি-আই-এৰ হাতখনকে বাইজৰ চকুৰ আগত ডাঙি ধৰিবলৈ চেষ্টা কৰে কিয়নো আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনে 'পাকিস্থানৰ প্ৰতি বেছি প্ৰীতি' দেখুওৱা নীতি অৱলম্বন কৰা দিনৰে পৰা আমেৰিকা চৰ্কাৰ বা চি-আই-এৰ বিৰুদ্ধে ভাৰতীয়সকলৰ মন উত্তলোৱাটো সহজ হৈ আহিছে।

অসম আন্দোলনত 'বিদেশীৰ হাত' ৰ কথা বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতি আৰু তেতিয়াৰ গৃহ-মন্ত্ৰী জাইল চিঙেই প্ৰথম উল্লেখ কৰে। গৃহ মন্ত্ৰী হৈ থাঁকোতে এদিন তেওঁক, "আমেৰিকাৰ ৰাষ্ট্ৰদূত গ'হিনে কিছুমান চি-আই-এৰ এজেণ্টৰ সৈতে আগৰ বছৰ উত্তৰ পূৰ অঞ্চল ভ্ৰমণ কৰাৰ কথা তেওঁ জানে নে বুলি সোধা প্ৰশ্নৰ উত্তৰত জাইল চিঙে গ'হিনৰ সেই ভ্ৰমণৰ কথা সকলোৱেই জানে বুলি কৈ এই বুলি মন্তব্য কৰিছিল, 'আন্দোলনৰ পিচত কাৰ উচটনি আছে এতিয়া এইটো স্পষ্ট'। জাইল চিঙৰ সেই মন্তব্যৰ প্ৰতি ৰাষ্ট্ৰদূত গ'হিনৰ দৃষ্টি আকৰ্ষণ কৰাত গ'হিনে কৈছিল, 'সেইজনৰ অপৰিসিম কল্পনা শক্তি আছে বুলি মই ভাবোঁ'। তেওঁৰ অসম ভ্ৰমণৰ কালছোৱাত তেওঁ কোনো ধৰণৰ ৰাজনীতি আলোচনা কৰা নাছিল আৰু তেওঁ ভাৰতীয় বুদ্ধিনীতিৰ বিষয়া এজন লগত নিবলৈকো সন্মত হ'লহেঁতেন।" [ইণ্ডিয়া এব্ৰড, ২৮ মাৰ্চ, ১৯৮০]

সি যিয়েই নহওক, জাইল চিঙে আৰম্ভ কৰা অভিযোগ পিছত ইন্দিৰা গান্ধী আৰু পশ্চিম বংগৰ মুখ্যমন্ত্ৰী জ্যোতি বাচুৱে বাৰে বাৰে দোহাৰে। বাচুৱে এইবুলিও ন দি কয় যে শ্ৰীমতী গান্ধী আৰু তেওঁ কাৰ হাত সেইটো ভালদৰে জানে কিন্তু সেই কথাটো তেওঁলোকে আনক জনাবলৈ নিবিচাৰে। তাকে শুনি হিম্মত আলোচনীৰ সম্পাদক ৰাজমোহন গান্ধীয়ে হুংকাৰী উঠে, "হাতখনৰ বিষয়ে কিয় এই গোপনীয়তা। চৰ্কাৰে যদি জানি শুনি কোনোবা বিদেশী হাতক উত্তৰ-পূব অঞ্চল নষ্ট কৰিবলৈ দিছে তেনেহলে চৰ্কাৰ চৰম অৱহেলা বা চৰম অক্ষমতাৰ বাবে দোষী। সেই অভিযুক্ত বিদেশী শক্তিৰ নাম চৰ্কাৰে উল্লেখ কৰিবলৈ বা তাক ফেৰ মাৰি ধৰিবলৈ চৰ্কাৰ যদি অক্ষম তেনেহলে চৰ্কাৰ হয় মিছা মতাৰ বাবে নহয় কাপুৰুষালিৰ বাবে দোষী"।

তাৰ পিছত বহুত দিনলৈ বিদেশী হাতৰ কোনো উল্লেখ শুনিবলৈ পোৱা নগৈছিল। কিন্তু, নেলীৰ সংঘৰ্ষৰ পিছত ইন্দিৰা গান্ধীয়ে তাক পুনৰ উল্লেখ কৰে।

*অসমীয়াক ভালদৰেই মাৰিপিটি পংগু কৰা নীতি*

ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি জাইল চিং গৃহ মন্ত্ৰী হৈ থকা কালতেই অসমীয়া সকলক ভালদৰেই এসেকা দিয়াৰ কঠোৰ নীতি আৰম্ভ কৰে। ১৯৮০ চনত তেওঁ ২,০০০ আন্দোলনকাৰীক ধৰি বান্ধি অসমৰ বাহিৰৰ জেলত ৰখাৰ পৰামৰ্শ দিয়ে আৰু চৰ্কাৰেও তাকেই কৰে। তেতিয়াৰে পৰা ইন্দিৰা গান্ধীয়ে কঠোৰ ভাবে আন্দোলনকাৰীক মাৰিপিটি পংগু কৰি হ'লেও আন্দোলন দমন কৰিবলৈ চেষ্টা কৰি আহিছে। সেই দমন অত্যাচাৰত কোনোৱেই সাৰিব পৰা নাই। সাংবাদিক, উকীল, ডাক্তৰ, সবুৰৰ বিষয়া, কণ কণ ল'ৰা-ছোৱালী, মহিলা, হস্পিটালৰ ৰোগী আনকি আদালতৰ ন্যায়াধীশও পুলিচৰ লাঠীৰ কোৰৰ পৰা হাত সাৰি থকা নাই। যোৱা চাৰিটা বছৰত শ শ নিৰীহ আন্দোলনকাৰীক পুলিচে হত্যা কৰিছে আৰু বহু লোকক চিৰদিনৰ বাবে পংগু নাইবা ঘুণীয়া কৰিছে।

বৰ্তমান অসম আৰু সাতভনী অঞ্চলত ইন্দিৰাৰ হাজাৰ হাজাৰ পুলিচ ফৌজ সিঁচৰিত হৈ আছে। কিন্তু, সেইসকলক বিদেশী অনুপ্ৰৱেশ বন্ধ কৰাত লগোৱা হোৱা নাই, সিহঁতক ৰখুৱা হৈছে গেষ্টাপো সকলে ইহুদী সকলক মাৰি পিটি নিপাত কৰাৰ দৰে অসমৰ থলুৱালোকক নিপাত কৰিবলৈ।

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহতহে চুপ্ৰিম কৰ্টে উত্তৰ পূবৰ নগা লোক বাস কৰা অঞ্চলৰ গীৰ্জা নামঘৰ আদি বা স্কুল কলেজত সেনা বাহিনীয়ে শিবিৰ পতাটো আৰু নগালোকক জধে মধে অত্যাচাৰ কৰি জেৰা কৰাটো বাৰণ কৰে। কিন্তু এই নিষেধ আজ্ঞাই উত্তৰ পূব অঞ্চলৰ আন ৰাজ্যক নাসাঙুৰে যেতিয়া এই ৰাজ্যখনৰ বহু স্কুল কলেজ আদি আজি কেবা বছৰেো পৰা সেনা বাহিনীৰ কবলত আছে।

এই অঞ্চলত হোৱা অত্যাচাৰৰ এটা উদাহৰণ দিবলৈ ১৯৮২ চনৰ মে' মাহত হোৱা ঘটনা এটা বাতৰি কাকতৰ পৰা উল্লেখ কৰিলো, "যোৱা বছৰৰ ৩ মে'ৰ দিনা ২১ নং চিখ ৰেজিমেণ্টৰ জোৱানে হুইনিংগ গাঁও আক্ৰমণ কৰি বহু লোকক ধৰি বান্ধি লৈ যায়। পিছদিনাখন সেই বন্দীসকলৰ বহুতকে মাৰিপিটি অত্যাচাৰ কৰা হয় আৰু তেওঁলোকৰ অন্তত এজন গুলী লাগি নিহত হয়। ... তাৰ পিছত ৭ মে'ৰ দিনা সেই ৰেজিমেণ্টৰ পাঁচজন জোৱানে হুইনিংগ গীৰ্জাঘৰৰ দেওবৰীয়া প্ৰাৰ্থনা সভা ভাঙি সেই গাঁৱত আগেয়ে একো অশান্তি হোৱা নাছিল বুলি লিখায় তাত গোট খোৱা লোকৰ পৰা জোৰ-জুলুম কৰি চহী লয়।

হুইনিংগ বেপটিষ্ট গীৰ্জাৰ সহায়ক পেষ্টৰ বেভাবেণ্ড চি-প'ল আৰু মণিপুৰৰে এখন মাধ্যমিক স্কুলৰ হেডমাষ্টৰ চি-ডেনিয়েলৰ হাতত হেণ্ডকাফ লগাই সেনাসকলে লৈ যায়। তেওঁলোকৰ পত্নীসকলে যেতিয়া খবৰ লয় তেতিয়া সেনাবাহিনীৰ বিষয়াসকলে তেওঁলোক দুজনক এৰি দিয়া হ'ল বুলি

কয়। কিন্তু, এতিয়ালৈকে তেওঁলোক দুজনৰ একো সন্ধান পোৱা নাই।" (ইণ্ডিয়া এব্রড, ২৫ ফেব্ৰুৱাৰী, ১৯৮৩)।

অসমৰ পৰা আহি থকা বাতৰিৰ মতে এতিয়া অসমত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ ১৫০,০০০ জোৱানে বলিয়া হাতীৰ দৰে সকলোকে মহতিয়াই ফুৰিছে আৰু তেওঁলোকক ইচ্ছা অনুযায়ী যাকে তাকে খানাতালাচ কৰিবলৈ, গ্ৰেপ্তাৰ কৰিবলৈ বা গুলিয়াবলৈ আইনৰ সকলো সংৰক্ষণ দিয়া হৈছে। এই সকলোবিলাক এতিয়া মহাত্মা গান্ধীৰ ভাৰতত ঘটিবলৈ ধৰিছে বুলি বাৰু কোনে বিশ্বাস কৰিব?

## ভেদভাৱ জন্মাই শাসন

ভাৰতৰ প্ৰধান মন্ত্ৰীৰূপে ইন্দিৰা গান্ধীয়ে ভাৰতীয় সংস্কৃতিৰ আটাইতকৈ ভালখিনি এৰি ইংৰাজ উপনিবেশী শাসনৰ আটাইতকৈ ঘৃণনীয়খিনি গ্ৰহণ কৰা দেখা যায়। তেওঁৰ চৰ্কাৰে অসমৰ জনগোষ্ঠীসকলৰ পৰম্পৰৰ মাজত ভেদ ভাব ওপজাই নিজৰ ৰাজনৈতিক শক্তি সুদৃঢ় কৰিবলৈ তেওঁলোকক ৰাজনৈতিক পুতলাৰ দৰে প্ৰয়োগ কৰি আহিছে। উদাহৰণ স্বৰূপে, ১৯৮০ চনৰ ১২ মাৰ্চত তেতিয়াৰ গৃহমন্ত্ৰী জাইল চিঙে কয়, "কেন্দ্ৰীয় চৰ্কাৰে অসমৰ ভিন ভিন ধাৰ্মিক, ভাষিক আৰু জনজাতিসকলকে ধৰি অসমত বহু পুৰুষ ধৰি বসবাস কৰি অহা আন আন সংখ্যালঘুসকলৰ প্ৰতি ইয়াৰ দায়িত্বক অৱজ্ঞা কৰিব নোৱাৰে কাৰণ চৰ্কাৰে তেওঁলোকৰ অনুভূতি আৰু স্বকীয় স্বভাৱক সন্মান কৰে।"

জাইল চিঙৰ সেই মতামতে অসমৰ জনগোষ্ঠীসকলকো অসন্তোষ কৰে। অসমৰ জনজাতীয় নেতা নন্দেশ্বৰ পাতৰে কয় যে জাইল চিঙৰ, "এই কথাখিনি অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত ভেদভাৱ ওপজাবলৈ এক চতুৰ আৰু শিয়ালি প্ৰচেষ্টা। এনেধৰণৰ ৰাজনৈতিক চতুৰালি আৰু মিছা চেলুৰে বেছি পা কৰিব নোৱাৰে।" স্বাধীনতাৰ পিছৰে পৰা কংগ্ৰেছ চৰ্কাৰে জনজাতিসকলৰ বিপক্ষে চলাই অহা প্ৰতাৰণা আদি দুৰাচাৰবিলাক বৰ্ণাই পাতৰে কয়, "এই সকলোবিলাক যোৱা ৩৩ বছৰে আমাৰ অনুভূতি আৰু স্বকীয় স্বভাৱক সন্মান কৰা নতুন দিল্লীৰ ৰাজনৈতিক নেতাসকলৰ আমোলতে ঘটিল আৰু আজিও ঘটি আহিছে। এনে ধৰণৰ শিয়ান যুক্তিয়ে এতিয়া অসমৰ জনজাতি বা অজনজাতি কোনো লোককে ঠগাব নোৱাৰে আৰু এওঁলোক আটায়েই কেৱল জীয়াই থাকিবৰ কাৰণেই অসম আন্দোলনত সৰ্বান্তকৰণে যোগ দিছে।"

আজি কিছুদিন আগতে নিউ মাৰ্চিৰ পৰা প্ৰকাশিত অভাৰচিজ টাইমচৰ ১১ মাৰ্চ, ১৯৮৩ৰ সংখ্যাত জনাৰ্দন ঠাকুৰে ইন্দিৰা চৰ্কাৰে মনে মনে অসমখনক তিনিটা ৰাজনৈতিক খণ্ডত ভগাবলৈ ষড়যন্ত্ৰ কৰিছে বুলি লিখি কয়, "এই খাঁচনিখনে আমাক বৃটিচৰ দিনৰ ভেদ ভাব ওপজাই চলোৱা শাসন নীতিৰ

দিনলৈ লৈ যাব। অসম বিভাজনৰ এই আঁচনিয়ে অসমীয়াসকলক আৰু উত্তটিবৰ কোনো পথ নথকাকৈ কেন্দ্ৰীয় চৰ্কাৰৰ লগত সমুখ সমৰলৈ আনিব। তেতিয়া একমাত্ৰ সশস্ত্ৰ বাহিনীয়েহে অসম উপত্যকাক ভাৰতৰ লগত ৰাখিব পাৰিব।

ইন্দিৰা গান্ধীৰ বৰ্তমান গৃহমন্ত্ৰী প্ৰকাচ চেঠীয়েও আজিৰ আন ভাৰতীয় আৰু অসমীয়াসকলৰ মাজত ভেদ ভাব আনিবৰ মানসেৰে এই অভিযোগ তোলে যে আজিৰ অসমীয়াসকলে কেৱল বিদেশীসকলকে খেদিবলৈ নিবিচাৰে অসমত বসবাস কৰা সকলো অনা-অসমীয়াকে তাৰ পৰা খেদাটোৱেই তেওঁলোকৰ লক্ষ্য। দেশৰ গৃহমন্ত্ৰীৰ দৰে দায়িত্বপূৰ্ণ পদবীত থকা দেশৰ এজন নেতাই ভাৰতবাসীক এনে লোকাত মিছা কথা শুনোৱাৰ পৰা বিৰত থাকিব লাগিছিল। (ইণ্ডিয়া এব্ৰড, ১৮ মাৰ্চ, ১৯৮৩)

ইন্দিৰা গান্ধী আৰু তেওঁৰ সতীৰ্থসকলৰ এনে নিলাজ আচৰণে তেওঁৰ চৰ্কাৰৰ প্ৰকৃতিটো ভালদৰেই উদঙাই দিছে। এইবিলাকে এই কৰুণ কথাকে সূচায় যে মহাত্মা গান্ধীৰ মৃত্যুৰ কেই দশকমান পিছতে ইন্দিৰা গান্ধীয়ে (মহাত্মাৰ আত্মীয় নহয়) ভাৰতবাসীৰ কাৰণে মহাত্মা গান্ধীয়ে ভাঙি ধৰা সকলো আদৰ্শকে বলি দিলে।

## বাতৰি কাকতৰ ওপৰত নিষেধ আজ্ঞা

পৃথিবীৰ বাতৰি কাকতসমূহে অসমত হৈ থকা ঘটনাবিলাকত কিছু দৃষ্টিপাত কৰিছে যদিও এইবিলাকৰ কোনোখনে অসমত ইন্দিৰা চৰ্কাৰে কৰা দুষ্কাৰ্য আৰু অন্যায় অত্যাচাৰ ঢাকিবলৈ ব্যৱহাৰ কৰা আইনবিলাকত দৃষ্টিপাত কৰা নাই। সেইকাৰণে, এই বিষয়ে তলত দিয়া কথাবিলাক মন দিব লগীয়া।

প্ৰথমেই, অসম ভ্ৰমণ কৰিবলৈ বিদেশী এজনে ভাৰতীয় ভিচাৰ উপৰিও বেলেগে এখন অসম পাৰ্মিট লোৱাটো প্ৰয়োজন। এই অসম পাৰ্মিট দিয়াৰ অধিকাৰ কেন্দ্ৰীয় চৰ্কাৰৰহে, অসম চৰ্কাৰৰ ইয়াত একো মাত নাই। এই আইন পশ্চিমীয়া লোকৰ ক্ষেত্ৰত অতি কঠোৰ ভাবে প্ৰয়োগ কৰা হয় যদিও বাংলাদেশীলোকৰ ক্ষেত্ৰত ইয়াক কেতিয়াও প্ৰয়োগ কৰা নহয়। এই পাৰ্মিট প্ৰথাৰ প্ৰধান উদ্দেশ্য হৈছে পশ্চিমীয়া সাংবাদিকসকলক এই অঞ্চলৰ ঘটনাবিলাকৰ ভূ ল'বলৈ নিদিয়া আৰু প্ৰকাশ্যে নকলেও এই পাৰ্মিট প্ৰথাৰ এটা উদ্দেশ্য হৈছে এই অঞ্চলত খৃষ্টিয়ান ধৰ্ম বিয়পাত বাধা দিয়া। অসমত ভাৰতীয় সেনা বাহিনীয়ে কৰা হত্যা, বলাৎকাৰ আৰু আন আন অত্যাচাৰ আদিৰ দৰে নগা পাহাৰ আৰু মিজোৰামত বহু দিনৰ পৰাই সেনা বাহিনীয়ে তেনে অত্যাচাৰ চলাই আহিছে বুলি খলুৱা লোক আৰু কিছুমান বিষয়াৰ পৰা জানিব পৰা যায়। এই বিষয়ে দেশীয় বাতৰি কাকত আদিত সময়ে সময়ে

তথ্য পাতি প্ৰকাশ হ'লেও চৰ্কাৰৰ হেঁচাত এইবিলাক তেনেদৰে ৰাষ্ট্ৰ হৈ পৰা নাই। সি যিয়েই নহওক, আজিকালি এই পাৰ্মিট প্ৰথাক অসমীয়া সকলক উৎপাত কৰিবলৈকে বা পশ্চিমীয়া পণ্ডিত গৱেষণকাৰী আদিক পূৰ অঞ্চল বা পূব অঞ্চল সংক্ৰান্তৰ কোনো বিষয়ত অধ্যয়ন কৰিবলৈ বিচৰা লোকক আঁতৰাই ৰাখিবলৈকে প্ৰয়োগ কৰা হয়। কিয়নো পশ্চিমীয়া লোকক অসম ভ্ৰমণ কৰিবলৈ পাৰ্মিট দিয়া নহয় আৰু দিলেও কোনো আজুহাতত সোনকালেই তেওঁক অসমৰ পৰা বাহিৰ কৰি পঠিওৱা হয়। আনকি অসমীয়া লোকৰ পশ্চিমীয়া স্ত্ৰী আদিকো হাৰাশাস্তি কৰা হয়। উদাহৰণ স্বৰূপে, আজি কিছুদিন আগতে বৰ্তমান কানাডাৰ টৰণ্টো নিবাসী ৰঞ্জি বৰুৱাৰ কানাডীয় পত্নীক অসমলৈ পৈ তেওঁৰ শহুৰেকৰ পৰিয়ালবৰ্গক কেইদিনমানৰ কাৰণেও লগ ধৰিবলৈ যাবলৈ নিদিলে। তাৰ কিছুদিন আগতে পূৰ্ণেন্দু মেধিৰ আমেৰিকান পত্নী দুদিনমান অসমত থকাৰ পিছত খেদি পঠিওৱা হয়। সেইদৰে, দুই এজনক একেবাৰে ৰৰজাৰ বিমান কোঠৰ পৰা গতিয়াই বাহিৰ কৰি দিয়াৰ নিচিনা। (অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনত যোগ দিবলৈ নিমন্ত্ৰিত হোৱা অসমীয়া ভাষাৰ আমেৰিকান পণ্ডিত জৰ্জ গিলেম্পি আৰু ১৯৮৯ চনত অংকীয়া নাট অধ্যয়ন কৰিবলৈ বিচৰা আমেৰিকান পণ্ডিত জেমচ বাৰ্নহিলও অসম পাৰ্মিট নোপোৱা কাৰণে অসমলৈ যাব নোৱাৰে।)

দ্বিতীয়তে, ১৯৭৯ চনত অসম আন্দোলন আৰম্ভ হোৱা দিনৰে পৰা ইন্দিৰা চৰ্কাৰে বাতৰি প্ৰচাৰত বাধা আইন প্ৰয়োগ কৰি আহিছে। "বাতৰি প্ৰচাৰৰ এই বাধা এটা লাজ লগা কথা - ইয়াৰ দ্বাৰা এপিনে অসমীয়াসকলক নিজৰ ৰাজ্যত কি ঘটিছে সেইটোও অবিদিত কৰি ৰাখিছে (অৱশ্যে, তেওঁলোকে এই বাধা সত্বেও খবৰ ৰাখিবৰ আন উপায় উলিয়াবলৈ সমৰ্থ হৈছে) আৰু আনহাতে বেছিকৈ ধিক্কাৰ দিব লগীয়া কথা এইটোৱেই যে দেশৰ বাকী অঞ্চলক অসমতনো কি ঘটিছে সেইটো নিজেই বিচাৰ কৰাৰ সুবিধাৰ পৰা বঞ্চিত কৰিছে। কেন্দ্ৰীয় চৰ্কাৰে অসমত নিৰ্বাচনী পাৰ্ভিৰ বুলি ঘোষণা কৰাৰ ২৪ ঘণ্টা পিছতে প্ৰশাসনে তিনিখন দৈনিক, এখন সপ্তাহে দুখনীয়া আৰু এখন সাপ্তাহিক কাকতৰ ওপৰত দুমাহৰ কাৰণে বাতৰি-প্ৰচাৰত-নিষেধৰ হেঁচা দিয়ে। সকলো প্ৰকাৰৰ ধৰ্মঘট আৰু প্ৰতিবাদৰ বাতৰি প্ৰচাৰ সম্পূৰ্ণৰূপে নিষেধ কৰা হয়। স্থানীয় বাতৰি কাকতৰ বাতৰি দিওঁতা বহুতক ফৌজদাৰী অভিযোগেৰে গ্ৰেপ্তাৰ কৰা হয়, ছপাশালা লণ্ডভণ্ড কৰা হয়, প্ৰেছ ফটোগ্ৰাফাৰ কামত লাগি থাকোতে প্ৰহাৰ কৰা হয় আৰু ইউনাইটেড নিউজ এজেন্সীৰ গুৱাহাটীৰ অফিচটো চি-আৰ-পিৰ লোকে আক্ৰমণ কৰি টেলেক্স মেচিনটো ভাঙে আৰু তাৰ চালকজনক প্ৰহাৰ কৰে। প্ৰজাৰ প্ৰতিবাদ বন্ধ কৰিবলৈ লৰ্ড উইলিংগদনেও ভাইচৰয় ৰূপে ইয়াতকৈ বেছি একো কৰিব নোৱাৰিলেহেঁতেন।" (নিউজ ইণ্ডিয়াত, এম-ভি-কামাথ)।

ওপৰত কামাথে বৰ্ণনা কৰা বাতৰি কাকত, প্ৰেছ আৰু সেইবিলাকৰ ওপৰত ইন্দিৰাৰ গুণ্ডাবাহিনীয়ে কৰা অত্যাচাৰৰ এটি লেখহে। এনেকুৱা ঘটনা

আৰু অলেখ আছে। এই দিশত ইন্দিৰা চৰ্কাৰ কিমান তললৈ নামিব পাৰে সেইটো তলৰ বাতৰিটোৰ পৰা স্পষ্ট-

"সম্ভৱ দেশলৈ অহা গণ্যমান্য আলহীৰ চকুত ভাৰতৰ কিছুমান নিষ্ঠুৰ সত্য চকুত নপৰাকৈ ৰাখিবৰ কাৰণে যোৱা মাহত হোৱা অসমৰ হত্যাকাণ্ডৰ বিৱৰণ থকা টাইম আৰু নিউজউইক আলোচনী কেইখন ৰাজধানীত বিক্ৰী বন্ধ কৰা হৈছে বুলি এজন চৰ্কাৰী কৰ্তৃত্বই সচা বুলি দোহাৰে।

সেই একে সময়তে, স্থানীয় আলোচনী ইণ্ডিয়া টুদেৰ সম্পাদকে কয় যে অসমৰ বিষয়ে সম্পূৰ্ণ সচিত্ৰ বিৱৰণ থকা আলোচনীখনৰ এই সংখ্যা সকলোখিনি চৰ্কাৰৰ এজেণ্টসকলে কিনি পেলাইছে যাতে সেইবিলাক ৰাতৰি-কাকত বেচা দোকান নাপায়গৈ।"

*(নিউ য়ৰ্ক টাইম্‌চ, ১১ মাৰ্চ, ১৯৮৩)*

তৃতীয়তে, এইটোও মন কৰিব লগীয়া যে ভাৰতত বাতৰি বিতৰণ কৰাটো চৰ্কাৰৰ একচেতীয়া ক্ষমতা। বাতৰি যোগানৰ প্ৰধান উৎস অল ইণ্ডিয়া ৰেডিঅ' চৰ্কাৰৰ হাতত। আন নালাগে, ২৪ এপ্ৰিল, ১৯৮০ চনতেই ভাৰতৰ সম্পাদক সংস্থাই (Editor's Guild of India) ইন্দিৰা চৰ্কাৰে গুৱাহাটী অল ইণ্ডিয়া ৰেডিঅ'ক অসম বিৱাদৰ বাতৰি কাটাকুটা কৰিবলৈ হেঁচা দিছে বুলি অভিযোগ কৰে। (ইণ্ডিয়া এৱড, ২ মে', ১৯৮০)। সেইকাৰণে এইটো একো আচৰিত হ'ব লগীয়া কথা নহয় যে '১৪ ফেব্ৰুৱাৰীৰ দিনা দিছপুৰ সমষ্টিৰ ভোট কেন্দ্ৰবিলাকত শতকৰা এজনতকৈও কম সংখ্যক লোকে ভোট দিয়া সত্ত্বেও অল ইণ্ডিয়া ৰেডিঅ'ই তাত ভোট দিয়া বেচ মধ্যমীয়াৰ পৰা জোৰে চলা বুলি বাতৰি প্ৰচাৰ কৰে।' (ইণ্ডিয়া টু-দে, ১৫ মাৰ্চ, ১৯৮৩)।

শেষত এইবিলাকৰ লগত অতি তীক্ষ্ণবুদ্ধিৰ নাৰী ইন্দিৰা গান্ধীৰ ঘটনাক নাটকীয় ৰূপ দিব পৰাৰ আৰু বচা বচা বাতৰি প্ৰচাৰৰ বাবে সাংবাদিকসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ কৌশলকো আমি উল্লেখ কৰিব লাগিব। তেওঁ অতি কৌশলেৰে গোটেই বিশ্ববাসীক ঘটনাবিলাক তেওঁ বিচৰা ধৰণেৰে প্ৰচাৰ কৰোৱাইছে। উদাহৰণ স্বৰূপে, ১৯৮৩ চনৰ ১৮ আৰু ২৫ ফেব্ৰুৱাৰীৰ ইণ্ডিয়া এৱডত ওলোৱা বাতৰিৰ মতে ১৯ ফেব্ৰুৱাৰীৰ আগতে অসমত মৃত্যু হোৱাসকলৰ বেছি ভাগেই আছিল অনুপ্ৰৱেশকাৰীয়ে হত্যা কৰা থলুৱা অসমীয়া। প্ৰথমেই, বকোৰ ওচৰৰ চমৰিয়া আৰু আন দুখন গাঁৱ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে জ্বলাই ভস্মীভূত কৰে আৰু 'তাত মৃতসকলৰ ভিতৰত আছিল ঘপিয়াই হত্যা কৰা তিনিজনী অসমীয়া হিন্দু গাভৰু'। সেইদৰে তেজপুৰৰ ওচৰৰ তিনিখন অসমীয়া গাঁৱ জ্বলাই এশতকৈ অধিক লোক ঘাইকৈ কণ কণ ল'ৰা-ছোৱালী আৰু মাইকী মানুহক হত্যা কৰা হয়। কিন্তু, এইবিলাকৰ বিষয়ে ইন্দিৰা গান্ধীয়ে এযাৰও মাত মতা নাছিল বা এটা হুমুনিয়াহও কঢ়া নাছিল। সেইদৰে, নেলীৰ ঘটনাৰ প্ৰধান কাৰণ বাংলাদেশীয়ে হত্যা কৰা

আঠজন জনজাতীয় শিশুৰ হত্যাকাণ্ডৰ বিষয়েও তেওঁ নিমাত আছিল। ১৯ ফেব্ৰুৱাৰীৰ দিনা নেলীৰ হত্যাকাণ্ডই ইন্দিৰা গান্ধীক ঘটনাৰ এক নাটকীয় ৰূপ দিবলৈ আৰু অসমীয়া সকলক বিশ্ববাসীৰ আগত হেয় কৰি তেওঁৰ দলৰ প্ৰতি ইচলাম ধৰ্মীলোকৰ সহানুভূতি আদায় কৰিবলৈ এটা ডাঙৰ সুযোগ দিলে। তেওঁ বহুল ভাবে প্ৰচাৰ কৰি নেলী ভ্ৰমণ কৰিবলৈ গ'ল আৰু তাতে গোটেই বিশ্বৰ প্ৰেছক নিমন্ত্ৰণ কৰি তেওঁ বিচৰাধিনি পশ্চিমীয়া সাংবাদিকসকলক দেখুৱালে। সেই সাংবাদিকসকলৰ বহুতেই 'মুছলমান সকলৰ বিপক্ষে হিন্দু লোকৰ হিংসাত্মক কাৰ্য' প্ৰচাৰ কৰিবলৈ উন্নাৱল হৈ এনেভাবে চাৰিওপিনে বাতৰি পথিয়ালে যে সেই হত্যাকাণ্ডবিলাক সচাঁকৈয়ে হিন্দুলোকে কৰিছিল নে নাই তাকও অলপ অনুসন্ধান কৰি উলিয়াবলৈ চেষ্টা নকৰিলে। সেয়েহে ইণ্ডিয়া এক্সপ্ৰেছৰ সম্পাদকে অলপ ক্ষুব্ধ হৈ ২৫ ফেব্ৰুৱাৰী, ১৯৮৩ৰ দিনা দুখেৰে মন্তব্য কৰিলে, 'যদি জনজাতিসকলহে জড়িত তেনেহলে সেই সংঘৰ্ষক হিন্দু-মুছলমানৰ সংঘৰ্ষ বুলিব নোৱাৰি কিয়নো জনজাতিসকলৰ বেছিভাগেই জড়-উপাসক আৰু তেওঁলোক হিন্দু ধৰ্মৰ ঘাই সুতিৰ বাহিৰত'। এই মন্তব্যৰ শেষৰ কথাখিনি যদিও জনজাতীয় সকলক হেয় কৰি ভাৰতীয় হিন্দু সকলক নিকা কৰি দেখুওৱাৰ বিফল চেষ্টা মাথোন তথাপি ইয়েই ইন্দিৰা গান্ধীৰ কৌশলৰ পৰিচয় দিয়ে। নেলীৰ ঘটনাৰ লগত হিন্দু-মুছলিম বিবাদ, অসম আন্দোলন বা নিৰ্বাচনী কোনো এটাৰে পোনপটীয়া সম্বন্ধ নাই। কিন্তু, ইন্দিৰা গান্ধীয়ে সেইবিলাকলৈ কি কেৰেপ কৰিছে? তেওঁক লাগে মুছলমান সকলৰ ভোট, সমৰ্থন আৰু আৰৱ দেশ সমূহৰ ডলাৰ। তেওঁ সেইটো অতি নাটকীয় ভাবে আহৰণ কৰিলে আৰু অতি নাটকীয় ভাবেই তেওঁ বিশ্বৰ প্ৰেছৰ চকুত ধূলি মাৰিলে।

বিশ্বৰ প্ৰেছে যদি অসম আৰু ভাৰতৰ আন আন ঠাইত প্ৰেছৰ স্বাধীনতা পুনৰ উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰে তেনেহলে বাৰে বাৰে চকুৰ ধূলি মোহাৰিব লাগিব। অৱশ্যে, অসমৰ ক্ষেত্ৰত কেৱল প্ৰেছৰ স্বাধীনতাই নহয় সাংবাদিকসকলৰ নিৰাপত্তাও যে নাই সেইটো তলৰ ঘটনা কেইটাই প্ৰমাণ কৰে-

১৯৮২ চনৰ ২ জানুৱাৰীত তেজপুৰত পুলিচে প্ৰেছ ফটোগ্ৰাফাৰ নলিনী বৰুৱাই পুলিচ লাঠী চালনাৰ ফটো তোলা কাৰণে তেওঁৰ কেমেৰা আৰু সোঁহাত মৰিয়াই ভাঙে। সেই একেদিনাই গুৱাহাটীত পুলিচে বিশিষ্ট সাংবাদিক মাণিক বৰাৰ ঘৰত সোমাই তেওঁক মাৰধৰ কৰে। সেইবছৰৰ ৪ জানুৱাৰীৰ দিনা "অসম গণ সংগ্ৰাম পৰিষদৰ বিষয় ববীয়া সকলক মাৰি পিটি চি-আৰ-পিৰ মানুহ কেইজন উন্মত্ত হৈ পৰে আৰু অসমীয়া পষেকীয়া আলোচনী প্ৰান্তিকৰ সম্পাদক শ্ৰীপ্ৰদীপ বৰুৱাক শিলপুখুৰী অঞ্চলত প্ৰহাৰ কৰে। তেওঁৰ গাড়ীখনৰ কিছু ক্ষতি কৰে আৰু তাৰ আন দুজন যাত্ৰী শ্ৰীধীৰেন বেজবৰুৱা আৰু শ্ৰীইন্দ্ৰজিত বৰুৱাকো মাৰধৰ কৰে" (প্ৰান্তিক, ১ - ১৫ ফেব্ৰুৱাৰী, ১৯৮২)।

*একাদশ অধ্যায়*

# বিশ্ববাসীক অনুৰোধ

আমাক এতিয়া সকলোৰে দুটা প্ৰশ্নই খুদে-

*অসমত নিৰ্বাচন পাতিলে অসমত হিংসাত্মক সংঘৰ্ষৰ জুই জ্বলিব বুলি জানিও ইন্দিৰা গান্ধীয়ে কি অসমত নিৰ্বাচনী পাতিলে ?*

*ইন্দিৰা গান্ধীয়ে নিজৰ দেশৰ প্ৰজা অসমীয়াসকলক ৰক্ষা কৰিবলৈ চেষ্টা নকৰি কিয় বিদেশীসকলৰহে পক্ষ লৈছে ?*

এই দুটা প্ৰশ্নৰ উত্তৰ ইন্দিৰা গান্ধীয়েহে দিব পাৰে। তেওঁ কয় সংবিধানৰ প্ৰতি থকা তেওঁৰ দায়িত্বৰ কাৰণেই তেওঁ নিৰ্বাচনী পাতিব লগীয়া হ'ল। ভাৰতৰ বা বিশ্বৰ কোনো লোকেই যে তেওঁৰ এই কথা বিশ্বাস নকৰে তাক তলৰ মতামতবিলাকৰ পৰা বুজিব পাৰি-

"প্ৰধান মন্ত্ৰী গৰাকীয়ে সংবিধান আৰু তাত দুবছৰতকৈ অধিক কাল কোনো ৰাজ্যত ৰাষ্ট্ৰপতি শাসন চলাব নোৱাৰিব বুলি থকা অনুচ্ছেদলৈ আঙুলিয়ায়। কিন্তু, এইটো এক চতুৰ ৰাখিব বাহিৰে আন একো নহয় কিয়নো সংবিধান সংশোধন কৰিবলৈ লোকসভাত তেওঁৰ যথেষ্ট সমৰ্থন আছিল আৰু এটা সময়ত তেওঁলোকে তেনে কৰিবলৈকো (সংবিধান সলনি) সাজু হৈছিল"

*(সম্পাদকীয়, ওভাৰচিজ টাইম্‌চ, ২৫ ফেব্ৰুৱাৰী, ১৯৮৩)*

"তেওঁৰ আগৰ ৰাজনৈতিক আৰু সংবিধান সংক্ৰান্ত কামে সংবিধান ৰক্ষাৰ কাৰণটোৱেই বৰ প্ৰয়োজনীয় আছিল বুলি নুবুজায়। তাতোকৈ বেছি বিশ্বাসযোগ্য কাৰণ হৈছে তেওঁৰ কাৰণে নিৰ্বাচনীত জয়লাভৰ প্ৰয়োজনীয়তা, অৱশ্যে তেনে কৰিবলৈ লওঁতে তেওঁ তাৰ বিষময় পৰিণতি গণি-পিতি লোৱাত ভুল কৰিলে। তেনে ভুল তেওঁৰ লগত অমত হোৱা সকলৰ প্ৰতি থকা অসহনীয় মনোভাব প্ৰদৰ্শোৱা তেওঁৰ কাম কৰা ৰীতিৰ লগত সম্পূৰ্ণ সংগতিপূৰ্ণ। তাৰ ফলত তেওঁ সাধাৰণতে আচল কথাৰ ভু নাপায় আৰু শেষত তেওঁ শুনিবলৈ বিচৰা কথাবিলাকহে শুনিবলৈ পায়।"

*(২২ মাৰ্চ, ১৯৮৩ৰ খৃষ্টিয়ান চাইন্স মণিটৰত আশুতোষ ভাৰ্ণেনি)*

"এতিয়া নিৰ্বাচনী পাতিবলৈ দিয়াৰ দুটাই সম্ভৱপৰ কাৰণ বাকী থাকিল। প্ৰথমেই, আকোৰ গোজালি মাৰি ধৰি থকা এক সংখ্যালঘু লোকে গণতান্ত্ৰিক প্ৰক্ৰিয়াটো হেয় কৰাৰ উদাহৰণ প্ৰতিষ্ঠা হ'বলৈ নিদিয়া। দ্বিতীয়তে, সংখ্যালঘু সম্প্ৰদায়ৰ ভোটৰ বলত ইন্দিৰা কংগ্ৰেছক গুৱাহাটীৰ ক্ষমতাত অধিষ্ঠিত কৰিব পাৰিব বুলি ই(ইন্দিৰা চৰ্কাৰে) উপলব্ধি কৰিলে। ইয়াৰ প্ৰথম কাৰণটো অতি দুৰ্বল, কাৰণ (ভগৱানে নকৰক) যদি পাঞ্জাৱত অসমৰ নিচিনা এটা পৰিস্থিতিৰ উদ্ভৱ হয় তেনেহলে নতুন দিল্লীয়ে তাত নিৰ্বাচনী আয়োজন কৰিবলৈ সাহস কৰিব বুলি বিশ্বাস নহয়।"

*(সম্পাদকীয়, ইণ্ডিয়া-ৱেষ্ট, ৪ মাৰ্চ, ১৯৮৩)*

"তেওঁ (গান্ধীয়ে) ৪০ লাখ মুছলিম অনুপ্ৰৱেশকাৰীক ভোট দিবলৈ অনুমতি দিয়াৰ পিচত নিৰ্বাচনী অতি ভয়ানক হ'ব বুলি তেওঁ নিশ্চয় জানিছিল। গান্ধী পৃথিবীৰ এগৰাকী নিখুঁত নেতা নহয়। তেওঁ নিজৰ ক্ষমতা বজাই ৰাখিবলৈ আৰু তেওঁৰ পিচত তেওঁৰ পুতেক আৰু উত্তৰাধিকাৰী ৰাজীৱৰ ক্ষমতা অটুট ৰাখিবলৈ প্ৰয়াসী এগৰাকী ৰাজনৈতিক কাটোৱাল। তেওঁ সেইটো কৰি আহিছে সাম্প্ৰদায়িক বিভেদৰ সুযোগ লৈ, সংবিধানক কৌশলেৰে তল-ওপৰ কৰি আৰু হাজাৰজনৰ মৃত্যু ঘটুৱাই ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ সুযোগ লৈ।"

*(দি ক্লিভলেণ্ড প্লেইন দিলাৰ)*

"আৰু ফেব্ৰুৱাৰীৰ ১৪ তাৰিখত নিৰ্বাচনীৰ প্ৰথম ছোৱা শেষ হোৱাৰ পিচত, নিৰ্বাচনীৰ মুখ্য আয়ুক্ত আৰ-কে-ত্ৰিভেদীয়ে বাকী ছোৱা নিৰ্বাচনী নাপাতিবলৈ দিয়া পৰামৰ্শ কেন্দ্ৰীয় চৰ্কাৰে কিয় গ্ৰহণ নকৰিলে তাৰ এক যথোচিত সমিধান অহা উচিত। তেওঁ আইন মন্ত্ৰীলৈ দিয়া (চিঠিৰ কপি গৃহমন্ত্ৰীলৈকো পঠিওৱা হৈছিল) চিঠিত কৈছিল যে ৬৩টা সমষ্টিত ভোট লোৱাৰ পিছত সংবিধানত থকা পাঁচ বছৰৰ মূৰত পাতিব লগীয়া নিৰ্বাচনীৰ দায়িত্ব পালন কৰা হ'ল আৰু এইটোও কৈছিল যে হিংসাত্মক বাতাবৰণে বাকী ৬৩টা সমষ্টিত নিৰ্বাচনী পতাৰ বিপক্ষে বিপদ সংকেত শুনাইছে। (নেলীকে ধৰি হোৱা সকলো হত্যাকাণ্ড ১৪ ফেব্ৰুৱাৰীৰ পিচত সংঘটিত হয়)। নিৰ্বাচনীৰ মুখ্য আয়ুক্তই এতিয়ালৈকে তেওঁৰ চিঠিৰ একো উত্তৰ পোৱা নাই। এনে আওকাণৰ বাবে কোনোৱেই শাস্তি ভুগিব নালাগে নেকি ?"

*(কুলদীপ নায়াৰ, ইণ্ডিয়া এব্ৰড, ২৫ মাৰ্চ, ১৯৮৩)*

সেইদৰে দ্বিতীয় প্ৰশ্নৰ বিষয়ে ইন্দিৰা গান্ধীয়ে কয় যে মানৱীয় কাৰণত আৰু আন্তৰ্জাতিক সন্ধিৰ চৰ্ত ৰক্ষা কৰিবৰ কাৰণেই তেওঁ বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলৰ প্ৰতি সাহানুভূতিশীল। তেওঁৰ এই কথাও

কোনেও বিশ্বাস নকৰে। দৰাচলতে তেওঁ নিজৰ ৰাজনৈতিক স্বাৰ্থৰ কাৰণে সকলো মানৱতা বিসৰ্জন দিয়া দেখিহে সকলো আচৰিত হৈছে। ইণ্ডিয়া টু-দেৰ সম্পাদকে ক'বৰ দৰে, "জাতিটোক আটাইতকৈ বেছিকৈ স্তম্ভিত কৰা কথা এইটোৱেই যে চৰ্কাৰে মানৱীয় কথাক ৰাজনৈতিক উচ্চ-আকাংখ্যাৰ ওপৰত ৰখা হ'লে এনেদৰে তেজৰ সোঁত বৈ নগ'লেহেঁতেন।"

কিন্তু, ইন্দিৰা গান্ধীৰ পৃষ্ঠপোষকতাত পুলিচে অসমত চলোৱা হত্যা, বলাৎকাৰ আৰু আন অমানুষিক অত্যাচাৰে ইন্দিৰা গান্ধীৰ মানৱীয়তাৰ পৰিচয় নিদিয়ে। তেওঁৰ অন্তৰ যদি সচাকৈয়ে মানৱীয় দয়া মৰমেৰে পূৰ্ণ তেনেহলে তেওঁ হত্যা, বলাৎকাৰ, অমানুষিক অত্যাচাৰ আৰু মানুহে সহ্য কৰিব নপৰা হোৱা নিৰ্মম দুখ-কষ্টৰ পৰিবেশৰ সৃষ্টি নকৰিলেহেঁতেন। উদাহৰণ স্বৰূপে, আমেৰিকাত গঠিত 'অসম সমস্যাৰ কাৰণে ভাৰতীয় ক্ৰিয়া সন্থা'ই ১৯৮২ চনত ইন্দিৰা গান্ধীক এখন স্মাৰক পত্ৰত তলত দিয়া প্ৰস্তাৱটো দিছিল, "তেওঁলোকৰ গৃহস্থান পুব পাকিস্থানে (এতিয়া বাংলাদেশ) যদি তেওঁলোকক ল'বলৈ অস্বীকাৰ কৰে তেনেহলে তেওঁলোকক (বাংলাদেশী অনুপ্ৰৱেশকাৰী সকলক) কেৱল ক্ষুদ্ৰ অসমতে জাপি নিদি ভাৰতৰ আন আন ৰাজ্যলৈকো পঠাব লাগে... বহুবি ২০০টা পৰিয়ালক (প্ৰত্যেক পৰিয়ালত ৮ জনকৈ থাকে বুলি ধৰি) ভাৰতৰ ৫০০টা লোকসভাৰ সমষ্টিত তেওঁলোকক এক পাঁচ বছৰীয়া পৰিকল্পনাৰে বিলাই দিলে সমস্যাটোৰ সমাধান হ'ব যদিহে সীমান্তক সুৰুঙাবিহীন কৰি অনুপ্ৰৱেশ বন্ধ কৰা হয়। অপসাৰিত পৰিয়ালবিলাকে যাতে কোনো কষ্ট নাপায় তাৰ কাৰণে তেওঁলোকক ভূমি, খেতিৰ সজুলি, বীজ আৰু সাৰ, ডাক্তৰী আৰু আৰ্থিক সহায় দিব লাগে। অসমৰ তেলৰ খনিৰ পৰা লাভ হোৱা বছৰি ৪০০ কোটী টকা এই কামৰ কাৰণে আৰু পৰিয়াল পতি ৪০,০০০ টকাকৈ দিলে যথেষ্ট হ'ব। এনে অপসাৰণে পৰিয়ালসকলৰ জীৱনলৈ আপুনি কোৱা দুখ-কষ্টৰ সলনি হাঁহি আৰু আনন্দ আনিব।"

ইন্দিৰা গান্ধীৰ মানৱীয় সহানুভূতি বাদ দিলে বাংলাদেশীৰ প্ৰতি থকা তেওঁৰ অহৈতুকী প্ৰীতিৰ তলত দিয়া কাৰণ কেইটা মানুহে আগ বঢ়ায়।- "সমস্যাটো সমাধান কৰিবলৈ ইন্দিৰা গান্ধী আগ নবঢ়াৰ এটা কাৰণ হৈছে মুছলমান উপাদান। যদি তেওঁ মুছলমানসকলৰ (বাংলাদেশী হ'লেও) গাত হাত দিয়ে তেওঁ আৰৱ দেশবিলাকৰ কথা ভাবিব লাগে। সেইবিলাক দেশত কাম কৰি থকা লাখ লাখ ভাৰতীয়সকলৰ কি হ'ব? ইতিমধ্যে, এইবিষয়ে গুণ গুণনি উঠিছে।" (হিম্মতৰ বিশেষ সংখ্যা, ১৯৮০)।

"শ্ৰীমতী গান্ধীৰ মতিগতিত পেট্ৰো-ডলাৰৰ প্ৰভাৱো যথেষ্ট বুলি ভবাৰ থল আছে। আগৰ এক নিৰ্বাচনীত বেয়াকৈ হৰাৰ পিছত তেওঁ আৰু তেওঁৰ সমৰ্থকসকলে ভাবিব নোৱাৰা ধৰণেৰ জয়লাভেৰে যে ক্ষমতালৈ আহিল সেই কথাটো আমি পাহৰা অনুচিত। তেওঁ আজি কিছুদিন আগতে মুছলমানসকলৰ

সফল-কাম প্ৰশংসাত ভাষাহীন হৈছিল। ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী চৰণ চিঙে ইন্দিৰা গান্ধীয়ে নিৰ্বাচনীত খৰছ কৰা আঢ়ৈ কোটী টকা ক'ত পালে বুলি ২৬ ডিচেম্বৰ, ১৯৭৯ ত সুধা প্ৰশ্নৰ উত্তৰ আজিলৈকে দিয়া নাই।"ৰোণী ৰায়চৌধুৰী, ইণ্ডিয়া ইউনাইটেদ, ১৮ ছেপ্তেম্বৰ, ১৯৮১)।

ভাৰতৰ এক বুজন সংখ্যক লোকে এইটো বিশ্বাস কৰে যে অসমৰ বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলে ইন্দিৰা গান্ধীক মুছলিম ভোট আৰু তেওঁৰ দললৈ আৰবৰ পেট্ৰো ডলাৰ আহৰণ কৰাত সহায় কৰে। ইন্দিৰা-গান্ধীৰ ইজৰাইল-বিৰোধী তৰ্জন গৰ্জনৰ দৰে তেওঁৰ অসমীয়া-বিৰোধী কাৰ্য-কলাপৰ দুমুখীয়া উদ্দেশ্য হৈছে ভাৰতীয় মুছলিমৰ ভোট আৰু আৰব দেশসমূহৰ অনুগ্ৰহ আদায় কৰা। তেওঁ এনে কাৰ্যৰ দ্বাৰা অসমত এই সন্দেহৰ বীজ সিঁচিবলৈ বিচাৰে যে অসমৰ মুছলমানসকলৰ নিজৰ সাংস্কৃতিক শিপা আৰু দেশতকৈ আন ঠাইৰ মুছলমানলৈ প্ৰীতি বেছি। এনেদৰেই ইন্দিৰা গান্ধীয়ে ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক জীৱন কলুষিত কৰিবলৈ ধৰিছে। এই বিষয়ে তলৰ মতামত প্ৰণিধানযোগ্য-

"আন কথাতকৈও অসমৰ ঘটনাই সমষ্টিৰ পৰা বিচ্ছিন্ন হৈ পৰা আৰু গণতান্ত্ৰিক প্ৰণালীক নিজৰ স্বাৰ্থৰ কাৰণে প্ৰয়োগ কৰা আজিৰ ক্ষমতালোভী ৰাজনৈতিক নেতাসকলৰ হাতত কেনেদৰে গণতন্ত্ৰ বিকৃত হৈছে তাকেই দেখুৱালে। নিজে ক্ষমতাত অধিষ্ঠিত হ'বৰ কাৰণে আগৰ নেতাসকলে বেআইনী অনুপ্ৰৱেশকাৰীক অসমলৈ আহিবলৈ আৰু তেওলোকৰ নাম ভোটাৰ তালিকাত ভৰাবলৈ উদগণি দি অসম সমস্যাৰ বীজ সিঁচিলে। এইটোও বিধিৰ বিপাক যে নিৰ্বাচন পাতিম বুলি কেন্দ্ৰৰ আঁকোৰ গোজালি মাৰি ধৰা মনোভাৱত প্ৰতিফলিত ক্ষমতাৰ প্ৰতি থকা লোভেই যোৱা পষেকৰ হত্যাকাণ্ডৰ প্ৰধান কাৰণ।"

*(ইণ্ডিয়া টু-দে, ১৫ মাৰ্চ, ১৯৮৩)*

## ভৱিষ্যতৰ কৰ্মপথ

আজি অসমীয়াসকলে অতি দুখেৰে এই প্ৰশ্নকেই সুধে, তেওঁলোকে জানো ক্ষমতা লোভী চৰ্কাৰৰ পৰা ন্যায়-বিচাৰ পাব? তেওঁলোকে জানো ইন্দিৰা গান্ধীয়ে গঢ়া ভাৰতত অস্তিত্ব বজাই ৰাখিব পাৰিব?

অসমীয়াসকলে এইটোৱেই জানে যে তেওঁলোকে তেওঁলোকৰ সংগ্ৰাম চলাই থাকিব লাগিব। আজি কিছুদিন আগতে ছাত্ৰসন্থাই ঘোষণা কৰিছে যে আছু আৰু অসমৰ জনতাই বিদেশী সমস্যাৰ এক স্থায়ী সমাধান নোহোৱালৈকে আন্দোলন চলাই থাকিব। নেতাসকলে অহিংসাৰ পথ এৰি নিদিওঁ বুলিও শপত

খাইছে। কিন্তু, যোৱা চাৰি বছৰৰ অভিজ্ঞতাই এইটোও স্পষ্ট কৰে যে ইন্দিৰা গান্ধীৰ শাসনত অহিংসা আন্দোলন চলাই থাকিব পৰা নৈতিক পৰিবেশ নাই আৰু আছুৰ নেতাসকলৰও অসমীয়াসকলৰ মাজৰ উগ্ৰপন্থীসকলক বশ কৰিব পৰা ক্ষমতা বা বাংলাদেশীসকলৰ আক্ৰমণক বাধা দিব পৰা শক্তি নাই। সেয়েহে, কিছুদিনৰ কাৰণে আন্দোলন বন্ধ ৰখাৰ সিদ্ধান্ত আদৰণীয়।

অৱশ্যে, ইন্দিৰাৰ পুলিচ বাহিনীৰ দ্বাৰা হত্যা, বলাৎকাৰ, অমানুষিক অত্যাচাৰ আৰু ক্ষমতালোভী নেতাৰ দ্বাৰা বিদেশী ভোটৰ বেংক গঢ়াৰ প্ৰচেষ্টা আগৰ দৰেই চলি আছে। সেয়েহে, অসমৰ নেতাসকলে অতি নিসহায় ভাবে এভিয়া আন ভাৰতীয়সকল আৰু বিশ্বৰ গণতন্ত্ৰপ্ৰেমী লোকসকললৈ আন্তৰিক ভাবে অনুৰোধ কৰিছে 'অসম আৰু অসমীয়া সকলক ৰক্ষা কৰ'কহি'।

আমাৰও আপোনাসকললৈ অনুৰোধ যে ইন্দিৰা গান্ধীয়ে বিনষ্ট কৰা আজিৰ ভাৰতত অসমীয়া সকলৰ ভাষা-সাহিত্য-সংস্কৃতি আৰু অস্তিত্ব ৰক্ষা কৰিবলৈ চলি থকা সংগ্ৰামত যি উপায়েৰে পাৰে সহায় কৰ'ক।

দ্বাদশ অধ্যায়

# অসম আন্দোলনৰ বিষয়ে আন এক দৃষ্টিভংগী

ভেকাজনৰ নাম প্ৰৱণানন্দ - নামটো শুনিলে ভাৰতীয় মানুহ যেন লাগে। কিন্তু প্ৰৱণানন্দ ভাৰতীয় নহয়, তেওঁ এজন হিন্দু ধৰ্ম গ্ৰহণ কৰা আমেৰিকান। আগেয়ে তেওঁৰ নাম আছিল ডেনিয়েল পাৰ্লমুটাৰ আৰু তেওঁ আছিল ইহুদী ধৰ্মী। হিন্দু হৈ প্ৰৱণানন্দই যে কেৱল হিন্দু নাম গ্ৰহণ কৰিলে এনে নহয় তেওঁ এগৰাকী হিন্দু ভাৰতীয় নাৰীৰ পাণি গ্ৰহণ কৰিলে। ই অসমবাসীৰে সৌভাগ্য যে প্ৰৱণানন্দৰ পত্নী হৈছে অসম জীয়ৰী দুলালী দত্ত (বৰ্তমান দীক্ষা লোৱা নাম আনন্দ গোপী)। দুলালীৰ যোগেদি প্ৰৱণানন্দই অসম আৰু অসমীয়াক অতি আপোন কৰি লৈছে। সেয়েহে, আমেৰিকাৰ ডেট্ৰয়ট চহৰত থকা প্ৰৱণানন্দইতৰ কৃষ্ণ মন্দিৰটো দেখুৱাবলৈ ডেট্ৰয়টত থকা জুলাই মাহত গোট খোৱা অসমীয়া ৰাইজক মই লৈ যাম বুলি প্ৰতিশ্ৰুতি দি যেতিয়া কোনো এজন অসমীয়াক নিব নোৱাৰিলো প্ৰৱণানন্দ অতিশয় দুখিত হৈছিল। তেওঁলোকৰ মন্দিৰলৈ নিতৌ শ শ লোক আহে তথাপি প্ৰৱণানন্দইতে বিচাৰে অসমীয়া লোকৰ সান্নিধ্য।

সৌভাগ্যবশতঃ নিৰ্ধাৰিত দিনৰ পিচ দিনাখন বহু অসমীয়া পৰিয়ালে প্ৰৱণানন্দইতৰ মন্দিৰ দৰ্শন কৰি যোৱাত প্ৰৱণানন্দ অতিশয় আনন্দিত হ'ল। সেই দৰ্শকসকলৰ মাজত আছিল দুলালীৰ কলেজৰ অধ্যাপিকা শ্ৰীমতী লিলি মজিন্দাৰ বৰুৱা আৰু বৰুৱানীৰ সহপাঠী বান্ধৰী ডঃ সুৰভি কাকতি। এওঁলোক দুগৰাকীক লগ পাই প্ৰৱণানন্দ অতিশয় আনন্দিত হ'ল আৰু খুব জোৰ কৰি তেওঁলোকক নিজৰ ঘৰলৈ মাতি লৈ গ'ল - লগতে এই লিখককো নিলে।

প্ৰৱণানন্দ হৈছে ইস্কন (ISKCON - International Society of Keishna Consciousness) অৰ্থাৎ বিশ্ব কৃষ্ণ সচেতন সমাজৰ সদস্য। এওঁলোক 'হৰে কৃষ্ণ' বুলিও জনাজাত। গোটেই পৃথিৱীৰ চুকে কোণে এই সমাজৰ শাখা প্ৰশাখা বৰ্তমান গঢ়ি উঠিছে আৰু এওঁলোকৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ ধৰিছে। মুলতে এওঁলোক বৈষ্ণৱ ধৰ্মী আৰু হৰি ভকত। এওঁলোক চৈতন্যপন্থী যদিও শংকৰদেৱে প্ৰচাৰ কৰা ভাগৱতী ধৰ্মৰ লগত এওঁলোকৰ ধৰ্মৰ তিলমানো পাৰ্থক্য নাই (দৰাচলতে শংকৰদেৱ চৈতন্যদেৱ আৰু দামোদৰদেৱ তিনিওৰে ধৰ্মৰ মূল সূত্ৰ একেই। আমাৰ সমাজতহে ভিন ভিন জনগোষ্ঠীৰ মাজত ভেদ ভাব বঢ়াবৰ কাৰণেই বহু সংকীৰ্ণমনা লোকে এওঁলোকক ভিন কৰি দেখুৱাই আহিছে)।

প্ৰৱণানন্দ হৰি ভকত কাৰণে লিলি বৰুৱা, সুৰভি কাকতি বা মই প্ৰৱণানন্দৰ লগত ৰাজনীতিৰ কথা বা অসম আন্দোলনৰ কথা পতাৰ প্ৰশ্নই উঠা নাছিল। কিন্তু প্ৰৱণানন্দই আমাক আটাইকে অসম আন্দোলনৰ কথা আৰু অসমীয়াসকলৰ দুৰ্গতিৰ কথা পেঘেনিয়াই পেঘেনিয়াই সুধিলে। অসম আৰু অসমীয়াৰ প্ৰতি তেওঁৰ প্ৰাণ কেনে আকুল বুজিব পাৰি এবাৰ লিলি বৰুৱাই কথাৰ মাজতে প্ৰৱণানন্দক সুধিলে, 'তুমি বাবু অসমীয়াসকলে এতিয়া কি কৰা উচিত আৰু কি পথ লোৱা উচিত বুলি ভাবা?'

সেই প্ৰশ্নৰ উত্তৰত প্ৰৱণানন্দই অতি আন্তৰিকতাৰে ক'লে, 'অসমীয়াসকলৰ আজিৰ দুখ দুৰ্গতিৰ প্ৰধান কাৰণ এয়েই যে অসমীয়াসকলে কৃষ্ণক সম্পূৰ্ণ পাহৰি পেলাইছে। আজিৰ অসমীয়াসকল ইমান বস্তুবাদী আৰু ইমান বিষয় সুখৰ কাৰণে বলিয়া যে তেওঁলোকে সোনকালে কৃষ্ণচিন্তা নকৰিলে তেওঁলোকৰ অধঃপতন নিশ্চিত। শংকৰদেৱে শিকোৱাৰ দৰে তেওঁলোকে কৃষ্ণৰ চৰণত আশ্ৰয় লৈ কাম কৰাটোৱেই এতিয়া একমাত্ৰ উপায়।'

প্ৰৱণানন্দৰ উত্তৰটো শুনি মই অবাক হ'লো - ই আকৌ কেনে ধৰণৰ কথা? প্ৰৱণানন্দৰ কথাখিনি শুনিলে প্ৰথমে এনেহে লাগে যেন সেইবিলাক অসমৰ বিষয়ে নজনালোকৰ অসংলগ্ন কথা। মোৰো প্ৰথমে তেনে লাগিছিল যদিও কথাষাৰ কেবাটাও কাৰণত মোৰ মনত দকৈ সোমাল। মই এইটো ভালদৰে জানিছিলো যে প্ৰৱণানন্দই অসমৰ কথা আৰু অসমীয়াসকলক ভালদৰে জানে। আন নালাগে, বি-বি-চিৰ পৰা দিয়া অসমৰ বাতৰি শুনিবৰ কাৰণে তেওঁ এটা বিশেষ ৰেডিঅ' কিনি লৈছিল। তদুপৰি ভাৰতীয় দৰ্শন, ইহুদী দৰ্শন আৰু পশ্চিমীয়া যুক্তিবিদ্যাৰ বিশেষ জ্ঞান থকা প্ৰৱণানন্দ অসংলগ্ন কথা কোৱা ধৰণৰ লোক নহয়। তেওঁৰ কোনো কথাই দলিয়াই পেলাব লগীয়া বিধৰ নহয়। সেয়েহে, প্ৰৱণানন্দই অসমৰ বৰ্তমান পৰিস্থিতিৰ বিষয়ে দিয়া অভিমত বহুবাৰ ভাবিছো আৰু সকলো পিনৰ পৰা চিন্তা কৰি চাইছো। মই যিমানেই চিন্তা কৰিছো এতিয়া সিমানেই উপলব্ধি কৰিছো যে প্ৰৱণানন্দৰ কথা সম্পূৰ্ণ সত্য। - কিয়?

অসমলৈ লাখ লাখ বাংলাদেশীয়ে অনধিকাৰ প্ৰৱেশ কৰিবলৈ পোৱাৰ গুৰিতে আছে আজিৰ অসমীয়াৰ বিষয়-সুখৰ প্ৰতি আসক্তি, ক্ষমতা - ঐশ্বৰ্য - ধন-সোণৰ প্ৰতি লোভ। আজিকালি পুলিচ কনিষ্টবলৰ পৰা আৰম্ভ কৰি জিলাধিপতিলৈকে, কেৰাণী-মহৰী, শিক্ষক, মন্ত্ৰী, বিধায়ক আদি সকলো অসমীয়াৰে জীৱনৰ চৰম লক্ষ্য হৈছে গুৱাহাটীত পকী দালান সজা বা স্কুটাৰ-মটৰ-ৰিফ্ৰিজাৰেটৰ আদি লোৱা আৰু আজিৰ অসমীয়াৰ আদৰ্শ হৈছে এইবিলাক আহৰণ কৰিবলৈ অসৎ উপায়েৰে ধন সংগ্ৰহ কৰা। দহ পাঁচ টকাৰ কাৰণেই আমাৰ পুলিচে বাংলাদেশীসকলক আমাৰ দেশত অবাধে বিচৰণ কৰিবলৈ দি অহা নাই নে? এশ দুশ টকাৰ কাৰণেই বন বিভাগৰ বিষয়াই বাংলাদেশী লোকক সংৰক্ষিত বন অঞ্চলত অবৈধ ভাবে বসতি কৰিবলৈ দি

অহা নাই নে? এহেজাৰ-দুহেজাৰ টকাৰ কাৰণেই আমাৰ মহকুমাধিপতি বা জিলাধিপতিয়ে নিজৰ নিজৰ এলেকাত বাংলাদেশীসকলক থাকিবলৈ দিয়াৰ উপৰিও ভোটাৰ তালিকাত তেওঁলোকৰ নাম ভৰাবলৈ দি অহা নাই নে? সেইদৰে আমাৰ ৰাজনৈতিক নেতাসকলেও ক্ষমতা লাভ কৰিবলৈকে নিজৰ নিজৰ সমৰ্থিত বাংলাদেশীৰ নাম ভৰোৱা নাই নে? আমি কেৱল আমাৰ নেতাসকলক আৰু বিষয়াসকলক দোষ দিলেই নহ'ব, প্ৰত্যেক অসমীয়াই হয় সস্তীয়া বনুৱাৰ আশাত, নহয় সস্তীয়া শাক-পাচলিৰ আশাত, নহয় চাকৰি প্ৰমোচনৰ আশাত নহয় স্বাৰ্থজড়িত কিবা কাৰণত বাংলাদেশীসকলক আমাৰ মাজত পোনপটীয়া ভাবেই হওক বা আওপকীয়া ভাবেই হওক প্ৰশ্ৰয় দি আহিছো। হুজুৱা হালোৱাৰ পৰা আৰম্ভ কৰি ধূৰ্ত নেতালৈকে প্ৰত্যেক অসমীয়াই এনেদৰে বহিৰাগতসকলক প্ৰশ্ৰয় দিয়াৰ মূল কাৰণ হৈছে আজিৰ অসমীয়াৰ বস্তুবাদী আদৰ্শ আৰু বিষয়-সুখৰ প্ৰতি আসক্তি। দুনীতি আজি আমাৰ অফিচ, হাট-ঘাটতে সীমাবদ্ধ হৈ থকা নাই সি আমাৰ চিত্তত প্ৰবেশ কৰিছে - তাক তাৰ পৰা অপসাৰিত কৰাৰ, আমাৰ চিত্ত-শুদ্ধি কৰাৰ একমাত্ৰ উপায় হৈছে কৃষ্ণ-চিন্তা। কৃষ্ণ-চিন্তাৰ মানেই হৈছে বিষয়-বস্তুৰ প্ৰতি লোভ এৰি নিজৰ কাৰণে এক আধ্যাত্মিক আদৰ্শ লোৱা - সি কৃষ্ণৰ নামতেই হওক, আল্লাৰ নামতেই হওক বা খৃষ্টৰ নামতেই হওক বা আন কোনোবা এজন ভগৱানৰ নামতেই হওক।

আজি মই দৃঢ় ভাবে উপলব্ধি কৰোঁ যে স্বাধীনতাৰ পিছত আমাৰ তেতিয়াৰ ডেকাসকলৰ আৰু পৈণত অসমীয়াৰ মনত ঘৰ-চাকৰি-প্ৰমোচন-ধন-ক্ষমতা আদিৰ প্ৰতি জন্মা আসক্তিৰ কাৰণেই সেইবিলাককে কেন্দ্ৰ কৰি গঢ়ি তোলা আদৰ্শবিলাকৰ কাৰণেই আজি আমাৰ এই দুৰ্গতি। আমাৰ এই দুৰ্গতিৰ বিষয়ে প্ৰণৱানন্দই দিয়া অনুশীলনত লেশমানো ভুল নাই। সেইদৰে আমি নিস্তাৰ পোৱাৰ যি পথ প্ৰণৱানন্দই প্ৰদৰ্শাইছে সিও শুদ্ধ, সহজ আৰু নিশ্চিত। বিশ্বাস কৰিবলৈ টান, কিন্তু প্ৰণৱানন্দই কোৱাৰ দৰে কৃষ্ণৰ চৰণত চিত্ত দিয়েই শংকৰদেৱে অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি সকলো পিনৰ পৰাই চহকী কৰা নাছিল নে? হৰি নাম কীৰ্তন কৰিয়েই শংকৰদেৱে জাতি ধৰ্ম নিৰ্বিশেষে সকলো অসমবাসীক একতাৰ দোলেৰে বান্ধি আমাৰ মাজত এক বলিষ্ঠ জাতীয় চৰিত্ৰ গঢ় দিয়া নাছিল নে?

(৯ নৱেম্বৰ ১৯৮৩ৰ অগ্ৰদূতত প্ৰকাশিত)

বাইজৰ মতামত (১৮ ডিচেম্বৰ ১৯৮৩ৰ অগ্ৰদূতত প্ৰকাশিত)

(১)

'কথা হৈছেঃ আজিৰ অসমীয়া সকলেইহে বস্তুবাদী আদৰ্শভুক্ত আৰু বিষয়-সুখৰ আসক্ত নে? সেই বস্তুবাদক এৰি আৰু বিষয়-সুখ বৰ্জি, হৰিনাম কীৰ্তনত

নহ ব'লেই, যি উপায়েৰেই নহওক ইতিমধ্যে অনুপ্ৰবেশ কৰা লাখ লাখ বিদেশী মোমাইই গলাই যাব আৰু এই সমস্যাটোৰ আশু সমাধান হ'ব নে? অথবা এই ক্ৰিয়াকে অৱলম্বন কৰি অ-বস্তুবাদী নিষ্ক্ৰিয় হৈ ব'লে আন্দোলনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ, ই পথচ্যুত হোৱাৰ সম্ভাৱনা নাই নে? বৰ্তমানৰ বস্তুবাদী জগতত কেৱল অসমীয়াসকলেই বস্তুবাদ আৰু বিষয়-সুখ এৰি 'বিষয় বিষধৰ বিষে জৰজৰ' ভাবত আৱদ্ধ হৈ সময়ৰ সোঁতৰ পৰা ফাৰাক হোৱাটো সম্ভৱ নে? (আমাৰ উত্তৰ-১ চাওক)

তদুপৰি ডঃ দত্তই আগবঢ়োৱা যুক্তি অনুক্ৰমে 'চিত্তশুদ্ধি'ৰ অৰ্থ 'কৃষ্ণ-চিন্তা' বুলি 'হৰিনাম কীৰ্তন'ত আত্মনিয়োগ কৰিবলৈ গলে এই পন্থীয়া ধ্যান ধাৰণাত 'সৱ ঘটে বৈঠহ ইশ্বৰ স্বৰূপে হৰি'... 'কুক্কুৰ শৃগাল গৰ্দভৰো আত্মাৰাম' আদি বাণীৰ সাৰ্থকতা সাধিবলৈ যামে যামক বিতৰণ কৰা কাৰ্যত মহা মস্কিলৰ সৃষ্টি নহ'বনে? কিয়নো দেশীজনো যেনেকৈ যাম, তদ্ৰূপ বিদেশীজনো যাম। (আমাৰ উত্তৰ-২ চাওক)

....এই সংক্ৰান্তত মোৰ বোধেৰে কৃষ্ণচিন্তাৰ যথাৰ্থতা বা সাৰ্থকতা আছিব - তেওঁৰ, তেওঁৰ মানে কৃষ্ণৰ দ্বাৰা প্ৰদত্ত উপদেশ নিৰ্দেশ জ্ঞান আৰু বাণী আদিবো চিন্তা কৰাত। এই উপদেশ নিৰ্দেশ তথা জ্ঞানদান বিশ্বজনীন আৰু কালবিজয়ী, বাণী - শাশ্বত। সেয়াই শ্ৰীকৃষ্ণ মুখনিসৃত হৈ অৰ্জুনৰ প্ৰতি প্ৰদত্ত হৈছে মহান গীতাত, কুৰুক্ষেত্ৰ যুদ্ধত, যি যুদ্ধক ধৰ্মযুদ্ধ বুলি কোৱা হৈছে।' [আমাৰ উত্তৰ-৩ চাওক]

*[মনোমোহন মহন্ত, হিজুগুৰি]*

(২)

'প্ৰৱণানন্দৰ উত্তৰটো বিশ্লেষণ কৰি ডক্টৰ দিলীপ কুমাৰ দত্তই যিবিলাক কথাৰ অৱতাৰণা কৰিলে কথাখিনি একেবাৰে মিছা বা অসত্য বুলি অস্বীকাৰ কৰাৰ আৰু উপায় নাই। কথাখিনিয়ে যেনে প্ৰতিক্ৰিয়াই নকৰক, আমি যিমানেই টেটু ফালি চিঞৰ বাখৰ নকৰো কিয় অসমৰ বৰ্তমান সমস্যা আৰু বৰ্তমান সময়ৰ কিছুমান কাৰ্য-কলাপে দত্তই লিখা কথাখিনিৰ সত্যতাৰ প্ৰমাণ দিয়ে।'

*[বঞ্জিত কুমাৰ ডেকা, ধৰমতুল]*

(৩)

.কুৰি শতিকাৰ শেষৰ ফালে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড তাহানিৰ মান্ধাতা যুগতকৈ বহু আগুৱাই গল। আজি প্ৰত্যেকেই স্বাস্থ্যসম্মত এটি পকা দালান, নিত্য প্ৰয়োজনীয় স্কুটাৰ, মটৰ, ৰেফ্ৰিজাৰেটৰ বিচৰাটো বিষয় সুখৰ আসক্তি নহয় - ই হ'ল জীৱনৰ বাবে প্ৰয়োজন হোৱা নিম্নতম চাহিদা পূৰণৰ আহিলা মাত্ৰ। আমি জনাত অসুস্থ ৰাজনৈতিক ব্যৱস্থাত তথা অসমান অৰ্থনৈতিক বিতৰণ ব্যৱস্থাত কোনো ব্যক্তিৰ একোটা নিশ্চিত ভৱিষ্যত থাকিব নোৱাৰে। সেয়ে তেনে ব্যৱস্থাত সমাজৰ সকলো স্তৰৰ মানুহে অসৎ উপায় ল'বলৈ বাধ্য।'

*[খগেশ্বৰ চেতিয়া, লাহিং, যোৰহাট]*

(৪)

'সুদুৰ আমেৰিকাৰ প্ৰৱণানন্দ দেৱৰ অসম আন্দোলনৰ সম্পৰ্কে যি দৃষ্টি ভংগী দাঙি ধৰিলে সি সম্পূৰ্ণ সত্য । ডঃ দত্তদেৱৰ লগত এই পত্ৰ লেখকো একমত। এই প্ৰবন্ধটো মনোযোগেৰে পঢ়ি নিজৰ ভুল স্বীকাৰ কৰি সহজ সৰল জীৱন যাপন কৰি কৃষ্ণ-শ্ৰীশংকৰ গুৰুক হৃদয়ত ৰাখি বিদেশী বহিস্কাৰ কৰি সোণৰ অসম গঢ়িবৰ বাবে প্ৰস্তুত হব লাগিব।'

*[ডিম্বেশ্বৰ মহন্ত, ফুলনি]*

(৫)

প্ৰৱণানন্দৰ মতামত প্ৰকাশ কৰি অসম আন্দোলনৰ সম্পৰ্কত এক নতুন দৃষ্টিভংগীৰ অৱতাৰণাৰে অসমীয়া জনগণক আধ্যাত্ম-চিন্তাৰ কথা সোঁৱৰাই দিয়াৰ বাবে লেখক ধন্যবাদাৰ্হ। পিছে লেখকে 'এওঁলোক চৈতন্যপন্থী যদিও শংকৰদেৱে প্ৰচাৰ কৰা ভাগৱতী ধৰ্মৰ লগত এওঁলোকৰ ধৰ্মৰ তিলমানো পাৰ্থক্য নাই' বুলি লিখা কথাষাৰ মানি লব নোৱাৰিলো।

শ্ৰীচৈতন্যদেৱৰ ধৰ্মৰ ধৰ্ম-গ্ৰহণ পদ্ধতি, সাধন-মাৰ্গ আদি কিন্তু মহাপুৰুষীয়া ধৰ্মৰ পৰা বহুখিনি পৃথক। আগতে উল্লেখ কৰি অহা হৈছে যে মহাপুৰুষীয়া ধৰ্ম, গীতা ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত। চৈতন্যৰ ধৰ্ম ভাগৱত কেন্দ্ৰিক বুলি কোৱা যায় যদিও, বহুক্ষেত্ৰত ই ভাগৱত বিৰোধীহে। এই সম্বন্ধে অধিক নকৈ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰেই ক'ব পৰা যায়:'চৈতন্যৰ ধৰ্মকথাত যদিও ভাগৱত আৰু গীতাৰ ওপৰত প্ৰতিষ্ঠিত বোলে, কিন্তু কাৰ্যত আংশিক ৰূপে গীতা-ভাগৱতৰ ওপৰত প্ৰতিষ্ঠি
ত হ'লেও ঘাইকৈ ব্ৰহ্ম-সংহিতা, বিষ্ণু পুৰাণ, বৃহদ্ গৌতমীয় তন্ত্ৰ, পদ্ম পুৰাণ, আদি পুৰাণ, ব্ৰহ্মবৈবৰ্ত পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, লঘু ভাগৱতামৃত, জয়দেৱৰ গীত-গোবিন্দ, ৰূপ-সনাতনৰ কাব্যলংকাৰ বিভূষিত গ্ৰন্থ আৰু নাটকবোৰ আৰু ৰামানন্দ ৰায়ৰ ৰাধাকৃষ্ণ প্ৰেম বিষয়ক সহজীয়া মতৰ শিক্ষা আৰু গীত-পদ ইত্যাদি। বৰং অনেক স্থলত চৈতন্যৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ মত আৰু আচৰণ শ্ৰীমদ্ভাগৱতৰ মতৰ বিৰোধী।' [বেজবৰুৱা গ্ৰন্থাৱলী (১ম খণ্ড), পৃঃ৫৩০] (আমাৰ উত্তৰ - ৪ চাওক)

*[জগন্নাথ দেৱ মহন্ত, এলেঙি বাঁহ জেঙনি সত্ৰ, কাকজান]*

## আমাৰ উত্তৰ

(১) হয়, আজি পৃথিবীৰ বেছিভাগ সমাজেই বস্তুবাদী আৰু সেইবিলাকৰ বেছিভাগেই নানা ধৰণেৰে ছটফটাৰ লাগিছে। কিন্তু আমি অসমীয়া সমাজৰ কথা আৰু অসমৰ সমস্যাৰ কথাহে আলোচনা কৰিছো - আমাৰ সমাজৰ কিছুমান গৃহীত আদৰ্শ আৰু কিছুমান জাতীয় চৰিত্ৰ আছিল। এটা সুস্থ সবল জাতিৰ কাৰণে চৰিত্ৰই প্ৰধান শক্তি। আমি আমাৰ চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব দিছো কিয়নো আজিৰ আন্দোলনৰ নেতাসকলে নিজৰ নিজৰ চৰিত্ৰক গঢ় দিদিলে

ভৱিষ্যতে তেওঁলোকক দেশ চলাবলৈ দিলেও যে আমাৰ সমস্যা সমাধান কৰিব পাৰিব সেইটো আশা কৰিব নোৱাৰি। সেইদৰে আজিৰ অসমীয়াৰ মাজত বিৰাজ কৰা স্বাৰ্থপৰতা, ক্ষমতাৰ প্ৰতি লোভ, বিষয়-আসক্তিৰ প্ৰতি লোলুপ দৃষ্টি, লাস-বিলাসৰ প্ৰতি মোহ আদি যদি চলি থাকে তেনেহলে সকলো বাংলাদেশীক খেদিলেও অসমীয়াই সুখ-শান্তি লভিব নোৱাৰিব কাৰণ, তেতিয়া তেওঁলোকে নিজৰ ভিতৰত খোৱা-কামোৰা কৰি মৰিব লাগিব।

(২) কৃষ্ণ-চিন্তা কৰা মানে, হৰি নাম কীৰ্তন মানে হাত সাৱটি বহি থকা নহয় - আধ্যাত্মিক উদ্দেশ্য লৈ নিজৰ কৰ্মপথ বাচি লোৱাৰ কথাহে কৈছো। চৰিত্ৰ গঠনৰ কাৰণে প্ৰয়োজন আধ্যাত্মিক আদৰ্শ। আধ্যাত্মিক আদৰ্শ হ'লেহে অসমক ধৰ্মক্ষেত্ৰত পৰিণত কৰিব পাৰি। এইটো সচা যে আমি বিদেশীসকলকো মানৱীয় সহানুভূতিৰে চাব লাগিব - কিন্তু সেইটো আমাৰ দুৰ্বলতা নহ'ব মহানুভৱতাহে হ'ব। আজি আমাৰ চৰিত্ৰৰ অভাৱৰ কাৰণেই বিদেশী সমস্যাই এনে ভয়ানক ৰূপ ধাৰণ কৰিছে। আমি আজি বিদেশীসকলক মানৱতাৰে আঁকোৱালিবও নোৱাৰোঁ বা সাহসেৰে খেদিবও নোৱাৰোঁ।

(৩) মহন্তই এইখিনি বৰ সজ কথা কৈছে। আমিও আশা কৰিছো যে তেখেতে যেন অৰ্জুনৰ দৰে গাণ্ডীৱ তুলি লৈ ৰণক্ষেত্ৰত অৱতীৰ্ণ হয় আৰু তেখেতে যদি হাজাৰ হাজাৰ অসমীয়াক কৃষ্ণ-ভক্ত অৰ্জুন হ'বলৈ প্ৰেৰণা দি বিদেশী ধ্বংস বা খেদাত লাগে তেনেহলে আমাৰ ক'ব লগীয়া একো নাই। দুৰ্ভাগ্যবশতঃ আজিৰ বেছিভাগ অসমীয়াই এইটোকে আশা কৰে যে তেওঁলোকৰ ছটফটনি দেখি ইন্দিৰা বা ৰাজীৱ গান্ধীয়ে সসৈন্যে আহি বাংলাদেশীসকলক এটা এটাকৈ কাণত ধৰি সীমান্তৰ সিপাৰে থৈ আহিব। আমি এইটো ন দি ক'ব পাৰোঁ যে কেন্দ্ৰীয় চৰ্কাৰে কেতিয়াও বাংলাদেশীক খেদিবলৈ নাহে আৰু হিতেশ্বৰ শইকীয়া চৰ্কাৰেই হওক বা প্ৰফুল্ল মহন্ত চৰ্কাৰেই হওক বা শৰৎ সিংহৰ চৰ্কাৰেই হওক দিচপুৰৰ কোনো চৰ্কাৰেই কেতিয়াও বাংলাদেশীক খেদিব নোৱাৰে। অসমীয়া জাতিয়েহে যদি বিদেশীক নিজৰ চৰাঘৰত সোমাব নিদিয়াকৈ ৰাখিব পাৰে। কিন্তু আজি কৰাৰ দৰে অসমীয়াই যদি সন্তীয়া বনুৱা, সন্তীয়া হালোৱা, সন্তীয়া শাক-পাছলি, ভোটত জিকি মন্ত্ৰী বিধায়ক হোৱা, ভেটি খাই বিষয়-সুখ আহৰণ কৰা চৰিত্ৰ এৰিব নোৱাৰে তেনেহলে বিদেশীসকল আমাৰ চৰাঘৰ সোমৰই আৰু চৰাঘৰ পাই লৈ তেওঁলোকে আমাৰ বৰঘৰ দখল কৰিবই।

সেইকাৰণে আমি কৈছো আমাক ক্ষন্তেকীয়া অৰ্জুন নালাগে - অসমত এখন সুস্থ সবল সমাজ গঢ়ি অসমত ধৰ্ম প্ৰতিষ্ঠা কৰ'ক। আজিৰ স্বাৰ্থক্ষেত্ৰ, দুনীতিক্ষেত্ৰ, ক্ষমতা-লোভৰ ক্ষেত্ৰ অসমখন ধৰ্মক্ষেত্ৰত পৰিণত হ'লে সেই ধৰ্মক্ষেত্ৰ ৰক্ষা কৰিবলৈ, সেই ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ যুগে যুগে সহস্ৰ অৰ্জুনৰ উদ্ভৱ হ'ব।

(৪) এইবিলাক অতিশয় অবান্তৰ কথা। নিমানন্দ দাস নামে এজনে বঙালী ভাষাত 'বৈষ্ণৱ ও বিষ্ণুপুজক' নামে এখন কিতাপত শংকৰদেৱ আৰু মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে হেনো জঘন্যভাৱে আক্ৰমণ কৰি বিৰূপ মন্তব্য কৰিছিল। সেইখন লক্ষ্মীনাথ বেজবৰুৱাৰ দৃষ্টিগোচৰ হোৱাত তেওঁ জাংগুল খাই উঠিল আৰু চৈতন্যদেৱৰ হাড় চাল বখলিয়াবলৈ তেওঁ বাঁহীত এলানি প্ৰবন্ধ লিখে (অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা বেজবৰুৱা গ্ৰন্থাৱলীত এই সকলো সংগৃহীত হৈছে)। বেজবৰুৱা বৈষ্ণৱ নহয়, অন্তত তেওঁ শংকৰী মত বা আন কোনো বৈষ্ণৱ আদৰ্শ নিজৰ জীৱনত প্ৰয়োগ কৰাৰ প্ৰমাণ আমি নাপাওঁ। তেখেতে গুৰু দুজনা আৰু চৈতন্যদেৱৰ বিষয়ে লিখা কথা বেছিভাগেই ভ্ৰান্তিমূলক (এই বিষয়ে আমি 'নীলাৰ সুৰভি ভাঙি'ত কিছু আলোচনা দিছো)। সেয়েহে, আজি ৰামচৰণ ঠাকুৰৰ গুৰু চৰিত, বৰদোৱা গুৰু চৰিত, গুৰু-চৰিত কথা, চৈতন্য চৰিতামৃত আদি সহজে পোৱা যায় কাৰণে আমি বেজবৰুৱাৰ লিখনীৰ কোনো মূল্য নিদিলোহেঁতেন কিন্তু বহু অসমীয়াই বেজবৰুৱাৰ এই লিখনী বিলাকৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে দেখি দুআষাৰ কৈ থওঁ। ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মূল হৈছে ভাগৱত আৰু ভাগৱতী ধৰ্ম একক সুত্ৰৰ ওপৰত প্ৰতিষ্ঠিত। বেলেগ বেলেগ সাধু সন্তই বেলেগ বেলেগ পৰিবেশ, সময় আৰু সমাজত তাক ভিন ভিন নীতি-নিয়মেৰে প্ৰৱৰ্তন কৰি আহিছে যদিও মূলতে ধৰ্মটো আৰু তাৰ যুক্তি বা দৰ্শন একেই। এই নীতি-নিয়ম বিলাকৰ পাৰ্থক্যৰ কাৰণেই আমি সেই সাধু সন্তসকলৰ মাজত প্ৰভেদ উলিয়াবলৈ বা তেওঁলোকৰ পথ অৱলম্বন কৰা ভক্তসকলৰ মাজত ভেদভাব সৃষ্টি কৰিবলৈ চেষ্টা কৰা অনুচিত। নিজে ভাল পোৱা গুৰুজনৰ নীতি নিয়মকে সকলোৱে শ্ৰেষ্ঠ বুলি ভাবে ভাল কথা - সেইবুলি আন পথৰ দোষ খুচৰিবলৈ যোৱাটো অতিশয় অবান্তৰ। আনকি, আমাৰ সত্ৰবিলাকৰ মাজতো নীতি নিয়মৰ পাৰ্থক্য আছে আৰু সেইবিলাকৰ কাৰণে ভিন ভিন সত্ৰৰ মাজত কন্দল নোহোৱাও নহয়।

চৈতন্যদেৱ ব্ৰাহ্মণ - তেওঁ অগাধ পণ্ডিত আছিল আৰু আপেক্ষিক ভাবে কম বয়সতে সন্ন্যাস গ্ৰহণ কৰিছিল। তেওঁৰ চৌপাশে আছিল হিন্দু সমাজত অৱহেলিত শূদ্ৰসকল, যিসকলৰ বহুতেই ইচলাম ধৰ্ম গ্ৰহণ কৰিছিল। আনহাতে শংকৰদেৱ আছিল ঘোৰ সংসাৰী, তেওঁৰ চৌপাশে আছিল হিন্দু ধৰ্মই স্পৰ্শ নকৰা কিন্তু শাসনত অধিষ্ঠিত ক্ষমতাশালী মংগোলীয় গোষ্ঠীৰ লোকসকল। সেয়েহে তেওঁলোক দুজনাৰ ধৰ্ম প্ৰচাৰৰ পথ বেলেগ হোৱাটো স্বাভাৱিক। সকলো কলাৰ গুৰু শংকৰদেৱে বাচি লৈছিল সাহিত্য-নৃত্য-গীত-নাটৰ সংস্কৃতি কিন্তু চৈতন্যদেৱে বাচি লৈছিল 'হৰে কৃষ্ণ মহামন্ত্ৰ' আৰু কৃষ্ণ প্ৰেমৰ আৱেগিক প্ৰকাশ। পুজা-পাতল ভাল পোৱা মোগল ভাৰতৰ লোকৰ মাজত চৈতন্যদেৱে ৰাধা-কৃষ্ণ বা আন বিগ্ৰহ প্ৰতিষ্ঠা কৰাটো যেনে স্বাভাৱিক তেনেদৰে শংকৰদেৱে জড়-উপাসক স্বাধীন কোচৰাজ্য আৰু স্বাধীন আহোম ৰাজ্যত কোনো ধৰণৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰিবলৈ নিদিয়াটোও স্বাভাৱিক। চৈতন্যদেৱৰ বিষয়ে বেজবৰুৱাই যিবিলাক কথা লিখি গৈছে সেইবিলাক অসমীয়াই সাহিত্য-ৰথী বুলি সন্মান কৰা এগৰাকীৰ কলমৰ পৰা নিজৰি পৰিছিল বুলি ক'বলৈ আমাৰ লাজ লাগে। সেইদৰে গুৰু দুজনা বা চৈতন্যদেৱৰ কথা

লিখিবলৈ গৈ 'ভুম-ভুমুনী', 'কোচ-কুচুনী', 'ম্লেচ্ছ আহোম', 'অত্যাচাৰী অনাচাৰী কছাৰী' আদি অকথ্য ভাষাৰে অসমীয়া সাহিত্যত বেজবৰুৱাই যিবিলাক আবৰ্জনা দমাই থৈ গৈছে তাৰ কুফলৰ পৰা আজিও অসমীয়াসকল হাত সাৰিব পৰা নাই। মহন্ত ডাঙৰীয়াই উল্লেখ কৰা বেজবৰুৱাৰ মন্তব্যখিনিয়ে তেখেতৰ অজ্ঞতাৰহে পৰিচয় দিয়ে। আন নালাগে, চৈতন্যদেৱক হয়তো জীয়াই থকা কালতে দেখা ৰামচৰণ ঠাকুৰেও আমাৰ গুৰু দুজনাৰ বিষয়ে লিখা গুৰু-চৰিতত চৈতন্যদেৱক 'চৈতন্য গোসাই' বুলিহে সম্মানেৰে উল্লেখ কৰিছে।

'চৈতন্য গোসাই গ্ৰামে স্নান কৰিলন্ত।
সেহি পথে আসিয়া তাহাংক দেখিলন্ত।।
দুইতো দুই মুহূৰ্তকে চাহি আছিলন্ত।
সম্ভাষণ নকৰিয়া চলিয়া গৈলন্ত।।'

*(গুৰুচৰিত, ৰামচৰণ ঠাকুৰ বিৰচিত, সম্পাদকঃ হৰিনাৰায়ণ দত্তবৰুৱা, দত্তবৰুৱা এণ্ড কোম্পানী, ৫১৯ শংকৰাব্দ, পৃঃ৬৯৭)*

'দুয়োবিধ জাতি বোলে নোচা কবীৰক।।
চৈতন্য গোসাই হেন কথা শুনিলন্ত।
শীঘ্ৰ বেগ কৰি তেহে খেদি আসিলন্ত।।
কবীৰৰ শৱ তুলি লৈলন্ত কান্ধত।
চৈতন্য গোসাই তাংক ভসাইলা গংগাত।।' (ঐ, প্ৰঃ ৭১০)

*ত্ৰয়োদশ অধ্যায়*

## ১৯৮৪ চনৰ ধাৰাবাহিক বুৰঞ্জী

১১-১২ জানুৱাৰী যোৰহাটত আছু আৰু গণ সংগ্ৰাম পৰিষদৰ দুদিনীয়া অভিবৰ্ত্তনত আন্দোলনৰ নেতৃত্বৰ ওপৰত আস্থা প্ৰকাশ, বেআইনী প্ৰব্ৰজন আইন বহিত আৰু অসমৰ বেআইনী চৰ্কাৰ ভাঙিবলৈ দাবী জনাই প্ৰস্তাৱ লোৱা হয়। তদুপৰি ৰাজ্যখনৰ সকলো ৰাজনৈতিক গোট দল লাগি এটা ঐক্যবদ্ধ ৰাজনৈতিক দল গঠনৰ বিষয়ে আলোচনা কৰা হয়।

১২ জানুৱাৰী যোৰহাটৰ অভিবৰ্ত্তনৰ পৰা আছুৰ নেতাসকল লৈ উভতি অহা গাড়ীখন কহবাৰ ওচৰত পুলিচে বখাই নেতাসকলক ধৰি বান্ধি তেওঁলোকৰ ওপৰত ভালদৰেই বেত জাৰে।

২৬ জানুৱাৰী অসমীয়া ৰাইজৰ দ্বাৰা চৰ্কাৰী গণৰাজ্য দিৱস বৰ্জন কৰা হয় আৰু বেআইনী অনুপ্ৰৱেশকাৰী আইনৰ কপি জ্বলোৱা হয়।

২৮ জানুৱাৰী পুলিচে ৰাতিপুৱা যোৰহাটৰ প্ৰিন্স অৱ ৱেলচ স্কুল আক্ৰমণ কৰি তাৰ ছাত্ৰসকলক জধাই মধাই মৰিয়াই ১৫৩জনক গ্ৰেপ্তাৰ কৰে। আগদিনাখন হিতেশ্বৰ যোৰহাটলৈ যাওঁতে ছাত্ৰসকলে দিয়া নিষ্প্ৰদীপ আৰু জনতা কাৰ্ফিউৰ পোতক ল'বলৈকে এনে কৰা হৈছিল।

৩ ফেব্ৰুৱাৰী গুৱাহাটীৰ ওচৰৰ চন্দ্ৰপুৰত অসমৰ স্থায়ী ৰাজধানীৰ আধাৰশিলা স্থাপন কৰিবলৈ ইন্দিৰা গান্ধীৰ অসম আগমন। তাৰ প্ৰতিবাদত ৩৬ ঘণ্টীয়া পথ বন্ধ। অসমীয়া ৰাইজৰ অসহযোগৰ কাৰণে হিতেশ্বৰ চৰ্কাৰে ৰাছ ট্ৰাকত দুৰ দুৰণিৰ পৰা বিদেশীলোকক সভা পুৰনি কৰিবলৈ আনে। কথা বুজি পাই ইন্দিৰা ইমান অসন্তুষ্ট হয় যে তেওঁ কেইমিনিটমান বক্তৃতা দি খণ্ডি চন্তি দলিয়াই গুচি আহে।

৪ ফেব্ৰুৱাৰী জাতুগুৰি আবৰ্জী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে মধ্য প্ৰদেশ পুলিচৰ এটা দল লৈ ভাং খাই বলিয়া হোৱা হাতীৰ দৰে কিছুমান যুৱকৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। শ্ৰীদিবাকৰ শইকীয়াক পুলিচে গ্ৰেপ্তাৰ কৰি গাড়ীত তুলি লৈ গুৰিয়াই লৰিয়াই আধা চেতন অৱস্থা কৰি মজিয়াত পেলাই লয়। শইকীয়াৰ দুই কোৱাৰি ফাটি ধাৰাসাৰে তেজ বৰলৈ ধৰাৰ পিচতো জোতাৰে মজিয়াত পৰি থকা অৱস্থাতে ডিঙিত গচকি ধৰে। কিছুদুৰ আগবাঢ়ি লৈ ৰাস্তাৰ কাষত পুখুৰী সিঁচি থকা

ৰঙীয়াৰ ৰবা নামৰ ছাত্ৰ এজনক গ্ৰেপ্তাৰ কৰি একে ধৰণেৰে অপমান কৰে। তাৰ পিছত কেইটামান ঘৰত সোমাই বয়-বস্তু নষ্ট কৰি অনন্ত বৰঠাকুৰ নামৰ এজন ছাত্ৰক কোবাই লেবেজান কৰি গাড়ীত তুলি লয়। সেইদৰে প্ৰবীণ শিক্ষক তিনক নাথকো ধৰি বান্ধি গাড়ীত বোজাই কৰি লয়। তেনেতে সন্মুখ ফালৰ পৰা দুজন ল'ৰা আহি থকা দেখা পাই ভাবপ্ৰাপ্ত বিষয়াজনে গুলী কৰিবলৈ হুকুম দিয়ে। গুলী ছাত্ৰ দুজনৰ গাত নালাগিল আৰু সেই ছাত্ৰ দুজন দৌৰি পলাবলৈ সমৰ্থ হয়।

৭ ফেব্ৰুৱাৰী নলবাৰীৰ বিদ্যাপুৰত বাস কৰা ছাত্ৰ দীপক কলিতা আৰু ভিম্বেশ্বৰ শৰ্মাক বিচাৰি পুলিচৰ দল এটাই তেওঁলোকৰ বুঢ়া বাপেক আৰু ভায়েক ককায়েকহঁতৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। বুঢ়া কেইজনক চোচৰাই ফলা থবিৰে কোবাই টানি আনিছিল আৰু কলিতাৰ মাকক, 'বাতিপুৱা পুতেৰহঁতৰ মৰা শৱ থানাৰ পৰা লৈ আহিবি গৈ' বুলি কৈ আহিছিল।

১৭ ফেব্ৰুৱাৰী পূব ভাৰতৰ ৰাজনৈতিক দল সমূহৰ নেতাসকলে গুৱাহাটীত দিয়া ভাষণত এই অঞ্চলৰ সকলো ৰাজ্য একগোট হৈ আন্দোলন কৰিলেহে বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যা সমাধান কৰাত কেন্দ্ৰীয় চৰ্কাৰক মনাব পৰাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰে।

(১৯ ফেব্ৰুৱাৰীৰ অগ্ৰদূতৰ পৰা) "জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ৰজনী গোস্বামীক গৌৰী সাগৰ থানাৰ পুলিচে ৰাতি প্ৰায় ২ মান বজাত ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি থানাৰ ভিতৰৰ খুটা এটাত অধ্যাপকজনৰ কঁকালত পঘা এডালেৰে বান্ধি লৈ কাণত ধৰি উঠা বহ কৰোৱাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়াই ইমান নিৰ্লজ আৰু অশ্লীল ব্যৱহাৰ কৰি থাকি পাৰিছিল তাক অধ্যাপক গোস্বামীয়ে সাংবাদিকৰ আগত বৰ্ণনাতীত বুলি কৈছিল।"

২০ ফেব্ৰুৱাৰী ভবানীপুৰ অঞ্চলত বহুদিন ধৰি পুলিচ, চি-আৰ-পিয়ে ছাত্ৰ-যুৱকক বিচাৰি বহুতৰে ঘৰদুৱাৰ ভঙা, খোৱা বস্তু নষ্ট কৰা আৰু মানুহৰ ওপৰত অমানুষিক অত্যাচাৰ কৰা আদি উপদ্ৰৱ চলিছে। পুলিচে সুৰাপান কৰি নিশাৰ ভাগত গাঁৱত সোমায় আৰু চিঞৰ বাখৰ কৰি গোটেই গাঁৱতে হুলস্থুল কৰি থাকে। এই নিশা পুলিচে বিনয় ডেকাৰ ঘৰত সোমাই তেওঁৰ মাকক লাঠীৰে কোবাই মাটিত বগৰাই দিয়ে। তেওঁলোকৰ খোৱা বস্তু আদিও নষ্ট কৰে। গাৰ বিষ আৰু মনৰ দুখত ওৰে ৰাতি কান্দি থকা সেই বৃদ্ধা মাতৃৰ বিননি শুনি গঞা ৰাইজৰ হিঁয়া ফাটে।

১ মাৰ্চ ধনৰ অভাৱত শিলঘাটৰ সমবায় মৰাপাট কল বন্ধ কৰা হয়।

নৰ্থ-ইষ্ট কাউন্সিলৰ সম্পাদকৰ মতে এই অঞ্চলত দহ লাখ বাধাগ্ৰস্ত (handicapped) লোক আছে।

৫ মাৰ্চ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ সোনকালেই দিয়া হ'ব বুলি দিল্লীৰ পৰা প্ৰচাৰ কৰি থকা হৈছে আৰু এই কামত ২৫ কোটী টকা খৰছ হ'ব বুলি চৰ্কাৰে অনুমান কৰিছে যদিও ১ এপ্ৰিলৰ পৰা আৰম্ভ হ'ব লগীয়া বিত্তীয় বছৰত ইয়াৰ কাৰণে মাত্ৰ আঢ়ৈ কোটি টকাহে ধৰা হৈছে। ইয়াকে কয় এপাচি শাকত এটা জালুক।

১৫ মাৰ্চ আছুৰ আহ্বানত গোটেই ৰাজ্য জুৰি ধৰ্মঘট - ধৰ্মঘটকাৰীৰ ওপৰত পুলিচৰ লাঠী চালনা, মাৰধৰ আৰু অত্যাচাৰ। "গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰি পুলিচ, চি-আৰ-পিয়ে চিকিৎসক আৰু ৰোগীক নিৰ্মম ভাৱে প্ৰহাৰ কৰা কাৰ্যৰ তুলনা নাই। অফিচ বা আন কামলৈ বুলি ঘৰৰ পৰা ওলাই অহা পুৰুষ মহিলা অকণো বাচ বিচাৰ নকৰি কোবোৱা, স্কুল কলেজৰ চৌহদৰ মুখত বৈ থাকি সশস্ত্ৰ পুলিচ, চি-আৰ-পিয়ে স্কুল কলেজলৈ অহা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীক আক্ৰমণ কৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আশে পাশে সমাবেশ হোৱা সহস্ৰাধিক লোকৰ ওপৰত নিৰ্বিচাৰ লাঠী চালনা আৰু আঘাতপ্ৰাপ্ত লোকক চিকিৎসা লোৱাৰ কামতো বাধাদান কৰাৰ দৰে অমানৱীয় ব্যৱস্থাও গুৱাহাটীৰ পুলিচে গ্ৰহণ কৰিবলৈ পিচ হোঁহকা নাই।" (১৮ মাৰ্চৰ অগ্ৰদূতৰ পৰা)

২১ মাৰ্চ পুলিচ বিষয়া জগদীশ পাটগিৰিৰ নেতৃত্বত যোৱা এদল সশস্ত্ৰ পুলিচে আছুৰ খাগৰপুৰ শাখাৰ সভাপতিৰ ঘৰত সোমাই তেওঁৰ বিধৱা মাকক গুলিয়াই হত্যা কৰে।

২৩ মাৰ্চ পুলিচে গুৱাহাটীৰ আদালতত সোমাই এজন উকীলক ভালদৰেই পিতে।

৪ এপ্ৰিল ৰাজ্যৰ বেআইনী বিধান সভাই ১৯৮৪ চনৰ ফৌজদাৰী কাৰ্যবিধি (অসম সংশোধনী) বিধেয়কখন গ্ৰহণ কৰি আইনত পৰিণত কৰে। এই আইনে যোৱা বছৰ ৭ জুলাইত অসমৰ ৰাজ্যপালে দিয়া আধ্যাদেশ খনকে বিধিবদ্ধ কৰে। আইন নহলেও পুলিচে হাতে কামে ইয়াক খটুৱাই আহিছে।

(৪ এপ্ৰিলৰ অগ্ৰদূতৰ পৰা) চি-পি-আইয়ে (এম-এল) দিয়া এক বিবৃতিৰ মতে "শইকীয়া চৰ্কাৰে পুলিচক সৰ্বময় কমতাৰ অধিকাৰী কৰি এক সন্ত্ৰাসৰ ৰাজত্ব গঢ়ি তুলিছে। এনেকৈয়ে কংগ্ৰেছ(ই) চৰ্কাৰে বিচাৰিছে অসম সমস্যাটোক আলোচনাৰ জৰিয়তে সমাধান নকৰি অসমৰ জনসাধাৰণৰ মাজত বিভাজনক জীয়াই ৰাখিবলৈ আৰু নিজৰ ৰাজনৈতিক স্বাৰ্থ আৰু ফেচিবাদী শাসনক সংহত কৰাৰ উদ্দেশ্যে তাক ব্যৱহাৰ কৰিবলৈ।"

২১ এপ্ৰিল ধুবুৰী জিলাত বাংলাদেশ সীমান্তত বেৰা দিবলৈ চেষ্টা কৰোতে ভাৰতীয়সকলৰ ওপৰত বাংলাদেশীৰ গুলী চালনা। ভাৰতীয় সীমান্ত আৰক্ষী সেনাই প্ৰতিৰক্ষাৰ কাৰণে চলোৱা গুলীত এজন বাংলাদেশী জোৱানৰ মৃত্যু।

চৰ্কাৰে মিচিং ভাষাৰ কাৰণে ৰোমান লিপি গ্ৰহণ নকৰা কাৰণে অসম জনজাতীয় ছাত্ৰ সন্থাৰ ক্ষোভ।

২৪ এপ্ৰিল গুৱাহাটীলৈ ব্ৰডগজ ৰেল চলাচল আৰম্ভ।

২৪ এপ্ৰিলৰ দিনা "আবেলি মঙলদৈ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীযুগল বৰা, টাউন দাৰোগা শ্ৰীযোগেশ্বৰ দাস ভড়ালী আৰু উপ পৰিদৰ্শক মফিজুদ্দিন আহমদে জনসাধাৰণৰ ওপৰত নৃশংস ভাবে প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰি মঙলদৈত বিভীষিকাৰ সৃষ্টি কৰে।" (৬ মে'ৰ অগ্ৰদূতৰ পৰা)

(২৫ এপ্ৰিলৰ অগ্ৰদূতৰ পৰা) অসমৰ ৰাজ্যপাল মেহৰোত্ৰা আৰু মুখ্য সচিব ৰমেশ চন্দ্ৰ চতুৰ্বেদীয়ে মনে মনে অসম এৰে। আছু আৰু গণসংগ্ৰাম পৰিষদে তেওঁলোকৰ দানৱীয় শাসনৰ চিন ৰূপে মানুহৰ লাওখোলা উপহাৰ পঠিয়াবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে।

২৯ মে' অসমত গ্ৰহণী মহামাৰী। ২৬,০০০ লোক আক্ৰান্ত আৰু ১৮৭জনৰ মৃত্যু।

অসমৰ জনতা, চি-পি-আই, আৰ-চি-পি-আই আৰু কংগ্ৰেছ (এচ) দলে ১৯৭১ চনৰ ভোটাৰ তালিকা অনুসৰি অসমৰ ভোটাৰ তালিকা সংশোধন কৰিবলৈ ৰাষ্ট্ৰপতি জাইল চিঙক স্মাৰক পত্ৰ দিয়ে।

(৬ জুনৰ অগ্ৰদূতৰ পৰা) অসম ৰাজ্যিক মুছলিম লীগৰ আইন সাহায্য কমিটীৰ অধ্যক্ষ শ্ৰীআব্দুছ ছাবিদ মজুমদাৰে এক বিবৃতি যোগে কয় যে মুছলিম লীগে ১৯৮০ চনৰে পৰা দাবী তুলি আহিছে যে ১৯৫১-৬১ চনত অহা বিদেশী নাগৰিকসকলক অসমতে বসবাস

কৰিবলৈ দিব লাগে, ১৯৬১-৭১ কালছোৱাৰ সকলক অসমৰ বাহিৰত অন্যান্য ৰাজ্যত ঠাই দিব লাগে আৰু ১৯৭১ চনৰ পিছত অহা সকলক নিজ দেশলৈ ঘূৰাই পঠিওৱাৰ ব্যৱস্থা কৰিব লাগে। তেওঁ সকিয়াই দিয়ে যে 'বিদেশ' শব্দটোলৈ সাম্প্ৰদায়িকতা আনিবলৈ বিচাৰিলে সমস্যাৰ সমাধান পোৱা নাযাব আৰু সদায়েই উত্তৰ পূব অঞ্চলৰ এই সমস্যাটো জটিল হৈয়েই থাকিব।

(১০ জুনৰ অগ্ৰদূতৰ পৰা) "পুলিচৰ অবৰ্ণনীয় অত্যাচাৰৰ এক কলংকিত কাহিনী - মে' মাহৰ তিনি তাৰিখে ককয়া গাঁৱৰ কমাৰপাৰাৰ শ্ৰীবীৰেণ বৰ্মণৰ ঘৰত বেলশৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই সশস্ত্ৰ পুলিচ সহ প্ৰৱেশ কৰি অসম জাতীয়তাবাদী দলৰ সদস্য আৰু গণ সংগ্ৰামৰ কৰ্মী শ্ৰীশশধৰ পাটোৱাৰীক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ যায় আৰু তাত চিপাহী শ্ৰীহক আৰু শ্ৰীৰহমানে শ্ৰীপাটোৱাৰীক তিনি আৰু চাৰি তাৰিখে নিদাৰুণ ভাবে মাৰপিট কৰে। চাৰি মে' তাৰিখে নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰী চৌবেই দিনৰ প্ৰায় দুই বজাত সাধাৰণ পোছাকত বেলশৰ থানাত উপস্থিত হৈ শ্ৰীপাটোৱাৰীক মাটিত পেলাই লৈ বাওঁ হাত আৰু বাওঁ ভৰিৰ আঁঠুত জোতাৰে একেবাহে গছকে। ফলত তেওঁৰ বাওঁফালটো একেবাৰে অসাৰ হৈ পৰে। ইমানতো ক্ষান্ত নাথাকি পুলিচৰ দলটোৱে শ্ৰীপাটোৱাৰীক নিৰ্মম ভাবে প্ৰহাৰ কৰি থকাত তেওঁ এসময়ত সংজ্ঞা হেৰুৱায়।...থানাত শ্ৰীপাটোৱাৰীৰ মুখত দুজন চিপাহীয়ে বলেৰে গৰম পানী ঢালি দিয়ে আৰু বেয়াকৈ মুখমণ্ডলত ঘাইল কৰে।" চাৰি মে'ৰ দিনা আদালতৰ আদেশত শ্ৰীপাটোৱাৰীক চিকিৎসালয়ত ভৰ্তি কৰা হয়। কিন্তু, "সাত মে'ৰ ৰাতি প্ৰায় ৯ মান বজাত নলবাৰী পুলিচ পৰিদৰ্শক শ্ৰীসুচেন হাজৰিকাই চিকিৎসালয়ত প্ৰৱেশ কৰি শ্ৰীপাটোৱাৰীক অকথ্য ভাষাত গালি-শপনি পৰাৰ উপৰিও শ্ৰীপাটোৱাৰীয়ে খাবলৈ লোৱা আহাৰ দলিয়াই দিয়ে আৰু ঔষধৰ কাগজ-পত্ৰ খনদিয়েকো লৈ যায়।"

১৫ জুন অসম বন্ধ।

১৯ জুন শোণিতপুৰ জিলাধিপতিৰ অফিচৰ সাতজন লোক অসম বন্ধত অফিচলৈ নহা কাৰণে বিলম্বিত।

২১ জুন গুৱাহাটীত থকা কেন্দ্ৰীয়, ৰাজ্য আৰু আধা-ৰাজ্যিক অফিচ সমূহৰ কৰ্মচাৰীসকলে অসম বন্ধৰ সময়ত পুলিচে কৰা অত্যাচাৰৰ প্ৰতিবাদত দুঘণ্টা কাম নকৰি ধৰ্মঘট কৰে।

২৫ জুন পথ আৰু ৰেল বন্ধ সফল ভাবে পালন। ৰাজ্যত অচল অৱস্থা।

২৯ জুন ১৫ বা ২৫ জুনৰ ধৰ্মঘটত অংশ গ্ৰহণ কৰা বুলি গড়কাপ্তানী বিভাগৰ ১৯ জনক বিলম্বিত আৰু তিনিজনক কামৰ পৰা খেদা হয়।

(১৮ জুলাইৰ অগ্ৰদূতৰ পৰা) "তেজপুৰত পুলিচৰ অত্যাচাৰে সকলো সীমা চেৰাইছে।"

(২২ জুলাইৰ অগ্ৰদূতৰ পৰা)এজন মন্ত্ৰীৰ আদেশত সুভাষ শৰ্মা নামে চামতাৰ কামৰূপ কলেজৰ ছাত্ৰ এজনক পুলিচৰ দ্বাৰা অমানৱীয় কষ্ট দি হত্যা। ১৩ জুলাইৰ দিনা সুভাষক গুৱাহাটীৰ পাণবজাৰৰ ৰাস্তাৰ পৰা গ্ৰেপ্তাৰ কৰি নি গুৱাহাটীৰ সদৰ থানাৰ দ্বিতীয় ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীয়ে প্ৰায় দুঘণ্টামান গাৰ সকলো শক্তি প্ৰয়োগ কৰি কোবাই পিচদিনা নলবাৰী থানালৈ প্ৰেৰণ কৰে। নলবাৰীত তেওঁক এদিন কোবাই ধাৰাশায়ী কৰি পিচদিনা বেলশৰ থানালৈ পঠিওৱা হয়। বেলশৰ থানাত নলবাৰী আৰক্ষী চক্ৰৰ ইন্সপেক্টৰ শ্ৰীসুচেন হাজৰিকা আৰু থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্ৰীমহাদেৱ চিঙে তেওঁক এটা কোঠাত বন্ধ কৰি লৈ নিৰ্যাতন দিবলৈ ধৰে। পিচদিনা সুভাষৰ আত্মীয় বৰ্গই আদালতত আবেদন কৰাত দণ্ডাধীশে সিদিনাই সুভাষক নলবাৰী অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰিবলৈ আদেশ দিয়ে। সুভাষৰ আটাই কেইটা আঙুলি আৰু আঁঠু দুটাত সেই বৰ্বৰ পুলিচে গজাল মাৰে, তেওঁৰ যৌন অংগ প্লাচেৰে চেপি দিয়ে আৰু তেওঁৰ বুকুত ভালেখিনি সময় বুট জোতাৰে গচকা কাৰণে তেওঁৰ মুখেৰে তেজ ব'বলৈ ধৰিছিল। সুভাষৰ কলাফুল মাংসপেশী টেমুনা বান্ধি আঁঠুৰ ওপৰলৈ উজাই আহিছিল, লাঠীৰ কোবত তেওঁৰ পিঠি তেনেই কলা পৰি গৈছিল আৰু তাত চিৰাচিৰ ফাট মেলিছিল, ইত্যাদি ইত্যাদি। শেষত সুভাষ শৰ্মাৰ ১৯ জুলাইত গুৱাহাটীৰ হস্পিটালত মৃত্যু হয়। মৃত্যুৰ আগতে সুভাষ শৰ্মাই কয় যে বেলশৰ থানাৰ সুচেন হাজৰিকা আৰু কনিষ্টবল ৰহমানে তাতো ক্ষান্ত নাথাকি অৱশেষত বুকুত জোতাৰে গুৰিয়াইছিল।

১৪ আগষ্ট উত্তৰ পূব অঞ্চলৰ চৈধ্যটা আঞ্চলিক দলৰ আহ্বানত এই অঞ্চলৰ বিদেশী সমস্যাৰ সমাধান অনতিপলমে কৰাৰ দাবীত অসম, অৰুণাচল নগালেণ্ড, মণিপুৰ, মেঘালয়, মিজোৰামত বিৰাট সফলতাৰে বন্ধ পালন। এই বন্ধৰ প্ৰতি আছুৱে নিৰপেক্ষ থাকি ছাত্ৰ-ছাত্ৰীসকলক ১৪ আগষ্টৰ দিনা শ্ৰেণীত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছিল যদিও অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে আছুৰ নিৰ্দেশ

নামানি বন্ধত সক্ৰিয় অংশ গ্ৰহণ কৰে। অসম গণ সংগ্ৰাম পৰিষদৰ দুই এক নেতাই এই আন্দোলনত সহযোগ আগ নবঢ়াই নিৰৱতা অৱলম্বন কৰিছিল যদিও গণসংগ্ৰাম পৰিষদৰ অন্যতম আহ্বায়ক শ্ৰীঅতুল বৰাই এই বন্ধৰ প্ৰতি সমৰ্থন জনায় আৰু পৰিষদৰ আঞ্চলিক দলসমূহকো বন্ধত সহযোগ কৰিবলৈ আহ্বান জনায়। অতুল বৰাৰ এই কাৰ্য তেখেতৰ কৰ্তৃত্বৰ বাহিৰৰ বুলি দোষাৰোপ কৰি পৰিষদে তেওঁক ১৫ দিনৰ বাবে নিলম্বিত কৰি তেওঁৰ পৰা কৈফিয়ৎ বিচাৰিছে। এই লৈ ভৃগু ফুকন আৰু অতুল বৰাৰ মাজত বিশেষ বাক বিতণ্ডা।

(১৯ আগষ্টৰ অগ্ৰদূতৰ পৰা) নলবাৰীৰ বাহজানি অঞ্চলৰ শ্ৰীবীৰেন্দ্ৰ কুমাৰ শৰ্মাক আজি কিছুদিন আগতে আৰক্ষী বাহিনীয়ে তেওঁৰ সমগ্ৰ শৰীৰত গজাল মৰা, গৰম আলপিন মৰা, গুহ্য দ্বাৰেৰে লাঠী সুমুৱাই দিয়া, চিলিং ফেনত ওলোমাই লৈ চুইচ টিপি ঘুৰাই দিয়া, প্লাচেৰে হাতভৰিৰ নখবোৰ টানি টানি উঘালি পেলোৱা আদি বিভিন্ন ধৰণৰ অত্যাচাৰ কৰাৰ পিচত পুনৰ নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীচৌৰেই শৰ্মা বুলি আন এজনলৈ পিষ্টলেৰে গুলী মাৰে।

২৫ আগষ্ট নতুন দিল্লীত নিৰ্বাচনী আয়োগে আহ্বান কৰা এক সৰ্ব দলীয় সন্মিলনৰ সিদ্ধান্ত মৰ্মে মুখ্য নিৰ্বাচনী আয়ুক্তই ১৯৭১ চনৰ ভোটাৰ তালিকাৰ সংশোধন কৰি অসমত আগন্তুক নিৰ্বাচন পাতিব লাগে বুলি কেন্দ্ৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়োৱাৰ সিদ্ধান্ত লয়। আয়োগৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰি হিতেশ্বৰে তাক কেন্দ্ৰীয় চৰ্কাৰে গ্ৰহণ কৰাত বিঘিনি পথালি দিবলৈ আৰম্ভ কৰে।

১১ অক্টোবৰ কংগ্ৰেছ (এছ)ৰ চাৰিজন সাধাৰণ সম্পাদকে অসমৰ প্ৰশাসনে কৰা ক্ষমতাৰ অপপ্ৰয়োগৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি সেই বিষয়ে কিবা এটা কৰিবলৈ ৰাষ্ট্ৰপতি জাইল চিঙক স্মাৰক পত্ৰ দিয়ে।

২১ অক্টোবৰ ঢেকিয়াজুলিৰ আছুৰ নেতা দ্বিজেন ভূঞাক গুৱাহাটীলৈ আহোতে একে বাছত অহা ডেমক্ৰেটিক যুথ ফেডাৰেছনৰ কেইজনমান গুণ্ডাই বাহিৰলৈ গতিয়াই দিয়ে আৰু পুলিচে তেওঁক নিষ্ঠুৰ ভাৱে মৰিয়াই হত্যা কৰে।

২৭ অক্টোবৰ নিৰ্বাচনী আয়োগে ১৯ নবেম্বৰৰ পৰা অসমৰ ঘৰে ঘৰে গৈ ভোটাৰ তালিকা সংশোধনৰ কাম আৰম্ভ কৰিব বুলি ঘোষণা।

৩১ আক্টোবৰ তেওঁ মাতৃহাৰা, পিতৃহাৰা, পুত্ৰহাৰা কৰা বহু লোকৰ দ্বাৰা অভিশপ্তা ইন্দিৰা গান্ধীৰ নিজৰ চিখ দেহৰক্ষীৰ গুলীত মৰণ মিলিল।

অসমৰ বাহিৰে ভাৰতৰ সকলো ঠাইতে হিন্দুসকলে চিখ নিধন কৰে। বহু হেজাৰ লোকৰ মৃত্যু। ইন্দিৰা গান্ধীৰ পুতেক ৰাজীৱ গান্ধীক ইন্দিৰা কংগ্ৰেছে প্ৰধান মন্ত্ৰী ৰূপে প্ৰতিষ্ঠা কৰে।

১১ নৱেম্বৰ অসম চৰ্কাৰে আচাম ট্ৰিবিউনৰ সংবাদদাতা কমল শইকীয়াক অকাৰণত গ্ৰেপ্তাৰ কৰা কাৰণে ভাৰতৰ প্ৰেছ কাউন্সিলে অসম চৰ্কাৰে প্ৰেছৰ স্বতন্ত্ৰতাক অন্যায় ভাবে আক্ৰমণ কৰা বুলি উদ্বেগ প্ৰকাশ কৰি অসম চৰ্কাৰক সাৱধান বাণী শুনায়।

১৭ নৱেম্বৰ আছু আৰু গণ সংগ্ৰাম পৰিষদে নৱম শ্ৰেণীৰ পৰা এম-এ মহলালৈকে সকলো ছাত্ৰ-ছাত্ৰীক ভোটাৰ সংশোধনী কৰোতে বিদেশীৰ নাম যাতে ভৰোৱা নহয় তাৰ ওপৰত সতৰ্ক লক্ষ্য ৰাখিবলৈ নিৰ্দেশ দিয়ে।

২১, ২২, ২৩ নৱেম্বৰ আছুৰ উদ্যোগত যোৰহাটত দ্বিতীয় জাতীয় অভিবৰ্তন।

২৬ নৱেম্বৰ অসম চৰ্কাৰে ৰাজ্যত থকা ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰ বিকাশৰ কাৰণে এখন উন্নয়ন বৰ্ড গঠন কৰাৰ সিদ্ধান্ত লয়।

২৯ নৱেম্বৰ অসমৰ প্ৰাক্তন ৰাজ্যপাল প্ৰকাচ মেহৰোত্ৰাৰ পুতেকে লণ্ডনৰ দোকান এখনৰ পৰা পেন, টেপ আদি চুৰি কঁৰোতে ধৰা পৰে। পুতেকে এই চুৰি বিদ্যা কাৰ পৰা শিকিলে তাৰ সমিধান ৬ মে, ১৯৮৪ৰ অগ্ৰদূতৰ পৰাই পাব পাৰি - "শ্ৰীপ্ৰকাচ মেহৰোত্ৰাই অসম এৰি যোৱাৰ আগে আগে অসমৰ ৰাজকোষৰ পৰা আঢ়ৈ লাখ টকা লৈ গ'ল বুলি জানিব পৰা গৈছে।" মেহৰোত্ৰাই অসমৰ ৰাজ্যপালৰ পদবীৰ পৰা পোনেই ভাৰতৰ লণ্ডনস্থ হাইকমিছানৰ হয় আৰু নীতিবিৰুদ্ধ ভাবে অসমৰ ৰাইজৰ মুৰতে কঠাল ভাঙি অসমৰ ৰাজকোষৰ ইমানখিনি ধন উলিয়াই লৈ গ'ল। "ৰাজ্যপাল হিচাবে শ্ৰীমেহৰোত্ৰাই ৰাষ্ট্ৰপতিৰ শাসনকালৰ সুযোগ গ্ৰহণ কৰি তেওঁ উপকৃত হোৱা ব্যক্তিগত শহুৰ বৃহৎ উদ্যোগ এটাক পুলিচৰ বাবে সংৰক্ষিত বৃহত্তৰ গুৱাহাটীৰ প্ৰায় কুৰি বিঘা মাটি বন্দোৱস্তী দিবলৈ নিৰ্দেশ দিয়াই নহয় তেওঁৰ উচটনিতে সেই উদ্যোগ প্ৰতিষ্ঠানটোৱে বন্দোৱস্তী পোৱাৰ আগতেই সমুদয় প্ৰায় কুৰি বিঘা মাটি বেদখল কৰি থলে।" পিচত হিতেশ্বৰ চৰ্কাৰে ভীৰু ভৃত্যৰ দৰে তাৰ প্ৰতিবাদ নকৰি সেই প্ৰতিষ্ঠানটোক সেই মাটিৰ বন্দোৱস্তী দিলে। সি যিয়েই

নহওক, চোৰৰ পুতেক চোৰ হৈ ভাৰতৰ ভাঙৰ উপকাৰ কৰিলে কিয়নো তাৰ কাৰণে মেহবোৱাই হাই কমিছানৰৰ পদৰী এৰি দিব লগীয়া হয়।

৪ ডিচেম্বৰ অসমৰ বেআইনী চৰ্কাৰে অসমৰ বড়োলোক অধিককৈ থকা অঞ্চলত বড়ো ভাষাক সহযোগী ৰাজ্য ভাষা ৰূপে স্বীকৃতি দিয়ে।

২৪ - ২৭ ডিচেম্বৰ অসম আৰু পঞ্জাৱৰ বাহিৰে ভাৰতৰ আন সকলো ৰাজ্যত লোকসভাৰ নিৰ্বাচন। ৰাজীৱ গান্ধীৰ আৰু ইন্দিৰা কংগ্ৰেছৰ বিপুল ভোটত জয়লাভ।

## বছৰটোৰ খতিয়ান

হিতেশ্বৰ চৰ্কাৰে পুলিচক আইনৰ সকলো ৰক্ষণাবেক্ষন দি অসম আন্দোলনৰ নেতাসকলৰ ওপৰত অমানুষিক অত্যাচাৰ চলাবলৈ এৰি দিয়াটো এই বছৰৰ উল্লেখযোগ্য ঘটনা। সেয়েহে, ৰাইজে এই বেআইনী চৰ্কাৰক 'দস্যু চৰ্কাৰ' আৰু হিতেশ্বৰক 'নৰপ্ৰাদক', 'পাতকী' আদি নামেৰেহে বৰ্ণনা কৰে। অগ্ৰদূতৰ ৯ মে'ৰ সম্পাদকীয়ত ৰাইজৰ মনোভাৱ প্ৰতিফলিত হৈছে, "সম্প্ৰতি পুলিচ বাহিনী যি দৰে দুৰ্নীতি আৰু বেআইনী কাৰ্য কলাপত নামিছে তাৰ তুলনা নাই। কিন্তু কোনো এটা দুৰ্নীতিৰ ক্ষেত্ৰতো পুলিচৰ ওপৰত শাস্তি বিহিবলৈ প্ৰশাসন অপাৰগ, কিয়নো তেতিয়া হেনো পুলিচে নৈতিক সাহস হেৰুৱাই পেলাব।" সেইদৰে চৰ্কাৰক, সম্পাদক গৰাকীয়ে সকিয়ায়, "মনত ৰখা ভাল হব যে এই স্বদেশপ্ৰেমিক যুৱক-যুৱতীসকলৰ গাত অন্যায় ভাবে পৰা প্ৰতিটো কোবেই এদিন প্ৰতিধ্বনিত নহব বুলি ধাৰণা কৰিব পাৰিবনে?"

প্ৰশাসনৰ ৰাজদণ্ড হাতত ন'লেও ৰাইজৰ ভয়ত হিতেশ্বৰ মন্ত্ৰীসভাই পুলিচ আৰক্ষী বাহিনী আদিৰে সুৰক্ষিত কৰি দিছপুৰক এক সংৰক্ষিত গড়ালত পৰিণত কৰে আৰু তাৰ পৰা প্ৰাণ গলেও নোলোৱা হয়।

সেইদৰে এই বছৰ আছুৰ নেতাসকলৰ ওপৰতো ৰাইজ নানা কাৰণত সন্দিহান হোৱাটো পৰিলক্ষিত হয়। (এই বিষয়ে ১৭ অক্টোবৰ ১৯৮৪ৰ অগ্ৰদূতত প্ৰকাশ হোৱা বিশ্বজিৎ বৰুৱাৰ প্ৰবন্ধ 'আন্দোলনৰ নেতৃত্ব অসমৰ ভৱিষ্যত আৰু মূৰ্খৰ স্বৰ্গ' প্ৰবন্ধৰ সাৰ অংশ তলত দিলো)।

## চতুৰ্দশ অধ্যায়

# আন্দোলনৰ নেতৃত্বৰ অসমৰ ভৱিষ্যত আৰু মূৰ্খৰ স্বৰ্গ

***বিশ্বজিৎ বৰুৱা***

[১৭ অক্টোবৰৰ ১৯৮৪ৰ অগ্ৰদূতত প্ৰকাশ পোৱা প্ৰবন্ধৰ দুই এটা বাক্য বাদ দিয়াৰ বাদে আন সাল-সলনি নকৰি ইয়াত দিয়া হ'ল। বিশেষ অসুবিধাৰ কাৰণে শ্ৰীবৰুৱাৰ পৰা আগতীয়াকৈ অনুমতি ল'ব পৰা নগ'ল। সেই কাৰণে এই লিখকৰ দোষ মাৰ্জনা কৰে যেন]

নেতৃত্বৰ অদূৰদৰ্শিতাৰ বাবেই হওক বা অন্য কাৰণতেই হওক, দিল্লীলৈ তাঁত বাঁতি কৰিও নেতৃত্বই উপযুক্ত সময়ত দৰ দাম কৰিব নজনাৰ দোষত গণ জাগৰণক কোনো কামত লগাব নোৱাৰিলে। '৭৯ - '৮১ চনৰ সময় ছোৱাত নেতৃত্বই জন-জাগৰণৰ আলম লৈ অসমৰ বাবে বহুতো গধূৰ উদ্যোগ আদায় কৰি ল'ব পাৰিলেহেঁতেন। 'কিন্তু তেজ দিম, তেল নিদিওঁ' বুলি কিছু শক্তি অযথা ব্যয় কৰিব লগাহে হ'ল।

এই যে নেতৃত্বৰ '৫১ চনৰ পৰা পিচলি '৬১। তাৰ পৰা পিচলি '৬৯ আৰু তাৰ পৰাও খহি '৭১ চনত খামোচ মাৰি ধৰিলে - এইবোৰ যদি হব লগা আছিলেই - অথবা নেতৃত্বই যদি নিজৰ স্থিতি মুৰকত বাহাল ৰাখিব নোৱাৰিলেই তেন্তে '৮৩ৰ তেজৰ বন্যাত অগণন ৰাইজ উটি যোৱাটো কেৱল অৰ্থহীনেই নহ'ল চৰম লজ্জাৰ বিষয়ো হ'ল। '৮২ৰ শেষৰ ফালৰ আলোচনাত দিল্লীয়ে '৭১ চনৰ ভোটাৰ তালিকা অনুযায়ী নিৰ্বাচন পতাত সন্মত হোৱাৰ লক্ষণ দেখা গৈছিল। কিন্তু অদূৰদৰ্শী নেতৃত্বই জিদ কৰিলে নিৰ্বাচন বৰ্জন কৰিব। মুৰকত ফল হ'ল কি? - '৮৩ত তেজৰ বন্যা বৈ গ'ল, '৮৪ত নেতৃত্বই সুবিধাবাদীৰ দৰে স্থিতি সলনি কৰি '৭১ চনক ভিত্তি বছৰ কৰাৰলৈ মাগৰিলে। কাগজে কলমে সমস্যা সমাধান হ'লেই হব জানো?

আৰু এটা কথা - আন্দোলনটোৰ লগতে সমস্যাটোৰ বয়স বাঢ়ি গৈ আছে। '৮৩ - '৮৪ ৰ দুৱাৰদলিত বৈ আমি দেখিলো - '৫১ চনক ভিত্তিবৰ্ষ হিচাবে লোৱা সম্ভৱ নহয় আৰু যুক্তিও নাই। গতিকে '৬১লৈ মাগৰ এটা মৰা হ'ল। আকৌ '৮৪ৰ শেষান্তত বৈ দেখিলো '৬১ত সম্ভৱ নহয়। আকৌ মাগৰা হ'ল '৭১লৈ। এনেদৰে বয়স বাঢ়ি যোৱাৰ লগে লগে '৮৬ চনৰ দুৱাৰদলিত বৈ দেখিম '৭১ৰ ভোটাৰ তালিকা ভিত্তি বছৰ হিচাবে লোৱা সম্ভৱ নহয়। গতিকে '৭৯ চনলৈ মাগৰিব লাগিব। গতিকে সময় যোৱাৰ লগে লগে সমস্যাটোৰ সমাধানৰ পথো আঁতৰি গৈ থাকিব। গতিকে অতি শীঘ্ৰে সমস্যাটোৰ সমাধান এটা অতীব প্ৰয়োজনীয়।

হিংসাত্মকেই হওক বা অহিংসই হওক আন্দোলন এটাৰ লক্ষ্য হ'ল প্ৰতিপক্ষক অসুবিধাত পেলাই দাবী মানিবলৈ বাধ্য কৰোৱা। কিন্তু আমাৰ আন্দোলনৰ ক্ষেত্ৰত দেখা গ'ল - আমাৰ নিজৰহে আন্দোলনটোৰ ফলত লোকচান হ'ল প্ৰতিপক্ষৰ বিশেষ একো লোকচান নহ'ল। এই যে নিষ্প্ৰদীপ, শ্ৰেণী বৰ্জন আদি কাৰ্যসূচী বিলাক, তাৰ দ্বাৰা চৰ্কাৰৰ একো অসুবিধা নহয় গতিকে এইবিলাক কাৰ্যসূচী অৰ্থহীন। নিষ্প্ৰদীপ পালনৰ অৰ্থ হ'ল আমাৰ একতা প্ৰতিপক্ষক দেখুওৱা। কিন্তু এটা কলা বেজ পৰিধান কৰিও মিটো আমি দেখুৱাব পাৰো, সেইটো সন্ধ্যা সময়টো লাইট অফ কৰি নিজৰ ঘৰত ভাত-পানী বাদ দি আন্ধাৰে মুন্ধাৰে বহি থকাটো অৰ্থহীন। ইয়াৰ বাবে প্ৰতিপক্ষৰ কি বা অসুবিধা হয়? অসম বন্ধ আদি সফল হৈছে নে বিফল হৈছে তাক প্ৰধানকৈ জোখা হয় চাবি লাগ মান চৰ্কাৰী কৰ্মচাৰীৰ কাৰ্যালয়ত উপস্থিতি অনুপস্থিতিৰ স্কেল দালৰ দ্বাৰা। কিন্তু দিন বাঢ়ি যোৱাৰ লগে লগে এসময়ত মৰণ পণ প্ৰতিজ্ঞা কৰা বহুতো কৰ্মচাৰীয়ে এতিয়া কয় - 'নেতাবৃন্দই দিল্লীৰ লাড্ডুৰ সোৱাদ পাই দিল্লীত বুদ্ধদ্বাৰ বৈঠক পাতিছেগৈ। একো নহবগৈ ল'ৰা-ছোৱালী কেইটাৰ মুখলৈ চায়েই চাকৰিটোলৈ আহোঁ। অমুকক দেখিলো নহয় চাকৰি যোৱা সময়খিনিত ঘৰৰ যি হাঁহাকাৰ অৱস্থা।' এই ভাবটো অধিকাংশ কৰ্মচাৰীৰ মুখৰ বাক্যৰ প্ৰতিফলন। শ্ৰেণীবৰ্জন এটা প্ৰকৃততেই অদৰ্কাৰী কাৰ্যসূচী। শ্ৰেণীবৰ্জনৰ ফল স্বৰূপে বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ যি অপকাৰ হয় সেইয়া অপূৰণীয়। গতিকে নিষ্প্ৰদীপ, শ্ৰেণীবৰ্জন, অসম বন্ধ আদিৰ দ্বাৰা আন্দোলনলৈ বা সমস্যাটোৰ প্ৰতি জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিবলৈ যোৱাটো মূৰ্খতাৰহে পৰিচায়ক।

গণজাগৰণৰ সময়ছোৱাৰ আন্দোলনৰ কাৰ্যসূচীৰ আটাইতকৈ উল্লেখযোগ্য আৰু প্ৰয়োজনীয় আছিল স্বাৱলম্বিতা। কিন্তু আমাৰ যুৱক-যুৱতীসকলে 'স্বাৱলম্বিতা'ক অতি ঠেক গণ্ডীলৈ লৈ গ'ল। প্ৰকৃতাৰ্থত স্বাৱলম্বিতাৰ ব্যাখ্যা ইমান সৰু নহয় যে - দুদিন মানৰ বাবে বেল ষ্টেচনত জোতা চাফ কৰি অথবা কাগজ বিক্ৰী কৰি স্বাৱলম্বিতাৰ আদৰ্শ দেখুৱাব পাৰি। দুদিন মানৰ বাবে বজাৰ সমূহত স্বাৱলম্বী ডেকা-গাভৰুৰ প্ৰতাপত সোমাব নোৱাৰা অৱস্থা হৈছিল। কিন্তু, অৱশেষত সকলো মিছা হ'ল। দেখা গ'ল স্বাৱলম্বী সকলৰ অধিকাংশই স্কুল কলেজ খোলাৰ লগে লগে দোকান এৰি হাতত কিতাপ ফলি ললেগৈ। স্কুল-কলেজ বাদ দিয়াসকলেও অন্যক দেখি পুনৰ 'লিভ-ভেকেন্সি' বিচাৰি ভিক্ষাৰীৰ দৰে অফিচ কাছাৰীৰ দুৱাৰ মুখত ভিৰ কৰিলেগৈ। স্কুল-কলেজত পঢ়িও নিজৰ খৰচৰ বাবে মাক-দেউতাকৰ ওচৰত হাত নাপাতি ছাত্ৰই নিজৰ খৰচ নিজেই উলিয়াই লব লাগে। গণ-জাগৰণৰ নেতৃবৃন্দই এই টো ধৰি ৰাখিব লাগিছিল।

বৰ্তমান আন্দোলনটোৰ গতিশীলতা মুঠেই নাই। নেতৃবৃন্দই বিশ্ববিদ্যালয়ৰ চৌহদত সোমাই কি গুণা-গঁথা কৰিছে সেইয়া ৰাইজৰ অজ্ঞাত। দিল্লীত বুদ্ধদ্বাৰ বৈঠক পাতিছে। বৈঠকৰ 'ব'টোও ৰাইজে গম পোৱা নাই। গতিকে

সবহ ভাগ আন্দোলন সমৰ্থকক এটা সৰ্বনাশীয় চিন্তাই খুলি খুলি খোৱাটো একো অস্বাভাৱিক নহয়। নেতৃত্বই মন্ত্ৰীসকলক উপলুঙা কৰিছে - গড়ালত সোমাই থকা বুলি। কিন্তু জন সাধাৰণে নেতৃত্বৰ প্ৰতিও সন্দেহ প্ৰকাশ কৰিছে 'বিশ্ববিদ্যালয়ৰ চৌহদ এৰি তেওঁলোক আজাৰ মাজলৈ অহা নাই কিয় ?'

আছুৰ কাৰ্যনিৰ্বাহকখন আজি ছয় বছৰে একেখনেই হৈ আছে। ফলস্বৰূপে ই আন্দোলনটোৰ গতিশীলতাত প্ৰচণ্ড আঘাত হানিছে। '৭৮ চনত প্ৰফুল্ল মহন্তক সভাপতি হিচাবে লৈ যিখন কাৰ্যকৰী সমিতি গঠন কৰা হৈছিল সেইখন কাৰ্যনিৰ্বাহকৰ ম্যাদ এবছৰৰ বাবেহে আছিল। আৰু এটা দীঘলীয়া আন্দোলনৰ নেতৃত্ব দিব লাগিব বুলিও এই কাৰ্যনিৰ্বাহকৰ সৃষ্টি কৰা হোৱা নাছিল। গতিকে এবছৰৰ বাবে নিৰ্বাচিত এখন সমিতিয়ে বছৰৰ পিছত বছৰ কাৰ্যনিৰ্বাহক কৰি যোৱা দেখাতেই বিসংগতিপূৰ্ণ। এই ভাবি ভয় হয় যে এইখন কাৰ্যনিৰ্বাহক ক্ষমতাৰ গাদীত বহিবলৈ পালে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াটোকেই বোধ হয় বন্ধ কৰি দিব।

নিজৰ গাত 'অৰাজনৈতিক' নামাৱলী এখন আঁৰি, 'ৰাজনৈতিক সমস্যা' বুলি প্ৰকাৰন্তৰে স্বীকাৰ কৰি, সমস্যাৰ সমাধান, সমাধান বুলি হামৰাও কাঢ়ি যদি কেইজনমান নেতাই মুনাফা বোটলাৰ আশা কৰিছে তেন্তে আমি তেওঁলোকক সুস্পষ্ট ভাবে সোঁৱৰাই দিব খোজো যে তেওঁলোক প্ৰকৃততেই 'পিঠাগুৰিৰ বামুণৰ' দৰেই মূৰ্খৰ স্বৰ্গত বাস কৰিছে।

লংকালৈ গৈ ৰাৱণ নোহোৱাৰ এটা শেৰাপ্টি অসমৰ ৰাইজক দি প্ৰকাৰন্তৰে এটা সুসংগঠিত আঞ্চলিক দলে দিচপুৰৰ গাদী দখল কৰাটো অত্যন্ত প্ৰয়োজনীয়। নিৰ্বাচনলৈ এতিয়াও যথেষ্ট সময় আছে। গতিকে দীঘলীয়া সময় সন্মুখত থকা অৱস্থাতেই এটা গঠনমূলক বিতৰ্কৰ সময় আহি পৰিছে।

*পঞ্চদশ অধ্যায়*

# সম্প্ৰীতি বিহু

বঙালী বিহু ৰং-ৰহইচৰ উৎসৱ। কিন্তু অনাচাৰী শাসকৰ অত্যাচাৰত, বৰ নেতাসকলৰ কুচক্ৰত যেতিয়া দেশৰ চুকে কোণে অগনি জ্বলে তেতিয়ানো আমি কেনেকৈ ৰংৰহইচৰ আয়োজন কৰোঁ। অসমীয়া জাতিক জীয়াই ৰখাৰ সংগ্ৰামত যেতিয়া বহুতেই প্ৰাণ হেৰুৱাৰ লগীয়া হৈছে, যুৱক-যুৱতীসকলে অশেষ জীয়াতু ভুগিব লগীয়া হৈছে আৰু সমাজত সন্মানিত বহুলোক নানা প্ৰকাৰে লাঞ্ছিত হৈছে সেই সময়ত সেই মৃত্যু-অত্যাচাৰ-লাঞ্চনাই স্পৰ্শ নকৰা সকলে বিহুতলীত ৰং-ধেমালি কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেয়েহে যোৱা বছৰ আমেৰিকাবাসী অসমীয়াই বঙালী বিহু নপতাকৈয়ে থাকিল। কিন্তু এই বছৰ কথাটো সুকীয়া। সেই অত্যাচাৰ-উৎপীড়ন আৰু অনাচাৰী শাসন এতিয়াও চলি আছে যদিও, অসমীয়া জাতি এতিয়াও দুৰ্যোগৰ সন্মুখীন হৈ আছে যদিও, এইবাৰ আমি আগ্ৰহেৰে অপেক্ষা কৰিছো আমাৰ জাতীয় উৎসৱ বিহুটোলৈ - থিক বঙালী বিহুলৈ নহয়, সম্প্ৰীতিৰ বিহুলৈ।

বিহুৰ দৰে এটা জাতীয় উৎসৱৰ সহায়ত আমাৰ নতুন আৰু খিলুৱা অসমীয়াৰ মাজত সম্প্ৰীতি বঢ়োৱাৰ বিশেষ সুযোগ আমি গ্ৰহণ কৰা উচিত। অসমীয়া হিন্দু, মুছলমান, চিখ, খৃষ্টিয়ান আটাইৰে মাজত এক নতুন সম্প্ৰীতি গঢ়ি জাতিটোক সুসংগঠিত কৰাটো এইবাৰ বিহুৰ বিশেষ উদ্দেশ্য হ'ব লাগে। লগতে নতুন অসমীয়াসকলক অসমীয়া সমাজে আঁকোৱালি লোৱাৰ আৰু অসমৰ কাৰণে বা অসমীয়াৰ কাৰণে বিশেষ স্বাৰ্থত্যাগ কৰা ন-পুৰণি অসমীয়াসকলক আদৰ সম্ভাষণ জনাই মান ধৰি এইবাৰ বিহুত আমি তেওঁলোকৰ শলাগ লোৱা উচিত।

সম্প্ৰীতিৰ উপৰি এইবাৰ আমি জাতীয় চৰিত্ৰ গঠনৰ কাৰণেও বিহু পতা উচিত। এইটো বিনা দ্বিধাই ক'ব পাৰি যে আজিৰ অসমীয়া জাতিয়ে নানান দুৰ্গতিৰ সন্মুখীন হোৱাৰ এটা প্ৰধান কাৰণ হৈছে স্বাধীনতাৰ পিছৰ পৰা আমাৰ জাতীয় চৰিত্ৰৰ অধঃপতন। স্বাৰ্থ, ক্ষমতা বা বিষয়-আসক্তিৰ লোভে অসমীয়াসকলক দুৰ্বল কৰি আহিছে। এতিয়াও এক বিশেষ শ্ৰেণীৰ বিকৃত বা বিপথে যোৱা কাৰ্যবিধিয়ে জাতিটোক অসংযত কৰি আছে। সেয়েহে, এইবিলাকৰ বিপক্ষে যুজি জাতীয় চৰিত্ৰক এটা ভাল গঢ় দিবলৈ এইবাৰ বিহুতে আমি দৃঢ় সংকল্প লোৱাৰও অতি প্ৰয়োজন। ই সচাকৈয়ে সৌভাগ্যৰ কথা যে চাৰি বছৰে আছুৰ নেতাসকলে আৰু আমাৰ নতুন মনৰ তৰুণ তৰুণীসকলে আমাৰ জাতীয় চৰিত্ৰলৈ নতুন দৃঢ়তা আনিছে। আজিৰ এক বৃজন সংখ্যক অসমীয়াই, বিশেষকৈ যুৱক-যুৱতীসকলে অসমীয়া জাতিক জীয়াই ৰাখিবৰ কাৰণে যি স্বাৰ্থত্যাগ কৰি দেখুৱাইছে সি যেন আমাৰ জাতীয় চৰিত্ৰ গঠনত বিশেষ সহায় কৰে। সেয়েহে এইবাৰ বিহুত আমাৰ চহিদসকলক সুঁৱৰি

ডেৰ্ঙলোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো অতি প্ৰয়োজন। এইবাৰ বিহুত চহিদসকলৰ সাহস, স্বাৰ্থত্যাগ আৰু জাতীয় প্ৰেম আহৰণ কৰিম বুলি প্ৰত্যেক অসমীয়াই মন বন্ধাটো এটা প্ৰধান লক্ষ্য হ'ব লাগে।

চৰিত্ৰ-গঠনৰ কথা কওঁতে এইটোও মনত ৰখা উচিত যে এক আধ্যাত্মিক আদৰ্শেৰে বলিয়ান নোহোৱাকৈ চৰিত্ৰৰ ৰূপ দিয়াটো অসম্ভৱ। জাগতিক বিষয়ৰ দ্বাৰা চৰিত্ৰ নিৰ্ণয় কৰা নাযায়। চৰিত্ৰ গঠনৰ কাৰণে প্ৰয়োজন আত্ম বিশ্বাস, আধ্যাত্মিক শক্তিৰ ওপৰত বিশ্বাস আৰু ভগৱৎ চিন্তা। এইবিলাকৰ সহায়ত কেনেদৰে জাতীয় চৰিত্ৰ গঠন কৰিব পাৰি তাৰ উজ্জ্বল আদৰ্শ শংকৰদেৱ, মাধৱদেৱ, মাইল্স ব্ৰন্সন আদিয়ে আমাক ভালদৰে দেখুৱাই থৈ গৈছে। এইবাৰ বিহুত আমি এই মহাপুৰুষসকলৰ জীৱনৰ চানেকীবিলাক ভালদৰে বুজিবলৈ চেষ্টা কৰিব লাগে। বিদেশী খেদিবলৈ সহায় হ'ব বুলি বা আন্দোলনত সহায় হ'ব বুলি আমি ন আৰু পুৰণি অসমীয়াৰ মাজত বা অসমৰ ভিন ভিন জনগোষ্ঠীৰ মাজত সম্প্ৰীতি গঢ়িব নোৱাৰোঁ - তেনে ৰাজনৈতিক প্ৰীতি ক্ষণস্থায়ী হোৱাটো স্বাভাৱিক। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিচাৰোঁ এক চিৰযুগমীয়া সম্প্ৰীতি যাৰ উৎস ভগৱৎ প্ৰেম।

ভগৱৎ প্ৰেম বিলাবলৈকে প্ৰয়োজন ভাষা আৰু সংস্কৃতিৰ। কৃষ্ণ প্ৰেম বিলাবলৈকে আৰু অসমৰ ভিন ভিন জনগোষ্ঠীৰ মাজত ভকতিৰ কঠিয়া সিঁচিবলৈকে শংকৰদেৱে আমাৰ ভাষা আৰু সংস্কৃতিক পৰিপুষ্ট কৰিব পাৰিছিল। সেইদৰে খৃষ্ট-প্ৰেমৰ বাণী প্ৰচাৰ কৰিবলৈকে ব্ৰাওন আৰু ব্ৰন্সনে অসমীয়া আৰু অসমৰ আন আন জনগোষ্ঠীৰ ভাষাক আধুনিক গঢ় দিবলৈ নিজৰ সকলো শক্তি প্ৰয়োগ কৰি খাটিব পাৰিছিল। সেয়েহে যিদৰে আমি নিজৰ ভাষাক ৰক্ষা আৰু চহকী কৰিবলৈ সদায় যত্নপৰ হ'ব লাগে সেইদৰে আমাৰ সংস্কৃতিক জীয়াই ৰাখিবলৈকো চেষ্টা কৰিব লাগে। বিশেষকৈ, আজি সাংসাৰিক লাস-বিলাস আৰু বিষয়-সুখক কেন্দ্ৰ কৰি আমাৰ সমাজৰ এচাম লোকৰ মাজত গঢ়ি উঠা দুস্কৃতিয়ে যেতিয়া অসমীয়া জাতিটোক পলে পলে দুৰ্বল কৰিবলৈ ধৰিছে আমি বিহু পতা উচিত - আমাৰ আধ্যাত্মিক আদৰ্শক কেন্দ্ৰ কৰি গঢ়ি উঠা সাংস্কৃতিক জীয়াই ৰাখিবৰ কাৰণেই।

এইবিলাক কাৰণতে এইবাৰ আমেৰিকাবাসী অসমীয়াসকলে বিশেষ গুৰুত্বপূৰ্ণ ভাৱে বিহু পাতিবলৈ বুলি 'আনা'ৰ (অৰ্থাৎ আচাম এছোচিয়েচন অৱ নৰ্থ এমেৰিকাৰ) কাৰ্য-নিৰ্বাহক কমিটিয়ে আজি কিছুদিন আগতে সিদ্ধান্ত লৈছে। আমেৰিকাৰ ভিন ভিন অঞ্চলত থকা আনাৰ শাখাবিলাকক এইবাৰ যথাসময়ত বিহুৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু এই নিৰ্দেশ অনুসৰি এইবাৰ বিহুৰ কাৰ্যসূচীত তলত দিয়া বিষয় কেইটাৰ ওপৰত গুৰুত্ব দিবলৈ অনুৰোধ কৰা হৈছেঃ

(১) যিমান দূৰ পৰা যায় বিহুৰ প্ৰত্যেক দিনৰ কাৰ্যসূচী যেন হিন্দু, মুছলমান, চিখ, খৃষ্টিয়ান আৰু বৌদ্ধ ধৰ্মৰ একোটা অসমীয়া ধৰ্মগীতেৰে (বৰগীত, জিকিৰ, ক্ৰন্দনৰ গীত আদি) আৰম্ভ কৰা হয়।

(২) নিজৰ নিজৰ এলেকাত থকা আৰু অসমৰ যেই কোনো থলুৱা জনগোষ্ঠীৰ লোকৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি অসমীয়াক আপোন কৰি লোৱা লোকক 'ন-অসমীয়া' বুলি গামোচা আদিৰে যথাবিহিত ভাবে যাতে মান ধৰা হয়।

(৩) অসম আৰু অসমবাসীৰ ভাষা-সংস্কৃতি-শিক্ষা আদিৰ উন্নতিৰ বাবে স্বাৰ্থত্যাগ কৰা অনা-অসমীয়া লোকৰ (নিজৰ নিজৰ এলেকাৰ) প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা। বিশেষকৈ অসমত নিস্বাৰ্থভাবে শ্ৰম কৰি এতিয়া আমেৰিকাত অৱসৰ লৈ থকা মিছনেৰীসকলক যেন নাপাহৰে।

(৪) অসমীয়া গীত নাচৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা (বিহুৰ লগত যেন 'ডিস্কো গীত', সৌন্দৰ্য প্ৰতিযোগীতা, ৰ'ক মিউজিক আদি সান মিহলি কৰা নহয়)।

(৫) অসম আন্দোলনক সবল ভাবে চলাই অসমীয়াক এক সবল সংগ্ৰামী আৰু দৃঢ় চৰিত্ৰৰ জাতিত পৰিণত কৰিবলৈ সমৰ্থ হোৱা আজিৰ তৰুণ তৰুণীসকলৰ আৰু আন স্বাৰ্থত্যাগী অসমীয়াসকলৰ শলাগ লোৱা; লগতে এই আন্দোলনত মৃত্যু বৰণ কৰিব লগীয়া হোৱা চহিদসকলৰ আত্মাৰ সৎগতিৰ বাবে প্ৰাৰ্থনা কৰা।

ওপৰৰ কথাবিলাক অসমৰ ৰাইজৰ মংগল কামনা কৰি জনালো যাতে এইবাৰ যেতিয়া ৰমকে জমকে নাহৰ ফুল ফুলি উঠিব তেতিয়া অসমৰ ৰাইজেও যেন এনে সম্প্ৰীতিৰ বিহু পাতিব যি ঢোলৰ চেও, পেপাৰ সুৰ, গীত, নাচ, হুঁচৰি আদি সকলো সাংস্কৃতিৰ মাধ্যমৰ যোগেদি উচ্ছ্বসিত হৈ অসমৰ আকাশে বতাহে নিনাদিত হ'ব। এইবাৰ অসমৰ ৰাইজে সম্প্ৰীতিৰ বিহুৰে নিজকে শক্তিশালী কৰাৰ উপৰিও শত্ৰুৰ প্ৰাণ, দেশদ্ৰোহী-জাতিদ্ৰোহী সকলৰ প্ৰাণ কঁপাই তোলা নিশ্চয় সম্ভৱ।

ৰচনাকালঃ ৫ ফেব্ৰুৱাৰী, ১৯৮৪

*ষোড়শ অধ্যায়*

## ১৯৮৫ চনৰ ধাৰাবাহিক বুৰঞ্জী

| | |
|---|---|
| ১ জানুৱাৰী | হিতেশ্বৰ চৰ্কাৰে গুৱাহাটীৰ টিটি বাছৰ প্ৰধান পথ নুনমাটিৰ পৰা পাণ্ডুৰ পথ চৰ্কাৰৰ হাতলৈ নিয়ে। অসম আন্দোলনৰ প্ৰতি টিটি বাছৰ পৰাকীসকলে সহানুভূতি দেখুৱাই অহা কাৰণে তেওঁলোকক এটা সেকা দিয়াটোৱেই চৰ্কাৰে এনে কৰাৰ প্ৰধান কাৰণ যদিও ৰাইজে চৰ্কাৰী পৰিবহনৰ আপেক্ষিক ভাবে আৰামৰ বাহুত উঠিবলৈ ভালেই পাইছে। |
| ২ জানুৱাৰী | অৰুণাচলৰ বিধান সভাৰ নিৰ্বাচনীত ইন্দিৰা কংগ্ৰেছৰ জয়লাভ আৰু সেই দলৰ গেগং আপং মুখ্যমন্ত্ৰী নিৰ্বাচিত হয়। |
| ৫ জানুৱাৰী | অসমৰ বিদেশী সমস্যা সমাধানৰ কাৰণে আন্তৰিক প্ৰচেষ্টা আৰম্ভ কৰিম বুলি ৰাজীৱ গান্ধীয়ে প্ৰতিশ্ৰুতি দিয়ে। |
| ১৭ জানুৱাৰী | অসমৰ যিবিলাক অঞ্চলত ভোটাৰৰ সংখ্যা ১৯৭১ৰ তালিকাৰ তুলনাত শতকৰা ৪০ জনতকৈ বেছি বাঢ়িছে সেইবিলাক অঞ্চলৰ ভোটাৰ তালিকা পৰীক্ষা কৰা হ'ব বুলি নিৰ্বাচনী আয়োগৰ ঘোষণা। |
| ১৯ জানুৱাৰী | তেজপুৰৰ ওচৰৰ জামুগুৰিহাটৰ পাণপুৰ অঞ্চলত বিনামূলীয়াকৈ মাছ নিদিয়া বাবে মধ্যপ্ৰদেশ আৰক্ষী বাহিনীৰ লোকে পদ্ম দাস আৰু পানীৰাম দাস নামে দুজন যুৱকক প্ৰহাৰ কৰাৰ ফলত পদ্মদাসৰ মৃত্যু হয় আৰু পানীৰাম দাস গুৰুতৰ ভাবে আহত হয়। |
| ২৮ জানুৱাৰী | অসম আন্দোলনৰ নেতাৰ কেন্দ্ৰীয় চৰ্কাৰৰ লগত আলোচনা আৰম্ভ। |
| ১২ ফেব্ৰুৱাৰী | আছুৰ আহ্বানত গুৱাহাটীত হোৱা বিৰাট সাংস্কৃতিক শোভাযাত্ৰা আৰু ৰাজহুৱা সভাই আছুৰ নেতৃত্বৰ ওপৰত ৰাইজৰ আস্থা প্ৰকাশ কৰে। |
| ১০ মাৰ্চ | অসমৰ বেআইনী চৰ্কাৰৰ দ্বাৰা অসমীয়া কথাছবিৰ সোণালী জয়ন্তী পালনৰ আয়োজন। তালৈকে ভাৰতৰ জনপ্ৰিয় চিত্ৰ তাৰকা অমিতাভ বচ্চন আৰু দিলীপ কুমাৰ আহিব বুলি ঘোষণা। |

এই সোণালী জয়ন্তীৰ নামত বেআইনী চৰ্কাৰখনে ৰাজনৈতিক স্বাৰ্থ সিদ্ধি পূৰণ কৰিবলৈ চেষ্টা কৰিছে বুলি আছুৰ ঘোষণা আৰু জনতা কাৰ্ফিউ আহ্বান কৰে। ফলত হিতেশ্বৰ চৰ্কাৰে পতা সোণালী জয়ন্তী ফাপৰিয়া হয়।

এপ্ৰিল-মে' কেন্দ্ৰীয় চোৰাংচোৱাই অসমত নিৰ্বাচনী পতাৰ বিষয়ে ভূ ল'বলৈ জৰীপ চলাই আছে বুলি জনা যায়।। সেয়েহে আগন্তুক নিৰ্বাচনী অসমত হ'ব নে নহয় তাৰ গুণা গঁথা চলিবলৈ ধৰিছে। তদুপৰি, 'আন্দোলনটো কি হ'ল?', 'ছাত্ৰসন্থাই কি কৰিছে?', 'আঞ্চলিক দলসমূহ ঐক্যবদ্ধ হ'ব নে নহয়?' আদি প্ৰশ্নৰ সমিধান নাপাই অসমীয়া ৰাইজে হাবাথুৰি খাইছে। তাতে কেন্দ্ৰীয় চৰ্কাৰৰ লগত হোৱা আলোচনা আদি অসমৰ নেতাসকলে গুপুতে ৰখাই অসমীয়া ৰাইজে নেতাসকলে ক্ষমতালৈ অহাৰ পাকচক্ৰহে গঢ়িবলৈ লৈছে বুলি সন্দিহান হ'বলৈ আৰম্ভ কৰিছে। এই কালছোৱাত মানসিক হতাশাই অসমবাসীক বেৰি ধৰা যেন অনুমান হয়।

১৩ জুলাই সন্ধিয়া ডিব্ৰুগড় নলিয়াপুল বেলৰে কলনি আৰু ৰৰবাৰি বেলৰে কলনিত অসম পুলিচৰ এটা উন্মত্ত দলে নিৰীহ জনতাৰ ওপৰত অতি নিৰ্মম ভাবে অত্যাচাৰ চলায়। সন্ধিয়া আঠমান বজাত কেইবাখনো পুলিচৰ গাড়ীৰে প্ৰথমে দুৰ্গাবাৰী অঞ্চল ঘেৰি লৈ ৰাস্তাই ঘাটে যাকে য'তে পালে তাকে লাঠী আৰু লোহাৰে মৰিয়াইযায়। সিমানতে হেঁপাহ নপলোৱাত দুৱাৰ ভাঙি ঘৰৰ ভিতৰলৈ সোমাই বহুতক মৰিয়াই গুৰুতৰ ভাবে আহত কৰে।

২১ জুলাই(ৰে অগ্ৰদূতৰ পৰা) বেআইনীভাবে নিৰ্বাচিত অসম বিধান সভা ভাঙি দিয়ে বুলি ভয়ত পেপুৱা লাগি প্ৰদেশ ইন্দিৰা কংগ্ৰেছৰ সভাপতি ধৰণীধৰ বসুমতাৰীয়ে তেনে নকৰিবলৈ কাৰো কাকুতি কৰি চিঠিত আছু আৰু গণসংগ্ৰাম পৰিষদ গোকাট প্ৰতিক্ৰিয়াশীল আৰু সাম্প্ৰদায়িকতাবাদী আখ্যা দিয়ে। সেইদৰে ইন্দিৰা কংগ্ৰেছৰ সমৰ্থক আৰু গোলাপ শৰ্মাৰ নেতৃত্বত যোৱা আঠ জনীয়া এটা উকিলৰ দলে প্ৰধান মন্ত্ৰীক দিয়া এখন স্মাৰক পত্ৰত অসম আন্দোলনপক্ষই অসম বিধান সভা ভংগ কৰিবলৈ তোলা দাবীটো গ্ৰহণ নকৰিবলৈ অনুৰোধ কৰে।

২৯ জুলাই ছিলঙত কেন্দ্ৰীয় গৃহ সচিব শ্ৰীপ্ৰধান আৰু অসম আন্দোলনৰ নেতাৰ মাজত আলোচনা আৰম্ভ।

১৫ আগষ্ট ৰাজীৱ গান্ধী আৰু অসমৰ নেতাসকলৰ মাজত অসম চুক্তি চহী কৰা হয়। এই চুক্তিৰ মূল দিহা কেইটা হ'ল -

(১) জানুৱাৰী ১, ১৯৬৬চনেই বিদেশীক চিনাক্তকৰণৰ তাৰিখ বুলি ধৰা হ'ব। ১৯৬৬-৭১ কালছোৱাত অহা বিদেশীসকলে দহ বছৰলৈ ভোটৰ অধিকাৰ হেৰুৱাব।

(২) ২৫ মাৰ্চ্চ, ১৯৭১ ৰ পিছত অসমলৈ অহা বিদেশীসকলক চিনাই দেশৰ পৰা বাহিৰ কৰা হ'ব।

(৩) অসমীয়া ৰাইজৰ ভাষা-কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ কেন্দ্ৰই ব্যৱস্থা কৰিব।

(৪) হত্যা বা তেনে ঘোৰতৰ দোষত ধৰাসকলৰ বাদে আন্দোলনৰ কাল ছোৱাত দোষী বুলি মোকৰ্দমা কৰা সকলৰ মোকৰ্দমাবিলাক সহানুভূতিৰে চোৱা হ'ব।

নিজে ক্ষমতাত থাকিবৰ কাৰণে নিজৰ স্বাৰ্থৰ কাৰণে অসম আৰু অসমীয়াৰ সৰ্বনাশ কৰা মোৱামৰীয়া-যুদ্ধৰ দিনৰ দেশদ্ৰোহী ডা-ডাঙৰীয়াতকৈও অধম হিতেশ্বৰ শইকীয়াই নিজে ক্ষমতাত থাকিবলৈ আৰু অসমক দুৰ্দশাগ্ৰস্ত কৰি ৰাখিবলৈ নতুন চল পাতিলে - জাতিদ্ৰোহ আৰু দেশদ্ৰোহত অসম বুৰঞ্জীৰ 'সকলো অধমক চেৰ পেলোৱা "এই নিশকতীয়া আহোম মুখ্যমন্ত্ৰী জনে আজিলৈকে দুবছৰে আন্দোলনকাৰীসকলক নিৰাপদ দূৰত ৰাখিবলৈ সক্ষম হৈছিল - তেওঁলোকৰ দুৰ্বল অংগ মুছলমান ছাত্ৰসকলকে চহাই আন্দোলনকাৰীক ইমান দিনে সি ভিতৰৰ পৰা ভাঙিবলৈ নিৰ্ষ্ঠুৰ ভাবে লাগি আহিছিল।"(*ইণ্ডিয়া টু-দে*, ছেপ্তেম্বৰ ১৫, ১৯৮৫)। চুক্তি চহী কৰি আন্দোলনৰ নেতাসকল উভতি গুৱাহাটী পোৱাৰ আগতেই অসম চৰ্কাৰৰ খৰছত চুক্তিখন ছপাই হিতেশ্বৰে আগকথাত লিখিলে যে চুক্তিখন বলৱৎ কৰিবলৈ কেন্দ্ৰীয় চৰ্কাৰক সকলো ৰকম সহযোগীতা দিব। সি ক'লে, 'এই চুক্তিখন মোৰেই বিজয়। সংখ্যালঘুসকলৰ কাৰণে এইটোৱেই আটাইতকৈ ভাল কথা। আগেয়ে চৰ্কাৰী বিষয়াই নাগৰিকৰ চাৰ্টিফিকেট নথকা যেই কোনো দুখীয়া বঙালীকে হাৰাশাস্তি কৰিব পাৰিছিল। এতিয়া ১৯৬৬ চনৰ আগতে অহা সকলোকে বিধি সম্মত কৰা হ'ল।[ঐ, পৃঃ ২৬]। হিতেশ্বৰ শইকীয়াই এতিয়া কেন্দ্ৰৰ হতুৱাই ভাৰতীয় নাগৰিকৰ সংশোধনীখন গ্ৰহণ কৰাবলৈ লাগিছে। এই সংশোধনীৰ ঘাই উদ্দেশ্য এইটো নিৰ্দ্দিষ্ট কৰা যে ১৯৬৬ৰ পৰা ১৯৭১চনৰ ভিতৰত অসমলৈ অহা বাংলাদেশীসকলৰ ভোট দিয়াৰ বাহিৰে সকলো অধিকাৰ থাকিব। (তলত ২০ নৱেম্বৰৰ কথা চাওক আৰু ১৫ ডিচেম্বৰ, ১৯৮৫ ৰ ইণ্ডিয়া টু-দে চাওক)। পাতকী শইকীয়াই ইলেক্সন কমিছনাৰ ত্ৰিবেদীয়ে বিদেশীৰ প্ৰতি কমিছনৰ মতি-গতি (কেঠোৰ হোৱা বুলি) আপত্তি কৰি চিঠি দিছে (ঐ, পৃঃ২৮)।

১৮ আগষ্ট — বহু চেষ্টা কৰিও আৰু কিছুদিন গাদীত বহি থাকিবলৈ নানা চল ছলনা কৰিও হিতেশ্বৰ চর্কাৰে শেষত কেন্দ্ৰৰ ধমকিত বিধান সভা ভংগ কৰে।

৭ অক্টোবৰ — উত্তৰ লক্ষীমপুৰত আছুৰ বছৰেকীয়া অধিবেশন আৰম্ভ।

১২ অক্টোবৰ — অসম আন্দোলনত অংশ গ্ৰহণ কৰা ভিন ভিন দলৰ দ্বাৰা গোলাঘাটত ৰাজনৈতিক অভিবৰ্তন আৰু এটা ঐক্যবদ্ধ ৰাজনৈতিক দল গঠন।

১৪ অক্টোবৰ — অসম গণ পৰিষদৰ জন্ম। পি-এল-পি (পূৰ্বাঞ্চলীয় লোক পৰিষদ) আৰু অসম জাতীয়তাবাদী দুয়োটা দলেই বিনা চৰ্তে নিজৰ নিজৰ স্বকীয়া অস্তিত্ব ত্যাগ কৰি এই আঞ্চলিক দলৰ একতাত বিলীন হয়।

৬ নবেম্বৰ — ১৬ ডিচেম্বৰত অসমৰ ১২৬খন বিধান সভাৰ আসন আৰু লোকসভাৰ ১৪খন আসনৰ বাবে নিৰ্বাচনী পতা হ'ব বুলি নিৰ্বাচনী আয়োগৰ ঘোষণা।

১০ নবেম্বৰ — হোজাইত জামিয়েত উলেমা-ই-হিন্দ, জামত-ই-ইছলাম, সংখ্যালঘু ফৰাম আদি সংগঠনৰ দ্বাৰা সংযুক্ত সংখ্যালঘু মৰ্চা নামে এক নতুন ৰাজনৈতিক দল গঠন। আমছুৰ দুই সাধাৰণ সম্পাদক সুকুৰ আলি আৰু উৎপল নন্দীয়ে ১৪ অক্টোবৰত দিয়া এক যুটীয়া বিবৃতিৰে তেওঁলোক এনে ৰাজনৈতিক দল গঠনৰ পক্ষপাতী নহয় বুলি ন দি কয়। তেওঁলোকৰ বিবৃতিত এইটো আঙুলিয়াই দিয়া হৈছিল যে ৰাজনৈতিক সুবিধা আদায়ৰ উদ্দেশ্যেৰে কিছু সাম্প্ৰদায়িক মনোভাবাপন্ন ব্যক্তি, সদায়েই সুযোগ সন্ধানী এচাম ৰাজনৈতিক উচ্চাভিলাষী লোক আৰু নীতিহীন ব্যক্তিয়ে সংখ্যালঘু সমন্বয় কমিটিত সোমাই লৈ সংখ্যালঘু দল গঠনৰ বাবে তৎপৰ হৈ আছিল। তদুপৰি কেতবোৰ উৎকট সাম্প্ৰদায়িক আৰু মৌলবাদী সংগঠনো একে উদ্দেশ্যেৰে সমন্বয় সমিতিত সোমাইছিল। এইবোৰ কাৰণত আমছুৱে সংখ্যালঘু সমন্বয় কমিটিৰ পৰা ওলাই আহে আৰু সংখ্যালঘু মৰ্চাৰ আংশীদাৰ হবলৈ নিবিচাৰে।

১৫ নবেম্বৰ — উত্তৰ পূব অঞ্চলৰ ১৪টা আঞ্চলিক দলৰ নেতাই গণ পৰিষদৰ হকে গাঁৱে ভূঞে প্ৰচাৰ চলাব বুলি ডিমাপুৰত বহা তেওঁলোকৰ চতুৰ্থ সম্মিলনত সিদ্ধান্ত লয়। এই আঞ্চলিক দলবোৰ হ'ল নাগালেন্দ নেচনেল দেমক্ৰেটিক পাৰ্টি, অৰুণাচল পিপুলচ পাৰ্টি, মিজো নেচনেল ইউনিয়ন, মিজো ইউনিয়ন, পিপুলচ পাৰ্টি অৱ

মিজোৰাম, মেঘালয় হিলচ পিপলচ ইউনিয়ন, মণিপুৰ পিপলচ পাৰ্টি আদি।

১৭ নবেম্বৰ (ৰে অগ্ৰদূতৰ পৰা) পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মাৰ্ক্সবাদী জ্যোতি বসু আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী নৃপেন চক্ৰবৰ্তীয়েও হিতেশ্বৰ শইকীয়া তথা ইন্দিৰা কংগ্ৰেছক সমৰ্থন কৰে।

নীতি আৰু লক্ষ্যৰ পিনৰ পৰা অসুবিধা হ'ব বুলি গণ পৰিষদে জনতা পাৰ্টিৰ লগত বুজাবুজিলৈ আহিবলৈ অস্বীকাৰ।

২০ নবেম্বৰ সকলো বিৰোধী দলৰ বিৰোধিতা সত্ত্বেও ৰাজীৱ চৰ্কাৰে মাত্ৰ তিনি ঘণ্টাৰ ভিতৰত ভাৰতীয় নাগৰিক আইনৰ সংশোধনী এটা লোকসভাত গ্ৰহণ কৰে। এই সংশোধনী মতে ১৯৬৬ ৰ পৰা ১৯৭১ চনৰ ভিতৰত বাংলাদেশৰ পৰা অসমত আহি বসবাস কৰা সকলো বিদেশীয়ে তেওঁলোকক চিনাক্ত কৰা দিনৰ দহ বছৰৰ পিছত ভাৰতীয় নাগৰিকৰ সকলো অধিকাৰ পাব। ১৫ ডিচেম্বৰ ১৯৮৫ৰ ইণ্ডিয়া টু-দেৰ মতে হিতেশ্বৰে এই সংশোধনীৰ কাৰণে কেন্দ্ৰক জোৰকৈ টানি ধৰিছিল।

নিৰ্বাচনীৰ বতৰা (নবেম্বৰ - ডিচেম্বৰ):

(ক) প্ৰধান মন্ত্ৰীয়ে নিৰ্বাচনত ইন্দিৰা কংগ্ৰেছৰ প্ৰাৰ্থীৰ কাৰণে প্ৰচাৰ কৰিবলৈ আহি তেওঁৰ সভাবিলাকলৈ অহা লোকৰ সংখ্যা কম দেখি অসমৰ পৰা খৰখেদাকৈ ওভটে।

(খ) বোলছবি অভিনেতা অমিতাভ বচ্চনে গুৱাহাটীত সভা পাতিলে তেওঁক পুলিচে নিৰাপত্তা দিব নোৱাৰিব বুলি কোৱাত অভিনেতাৰ গুৱাহাটীৰ সভা বাদ দিয়া হয়।

(গ) কেন্দ্ৰীয় মন্ত্ৰী গণিখান চৌধুৰীয়ে বৰপেটা অঞ্চলত এখনো সভা পাতিব নোৱাৰি ঠোঁট মুৰ চেলেকি অসম এৰে।

(ঘ) ইন্দিৰা কংগ্ৰেছৰ নিৰ্বাচনী কামত লগাবলৈ অসমৰ গাওঁৰক্ষী বাহিনীৰ চাৰে তিনি লাখ সেৱকক নিয়োগ কৰাৰ উপৰিও প্ৰয়োজন হ'লে অসমৰ বাহিৰৰ পৰা আৰু আঢ়ৈ লাখ গাওঁৰক্ষী বাহিনীৰ স্বেচ্ছাসেৱকক আনিবলৈ প্ৰশাসনে অপ্ৰাণ চেষ্টা চলাইছে।

(ঙ) ইমান দিনে চলে বলে কৌশলে ফুচলাই ৰখা পমুৱা মুছলমান, চাহ-মজদুৰ আৰু বঙালীসকলৰ (যোক দেৱকান্ত বৰুৱাই আলি-কুলি-বঙালী বুলি অভিহিত কৰি আহিছে) ভোটৰ ওপৰত নিৰ্ভৰ কৰা ইন্দিৰা কংগ্ৰেছে এতিয়া কাৰ ওচৰত ভোট বিচাৰি যাব ভাবি নোপোৱা

হৈছে। (*ইণ্ডিয়া টু-দে*, জানুৱাৰী ১৫, ১৯৮৬)। বিনাশ কালত তেওঁলোকে বুদ্ধি হেৰুৱাৰ বহু লক্ষণ দেখা গৈছে - যেনে, (১) নেপালীসকলৰ ভোট আশা কৰি তেওঁলোকে ছিক্কিমৰ নৰ বাহাদুৰ ভাণ্ডাৰীক নিমন্ত্ৰণ কৰে অথচ ছিক্কিমৰ ১৯৮৪ চনৰ নিৰ্বাচনত হিতেশ্বৰেই তেওঁৰ বিপক্ষে যোৱা মুখ্য কংগ্ৰেছ নেতা আছিল। - (২) তেওঁলোকৰ কাৰণে প্ৰচাৰ কৰিবলৈ অহা চিত্ৰ তাৰকা অমিতাভ বচ্চনৰ হেলিকপ্টাৰখন ভুলতে গৈ অ-গ-পৰ এখন সভাত নামে আৰু জোতা-শিল আদিৰ সম্ভাষণ পাই প্ৰাণ লৈ পলাব লগীয়া হয়। হঠাৎ খুব ঠেক ঠাইৰ পৰা উৰা মাৰিব লগীয়া হোৱাই অসুবিধা হোৱা কাৰণে তেওঁৰ লগত যোৱা কংগ্ৰেছৰ প্ৰচাৰ সচিব ভুবনেশ্বৰ কলিতা আৰু আন এজন উৰন্ত হেলিকপ্টাৰৰ পৰা জপিয়াই নামিব লগা হয়। (৩) ৰাজীৱ গান্ধীয়েও অসমৰ কংগ্ৰেছী সকলৰ খকা খুন্দা দেখি নিৰ্বাচনীৰ কাৰণে কংগ্ৰেছ আইৰ টিকট পোৱা কেবা গৰাকীও নিৰ্বাচনৰ কাৰণে মনোনয় পোৱাৰ অযোগ্য বুলি গুৱাহাটীত ঘোষণা কৰি দলৰ বিনাশ চপাই আনে। (*ইণ্ডিয়া টু-দে*, জানুৱাৰী ১৫, ১৯৮৬)।

১৬ ডিচেম্বৰ অসমৰ নিৰ্বাচনী বিশেষ দুৰ্ঘটনা নোহোৱাকৈ সমাধা হ'ল আৰু অসম গণ পৰিষদে বিপুল ভাবে জয়লাভ কৰে বিধান সভাৰ ১২৬খন আসনৰ ফলাফল হ'লঃ অ-গ-প ৬৪, ইন্দিৰা কংগ্ৰেছ ২৫, সংযুক্ত মৰ্চা (ইউ-এম-এফ) ১৭, পুৰণা কংগ্ৰেছ (এছ) ৪, ভৈয়াম জনজাতি (পি-টি-চি-এ) ৩, কমিউনিষ্ট (চি-পি-আই) ২ আৰু এখন আসনৰ ফলাফল অঘোষিত। লোকসভাৰ ১৪খন আসনৰ ফলাফল হ'লঃ অ-গ-প ৭, ইন্দিৰা কংগ্ৰেছ ৪, সংযুক্ত মৰ্চা (ইউ-এম-এফ) ১, পুৰণা কংগ্ৰেছ (এছ) ১, ভৈয়াম জনজাতি (পি-টি-চি-এ) ১।

২৪ ডিচেম্বৰ গুৱাহাটীৰ ষ্টেডিয়ামত হাজাৰ হাজাৰ দৰ্শকৰ আগত প্ৰফুল্ল মহন্তৰ নেতৃত্বত অ-গ-প চৰ্কাৰে শপত গ্ৰহণ কৰে। মন্ত্ৰী সভাত স্থান নোপোৱা কাৰণে আছুৰ স্বেচ্ছা সেৱক বাহিনীৰ নেতা জয় নাথ শৰ্মা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক বিৰাজ কুমাৰ শৰ্মাৰ ক্ষোভ - বিৰাজ শৰ্মাই উজান বজাৰত এক সৰুসুৰা শোভাযাত্ৰা উলিয়ায় আৰু শপত গ্ৰহণ উছৱৰ পৰা আঁতৰি থাকে। ৰাইজে আৰু মন্ত্ৰী-বিধায়কসকলে কেনেবাকৈ পাহৰে বুলি নতুন চৰ্কাৰে দিয়া কেইটামান প্ৰতিশ্ৰুতি লিপিবদ্ধ কৰিলো (ডিচেম্বৰ, ১৯৮৫ৰ ভিন ভিন অগ্ৰদূতৰ পৰা সংগ্ৰহ কৰা)ঃ

(১) জনসাধাৰণে মন্ত্ৰীসকলক জৰুৰী কামত লগ ধৰাত কোনো প্ৰকাৰৰ বাধা নাথাকিব।

(২) বিধায়কসকলে নিজ নিজ সমষ্টিত থাকিয়েই ৰাইজৰ অভাৱ অভিযোগবোৰ বুজি-বাজিয়েই কাম চলাব। জনসাধাৰণৰ কোনোৱেই মন্ত্ৰী-বিধায়কক লগ ধৰিবলৈ দিছপুৰলৈ আহিব লগীয়া অৱস্থা সৃষ্টি হ'ব নালাগিব।

(৩) প্ৰশাসন দুৰ্নীতিমুক্ত কৰা হ'ব। মন্ত্ৰী বা বিধায়ক কোনো ক্ষেত্ৰতেই বিলাসী হ'ব নোৱাৰিব।

(৪) পুলিচ বাহিনীৰ কোনো বিষয়া বা কৰ্মচাৰীয়ে ৰাজনীতিত ভূমিকা ল'ব নোৱাৰিব আৰু গৃহ মন্ত্ৰীয়ে বিষয়াৰ ন্যায্য কৰ্ত্তব্য বা ক্ষমতাৰ ওপৰত হস্তক্ষেপ নকৰে।

(৫) মন্ত্ৰীসভাখন যিমান পাৰি সৰু কৰি ৰাজহুৱা ধনৰ ৰাহি কৰিব আৰু সেই ৰাহি ধন ৰাজ্যখনৰ উন্নয়নৰ বাবেই খৰছ কৰিব। মন্ত্ৰীৰ সংখ্যা কুৰিজনৰ বেছি কৰা নহ'ব।

(৬) নতুন মন্ত্ৰীসভাৰ কেবিনেট বৈঠকবোৰে যাতে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে নীতি নিৰ্দ্ধাৰণ কৰা মতেহে সিদ্ধান্তবোৰ লয় আৰু তাৰ বিপৰীতে মন্ত্ৰজ্ঞসকলে যাতে আন কোনো নিজা ৰবীয়া সিদ্ধান্ত লব নোৱাৰে তাৰ বাবে চকু ৰাখিবলৈ তিনিজন পৰ্যবেক্ষক নিয়োগ কৰা হ'ব। একেধৰণেৰে শ্ৰীমহন্তই মুখ্য মন্ত্ৰীৰ দায়িত্ব ভাৰ লোৱাৰ পিচতেই গণপৰিষদৰ বিধায়কসকলৰ মাজত যিখন সংসদী বোৰ্ড গঠন কৰা হ'ব তাতো গণপৰিষদৰ কাৰ্যনিৰ্বাহকে দুজন পৰ্যবেক্ষক নিয়োগ কৰিব। সংসদী বোৰ্ডৰ কোনো সিদ্ধান্তই যাতে দলীয় সিদ্ধান্ত বা নীতিৰ বিপৰীতে যাব নোৱাৰে তাৰ বাবে এই দলীয় পৰ্যবেক্ষক দুজনে সংসদী বোৰ্ডৰ বৈঠকত থাকি চকু দিব।

আগৰ চৰ্কাৰৰ মন্ত্ৰীসকল যে চোৰ ডকাইতৰ দল সেইটো এটা কথাৰ পৰাই ওলাই পৰে যে ভেওঁলোকৰ বহুতে দিছপুৰৰ বাস ভৱন এৰাৰ সময়ত সেইবিলাকৰ পৰা মূল্যবান পালেং, আলমাৰী, চ'ফা চেট, পৰ্দা কাৰ্পেট আদি লৈ যায় আৰু নিব নোৱাৰা বেচিন আদি কোৰাই ভাঙি থৈ যায়। আগৰ সমাজকল্যাণ বিভাগৰ মন্ত্ৰী দীপক মুৰ্মুৱে চৰ্কাৰী গডৰেজ আলমাৰী এটাও ট্ৰাকত তুলি লৈ যায়। (অগ্ৰদূত, ৫ জানুৱাৰী, ১৯৮৬)।

আগৰ অধ্যক্ষ ইন্দিৰা কংগ্ৰেছৰ চৈখ চান্দ মহম্মদে ৫০ হেজাৰতকৈও অধিক টকাৰ আচবাৱ চাৰি হেজাৰ টকাতে সৰকালে (অগ্ৰদূত, ১৬ ফেব্ৰুৱাৰী, ১৯৮৬)। নেতা কিমান তললৈ নামিব পাৰে?

*সপ্তদশ অধ্যায়*

# অসমত নৈতিকতাৰ স্খলন দেখি

'অসমৰ মহিলাৰ ওপৰত চলা নিৰ্যাতন সভ্য সমাজত নজীৰ বিহীন' (অগ্ৰদূত, ১৬ নৱেম্বৰ, ১৯৮৩)। 'পুলিচৰ অত্যাচাৰ আৰু জনজাতীয় যুৱতী ধৰ্ষণ' (অগ্ৰদূত ১৪ ডিচেম্বৰ, ১৯৮৩)। 'দিছপুৰৰ ৰাজধানী চৌহদৰ অপৰাধমূলক ঘটনাত মন্ত্ৰীপুত্ৰ অভিযুক্ত' (অগ্ৰদূত, ২৮ অক্টোবৰ, ১৯৮৪)। পুলিচ, উচ্চবিষয়া, মন্ত্ৰী নিজেই তথা তেনে ডা-ডাঙৰীয়াৰ পুত্ৰ আদিয়ে মহিলাৰ প্ৰতি কৰা অভদ্ৰ বা পশুৰ দৰে আচৰণ আজিকালি অসমৰ বাতৰি কাকতত নিতৌ পঢ়িবলৈ পোৱা যায়। তদুপৰি বাতৰি কাকতত প্ৰকাশ নোপোৱা তেনে ধৰণৰ নানান ঘটনা মানুহৰ মুখতো বহুত শুনিবলৈ পোৱা যায়। বৰ্তমান চৰ্কাৰ (হিতেশ্বৰ শইকীয়া) ক্ষমতালৈ অহা দিনৰে পৰা এনে ধৰণৰ ব্যৱহাৰ অতিমাত্ৰা ৰূপে বাঢ়ি যোৱাটোও মন কৰিব লগীয়া কথা। তাতোকৈয়ো দুখ লগা কথা এয়ে যে দুৰাচাৰী দোষীলোকক বিচাৰৰ কাৰণে আনিবলৈ বৰ্তমান চৰ্কাৰে কোনো চেষ্টা কৰা দেখা নাযায়। সেয়েহে, আজি এশ বছৰতকৈও আগেয়ে ১৮৬৬ চনত শিৱসাগৰৰ দুজন ইংৰাজ বিষয়াই অসমীয়া মহিলাৰ প্ৰতি কৰা অভদ্ৰ ব্যৱহাৰৰ কাৰণে কেনেদৰে এজন ইংৰাজ হাকিমে তেওঁলোকক দোষী পাই তেওঁলোকক শাস্তি দিছিল তাক তলত দিলো বোলো, কোনোবাৰ যদি চকু মেল খাই খাওক।

ঘটনাটোৰ বৰ্ণনা পোৱা গৈছে বৰ্তমান পোৱা ব্ৰন্সনৰ পেৰাত থকা কেইখনমান চিঠিত। চিঠি কেইখন তেতিয়া শিৱসাগৰতে থকা আমেৰিকান মিছনেৰী উইলিয়াম ওৱাৰ্ডে মাইল্স ব্ৰন্সনলৈ লিখিছিল। উইলিয়াম ওৱাৰ্ডৰ মতে-

"শিৱসাগৰ টি কোম্পানীৰ মেনেজাৰ আৰু শিৱসাগৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক ছাৰ্লচ হেছিয়ে মিষ্টাৰ থমাচ বেকাৰৰ লগ লাগি কিছু বেয়া কাম কৰি আছে যি তেওঁলোকৰ কাৰণে শোচনীয় পৰিণতি ঘটাব বুলি মোৰ বিশ্বাস। চমুতে, তেওঁলোকে ২৬ ছেপ্তেম্বৰৰ মাজনিশাৰ পিছত তেওঁলোকৰ দুৰভিসন্ধিৰ কাৰণে গোলাপী (বিবাহিতা) আৰু ইলাচিক (বিয়া কৰাৰৰ বয়স হোৱা) পাবৰ কাৰণে ভোদৰামৰ ঘৰলৈ গ'ল। তেওঁলোকে মদ খাই গৈছিল যদিও তেওঁলোক মাতাল হোৱা নাছিল কাৰণ তেওঁলোকে যোৱাৰ আগতে 'সেই ছোৱালী কেইজনীক আনিমেই' বুলি বাহাদুৰী কৰা মানুহে শুনিছিল। তেওঁলোক গ'ল, চৌহদত সোমাল আৰু কুকুৰবিলাকৰ ভুকভুকনি চলিল - মাউত এজনে আলিৰ সিপিনে বান্ধি থোৱা তেওঁৰ হাতীটো চাবলৈ বুলি ওলাই আহি চাহাব দুজনক দেখিলে - তেওঁলোকে তেওঁ কোন সুধিলে আৰু তেওঁলোকক ছোৱালী কেইজনী পোৱাত সহায় কৰিলে ১০ টকা দিম বুলি ক'লে। মাউত জনে তাত কিনিব পৰা ছোৱালী নাই, তেওঁলোক খৃষ্টিয়ান আদি

ক'লে। তাৰ পিছত মাউতজনে পৈ ভোদক জগালে আৰু তেওঁ গোলাপীৰ পিৰিয়েক আৰু আন এজন চীনালোক লগ লাগি সেই চাহাব দুজন আকৌ আছে নেকি চাবলৈ বুলি গুদাম ঘৰলৈ গ'ল, ভোদে এডাল লাঠী লৈ। অলপ পিছতেই সিহঁত আহিল - বেকাৰ আগত আৰু বেকাৰে ছোৱালী কেইজনীৰ শোৱা কোঠাৰ পিনে পৈ খিড়ীকিখন ভাঙি লাহেকৈ সুহুৰিয়াই ভৰিবে টক টকাওঁতেই ভোদে পিচ ফালৰ পৰা জপিয়াই তেওঁৰ পিঠিত মাৰ সোধালে, ফলত তেওঁ পিছ হুঁহোকিল। তাৰ পিছত তেওঁলোক দুয়ো বাটৰ পিনে দৌৰিলে, হেছি আগত আৰু ভোদ পিছে পিছে - বেকাৰক চেৰ পেলাই ভোদে আকৌ তেওঁক মাৰ সোধালত বেকাৰে উভতি ঘূৰি তেওঁক পৰা মাৰি ধৰিলে। ভোদে তেওঁৰ পৰা এৰাই অহাত হেছিয়ে বেকাৰক সহায় কৰিবলৈ আঁহোতে তেওঁও এটা কোব খালে। বেকাৰে ভোদৰ হাতৰ পৰা লাঠীদাল কাঢ়ি লওঁতে সেইদাল দুডোখৰ হ'ল কাৰণ সেইদাল ঘুণে খোৱা বাঁহৰ টাঙোন আছিল, এজনৰ হাতত এডোখৰ পৰিল আৰু আন ডোখৰ ইজনৰ হাতত ৰ'ল। বেকাৰে তেওঁৰ ডোখৰ ভোদৰ মুৰৰ পিনে দলিয়ালে, ভোদে বাগি দি সাৰিল আৰু তাৰ পিছত সেই কাপুৰুষ দুজন পলাল। তাত প্ৰায় ছজনমান খলুৱা লোক আছিল কিন্তু ভোদৰামৰ বাদে বাকীবিলাকে ভয় কৰিছিল। তেওঁৰ খং উঠিলে বৰ ভয়ানক হৈ পৰে। অলপ পিছতেই বেকাৰ পৰি একোচা মূল্যবান চাবি আৰু ৪ টকা হেৰুৱালে, সেই কেইটা পিছত বোটলা হ'ল (প্ৰমাণ ৰূপে প্ৰদৰ্শোৱা হ'ব)। হেছিও পৰিছিল। ভোদ আৰু আন দুজনমানে অলপ দূৰৈত থাকি তেওঁলোকক একেবাৰে মন্দিৰৰ ওচৰলৈকে অনুসৰণ কৰিছিল আৰু তাৰ পিছত ৰাতি ১টা বজাত মোৰ ওচৰলৈ আহিল। কাইলৈ (কোছাৰীত) বিচাৰ আৰম্ভ হ'ব।"

হেছি আৰু বেকাৰৰ অসৎ আচৰণৰ বিচাৰ এজন ইংৰাজ হাকিমৰ আগত দিন চেৰেক পিছতেই আৰম্ভ হ'ল। সেই বিচাৰৰ বিষয়ে অক্টোবৰ ৮, ১৮৬৬ৰ চিঠিত ৰেভাৰেণ্ড ওৱাৰ্ডে এনেদৰে লিখিছে, "আমি সেই লম্পট দুটা হেছি আৰু বেকাৰক ভালদৰেই এসেকা দিলো - সিহঁতে প্ৰাণপণে যুজিলে - মানুহে কৰিব পৰা সকলো কৰিলে কিন্তু এইবিলাক এনে কথা যাক ধূৰ্ত্তামি বা টকাৰে সংঘটিত কৰিব নোৱাৰি। সিহঁতে সাক্ষীবিলাকক টকাৰে লোভ দেখুৱালে, তিনিটাক কিনিলে কিন্তু আমাৰ প্ৰয়োজনতকৈ অধিক থাকিল, ২০ জন। সেই তিনিটাক নামাতিলো। এজন সাক্ষী মুক্তিয়াৰৰ ঘৰত কাম কৰা ল'ৰাটোক সিহঁতে মুক্তিয়াৰজনৰ যোগেদি বাধা দিবলৈ চেষ্টা কৰিছিল, কিন্তু মুক্তিয়াৰজনে মোক সিহঁত বা সিহঁতৰ ভেটীতকৈ দহগুণ বেছি ভয় কৰে। শেষ মুহুৰ্ত্তত সিহঁতে ভোদক ১০০০ টকা দি কথাটো নিষ্পত্তি কৰিবলৈ বিচাৰিছিল সিও কাম নকৰিলে, এই পাদুৰীয়ে তেওঁক আগেয়ে সাৱধান কৰি থৈছিল যে ৫০০০ টকা দিলেও যেন সিহঁতৰ পইচা তেওঁ নুচুৱে। সেয়েহে, সিহঁত ৰণলৈ আহিব লগা হ'ল আৰু বেয়াকৈ পৰাভূত হ'ল। জৰিমনা বৰ বেছি নহ'ল, পাইপতি ৫০ টকা কিন্তু, ই ২০০ টকা হোৱাতকৈও বেয়া কাৰণ তাক এপীল কৰিব নোৱাৰি আৰু সিহঁতে এপীল কৰিম বুলি ভাবিছিল। কালিমা এটা যে লাগিল সেইটো সিহঁতে অনুভৱ কৰিছে। সেই মাতাল বেশ্যালয়, স্পেলন্টাই

ক্লাৰত থকা বাকী লম্পট বিলাকেও ভয়াৰ্ত শিয়ালৰ দৰে কেওপিনে সিঁচৰিত হৈ পলাল।"

এডাল ঘূণে ধৰা লাঠীৰে চুবুৰীয়া মহিলাৰ সন্মান ৰক্ষা কৰিবৰ কাৰণে বৃটিচ ৰাজৰ দিনত দুজন ডেকা ইংৰাজ বিষয়াৰ বিপক্ষে হতাহতি কৰা ভোদৰামৰ সাহসক আমি নশলাগি নোৱাৰোঁ। অৱশ্যে, আজি এশ বছৰতকৈও আগতে ১০০০ টকাৰ ভেটী এটাৰ লোভ সামৰি ভোদৰামে যি নৈতিক মনোবল দেখুৱালে সি তেওঁৰ সাহসতকৈ বহুগুণে প্ৰশংসনীয় কিয়নো সেইদিনত ভোদৰামৰ নিচিনা এজন লোকে এহেজাৰ টকাৰে হয়তো গোটেই জীৱন সুখেৰে খাব পাৰিলেহেঁতেন।

সেইদৰে শিৱসাগৰীয়া ৰাইজৰ নৈতিক চৰিত্ৰ সুন্দৰভাৱে ৰাখিবৰ কাৰণে পাদুৰী ওৱাৰ্ডে দিয়া নৈতিক নেতৃত্ব প্ৰশংসনীয়। কিন্তু আটাইতকৈ প্ৰশংসনীয় কথা হৈছে - এজন ইংৰাজ হাকিমে এটা সাধাৰণ দোষৰ কাৰণে দুজন ইংৰাজ বিষয়াক দণ্ড দি দেখুওৱা ন্যায় পৰায়ণতা। সচাকৈয়ে ক'বলৈ গ'লে, বেকাৰ আৰু হেছিৰ অপৰাধ অতি সামান্য আছিল কাৰণ সেই ছোৱালী দুজনীৰ শোৱা কোঠালীৰ বাহিৰৰ পৰা সুহুৰিওৱাৰ বাহিৰে তেওঁলোকে আন একো কৰা নাছিল। ইয়াৰ বিপৰীতে যোৱা বছৰ নৱেম্বৰ মাহত আৰু আজি কিছুদিন আগত কি ঘটিছিল বিজাই চাবৰ কাৰণে মই ঘটনা দুটা অগ্ৰদূতৰ পৰাই তুলি দিলো।

" ৬:৩০ বজাৰ খন্তেক পিছতেই দিছপুৰ থানাৰ পুলিচ বিষয়া শ্ৰীবলোৰাম শইকীয়াৰ নেতৃত্বত উপস্থিত হোৱা এদল পুলিচৰ লোকে বাহিৰৰ পৰাই আৰ্তনাদ কৰিলে, 'অই দুৱাৰ খোল, দুৱাৰ খোল'। দুৱাৰ খুলিবলৈ নৌপাওঁতেই পুলিচৰ লাঠীৰ কোবত সমুখৰ আটাই কেইখন খিৰীকিৰ আইনা ভাঙি পেলোৱা হ'ল। শ্ৰীমতী বৰাই দুৱাৰ খোলাৰ লগে লগেই লাঠীৰে পিঠিত সজোৰে প্ৰহাৰ কৰি সোধা হয়, 'অই তোৰ গিৰীয়েৰ ক'ত?' শ্ৰীমতী বৰাই তেওঁ যোৰহাটলৈ যোৱা বুলি কোৱাত কিতাপৰ আলমাৰী চেল্ফ আদি বগৰাই দিয়ে আৰু আইনাৰ সামগ্ৰী য'ত যিমান আছিল ভাঙি টুকুৰা টুকুৰ কৰা হয়। শ্ৰীমতী বৰাক লাঠীৰে হানি খুচি ভতালিকে পুলিচৰ গাড়ীত তোলা হয় আৰু সমগ্ৰ বাটতে উল্লাসিত হৈ সেই পুলিচ বিষয়াসকলে ক'বলৈ ধৰে 'আজি ভাল চিকাৰ মিলিছে' ইত্যাদি।" (অগ্ৰদূত, ১৬ নৱেম্বৰ, ১৯৮৩)।

দ্বিতীয়টো ঘটনা ঘটে দিছপুৰৰ চৌহদতে - "যোৱা বুধবাৰে সন্ধিয়া দিছপুৰৰ আবাসিক অঞ্চলত এজন মন্ত্ৰীৰ পুতেকে একে ঠাইৰে এজন চৰ্কাৰী কৰ্মচাৰীৰৰ জীয়েকক ঘৰৰ ভিতৰতে বেয়া উদ্দেশ্যেৰে হাতত ধৰি টনা আজোৰা কৰোঁতে হাতে লোটে ধৰা পৰাৰ বাতৰিয়ে ৰাজধানীত আৰু ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে"।

ওপৰৰ বাতৰিত উল্লেখ কৰা পুলিচ বিষয়া কেইজন, মন্ত্রীপুত্র আৰু তেওঁৰ সপৰীয়া বন্ধুসকলৰ তুলনাত হেছি আৰু বেকাৰ সাধু সন্ত যেন অনুমান হয়। তথাপি আজি এশ বছৰ আগেয়ে হেছি আৰু বেকাৰক বৃটিচ বিষয়াই অতি তৎপৰতাৰে বিচাৰ কৰি তেওঁলোকৰ সামান্য অপৰাধৰ কাৰণেই দণ্ড দিছিল কিন্তু আজিকালিৰ অতি বৰ্বৰ ব্যৱহাৰ কৰা দুৰাচাৰী লোক সকলক দণ্ড দিয়া দূৰৈত থাওক তেওঁলোকক বিচাৰৰ কাৰণেও অনা নহয়। উদাহৰণ স্বৰূপে ওপৰৰ প্ৰথম ঘটনাটোৰ ক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়েও অনুসন্ধান চলাম বুলি লোকসভাত প্ৰতিশ্ৰুতি দিছিল আৰু দ্বিতীয়টো ঘটনাৰ অনুসন্ধান চলিয়েই আছে। এদেও দুদেওকৈ চলা এই অনুসন্ধানবিলাক যে লোটা নিয়া দেও আৰু অপৰাধ ঢাকিবৰ চেষ্টা মাথোন তাক হয়তো বাইজে ভালদৰে জানে। ন্যায় বিচাৰৰ নামত এইবিলাক নৈতিকতাৰ স্খলন মাত্ৰ।

ই দুঃখ লগা যে ওপৰৰ ঘটনা দুটা ঘটিছিল ৰাজধানীৰ চৌহদতে বা ৰাজধানীৰ নিচেই কাষতে অৰ্থাৎ আজিৰ মন্ত্ৰী, ডা-ডাঙৰীয়া আৰু শাসকবৰ্গৰ চকুৰ আগতে - যিসকলৰ ওপৰত গোটেই ৰাজ্যখনৰ শাসনৰ ভাৰ পৰিল সেইসকলৰ চকুৰ আগতে যদি এনে অন্যায়, অধৰ্ম, অনাচাৰ চলি থাকিব পাৰে তেনেহলে দেশৰ আন আন অঞ্চলত কি অৱস্থা হৈছে তাক কল্পনা কৰা কঠিন নহয়।

অৱশ্যে, সাহসৰ অভাৱ বা নৈতিকতাৰ স্খলন আজিৰ শাসক-বৰ্গৰ মাজতে সীমাবদ্ধ নহয়। আমাৰ মাজত আজি ভোদৰামৰ দৰে সাহসী মানুহ নাই বাবু নালাগে কিন্তু উইলিয়াম ওৱাৰ্ডৰ দৰে সমাজক নৈতিক নেতৃত্ব দিব পৰা লোকৰ কিয় অভাৱ?

২০ জানুৱাৰী, ১৯৮৫ৰ অগ্ৰদূতত প্ৰকাশিত

*অষ্টাদশ অধ্যায়*

# আমেৰিকাবাসী অসমীয়াৰ কৰ্তব্য

(আনা অৰ্থাৎ অসম এছোচিয়েছন অৱ নৰ্থ এমেৰিকাৰ বছৰেকীয়া অধিবেশন দহ আৰু এঘাৰ আগষ্টত দুদিনীয়াকৈ ফ্লৰিডাৰ অৰ্লাণ্ডো চহৰত অনুষ্ঠিত হয়। সেই এছোচিয়েছনৰ বিদায়ী সভাপতি ৰূপে দিয়া অভিভাষণৰ সাৰ অংশ)

আমি আজি ৱাল্ট ডিজনীৰ চমকপ্ৰদ সৃষ্টিসমূহ আৰু কেনেডী স্পেচ চেণ্টাৰৰ আকাশলংঘা ৰকেট, মহাকাশগামী ৰথ আদিৰে বেৰি থকা এই অতুলনীয় চহৰত সমবেত হৈছো যদিও আপোনালোক বহুতৰ দৰে মোৰও মনটো লুইতৰ পাৰৰ আমাৰ সমাজখনলৈহে গৈছে। যোৱা কেইবছৰৰ ৰাজনৈতিক পাকচক্ৰ আৰু কোনো কোনো স্বাৰ্থ অন্বেষীলোকৰ কাৰ্য কলাপে অসমীয়া হিন্দু-মুছলমানৰ মাজত সন্দেহ আৰু বিভাজন আনিছে, অসমীয়া ব্ৰাহ্মণ আৰু আন কোনো কোনো জাতিৰ মাজত বিদ্বেষ সৃষ্টি কৰিছে, আৰু অসমৰ বহু জনজাতীয়লোকক অসন্তুষ্ট কৰিছে। সেইবিলাকৰ ওপৰত ভূতৰ ওপৰত দানহৰ দৰে মদ আৰু দুনীতিয়ে অসমীয়া সমাজত ইমান বেয়াকৈ শিপাইছে যে অসমৰ পৰা সকলো বিদেশী খেদিব পাৰিলেও অসমীয়া জাতিৰ অস্তিত্ব বজাই ৰখাটো টান হ'ব। এটা জাতিক ধ্বংস কৰিব পৰা এই প্ৰক্ৰিয়াবিলাক প্ৰতিৰোধ কৰিব নোৱাৰাৰ কাৰণে এক সম্প্ৰীতিপূৰ্ণ আৰু চহকী সংস্কৃতিৰ জাতিৰূপে অসমীয়া সমাজৰ ভৱিষ্যতৰ প্ৰতি বহুতেই সন্দিহান হৈছে।

যোৱা বছৰ অসমলৈ যাওঁতে শ্ৰীমতী লিলি মজিন্দাৰ বৰুৱাৰ অনুগ্ৰহত লোকপ্ৰিয় বৰদলৈদেৱৰ ডায়েৰীখন পঢ়িবলৈ সুযোগ পাইছিলো। তাত বৰ্ণোৱা এটা ঘটনা উল্লেখ কৰোঁ - স্বাধীনতা পোৱাৰ কিছুদিন পিছতে বৰদলৈদেৱে গঠন কৰা মন্ত্ৰীসভাত মৌলানা তৈয়বুল্লাক ল'বলৈ ওলোৱা দেখি চৰ্দাৰ পেটেলক ধৰি কেন্দ্ৰৰ বহু নেতা সন্ত্ৰাসিত হৈছিল। দেশবিভাজনৰ ভয়াবহ পটভূমিত পাকিস্তানৰ গাতে গা লাগি থকা অসম প্ৰদেশত এজন মুছলমানক মন্ত্ৰীৰূপে লোৱাটো তেওঁলোকে নিবিচাৰিলে। সেয়েহে কেন্দ্ৰীয় গৃহমন্ত্ৰী পেটেলে তৈয়বুল্লাক মন্ত্ৰীসভাৰ পৰা বাদ দিবলৈ বৰদলৈদেৱক একাধিকবাৰ নিৰ্দেশ দিলে। কিন্তু বৰদলৈদেৱৰ দৃঢ় ঘোষণা - 'মই তৈয়বুল্লাক মুছলমান বুলি মন্ত্ৰীসভাত লোৱা নাই, মোৰ এজন বিশ্বস্ত সহকৰ্মী বুলিহে তেওঁক লগত লৈছো'। শ্ৰীমতী বৰুৱাৰ পৰা এইটোও জানিব পাৰিলো যে বৰদলৈদেৱ জেলত থাকোতে তেখেতৰ পৰিয়ালটোক চোৱা-মেলাত তৈয়বুল্লা চাহাবৰ পৰিয়ালটোৱেই আগ ভাগ লৈছিল। সি যিয়েই নহওক চৰ্দাৰ পেটেলে তৈয়বুল্লাক মন্ত্ৰীসভাৰ পৰা বাদ দিবলৈ খুব জোৰ কৰাৰ কাৰণে শেষত

বৰদলৈদেৰে দৃঢ় ভাবে জনাই দিলে যে তৈয়বুল্লাক বাদ দিব লাগিলে তেওঁ নিজেই পদত্যাগ কৰিব আৰু তেওঁ তেনে কৰিবলৈকে সাজু হ'ল। সেই হিন্দু-মুছলমানৰ সংঘৰ্ষৰ যুগত অসমীয়া হিন্দু আৰু মুছলমানৰ মাজত থকা সম্প্ৰীতি দেখি কেন্দ্ৰীয় নেতাসকলে ভবধ মানিলে আৰু বৰদলৈদেৱৰ দৰে নেতাৰ ওচৰত নতশিৰ হ'ল। আজি সেই অসমীয়া হিন্দু-মুছলমানৰ মাজত ওপজা সন্দেহ আৰু বিভেদ ভাব সচাকৈয়ে দুখলগা।

অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতি আৰু উদাৰ ব্ৰাহ্মণসকলৰ আৰ্য-সংস্কৃতি বিস্তাৰৰ কাৰণে থকা আন্তৰিক প্ৰচেষ্টাৰ দ্বাৰা মই জীৱনত বিশেষ ভাবে উপকৃত কাৰণে মই এই কথা হাঁড়ে হাঁড়ে উপলব্ধি কৰোঁ যে অসমীয়া জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে আমাৰ ঐতিহ্যপূৰ্ণ সম্প্ৰীতি পুনৰ উদ্ধাৰতেই - মোৰ দেউতা স্বৰ্গীয় ফণীধৰ দত্তৰ স্কুলীয়া দিনৰে পৰা বন্ধু আছিল স্বৰ্গীয় সুৰেন বুঢ়াগোঁহাই, স্বৰ্গীয় মাধৱ ভট্টাচাৰ্য আৰু সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱা। দেউতাৰ আৰ্থিক অৱস্থা অতিশয় বেয়া আছিল - তেখেতৰ মেট্ৰিক পৰীক্ষাৰ ফিজটো দিছিল মাধৱ ভট্টাচাৰ্যই আৰু আই-এ পৰীক্ষাৰ ফিজটো নিজৰ হাতৰ আঙঠি বন্ধকত দি গোটাই দিছিল বিনন্দ বৰুৱাদেৱে। কোৱা বাহুল্য যে বৰুৱা আৰু ভট্টাচাৰ্য দুয়ো ব্ৰাহ্মণ, বুঢ়াগোঁহাইদেৱ আহোম ৰজাৰ বৰ বিষয়া পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ আজো নাতি আৰু দেউতা আছিল আহোম ৰজাৰ এজন শ্ৰমিক পাইকৰ নাতি। এখন সম্প্ৰীতিপূৰ্ণ সমাজত সেই চাৰি গৰাকীলোকৰ বন্ধুত্ব গঢ়ি উঠিছিল আৰু তেওঁলোকে ইজনে সিজনক আন্তৰিকভাৱে ভাল পাব পাৰিছিল - তেখেতসকলৰ বন্ধুত্বক সুঁৱৰি আজিও সকলো জনালোকে গৌৰৱ কৰে। এইটোও উল্লেখযোগ্য যে তেখেতসকলক গোটেই জীৱন প্ৰেৰণা দিয়া গুৰু আছিল যোৰহাট হাইস্কুলৰ স্বনামধন্য শিক্ষক জেহিৰুদ্দিন আহমদ - দেউতাই নিজে লিখি থৈ গৈছে যে 'জেহিৰুদ্দিন আহমদ ছাৰৰ মৰম চেনেহৰ অবিহনে' তেওঁ হাইস্কুলীয়া শিক্ষা সাং কৰাটো অসম্ভৱ হ'লহেঁতেন। যাহওক, ফণীধৰ দত্ত, মাধৱ ভট্টাচাৰ্য, সুৰেন বুঢ়াগোঁহাই, বিনন্দ চন্দ্ৰ বৰুৱা আদিৰ দৰে আস্থাপূৰ্ণ ব্যক্তিক জন্ম দিয়া সম্প্ৰীতিপূৰ্ণ সমাজখনক সেই ব্যক্তি কেইগৰাকীয়ে নানা প্ৰকৰে উপকৃত কৰি থৈ গ'ল। এনে এখন সম্প্ৰীতিপূৰ্ণ অসমীয়া সমাজকে আমি পুনৰ উদ্ধাৰ কৰিব লাগিব।

অসমত বিভিন্ন ধৰ্ম, বিভিন্ন জাতি আৰু বিভিন্ন জনগোষ্ঠীৰ লোক আছে সচা কিন্তু আমি ইজনে সিজনৰ মুখলৈ চালেই বুজিব পাৰোঁ যে আমাৰ প্ৰত্যেকৰে গাত কিছু পৰিমাণে একে তেজৰ কণিকা আছে, যি হয়তো আমাৰ আদিম উপৰি পুৰুষসকলৰ পৰা অহা - এই কথা উপলব্ধি কৰিবৰ কাৰণে নৃতত্ত্ববিদৰ কাষ চাপিবৰ প্ৰয়োজন নাই। এই কেইদিন আমি হিন্দু-মুছলমান-খৃষ্টিয়ান পুৰণা আৰু নতুন অসমীয়া আটায়ে ইয়াত মিলিজুলি ইজনে সিজনৰ সান্নিধ্যত অসীম আনন্দ উপভোগ কৰিছো। আমাৰ ল'ৰা-ছোৱালীইঁতেও ইটিয়ে সিটিৰ লগত খেলি আত্ম-বিভোৰ হৈছে - আমি এনেদৰে আপোন হ'ব পৰাৰ কাৰণ আমাৰ মুখৰ মাত কথা আৰু আজাৰ অসমীয়া ভাৱ ভাবাই নহয় নে?

বৰগীত হিন্দুৰ গীত, জিকিৰ মুছলমানৰ গীত, ব্ৰাওন-ব্ৰন্সনৰ গীত খৃষ্টিয়ানৰ গীত - কিন্তু এই সকলোবিলাকৰে ভাষা অসমীয়া, সুৰ অসমীয়া আৰু প্ৰকাশভংগী অসমীয়া। সেয়েহে এই সকলোবিলাক ধৰ্মগীতে আমাৰ অন্তৰাত্মাক স্পৰ্শ কৰে। আমাৰ মুখৰ এই মাতকথা, আমাৰ সেই তেজৰ সম্বন্ধ, আমাৰ সুৰ-সংগীত, আমাৰ ঐতিহ্য আদিয়েই আমাৰ সম্প্ৰীতিৰ ভেঁটি হোৱা উচিত। আমি প্ৰবসুৱা অসমীয়াসকলে হয়তো এই কথা বেছি ভালদৰে উপলব্ধি কৰোঁ। বহু ক্ষেত্ৰত আমাৰ মনবিলাক হয়তো বেছি মুকলি। সেয়েহে আমি আমাৰ আন্তৰিক উপলব্ধিবিলাকেৰে আমি অসমীয়া জাতিক উপকৃত কৰা উচিত। আমাৰ এনে উপলব্ধি আৰু এনে অভিজ্ঞতাবিলাক আমাৰ মিতিৰ কুটুম, বন্ধু-বান্ধৱ আৰু দহৰ আগত আমি নিসংকোচে ব্যক্ত কৰাটো আমাৰ কৰ্তব্য।

কিয় ক'ব নোৱাৰোঁ আমি অসমীয়াসকলে আমাৰ ঐতিহ্যপূৰ্ণ আপোন-কৰা প্ৰথা সম্পূৰ্ণ পাহৰি পেলাইছে। যি প্ৰথাৰে টাই দেশৰ পৰা অহাসকল অসমীয়া হৈছিল, যি প্ৰকাৰে আজমীৰৰ পৰা অহা আজান ফকীৰ অসমীয়া হৈছিল, যি প্ৰক্ৰিয়াৰে ৰাজস্থানৰ পৰা অহা জ্যোতিপ্ৰসাদৰ উপৰিপুৰুষসকল অসমীয়া হৈছিল, যি প্ৰকাৰে চহিদ চন্দন চিঙৰ পঞ্জাৱৰ পৰা অহা উপৰি পুৰুষসকল অসমীয়া হৈছিল, যি প্ৰথাৰে বংগদেশৰ পৰা অহা অসমৰ সুপুত্ৰ কনকলাল বৰুৱাৰ উপৰি পুৰুষসকল বা অসমী আইৰ মৰমী সন্তান বুৰঞ্জীবিদ সূৰ্য কুমাৰ ভূঞাৰ বিহাৰৰ পৰা অহা উপৰি পুৰুষসকল অসমীয়া হৈছিল সেই প্ৰথাক আমি আজি দহগুণ বেছিকৈ প্ৰয়োগ কৰিব লাগে। অসমীয়া ভাষাক আৰু অসমীয়া জাতিক আপোন কৰি লোৱাসকলক আমি আমাৰ সমাজত সম্পূৰ্ণ আস্থা দিব লাগে - তেহেলৈ তেওঁলোক হিন্দুৱেই হওক, মুছলমানেই হওক বা খৃষ্টিয়ানেই হওক। মই এইটো বিনা দ্বিধাই ক'বলৈ বিচাৰোঁ যে অসমীয়াৰ লগত বৈবাহিক সম্বন্ধ আদিৰ যোগেদি বা আন সৰ্বান্তকৰণে কৰা প্ৰচেষ্টাৰে অসমীয়া হ'বলৈ বিচৰা আৰু নিজৰ ল'ৰা-ছোৱালীক অসমীয়া স্কুলত পঢ়ুৱাই অসমীয়া বুলি পৰিচয় দিবলৈ বিচৰা বিদেশীসকলকো আমি আপোন বুলি ল'ব লাগে।

যোৱা দুবছৰমানৰ পৰা আমি আমেৰিকাত থকা অসমীয়াসকলে অসমীয়াৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি বা আন প্ৰকাৰে অসমীয়াক আপোন কৰি লোৱা বহুতকে গামোছাৰে মান ধৰি বা আন প্ৰকাৰে আদৰি লৈছো। এনে প্ৰচেষ্টা অসমতো প্ৰৱৰ্তাবলৈ চেষ্টা কৰাটো আমাৰ কৰ্তব্য।

শেষত মই আমেৰিকাৰ অসমীয়া সমাজখনলৈকো আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰোঁ। আপোনালোক যি সকলে ইয়াৰ ভাৰতীয় বাতৰি কাকতবোৰ পঢ়িছে তেওঁলোকে হয়তো বৰ্তমান ইয়াত থকা ভাৰতীয় কিশোৰ-কিশোৰী বা ডেকা-গাভৰুসকলে সন্মুখীন হোৱা সাংস্কৃতিক সংঘাতবিলাকৰ বিষয়ে পঢ়িবলৈ পাইছে। আমি অসমীয়াসকল একপ্ৰকাৰ ভাগ্যৱান এই কাৰণেই

যে আমাৰ বেছি ভাগৰে ল'ৰা-ছোৱালী এতিয়াও সৰু হৈ আছে। সেয়েহে আমি এতিয়াৰে পৰা অলপ সতৰ্ক হোৱা উচিত। এইটো থিক যে কেৱল টেলিভিছন, চিনেমা চাই বা কম্পিউটাৰত ভিডিও খেলি আমাৰ ল'ৰা-ছোৱালীৰ সাংস্কৃতিক জীৱন পৰিপুষ্ট হ'ব বুলি আমি আশা কৰাটো ভুল। আমেৰিকাবাসী চীনাসকলৈ চাওক তেওঁলোকে নিজৰ সংস্কৃতিক ধৰি আছে কাৰণেই তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে সাংস্কৃতিক সংঘাতৰ জীয়াতু ভুগিব লগীয়া নহয়। আমি অসমীয়াসকলে কিন্তু অতি সহজেই নিজৰটো এৰি দিবলৈ বিচাৰোঁ - তেনে কৰাৰ পৰা আমাৰ ষিয়েই নহওক লাগিলে আমাৰ ল'ৰা-ছোৱালী সংস্কৃতিবিহীন হৈ সমাজত আস্থা হেৰুৱাটো স্বাভাৱিক। আমি আমাৰ ল'ৰা-ছোৱালীৰ মনত আত্মবিশ্বাস ওপজাই তেওঁলোকৰ ভৱিষ্যত সুস্থিৰ কৰিবৰ কাৰণেই আমাৰ ভাষা, আমাৰ গীত, আমাৰ নৃত্য-নাট্য-সাহিত্য আদিৰ লগত তেওঁলোকৰ ভাল পৰিচয় ঘটাব লাগে। আপোনালোকে হয়তো এইটো ভালদৰে দেখিছে যে নিজৰ সংস্কৃতিৰে চহকী লোককহে আমেৰিকান সমাজে আদৰ কৰে। যোৱা কেইসপ্তাহমান আমি শ্ৰীমতী ইন্দিৰা বৰাৰ সত্ৰীয়া নৃত্য বহু ঠাইত প্ৰদৰ্শন কৰাইছো। সকলোবিলাক ঠাইতে আমেৰিকান দৰ্শক আৰু পণ্ডিতসকলে সত্ৰীয়া নৃত্যৰ প্ৰতি প্ৰদৰ্শন কৰা সমাদৰ দেখি মই সঁচাকৈয়ে আচৰিত হৈছো। বিশেষকৈ ব্ৰাওন বিশ্ববিদ্যালয়ৰ থিয়েটাৰ বিভাগৰ নাম কৰা বৰ অধ্যাপক ডঃ বাৰ্ণহিল আৰু অধ্যাপক এমিয়ে সত্ৰীয়া নৃত্যক বিশেষ স্বীকৃতি দিছে। আমাৰ ল'ৰা-ছোৱালীক আমি আমাৰ সত্ৰীয়া নৃত্য আৰু তেনে বৈশিষ্টপূৰ্ণ আমাৰ সংস্কৃতিবিলাক আহৰণ কৰিবলৈ সুবিধা দিয়াটো আমাৰ কৰ্তব্য।

ৰচনাকালঃ জুলাই ১৯৮৫

# তৃতীয় ভাগ

# অ গ প চৰকাৰৰ দিন



আমেৰিকাবাসী অসমীয়াৰ ৱাশ্বিংটনত ধৰ্মঘট

*এক দহ ন অধ্যায়*

## ১৯৮৬ চনৰ ধাৰাবাহিক বুৰঞ্জী

১ জানুৱাৰী নতুন চৰ্কাৰে প্ৰথম সপ্তাহত তলত দিয়া সিদ্ধান্ত কেইটা লয়ঃ

(১) ৰাজ্যখনৰ খেতিৰ মাটি খেতিৰ বাদে আন কাৰণত বিক্ৰী কৰিব নোৱাৰিব।

(২) শান্তি নিকেতনত পাতিবলৈ বিচৰা পূৰ-ভাৰতীয় সাংস্কৃতিক কেন্দ্ৰটোলৈ আগৰ চৰ্কাৰে আগ বঢ়োৱা এক কোটী টকা আৰু কাছাৰ জিলাত তৃতীয় বিশ্ববিদ্যালয় পাতিবলৈ লোৱা আগৰ চৰ্কাৰৰ সিদ্ধান্ত নাকচ।

(৩) আগৰ চৰ্কাৰে অনিয়ম ভাবে নিয়োগ কৰা প্ৰায় এশজন খণ্ড উন্নয়ন বিষয়াৰ চাকৰিৰ অৱসান ঘটায় আৰু অসম ক্ৰীড়া পৰিষদখন ভাঙি দিয়ে।

(৪) চৰ এলেকাত ৰাজহ জৰীপৰ নিৰ্দেশ। শিলঘাটৰ মৰাপাট কল মুকলি। অসম সাহিত্য সভা আৰু তেনে সাংস্কৃতিক সন্থালৈ বন্ধ থকা অনুদান পুনৰ উদ্ধাৰ।

(৫) আগৰ চৰ্কাৰে লোৱা সকলো শাস্তিমূলক ব্যৱস্থা আৰু চৰ্কাৰী কৰ্মচাৰীসকলৰ দৰমহা কটাকটি বন্ধ।

(৬) অসমৰ সকলো কাৰাগাৰৰ কয়দীসকলৰ মনোৰঞ্জনৰ কাৰণে দূৰদৰ্শনৰ যোগান।

(৭) শিক্ষা বছৰ মাৰ্চ মাহৰ পৰা আৰম্ভ কৰিবলৈ সিদ্ধান্ত।

৪ ফেব্ৰুৱাৰী উত্তৰ পূৰ ভাৰত ভ্ৰমণ কৰিবৰ কাৰণে পোপ জ'ন প'ল (দ্বিতীয়) ছিলঙ পাইছি।

১৯ ফেব্ৰুৱাৰী হিতেশ্বৰ শইকীয়াৰ লগৰ অত্যাচাৰী মন্ত্ৰী টংকেশ্বৰ দিহিঙীয়াক শিৱসাগৰত গুলিয়াই হত্যা - সম্ভৱ প্ৰতিশোধৰ কাৰণেই।

২০ ফেব্ৰুৱাৰী মুখ্যমন্ত্ৰীৰ দ্বাৰা গুৱাহাটীত মালযুজৰ উদ্বোধনী।

১ মাৰ্চ নামৰূপৰ ষ্টেট বেংকৰ পৰা ৪১ লাখ টকা ডকাইতি। ডকাইতৰ গুলীত এজন পুলিচ দাৰোগা নিহত আৰু দুজন লোক আহত।

অসম মাধ্যমিক শিক্ষা পৰিষদে অসমত অসমীয়া ভাষাক বাধ্যতামূলক কৰিবলৈ সিদ্ধান্ত লৈ চাৰ্কুলাৰ পঠিওৱাত বৰাক উপত্যকাত প্ৰতিবাদ।

৮ মাৰ্চ কাৰ্বি আলং আৰু উত্তৰ কাছাৰ জিলাৰ কেবাটাও ৰাজনৈতিক দল এক গোট হৈ স্বায়ত্ত শাসিত পাৰ্বত্য জিলাৰ দাবী কৰিবলৈ একমত হয়।

২৩ মাৰ্চ গণ পৰিষদ চৰ্কাৰৰ কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা জনতা ভৱন আৰু সচিবালয়ৰ পৰা মুহূৰ্তৰ ভিতৰতে আন-বিৰোধী পক্ষলৈ জনদিয়েক আমোলা-কৰ্মচাৰীয়ে অতি কৌশলেৰে সদায় উলিয়াই দি আহিছে বুলি অগ্ৰদূতত বাতৰি।

৯ এপ্ৰিল ১২ মাৰ্চৰ পৰা আৰম্ভ হোৱা বাজেট অধিবেশন সমাপ্ত। এই অধিবেশনত - (১) আগৰ চৰ্কাৰে অসমৰ কলেজবিলাক নিয়ন্ত্ৰণ আৰু পৰিচালনা চৰ্কাৰৰ হাতলৈ নিয়া আইনখন বাতিল কৰা হয়। (২) বিধেয়কসকলৰ দৰমহা ছশ টকাৰ ঠাইত এহেজাৰ টকা, মাহিলী পাঁচ শ টকাকৈ সমষ্টি বানচ লগতে এহেজাৰ টকাকৈ আনুষাংগিক বানচ দিয়াৰ আৰু অধিবেশনৰ সময়ত দৈনিক বানচ ৪৫ টকাৰ ঠাইত ৫০ টকা কৰা হয়।

৯ জুন কৃষিমন্ত্ৰী নীলমণি দাসৰ দেউতাক দীনমণি দাসৰ আত্মহত্যা।

জুন দিছপুৰৰ এজন বিধায়কৰ ঘৰত এগৰাকী সন্দেহজনক পাভবুক গ্ৰেপ্তাৰ কৰা হয়।

অসম মন্ত্ৰীসভাৰ সংখ্যা ৩২ জন কৰা হ'ল। মুখ্য মন্ত্ৰী শৰৎ সিংহই মন্ত্ৰীৰ সংখ্যা ২৪জন কৰাৰ আগলৈকে অসমৰ মন্ত্ৰীৰ সংখ্যা কুৰিজনতকৈ তলত আছিল। অৱশ্যে, হিতেশ্বৰ শইকীয়াই মন্ত্ৰীৰ সংখ্যা ৩৮ জনলৈকে তুলিছিল।

২৪ জুন অসম চুক্তি ৰূপায়ণত কেন্দ্ৰৰ অনিহা স্পষ্টঃ (১) উত্তৰ পূব অঞ্চলৰ অৰ্থনৈতিক উন্নয়ন ফ'ৰামৰ সভাত গৃহ মন্ত্ৰী বুটা চিঙে মহন্তই লিখিত ভাবে দিয়া ৩৬টা বিষয়ৰ মাত্ৰ দুটাহে আলোচনাৰ বাবে লয়। ফ'ৰামত আলোচিত ২১ টা বিষয়ৰ মাত্ৰ দুটাহে অসমৰ। (২) অসম-বাংলাদেশ সীমান্তত জৰীপ চলাবলৈ নিৰ্দেশ দিব বুলি কেৱল আশ্বাসহে দিয়ে। (৩) আই-আই-টি, যোগীঘোপাৰ দলং, আশেক কাগজ মিল আদিৰ ক্ষেত্ৰত কেন্দ্ৰই কোনো কাম হাতত ল'বলৈ আগ্ৰহ দেখুৱা নাই। (৪) অসম চৰ্কাৰে বিচৰা ধৰণেৰে ১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী

আইনখন সংশোধন কৰাত হেমাহি। (৫) চৰ অঞ্চলত জবীপৰ কামত নানা প্ৰকাৰে বাধা দান। (৬) চুক্তি ৰূপায়ণৰ দায়িত্ব কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী গোলাম নবী আজাদৰ ওপৰত অৰ্পণ। অসম আন্দোলনৰ সময়ত সৰ্বাধিক বিৰোধিতা কৰাৰ উপৰিও অসম আন্দোলনৰ নেতাসকলৰ বিষয়ে বিৰূপ মন্তব্য কৰা আজাদে অসম চুক্তি ৰূপায়ণত যে বাধাহে দিব সেইটো খাটাং। (৭) ১৯৮৬ চনৰ নবেম্বৰ মাহত মুখ্যমন্ত্ৰী মহন্তই কেন্দ্ৰীয় গৃহমন্ত্ৰী অসম চুক্তি ৰূপায়ণৰ বিষয়ে আলোচনা কৰোঁতে অসম চুক্তিত কি কি দফা আছে তাক মহন্তৰ পৰা জানিবলৈ বিচাৰি তেওঁৰ অজ্ঞতা প্ৰকাশ কৰে।- ৰাজীৱ চৰ্কাৰে অসম চৰ্কাৰৰ ওপৰত কিমান গুৰুত্ব দিছে সেইটো স্পষ্ট।

অসমৰ মন্ত্ৰী বিধায়ক সকলে কৰা ক্ষমতাৰ অপব্যৱহাৰ আৰু দায়িত্বহীন কামৰ কাৰণে অসমীয়া ৰাইজৰ হিয়া ভাঙিবলৈ আৰম্ভ কৰিছে।-

(১) 'আমাৰ কিছুমান বিধায়কৰ কাৰ্যকলাপে দলৰ ভাবমূৰ্তি বেছি উজ্জ্বল কৰাৰ সলনি ম্লানহে ঘটাইছে।.. অসমৰ সমূহীয়া স্বাৰ্থ বাদ দি ব্যক্তিগত স্বাৰ্থতহে বেছি জোৰ দিয়া যেন দেখা গৈছে। ফলত দলৰ মাজত উপদলীয় চিন্তাধাৰাই গা কৰি উঠিছে'।

*(মুখ্যমন্ত্ৰীলৈ চিঠিত বিধায়ক হৰিৰাম টেৰাং)*

...'আজি ছমাহ নৌহওঁতেই, অসম গণ পৰিষদ দলৰ স্বয়ম্ভু নেতাসকলে ব্যক্তি স্বাৰ্থ পূৰণৰ বাবে উঠি পৰি লাগি অসমৰ জনগণৰ মৌলিক সমস্যাসমূহৰ প্ৰতি অৱহেলা কৰাৰ উপৰিও এচাম অসাধু অসৎ ব্যৱসায়ীয়ে - অসমতে থাকি, অসমৰ বজাৰত সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি, সংগতিবিহীন ভাবে নিত্য অপৰিহাৰ্য বয়বস্তুৰ মূল্য অসম্ভৱ ধৰণে বৃদ্ধি কৰা কাৰ্য নীৰৱে সহ্য কৰি উপযুক্ত ব্যৱস্থা নোলোৱাকৈ থকা অ-গ-প চৰ্কাৰৰ ভূমিকাই অসমীয়া ৰাইজক চিন্তান্বিত কৰি তুলিছে।'

*(২৯জুন, ১৯৮৬ ৰ অগ্ৰদূতত বঙাইগাওঁ কলেজৰ প্ৰবক্তা যতীন বৰুৱা)*

... 'কিছু বিধায়কৰ মন্ত্ৰী, চেয়াৰমেন হোৱাৰ প্ৰবল হেঁপাহ দেখি, স্বজন প্ৰীতিৰ দুই এটা উদাহৰণ শুনি, দুই এজন বিধায়কৰ আদৰ্শ বিবৰ্জিত কাৰ্যৰ কথা শুনি আজি প্ৰতি গৰাকী অসমীয়াৰ অন্তৰ কান্দি উঠিছে।'

*(২৫জুন, ১৯৮৬ ৰ অগ্ৰদূতত তেজপুৰ আইন কলেজৰ জিতেন বৰুৱা)*

"অগ্ৰদূতত প্ৰকাশ পোৱা 'বিধায়ক আৱাসত যুৱতী গ্ৰেপ্তাৰ', 'গণেশগুৰি চাৰি আলিত বিধায়কৰ উদ্ভণ্ডালি', 'অসম বাণী'ত প্ৰকাশ পোৱা 'দৰঙ্গা মেলত বিধায়ক', 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিবাসত বিধায়কৰ অনুপ্ৰবেশ', বিভিন্ন কাকতত প্ৰকাশিত 'নিয়োগ নীতিত ক্ষমতাৰ অপব্যৱহাৰ', স্বজন প্ৰীতি, 'দলীয় ক্ষমতাৰ নামত সমৰ্থকৰ উদ্ভণ্ডালি'। এই সকলোবিলাক ... মিছা বুলি প্ৰমাণিত কৰিব পাৰিবনে ? ... ডঃ দেৱ প্ৰসাদ বৰুৱাৰ দৰে ব্যক্তিক চৰ্কাৰ গঠনৰ কেইদিনমান পিছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত নিয়োগ কৰা, মাত্ৰাধিক পৰিমাণৰ বিধায়কৰ দৰ্মহা বঢ়োৱা, নিৰ্বাচিত জন প্ৰতিনিধিৰ তুলনাত অসমৰ সৰ্ববৃহৎ মন্ত্ৰীসভাৰ সৃষ্টি কৰা, শিক্ষামন্ত্ৰী থাকোতেই উদ্যোগ মন্ত্ৰীয়ে শিক্ষক নিযুক্তি দিয়া। বিভিন্ন ঠাইত দলীয় সমৰ্থকৰ অশালীন আচৰণ ফঁহিয়াই চালে ভাল হয়।"

*(২ জুলাই, ১৯৮৬ ৰ অগ্ৰদূতত মৰিগাঁৱৰ হেলিম হুচেইন)*

...'সেইদৰে চৰ্কাৰে গঠন কৰি দিয়া বিভিন্ন বোৰ্ড কমিটি আদিত সম্ভৱ স্থলত সকলো জনগোষ্ঠীকে প্ৰতিনিধিত্ব দিয়াটো অপৰিহাৰ্য। বৰ্তমান চৰ্কাৰে তেনে কৰা নাই।... চৰ্কাৰ গঠনৰ দহ মাহৰ ভিতৰতো ৰাজ্য চৰ্কাৰে একো বিষয়ত মূল নীতি ঘোষণা কৰিব নোৱাৰা পৰিস্থিতিয়ে গণ পৰিষদৰ সীমাবদ্ধতাকে প্ৰমাণিত কৰিছে।'

*(১৯ অক্টোবৰ, ১৯৮৬ ৰ অগ্ৰদূত)*

..'গণ পৰিষদৰ কিছুমান অকৰ্মণ্য বিধায়কেই এতিয়া যি দেখিছো বিৰোধীক বাট মুকলি কৰি দিব ধৰিছে। ৰাইজ তথা দেশৰ কাম কৰি নিজৰ ভৱিষ্যত উজ্জ্বল কৰাৰ ইমান এটা সুন্দৰ সুযোগ পাইয়ো তাৰ সৎ ব্যৱহাৰ কৰিব নজনাটো শিক্ষিত ডেকাসকলৰ বাবে চৰম মূঢ়তা নহয়নে ?'

*(৫ নবেম্বৰ, ১৯৮৬ ৰ অগ্ৰদূতত ৰঙাইগাওঁ তাপ বিদ্যুৎ প্ৰকল্পৰ কন্দৰ্প কুমাৰ লৌহাই)*

২৫ জুন অসমৰ বন সংৰক্ষক সন্থাই আগৰ মুখ্যমন্ত্ৰীলৈ দিয়া স্মাৰকপত্ৰ এখন আৰু অসমৰ মুখ্য বন সংৰক্ষকে আগৰ মন্ত্ৰীসভাৰ তিনিজন সদস্যলৈ দিয়া চিঠিৰ পাঠ অগ্ৰদূত কাকতত প্ৰকাশ। এইবিলাকত এইটো অভিযোগ তোলা হৈছে যে সামাজিক বনানীকৰণ বিভাগৰ মুখ্য বন সংৰক্ষক নেওগে তেওঁৰ বিভাগৰ টকা আৰু ক্ষমতাৰে বিগত চৰ্কাৰৰ জনদিয়েক মন্ত্ৰীক সন্তুষ্ট কৰাৰ যত্নে বহু ধৰণৰ দুৰ্নীতিত লিপ্ত হয়। যেনেঃ বিগত আমোলৰ ৰাজ্যিক বনমন্ত্ৰী দীননাথ ৰাজখোৱাৰ পুতেকৰ বিয়াত নেওগে মটৰ গাড়ী এখন উপহাৰ দিয়ে, ডকুমেণ্টেৰী ছবি

তৈয়াৰ কৰাৰ নামত লাখ লাখ টকাৰ শৰাধ, চাকৰি বা পদোন্নতি দিওঁতে হাজাৰ হাজাৰ টকাৰ ভেটী আদি।

২১ জুলাই প্ৰফুল্ল মহন্তৰ দুদিনীয়া কাছাৰ ভ্ৰমণ কালত উন্মত্ত জনতাৰ দ্বাৰা পুলিচ হত্যা আৰু পুলিচৰ গুলী চালনা । চাৰিজন পুলিচ আৰু দুজন জনতা নিহত। এই ঘটনা ঘটে কৰিমগঞ্জ চহৰত। শিলচৰ চহৰতো বিক্ষোভ কৰা হয় যদিও কাছাৰৰ গাঁৱে ভূঞে মুখ্যমন্ত্ৰীক ৰাইজে আদৰ সম্ভাষণ জনায়।

৫ আগষ্ট হিতেশ্বৰ শইকীয়াৰ লগৰ স্বাস্থ্যমন্ত্ৰী আৰু সুভাষ শৰ্মাৰ হত্যাৰ লগত জড়িত বুলি অভিহিত ডাঃ ভূমিধৰ বৰ্মনক হত্যাৰ চেষ্টা। গাড়ীৰ আসনৰ তলত সোমাই ভূমিধৰে প্ৰাণ ৰক্ষা কৰে যদিও আততায়ীৰ গুলীত এজন বাটবুৱাৰ মৃত্যু হয়।

১৩ আগষ্ট বিধান সভাৰ আজি সমাপ্ত হোৱা অধিবেশনত মন্ত্ৰীসকল, সদনৰ অধ্যক্ষ উপ-অধ্যক্ষ, বিৰোধী দলৰ দলপতি আদিৰ দৰমহা বঢ়াই বিধেয়ক গ্ৰহণ।

১৭ ছেপ্তেম্বৰ সংযুক্ত সংখ্যালঘু মৰ্চাৰ সভাপতি কালিপদ সেনক গুৱাহাটীৰ নিজা ঘৰত দুৰ্বৃত্তই গুলিয়াই হত্যা কৰে।

ছেপ্তেম্বৰ সংসদী সদস্য গকুল শইকীয়াক অসম গণ পৰিষদ দলৰ পৰা বহিষ্কাৰ।

ছেবা চাৰ্কুলাৰ কামত লগোৱাটো স্থগিত ৰখা হৈছে।

অক্টোবৰ অসমত প্ৰলয়ংকাৰী বান। দুৰ্দশাগ্ৰস্ত অঞ্চল চাবলৈ আহিম বুলি প্ৰতিশ্ৰুতি দি ৰাজীৱ গান্ধী শেষত অসমলৈ নাহিল।

১ নবেম্বৰ নীচাসক্ত পুলিচে নলবাৰীৰ মেধাৱী আৰু উঠি অহা যুৱক পৰীক্ষিত বৰ্মনক গুলিয়াই হত্যা কৰে।

৬ নবেম্বৰ পৰীক্ষিত বৰ্মনৰ হত্যাৰ প্ৰতিবাদত আছুৰ আহ্বানত বাৰ ঘণ্টীয়া অসম বন্ধ পালন।

১১ নবেম্বৰ গণ পৰিষদ চৰ্কাৰৰ পৌৰ প্ৰশাসন দপ্তৰৰ মন্ত্ৰী গৰাকীৰ দুনীতিৰ প্ৰতিবাদত এই চৰ্কাৰে পতা গুৱাহাটীৰ পৌৰ নিগমৰ প্ৰশাসক পৰিষদৰ সমূহীয়া পদত্যাগ। সমাজৰ অতিশয় সন্মানিত ব্যক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ডঃ বিনয় তামুলীৰ নেতৃত্বত এই প্ৰশাসক সকলক এনেকুৱা এটা পৰিস্থিতিলৈ ঠেলি দিয়াটো আৰু তাত বাধা দিবলৈ মন্ত্ৰীসভাই

অকণো চেষ্টা নকৰা কাৰণে ৰাইজে গণ পৰিষদৰ মন্ত্ৰীসকল দুৰ্নীতিত সামুহিক ভাবেই লিপ্ত হৈছে বুলি সন্দেহ কৰিবলৈ আৰম্ভ কৰিছে।

নৱেম্বৰ মুখ্যমন্ত্ৰী মহন্তই মন্ত্ৰী পৰিষদৰ সকলো মন্ত্ৰীলৈ কাঢ়া নিৰ্দেশ দি কৈছে যে কোনো মন্ত্ৰীয়ে মাহেকত পাঁচদিনৰ বেচি ভ্ৰমণ কৰিব নোৱাৰিব আৰু এখন সভাত তিনিজনতকৈ অধিক মন্ত্ৰী উপস্থিত থাকিব নোৱাৰিব। ইয়াৰ আগতে টিহুৰ এখন সভাত ৯ জন মন্ত্ৰী গোট খাইছিল।

স্থায়ী ৰাজধানীৰ স্থান ঠিক কৰিবলৈ পুনৰ বিশেষজ্ঞ কমিটি গঠন।

৫ ডিচেম্বৰ বিদ্যুৎ, পৰিবহন আৰু সমবায় বিভাগৰ মন্ত্ৰী ললিত ৰাজখোৱাৰ টিয়কৰ ভগামুখত ৰাজকীয় বিয়া - বিয়াত মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীক ধৰি ২২ জন মন্ত্ৰী আৰু অসংখ্য বিধায়কৰ উপস্থিতিৰ লগতে বেলেগ বেলেগ চৰ্কাৰী বিভাগৰ ব্যয়-বস্তু-ব্যক্তিৰে বিয়াঘৰ ঠাহ খায়।

৬ ডিচেম্বৰ যোৰহাটৰ ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে অ-গ-প চৰ্কাৰৰ বিৰুদ্ধে প্ৰচাৰ মাধ্যমে উদ্দেশ্য প্ৰণোদিত ভাবে অপপ্ৰচাৰ আৰু উৰাবাতৰি চলোৱা বুলি অভিযোগ কৰে।

৮ ডিচেম্বৰ অসম চুক্তি ৰূপায়ণ কৰাত কেন্দ্ৰীয় চৰ্কাৰৰ অৱহেলা আৰু হেমাহিৰ প্ৰতিবাদত অসম গণ পৰিষদৰ বাৰ ঘণ্টীয়া অসম বন্ধ পালন।

২৪ ডিচেম্বৰ অ-গ-প চৰ্কাৰৰ এবছৰ সম্পূৰ্ণ। চৰ্কাৰৰ ভাল আৰু বেয়া কামৰ এক চমু খতিয়ান তলত দিয়া হ'ল -

ভাল কামঃ

১২০০ ক্ষুদ্ৰ উদ্যোগ আৰু ১৫টা মজলীয়া উদ্যোগৰ বাবে খনুৱা যুৱকক সুবিধা প্ৰদান। শিলঘাটৰ মৰাপাট কল মুকলি, ১২৫৫ খন প্ৰাথমিক স্কুলঘৰ বন্ধাৰ বাবে ৬১ হেজাৰ টকাকৈ অনুদান, ৩টা নতুন বেটেলিয়ান খোলা, লাংপি বিদ্যুৎ প্ৰকল্প কৰিবলৈ লোৱা, ৰাজ্যত শান্তি শৃংখলা একপ্ৰকাৰ ঘুৰাই আনা আদি। অসম ইলেক্টনিকচৰ যোগেদি টি-ভিৰ উৎপাদন, ৰাজ্যৰ ১৮ হেজাৰখন গাঁৱলৈ বিজুলী শক্তিৰ যোগান আদি।

বেয়া কামঃ

ইলেক্ট্ৰিচিটি বোৰ্ড, ষ্টেটফেড, সাৰ নিগম, গুৱাহাটী পৌৰ নিগম আদিত চৰ্কাৰী প্ৰসাদ ৰূপে দিয়া উচ্চ পদত কেৱল তথাকথিত উচ্চ বৰ্ণৰ অসমীয়াকহে নিয়োগ - এইবিলাক ক্ষেত্ৰত অনুসুচিত জাতি আৰু আন আন গোষ্ঠীৰ অসম সন্তানক কৰা অৱহেলা স্পষ্ট।

আছুৰ উপদেষ্টা দেৱপ্ৰসাদ বৰুৱাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰূপে নিযুক্তি (এইটো দেখিবলৈ এইকাৰণেই আৰু বেয়া হৈছে যে নতুন চৰ্কাৰৰ মন্ত্ৰী-বিধায়ক আৰু তেওঁলোকৰ ঘৈণীয়েক আদিৰ কেবা গৰাকীও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতিৰ ছাত্ৰ বা ৰাজনীতিৰ ডিগ্ৰীধাৰী - এওঁলোকৰ বেছি ভাগেই বাহিৰৰ পৰিক্ষকে চোৱা পৰীক্ষা কাকতত কম কম নম্বৰ পাইছিল কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰুৱা পৰীক্ষকে চোৱা পৰীক্ষাত অভাৱনীয় ভাবে ভাল নম্বৰ পাই (সম্ভৱ দেৱপ্ৰসাদ বৰুৱাৰ কৌশল আৰু অনুগ্ৰহত) সুখ্যাতিৰে পাছ কৰে।

জাগীৰোডৰ কাগজ কল মুকলি কৰিছে ভাল কথা কিন্তু এই কাগজ কলে কেনেদৰে অসমৰ স্থল-বায়ু-পানী দূষিত কৰিব সেই বিষয়ে অকণো সতৰ্ক নোহোৱা কাৰণে ই ভৱিষ্যতে অসমৰ ভয়ানক বিপদ আনিব।

'চৰ্কাৰখনৰ বাবে আটাইতকৈ ডাঙৰ ব্যৰ্থতা হ'ল আমোলা তন্ত্ৰৰ ওচৰত আত্মসমৰ্পণ, যাৰ ফলত ভাল আঁচনি, ভাল পৰিকল্পনাৰ চিন্তা কৰাৰ সলনি - মন্ত্ৰী-বিধায়ক সকলক ব্যস্ত ৰখা হ'ল মাথো বদলি-প্ৰমোচন-পুনৰবাহাল, আধাৰশিলা উন্মোচন, দোকান ঘৰ উন্মোচন, ইত্যাদি কামত।' *(২৪ ডিচেম্বৰ, ১৯৮৬ ৰ অগ্ৰদূতত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা)।*

কেইজনমান মন্ত্ৰীৰ ৰাজসিক ভাবে পত্য বিয়া আৰু সেই আজুহাতত স্বাৰ্থ-অন্বেষী লোকৰ পৰা মূল্যবান উপহাৰ গ্ৰহণ, ব্যক্তিগত কাম বা বিয়াই সবাহে চৰ্কাৰী যন্ত্ৰৰ মুকলি ব্যৱহাৰ আদিয়ে ৰাইজক ক্ষুব্ধ কৰিছে। অসম চুক্তি ৰূপায়ণত অকণো আগ বাঢ়িব পৰা নাই।

সমাজৰ অতিশয় সন্মানিত ব্যক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ডঃ বিনয় তামুলীৰ নেতৃত্বত গুৱাহাটী পৌৰ নিগমৰ প্ৰশাসক পৰিষদদক পদত্যাগ কৰিবলৈ বাধ্য কৰায়।

*কুৰি অধ্যায়*

# গুৱাহাটীৰ কথা

মই অসমলৈ অহাৰ প্ৰধান কাৰণ আছিল মোৰ ৮৩ বছৰীয়া মাৰ লগত দুদিনমান কটোৱা। ১৯৫৮ চনত মই এম-এ পঢ়িবৰ কাৰণে দিল্লী অভিমুখে যাওঁতা হ'বৰ সময়ত মায়ে কৈছিল, "ডেকা ল'ৰাই এবাৰ ঘৰৰ পৰা ওলাব লগীয়া হ'লে আৰু দুনাই উভতি নাহে"। মাৰ সেই ভৱিষ্যৎ বাণী এক প্ৰকাৰ আখৰে আখৰে ফলিয়ালে কাৰণ তাৰ পিছত মই বহুবাৰ অসমলৈ গৈছো যদিও অসমত দীঘলীয়াকৈ কেইদিনমান থাকিবলৈ বা মাৰ লগত কিছুদিন একেলগে থাকিবলৈ পোৱা নাই। সেয়েহে এইবাৰ চাৰিমাহ বিনা বেতনৰ ছুটি লৈ গ'লো যাতে কামৰ বা আন কোনো ধৰণৰ হেঁচা নোপোৱাকৈ মাৰ লগতে শান্তিৰে থাকিব্ পাৰোঁ। মোৰ গণনা ভুল হ'ল - নিজৰ চাকৰিৰ লগত জড়িত কামৰ হেঁচা নাপালো হয়, গুৱাহাটীত এক প্ৰকাৰ দুৰ্বহ হৈ পৰা জীৱনৰ হেঁচা প্ৰথম দিনাখনৰ পৰাই অনুভৱ কৰিলো।

## শংকৰ মন্দিৰৰ আশে-পাশে

পল্টন বজাৰৰ শংকৰ মন্দিৰৰ ওচৰতে থকা মাৰ ঘৰতে থাকিমগৈ বুলি ভাবিছিলো - বোলো ঠাইখন দোকান পোহাৰ, ৰেল-ষ্টেচন, বাছ-ষ্টেচন, এয়াৰ লাইন্চ আদি সকলোৰে ওচৰতে হোৱাৰ উপৰিও শংকৰ মন্দিৰৰ নিচেই কাষতে যেতিয়া আমি কাকো আমনি নকৰাকৈ নিচিন্তে থাকিব পাৰিম। কিন্তু গৈয়েই দেখিলো যে হ'লচেল নে হোল চচা সমবায়ে শংকৰ মন্দিৰ এলেকাটোৰ পৰিবেশ সম্পূৰ্ণ নষ্ট কৰি পেলাইছে আৰু ঘৰৰ সমুখৰ বাটপথ একচেতীয়া ভাবে ভোগ কৰিছে। তেওঁলোকে পৌৰ নিগমৰ আলি বন্ধ কৰি গুদাম বান্ধিছে, দিনে নিশাই ট্ৰাক ৰাখিছে, পেলা পচা আৱৰ্জনা নৰ্দমা আৰু আলিত দমাইছে আৰু সেই আৱৰ্জনাৰ ওপৰতে বিতৰণৰ কাৰণে অনা চাউল ৰাখিছে। সেইবিলাক আৰু তেওঁলোকৰ লগত বেহা কৰিবলৈ দিনে নিশাই আহি থকা ঘোঁৰা গাড়ী, ঠেলা গাড়ী, গাড়ী মটৰ আদিয়ে সেই অঞ্চলৰ বাটপথ এনে দুৰ্গম, দুৰ্গন্ধময় কৰিছে যে তাৰ ওচৰত থকা মানুহখিনিৰ দুখে কুলাই পাচিয়ে নধৰা হৈছে।

ওচৰ চুবুৰীয়া ডেকা ল'ৰাইতক সেই বিষয়ে কিয় একো কৰা নাই সুধোতে ক'লে বোলে তেওঁলোকে হেনো বহু বছৰৰ পৰা পৌৰ নিগমৰ কমিছনাৰ, গুৱাহাটীৰ উপায়ুক্ত আদিৰ ওচৰত দৰ্খাস্তৰ উপৰি দৰ্খাস্ত দি আহিছে কিন্তু কোনো ফল ধৰা নাই। আনকি সমবায়ে দখল কৰি থকা ঘৰটোৰ গৰাকীয়েও হেনো কাৰো কুকালি, ডকা হকা, নটিচ আদি সকলো প্ৰকাৰে চেষ্টা কৰিও

সেই সমবায়ৰ পা লবাৰ পৰা নাই। মই এইটোও জানিব পাৰিলো যে সমবায়খনৰ হেনো নিজা মাটিও আছে। কিন্তু সমবায়খন পল্টন বজাৰৰ পৰা উঠাই নিনিয়াৰ কাৰণ হেনো তাৰ পৰা দুৰ্নীতিমূলক ভাবে টকা ঘটিবলৈ বেছি সুবিধা। উদাহৰণ স্বৰূপে ডেকাইঁতে কয় যে সেই সমবায়ৰ কেৰাণী মহৰীৰ পৰা আৰম্ভ কৰি তাৰ লগত জড়িত প্ৰায় সকলো বিষয়াই পকা ঘৰ দালান আদি সাজিছে, কোনো কোনোৱে মাবুতি দৌৰাইছে, আটায়ে ধনৰ মোনা শকত কৰিছে ইত্যাদি, ইত্যাদি। সেইবিলাক কথা কিমান দূৰ সচা মই নাজানো কিন্তু এইটো মই নিজে দেখিছো যে সেই সমবায়ৰ চাউল আদি বহু সময়ত ধোঁৱাৰ গোবৰ, বোকা, পেলা বস্তু আদিৰ লগত এনে ভাবে মিহলি হৈ থাকে যে সেইবিলাক খোৱা নালাগে স্পৰ্শ কৰাটোৱেই অস্বাস্থ্যকৰ। সমবায়ে কিন্তু তেনে বস্তুকে পুলিচ, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আদিক নিয়মিত ভাবে খুৱাই আছে।

চহৰৰ বাট বন্ধ কৰা, ৰাইজক সেৱা কৰাৰ আজুহাতত এটা অঞ্চলৰ ৰাইজৰ জীৱন দুৰ্বহ কৰা, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীকো অস্বাস্থ্যকৰ খাদ্যৰ যোগান ধৰা, ৰাইজক সেৱা কৰিবলৈ লৈ দুনীতি কৰা, চহৰৰ মাজত মিল চলোৱা আদি বে-আইনী কাম যদি হোলচেল কো-অপাৰেটিভৰ দৰে চৰ্কাৰী বা আধা-চৰ্কাৰী প্ৰতিষ্ঠানবিলাকেই কৰে তেনেহলে সাধাৰণ নাগৰিক কি কৰে?

সাধাৰণ নাগৰিক কি কৰে নাজানিলেও শ্ৰীমতীয়ে কি কৰিব সেইদিনাখনেই অৰ্থাৎ ক'তো কিছু খাবলৈ নাপাই উভতি আহি পাকঘৰত খোৱা-বস্তু বিচাৰি ঘুটমুটাই থকাৰ অলপ পিছতে মই গম পালো। তেওঁ 'এনেকুৱা অস্বাস্থ্যকৰ পৰিবেশত নিজেও নাথাকোঁ আৰু মোৰ ছোৱালীকো নাৰাখোঁ' বুলি টালি টোপোলা নুখুলি নাৰিকল বস্তিত থকা মোৰ ভনীৰ ঘৰলৈ গুচি গ'ল। মই মাৰ লগত থাকিবলৈ আহিছো যেতিয়া মাৰ লগত থাকিমেই বুলি তাতে ৰাতিটো কটালো যদিও পল্টন বজাৰত তেনেকৈ জীয়াতু ভুগি বেছি দিন থকা ঠিক নহ'ব বুলি নৱগ্ৰহ পাহাৰৰ দাঁতিত মই আধা সজাকৈ থোৱা ঘৰটোতে থাকোগৈ বুলি পিছ দিনাখন ৰাতিপুৱাতে তালৈ গ'লো।

## নৱগ্ৰহ অঞ্চলৰ পানী

প্ৰথমে মই নৱগ্ৰহ অঞ্চলত থকাৰ কথা এইকাৰণেই ভবা নাছিলো যে মায়ে পাহাৰৰ ওপৰত উঠা-নমা কৰিবলৈ টান পাব। তাতে মোৰ ঘৰলৈ পানীৰ লাইন লগোৱা হোৱা নাই। পল্টন বজাৰত হোলচেলে পোতা হোলৰ উৎপাত দেখি ভাবিলো যে মাক বোকোচাতে কঢ়িয়াই পাহাৰ বগোৱাই ভাল আৰু মোৰ ঘৰটোৰ কাষতে মোৰ ককাইদেউ প্ৰদীপ দত্তৰ ঘৰ যেতিয়া তাৰ ঘৰৰ পৰাই পানী কেইবাল্টিমান দিলেও লৈ কাম চলাব পাৰিম। সেয়েহে মানৰ উৎপাতত অসমীয়াই পাহাৰৰ ওপৰলৈ গৈ আমাৰ পাহাৰী ভাই-ককাইসকলৰ কাম চপাৰ

দৰে মইও পিছদিনাখন বাতিপুৱাই মাক লৈ নৱগ্ৰহ পাহাৰৰ ককাইৰ ওচৰলৈ গ'লো।

নৱগ্ৰহ পাহাৰৰ ঘৰটো মোৰ গ্ৰহ বেয়া দেখিলো - তাত গৈ দেখোঁ যে ককাইদেউ, নবৌ, ভতিজা, ভতিজি আটায়ে পানীকলৈ চাই হাঁ হুমুনিয়াহ কাঢ়ি আছে। কি হ'ল খবৰ লৈ জানিব পাৰিলো যে তেওঁলোকৰ ঘৰত এটোপাও পানী নাই। তেওঁলোকৰ ঘৰৰ পানীকলত হেনো প্ৰায়ে পানী নোলায়, কেতিয়াবা কেতিয়াবা দুই এটোপা ওলায় আৰু কেতিয়াবা কেতিয়াবা অলপ অচৰপ পানী ওলায়। নবৌৱে ক'লে যে পানীৰ অভাৱত তেওলোকৰ জীৱন একেবাৰে তিতা-কেহা লাগিছে - সেইকাৰণে আমি তেওঁলোকৰ পানীৰ ভাগ বিচৰাটো ঠিক নহ'ব বুলি ভাবি মই মাক তাতে থৈ পোনেই পৌৰ নিগমৰ পানীৰ বিষয়া শ্ৰীচৰ্কাৰৰ ওচৰ পালোগৈ বোলো মোৰ নিজৰ ঘৰলৈকে পানীৰ লাইন দাল লগোৱাই লওঁ। তেওঁ খোলাখুলিকৈ ক'লে,

> 'আপোনাৰ ঘৰত পানীৰ লাইন লগাই লাভ নাই কাৰণ আপোনাৰ লাইনদাল প্ৰদীপ দত্তৰ ঘৰৰ সৈতে একেদাল লাইনৰ পৰাই নিব লাগিব - ইমান দিনে আমি প্ৰদীপ দত্তৰ ঘৰতে ঠিকমতে পানী দিব পৰা নাই যেতিয়া আপোনাৰ ঘৰত লাইন লগাই কি লাভ ?'

মই তেওঁক জনালো যে মিউনিচিপালিটিৰ আন এজন বিষয়া শ্ৰীৰমণী চৌধুৰীয়ে বোলে কিবা এটা উপায় ভাবি উলিয়াইছে, তেওঁৰ মতেই কামটো কৰাওক। মোৰ কথা শুনি তেওঁ তৎক্ষণাৎ জনালে যে শ্ৰীচৌধুৰী হেনো হৃদ-যন্ত্ৰ আক্ৰান্ত হৈ হস্পিটালত পৰি আছে। তাকে শুনি মই এইটোকে বুজিলো যে নৱগ্ৰহত মোৰ ঘৰৰ ওচৰ চুবুৰীয়াক পানী যোগানৰ ব্যৱস্থা কৰিবলৈ গৈয়েই মিউনিচিপালিটীৰ পানী ফুকনৰ হৃদ-যন্ত্ৰ বন্ধ হ'বৰ উপক্ৰম হৈছিল যেতিয়া নৱগ্ৰহৰ মোৰ ঘৰত পানীৰ ব্যৱস্থা কৰা অসম্ভৱ।

## আমবাৰীৰ পানী

মিউনিচিপালিটীৰ অফিচৰ পৰা মই পোনেই আমবাৰীলৈ গ'লো - তাতে মোৰ বাইদেউৰ ঘৰ এটা খালি পৰি আছিল বুলি জানিব পাৰি তাতে থাকিব পাৰি নেকি বোলো চাই লওঁ। তাত দেখোঁ যে আমবাৰী অঞ্চলৰ মানুহৰ পানীৰ কোনো অসুবিধা নাই। তাত একেবাৰে তিনি তলাৰ ওপৰলৈকে মিউনিচিপালিটীৰ পানী উঠে। কাষতে থকা উইজিং স্কুলৰ পানীৰ টেংকিটোৰ পৰা দুয়ো বেলা হবাহবে পানী উপচি পৰি থাকে। গুৱাহাটীৰ প্ৰায় বেছিভাগ অঞ্চলতে পানীৰ আটক হৈ মানুহৰ নগুৰ নাকটি হ'বৰ দিনতো উইজিং স্কুলৰ এই টেংকিটোৰ পৰা মিউনিচিপালিটীৰ পানী দিনে নিশাই তলৰ শুকান মাটিত পৰি নষ্ট হৈছিল। আমবাৰী অঞ্চলৰ বাইজৰ পানীৰ ক্ষেত্ৰত কিন্তু এই

সৌভাগ্য তাৰ পম খেদি জানিব পাৰিলো যে তাত ঘৰ থকা এগৰাকী কিছুদিনৰ কাৰণে অসমৰ মন্ত্ৰী আৰু প্ৰভাৱশালী নেতা হৈ থাকোঁতে সেই অঞ্চলৰ পানীৰ সুবিধাখিনি কৰি লৈছিল - বৰ ভাল কথা বুলি আমৰাবীৰ বাইদেউৰ ঘৰতে মাক আনি থাকিবলৈ ল'লো, ছোৱালী আৰু ছোৱালীৰ মাকও আহিল।

আগৰ নেতাসকলৰ অনুগ্ৰহত পোৱা সুযোগ সুবিধাখিনি অকাতৰে গ্ৰহণ কৰিলো যদিও মনটো এই ভাবি এঙালে যে অসমৰ ৰাইজে এম-এল-এ, মন্ত্ৰী, নেতা আদি নিৰ্বাচনত জয়ী কৰি পথায় ৰাইজৰ মংগলৰ কাৰণে আৰু সাধাৰণ ৰাইজক নেতৃত্ব দিবৰ কাৰণে কিন্তু সেই মন্ত্ৰী এম-এল-এ সকলে সততে নিজৰ সা-সুবিধাখিনি আহৰণ কৰাত, নিজৰ সা-সম্পত্তি বঢ়োৱাতহে বেছিকৈ মনোনিবেশ কৰে - দেশৰ আৰু ৰাইজৰ উমৈহতীয়া মংগলৰ কাৰণে সুদূৰ প্ৰসাৰী দৃষ্টিভংগীৰে কাম কৰা নেতা আমাৰ মাজত বিশেষ অভাৱ। অসমৰ কাৰণে ই এক চৰম দুৰ্ভাগ্যৰ কথা। এতিয়া আমাৰ অ-গ-পৰ নেতাসকলে তেনে নকৰিব বুলি মনক আশা দি ৰঙালো।

## আহোমৰ দিনৰ পুখুৰী

গুৱাহাটী মিউনিচিপালিটীৰ কথা কওঁতে এইটো আঙুলিয়াই দিয়া যুগুত হ'ব যে বৰ্তমান গুৱাহাটী চহৰ ইমান ডাঙৰ আৰু বিস্তাৰিত যে কাছাৰীঘাটৰ সৰু কাৰ্যালয়টোৰ পৰা ইয়াৰ আৱশ্যকীয় সেৱাৰ কাম চলোৱাটো এক প্ৰকাৰ অসম্ভৱ। বিশেষকৈ পানী যোগান, আৱৰ্জনা পৰিষ্কাৰ, আলিবাট নিৰ্মাণ আদিৰ নিচিনা কামবিলাকৰ কাৰণে মহানগৰখন সৰু সৰু অঞ্চলত ভাগ কৰি স্থানীয় লোকৰ ওপৰতে সেইবিলাক কাম চলোৱাৰ দায়িত্ব দিয়া উচিত - পৃথিবীৰ বেছিভাগ মহানগৰতে এই ব্যৱস্থা দেখা যায়। তদুপৰি পানী যোগানৰ ক্ষেত্ৰত অঞ্চলবিশেষে দ নাদৰ ব্যৱস্থা কৰিলেও ৰাইজৰ বিলৈ কমিব আৰু মিউনিচিপালিটীৰ খৰছ কমিব। আহোম ৰজাৰ দিনৰ নিচিনা ডাঙৰ ডাঙৰ পৰিষ্কাৰ পুখুৰীৰ উপকাৰিতাও নুই কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে, শিৱসাগৰৰ বৰ পুখুৰীলৈকে চাওক - শিৱসাগৰীয় ৰাইজৰ খোৱাপানীৰ আটক হলে বৰ পুখুৰীয়েই ৰক্ষা কৰে, শিৱসাগৰীয় ৰাইজে অলপ মুকলি বতাহত উশাহ ল'বৰ কাৰণেও বৰপুখুৰীৰ পাৰলৈকে দৌৰিব লাগে, আৰু বৰশী বাই, মাছ জীয়াই, বনৰীয়া হাঁহ চাই বা ইনেয়ে ফুৰি চাকি মন বহলাবলৈকো বৰ পুখুৰীৰ পাৰেই শিৱসাগৰৰ আটাইতকৈ উত্তম ঠাই।

বৰপুখুৰীটো বাৰু বেছ ডাঙৰেই তাৰ উদাহৰণ নিদি আন আন সৰু পুখুৰীৰও উদাহৰণ দিব পাৰি। যেৰহাটৰ বুঢ়াগোঁহাই পুখুৰী নামৰ দেৰ শ বছৰতকৈ অধিক পুৰণা পুখুৰীটোৱে ভৰাজান অঞ্চলৰ বহু ৰাইজৰে পানীৰ সমস্যা এতিয়াও দূৰ কৰে আৰু কেবাজনও পানীভাৰোৱাৰ জীৱিকাৰ পথ মুকলি কৰি আছে। অৱশ্যে, আজি এবছৰমান আগতে সেই পুখুৰীটোত কোনোবা

এজনে আত্মহত্যা কৰি আটাইৰে আগৈ আহুকাল কৰিছিল। খোৱাপানীৰ নহলেও খোৱা পখলা আদি দৈনন্দিন কামৰ কাৰনে পুখুৰীৰ পানীয়ে নগৰ চহৰত পানী যোগানৰ হেঁচা যে পাতলাব পাৰে তাত সন্দেহ নাই। আমাৰ ৰাইজ আৰু চৰকাৰে আহোমৰ দিনৰ পুখুৰীবিলাক পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ উপৰিও তেনেকুৱা ধৰণৰ পুখুৰী নতুনকৈ খন্দাৰ কথাও চিন্তা কৰিব লাগে।

কথাত কথা ওলাল - আজিকালি কৰাৰ দৰে বৃক্ষ-ৰোপণৰ নামত বা আন কাৰণত পুখুৰীৰ পাৰত গছ ৰোৱাটো কিন্তু বৰ বেয়া কথা। গছৰ পাতে পুখুৰী আৰু পুখুৰীৰ পানী লেতেৰা কৰাৰ উপৰিও বেলিৰ পোহৰে পুখুৰীৰ পানীত থকা বীজাণু নাশ কৰাত বাধা দিয়ে। কেতিয়াবা গহপুৰলৈ গ'লে মই কি কৈছো বুজিব পাৰিব। গহপুৰৰ পুখুৰীটোৰ পাৰৰ গছবিলাকে পুখুৰীটো লেতেৰা কৰাৰ উপৰিও পাৰত থকা চহিদ কনকলতাৰ মুৰ্তিটো নেদেখা কৰিছে।

অষ্ট্ৰেলিয়াৰ কোনো কোনো অঞ্চলত নাদ পুখুৰী আদিৰ পৰা পানী যোগোৱা কঠিন কাৰণে ৰৰষুণৰ পানীকে ঘৰৰ টিনৰ পৰা পোনে পোনে মাটিৰ তলৰ চৌবাচ্চাত ধৰি থয় আৰু সেই পানীকে ব্যৱহাৰ কৰে। এই ব্যৱস্থা অতি উত্তম কিয়নো ৰৰষুণৰ পানী পৰিষ্কাৰ কৰা অতি সহজ। আমাৰ দেশতো ৰৰষুণৰ পানীক ঘৰে ঘৰে ধৰি দৈনন্দিন জীৱনৰ কিছুমান কাম কৰিবৰ উপায়ৰ বিষয়েও চিন্তা আৰু চেষ্টা চলা উচিত।

ৰচনাকালঃ জানুৱাৰী ১৯৮৬

*একুৰি এক অধ্যায়*

# টেলিভিছনৰ কথা

আমি মাঘৰ বিহুৰ দিনাখনেই গুৱাহাটী পাইছিলোঁহি। মনৰ উলাহত ঘৰ সোমায়েই, চুটকেছ কেইটা দলিয়াই মিত্ৰিৰ কুটুম্ব, বন্ধু-বান্ধৱৰ ঘৰে ঘৰে ঘূৰিলো, বোলো আটায়ে বিহুৰ দিনাখন আমাক পাই উলাহেৰে সাৰটি ধৰিব আৰু আমাক নানা তৰহৰ পিঠা-পনা দৈ জলপান আদি খুৱাব। কিন্তু আমি সম্পূৰ্ণ নিৰাশ হ'ব লগীয়া হ'ল। কাৰও আমাৰ পিনে মুখ তুলি চাবৰ সময় নাই - গুৱাহাটীত ঘৰে ঘৰে ৰঙীন টেলিভিছন হ'ল। ল'ৰা-বুঢ়া আটায়ে টেলিভিছনত মুখ চকু গুজি বহি থাকে, আমাৰ পিনে চোৱা দূৰৈত থাওক, ইকাটি সিকাটি কৰিবলৈকে সময় নাই। ঘৰৰ ভিতৰলৈ সোমাই প'লে মুখ নোতোলাকৈ সুখে বোলে 'কোন?'। কোন ক'লে কয় বোলে 'বহঁা, টেলিভিছন চোৱা', 'চোৱা, আজি নতুন হিন্দী চিনেমা দেখুৱাইছে', 'আহঁা, আজি পুৰণা হিন্দী চিনেমা দেখুৱাইছে', 'চাওক, আজি ইণ্ডিয়াই নিউজিলেণ্ডক হৰুৱাবই' (আজিকালি বহুতে ভাৰতক ইণ্ডিয়া বোলা হ'ল), 'চাওক আজি আমাৰ ম'হ যুঁজ দেখুৱাব' ইত্যাদি, ইত্যাদি। কিন্তু আমিনো চাওঁ কেনেকৈ? - ঘৰৰ মানুহ আৰু ওচৰ চুবুৰীয়াই টেলিভিছনটো এনেদৰে আগুৰি থাকে যে আমি কাৰোবাৰ পিঠি বা চুলি দেখাৰ বাহিৰে আন একো দেখাৰ সম্ভাৱনা নাথাকে। বাটে ঘাটেও সকলো কথা-বতৰা টেলিভিছনক কেন্দ্ৰ কৰিয়েই শুনিলো, যেনেঃ

এখন গাড়ীৰ ভিতৰৰ পৰা ল'ৰা-ছোৱালীয়ে সিখন গাড়ীৰ ল'ৰা-ছোৱালীক সুধিলে, 'তোমালোকৰ টেলিভিছন আহিল নে নাই?' তেতিয়া ইখন গাড়ীৰ ছোৱালী এজনীয়ে হিঁয়া ভাগি যোৱা দুখেৰে ক'লে, 'নাই, কেইদিনমান দেৰী হ'ব'।

এঘৰত টেলিভিছন চাবলৈ অহা বন্ধু এজনক যেতিয়া 'আজি আমাৰ টেলিভিছনটো বেয়া হ'ল' বুলি জনোৱা হ'ল মানুহজন বজ্ৰপাত পৰাৰ নিচিনাকৈ বহু দেৰী থৰ হৈ আছিল।

এঘৰলৈ যাওঁতে আমাক দুবৈতে দেখি দৌৰি অহা ল'ৰা-ছোৱালী এহালৰ আনন্দ দেখি মনটো ভাল লাগিছিল যদিও সিঁহতে 'আমিও এটা কালাৰ-টেলিভিছন কিনিলো, চাওকহি' বুলি প্ৰথমেই কোৱাৰ লগে লগে মোৰ ভাল লগাখিনি দূৰ হ'ল।

আমেৰিকাত থাকোঁ যদিও আৰু নিজৰ সামৰ্থ্য আছে যদিও আমাৰ ৰঙীন টেলিভিছন নাই। পুৰণা কলা-বগা টেলিভিছন এটা আছে যদিও সেইটো আমি মাহেকে পখেকে কেতিয়াবাহে চাওঁ। আমেৰিকাত আমাৰ নিচিনাকৈ ৰঙীন টেলিভিছন বা আন ধৰণৰ টেলিভিছন নথকা মানুহ বহুত আছে। সেইদৰে

আমাৰ দৰে কেতিয়াবা কাচিতহে টেলিভিছন চোৱা মানুহৰ সংখ্যাও বহুত। ইয়াৰ প্ৰধান কাৰণ হৈছে টেলিভিছন এটা পৰিয়ালৰ কাৰণে বৰ অনিষ্টকাৰী। বিশেষকৈ, কণ কণ ল'ৰা-ছোৱালীৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত টেলিভিছনৰ প্ৰভাৱ সাধাৰণতে বৰ বেয়া। সেয়েহে গুৱাহাটীৰ টেলিভিছন-প্ৰিয় ৰাইজ দুই একক নানা প্ৰকাৰেৰে সতৰ্ক কৰি দিবলৈ চেষ্টা কৰিলো। আমেৰিকাৰ ৰাইজে অভিজ্ঞতা আৰু বহু গৱেষণা কৰি পোৱা নানান তথ্য মই তেওঁলোকক জনালো। যেনেঃ

"টেলিভিছনটো বৰ বেয়া বস্তু - ই মানুহক বৰ এলেহুৱা কৰে"

"ল'ৰা-ছোৱালীয়ে টেলিভিছন চাই দুই এটা ভাল কথা শিকিব পাৰে যদিও সেইবিলাক আন প্ৰকাৰেও অতি সহজে শিকিব পাৰে। জ্ঞান আহৰণ কৰিবলৈ টেলিভিছন এক প্ৰয়োজনীয় আহিলা নহয়। আমেৰিকাৰ স্কুল কলেজত টেলিভিছনৰ ব্যৱহাৰ সম্পূৰ্ণ বিসৰ্জন দিছে।"

"টেলিভিছনে ল'ৰা-ছোৱালীৰ স্বভাৱ চৰিত্ৰও নষ্ট কৰে। বেছিকৈ টেলিভিছন চোৱা ল'ৰা-ছোৱালী অসন্তোষীয়া আৰু বৰ উতনুৱা হয়। তেনে ল'ৰা-ছোৱালী মাক-দেউতাকৰ অবাধ্য হোৱাৰ উপৰিও তেওঁলোকে মাক-দেউতাকক আৰু গুৰুজনক বেয়া ব্যৱহাৰ কৰা হয়।"

"আটাইতকৈ দুখৰ কথা এয়েই যে টেলিভিছনৰ যোগেদি মানুহে মানৱ-জীৱনৰ এক অতি কৃত্ৰিম আৰু অবাস্তৱ ছবিহে পাবলৈ ধৰে। সেয়েহে বেছিকৈ টেলিভিছন চোৱা লোকৰ জ্ঞান ধাৰণা আৰু বিচাৰ-বুদ্ধি উপৰুৱা আৰু অবাস্তৱ হৈ পৰে।"

টেলিভিছনৰ আৱিষ্কাৰক জ্বেলদিমিৰ জৰ্কিনে কি কয় জানা - যন্ত্ৰ ৰূপে টেলিভিছনটো মই আশা কৰাতকৈ বহু ওখ খাপৰ, কিন্তু মই মোৰ ল'ৰা-ছোৱালীক তাৰ প্ৰগ্ৰেমবিলাকৰ ওচৰলৈ আহিবলৈ নিদিওঁ। সিহঁতে কৰা কামবিলাক ঘিণ লগা।" (জুলাই ৩১, ১৯৮১ৰ নিউ ইয়ৰ্ক টাইমচ চাওক)।

"আজি কিছুদিন আগতে ডাক্তৰ বেঞ্জামিন স্পকে তেওঁৰ তোলনীয়া জীয়েক আৰু নাতিনিয়েকক ব্ৰংকচ চিৰিয়াখানা আৰু আধুনিক সুকুমাৰ কলাৰ সংগ্ৰহালয় দেখুৱাম বুলি নিউ ইয়ৰ্কলৈ আনিছিল। কেছুৱাৰ কেঁঠা খহুৰ পৰা আৰম্ভ কৰি বিছনাত মুতালৈকে সকলোৰে প্ৰতিকাৰ জনা সেই প্ৰখ্যাত ডাক্তৰজনে কিন্তু জী-নাতিনীক হোটেলৰ কোঠাৰ পৰা আঁতৰাব নোৱাৰি অতি বিতৃষ্ণাৰে কৈছিল, 'মই সিহঁতক সেই আপদীয়া টেলিভিছনটোৰ পৰা আঁতৰাব নোৱাৰিলো - ই মোক তিতা-কেহা লগালে' (ফেব্ৰুৱাৰী ২১, ১৯৭৭ৰ নিউজ উইক চাওক) ইত্যাদি, ইত্যাদি।

কিন্তু, মোৰ কথা শুনে কোনে? "টেলিভিছনে মানুহক বৰ অভদ্ৰ কৰে" আৰু "সভ্য দেশৰ মানুহে আলহী আহিলে টেলিভিছনটো বন্ধ" কৰি দিয়ে বুলি মই এঘৰত এটা চেষ্টা দিছিলো কিজানি তেওঁলোকে ক্ষন্তেক টেলিভিছনটো বন্ধ কৰি দি আমাৰ সোধ-পোচ কৰেই - কিন্তু আটায়ে মোৰ কথা শুনি একেবাৰে ঘেংঘেঙাই উঠিলে। আন এঘৰত মই তেনেকুৱা এটা প্ৰস্তাৱ দিওঁতে তেওঁলোকৰ কুকুৰটোৱেও ভুকভুকাই মোক মনে মনে থাকিবলৈ ক'লে।

ঘৰলৈ উভতি আহি পাকঘৰত খোৱা-বস্তু বিচাৰি ঘুটঘুটোৱা দেখি মায়ে মোক সুধিলে বোলে 'তোক কোনেও কিছু নুখুৱালে নেকি?' মই আন একো নকৈ মাক জনালো, 'অসমত ঘৰে ঘৰে টেলিভিছন সোমাইছে যেতিয়া দেশৰ ভৱিষ্যত বৰ বেয়া'। মায়ে আকৌ বাংলাদেশীৰ নিচিনা কিবা অমংগলীয়া বস্তু আমাৰ ঘৰ-ঘৰ সোমোৱা বুলি ভাবি ক'লে, 'কথা ইমানেই বেয়া যদি প্ৰফুল্লকে ক'গৈ, সময় থাকোতেই সিহে যদি কিবা এটা কৰিব পাৰে'।

মইও ভাবিলো কথাটো বেয়া নহয়। আমাৰ নতুন মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল মহন্তকে আমাৰ সমাজত এতিয়া অতি প্ৰিয় হৈ পৰা টেলিভিছনৰ অনিষ্টকাৰী দিশটোৰ প্ৰতি সতৰ্ক কৰি দিওঁ। তাতে বোলে দিছপুৰৰ মন্ত্ৰীসকলে ৰাইজৰ কাৰণে অনবৰতে দুৱাৰ মুকলি কৰি ৰাখিছে। খবৰ কৰি কিন্তু গম পালো যে মুখ্য মন্ত্ৰী হেনো যুজ চোৱাতে ব্যস্ত আৰু ব্যস্ত থাকিব - এদিন কলিয়াবৰত মহ যুজ, এদিন কৰবাত কুকুৰা-যুজ, এদিন গুৱাহাটীত মাল-যুজ আদি চোৱাত তেওঁ বৰ ব্যস্ত। যুজ চাবলৈ প্ৰফুল্ল মহন্তই বৰ ভাল পাই বুলি জানি শ্ৰীমতীকে লগ লৈ ক'লো, 'হেৰা, ব'লা প্ৰফুল্ল মহন্তই বোলে যুজ চাই বৰ ভাল পায়। আমাৰও সদায় খুন্দাখুন্দি লাগি থাকে যেতিয়া এখুন্দা তেওঁকো দেখুৱাই আহোঁ'। তেওঁ ৰাজি নহৈ ক'লে, "মুখ্য-মন্ত্ৰীয়ে যুজ চাই সময় নষ্ট কৰিলে ফিটা কাটিবলৈ ক'ত সময় পাব?"।

## এটি মত

'খোচা-বিন্ধা যুবঞ্জীৰ টেলিভিছনৰ কথাখিনি পঢ়ি ভাল লাগিল। বুজিছে খুৰা - গুৱাহাটীৰ কথাই নকওঁ, তেজপুৰতে (য'ত ওচৰ চুবুৰীয়াৰ আহ-যাহ ঘন) মানুহে টি-ভি চোৱাৰ বাবে ইঘৰে সিঘৰৰ খবৰ লবলৈ বেছিকৈ আহ যাহ নকৰা হ'ল। সৰু ছোৱালী ন'ৰাৰ মুখতো প্ৰায়ে টি-ভি বিজ্ঞাপন আদিৰ কথাই শুনিবলৈ পোৱা হ'লো। আচলতে অসমৰ বাবে নতুন বস্তু হোৱাৰ বাবেই ছাগৈ এনেকুৱা। পাছত ৰেডিঅৰ নিচিনাকৈ সকলো ঠিক হৈ যাব ছাগৈ।'

-শিখা শইকীয়া, তেজপুৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়

*একুৰি দুই অধ্যায়*

# নতুন চৰ্কাৰৰ কথা

বৰ্তমান অসমৰ ৰাইজে গণ পৰিষদ চৰ্কাৰৰ আমোলত স্বস্তিৰে নিশ্বাস পেলাব পাৰিছে। এই চৰ্কাৰে অসমলৈ বিদেশীৰ সোঁত বন্ধ কৰি অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ সমৰ্থ হ'ব বুলি ৰাইজে ৰবকৈ আশা কৰিছে আৰু বৰ্তমান ৰাইজে চৰ্কাৰক সম্পূৰ্ণৰূপে সহযোগিতা দান কৰিছে। সচাকৈয়ে ক'বলৈ গলে, অসমৰ ৰাইজে ইমান উৎসাহেৰে ইয়াৰ আগত আন কোনোৰা চৰ্কাৰৰ প্ৰতি একে ধৰণৰ সহযোগিতা আগ বঢ়াইছিল বুলি মোৰ মনে নধৰে। মুখ্য মন্ত্ৰী প্ৰফুল্ল মহন্তৰ ওপৰত ৰাইজৰ গভীৰ আস্থা। অসমৰ ৰাইজৰ প্ৰফুল্ল মহন্তৰ চৰ্কাৰৰ ওপৰত আস্থা আৰু তেওঁৰ চৰ্কাৰৰ প্ৰতি আগ বঢ়োৱা সহযোগিতা দেখি মন ইমানেই পুলকিত হৈছে যে বৰ্তমান সময়ত অসমত কিছুদিনৰ কাৰণে থাকিবলৈ পোৱা কাৰণে ধন্য মানিছো।

অসম গণ পৰিষদ চৰ্কাৰ যে ৰাইজৰ বহু আশা ভৰসাৰ চৰ্কাৰ তাত সন্দেহ নাই। জন সাধাৰণৰ এনে শুভ ইচ্ছা আৰু সহযোগিতাৰ কাৰণে এই চৰ্কাৰে ইচ্ছা কৰিলে বহু কৰিব পাৰিব। ইতিমধ্যে, কেইটামান দিশত কিছু সুফল দেখা গৈছে। বিশেষকৈ ৰাইজক আগৰ অত্যাচাৰী পুলিচী শাসনৰ পৰা মুক্ত কৰা হৈছে আৰু ৰাইজৰ মনত বৰ্তমান এক নিৰাপত্তাৰ ভাব বিৰাজ কৰা দেখা গৈছে। সেইদৰে হিতেশ্বৰ শইকীয়াৰ দিনত আহি পৰা স্বেচ্ছাচাৰী দুৰ্নীতি কিছুমানৰ ওৰ পৰিছে আৰু প্ৰশাসনত কামবিলাক সময়মতে নিয়াৰিকৈ কৰিবলৈ কৰ্মচাৰী আৰু বিষয়াসকল অধিক তৎপৰ হোৱা দেখা গৈছে। মন্ত্ৰীসকলৰ ৰাইজৰ লগত পোনপটীয়া যোগাযোগও বৰ সন্তোষজনক।

তথাপি আজি কিছুদিনৰ পৰা ৰাইজৰ মাজত কিছু হতাশা আহি পৰা দেখা গৈছে আৰু গণ পৰিষদ চৰ্কাৰে ৰাইজে আশা কৰা ধৰণেৰে কাম কৰিব যে পাৰিব সেই বিষয়ে বহুতে সন্দেহ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে আৰু কাগজে পত্ৰেও চৰ্কাৰৰ কামবিলাকৰ সমালোচনা এতিয়া সঘনাই প্ৰকাশ পোৱাটো মন কৰিব লগীয়া কথা। সেইবিলাকৰ প্ৰতি সচেতন হ'বৰ কাৰণে ইয়াত তাৰ দুটামান উল্লেখ কৰা যুগুত হ'ব।

## ছাঁ আৰু মদাহী

কেইবা গৰাকীও মন্ত্ৰীৰ লগত দুই এজন বন্ধু অনবৰত ছাঁৰ দৰে থাকি সেইসকলৰ মৰ্যাদা হানি কৰিছে আৰু তেনে দুই এজনে মুখ্য মন্ত্ৰী বা আন মন্ত্ৰীৰ নাম কৈ নানা তৰহৰ দুষ্কাৰ্য কৰিছে। উদাহৰণ স্বৰূপে তেনে দুজনমানে

মুখ্য মন্ত্ৰীৰ নাম কৈ কলিকতাৰ আসাম হাঁউচত মুখ্য মন্ত্ৰবি কোঠাত জোৰকৈ থাকিবলৈ লৈ নানান উৎপাত কৰা বুলি ওলাইছে। সেইদৰে কোনো কোনোৱে পানবজাৰৰ মদৰ দোকানৰ পৰা ডকা-হকা দি মদ লোৱা, মন্ত্ৰীৰ গাড়ী লৈ মেঘালয়ৰ পৰা সঘনাই মদ কিনিবলৈ যোৱা, ৰাষ্ট্ৰপতিক দিয়া নৈশ ভোজনত নিচাসক্ত হৈ দেখা দিয়া আদি নানান ধৰণৰ বাতৰি আজিকালি গুৱাহাটী-দিচপুৰৰ বাটে পথে শুনিবলৈ পোৱা যায়। এনে অসংযত মন্ত্ৰী-বিধায়ক বা তেওঁলোকৰ হাঁ যেন বন্ধুসকলক সংযত কৰিব নোৱাৰিলে এই চৰ্কাৰে যে ৰাইজৰ শুভ ইচ্ছা আৰু সহযোগ হেৰুৱাব তাত সন্দেহ নাই। মদাহী মন্ত্ৰী বিধায়কসকলে আৰু মন্ত্ৰী বিধায়কসকলৰ মদাহী বন্ধু-বান্ধৱসকলে গা এৰা নিদিলে এই চৰ্কাৰৰ পতন অনিবাৰ্য।

## আন্দোলনকাৰীৰ ওপৰত অত্যাচাৰ কৰা বিষয়াৰ পদোন্নতি

"শইকীয়া চৰ্কাৰৰ দিনত দুষ্কাৰ্য কৰা মন্ত্ৰী - বিধায়ক আৰু আন্দোলনৰ সময়ত অসমীয়া ৰাইজৰ ওপৰত উৎপীড়ন কৰা বিষয়াসকলৰ প্ৰতি বৰ্তমান চৰ্কাৰে প্ৰতিশোধৰ মনোভাব নোলোৱাটো বৰ ভাল কথা হৈছে। কিন্তু তেনে কিছুমান লোকৰ পদোন্নতি কৰি গুৰুত্বপূৰ্ণ পদবীত দিয়াটো আচৰিত কথা হৈছে। উদাহৰণ স্বৰূপে ভুলিয়াজানত নিঃসহায় আন্দোলকাৰীৰ ওপৰত গুলী চলোৱাৰ লগত জড়িত পুলিচ বিষয়া পি-গোস্বামীক প্ৰশাসনৰ ডি-আই-জিৰ দৰে গুৰুত্বপূৰ্ণ পদবী কিয় দিয়া হৈছে?"

*(বেতালী বিহুসংখ্যা, আমাৰ প্ৰতিনিধি, ১৯৮৬ চন, পৃঃ ১১০)*

সেইদৰে ৰাইজৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা বা হত্যা বলাৎকাৰ আদিৰ দৰে গুৰুতৰ অপৰাধত লিপ্ত পুলিচ আৰু বিষয়াসকলক বিচাৰলৈ আনিবলৈ চেষ্টা নকৰাটো দুৰ্বলতাৰ চিন।

## আন্দোলনৰ বিৰোধিতা কৰা চাকৰিয়ালৰ চাকৰিকাল বৃদ্ধি অথচ-

'ৰাজ্যৰ বিত্ত বিভাগকে ধৰি দুটামান গুৰুত্বপূৰ্ণ বিভাগত অৱসৰ পোৱা বিষয়াৰ চাকৰি কাল বঢ়াই দিয়াত সচিবালয়ৰ এচাম চাকৰিয়ালৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। এই সকল চাকৰিয়ালে অভিযোগ কৰা মতে চাকৰিকাল কৌশলেৰে বঢ়াই লোৱা বিষয়া কেইজনে অসম আন্দোলনৰ তীব্ৰ বিৰোধিতা কৰাই নহয় আন্দোলন সমৰ্থক সচিবালয়ত কাম কৰা চাকৰিয়াল সকলক পদে পদে লঘু লাঞ্ছনা কৰাত আগৰ চৰ্কাৰক বিভিন্ন প্ৰকাৰে সাহায্য কৰিছিল।... আনহাতে বিভিন্ন বিভাগৰ যোৱা আঠাইছ ফেব্ৰুৱাৰীত অৱসৰ

লোৱা অসম আন্দোলনৰ সমৰ্থক বিষয়াসকলৰ এজনকো চৰ্কাৰে চাকৰিৰ কাৰ্যকাল বঢ়াই নিদিলে।'

*[দৈনিক অসম, ১২ মাৰ্চ, ১৯৮৬]*

## চৰ্কাৰৰ বৰ্ণ-হিন্দুৰ বাদে আন লোকৰ ওপৰত আস্থা নাই নেকি?

"নতুন চৰ্কাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত বেছি ভাগ গুৰুত্বপূৰ্ণ বিভাগতে ব্ৰাহ্মণ নাইবা বৰ্ণ-হিন্দুৰ লোককহে নিয়োগ কৰিছে। যেনে মুখ্যমন্ত্ৰীৰ মুখ্য প্ৰাইভেট ছেক্ৰেটাৰী আৰু আন তিনি গৰাকী প্ৰাইভেট ছেক্ৰেটাৰী, গৃহ বিভাগৰ সচিব, সাংস্কৃতিক বিভাগৰ সচিব, ৰাজ্য বিভাগৰ সচিব, সাংস্কৃতিক বিভাগৰ সচিব, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিদ্যুৎ বিভাগৰ সচিব আদি। সেইদৰে চৰ্কাৰে নিযুক্তি দিয়া ভিন ভিন নিগমৰ সভাপতি, চেয়াৰমেন আদি পদবীৰ প্ৰসাদও ঘাইকৈ বৰ্ণ-হিন্দুসকলৰ মাজতে বিতৰণ কৰা হৈছে। এই বিষয়া বা ব্যক্তিসকলৰ যোগ্যতা বা সাধুতাৰ প্ৰশ্ন নকৰাকৈ আমি প্ৰশ্ন কৰিবলৈ বাধ্য যে চৰ্কাৰৰ উচ্চ বৰ্ণৰ হিন্দুৰ বাদে আন অসমীয়াৰ ওপৰত আস্থা নাই নেকি? এইটো দেখাত বৰ বেয়া হৈছে আৰু বৰ্তমানৰ প্ৰশাসনে এনে ৰূপ ল'লে মহন্ত চৰ্কাৰেও টাইমুৰৰ চৰ্কাৰ বা শইকীয়া চৰ্কাৰৰ দৰে একে ধৰণৰ অপবাদ বহন কৰিব লাগিব। অসমৰ ভিন ভিন জনগোষ্ঠীৰ লোকক উপযুক্ততা অনুসৰি প্ৰশাসন আৰু প্ৰতিষ্ঠানৰ ভিন ভিন গুৰুত্বপূৰ্ণ পদবীত আস্থাৰে নিযুক্তি দিলেহে অসম গণ পৰিষদ চৰ্কাৰে নিজকে গণমুখী বুলি পৰিচয় দিব পাৰিব।"

*(বঙালী বিহুসংখ্যা, আমাৰ প্ৰতিনিধি, ১৯৮৬ চন)*

## নিজৰ সা-সুবিধাৰ কাৰণে খৰখেদা

এইবাৰৰ বাজেট অধিবেশনত বিধায়কসকলৰ বোনাচ বঢ়োৱা আৰু আন বহু সা-সুবিধা দিয়া বিল এখন অতি খৰখেদাকৈ শেষৰ দিনে গ্ৰহণ কৰা হয়। এই বিল খনৰ বহুগুণ থাকিলেও তাক যি ধৰণেৰে আৰু যি যুক্তিৰে বাজেট অধিবেশনৰ শেষৰ দিনাখন গ্ৰহণ কৰা হ'ল তাকে দেখি বহু লোক হতভম্ব হৈছে। প্ৰথমেই এই বিলখনৰ কাৰণে গণ পৰিষদৰ বিধায়কসকলে ইন্দিৰা কংগ্ৰেছ আৰু আন বিৰোধী দলৰ লগত হাত মিলালে। দ্বিতীয়তে, এনে সুবিধাবিলাক পালে বিধায়কসকল দুৰ্নীতিমুক্ত হৈ থাকিব পাৰিব বুলি দিয়া যুক্তিয়ে গণ পৰিষদ চৰ্কাৰৰ কাৰণে দুৰ্যোগৰ সূচনা কৰিছে কিয়নো বিষয়াসকলৰ বঢ়াই দিয়া বোনাচৰ সমান বেতন নোপোৱা বা তেওঁলোকৰ দৰে সা-সুবিধা নোপোৱা বিষয়াসকলে এতিয়া এইটো যুক্তি দিবলৈ সুযোগ দিয়া

হৈছে যে বেতন কম হোৱা কাৰণে আৰু সা-সুবিধা কিছুমান নোপোৱা কাৰণে তেওঁলোক দুৰ্নীতিত লিপ্ত হ'বলৈ বাধ্য।

সি যিয়েই নহওক, বাইজে বহু আশাৰে যিবিলাক কাম কৰিবলৈ বিধায়কসকলক বিপুল ভোটেৰে জিকাই পঠিয়ালে সেইবিলাক আওকাণ কৰি এতিয়া নিজৰ মুখলৈহে এনেদৰে উঠি পৰি লগা দেখি বাইজৰ মাজতগুঞ্জন আৰম্ভ হৈছে। কোৱা বাহুল্য যে এতিয়ালৈকে অসমৰ পৰা এজনও বিদেশী বিতাড়িত হোৱা নাই আৰু সীমান্তত কাঁইটীয়া বেৰৰ খুটা এটাও উঠা নাই। আনহাতে নিতৌ নাৱেৰে নতুন অনুপ্ৰৱেশকাৰী আহি থকা বুলিহে বাতৰি ওলাইছে।

## গণপৰিষদ দলৰ সংগঠন

কোনো কোনোৱে এই মতও পোষণ কৰে যে গণপৰিষদৰ বৰ্তমান নেতাসকলে কেৱল ক্ষমতাত আহিবৰ কাৰণেহে দলটো গঠন কৰিলে কিয়নো বিধায়ক-মন্ত্ৰী এম-পি আদি হোৱাৰ পিছত দলটোৰ সংগঠন, দলটোৰ নীতি নিয়ম বা স্থায়ী চিন্তাধাৰা আদিৰ প্ৰতি নেতা সকলে সম্পূৰ্ণ পিঠি দিছে। দলটোৰ সকলো দিশেই অতি অস্থায়ী ৰূপত থকা বাবে বহুতেই এইটো ভয় কৰিছে যে বৰ্তমান চৰ্কাৰে নিজকে অতি অস্থায়ী ধৰণেৰেহে ভাবিছে। সেয়েহেশুভাকাঙ্খী সকলে, দেশৰ ভৱিষ্যতৰ প্ৰতি ভঁৰা সকলে এই মত দিয়ে যে প্ৰফুল্ল মহন্তৰ ওপৰত ৰাজ্য চলোৱাৰ দায়িত্ব সম্পূৰ্ণৰূপে এৰি দি ভৃগু ফুকনৰ দৰে বাইজৰ আস্থা থকা এজন শীৰ্ষস্থানীয় নেতাই গণপৰিষদ দলটোক স্থায়ী ৰূপে সংগঠিত কৰাৰ দায়িত্ব লোৱা উচিত। নহলে, শৰাইঘাটৰ ৰণৰ বছৰচেৰেক পিছতে লালুকসোলা বৰফুকনে বিনা যুদ্ধেগুৱাহাটীক মোগলৰ হাতত এৰি দিয়াৰ দৰে যোৱা নিৰ্বাচনীৰ বিপুল বিজয়ৰ পিছত অসমীয়া জাতিক ধ্বংস কৰিবলৈ অসম বিদ্বেষী সকলৰ হাতত তুলি দিয়াহে হ'ব।

(২৩ এপ্ৰিল ১৯৮৬ৰ অগ্ৰদূতত আংশিক ভাবে প্ৰকাশিত)

*একুৰি তিনি অধ্যায়*

# দুৰ্নীতিমুক্ত প্ৰশাসনৰ সম্ভাৱনা

প্ৰফুল্ল মহন্তৰ চৰ্কাৰ থকা স্থায়ী হ'ব পাৰিব নে নোৱাৰে আৰু তেওঁলোকে স্থায়ী কিবা এটা কৰি যাব পাৰিব নে নোৱাৰে সেইটো বহুদূৰ নিৰ্ভৰ কৰিব তেওঁলোকে প্ৰশাসনৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাত কিমান দূৰ সফল হৈছে তাৰ ওপৰত। গণ পৰিষদ দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ ভিতৰত দুৰ্নীতিমুক্ত প্ৰশাসন দিয়াটো আছিল অন্যতম। এই প্ৰতিশ্ৰুতি দিয়াটো যিমান সহজ তাক কৰি দেখুওৱাটো সিমানেই টান। বৰ্ত্তমানৰ প্ৰশাসনত বিশেষকৈ যোৱা ছবছৰৰ দুষ্কাৰ্যৰ পিছত দুৰ্নীতিয়ে ইমান বেয়াকৈ শিপাই আছে যে তাক পুলিয়ে পোখাই উভালিবলৈ বহু কষ্ট কৰিব লাগিব। ইয়াত এটা খোচ বা তাত এটা খোচ বা ইয়াত একোৰ তাত একোৰ মাৰি দুৰ্নীতি নিৰ্মূল কৰাটো অসম্ভৱ। সেয়েহে দুৰ্নীতি নিৰ্মূল কৰিবলৈ অতি নিশ্চিত আৰু সুচিন্তিত কৰ্মপথ এটা বাচি লব পাৰিব লাগিব।

## আড়ম্বৰ শূন্য জীৱনৰ আদৰ্শ

আজি অসমৰ নবীন আৰু প্ৰবীন চিন্তাশীল লোক, দুৰ্নীতিমুক্ত প্ৰশাসক, কৰ্মচাৰী আদি এটা কথাত একমত যে দুৰ্নীতিমুক্ত প্ৰশাসন প্ৰতিষ্ঠা কৰিবলৈ প্ৰশাসন যন্ত্ৰটোক ওপৰৰ পৰাহে পৰিষ্কাৰ কৰিবলৈ আৰম্ভ কৰিব লাগিব। তাৰ প্ৰথম খোজটো হব মন্ত্ৰী, উপমন্ত্ৰী সকলে নিজকে দুৰ্নীতিয়ে স্পৰ্শ কৰিব নোৱাৰা আদৰ্শ ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰাটো- তেনে কৰাৰ পিছতহে তেওঁলোকে নিজৰ নিজৰ অধীনত থকা বিভাগ বিলাকৰ আটাইতকৈ উচ্চ পদস্থ বিষয়াজনৰ পৰা আৰম্ভ কৰি প্ৰত্যেক জন বিষয়াৰে কাৰ্য্য কলাপ, সা-সম্পত্তি, গতি বিধি আদি তন্ন তন্নকৈ পৰীক্ষা কৰি প্ৰশাসন নিকা কৰিবলৈ লব পাৰে।

আমি ভাবো যে গণ পৰিষদ চৰ্কাৰৰ মন্ত্ৰী বিধায়ক সকলে অতি অনাড়ম্বৰ ভাবে জীৱন যাপন কৰিব লাগে। সচাকৈয়ে কবলৈ গলে আড়ম্বৰ প্ৰিয় লোকে কেতিয়াও ৰাইজক নেতৃত্ব দিব নোৱাৰে। বেতন বা আন আন সুবিধা বোৰ বঢ়াবলৈ চেষ্টা নকৰি বিধায়ক সকলে নিজৰ বৰ্ত্তমানৰ বেতনেৰে টানি মুনি চলি দেখুৱালেহে বৰ্ত্তমানৰ বিধায়ক সকলে প্ৰশাসনক দুৰ্নীতিমুক্ত কৰিব পাৰিব বুলি আশা কৰিব পাৰি। ক্ষমতা লাভৰ পিছত মিছা ভেম কৰি বা পকী দালান সাজি দেখুৱালে তেওঁলোকে ৰাইজৰ আস্থা হেৰুৱাটো স্বাভাৱিক। দুৰ্নীতিৰ মূলতে হৈছে বিষয়-সম্পত্তি বা ইন্দ্ৰিয় বিলাসৰ প্ৰতি আসক্তি। এনে আসক্তিৰ প্ৰতি দুৰ্বলতা নেদেখুৱাকৈ থাকিব পাৰিলেহে বৰ্ত্তমানৰ

নেতা সকলে আৰ্দশ ব্যক্তি বুলি পৰিচয় দিব পাৰিব আৰু যি সকলে তেনে কৰিব পাৰে সেই সকলেহে প্ৰশাসনক দুৰ্নীতি মুক্ত কৰাত অৰিহণা যোগাব পাৰিব।

## নতুন আইনৰ প্ৰয়োজন

আমেৰিকা আদি দেশত চৰ্কাৰী বেচৰ্কাৰী সকলো প্ৰতিষ্ঠানৰ পৰা দুৰ্নীতিত লিপ্ত লোকক ধৰি উলিয়াবৰ কাৰনে আয়কৰ বিভাগটো প্ৰধান অস্ত্ৰৰূপে ব্যৱহাৰ কৰে। আয়কৰ কেন্দ্ৰীয় চৰ্কাৰৰ হাতত যদিও আমেৰিকাৰ ৰাজ্যিক চৰ্কাৰ বিলাকেও বেলেগে আয়কৰ লয় আৰু তাৰ সহায়ত দুৰ্নীতিৰ অভিযান চলায়। আমাৰ দেশৰ আয়কৰ বিভাগৰ বিশৃংখলতাৰ কাৰনে সেই বিভাগটো দুৰ্নীতি দমনত ব্যৱহাৰ কৰিব নোৱাৰি যদিও আমেৰিকাৰ আয়কৰ বিভাগে প্ৰয়োগ কৰা কৌশল ইয়াত নিশ্চয় ব্যৱহাৰ কৰিব পৰা যায়। বিশেষকৈ চৰ্কাৰী বিষয়া আৰু কৰ্মচাৰী সকলে উপাৰ্জনৰ লগত সংগতি নথকাকৈ সম্পত্তি আয়ত্ব কৰা বা ব্যয় কৰাটো আইন মতে দণ্ডনীয় আৰু তাৰ কাৰণে অতি কঠোৰ শাস্তিৰ বিধান কৰিলে হয়তো সেই আইনকে দুৰ্নীতি নিবাৰণৰ কাৰনে প্ৰয়োগ কৰিব পাৰি। আমাৰ দেশত এনে এখন আইনৰো প্ৰয়োজন যি ঠিকাদাৰ সকলে কৰা কামৰ দায়িত্ব চিৰস্থায়ী ভাৱে বান্ধি দিব। অৰ্থাৎ এজন ঠিকাদাৰে কৰা কাম এটা যদি ঠিকাটোত নিৰ্দ্ধাৰিত ৰূপে সমাধা কৰা নাই বুলি বহু বছৰ পিছতো প্ৰমাণিত হয় তেতিয়া হলে ঠিকাদাৰ জন তাৰ বাবে জগৰীয়া হোৱা উচিত আৰু তেওঁ নাইবা তেওৰ উত্তৰাধিকাৰী সকলে আহৰণ কৰা সম্পত্তি বাজেয়াপ্ত কৰি হলেও তাৰ ক্ষতি পূৰণ লোৱাৰ ব্যৱস্থা কৰা উচিত। তেনেদৰে ঠিকাদাৰক ফাকি দিবলৈ সহায় কৰা বিষয়া সকলৰ ক্ষেত্ৰতো একে ব্যৱস্থা গ্ৰহণ কৰা উচিত। মুঠৰ ওপৰত দুৰ্নীতিত লিপ্ত ব্যৱসায়ী, বিষয়া সকলক বাটৰ ভিখাৰী কৰিব পৰা আইনৰ আজি নিতান্তই প্ৰয়োজন। তেনে আইনৰ সহায় লৈ হাতে কামে কৰি দেখুৱাব পাৰিলেহে হয়তো বৰ্তমান চৰ্কাৰৰ দুৰ্নীতিমুক্ত প্ৰশাসন প্ৰতিষ্ঠা কৰিব পৰাৰ সম্ভৱ।

(১৪ মে' ১৯৮৬ৰ অগ্ৰদূতত প্ৰকাশিত)

[টোকাঃ এই সংক্ৰান্তত এইটো উল্লেখযোগ্য যে ছভিয়েট ৰাছিয়াত দুনীতি প্ৰায় নাই আৰু তাৰ প্ৰধান কাৰণ হৈছে দুনীতি লিপ্ত লোকৰ কঠোৰ শাস্তি। উদাহৰণ স্বৰূপে, তাৰ উজবেখিস্তান প্ৰদেশৰ এসময়ৰ মুখ্যমন্ত্ৰী নৰ্মাখনমাদি খুদাইবেৰদিভক ভেটী খোৱা আৰু ভেটী যচা অপৰাধত ন বছৰ সশ্ৰম কাৰাদণ্ড বিহা হয় আৰু তেওঁৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰা হয়। তেওঁ মুঠ ১৫,৭০০ৰুবল ভেটী যচা আৰু ৫০,০০০ৰুবল ভেটী লোৱা বুলি দোষী সাব্যস্ত হৈছিল। (নিউজ ইণ্ডিয়া, ১৫ ছেপ্তেম্বৰ, ১৯৮৯)। আমাৰ চৰ্কাৰে যদি সচাকৈয়ে দেশৰ পৰা দুনীতি খেদিবলৈ বিচাৰে তেনেহলে এনে আইন প্ৰণয়ণ আৰু প্ৰয়োগ কৰাটোৱেই প্ৰয়োজন।]

## ৰাইজৰ মতামত

(১)

আপোনাৰ কাকতত যোৱা ১৪ মে' সংখ্যাত উক্ত শীৰ্ষক ডঃ দিলীপ কুমাৰ দত্তৰ আলোচনাটি পঢ়ি শ্ৰীদত্তৰ লগতে আমিও সুৰ মিলাই দুৰ্নীতি মুক্ত প্ৰশাসনৰ সম্ভাৱনাৰ সম্পৰ্কে আৰু কেইটি মান উপায় আপোনাৰ কাকতৰ জৰিয়তে ব্যক্ত কৰিলো। আজি আমাৰ সমাজ খন যে দুৰ্নীতিৰ অটল গহ্বৰত সোমাই পৰিছে এই কথা সমাজৰ প্ৰতিজন ব্যক্তিয়েই উপলব্ধি কৰে যদিও দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বা জনমত গঢ়ি তুলিবলৈ কোনো লোক আগবাঢ়ি নাহে। ফলত বৰ্তমান প্ৰশাসনৰ উচ্চ স্তৰৰ পৰা আৰম্ভ কৰি নিম্ন স্তৰলৈকে সৰহ সংখ্যক বিষয়া কৰ্মচাৰীয়েই দুৰ্নীতিত লিপ্ত হৈ দ্ৰুত অৰ্থ উপাৰ্জন কৰাত মগ্ন হৈছে। এই কৰ্মচাৰী সকলে কৰ্তব্য পৰায়ণ মনোভাৱেৰে ৰাইজক সেৱা কৰাৰ পৰা আঁতৰি গৈছে। এনে অৱস্থাত যদি দুৰ্নীতিৰ বিৰুদ্ধে এক সুপৰিকল্পিত সমূহীয়া তথা বলিষ্ঠ অভিযানৰ আঁচনি হাতত লোৱা নহয়, তেনে কোনো চৰ্কাৰেই জাতিৰ কল্যাণ সাধন কৰিব নোৱাৰে।

আমি ভাবো প্ৰশাসনৰ পৰা দুৰ্নীতি মুক্ত কৰাৰ সংক্ৰান্তত দুৰ্নীতি মুক্ত সৎ কমচাৰী সকলৰ সংঘবদ্ধ প্ৰচেষ্টা হব দুৰ্নীতি মুক্ত কৰাৰ প্ৰধান আহিলা। সৎ কৰ্মচাৰী সকলে 'দুৰ্নীতি বৰ্জন দিবস' এটিৰ আয়োজন কৰি এই দিবসত দলে দলে যোগ দান কৰি নিজকে দুৰ্নীতি মুক্ত বুলি চিনাকি দিয়ক আৰু দুৰ্নীতিত লিপ্ত কৰ্মচাৰী সকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে চৰ্কাৰক সহায় কৰক।

চৰ্কাৰেও চোৰাং চোৱা বিভাগৰ দ্বাৰা দুৰ্নীতি পৰায়ণ বিষয়াৰ অনুসন্ধানত গুপ্ত অনুসন্ধান চলোৱাৰ ব্যৱস্থা কৰা উচিত। এই সংক্ৰান্তত দুৰ্নীতিৰ বলি হোৱা সকলেও নিৰ্বিকাৰ ভূমিকা গ্ৰহণ নকৰি চোৰাংচোৱা বিভাগৰ লগত যোগাযোগ কৰিলে দুনীতিপৰায়ণ বিষয়া কৰ্মচাৰী সকলক বিচাৰি উলিয়াবলৈ নিশ্চয় সহজ হব।

*বাবুল বৰা, নগাওঁ*

(২)

শ্ৰীদত্তৰ লগতে কব বিচাৰিছো আড়ম্বৰ পূৰ্ণ জীৱন জাপন কৰি ৰাইজৰ প্ৰতিনিধি হোৱাটো বৰ্তমানৰ চিন্তাশীল নাগৰিকে কামনা নকৰে। পকা দালানৰ ভিতৰত সুসজ্জিত পৰিবেশত থকা খোৱা কৰি কোনেও জুপুৰি ঘৰত এসাজ এৰি এসাজ খোৱা নাগৰিকৰ কথা চিন্তা কৰিব নোৱাৰে। মন্ত্ৰী বিধায়ক সকল ৰাইজৰ সুযোগ্য প্ৰতিনিধি হৈ থাকিবলৈ হলে 'উগ্ৰ তিতা আৰু উগ্ৰ মিঠা' দুয়োটা বিসৰ্জন দি থকাটোহে ৰাইজে বিচাৰে।

চৰ্কাৰী বিষয়া আৰু কৰ্মচাৰীৰ মাজত চলা দুৰ্নীতি নিৰ্মূল কৰিবলৈ কঠোৰ ব্যৱস্থা লবই লাগিব। তেনে এটা মৌলিক ব্যৱস্থা লবলৈ যাওঁতে বিশেষ সমস্যাৰ সন্মুখীন হব বুলি ভবাৰ কোনো কাৰণ নাই। দুৰ্নীতিত লিপ্ত বিষয়া কৰ্মচাৰীক বিচাৰি উলিওৱা বৰ কঠিন যদিও সকলো কাৰ্যালয়ত চোৰাংচোৱাক

কৰ্মচাৰী হিচাপে নিয়োগ কৰি দুৰ্নীতিত লিপ্ত বিষয়া সকলক বিচাৰি উলিয়াব লাগিব। দুৰ্নীতি মুক্ত নিকা সমাজ গঢ়িবলৈ ওলাই অহা যুৱক চামে যাতে দুৰ্নীতিত লিপ্ত ব্যক্তিৰ পৰা দুৰ্নীতি নামৰ শিক্ষাটো লাভ কৰিব নোৱাৰে তাৰ বাবে ভৰপকত হ'লেও দুৰ্নীতি নিৰ্মূল কৰিবই লাগিব।

*বিমল তালুকদাৰ, ভৱানীপুৰ*

(৩)

সমাজ তথা দেশখনক সম্পূৰ্ণ নিকা কৰিবলৈ যাওঁতে অসম গণপৰিষদ চৰ্কাৰে অধিক সচেতনতা অৱলম্বন কৰাটো বিচাৰোঁ। কিয়নো চৰ্কাৰে যি কোনো বিভাগৰ প্ৰতি কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে কেতিয়াও ৰাইজে সুফল নাপায় বৰঞ্চ দুৰ্নীতিৰ মাত্ৰা দুগুণে বৃদ্ধি হোৱাৰ হে সম্ভাৱনা বেছি। চৰ্কাৰ তথা বিভাগীয় দায়িত্বত থকা সকলো মুৰব্বী বিষয়াকে প্ৰশাসনৰ ক্ষেত্ৰত অধিক তৎপৰতা "অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱা হ'ল যাতে বৰ্তমান চৰ্কাৰৰ আন্দোলনৰ সময়ৰ ঐক্য, শক্তি আৰু প্ৰগতি মহান লক্ষ্য পদে পদে প্ৰমাণিত কৰি যাব পাৰে।

*ৰামেশ্বৰ হাজৰিকা, সম্পাদক কো-অপাৰেটিভ, লেডাৰ উদ্যোগ লিঃ*

(৪)

শ্ৰীদত্তৰ চিঠিখন অসমৰ গণপৰিষদ চৰ্কাৰৰ প্ৰতিজন মন্ত্ৰী বিধায়কৰ বাবে পৰামৰ্শ স্বৰূপ । কিয়নো অসম গণপৰিষদ দলে দলৰ নিৰ্বাচনী ইস্তাহাৰত প্ৰশাসন যন্ত্ৰটোক দুৰ্নীতি মুক্ত কৰিবলৈ প্ৰতিশ্ৰুতি দিয়াটো যিমান সহজ তাক কৰি দেখুওৱাটো সিমানেই টান। নতুন চৰ্কাৰ খনে জনসাধাৰনক দিয়া প্ৰতিশ্ৰুতি পালন কৰিবলৈ হলে প্ৰথমে নিজে দুৰ্নীতি মুক্ত তথা নিকা হব লাগিব আৰু আড়াম্বৰ শূন্য জীৱন যাপন কৰাটো প্ৰথম লক্ষ্য হ'ব লাগিব।

দুৰ্নীতি নিৰ্মূল কৰিবলৈ নতুন আইন প্ৰণয়ন আৰু প্ৰয়োগৰ ব্যৱস্থা তৎকালেই কৰাটো উচিত। এই ক্ষেত্ৰত নতুন চৰ্কাৰ খনে ক্ষীপ্ৰতাৰে চিন্তা চৰ্চা কৰি নতুন আইন উদ্ভাৱন কৰিব লাগে। অৱশ্যে এই ক্ষেত্ৰত চৰ্কাৰৰ লগতে প্ৰতি জন বিষয়া কৰ্মচাৰী আৰু জনসাধাৰণৰ আন্তিৰিকতা আৰু সচেতনতা প্ৰয়োজন। জনসাধাৰনৰ কল্যাণৰ বাবে যি বোৰ আঁচনি বা কাম চৰ্কাৰে গ্ৰহণ কৰে তাত যাতে স্বাৰ্থপৰ বিষয়া কৰ্মচাৰী বা ঠিকাদাৰৰ দুই নম্বৰী ধান্দাই পাটা নাপায় তাৰ প্ৰতি সচেতন ৰাইজে সততে চকু দিব লাগিব।

*প্ৰবীণ বৰ্মণ, ৰঙাই গাওঁ*

(৫)

এনেকুৱা এটা নতুন চৰ্কাৰে নিৰ্বাচনী ইস্তাহাৰত ঘোষণা দিছিল যে দুৰ্নীতি নিবাৰণ কৰিব। গৃহমন্ত্ৰীয়ে তথা চৰ্কাৰে দুৰ্নীতি নিবাৰণত অধিক গুৰুত্ব দিছে, ভাল পাইছো। উঠি অহা ডেকা চামে পুৰণি ভাব ধাৰা বাদ দি নতুন অসম গঢ়িবলৈ ওলাই আহিছে। ৩৮ বছৰীয়া কংগ্ৰেছী আমোলত দুৰ্নীতিয়ে বাবুকৈয়ে শিপালে। ইয়াক নিঃশেষ কৰা বৰ সহজ নহয়। দুৰ্নীতি ওপৰৰ পৰা হে তললৈ শেষ কৰিব লাগিব। মন্ত্ৰী, এম-এল-এ---অফিচাৰ---পিয়ন লৈকে। কিন্তু অকলে চৰ্কাৰে দুৰ্নীতি নিৰ্মূল কৰিব এই ভাবি হাত সাবটি বহি থাকিলে নহব।

*শ্ৰীবেদান্ত কুমাৰ বৰা, দেৱগাওঁ*

## দুৰ্নীতিমুক্ত কৰিবলৈ অ-গ-প চৰ্কাৰে কৰা কাৰ্যৰ কেইটামান নমুনাঃ

"গণ পৰিষদ ক্ষমতালৈ অহাৰ কিছুদিনৰ পিচত পশুপালন আৰু পশু চিকিৎসক এজনে নলবাৰীলৈ বদলি ললে। কিছুদিনৰ পিছত তেওঁ বস্তিয়ালৈ আহিবলৈ ইচ্ছা কৰিলে আৰু সেইমতে আহিলও। পিচে বস্তিয়াও ভাল নলগাত পাঠশালালৈ বদলি হ'ল। কিন্তু পাঠশালাও পছন্দ নহয়। গতিকে বৰপেটালৈ যাবলৈ ঠিক কৰিলে। বৰপেটালৈ বদলিৰ নিৰ্দেশ কৰাবলৈ যাওঁতে বিভাগীয় সচিবে বোলে অতিষ্ঠ হৈ কলে, 'আপুনি গোটেই অসম ঘুৰি এবাৰ চাই লওক ক'ত ভাল লাগে আৰু পিচত ক'বহি, সেইমতে কৰা হ'ব।' এতিয়া প্ৰশ্ন হ'ব পাৰে বিষয়াজনৰ এনে কি কথা আছে যাৰ বাবে তেওঁ ইচ্ছা কৰিলেই য'লৈকে ইচ্ছা ত'লৈকে যাব পাৰে। পাৰে তেওঁ এই কাৰণেই যে এজন মন্ত্ৰীৰ তেওঁ ভনী জোঁৱায়েক।"

*(অসম বাণী, নৱেম্বৰ ২৮, ১৯৮৬)*

"অসম গণ পৰিষদ চৰ্কাৰৰ অন্যান্য কাম-কাজৰ লগতে বিধায়ক আৰু মন্ত্ৰী সকলে বিলাসী জীৱন কটাবলৈ লোৱাও সকলোৰে চকুত পৰিছে। বিধায়ক সকলৰ কাম - সমষ্টিৰ বাইজৰ অৱস্থাৰ বুজ লৈ তেওঁলোকৰ কাম কৰা। কিন্তু তাৰ পৰিবৰ্তে এম-এল-এ হোষ্টেলত দামী কাৰ্পেট, চোফাচেট, ফ্ৰিজ লৈ বিলাসী জীৱন কটোৱাহে সদ্যহতে পৰিলক্ষিত হৈছে। দিনে দিনে ৰাজ্যখনত দুৰ্নীতিৰ পৰিধি চেৰাই গৈছে। ... এতিয়া সেই দুৰ্নীতি অসম বিধান সভাৰ সচিবালয়ৰ মজিয়ালৈকে বিয়পি পৰাতহে হতাশ হব লগা হৈছে। সচিবালয়ৰ বিষয়াই এতিয়া হেনো ফাৰ্নিচাৰৰ দোকান খুলি যোগান দাতা হৈছে।"

*(সাপ্তাহিক প্ৰহৰী, ২০ আগষ্ট, ১৯৮৭)*

"কামৰূপৰ উপায়ুক্ত দুর্নীতি নিবাৰণত উৎসাহী। তেওঁৰ নির্দেশক্রমে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াসকলে যোৱা ৬ আৰু ৭ ফেব্রুৱাৰী তাৰিখে গুৱাহটীৰ চিমেণ্ট ব্যৱসায়ী কিছুমানৰ গুদামসমূহ পৰীক্ষা কৰে আৰু বহুতো ভেজাল কৰা সামগ্ৰী, কোৰ কোদাল, খালী বস্তা, আদি জব্দ কৰে। ৰাধাগোবিন্দ বৰুৱা পথ আৰু গণেশগুৰিত এনে দুজন ব্যৱসায়ীক ধৰা পেলোৱা হয়। তেওঁলোকেৰ গুদামৰ বিলাতী মাটিৰ লগত ভেজাল কৰিবলৈ অনা যথেষ্ট পৰিমাণৰ গুৰি পদাৰ্থ উদ্ধাৰ কৰা হয়। ইয়াৰে গণেশগুৰিৰ জনৰ আকৌ ব্যৱসায়ৰ অনুজ্ঞা-পত্ৰও নাই। তেওঁ আন এজনৰ অনুজ্ঞা পত্ৰ লৈহে ব্যৱসায় চলাই আছিল। কামৰূপ জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপস্থিতিত হোৱা এই অভিযানৰ অন্তত ব্যৱসায়ী কেইজনৰ বিৰুদ্ধে পুলিচৰ ওচৰত গোচৰ তৰা হ'ল।

কিন্তু, এই অভিযানৰ সাতদিনৰ ভিতৰতে অভিযানৰ দায়িত্বত থকা কনিষ্ঠ বিষয়া কেইজনক বদলি কৰা হ'ল।"

*(সাদিনীয়া প্ৰহৰী, ৮ ফাগুন বৃহস্পতিবাৰ, ১৯০৭ শক, মাৰ্চ, ১৯৮৭)*

"ৰাজ্য চৰ্কাৰৰ বন বিভাগৰ মন্ত্ৰী গৰাকীয়ে তেওঁৰ বিভাগত দুর্নীতি সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ল বুলি বিধান সভাৰ মজিয়াত সগৌৰৱে ঘোষণা কৰাৰ সময়তে সেই বিভাগৰে বিষয়া কেইজনমানৰ তৎপৰতাত কুলসী বনাঞ্চলৰ পৰা কেইবালাখ টকা মূল্যৰ বহুমূলীয়া গছ অবৈধ ভাবে কটাৰ বাতৰি পোৱা গৈছে। ... তাতোকৈ ডাঙৰ কথা এয়ে যে, কুলসীৰ স্থানীয় যুৱক কেইজনমানে ফটো আৰু অইন উপযুক্ত প্ৰমাণ সহ গোটেই ঘটনাটো দিছপুৰক অৱগত কৰোৱাৰ পিছতো ১০ টকা পৰ্যন্তৰ দুর্নীতিকো সহ্য নকৰা আৰু দুর্নীতিৰ প্ৰমাণ বিচাৰি সংবাদ পত্ৰক বুঢ়া আঙুলি দেখুৱাই অহা চৰ্কাৰে সংশ্লিষ্ট বিষয়া কেইজনৰ বিৰুদ্ধে আজিলৈকে শাস্তিমূলক ব্যৱস্থা নললে।"

*(অসম বাণী, ৩ জুলাই ১৯৮৭)*

"অ-গ-প চৰ্কাৰে বনাঞ্চল ধ্বংসৰ বাবে যিটো তৰ্জন গৰ্জনেৰে হিতেশ্বৰ শইকীয়া চৰ্কাৰক দোষী সাব্যস্ত কৰি ফেণী কমিটি পাতি দিছিল এতিয়া দেখা গৈছে যে লোকক দেখুৱাবলৈহে সেই কাম কৰা হৈছিল। দুর্নীতিত বুৰি যোৱা বিষয়াসকলক এতিয়া চৰ্কাৰে ৰক্ষণাবেক্ষণ দিয়াটো সন্দেহ কৰা গৈছে। বনাঞ্চলৰ কোটি কোটি টকা আত্মসাৎ কৰা দুর্নীতিগ্ৰস্ত বিষয়াসকলে হিতেশ্বৰ শইকীয়া চৰ্কাৰক যিটো যাদুৰে বশ কৰিছিল আঠ শ শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত ৰাইজে পতা প্ৰফুল্ল মহন্তৰ চৰ্কাৰকো একে যাদুৰে বশ কৰিলে বুলি কোৱাৰ থল আছে।"

*(অসম বাণী, ৩ জুলাই ১৯৮৭)*

"দেশৰ নিয়ম মতে বিধান সভাৰ নিৰ্বাচনত এজন প্ৰাৰ্থীয়ে মাত্ৰ চল্লিছ হাজাৰ টকাহে খৰছ কৰিব পাৰে। এই কথা আপুনিও ভালদৰে জানে আৰু ময়ো জানো যে, আজিৰ দিনত চল্লিছ হাজাৰ টকাৰে বিধান সভাৰ কথাটো বাদেই, মিউনিছিপালিটীৰ ইলেকছনো খেলিব নোৱাৰি। যোৱাবাৰৰ নিৰ্বাচনত আমি প্ৰত্যেকেই কেইবা লাখ টকাকৈ খৰচ কৰি উঠি শপত গ্ৰহণৰ দিনাখন চল্লিছ হাজাৰ টকাকৈহে খৰচ কৰা বুলি লিখি দি মিছা কথা আৰু দুৰ্নীতিৰেই আমাৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰিলো। অহাবাৰৰ নিৰ্বাচনতো মোক পাঁচ লাখ টকা লাগিব। যোৱাবাৰ যেনিবা ৰাইজে খোঁচনিৰ ধন ভাঙি, ছাইৰে পোষ্টাৰ লিখি সহায় কৰিছিল; সদায়তো আমি তেনেকুৱা সহযোগিতা নাপাওঁ। দুৰ্নীতি নকৰিলে এতিয়া মই পাঁচ লাখ টকা যোগাৰ কৰিম কেনেকৈ? ৰাজনীতিত তিষ্ঠি থাকিম কেনেকৈ?"

*(- দুৰ্নীতিৰ অভিযোগত অভিযুক্ত আগৰ মন্ত্ৰী এগৰাকীৰ উক্তি, প্ৰান্তিক, ১৬ - ৩১ জানুৱাৰী '৮৯, পৃ:২৫)*

*একুৰি চাৰি অধ্যায়*

# শিক্ষামন্ত্ৰীৰ বিলৈ

## বিনামূলীয়া পাঠ্যপুথি

বৰ্তমান অসমৰ হাটে বজাৰে, দোকানে-পোহাৰে আৰু স্কুল কলেজ আদিত আটাইতকৈ বেছিকৈ আলোচিত বিষয়টো হৈছে শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীয়ে সকলো স্কুলীয়া ছাত্ৰ-ছাত্ৰীক চৰ্কাৰে বিনামূলীয়াকৈ পাঠ্যপুথি আৰু বিনামূলীয়াকৈ কাপোৰ কানি দিম বুলি আজি কেইমাহমান আগতে দিয়া প্ৰতিশ্ৰুতি। গোস্বামী ডাঙৰীয়াই কি ভাবি বা একো নভবাকৈ কিয় বাতৰি কাকতত প্ৰথম পাত জিলিকোৱা এই ঘোষণাটো দিলে ক'ব নোৱাৰো; কিন্তু তেওঁৰ এই ঘোষণাৰ কাৰণে স্কুলীয়া ল'ৰা ছোৱালী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ পৰা আৰম্ভ কৰি একেবাৰে মুখ্যমন্ত্ৰীলৈকে আটায়ে বিপাঙত পৰাৰ উপৰিও শিক্ষামন্ত্ৰীৰ নিজৰও বৰ বিলৈ হৈছে। ৬ এপ্ৰিলৰ অগ্ৰদূতত ওলোৱা এটা বাতৰিৰ মতে- "কাৰিকৰী দিশটো চালিজাৰি নোচোৱাকৈ বা এইবিষয়ে প্ৰস্তুত নোহোৱাকৈ ক্ষুদ্ৰ কিতাপ ব্যৱসায়ী সকলৰ ভৱিষ্যতৰ বাবে কিবা নকৰাকৈ আবেগিক ভাবে শিক্ষামন্ত্ৰীয়ে ঘোষণাটো কৰি দিয়াত বিধায়কসকল এতিয়া বিপাঙত পৰিছে বুলি সকলোৱে সৰৱ হৈ উঠে। নিজা নিজা সমষ্টিৰ লোক আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলে বিনামূলীয়া কিতাপ আৰু কাপোৰ বিচাৰি ইতিমধ্যে দিছপুৰত বিধায়কসকলৰ আবাসগৃহত ভীৰ কৰিবলৈ লোৱাত বিধায়কসকল বিপাঙত পৰিছে। দুই এজন বিধায়কে শুঙৰ ভমকত বিনামূলীয়া কিতাপ কাপোৰ বিচাৰি অহা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক শিক্ষামন্ত্ৰীৰ ওচৰলৈ পঠাই দিবলৈ আৰম্ভ কৰিছে।"

শিক্ষামন্ত্ৰীৰ ঘোষণাৰ কাৰণে আটাইতকৈ দুৰ্দশাগ্ৰস্ত হৈছে অসমৰ বহু প্ৰকাশক আৰু গোটেই ৰাজ্যখনৰ চুকে কোণে থকা কিতাপৰ সৰু ডাঙৰ দোকানীবিলাক; কিয়নো, এই প্ৰকাশক আৰু দোকানীসকলে সততে পাঠ্যপুথি প্ৰকাশ বা বিক্ৰী কৰিয়েই নিজৰ ভাত মুঠি মোকলাই আহিছিল (আৰু পুথিৰ লিখকসকলৰ পুথি বিক্ৰী কৰি পোৱা কিন্তু লিখকক প্ৰাপ্য ভাগ নিদিয়া ধনেৰেই জীৱন উপভোগ কৰি আহিছিল)। এতিয়া শিক্ষামন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি যদি কাৰ্যকৰী কৰা হয় তেনেহলে এই পুথিৰ ব্যৱসায়ীসকলৰ জীৱন সচাকৈয়ে দুৰ্বহ হৈ পৰিব। মোৰ কিতাপ বিক্ৰী কৰি মোক দিবলগীয়া ধন নিদিয়া বাবে বা তাক দিওঁতে লেহেম কৰি মোক বাৰে বাৰে দৌৰোৱা বাবে এনে প্ৰকাশক আৰু কিতাপৰ দোকানী বহুতৰে প্ৰতি মোৰ ক্ষোভ থকা সত্ত্বেও

বৰ্তমান তেওঁলোকৰ দুৰ্দশা দেখি মই মচাকৈয়ে বৰ বেজাৰ পাইছো। আশাকৰোঁ ৰাইজ আৰু শিক্ষামন্ত্ৰীয়ে তেওঁলোকৰ দুৰৱস্থাটো অলপ ভাবি চাব কাৰণ এই ব্যৱসায়ীসকলৰ প্ৰায় সকলোৱেই অসমীয়া বা ন-অসমীয়া যেতিয়া তেওঁলোকৰ বিনাশ হোৱা মানে এটা জাতীয় প্ৰতিষ্ঠান বিলোপ হোৱা। তাতে মুখ্যমন্ত্ৰীয়ে নিজে লিখা কিতাপখন বাহিৰৰ প্ৰকাশকৰ হতুৱাই প্ৰকাশ কৰি অসমৰ প্ৰকাশকসকলৰ কটা ঘাঁত ছেঙা তেল ঢালিলে।

এইখিনিতে এইটো উল্লেখযোগ্য যে অসমৰ প্ৰকাশকসকলৰ বা কিতাপ দোকানীসকলৰ কোনো সুসংগঠিত সংস্থা নথকা কাৰণে তেওঁলোকৰ অভাৱ অভিযোগবিলাক চৰকাৰৰ আগত ভালদৰে তাত্তি ধৰিব পৰা নাই। সেয়েহে মই ভাবোঁ যে কিতাপ ব্যৱসায়ীসকলে নিজৰ গাইগুটীয়া মনোবৃত্তি আৰু অন্যায় অবিচাৰ (বিশেষকৈ লিখকসকলৰ প্ৰতি) এৰি আন দেশৰ দৰে নিজকে সুসংগঠিত কৰা উচিত।

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য

নতুন চৰকাৰৰ প্ৰথম বাজেট অধিবেশনত (১২ মাৰ্চৰ পৰা ১১ এপ্ৰিললৈকে বহা) গ্ৰহণ কৰা প্ৰথম মহত্ত্বপূৰ্ণ বিধেয়ক হ'ল ১৯৮৫ চনত হিতেশ্বৰ চৰকাৰে অসমৰ মহাবিদ্যালয় সমূহৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা চৰকাৰৰ হাতলৈ অনা আইনখন বাতিল কৰা বিধেয়কখন। আগৰ আইনখন ১৯৮৫ চনৰ বাজেট অধিবেশনত আগৰ চৰকাৰে গ্ৰহণ কৰিছিল আৰু ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সেই বছৰৰ ৬ নবেম্বৰত চহী কৰি ইয়াক আইনত পৰিণত কৰিছিল। গণ পৰিষদ চৰকাৰে এতিয়া এই আইন বাতিল কৰি নতুন বিধেয়কখন গ্ৰহণ কৰে। এই বাতিলকৰণ বিধেয়কৰ বিষয়ে হোৱা আলোচনাত শিক্ষামন্ত্ৰীয়ে আগৰ চৰকাৰৰ শিক্ষাক ৰাজনীতিৰ বহতীয়া কৰা মনোভাব আৰু কাৰ্যকলাপ তীব্ৰ নিন্দা কৰি ইন্দিৰা কংগ্ৰেছ দল আৰু আগৰ চৰকাৰক থকা সৰকা কৰে। কিন্তু, শিক্ষামন্ত্ৰীৰ বিলৈ এইয়ে যে তেওঁ এতিয়া নিজে মৰা বাণত নিজে শৰবিদ্ধ হ'ব লগা হৈছে। কিয়নো বৰ্তমান চৰকাৰৰ শিক্ষাক ৰাজনীতিৰ বহতীয়া কৰা মনোভাব যদি মচাকৈয়ে নাই তেনেহলে নতুন চৰকাৰে আছুৰ উপদেষ্টা দেৱপ্ৰসাদ বৰুৱাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পাতি কিয় ৰাজনৈতিক প্ৰসাদ দিলে বুলি ৰাইজে প্ৰশ্ন কৰিছে। আজি প্ৰায় তিনি দশকৰ আগৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত দলীয় ৰাজনীতিৰ নানা খেল ছলনা কৰি অহা বুলি আৰু নিজৰ স্বাৰ্থৰ কাৰণে ছাত্ৰসকলক প্ৰয়োগ কৰাত সিদ্ধহস্ত বুলি দেৱপ্ৰসাদ বৰুৱা খ্যাত। বৰুৱাক উপাচাৰ্য ৰূপে নিয়োগ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ক দলীয় ৰাজনীতিৰ সম্পূৰ্ণ বহতীয়া কৰা হ'ল আৰু তাৰ কাৰণে বিশ্ববিদ্যালয়ৰ অধ্যাপক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মী বহুতে বিশ্ববিদ্যালয়খনৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হৈছে। ১৪ ফেব্ৰুৱাৰী, ১৯৮৬ৰ 'অসম বাণী'ৰ মতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৱ নিযুক্ত

উপাচাৰ্য গৰাকীৰ প্ৰসংগ লৈ সদৌ অসম ছাত্ৰ সন্থাব এচাম বিষয় ববীয়াৰ মাজত এক শীতল যুদ্ধৰ অৱতাৰণা হৈছে।

শিক্ষাক ৰাজনীতিৰ বহতীয়া নকৰাত শিক্ষামন্ত্ৰী কিমান সফল হ'ব তাৰ এটা ভাল উদাহৰণ পাব পাৰি এই কথাৰ পৰাই যে শিক্ষামন্ত্ৰীয়ে হেনো দেৱপ্ৰসাদ বৰুৱাক উপাচাৰ্য ৰূপে নিয়োগ কৰাৰ বিৰোধিতাহে কৰিছিল। এই বিষয়ে ২৬ মাৰ্চ ১৯৮৬ৰ অগ্ৰদূতত এটা মজাৰ বাতৰি ওলাইছিল। ৰাষ্ট্ৰপতি জাইল চিঙে গুৱাহাটী বিশ্ববিদ্যালয়ত গুৰু নানক আসনখন ১৮ মাৰ্চত উদ্বোধন কৰা অনুষ্ঠানটিত দেৱপ্ৰসাদ বৰুৱাই শিক্ষামন্ত্ৰীক মঞ্চত বহিবলৈ নিদি দৰ্শকৰ মাজতহে বহুৱাই অপমানিত কৰে। 'অসম মন্ত্ৰীসভাৰ শীৰ্ষস্থানীয় কেইবাজনো সদস্যই উপাচাৰ্য গৰাকীৰ এনে কাৰ্যত অসন্তুষ্টি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত উপাচাৰ্য গৰাকীলৈ স্পষ্টীকৰণ বিচাৰি এখন চিঠি প্ৰেৰণ কৰিছে বুলি এই প্ৰতিনিধিয়ে গম পাইছে। শিক্ষামন্ত্ৰী গৰাকীক এই বিষয়ে মতামত বিচৰাত তেখেতে কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিয়োগৰ পৰিপ্ৰেক্ষিত শিক্ষা মন্ত্ৰী গৰাকীৰ নিৰপেক্ষ ভূমিকাৰ বাবে মঞ্চত আসনৰ ব্যৱস্থা উদ্দেশ্য প্ৰণোদিত ভাবে নকৰিলে বুলি জনদিয়েক বিধায়কে মত প্ৰকাশ কৰে।' এই বিষয়ে অনুসন্ধান কৰোতে বিশ্ববিদ্যালয়ৰ লোকে ক'লে বোলে ৰাষ্ট্ৰপতিৰ সুৰক্ষাৰ নিমিত্তে মঞ্চত সাতজনতকৈ লোক উঠা মনা আছিল - সেইটো বেয়া কথা নহয়, কিন্তু সেই সাতজনৰ ভিতৰত শিক্ষামন্ত্ৰী নপৰাটো বা ৰাষ্ট্ৰপতিৰ সুৰক্ষাৰ নিমিত্তে অসমৰ শিক্ষামন্ত্ৰীও সন্দেহযুক্ত বুলি পৰিগণিত হোৱাটোহে আচৰিত কথা। বিধিৰ কি বিপাক, শিক্ষাক ৰাজনীতিৰ বহতীয়া নকৰা (?) চাবুকৰ ওভোটা কোব স্বয়ং শিক্ষামন্ত্ৰীৰ গাতে পৰিল।

'যি কি নহওক অসম মন্ত্ৰীসভাৰ গুৰীয়াল গৰাকীৰ সু-দৃষ্টিত পৰি ডাঃ বৰুৱা উপাচাৰ্য হ'ল। পিছে কথাটো সিমানতে অন্ত নপৰিলে। ডঃ বৰুৱা উপাচাৰ্য হৈ হেনো শিক্ষামন্ত্ৰীক গুৰুত্বই নিদিয়া হ'ল। ... মুখ্য মন্ত্ৰীয়ে হেনো উপাচাৰ্যলৈ এখন চোকা ভাষাৰ চিঠি দি ইয়াৰ স্পষ্টীকৰণ বিচাৰিলে। সেই চিঠি পাইহে উপাচাৰ্য কিছু নৰম হ'ল। চিঠিখন তেওঁ বিশ্ববিদ্যালয়ৰ কাৰ্য নিৰ্বাহক পৰিষদক দেখুৱাই পৰামৰ্শ ললে।' সোদিনীয়া প্ৰহৰী, ৩০ জুলাই, ১৯৮৭)। যি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈক দৰ্শনকে নিদিছিল সেই বিশ্ববিদ্যালয়ৰ এতিয়াৰ উপাচাৰ্যই মুখ্য মন্ত্ৰীৰ আগত এনেদৰে নেজ জোকাৰা কাৰ্যই বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ আৰু ইয়াৰ সুনাম দিনে দিনে নষ্ট কৰিছে। এই বিষয়ে ১৯ জুন, ১৯৮৭ ৰ 'অসম বাণী' ত প্ৰকাশিত 'পৰীক্ষাক কেন্দ্ৰ কৰি দুষ্ট ৰাজনীতি' নামৰ প্ৰবন্ধৰ কিছু উদ্ধৃতি দিলো-

"ধ্বংসৰ পথেদি গতি কৰা গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ শেহতীয়া পদক্ষেপ এটা যে আশাৰ বাতৰি সেই কথা আমি পূৰ্বৰ বাতৰিত উল্লেখ কৰিছিলো। কিন্তু বিশ্ববিদ্যালয়ৰ পৰিবেশ বৰ্তমান ইমানে

দুৰ্গন্ধময় যে সৎ উদ্দেশ্য, সৎ প্ৰচেষ্টা পদে পদে বাধাগ্ৰস্ত। পৰীক্ষাৰ প্ৰশ্নত গুৱাহাটী বিশ্ববিদ্যালয়ত শেহতীয়াকৈ এটা অধ্যায়ৰে সূচনা হৈছে। পৰীক্ষা আদিক কেন্দ্ৰ কৰি বিশ্ববিদ্যালয়ত যি 'ৰাজনীতি' চলিছে, যি কেলেংকাৰী ঘটিছে, সেইবোৰ, অনেক আশাৰে লৰা-ছোৱালীক বিশ্ববিদ্যালয়ৰ শিক্ষা লবলৈ পঠোৱা অভিভাৱক সকলে নাজানে।...

গুৱাহাটী বিশ্ববিদ্যালয় একালত পৰীক্ষা সংক্ৰান্ত বিষয়ত আছিল সন্দেহৰ উৰ্দ্ধত। অনন্য আছিল পৰীক্ষা প্ৰশাসন পদ্ধতি। কিন্তু সোপাটিলা অক্ষম প্ৰশাসনে আজি সকলো ধূলিসাৎ কৰি পেলাইছে। দুখৰ কথা যে পৰীক্ষা হৈ পৰিছে আজি এক ভেকোভাওনা, এক প্ৰহসন। দুই - এজনক পৰীক্ষাৰ আগতেই (বিশেষ এক বিভাগত) প্ৰথম শ্ৰেণী দিয়াটো স্থিৰ হৈ থাকে বুলি আন নালাগে শিক্ষকসকলৰ মুখতেই শুনা যায়। মডাৰেচনৰ সময়তেই প্ৰশ্ন কপি কৰি আনি নেতৃস্থানীয় ছাত্ৰক বিলাই দিয়াৰ অভিযোগো উঠিছে। ...

... যোৱা ২৮ মে' তাৰিখে উপাচাৰ্যই স্নাতকোত্তৰ ছাত্ৰ সন্থা, বিশ্ববিদ্যালয়ৰ আছুৰ ছাত্ৰগোট আৰু বিষয়াসকলৰ এখন সভা পাতে। কিন্তু এইবোৰ বোলে দেখুৱাবলৈহে কৰা হৈছিল। ... উপাচাৰ্যৰ কিছুমান দুৰ্বলতাৰ বাবেই নহৰ লগা পৰিস্থিতি একোটাৰ সৃষ্টি হৈছে। ... উপযুক্ত বিচাৰৰ পৰিবৰ্ত্তে দিছপুৰৰ ভাল পোৱা, বেয়া পোৱালৈ দৃষ্টি ৰখাৰ বাবেই উপাচাৰ্যই বহু সময়ত সঘনে সিদ্ধান্ত সলনি কৰিব লগীয়া হয় বুলি এচামে কয়।" অকল সেয়ে নহয়,

'গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুৰ্নীতি সম্বন্ধে অসমৰ প্ৰায়বোৰ বাতৰি কাকততে নানান তথ্য পাতি প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিতত অসম চৰ্কাৰে এক উচ্চ ক্ষমতা সম্পন্ন আয়োগৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ দুৰ্নীতিসমূহৰ তদন্ত কৰিব বুলি বিভিন্ন মহলে আশা কৰিছিল যদিও এই ক্ষেত্ৰত চৰ্কাৰৰ নীৰৱতাই লাহে লাহে ৰহস্যৰ সৃষ্টি কৰিবলৈ ধৰিছে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু এটা বিশেষ চক্ৰই দুৰ্নীতি, অনিয়ম আদিক প্ৰশ্ৰয় দিয়া বুলি নানান অভিযোগ উৎথাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত এক উচ্চ পৰ্যায়ৰ তদন্ত অত্যন্ত জৰুৰী বিষয় বুলি পৰিগণিত হৈছে।'

*(অসম বাণী, ১৭ জুলাই, ১৯৮৭)*

সেই একে দিনৰ *অসম বাণী* ত আৰু ১৯৮৭ চনৰ জুলাই মাহৰ *আজিৰ সময়* আলোচনীৰ দুটা সংখ্যাত উপাচাৰ্য বৰুৱাই ছাত্ৰসকল, শিক্ষামন্ত্ৰী, পৰীক্ষা আদিক লৈ যি ৰাজনীতিৰ খেলা খেলিছে তাৰ বৰ্ণনা দিছে। 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ দেবপ্ৰসাদ বৰুৱাই সুদীৰ্ঘ আখৰাৰ পিচত পৰীক্ষা পিচুৱাই দিয়াৰ একপক্ষীয় সিদ্ধান্তৰে যি এক চমকপ্ৰদ নাটৰ পাতনি মেলিছিল সেই নাটৰ এতিয়া ক্লাইমেক্স পৰ্যায় আৰম্ভ হৈছে। ...উপচাৰ্যৰে ঘনিষ্ঠ মহলে বোলে কৈ ফুৰিছে যে ৰাজ্যপালৰ লগত উপাচাৰ্যৰ সম্পৰ্ক

যিহেতু ভাল পণ্ডিতে উপাচাৰ্যৰ পদত্যাগ গ্ৰহণ কৰা নহ'ব বুলি বোলে আশ্বাস আছিছে।'

(অসম বাণী, ১৭ জুলাই, ১৯৮৭)

মুঠৰ ওপৰত শিক্ষাক ৰাজনীতিৰ বহতীয়া কৰা নহ'ব বুলি শিক্ষা মন্ত্ৰীয়ে যিমানেই আত্মজ নিদিয়ক উপাচাৰ্যই মুখ্য মন্ত্ৰী আৰু ৰাজ্যপালক প্ৰসন্ন ৰাখি ৰাজনীতিকে শিক্ষাৰ বহতীয়া কৰিছে। দুৰ্ভাগ্য বশত সকলো অপমান উপহাস সহ্য কৰিব লাগিব শিক্ষা মন্ত্ৰীয়ে।

(১১ জুন ১৯৮৬ ৰ অগ্ৰদূতত আংশিক ভাবে প্ৰকাশিত)

*একুৰি পাঁচ অধ্যায়*

# ১৯৮৭ চনৰ ধাৰাবাহিক বুৰঞ্জী

জানুৱাৰী আগৰ চৰ্কাৰ আৰু ৰাজনৈতিক নেতাসকলে ৰাজ্যৰ ৰাজকোষৰ পৰা কোটী কোটী টকা অবৈধ ভাবে খৰছ কৰি অসমক অৰ্থনৈতিক ভাবে দুৰ্বল কৰি থৈ যোৱাৰ তথ্য মুখ্যমন্ত্ৰীয়ে অসম বিধান সভাৰ অধিবেশনত উল্লেখ কৰে।

জানুৱাৰী যোৰহাটত আগৰ মন্ত্ৰী দীন ৰাজখোৱাৰ পুতেক ৰাজীৱ ৰাজখোৱা আৰু তেওঁৰ বন্ধু ৰণজিত ৰাজখোৱাক দুৰ্বৃত্তই গুলিয়াই হত্যা কৰে।

৫ জানুৱাৰী বাতৰি কাকত সমূহে সচা কথা এৰি সৰ্ব সাধাৰণৰ মাজত ভুল বুজাপৰা আৰু চৰ্কাৰৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা বুলি অভিযোগ তুলি মন্ত্ৰী ললিত ৰাজখোৱাই বাতৰি কাকতৰ স্বাধীনতা নিয়ন্ত্ৰণ কৰাৰ ভাবুকি দিয়ে।

১৬ জানুৱাৰী সুকীয়া ৰাজ্যৰ দাবীত বড়ো সকলৰ দ্বাৰা এশ ঘণ্টীয়া বন্ধৰ আহ্বান।

২৮ জানুৱাৰী বৰদোৱাৰ ওচৰৰ দলঙ ভাঙি হোৱা বাছ দুৰ্ঘটনাত ৬০জন তীৰ্থযাত্ৰীৰ মৃত্যু।

২৫ ফেব্ৰুৱাৰী '১৯৮৫ চনৰ ১৫ আগষ্টত চহী কৰা অসম চুক্তিৰ এটা দফাও আজিলৈকে কাৰ্যকৰী হৈ উঠা নাই' (গুৱাহাটী বিশ্ববিদ্যালয়ৰ সভাত সাংবাদিক কুলদীপ নায়াৰৰ উক্তি)।

প্ৰথমবাৰৰ বাবে গোপন ভোটেৰে আচুৰ নেতা (সভাপতিঃ কেশৱ মহন্ত, সম্পাদকঃঅতুল বৰা) নিৰ্বাচন।

২৬ ফেব্ৰুৱাৰী 'কেন্দ্ৰই টকা দিয়কেই বা নিদিয়ক আমি সীমান্তত পথ বন্ধা কাম আৰম্ভ কৰিমেই'...'মাৰ্চৰ ভিতৰত প্ৰতি গৰাকী মন্ত্ৰী বিধায়কে নিজৰ নিজৰ সম্পত্তিৰ হিচাপ দিবই লাগিব'(অগ্ৰদূতৰ আচুতীয়া সাক্ষাতত মুখ্যমন্ত্ৰীৰ উক্তি)

২৮ ফেব্ৰুৱাৰী অ-গ-প চৰ্কাৰে শোণিতপুৰ জিলাৰ বাবে গঠন কৰি দিয়া বিদেশী চিনাক্তকৰণ সমিতিত কংগ্ৰেছ আইৰ কুখ্যাত নেতা বিপিন পাল দাস, স্বৰূপ উপাধ্যায়, হিৰণ্য বৰা আৰু গোলোক

| | |
|---|---|
| | ৰাজবংশীক লোৱা কাৰণে তেজপুৰ ছাত্ৰসন্থাই সমিতিখন বাতিল কৰি দিবলৈ দাবী জনাই বাৰঘণ্টীয়া তেজপুৰ বন্ধ পালন কৰে। |
| ৩ মাৰ্চ | 'অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰই কৰিব লগীয়া কোনো কামেই আধৰুৱা হৈ থকা নাই' (ৰাজীৱ গান্ধীৰ ঘোষণা) |
| ২২ মাৰ্চ | 'সম্প্ৰতি প্ৰতিজন মন্ত্ৰীয়েই নিজ নিজ বিভাগৰ কাম কৰিবলৈ বন্ধপৰিকৰ, কিয়নো প্ৰতি তিনি মাহৰ অন্তৰে অন্তৰে মুখ্যমন্ত্ৰীয়ে প্ৰতি গৰাকী মন্ত্ৰীৰ কাম কাজৰ হিচাপ লয়।' (বেলশৰৰ জনসভাত স্বাস্থ্যমন্ত্ৰী পাটোৱাৰীৰ ঘোষণা) |
| ২৯ মাৰ্চ | বনবিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগিতাত ৰাজধানীৰ ওচৰৰে গড়ভঙ্গা সংৰক্ষিত বনত চোৰাংকৈ কাঠ কটা, কাঠ ফলা আৰু কাঠৰ কললৈ কাঠ চালান কৰা কাম ব্যাপক ভাবে চলি আছে বুলি অগ্ৰদূত কাকতত অভিযোগ। |
| এপ্ৰিল | লোকসভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী চিদাম্বৰমৰ উক্তি: বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ বাবে প্ৰচলিত অবৈধ প্ৰব্ৰজনকাৰী আইনৰ সংশোধন ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদ মতে কৰিব পৰা নাযায় আৰু উক্ত আইনখন ৰাজ্য চৰ্কাৰে বিচৰা মতে সংশোধন কৰা মানে দুখীয়া অনুপ্ৰবেশকাৰী সকলক হাৰাশাস্তি কৰাৰ বাবে দুৱাৰ মুকলি কৰি দিয়াহে হব। |
| ১৩ মে | 'অসম চৰ্কাৰৰ শিক্ষা বিভাগে মাৰ্কিণ যুক্তৰাষ্ট্ৰৰ নাগৰিকত্ব লোৱা লোকৰ পত্নীলৈ একলাখ সোতৰ হাজাৰ টকাৰ অনুদান আগ বঢ়োৱাত ৰাইজৰ মাজত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।'<br>মহিলা গৰাকী অসমৰ এখন বাতৰি কাকতৰ সম্পাদকৰ জীয়েক আৰু সেই বাতৰি কাকতৰ সম্পাদকীয়ত শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামীৰ প্ৰশংসা ওলোৱাটোও লক্ষণীয় বুলি অগ্ৰদূতৰ সম্পাদকৰ মন্তব্য। |
| ১৪ মে | গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত অগ্নিকাণ্ড। অসম চৰ্কাৰৰ শিক্ষা বিভাগৰ বাধা সত্ত্বেও উপাচাৰ্যই এই সমাৱৰ্তনত প্ৰায় সাত লাখ টকা খৰচ কৰি ধনৰ অপচয় কৰে বুলি অভিযোগ। তিনি লাখ টকাৰে সজা সুকীয়া মঞ্চত জুই লগাৰ কাৰণে ভাৰত চৰ্কাৰৰ গৃহ দপ্তৰে তদন্ত আয়োগ গঠন কৰিছে। |
| ১৭ মে | শিক্ষামন্ত্ৰীয়ে মহকুমা শিক্ষা উপদেষ্টা কমিটি নেওচি শিক্ষক নিযুক্তি দিয়া বুলি বিধায়ক গণেশ কুটুমৰ অভিযোগ। |

হিতেশ্বৰ শইকীয়াৰ দিনত হোৱা বনবিভাগৰ অনিয়ম তদন্তৰ বাবে পতা ফেণী আয়োগৰ প্ৰতিবেদনৰ আৰু সেই বিষয়ে চৰ্কাৰে লোৱা ব্যৱস্থাৰ সাৰ-অংশ প্ৰকাশঃ (১) অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগত ইতিমধ্যে বন বিভাগৰ সচিব কৰুণাকান্ত বৰুৱা, যুটীয়া সচিব মুনীন্দ্ৰনাথ সোণোৱাল আৰু মুখ্য বন সংৰক্ষক খনীন্দ্ৰ কুমাৰ বৰুৱাক নিলম্বিত কৰে। (২) সামাজিক বননি কৰণৰ তেতিয়াৰ মুখ্য বন সংৰক্ষক দুৰ্গাপ্ৰসাদ নেওগৰ বিপক্ষে নানা দুৰ্নীতি আঙুলিয়াই দি ফেণী কমিটিয়ে নেওগ, বন সংৰক্ষক কে-কে-গোঁহাই, বন সংৰক্ষক এ-এইচ-চৌধুৰী, সংমণ্ডল বিষয়া বি-বি-নবিছ আৰু কেবা গৰাকীও ডি-এফ-অ'ক (পি-পি-দাস, এছ-কে বৰা, এন-জেদ হোছেইন, এছ ভৰালী আৰু এইচ বৰদলৈক) নিলম্বিত কৰিবলৈ পৰামৰ্শ দিয়ে।

৫ জুন অসম চুক্তি ৰূপায়ণত কেন্দ্ৰীয় চৰ্কাৰৰ হেমাহি আৰু শিথিলতাৰ প্ৰতিবাদত অসম ছাত্ৰ সন্থাই ২৪ ঘণ্টীয়া অসম বন্ধ পালন।

প্ৰধান মন্ত্ৰীৰ লগত আলোচনাৰ বাবে যাওঁতে নিৰাপত্তাৰ পৰীক্ষাৰ বাবে গৃহমন্ত্ৰী ফুকনক চোলা খুলিবলৈ কোৱাত তেওঁ অপমানিত হৈ আলোচনাত অংশ গ্ৰহণ নকৰে। আলোচনা পিছত স্থগিত ৰখা হয়।

১৭ জুন কৃষি মন্ত্ৰী নীলমণি দাস আৰু যোগান মন্ত্ৰী মইদুল ইছলাম ৰৰাক মন্ত্ৰিত্ব পদৰ পৰা এৰোৱা হয়। তেওঁলোকৰ কাম-কাজত মুখ্য-মন্ত্ৰীৰ অসন্তুষ্টিয়েই ইয়াৰ কাৰণ।

৪ জুলাই অসমত প্ৰলয়ংকাৰী বানপানী।

৮ জুলাই ৰাজ্য চৰ্কাৰে নাগৰিকক পৰিচয়-পত্ৰ দিব খোজা প্ৰস্তাৱটো কাৰ্যকৰী কৰিব বুলি আইন মন্ত্ৰী সুৰেন্দ্ৰ নাথ মেধিৰ ঘোষণা।

অসম মন্ত্ৰীসভাৰ এখন ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কমিটি গঠন। প্ৰফুল্ল মহন্ত, ভৃগু ফুকন, অতুল বৰা, সুৰেন মেধি আৰু দীগেন বৰাৰ দ্বাৰা গঠিত এই কমিটিয়ে ৰাজ্য চৰ্কাৰে কোনো ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ আগতে এই কমিটিয়ে বিষয়টো আলোচনা কৰি পৰামৰ্শ দিব।

১৬ আগষ্ট ৰাজ্য চৰ্কাৰে স্থায়ী ৰাজধানী নিৰ্মাণৰ বাবে কলিয়াবৰত এক ব্যাপক অঞ্চলৰ মাটি অধিগ্ৰহণ কৰিবলৈ যো-জা কৰিছে। যোৱা ২০ জানুৱাৰীত অসম চৰ্কাৰে স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰিবলৈ অইল ইণ্ডিয়াৰ আগৰ বিষয়া অজিত শৰ্মাক চেয়াৰমেন ৰূপে লৈ এটা কমিটি গঠন কৰিছিল - কমিটিৰ আন আন

সদস্য আছিলঃ ইন্দ্ৰজিত বৰুৱা, প্ৰদীপ ভূঞা, কৰুণা লহকৰ, দেৱ প্ৰসাদ নাথ, কে বৰা আৰু জে-কে চৌধুৰী। এই কমিটিয়ে শিলঘাটৰ ওচৰতে ৰাজধানী পতা উচিত বুলি মাৰ্চত প্ৰতিবেদন দাখিল কৰে আৰু সেই কমিটিৰ পৰামৰ্শতে মাটি অধিগ্ৰহণৰ কাম আৰম্ভ কৰা হয়।

আগষ্ট ভৰত নৰহৰ ব্যক্তিগত কাৰণত মন্ত্ৰিত্ব ত্যাগ।

ইটোৰ পিছত সিটোকৈ কেতিয়াও নোহোৱা তিনিটা বানপানীত অসম খানবান। প্ৰথম বানত ১২জন, দ্বিতীয় বানত ৪৫জন আৰু তৃতীয় বানত ২৫জন লোকৰ প্ৰাণহানি। ৭০ হেজাৰ গৰু-ম'হ নিধন, বাৰ হেজাৰ গাঁৱৰ ৭৫ লাখ লোক আক্ৰান্ত আৰু একলাখ হেক্টৰ মাটিৰ খেতি নষ্ট।

দিল্লীত হোৱা আলোচনাত কেন্দ্ৰই ১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী আইনখন সংশোধন কৰিব বুলি সন্মতি। প্ৰধান মন্ত্ৰীয়ে পানী শুকুৱাৰ পিছত শিলচৰ হৈ নগালেণ্ডত ৰাতিটো কটাই পিছদিনাখনহে মাত্ৰ তিনি ঘণ্টাৰ কাৰণেহে অসম ভ্ৰমণ কৰাত ৰাইজ ক্ষুব্ধ।

বানপনীৰ ক্ষয়-ক্ষতি চম্ভালিবলৈ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে অসমক মাত্ৰ চাৰে ২৭ কোটী টকা দিব বুলি কৰা ঘোষণাত ৰাইজৰ অসন্তুষ্টি - কিয়নো বানপানীৰ ক্ষতিৰ পৰিমাণ হৈছে অতি কমেও ৬০০ কোটী টকা।

১৬ অক্টোবৰ বিধান সভাৰ শেষৰ দিনাখন ৰাজধানী কমিটিৰ প্ৰতিবেদনখন অসম বিধান সভাত দাখিল কৰাৰ লগে লগে সদনত কন্দলৰ জুই জ্বলে। -

১৯ অক্টোবৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় সমিতিৰ প্ৰতিবেদন বাতিল কৰিবলৈ কামৰূপ ছাত্ৰ সন্থাৰ ২৪ ঘণ্টীয়া বন্ধ আহ্বান।

২১ অক্টোবৰ বিদেশী বহিষ্কাৰৰ কথা এৰি ৰাজধানীৰ বিষয়টোত অগ্ৰাধিকাৰ দিয়াত অসন্তোষ প্ৰকাশ কৰি ছাত্ৰ সন্থাৰ নেতাই মুখ্যমন্ত্ৰীক সেই বিষয়টো এৰিবলৈ সকিয়নি দিয়ে।

২৬ অক্টোবৰ ১৮ নবেম্বৰৰ পৰা নগালেণ্ডত হ'ব লগীয়া বিধান সভাৰ নিৰ্বাচনীৰ কাৰণে অসম মাটিত নগালেণ্ড চৰ্কাৰে কেবাটাও ভোট গ্ৰহণ কেন্দ্ৰ পাতিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ ওচৰত অসমৰ মুখ্যমন্ত্ৰীৰ অভিযোগ। - আছুৰে ১০ নবেম্বৰৰ পৰা নগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ কৰাৰ সিদ্ধান্ত।

২৮ অক্টোবৰ চুক্তি ৰূপায়ণৰ ব্যৰ্থতাৰ হেতুকে আছুৰ আহ্বানত অসমৰ ভিন ভিন ঠাইত চৰ্কাৰী কাৰ্যালয়ৰ সন্মুখত পিকেটিং।

১২ নবেম্বৰ অসম-নগালেণ্ড সীমা বিবাদৰ সমাধানৰ দাবী জনাই আছুৰ ১১ ঘণ্টীয়া বন্ধ পালন। এই বন্ধ পালনত বৰাক উপত্যকাৰ সঁহাৰি অভূতপূৰ্ব।

২১ নবেম্বৰ বৰাক উপত্যকাৰ পাথাৰ কান্দি, শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি আদি ঠাইত আছুৰ দ্বাৰা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰা আৰু সভা বিৰাট সফলতাৰে পালন।

২২ নবেম্বৰ অসমৰ বিশিষ্ট লোকসংগীত শিল্পী আৰু ভাৰতৰ গণনাট্য আন্দোলনৰ অন্যতম নেতা হেমাংগ বিশ্বাসৰ (জন্মঃ ১৯১২ চন) কলিকতাত মৃত্যু।

ডিচেম্বৰ নগাওঁ জিলাৰ শিচাত আই-আই-টি স্থাপন কৰিব বুলি কেন্দ্ৰীয় জনসম্পদ মন্ত্ৰী নৰসিংহৰ ঘোষণা।

২৩ ডিচেম্বৰ নাজিৰাৰ বিধায়ক হিতেশ্বৰ শইকীয়া মিজোৰামৰ উপ-ৰাজ্যপাল ৰূপে যোৱাত খালি হোৱা বিধান সভাৰ আসনৰ বাবে নাজিৰা সমষ্টিত উপ নিৰ্বাচনী। এই নিৰ্বাচনীত গণ পৰিষদৰ প্ৰাৰ্থী তনু কোঁৱৰ আৰু ইন্দিৰা কংগ্ৰেছৰ প্ৰাৰ্থী ৰোহিত শইকীয়াৰ (হিতেশ্বৰৰ ভায়েক) মাজতে বিশেষ প্ৰতিদ্বন্দ্বিতা। এই নিৰ্বাচনীৰ বাবে ইন্দিৰা কংগ্ৰেছ অজস্ৰ ধন ব্যয় কৰি বহু মহাৰথীক প্ৰচাৰৰ বাবে নাজিৰালৈ আনে। কেন্দ্ৰীয় মন্ত্ৰী, কেন্দ্ৰীয় ইন্দিৰা কংগ্ৰেছৰ নেতা, নগালেণ্ডৰ মুখ্যমন্ত্ৰী, অৰুণাচল মুখ্যমন্ত্ৰীৰ উপৰিও অসমৰ আগৰ ইন্দিৰা কংগ্ৰেছৰ মন্ত্ৰী এপালকো ৰোহিত শইকীয়াৰ হৈ প্ৰচাৰৰ বাবে আনে। তথাপিও তনু কোঁৱৰৰ জয়লাভ (ভোট গ্ৰহণ আৰু ভোট গণনাৰ অনিয়মৰ বাবে কেবাটাও কেন্দ্ৰত পুনৰ ভোট গ্ৰহণ কৰি ১০ জানুৱাৰীতহে বিজয়ী ঘোষণা কৰা হয়)।

নিখিল বড়ো ছাত্ৰ সন্থাই কোকোৰাজাৰ, ওডালগুৰি আৰু ইয়াৰ দাঁতি কাষৰীয়া ঠাইত অজনজাতীয় লোকৰ ওপৰত নানা ৰকম উৎপীড়ণ কৰিছে। এই নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতা হ'ল উপেন ব্ৰহ্ম।

**বছৰটোৰ খতিয়ানঃ**

ৰবাকবাসী আৰু লুইতপৰীয়াৰ সম্বন্ধ সুদৃঢ় কৰাৰ প্ৰচেষ্টা এই বছৰটোৰ উল্লেখযোগ্য ঘটনা।

"আমাৰ সমাজখনত ধৰ্ষণ আৰু নাৰী নিৰ্যাতনৰ সংখ্যা মাৰাত্মক ধৰণে বৃদ্ধি পাইছে। প্ৰাপ্ত বাতৰিমতে শেহতীয়াকৈ এই ক্ষেত্ৰত লক্ষীমপুৰ জিলাই প্ৰথম স্থান অধিকাৰ কৰিছে। সেইখন জিলাৰ পৰাই সঘনাই এই ধৰণৰ বাতৰি আমালৈ আহি আছে। যোৰহাট জিলাৰ মৰিয়নি অঞ্চলতো ধৰ্ষণ, হত্যাকাণ্ড ইত্যাদি ঘটনা ঘটিছে। সামগ্ৰিক ভাবে সমগ্ৰ অসম জুৰি এই ধৰণৰ কাৰ্যকলাপ বৃদ্ধি পাইছে আৰু কেতবোৰ ঠাইত ইয়াৰ ভয়াবহতা গুৰুতৰ হৈ পৰিছে যদিও আমাৰ সমাজ সচেতন লোকসকলে এইক্ষেত্ৰত গুৰুত্ব দিয়া দেখিবলৈ পোৱা নাযায়।" *(সম্পাদকীয়, অগ্ৰদূত, ১০ ডিচেম্বৰ)*

*একুৰি ছয় অধ্যায়*

# ১৯৮৭ৰ বৰ বানপানীৰ কথা

১৯৮৭ চনটো অসমৰ বাইজে এবাৰ দুবাৰকৈ তিনিবাৰ হোৱা প্ৰবল বানপানীৰ কাৰণেই মনত ৰাখিব। এশ বছৰেও নেদেখা বানপানী দেখিলো বুলি বহু অঞ্চলৰ বাইজে (এওঁলোক কোনো এজনৰে বয়স এশ বছৰ হোৱা নাই) হুঁয়া ভুকুৱালে। বানপানীয়ে এনে প্ৰলয়ংকাৰী ৰূপ লোৱাৰ নানা জনে নানা কাৰণ দেখুৱাইছে। যেনেঃ

(১) এজন ঠিকাদাৰৰ মতে 'চাওক, আমি গড় মথাউৰি বান্ধোতে কম কম শিলা মাটি পেলাই অধিক পইছা লোৱা বুলি মানুহে আমাৰ বদনাম গাইছিল নহয়, এতিয়া মজা পাইছে - আমি পেলোৱা শিল মাটিবিলাক ব্ৰহ্মপুত্ৰৰ তলীত পৰি পৰি নদীখন ভেনেই বাম কৰি পেলালে। বানপানী নহৈ কি হ'ব?

(২) ১৯৫০ চনত মহাত্মা গান্ধীৰ অস্থি পেলাওঁতে ব্ৰহ্মাৰ পুত্ৰৰ যি খং উঠিছিল সি আজিও মৰা নাই আৰু সি মাজে মাজে উক দিয়ে। '১৯৪৮ চনৰ জানুৱাৰীৰ ত্ৰিছ তাৰিখে ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীয়ে নাথুৰাম গড়ছেৰ পিস্তলৰ গুলীত প্ৰাণ এৰে। শৱদেহ যথাৰীতি সৎকাৰ কৰা হ'ল দিল্লীৰ ৰাজঘাটত। প্ৰধানমন্ত্ৰী নেহৰুৰ ইচ্ছানুযায়ী, চিতাভস্ম ভাৰতবৰ্ষৰ চুকে-কোণে সকলো ঠাইতে সিঁচি দিয়া হ'ল। তাৰে এটা অংশ ব্ৰহ্মপুত্ৰৰ উৎপত্তিস্থান পৰশুৰাম কুণ্ডতো নিক্ষেপ কৰা হ'ল। তাৰ চিতাভস্মও সাধাৰণ বস্তু হ'ল। পৰশুৰাম নাৰায়ণৰ এজন অৱতাৰ। সেই অৱতাৰে পিতৃ-বাক্য পালি মাকক হত্যা কৰিলে, কিন্তু কুঠাৰখন তেওঁৰ হাতত লাগি ৰ'ল। মানস সৰোবৰৰ পৰা বৈ অহা সৰু নৈখন এঠাইত বৈ গ'ল। এই পানীখিনি পৰশুৰামে পাৰ কাটি বোৱাই পঠালে আৰু এই নৈৰ নাম হ'ল ব্ৰহ্মপুত্ৰ। প্ৰসংগক্ৰমে, পৰশুৰাম আছিল যমদগ্নি ঋষিৰ পুত্ৰ। যমদগ্নি ব্ৰাহ্মণ আছিল। মহাত্মা গান্ধী আছিল বনিয়া, অৰ্থাৎ বৈশ্য। ব্ৰহ্মপুত্ৰই ক্ৰোধান্বিত হৈ, উগ্ৰমূৰ্তি ধাৰণ কৰি, প্ৰথমে অসাধাৰণ ভূমিকম্পৰ সৃষ্টি কৰি পাছত প্ৰলয়ৰ সৃষ্টি কৰিলে। ভূমিকম্পৰ এমাহৰ ভিতৰতে নাও ডুবি দুজনৰ সলিল সমাধি ঘটে, এজন কোনোমতে সাৰিল। ইয়াৰে দুজনে চিতাভস্ম বিতৰণত অংশ লৈছিল। এই বিশ্বাস বহুতৰে আছিল আৰু এতিয়াও আছে।'

*(গোবৰ্ধনৰ ৰাজখোৱা, 'ডিব্ৰুগড়ঃ তেতিয়া আৰু এতিয়া', প্ৰান্তিক, ১-১৫ জুন, ১৯৮৬, পৃ ৩১)*

(৩) অসমৰ পৰা বিদেশী বিতাৰণ কৰিবলৈ কেন্দ্ৰই হেমাহি দি থকা কাৰণে আৰু অ-গ-প চৰ্কাৰেও হাত সাৱটি বহি থকা কাৰণে হেনো ব্ৰহ্মপুত্ৰই

ৰৰ ভাল পোৱা নাই - সেইকাৰণে ডেৰাই হেনো নিজে হাতে কামে লাগি দুই চাৰিজন বাংলাদেশীক উটুৱাই নি একেবাৰে বাংলাদেশ পোৱাইছেগৈ।

(৪) ইয়াৰ 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে হাঁহাকাৰ শুনিও নিশব্দে নিৰবে বোৱা কিয়?' বুলি ভূপেন দাদাই বুঢ়া লুইতৰ বিপক্ষে যি গীতৰ ধ্বনি তুলিছিল আৰু যি ধ্বনি অসমৰ বাইজে নতবা নিচিন্তাকৈ মুখৰিত কৰিছিল সেই ধ্বনি শুনি বুঢ়া লুইত আৰু নিশব্দে নিৰবে থাকিব নোৱাৰা হৈছে। বানপানী অসমৰ বাইজৰ বিপক্ষে হেনো বুঢ়া লুইতৰ মান হানি মোকৰ্দমা সদৃশ।

(৫) আন বহুতৰ মতে এইটো মান হানিৰ কথা নহয় অনাস্থাৰ প্ৰস্তাৱহে - বৰ্তমান অ-গ-প চৰ্কাৰৰ ওপৰত বুঢ়া লুইতৰ অনাস্থা কিয়নো এই চৰ্কাৰে হেনো বহু বেয়া কাম কৰিছে। সেইকাৰণে ব্ৰহ্মপুত্ৰই হেনো ডেৰ্ঙলোকৰ ওপৰত- অনাস্থাৰ প্ৰস্তাৱ ৰূপেই প্ৰলয়ংকাৰী বান আনিছে। অ-গ-প চৰ্কাৰে কি কি বেয়া কাম কৰিছে সেই বিষয়ে নানা জনৰ নানা মত - তালিকাখন ব্ৰহ্মপুত্ৰৰ পাৰৰ দৰেই বিস্তীৰ্ণ। সেই বাবে ইয়াত বাইজৰ মুখত বেছিকৈ শুনা দুটামান উল্লেখ কৰিলো -

(প্ৰ) প্ৰফুল্ল মহন্তই হেনো মাল-যুজৰ উদ্বোধনী, ম'হ-যুজৰ উদ্বোধনী, গবুৰ দানাৰ কাৰখানা উদ্বোধনী, আজি অমুকত বঁটা বিতৰণ কালি তমুকত ফিটা কটা আদি অতি অলাগতিয়াল কামত লাগি বুঢ়া লুইতৰ প্ৰতি সম্পূৰ্ণ পিঠি দিছে।

(ভৃ) ভৃগু ফুকনে বাৰ হেজাৰ টকা দি কিনা কুকুৰ কেইটাই হেনো ব্ৰহ্মপুত্ৰৰ পাৰত ৰৰকৈ ভুকাৰ উপৰিও নানান কুকৰ্ম কৰিছে।

(বৃ) বৃন্দাবন গোস্বামীয়ে হেনো ব্ৰহ্মপুত্ৰক পুজিবলৈ এবি এজন কাকতৰ সম্পাদকক্হে পুজিবলৈ লইছে আৰু তেওঁ সেই সম্পাদকৰ জীয়েকক বছৰি ২ লাখ ১৭ হেজাৰ টকাৰ বৃত্তি দি লুইতৰ পাৰৰ পৰা নি একেবাৰে মিচিচিপিৰ পাৰত বহুৱাইছে। ব্ৰহ্মাৰ পুত্ৰই নৈবেদ্যৰ থলীত এনে শকত পুঁজি পোৱা হ'লে হয়তো নিশব্দে নিৰবেই বৈ থাকিলেহেঁতেন। ব্ৰহ্মপুত্ৰৰ ৰোষ এই কাৰণেই বেছি হৈছে যে সেই ২ লাখ ১৭ হেজাৰ টকা হেনো প্ৰায় ৮ হেজাৰ লুইত পৰীয়া দুখীয়া ছাত্ৰ-ছাত্ৰীক ফলি-পুথি কিনিবলৈ দিম বুলি আচুতীয়াকৈ ৰখা টকাৰ পৰা লোৱা হৈছে।

(চ) চন্দ্ৰ পাটোৱাৰীয়ে হেনো দিল্লীৰ হায়াট ৰিজেন্সী নামৰ অতি চৌখিণ আৰু ব্যয় বহুল ৰেষ্টুৰেণ্ট এখনত ৰাইজৰ টকা ভাঙি দিয়া এখন পাৰ্টিলৈ ব্ৰহ্মাৰ পুত্ৰেকক নামাতিলে।

(ল) ললিত ৰাজখোৱাই যেনো কাশ্মীৰত দামী দামী চুৱেটাৰ দুকুৰিতকৈও অধিকটা কিনি সকলোকে বিলালে যদিও ব্ৰহ্মাৰ পুত্ৰৰ ভাগত এটাও নাৰাখিলে।

(দ) অ-গ-প চৰ্কাৰৰ হেঁচাতে অসম-বাণীৰ সম্পাদক শ্ৰীতিলক হাজৰিকাক হঠাৎ খেদোৱা হ'ল আৰু শ্ৰীবিনয় তামুলীৰ দৰে সজ ব্যক্তিক দলৰ পৰা আঁতৰোৱা হ'ল ইত্যাদি ইত্যাদি।

## বানৰ লগত পলসৰ সলনি বালি অহাৰ কাৰণ

বানপানীৰ কাৰণবিলাক ৰাইজৰ বিচাৰৰ বাবে তাতে এৰি আন এটা কথালৈ আহোঁ। আগেয়ে বানপানী আহিলে ৰাইজে কোনো কোনো কথাত যেনো ভালও পাইছিল। তাৰ এটা কাৰণ এই যে আগেয়ে বানে অনা পলসে খেতিৰ মাটি অতি সাৰুৱা কৰিছিল কিন্তু এইবাৰৰ বানে যেনো পলসৰ সলনি বালিহে পেলাইছে। ইয়াৰ কাৰণ জানিবলৈ বিচৰাত মই এই কেইটাই শুনিলো -

(১) ঠিকাদাৰে পেলোৱা শিল আৰু মাটিবিলাকেই বালি হৈ আহিছে।

(২) আজিকালি অসমীয়া মানুহে খেতি কৰিবলৈ ভাল নাপায় যেতিয়া পলস পেলাই কি লাভ - বালি পেলাই অসমীয়া ৰাইজৰ হাল সামৰিবলৈ সুবিধা কৰি দিয়াই যেনো ভাল।

(৩) ব্ৰহ্মপুত্ৰৰ পানীত নগাঁওৰ কাগজৰ কল, জাগীৰোডৰ কাগজৰ কল, তেল শোধানাগাৰ আদি নানান উদ্যোগে পেলোৱা অতি অনিষ্টকাৰী ৰাসায়নিক সামগ্ৰীবিলাকে নদীখনক এনেভাৱে দূষিত কৰিছে যে ইয়াৰ পানীৰ পলস পেলাব পৰা গুণ নালাগে আন বহুতো গুণ লোপ পাইছে।

## বানে জাকে জাকে মাছ লৈ নহাৰ কাৰণ

এইখিনিতে আন এটা কথাৰ প্ৰতি ৰাইজৰ দৃষ্টি আকৰ্ষণ নকৰি নোৱাৰোঁ। অগ্ৰদূতৰ সম্পাদকে ২ ছেপ্তেম্বৰ, ১৯৮৭ চনৰ কাকতত দুখ কৰি লিখিছে, 'আগৰ লেখীয়াকৈ বৰ্তমানৰ বানে জাকে জাকে মাছ লৈ নাহে'। তেখেতে হয়তো অসমীয়া ৰাইজে বানৰ মাছ ধৰি টকালি পাবি খোৱাৰ কথাই ভাবিছে। কেৰাটাও কাৰণত মই মাছ খোৱাৰ বিৰোধী যদিও লুইতৰ বানত জাকে জাকে মাছ নেদেখি মোৰও বৰ দুখ হয় কাৰণ মাছ-কাছ-শিহু-ঘৰিয়াল আদি পানীত থকা প্ৰাণীবিলাকে প্ৰকৃতিৰ এক বিশেষ কাম সমাধা কৰে। পানী পৰিষ্কাৰ কৰি ৰখাৰ উপৰিও এই প্ৰাণীবিলাকে পানীৰ গুণ কিছুমান ৰক্ষা কৰাত বিশেষ সহায়

কৰে। তদুপৰি নদ-নদীৰ তলিত পাত খান্দিবলৈ ভাল পোৱা মাছ-কাছবিলাকে নিতৌ পাত খান্দি খান্দি ড্ৰেজাৰৰ কাম কৰে আৰু নদীৰ তলি বাম হোৱাত বাধা দিয়ে। অসমৰ বাইজৰ কি অসম ক্ষমতা - ব্ৰহ্মপুত্ৰৰ মাছ-কাছ খাই খাই প্ৰায় শেষ কৰিলে আৰু অবাৰত হত্যা কৰি কৰি ঘৰিয়াল-শিহু আদিকো একপ্ৰকাৰ নিশেষ কৰিলে। মুৰ্খৰ দৰে কৰি অহা এই নিধন কাৰ্যৰ এক ভাল নমুনা মই এইবাৰ দিচাংমুখলৈ যাওঁতে দেখিলো।

এইটো নিশ্চয়কৈ জানিব পাৰি যে ব্ৰহ্মপুত্ৰ বা তাৰ উপনদী কিছুমানৰ পাৰে পাৰে থকা বিল কিছুমানেই (দিচাংমুখৰ আশে পাশে থকা বিলবিলাকৰ দৰে) বহু মাছৰ কণী পৰা আৰু পোণা মেলা ঠাই। এনে পোণা মেলা ঠাইত মাছ মৰাটো নিষেধ হ'ব লাগে। কিন্তু, এনেকুৱা ঠাইত অবাধে মাছবিলাকক পোণাতেই মাৰি শেষ কৰা দেখি মই আচৰিত হ'লো। - এনে কাৰ্যই যে বানৰ লগত মাছৰ উজান নহাৰ প্ৰধান কাৰণ তাত সন্দেহ নাই। পৃথিবীৰ সকলো দেশতে মাছৰ পোণা মেলা ঠাইত মাছে পোণা মেলিবৰ সময়ত মাছ মৰাটো আইন বিৰুদ্ধ।

## আমেৰিকাৰ কথা

মাছ-মৰাৰ কথা কৈছো যেতিয়া এই দিশত আমেৰিকাই সততে কৰা দুই এটা কাম উল্লেখ কৰা যুগুত হ'ব। আমেৰিকাত সকলো মাছ-কাছৰ পিয়ল বিজ্ঞানসম্মত ভাবে ভাল নমুনাৰ সহায়ত অনুমানিক ভাবে কৰি থকা হয়। যদি কোনোবা এবিধ মাছৰ সংখ্যা বিশেষ ভাবে কমি আহে তেনেহলে সেই মাছ ধৰাটো হয় সম্পূৰ্ণৰূপে বন্ধ কৰা হয়, নহয় বিশেষ এক দীঘতকৈ কম দীঘৰ সেই মাছ মৰাটো আইনমতে দণ্ডনীয় কৰা হয়।

ছালমন (ৰঙচুৱা বৌ) আদি কিছুমান বিশেষ চাহিদা থকা মাছৰ ক্ষেত্ৰত আজিকালি এনে নিয়ম কৰি দিছে যে যেয়ে যিমান মাছ ধৰে সেইয়ে সিমান সংখ্যক সেই মাছৰ পোণা পানীত মেলি দিব লাগে। এইটো বৰ সুন্দৰ নিয়ম আৰু তাক আমাৰ দেশতো প্ৰবৰ্তন কৰিব পৰা যায় কিয়নো কণী থকা মাছৰ পৰা কণী উলিয়াই হেচাৰী বা পোণা-তোলা-পুখুৰীত মাছৰ অসংখ্য পোণা জীওৱাটো একেবাৰে সহজ কথা আৰু তাকে নৈ বিলত এৰি দিয়াটো তাতোকৈও সহজ।

এইটো জানিব পৰা গৈছে যে আমেৰিকাৰ নদী কিছুমানত বিদ্যুত উৎপাদন কৰিবৰ কাৰণে সজা কিছুমান বান্ধে সেই নদীত পোণা মেলিবলৈ অহা মাছৰ গতিত বাধা দিয়ে। সেয়েহে এতিয়া চৰ্কাৰে সেই বান্ধবিলাকৰ দাঁতিয়ে দাঁতিয়ে মাছবিলাক উজাব পৰাকৈ চিৰি সাজি দিয়াৰ ব্যৱস্থা কৰিছে।

মুঠৰ ওপৰত মাছৰ দৃষ্টিকোণৰ পৰা আমেৰিকা আৰু অসমৰ মাজত বৰ্তমান এই পাৰ্থক্য যে অসমীয়াই বান্ধ-ভেঁটা দি হ'লেও কণী পাৰিবলৈ অহা মাছ ধৰি মাছৰ আৰু মাছৰ কণীৰ ভৰ্কাৰী খায় কিন্তু আমেৰিকাত মাছে অবাধে কণী পাৰিবৰ কাৰণে কোটী কোটী টকা খৰছ কৰি চিৰি সাজি দিয়ে অসমীয়াই মাছক পোণাতে মাৰি কাটি খান্তাং কৰে আৰু আমেৰিকাত মাছৰ পোণাকো আশ্ৰয় দি জীয়াই থাকিবলৈ সুবিধা দিয়ে। সি যিয়েই নহওক, আমাৰ এনে কাৰ্য চলি থাকিলে অচিৰেই বানত মাছ অহা নালাগে অসমত বৌ-কুঢ়ি-চিতল-পাভ আদি মাছৰ যে চিন চাব নাইকিয়া হ'ব তাত সন্দেহ নাই।

## বানপানীৰ স্থায়ী সমাধান

দুখৰ কথা এয়েই যে স্বাধীনতাৰ পিছৰে পৰা এই বানপানীৰ প্ৰতিৰোধৰ কাৰণে মথাউৰি আদি সাজি চৰ্কাৰে প্ৰতি বছৰে কোটী কোটী টকা খৰছ কৰি থকা সত্ত্বেও বছৰি বছৰি বানপানীৰ মূৰ্তি বেছিহে প্ৰচণ্ড হ'বলৈ ধৰিছে (কে'ত কিমান মথাউৰি সাজি চৰ্কাৰে কিমান টকা খৰছ কৰি আহিছে তাৰ এটা লেখ শ্ৰীদিলীপ কুমাৰ মহন্তই ১৬-৩১ আগষ্ট, ১৯৮৪ৰ প্ৰান্তিকত দিছে)। সেই অভিলেখৰ মতে ১৯৮১ - ৮২ চনলৈকে কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে ৩,৩৬২ কিলো মিটাৰ বান্ধ, ৬৮২ কিলো মিটাৰ দাইক, ৩৭০টা স্লুইছ আৰু ১০৩ টা সদৰ ঠাই বা গড়া খহনীয়া বোধ কৰা ব্যৱস্থা সাজিছে। এইবিলাকৰ কাৰণে বৰাক উপত্যকাকে ধৰি অসম চৰ্কাৰে ব্যয় কৰা ধনৰ পৰিমাণ হৈছে - প্ৰথম তিনিটা পাঁচ বছৰীয়া পৰি কল্পনাত ১,১৩৪.২৯ লাখ, তাৰ পিচত ১৯৬৬-১৯৭৮ ৰ কালছোৱাত ৩২,১৯৭.৭৭ লাখ আৰু ১৯৭৮-১৯৮৩ লৈকে কালত ৮,২০০.০০ লাখ টকা।)

আজি কিছু বছৰৰ আগৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বান নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰ্কাৰে নিজৰ হাতলৈ নিছে যদিও অৱস্থাৰ একো সলনি হোৱা নাই। সেয়েহে বানপানীৰ কিবা এক স্থায়ী সমাধান লাগে বুলি সকলো অসমীয়াই ৰবকৈ আতাহ পাৰিছে। -

"সৰ্বোপৰি প্ৰতি বছৰে অনুষ্ঠিত হোৱা 'সাহায্য, পুনৰ সংস্থাপন, বান নিয়ন্ত্ৰণ' শীৰ্ষক ভেকো-ভাওনাশ্ৰনৰ দৰ্শকসকলে অচিৰেই এটা স্থায়ী সমাধান বিচাৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰ্কাৰেও উপলব্ধি কৰা উচিত যে জোৰা-টাপলি মৰা চৰ্কাৰী আঁচনিসমূহ 'শাকত যায় এগুণ, পিটিকাত যায় তিনিগুণ'ৰ দৰেহে হৈছেগৈ।"

*(সোদিনীয়া প্ৰহৰী, ৯ জুলাই, ১৯৮৭)*

"ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ বাবে যথোচিত ব্যৱস্থা লোৱাৰ সলনি প্ৰতি বছৰে বানপানী, মথাউৰি, হেলিকপ্টাৰ, আশ্ৰয় শিবিৰ, সাহায্য দান ইত্যাদিৰ কথা আওৰাই থাকিলেই আমাৰ অৱস্থাৰ পৰিবৰ্তন কাহানিবা হবনে নে?"

(অগ্ৰদূত, ২ ছেপ্টেম্বৰ, ১৯৮৭)

"এতিয়ালৈকে অসমৰ বানপানী সমস্যাটোৰ স্থায়ী সমাধানৰ বিকল্প দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ নকৰাৰৰ ৰহস্য কি?"

(জনমভূমি, ৩১ আগষ্ট, ১৯৮৭)

এতিয়া প্ৰশ্ন হ'ল অসমৰ বানপানীৰ কেনেকুৱা স্থায়ী সমাধান আমি বিচৰা উচিত। এইখিনিতে আমি কাগজে পত্ৰে পঢ়িবলৈ পোৱা বা নিজে গমি পিতি চাই ধৰিব পৰা দুটামান কথা উল্লেখ কৰা উচিত হ'ব।-

(১) আমাৰ দেশত বহুতে ব্ৰহ্মপুত্ৰৰ স্থায়ী সমাধান বিচাৰোঁতে আমেৰিকাৰ টেনেচি নদীত বান্ধ সাজি নদীখন নিয়ন্ত্ৰণ কৰাৰ উপৰিও প্ৰচুৰ পৰিমাণৰ বিদ্যুত শক্তি উৎপাদন কৰাৰ কথা কয় আৰু ব্ৰহ্মপুত্ৰৰ বেলিকাও তেনেকুৱা কিবা এটা কৰাৰ কথা কয়। কিন্তু, টেনেচি উপত্যকা প্ৰকল্পৰ ফলাফল এতিয়া আমেৰিকাবাসীয়ে বৰ সন্তোষেৰে ল'ব পৰা নাই। এই বিষয়ে আমি আমেৰিকাৰ অভিজ্ঞতা ভালদৰে অধ্যয়ন কৰা উচিত।

(২) ***অসমৰ নৈ-উপনদীৰ কম্পিউটাৰ প্ৰতিৰূপঃ*** অসমলৈ বৰষুণে পোনপতীয়াকৈ আৰু নৈবিলাকে তাৰ উৎস আৰু গতিপথৰ পৰা যিখিনি পানী লৈ আহে সেই পানীখিনি ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবই আৰু সেইখিনি ইয়ালৈ আহিবই যেতিয়া সি অসমক ঢৌৱাই বৰ নৈ ব্ৰহ্মপুত্ৰেৰে ওলাই সাগৰত পৰিবগৈ। সেয়েহে আটাইতকৈ গধুৰ প্ৰশ্ন হৈছে অসমলৈ কিমান পানী আহে আৰু সেই পানী অসমৰ পৰা ব্ৰহ্মপুত্ৰই উলিয়াই নিব পৰা ক্ষমতাৰ অধ্যয়ন। তাৰ পিছত, এই পানীয়ে আনিব পৰা বানক কেনেকৈ নিয়ন্ত্ৰণ কৰি অসমৰ উপকাৰত লগাব পাৰে তাৰ ভাল অধ্যয়ন চলা উচিত। এই অধ্যয়নৰ কাৰণে আজিৰ কম্পিউটাৰ অতি উত্তম সৰঞ্জাম কিয়নো কম্পিউটাৰৰ সহায়ত অসমলৈ পানী অহা আৰু ব্ৰহ্মপুত্ৰই কঢ়িয়াই তাক সাগৰত পেলোৱা এই গোটেই প্ৰক্ৰিয়াটো অধ্যয়ন কৰি তাৰ এটা কম্পিউটাৰ প্ৰতিৰূপ (Simulation) তৈয়াৰী কৰিব পাৰি আৰু তাৰ সহায়ত বানপানীৰ আগ-জাননী দিয়া, ক'ত কেনেকৈ নদীৰ তলি খান্দি বানপানীৰ প্ৰকোপ কমাব পাৰি, ক'ত বান্ধ দিয়া যুগুত হ'ব আদি কথা নিৰ্ণয় কৰিব পৰা যাব। ই অসমৰ কাৰণে সৌভাগ্যৰ কথা যে এজন উঠি অহা অসমীয়া ইঞ্জিনিয়াৰে কম্পিউটাৰেৰে নদীৰ প্ৰতিৰূপ তৈয়াৰী কৰি উলিওৱাত বিশেষ অভিজ্ঞতা লাভ কৰিছে। বৰ্তমান আমেৰিকাৰ হাৰ্টগাৰ্চ বিশ্ববিদ্যালয়ত চাকৰি কৰি থকা শ্ৰীদেৱকান্ত বৰা নামৰ এই ইঞ্জিনিয়াৰ জনৰ লগত অসমীয়া ৰাইজক পৰিচয় কৰি দিবৰ কাৰণে তলত শ্ৰীবৰাই মিচিচিপি নদীৰ ওপৰত কৰা গুৰুত্বপূৰ্ণ কামৰ বিষয়ে আমেৰিকাৰ

ইঞ্জিনিয়াৰিং ৰেকৰ্ড নামে আলোচনীত শ্ৰীবৰাৰ ছবিৰে সৈতে ওলোৱা এটা প্ৰবন্ধৰ অসমীয়া ভাঙনি দিলো। দেৱ বৰাৰ পৰিচয়ৰ উপৰিও এই প্ৰবন্ধটোৰ গুৰুত্ব এয়েই যে আমেৰিকাবাসীয়ে মিচিচিপি নদীক প্ৰান্দিবলৈ কেনেদৰে অধ্যয়ন কৰি আগ বাঢ়িছে তাৰ এটা আভাস ইয়াত আছে। আন কিবা এটা কৰাৰ আগতে অসম তথা ভাৰত চৰ্কাৰৰ ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ বৰ্ডে ব্ৰহ্মপুত্ৰ নদীৰ কম্পিউটাৰ প্ৰতিৰূপ তৈয়াৰী কৰাৰ বিষয়ে শ্ৰীবৰাৰ লগত আলোচনা কৰাটো বিশেষ প্ৰয়োজন তাত সন্দেহ নাই। এইটোও উল্লেখযোগ্য যে শ্ৰীবৰাক আজি কিছুদিন আগতে নিউ গিনিৰ অক টেদি আৰু ফ্লাই নদী অধ্যয়ন কৰিবলৈকো মাতি নিছিল।

(৩) *বান্ধ-মথাউৰিৰে বানপানী নিয়ন্ত্ৰণ কৰা অসম্ভৱঃ* আমি যদি এপিনে মথাউৰি সাজোঁ তাৰ পৰা এডুখৰ ঠাই ৰক্ষা পৰিলেও সি পানীখিনিৰ বঢ়া-টুটা কৰিব নোৱাৰে যেতিয়া সেই পানীখিনিয়ে আন কোনোবা পিনে বানপানীৰ সৃষ্টি কৰাটো স্বাভাৱিক। মোৰ দৃঢ় বিশ্বাস যে ডিব্ৰুগড় অঞ্চলক বচাবলৈ সজা বান্ধ মথাউৰি আদিৰ কাৰণেই ব্ৰহ্মপুত্ৰই মাজুলী অঞ্চলক অলপ অলপকৈ গ্ৰাস কৰি শেষ কৰিবলৈ ধৰিছে। তদুপৰি মথাউৰি সজাৰ আন কিছুমান বিষময় পৰিণতিও আছে যি পিছলৈ বানপানীক বেছিহে প্ৰলয়ংকাৰী হোৱাত সহায় কৰে। মথাউৰি সাজিলে নদীৰ পানীখিনি এক ঠেক অংশতে আবদ্ধ হ'ব লগীয়া হয় কাৰণে সেই ঠেক অংশতে পানীৰ লগত অহা পেদ পৰি পৰি জমা হয় (যোক ইংৰাজীত চিল্টিং হোৱা বুলি কয়-) ফলত সেই নদীৰ তলি বছৰি বছৰি বাম হ'বলৈ ধৰে। তদুপৰি উপনদীখনৰ যেতিয়া সোঁতৰ বেগ কমে তেতিয়া ৰবনৈৰ বোকা পানীও ওলে ওলে নৈ খনত সোমাই তাক বেছি বাম কৰে। অসমৰ বহু নদীৰ ক্ষেত্ৰতে এইটো হৈছে। যোৱা বছৰ খৰালি কালত সোৱণশিৰি নদীৰ পাৰলৈ গৈছিলো। সোৱণশিৰিৰ দুয়ো পাৰে মথাউৰি দেখিলো কিন্তু সেই মথাউৰিয়ে অঞ্চলটোক বেছিহে বিপদাপন্ন কৰাটো মোৰ মনত স্পষ্ট হ'ল কিয়নো পেদ পৰি পৰি চিল্টিং হৈ হৈ সোৱণশিৰি নদীৰ তলি মথাউৰিৰ সিপাৰে থকা খেতিৰ মাটিতকৈ কেবা ফুটও ওপৰত আছিল। ওপৰেদি নৈ তলত পথাৰৰ পৰিণতি কি হ'ব পাৰে তাক কল্পনা কৰা সহজ। বান্ধ-মথাউৰি সাজি সাজি যে বানপানীক নিয়ন্ত্ৰণ কৰিব নোৱাৰি তাক এইবাৰৰ বানে ভালদৰে প্ৰমাণ কৰি দেখুৱালে।

(৪) *য'ত নাই বান তাত নাই ধানঃ* যোৱা কেইবছৰ মই অসমৰ বহু গাঁৱ অঞ্চললৈ গৈছো। সেই গাঁৱঁবিলাকৰ বহু পুৰণা বুঢ়া-মেথাই মোক জনালে যে আজিকালি অসমৰ মাটিত সাৰ নিদিলে ভাল খেতি নহয় - তাৰ কাৰণও তেওঁলোকৰ মতে বানৰ অভাৱ। এইটো সঁচা যে আন প্ৰকাৰে বেছি ক্ষতি সাধন নকৰা বানপানীৰ বহু উপকাৰও আছে। প্ৰথমেই ই মাটিত থকা আৰু শস্যৰ কাৰণে অপকাৰী লোণীয়া, খাবুৱা বা এচিড জাতীয় বস্তুবিলাক (যিবিলাক পানীত গলে) ধুই নিয়ে আৰু তাৰ ঠাইত খেতিৰ কাৰণে উপকাৰী সাবুৱা পলস মাটিত পেলাই থৈ যায়। খেতিৰ মাটিলৈ সময়ে

সময়ে বান আহিবলৈ নিদিয়া মানে এই প্ৰক্ৰিয়াটো বন্ধ কৰা। বানপানীয়ে কৰা কামখিনি কৃত্ৰিম বা ৰাসায়নিক সাৰেৰে কৰাটো কেৱল ব্যয় বহুলেই নহয় সি প্ৰদূষণৰও কাৰণ। এই দুই কামৰ (বানপানী বন্ধ আৰু ৰাসায়নিক সাৰ প্ৰবৰ্তন) পৰিণতি অতি বিষম হ'ব পাৰে। বহু অযুত কোটী টকা খৰছ কৰি ইজিপ্তত দেশে আছৱান বান্ধ সাজি নীল নদীৰ বানপানী বন্ধ কৰা কাৰণে ইজিপ্তৰ এতিয়া যি দুৰৱস্থা হৈছে তাৰ প্ৰতিকাৰৰ কাৰণে এতিয়া বহু বৈজ্ঞানিকে আছৱান বান্ধটো ভাঙিবলৈকে পৰামৰ্শ দিছে।

বানপানীৰ স্থায়ী সমাধান বিচাৰোঁতে আমি বানপানীৰ উপকাৰিতাবিলাক (যেনে, নদীৰ তলি বাম নোহোৱাকৈ ৰখা, খেতিৰ মাটিক লোণ-খাৰ-এচিডৰ পৰা মুক্ত কৰি ৰখা, মাটিত সাৰ দিয়া আদি) ৰাখিহে সমিধান বিচৰা উচিত। বানপানীৰ নিয়ন্ত্ৰণ বুলিলে আমি বানপানীৰ প্ৰতিৰোধ বুলি ভবা অনুচিত। বানপানীক স্বাভাৱিক ভাবেই হ'বলৈ দি সি যাতে প্ৰলয়ংকাৰী ৰূপ ধাৰণ নকৰে তাক নিয়ন্ত্ৰণ কৰাটোহে আমাৰ লক্ষ্য হ'ব লাগে।

আনহাতে, আমি (নিয়ন্ত্ৰিত) বানপানীয়ে সাধিব পৰা আমাৰ অনিষ্টৰ পৰা হাত সাৰি থাকিবলৈকো বহু কৰিব পাৰোঁ। সেইবিলাক হৈছে - (১) থকা ঘৰ-বাৰী, স্কুলঘৰ, নামঘৰ আদি ওখ ঠাইত বা ওখ কৰি লোৱা ঠাইত চাং বঙলাৰ আকাৰত সজা। (২) বান হ'ব পৰা অঞ্চলত ঘৰে ঘৰে নাও মজুত ৰখা (যিটো আগৰ অসমীয়াই কৰিছিল)। (৩) বানৰ পিছত হ'ব পৰা মহামাৰী বা বেমাৰ আজাৰৰ প্ৰতিষেধৰ আগতীয়া ব্যৱস্থা কৰা। (৪) আমাৰ খেতি-বাতিৰ পদ্ধতি আৰু চৰিত্ৰ বানক কেন্দ্ৰ কৰিয়েই সলোৱা। এই বিষয়ে ৩১ আগষ্ট, ১৯৮৭ৰ দৈনিক জনমভূমিত ডঃ ধীৰেন্দ্ৰনাথ বৰঠাকুৰে এটা অতি বিজ্ঞানসন্মত আৰু অৰ্থপূৰ্ণ প্ৰবন্ধ লিখিছিল। অসমৰ ৰাইজৰ উপকাৰৰ কাৰণে সেই প্ৰবন্ধটি ইয়াৰ পিছৰ অধ্যায়ত দিলো।

## কম্পিউটাৰ প্ৰতিৰূপে মিচিচিপিৰ গভীৰতাৰ বুজ দিছে

নিউ-য়ৰ্কৰ টিপেট্চ-এবেট-মেকাৰ্থি-ষ্ট্ৰাটন (চমুতে টেম্চ) নামৰ ইঞ্জিনিয়াৰিং পৰামৰ্শকাৰী কোম্পানীটোৱে কম্পিটাৰ শক্তিক নামনি মিচিচিপি নদীক খান্দিবলৈ প্ৰয়োজনীয় কিন্তু বহু সময় লগা মেপ নিৰ্ণয় আৰু প্ৰতিৰূপ বনোৱাত কেৰা প্ৰকাৰে ব্যৱহাৰ কৰিছে - তেওঁলোকৰ পদ্ধতিবিলাকৰ কেৰাটাও নতুন আৰু কিছুমান আগৰ।

টেম্চে লুইছিয়ানা প্ৰদেশৰ বেটন ৰ'গৰ পৰা মেক্সিকো উপসাগৰলৈকে মিচিচিপি নদীখন খান্দিবলৈ লোৱা প্ৰস্তাৱিত আঁচনিখনৰ দোষ-গুণ নিৰ্ণয় কৰিবলৈ লৈছে। ক'ৰ অব ইঞ্জিনিয়াৰে গোটোৱা তথ্য-পাতি আৰু তেওঁলোকৰ নিজৰ তথ্য-পাতি ব্যৱহাৰ কৰি টেম্চে নদীখন ক'ত ক'ত ৫৫ ফুটতকৈ

(এইটো লুইচিয়ানা প্ৰদেশে নিৰ্দেশ দিয়া মতে মিচিচিপিৰ অতি কমেও হ'ব লগীয়া গভীৰতা) বাম তাৰ ক্ৰছ-চেক্সনবিলাকৰ একোটা প্ৰতিকৃতি উলিয়াবলৈ সমৰ্থ হৈছে। ক্ৰছ-চেক্সনবিলাকৰ হ'ব লগীয়া দ অংশৰ ঠাইবিলাক সাল-সলনি কৰি কৰি টেম্‌চৰ ইঞ্জিনিয়াৰ সকলে আটাইতকৈ কম খাদ্দিৰ লগীয়া পথ এটা নৈখনৰ তলত নিৰ্ণয় কৰিবলৈ সমৰ্থ হৈছে।

টেম্‌চৰ ইঞ্জিনিয়াৰ সকলে ভেওঁলোকে কম্পিউটাৰ প্ৰয়োগৰ এই দিশটোক বেছি গুৰুত্ব নিদিয়ে কাৰণ ভেওঁলোকৰ মতে কমিপউটাৰ-বিধিৰ তেনে প্ৰয়োগ সেইটোৱেই প্ৰথম নহয়। টেম্‌চৰ মতে মেক্সিকো উপসাগৰৰ লুনীয়া পানী মিচিচিপি নদীত কেনেকৈ সোমায় তাৰ গণনা আৰু বেখাৰে আঁকা তাৰ প্ৰতিৰূপৰ কাম কেইটাহে বেছি গুৰুত্বপূৰ্ণ। লুনীয়া পানী নৈৰ পানীতকৈ ডাঠ হোৱা কাৰণে নৈৰ মোহনাৰ তলিভাগত কাঁড়মুখীয়াকৈ গোট খায় - সেই কাঁড়মুখীয়া লুনীয়া গেদ নৈখনৰ সোঁতৰ বেগ কমিলে নৈৰ ভিতৰলৈ বেছিকৈ সোমায় আৰু সোঁতৰ বেগ বাঢ়িলে পিছলৈ হুঁহুকি যায়।

সেই কাঁড়মুখীয়া গেদৰ স্থান নিৰ্ণয় কৰাটো নিতান্তই প্ৰয়োজন কিয়নো তাৰ জোঙটোৰ পৰা ২০ মাইল নামনিৰ পানীত বৰ্তমান পৰিবেশ সংৰক্ষণ বিভাগে চহৰৰ পানী-যোগানৰ কাৰণে থাকিব লগীয়া বুলি দিয়া পানীৰ গুণবিলি আছে। বৰ্তমান নৈখনৰ তলৰ ওখ অংশই এই লুনীয়া গেদখিনি বেছি ভিতৰলৈ সোমোৱাত বাধা দিয়ে। নৈখন খান্দোতে এই ওখ ঠাইবিলাকেই আঁতৰাব লাগিব যেতিয়া সেই কামে পানী-যোগানৰ কাৰণে পানী তোলা চাবি ঠাইত পানীৰ লোন অতিমাত্ৰা বঢ়াব।

টেম্‌চৰ ইঞ্জিনিয়াৰ আৰ্মান্দু বেলুফ আৰু দেৱকান্ত বৰাই মাছাচুচেটস ইনষ্টিটিউট অৱ টেকন'লজিৰ ডনাল্দ হাৰ্লমেনৰ সহায়ত সেই লুনীয়া গেদৰ কম্পিউটাৰ প্ৰতিৰূপ তৈয়াৰী কৰিবৰ কাৰণে এক কম্পিউটাৰ-বিধি ৰচিবলৈ সমৰ্থ হৈছে।

*একুৰি সাত অধ্যায়*

# বানপানী আৰু খেতি

**ডঃ ধীৰেন্দ্ৰনাথ বৰঠাকুৰ**

বানপানী নিয়ন্ত্ৰণৰ নিচিনা জটিল সমস্যাৰ সমাধান কেতিয়া হ'বলৈ কোৱা টান। সেইবাবেই বান বিধ্বস্ত অঞ্চলত কৃষি উৎপাদন নিশ্চিত কৰাটো অতি আৱশ্যকীয় কথা।

## আহিন-কাতিত খেতি আৰম্ভ কৰাৰ উপকাৰিতা

সাধাৰণতে আহাৰ, শাওণ আৰু ভাদ এই তিনি মাহ জুৰি বানপানী থাকে। সেই কাৰণে বানপানীৰ পৰা অনিষ্ট নোহোৱা খেতি কৰিবলৈ হ'লে, আহিন মাহৰ পৰা জেঠ মাহলৈকে পথাৰত খেতি কৰিব লাগিব। এই সময়ছোৱাত বৰষুণ কম হোৱাৰ বাবে পানীৰ অভাৱ হয়। তথাপিও কাতি মাহৰ শেষলৈকে অসমৰ মাটিত জীপ থাকে আৰু ইয়াৰ সুবিধা লৈ কিছু খেতি কৰিব পৰা যায়। সকলো খেতি ভালদৰে কৰি উৎপাদন বঢ়াবলৈ হ'লে, এই সময়ছোৱাত পানী যোগানৰ আৱশ্যকতা খুব বেছি। আনহাতে এই সময়ছোৱাত আকাশ ফৰকাল হৈ থকাৰ বাবে সূৰ্যৰ পোহৰৰ পৰিমাণ বেছি হৈ উৎপাদন বঢ়োৱাত সহায় কৰে।

## বানপানীৰ পিচত ধান খেতি

বানপানীৰ পিচত ধান খেতি কৰাৰ সম্ভাৱনা সম্পৰ্কে এইটো ক'ব পাৰি যে বানপানী শাম কটাৰ পিচতে উপযুক্ত ব্যৱস্থা সাপেক্ষে ভাদ মাহৰ মাজ ভাগৰ পৰা আৰম্ভ কৰি আহিনৰ দহ দিনমান যোৱালৈকে ধান ৰুব বা সিচিব পাৰি।-এই বিষয়ে মন কৰিব লগীয়া কথা হ'ল-

(১) খলুৱা শালি ধানৰ ৫০ - ৬০ দিনীয়া বুঢ়া কঠিয়াই এই ক্ষেত্ৰত আটাইতকৈ উত্তম। মনোহৰ শালিৰ কঠিয়া হলে বিশেষ ভাল। এনে কঠিয়া আহিন মাহৰ ১০ - ১২ দিন যোৱালৈকে ৰুব পাৰি যদিও আহিনৰ ৭ দিনৰ ভিতৰতে ৰুব পাৰিলে ভাল। গোছাই প্ৰতি ৪ - ৬ ডাল কঠিয়া লৈ শাৰীৰ পৰা শাৰী লৈ ৯ ইঞ্চি আৰু গোছাৰ পৰা গোছালৈ ৬ ইঞ্চি দূৰত ৰুব লাগে।

খলুৱা শালিধান কাতিত ফুলি যায় বাবে ৰোৱাৰ পিচত পোখা বাঢ়িবলৈ সময় নাপায়। গতিকে উৎপাদন বঢ়াবলৈ হ'লে ঘনাই ৰুবই লাগিব। এই ধানৰ

কঠিয়া পেলোৱা বা সিচাৰ পৰা ৪০ দিনমান পিচতহে পোখা বাটিবলৈ আৰম্ভ হয়। সেইবাবেই বানপানী কমাৰ পিচত নতুনকৈ খলুৱা শালিধানৰ কঠিয়া পেলাই ৰোৱাৰ সময় নাথাকে। তেনেকৈ বুলে সৰু চাপৰ কঠিয়াতে কাণ্ডি মাহত খোক মেলিবলৈ আৰম্ভ কৰিব আৰু উৎপাদন একেবাৰে কমি যায়।

(২) অধিক উৎপাদনক্ষম ধান, আই-আৰ-৫০, পুচা ২-২১ আদি ধানৰ ২১-২৫ দিনীয়া কঠিয়া ভাদ মাহৰ শেষ সপ্তাহলৈকে ৰুব পাৰি। বানপানীৰ সময়ত কম সময়ৰ ভিতৰতে কঠিয়াৰ আৱশ্যক হ'লে এইবিলাক ধানৰ (৮০ ৰ পৰা ১১০ দিনৰ ভিতৰত পকা) কঠিয়া কৰিব লাগে।

(৩) বানপানী শুকাই অহাৰ সময়ত পথাৰত ধান সিচিব পৰাকৈ ৰোকা কৰিবলৈ সহজ। তেনেকৈ ৰোকা কৰা মাটিত কালচাৰ-১, গোবিন্দ আৰু চি-আৰ-২৩৭১ আদি ধান ভাদ মাহৰ ১৫-১৬ দিন যোৱালৈকে পোনপতীয়াভাৱে বৈ দিব বা সিচিব পাৰি। এনেকৈ সিচিবৰ বাবে ধানখিনি আগতীয়াকৈ গজাই লৈ প্ৰতি বিঘাত ১০ কিলোগ্ৰাম ধান বৈ দিব লাগে।

(৪) আঘোণ-পুহ মাহৰ পৰা অসমত বড়ো ধানৰ খেতি কৰি বহাগ-জেঠত ধান চপাব পাৰি। বড়ো খেতিৰ বাবে পানী যোগানৰ ব্যৱস্থা লাগে, নাইবা পানী জমা হৈ থকা পিটনি মাটি হ'ব লাগে। চীনা-৬৩, বড়ো-১, বড়ো-২, কলিংগ-২ আৰু ত্ৰিপুৰাৰ চি-১০ আৰু চি-১৩ আদি গঁচ বড়ো খেতিৰ বাবে উপযোগী।

(৫) পানী যোগানৰ ব্যৱস্থা থাকিলে বা কৰি ল'ব পাৰিলে মাঘৰ শেষৰ পৰা ফাগুনৰ ভিতৰতে আগতিয়া আহু ধানৰ খেতি কৰি বানপানী অহাৰ আগতে চপাব পাৰি। পুচা-২-২১, কলিংগ-২, কাবেৰী, কৃষ্ণা, গোবিন্দ আই-আৰ-৫০ আদি ধান আগতিয়া আহু খেতিৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

## বানপানীৰ পিচত আন খেতিঃ

বানপানী শাম কটাৰ পিচৰ পৰা বানমুক্ত সময়ছোৱাত আন আন ভালেমান খেতি কৰিব পাৰি। লগত দিয়া চিত্ৰত বানমুক্ত সময়ছোৱাত বিভিন্ন শস্যৰ ৰোৱা বা সিচাৰ সময় দেখুওৱা হৈছে।

(১) ভাদ মাহৰ ২৫ দিন যোৱালৈকে বাম মাটিত মাটি মাহ আৰু মগু মাহ খেতি কৰিব পাৰি। মাটি মাহৰ টি-১২২, টি-২৭, টি-৯ আৰু পি-ইউ-১৯ জাতৰ গঁচ আৰু মগু মাহৰ টি-৪৪, কপাৰ গাঁও, এম-এল-৫৬ বা কে-৮৫১ জাতৰ গঁচ ব্যৱহাৰ কৰিবলৈ অনুমোদন কৰা হয়।

(২) আহিনৰ শেষৰ পৰা কাতি মাহৰ মাজলৈকে সৰিয়হৰ খেতি কৰিব পাৰি। এম-২৭ বা টি-এচ-২৯ জাতৰ গঁচ ব্যৱহাৰ কৰিব পাৰি।

(৩) আহিনৰ দ্বিতীয় সপ্তাহৰ পৰা কাতি মাহৰ দ্বিতীয় সপ্তাহৰ ভিতৰত আলু খেতি কৰিব পাৰি। কুফ্‌ৰিজ্যোতি, কুফ্‌ৰি চন্দ্ৰমুখী আৰু কুফ্‌ৰি সিন্দুৰী জাতৰ সঁচ আলু খেতিৰ বাবে উপযোগী।

(৪) আঘোণ মাহত ঘেঁহু খেতি কৰিব পাৰি। জনক আৰু সোণালিকা এই দুবিধ জাত অসমত খেতি কৰাৰৰ বাবে অনুমোদন কৰা হৈছে।

(৫) আঘোণ মাহতে গৰু-ম'হৰ ঘাঁহৰ বাবে অ'ট খেতিও কৰিব পাৰি।

(৬) আহিন মাহৰ পৰা কাতি মাহৰ প্ৰথম সপ্তাহলৈ শীতকালীন গোম ধানৰ খেতিও কৰিব পাৰি। গংগা-১০১, গংগা-৫, কিষাণ, বিজয়, ডেকাণ-হাইব্ৰিদ-১০৩ আৰু জে-৬০৩ জাতৰ গোমধান শীতকালীন খেতিৰ বাবে উপযোগী।

(৭) ফাগুন মাহত আকৌ গ্ৰীষ্মকালীন গোমধানৰ খেতি কৰিব পাৰি। গংগা আৰু বিজয় জাত ব্যৱহাৰ কৰিব পাৰি। অলপ পলমকৈ খেতি কৰিলে বানপানী অহাৰ আগতে চপাব নোৱাৰিবও পাৰি। তেনে ক্ষেত্ৰত গোমধান গছৰ ফুল ফুলাৰ সময়তে কাটি গৰু ম'হক খুৱাব পাৰি।

(৮) ফাগুন মাহৰ মাজ ভাগৰ পৰা চ'তলৈকে গ্ৰীষ্মকালীন মগু আৰু মাটি মাহৰ খেতি কৰি বানপানী অহাৰ আগতে চপাব পাৰি। মগু আৰু মাটিমাহ গোমধানৰ শাৰীৰ মাজে মাজে সিচি দিও খেতি কৰিব পাৰি।

(৯) মচুৰ মাহ শালিধান চপোৱাৰ আগতে মাটিত জীপ থাকোতেই ধানৰ মাজত আঘোণ মাহত সিচিব পাৰি। মটৰ মাহৰ খেতি শালিধান চপোৱাৰ পিচতো কৰিব পাৰি।

(১০) বানপানী শাম কটাৰ পিচবে পৰাই বানমুক্ত সময় ছোৱাত বিভিন্ন শাক পাচলিৰ খেতি কৰিব পাৰি।


চ'ত
বহাগ
জেঠ
আহাৰ
শাওণ
ভাদ
আহিন
কাতি
আঘোণ
পুহ
মাঘ
ফাগুন
মগু মাহ
আগতীয়া আহু
গমধান
বা
ন
পা
নী
মটৰমাহ
বৰোধান
মচুৰ মাহ
আহুধান
শালিধান
গমধান
সৰিয়হ
আলু
মগুমাহ
মাটিমাহ

বোৰা বা সিঁচাৰ সময়

## ৰাইজ আৰু চৰ্কাৰৰ দায়িত্ব

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে বানপানীৰ পৰাহৰ পৰা হাত সাৰি বানমুক্ত সময়ছোৱাত ভালেমান খেতি কৰিব পাৰি। কিন্তু তাকে কৰিবলৈ হলে কেইটামান দিশৰ প্ৰতি চৰ্কাৰ আৰু ৰাইজে বিশেষ মনোযোগ দিব লাগিব। সেইবিলাক হৈছে -

(১) আহিনৰ পৰা জেঠ মাহলৈ পানী যোগানৰ ব্যৱস্থা কৰাটো চৰ্কাৰৰ পানী যোগান আঁচনিৰ প্ৰধান লক্ষ্য হোৱা উচিত।

(২) নিয়মিত ভাবে বান পীড়িত অঞ্চল সমূহৰ বাবে বিভিন্ন শস্যৰ আৱশ্যকীয় বীজ মজুত ৰাখিব লাগিব।

(৩) খেতি চপোৱাৰ পিচত খেতিয়ক ৰাইজে যাতে উৎপাদনৰ বাবে উচিত মুল্য পাই তাৰ বাবে ৰাইজ সচেতন হ'ব লাগিব। নিচেই কম মুল্যত বেপাৰীক বেচি দিব লগা হ'লে খেতিয়ক ৰাইজৰ ৰবি শস্য কৰিবলৈ উৎসাহ নাথাকিব। কোনো ক্ষেত্ৰত উচিত মুল্য নাপাই গুণ্ডত শাক পাচলি কাটি পৰুক খুওৱাৰ দৃষ্টান্তও আছে। এইখিনিতে এটা আৱশ্যকীয় কথা উল্লেখ কৰিব পাৰি। অসমত গোমধানৰ উৎপাদন ভাল হয় যদিও বজাৰত ইয়াৰ চাহিদা নাই বাবেই খেতিয়কে এই খেতি কৰিবলৈ টান পায়। আনহাতে চৰ্কাৰৰ পশুপালন বিভাগে আৰু দানা প্ৰস্তুত কাৰক সকলে বহুত টকাৰ গোমধান কিনে। চৰ্কাৰৰ কৃষি বাণিজ্য বিভাগে আগ ভাগ লৈ বিক্ৰীৰ সুবিধা কৰিব পাৰে।

(৪) বানপানীৰ উপক্ৰম হলেই, ৰাইজ আৰু চৰ্কাৰে উপযুক্ত থানৰ কঠিয়াৰ বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাইজ আৰু চৰ্কাৰৰ সহযোগত আপদকালীন আচনি হাতত ল'ব পাৰিলেহে বান পীড়িত অঞ্চলৰ খেতি নিশ্চিত হ'ব।

*একুৰি আঠ অধ্যায়*

# ইংৰাজীৰ মাধমাৰ

মোৰ আশা আছিল যে মোৰ ছোৱালী ৯ বছৰীয়া মানসীয়ে অসমত থকা দিন কেইটাত অসমীয়া ভাষাটো ভালদৰে শিকিব। তাইক মই আমেৰিকাতেই অসমীয়া আখৰ কেইটা বহু কষ্ট কৰি শিকাইছিলো। আমেৰিকাত থাকোঁতে আমি ঘৰত সদায় অসমীয়াত কথা পাতি, নিতৌ অসমীয়া গীতৰ টেপ বজাই আৰু আন আন উপায়েৰে তাইৰ সংস্কৃতিটো অসমীয়া কৰিবলৈ সদায় চেষ্টা কৰি আহিছো। তাইৰ মনত এইটো স্পষ্ট যে তাইৰ আমেৰিকাত জন্ম যেতিয়া তাই আমেৰিকাৰ নাগৰিক কিন্তু তাইৰ আই বোপাই অসমীয়া যেতিয়া তাই আহৰণ কৰিব পৰা সংস্কৃতি হৈছে অসমীয়া। সেয়েহে তাই বৰ আশা কৰি আহিছিল যে তাই অসমলৈ আহি অসমীয়া ভাষাটো ভালদৰে শিকিব, পাৰিলে অলপ সত্ৰীয়া নাচ শিকিব আৰু অসমীয়া শাক-পাচলিৰ জুতি ল'ব। কিন্তু গুৱাহাটীলৈ আহি তাইৰ বিপদ হ'ল। আমবাৰীত আৰু অ'ত ত'ত লগ পোৱা তাইৰ লগৰ ল'ৰা-ছোৱালী আটায়ে ইংৰাজী মাধ্যমৰ স্কুলতহে পঢ়ে আৰু ইংৰাজীতহে কথা-বতৰা পাতে। এদিন তাই বিমোৰত পৰি মোক সুধিলেঃ

> "দেউতা, ইয়াত দেখোন সকলো অসমীয়া ল'ৰা-ছোৱালীয়ে ইংৰাজীতহে কথা পাতে। ইয়াত অসমীয়া হিচাপে চিনাকী দিবলৈ হ'লে ইংৰাজীতহে কথা ক'ব লাগিব নেকি? এতিয়া ইংৰাজীত কথা নাপাতিলে আন অসমীয়া ল'ৰা ছোৱালীবোৰে মোক অসমীয়া নহয় বুলিয়েই ভাবিব নেকি?"

মই অৱশ্যে তাইক সতৰ্ক কৰি ক'লোঃ

> "নহয় মাজনী, তুমি ইয়াত অসমীয়াতহে কথা ক'বা নহ'লে তোমাক সকলোৱে আমেৰিকাৰ নাগৰিক নহয় বুলি ভাবিব।"

ব্ৰাওন-ব্ৰন্সন-চেকিয়াল ফুকনৰ দিনৰ পৰাই অসমীয়া ভাষাক আইনগত ভাবে অসমত যথোচিত মৰ্যদা দিয়াৰ অৰ্থে অসমীয়াই আন্দোলন কৰি আহিছে। সেই আন্দোলনত বহু প্ৰতিভাশালী যুৱকে প্ৰাণ হেৰুৱালে। শিক্ষাৰ মাধ্যম অসমীয়া কৰিবৰ কাৰণে আৰু অসমত অসমীয়া ভাষাৰ পূৰ্ণ প্ৰয়োগৰ কাৰণেও মোজাম্মিল হক, অনিল বৰা আদি বহুতেই চহিদ হ'ল। কিন্তু আজি বাস্তৱ ক্ষেত্ৰত কি দেখা যায়? - অসমত ইংৰাজী মাধ্যমৰ স্কুলৰ বিৰাট জনপ্ৰিয়তা।

"নিজ ভাষাৰ মাধ্যমৰ স্কুলতকৈ ইংৰাজী মাধ্যমৰ স্কুল যেন ল'ৰা-ছোৱালীৰ বাবে বেছি উপযোগী, অভিভাৱকসকলৰ মাজত এনে চিন্তা ভাবনা হোৱাৰ ফলত আঞ্চলিক বা ৰাষ্ট্ৰীয় ভাষাৰ মাধ্যমত চলা বিদ্যালয়ৰ উপৰি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা বাঢ়ি যাব ধৰিছে। আৰ্থিক স্বচ্ছলতা থকা অভিভাবকে ৰঙা নীলা আদি বিবিধ ৰঙৰ নেকটাই একোটা ডিঙিত আঁৰি দামী

চোলা কাপোৰ পিন্ধাই কণ কণ ল'ৰা-ছোৱালীক স্কুললৈ লৈ যোৱা আৰু আবেলি পৰত স্কুলৰ পৰা লৈ অহা দেখা যায়।"

*(ডঃ কালীনাথ শৰ্মা, অগ্ৰদূত, ১৮ জুলাই, ১৯৮৫)*

গুৱাহাটী আৰু আন আন চহৰত গণ্য-মান্য ভদ্ৰলোক, সৰু-ডাঙৰ চৰ্কাৰী বিষয়া, ভাল-বেয়া ব্যৱসায়ী, অসমীয়া শিক্ষক শিক্ষিকা আদি সকলোৱে দেখোন নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলতহে পঢ়ুৱায় বা পঢ়ুৱাবলৈ চেষ্টা কৰে। আনকি অসম আন্দোলনৰ বহু নেতা, উপদেষ্টা আৰু বহু অসমীয়া কিতাপৰ দোকানীয়েও নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলতহে পঢ়ুৱায়। এইবিলাক দেখি শুনি মোৰ এই ভাব হয় যে অসম আন্দোলনত, অসমীয়া ভাষাৰ আন্দোলনত অংশ গ্ৰহণ কৰা বহু লোকেই কেৱল নিজৰ স্বাৰ্থ সিদ্ধি কৰিবৰ কাৰণেহে আন্দোলনত সহযোগীতা কৰিছিল - অসমীয়া ভাষাৰ প্ৰতি, অসমীয়া ভাষা সাহিত্যৰ প্ৰতি বা অসমীয়া ভাষাক জীয়াই ৰখাৰ প্ৰতি তেওঁলোকৰ কোনো আন্তৰিক আগ্ৰহ নাই। তেওঁলোক বহুতেই হয়তো ক'ব যে 'নহয়, দৰাচলতে নিজৰ ল'ৰা-ছোৱালীক ভাল শিক্ষা দিবলৈহে আমি সিহঁতক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাইছো'। ভাল শিক্ষা বুলিনো তেওঁলোকে কি বুজিছে তাক জানিব নোৱাৰি আৰু সেইষাৰ কথাত পতিয়ন নগৈ মই ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি বহু অসমীয়া লোকৰ কিয় ইমান ধাউতি তাক কিছু অনুসন্ধান কৰি চাইকৈ তলত দিয়া কাৰণ কেইটাই পালো ঃ

### অসমীয়া মাধ্যমৰ স্কুলত নপঢ়ুৱাৰ কাৰণ

(১) অসমীয়া মাধ্যমৰ স্কুলবিলাক আজিকালি অতি বেয়া। বেয়া মানে সকলো প্ৰকাৰে বেয়া - ঘৰ দুৱাৰ বেয়া, শিক্ষক বেয়া, পাঠ্যক্ৰম বেয়া, আনকি স্কুলৰ নামবিলাকও বেয়া।

(২) আই-এ-এছ, আই-পি-এছ আদিৰ দৰে কেন্দ্ৰীয় চৰ্কাৰৰ প্ৰতিযোগীতামূলক চাকৰিবিলাক পাবলৈকো ইংৰাজী মাধ্যমৰ শিক্ষাৰহে প্ৰয়োজন।

(৩) আই-আই-টি আদিৰ দৰে বাহিৰৰ ভাল কলেজ বিশ্ববিদ্যালয়বিলাকত পঢ়িবলৈ অসমীয়া মাধ্যমত পঢ়াসকলে সুবিধা পোৱাৰ আশা নাই। অকল সেয়ে নহয়, তেওঁলোকে অসমৰ বাহিৰতে নহয় ভাৰতৰ বাহিৰলৈ যাবলৈকো সুবিধা নাপায়।

(৪) গণিত, বিজ্ঞান আদি বিষয়ত অসমীয়া ভাষাত ভাল পাঠ্যপুথি নাই আৰু কেতিয়াও নহ'ব।

(৫) অসমীয়া মাধ্যমৰ স্কুলবিলাকত কেৱল গাঁৱলীয়া ল'ৰা-ছোৱালী বা কেৱল কেৰাণী-মহৰী-পিয়ন-চকীদাৰ আদিৰ ল'ৰা-ছোৱালীয়েহে পঢ়ে।

(৬) অসমীয়া মাধ্যমৰ স্কুললৈ ল'ৰা-ছোৱালী কোনোবা গাড়ীত অহা-যোৱা কৰিলে সকলোৱে চকু পোৰে কিন্তু ইংৰাজী মাধ্যমৰ স্কুললৈ সকলো গাড়ী-বাছতহে যোৱা নিয়ম। সেইকাৰণে গাড়ী থকা সকলে ইংৰাজী মাধ্যমৰ স্কুলতহে ল'ৰা-ছোৱালী পঢ়ুৱাটো স্বাভাৱিক।

ওপৰৰ কাৰণবিলাকৰ শেষৰ দুটা সমাজৰ কথা যেতিয়া সেইবিষয়ে একো নামাতো কিন্তু প্ৰথম চাৰিটা অলপ বিজ্ঞানসন্মত ভাবে খঁহিয়াই চোৱা যাওক।

## অসমীয়া মাধ্যমৰ স্কুলৰ দুৰৱস্থাৰ কাৰণ

এইটো সচা যে অসমত বৰ্তমান অসমীয়া মাধ্যমৰ স্কুলবিলাকৰ অৱস্থা আজি সকলো পিনৰ পৰাই দুখ লগা। চৰ্কাৰী বা চৰ্কাৰী সহায় পোৱা স্কুল-হাইস্কুলবিলাকৰ ঘৰ-দুৱাৰ বা আন আন সা-সুবিধাবিলাকৰ অৱস্থা দেখিলে দুখ লাগে। সেইবিলাকৰ বুজ ল'বৰ কাৰণে মই বেছি দূৰলৈ যাব লগীয়া নহ'ল। আমবাৰীৰ ঘৰৰ পৰা ওলাওঁতে সোমাওঁতে ওচৰৰ তাৰিণী চৌধুৰী স্কুলৰ ভাঙি ছিগি পৰা বেৰ দুৱাৰ, কামৰূপ একাডেমীৰ কেওপিনে সজা দুৰ্ভেদ্য বেৰাৰ (বেৱৰাৰ পিনৰ পৰা সেই কেইখনক ৰাইজৰ পেছাব কৰা ঠাইহে বুলিব লাগে) ভিতৰত আৰু কাষতে থকা চেনীকুঠী স্কুলৰ পুৰণা ঘৰ-দুৱাৰবিলাকৰ দুৰৱস্থা মই নিতৌ দেখিবলৈ পাইছিলো। গুৱাহাটীতে এই অৱস্থা যেতিয়া আন ঠাইৰ স্কুল-হাইস্কুলবিলাকৰ অৱস্থা সহজেই অনুমান কৰিব পৰা যায়। গুৱাহাটীত ষ্টেডিয়াম হ'ল, চুইমিং পুল হ'ল কিন্তু স্কুল-হাইস্কুলবিলাকৰ ল'ৰা-ছোৱালীহঁতে হাত ভৰি টঙাবলৈ বা খেলাধূলা কৰিবলৈ মুকলি ঠাই এডোখৰ পাবলৈ নোহোৱা হ'ল। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীবীৰেন বৰকটকী ডাঙৰীয়াৰ মতে,

"অসমত ডেস্ক-বেঞ্চ নোহোৱা, ঘৰৰ ভিতৰৰ পৰা আকাশ দেখা, বৰষুণত বহিব নোৱাৰি ছুটি দিব লগা ঘৰবে কণ কণ ল'ৰা ছোৱালীক প্ৰকৃত নাগৰিক কৰি গঢ়ি তোলাৰ প্ৰথম জ্ঞানৰ খলি প্ৰাথমিক বিদ্যালয় অকল এঠাইতে নহয় অসমৰ বহুত ঠাইত এতিয়াও আছে।"

*(অগ্ৰদূত, ২৬ জুন ১৯৮৫)*

বহু শিক্ষক, অভিভাৱক আৰু শিক্ষা-বিভাগৰ বিষয়াৰ পৰা মই জানিব পাৰিলো যে আজিকালি স্কুলবিলাকৰ বহু শিক্ষকবে শিক্ষকতা কৰিবলৈ প্ৰয়োজনীয় অৰ্হতা, মানসিকতা, চৰিত্ৰ বা প্ৰশিক্ষণ নাই। এনে হোৱাৰ কাৰণে সকলোৱে স্কুলৰ ডি-আই, স্কুলৰ ইন্সপেক্টৰ, কেইগৰাকীমান ডি-পি-আই, এ-ডি-পি-আই আৰু আগৰ এম-এল-এ সকলকে দোষ দিয়ে।

"যোৱা বছৰৰ আগ ভাগত শিক্ষাধিকাৰৰ কাৰ্যালয়ে এক বুজন সংখ্যক বিষয়-শিক্ষকক নিয়োগ কৰোতে শিক্ষাগত অৰ্হতা বা যোগ্যতা নোচোৱাকৈ মন্ত্ৰী বিধায়ক আৰু অন্যান্য ন্যস্ত স্বাৰ্থৰ হেঁচাত যাকে তাকে বাচনি কৰে বুলি অভিযোগ উঠিছে। শতকৰা ৫৫ ভাগ নম্বৰ পাওঁতা প্ৰাৰ্থীকো বঞ্চিত কৰি শতকৰা ৪৫ নিৰিখত নম্বৰ পোৱা প্ৰাৰ্থীয়েও ৰাজনৈতিক হেঁচা আৰু অন্যান্য উপায় প্ৰয়োগ কৰি নিযুক্তি লাভ কৰে বুলিও অভিযোগ উঠিছে। এটা সময়ত সেই নিযুক্তি ক্ষেত্ৰত অনিয়মে এনে হাস্যকৰ পৰ্যায় পালেগৈ যে একেখন বিদ্যালয়ৰে একেটা পদৰ বিপৰীতে এজনতকৈও অধিক প্ৰাৰ্থীক নিয়োগ কৰাও দেখা গ'ল। নিযুক্তিৰ ক্ষেত্ৰত মন্ত্ৰী, বিধায়ক, ইন্দিৰা কংগ্ৰেছী আৰু শিক্ষাধিকাৰৰ কাৰ্যালয়ত কাম কৰি থকা বিষয়া-কৰ্মচাৰীৰ সম্পৰ্কীয়লোকে আৰু এই সকলৰ অনুমোদিত লোকেহে সুবিধা পায়।"

*(অগ্ৰদূত, ২ অক্টোবৰ, ১৯৮৫)*

ওপৰৰ বাতৰিটোত কেৱল হিতেশ্বৰ শইকীয়া মন্ত্ৰীসভা আৰু সেই সময়ৰ বিধায়কসকলৰ কাণ্ডবিলাকৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে যদিও তেনে কুকৰ্ম তাৰ আগৰে পৰাও কম বেছি পৰিমাণে যে চলি আহিছে তাত সন্দেহ নাই। আগৰ এম-এল-এসকলে হেনো স্কুলৰ শিক্ষক নালাগে পিয়ন চকীদাৰ নিয়োগৰ ক্ষেত্ৰতো অযথা হস্তক্ষেপ কৰিছিল। এজন বিষয়াৰ মতে আগৰ এম-এল-এ কোনো কোনোৱে এনে লোককো শিক্ষক নিয়োগ কৰাইছিল যি স্কুললৈকে নাযায় আৰু তেওঁলোকৰ কামখিনি আনলোকৰ হতুৱাই কৰাই বা নকৰোৱাকৈ দৰমহা লৈ আছে। সেইদৰে ডি-আই, ইন্সপেক্টৰ আদি বিষয়াসকলে কেৱল যে টকা লৈয়ে শিক্ষক নিযুক্ত দিয়ে এনে নহয় স্কুলৰ ঘৰ-দুৱাৰ মেৰামতি কৰা, সা-সৰঞ্জাম আদিৰ ধন যিমান পাৰে আত্মসাৎ কৰে। শিক্ষাবিভাগৰ দুৰ্নীতিৰ কথা সকলোৰে মুখে মুখে যদিও এই বিষয়ে নিজে প্ৰত্যক্ষ ভাবে জানিবলৈ পোৱা দুই এটা ঘটনা উল্লেখ কৰা উচিত হ'ব।

এদিন এজন ডি-আইয়ে গুৱাহাটীৰ ঘৰ এটা দুই লাখ টকাত কিনিবলৈ ৰাজি হৈছিল কিন্তু তেওঁ অনুৰোধ কৰিছিল যেন সেই ঘৰটোৰ দাম বহুত কম কৰি লিখা হয়। কথাটো জানিব পাৰি মই আচৰিত হ'লো যে কেইবছৰমান -আই হৈয়েই এজন লোকে কেনেকৈ লাখ লাখ টকাৰ অধিকাৰী হ'ব পাৰিলে কাৰণ আগৰ বহু ডি-আই, ডি-পি-আই দেখিছো কিন্তু তেওঁলোকে তেনে ধৰণেৰে ধনৰ গৰাকী হোৱা দেখা নাই। উদাহৰণ স্বৰূপে স্বৰ্গীয় উমাকান্ত গোস্বামীকে চাওক - তেখেতে আজীৱন শিক্ষাবিভাগত চাকৰি কৰি শেষত ডি-পি-আইও হৈছিল আৰু অৱসৰ পোৱাৰ পিছত ধাৰ ঋণ কৰি চেনীকুঠীত অসম টাইপৰ তিনিটা কোঠাৰ ঘৰ এটাহে কোনোমতে সজাব পাৰিছিল অথচ তেখেতে গোটেই জীৱন অতি অনাড়ম্বৰ ভাবে কটাইছিল। সেয়েহে আজিৰ বহু ডি-আই, ডি-পি-আই আদি শিক্ষা বিভাগৰ বিষয়াৰ লাস বিলাস ঐশ্বৰ্য বিভূতি দেখি তেওঁলোকেনো কেনেকৈ ইমান ধন ঘটে তাৰ পম খেদি জানিব পাৰিলো যে নিযুক্তি দিয়াৰ সময়ত লোৱা ধনৰ উপৰিও

মাহেকীয়া দৰমহাখিনি দিওঁতেও প্ৰত্যেক শিক্ষক পিয়ন আদিৰ পৰা দুই এটকাকৈ বৰঙনি লয়। তদুপৰি ছাত্ৰৰ বৃত্তিৰ টকা, স্কুলৰ ঘৰ নিৰ্মাণ বা মেৰামতিৰ টকা বা আন অনুদানৰ টকাও আছে। তেওঁলোক কিমান তললৈ নামিব পাৰে তাৰ এটা ঘটনা স্বয়ং শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীৰ মুখে শুনিলো -

এজন শিক্ষকৰ আজি প্ৰায় পাঁচ বছৰ আগেয়ে মৃত্যু হয়। তেওঁৰ বিধবা পত্নীয়ে শিক্ষাবিভাগৰ যোগেদি পাব লগা জীৱন বীমাৰ বিচ হেজাৰ টকা কিন্তু তেওঁ পাঁচ বছৰেও যুজি যুজি উলিয়াব পৰা নাই কাৰণ বিষয়াসকলে তাৰে পাঁচ হেজাৰ টকা কমিছন ৰূপে ৰাখিবলৈ বিচাৰে। চাবিটা ল'ৰা-ছোৱালীক অকলে ডাঙৰ কৰিব লগীয়া হোৱা এগৰাকী বিধবাৰ প্ৰতি এনে নিৰ্মম ব্যৱহাৰ যি দেশৰ শিক্ষাবিভাগে সহ্য কৰিব পাৰে সেই দেশৰ নৈতিক চৰিত্ৰ কিমান তললৈ নামিছে তাক সহজেই অনুমান কৰিব পাৰি। অথচ আমাৰ দেশৰ আইন আৰু শাসন পদ্ধতিত ইমান কেৰোণ যে এনে দুষ্কাৰ্যত লিপ্ত লোকক বিচাৰি উলিওৱা কঠিন আৰু বিচাৰি পালেও তেওঁলোকক যথাবিহিত শাস্তি দিয়া আৰু কঠিন। মই দিছপুৰত শুনা (শিক্ষামন্ত্ৰীৰ পৰা নহয়) আন এটা কাহিনীৰ মতে শিক্ষাবিভাগৰ এজন বিষয়াই হেনো আগেয়ে এবাৰ বৰ্ত্তমানৰ শিক্ষামন্ত্ৰীৰ ককায়েকৰ পৰাই কিবা আজুহাতত টকা খাইছিল কিন্তু সেই বিষয়া গৰাকীক বদলি কৰি আন এটা বিভাগলৈ পঠিওৱাৰ বাদে আন শাস্তি দিবলৈ শিক্ষামন্ত্ৰীৰে কোনো উপায় নাই। দিছপুৰতে মই শুনা আন এটা মজাৰ কাহিনী এয়েই যে আগেয়ে ধন আত্মসাৎ কৰি হেঁপাহ নপলোৱা এজন আগৰ উচ্চবিষয়াই কিবা অনুদানৰ ৬৫ হেজাৰ টকা আত্মসাৎ কৰিবলৈ ইমান উঠি পৰি লাগিছিল যে তেওঁ সকলোৰে হাঁহিৰ পাত্ৰ হৈছিল। তেওঁ কিন্তু নিলাজ ভাবে টকাখিনি উলিয়াবলৈ নানা চল চলাই আছিল কাৰণ সেইখিনি উলিয়াব পাৰিলে তাৰ বেছি ভাগেই তেওঁ নিজৰ কৰাত কোনো বাধা নাথাকিব।

মুঠৰ ওপৰত এনেকুৱা বিষয়াসকলৰ অধীনত শিক্ষা বিভাগটো কেনে চৰিত্ৰহীন হৈছে আৰু তেওঁলোকৰ অধীনত থকা স্কুলবিলাকৰ (ঘোইকৈ অসমীয়া মাধ্যমৰ) কিমান অধোন্নতি ঘটিছে সেইটো স্পষ্ট। সেয়েহে সেইবিলাক স্কুলৰ শিক্ষাত যিসকলৰ আস্থা নাই তেওঁলোকক আমি দোষোঁ কেনেকৈ? আটাইতকৈ দুখৰ কথা এয়েই যে শিক্ষাবিভাগৰ আৰু তাৰ লগত জড়িত আন আন বিভাগৰ সৰু ডাঙৰ বিষয়াসকলে নিজৰ ল'ৰা-ছোৱালীক নিজৰ তত্ত্বাৱধানত থকা স্কুল হাইস্কুলত নপঢ়ুৱাই ইংৰাজী মাধ্যমৰ বা আন স্কুলতহে পঢ়ুৱায় - নিজৰ তত্ত্বাৱধানত থকা স্কুল-হাইস্কুলবিলাকৰ প্ৰতি তেওঁলোকৰ চৰম অৱহেলাৰ হয়তো ইয়েই ভাল নিদৰ্শন। অসম চৰ্কাৰৰ সকলো কৰ্মচাৰী বা বিষয়াৰ ল'ৰা-ছোৱালীয়ে চৰ্কাৰী বা চৰ্কাৰী সহায় পোৱা স্কুল-হাইস্কুলত পঢ়াটো বাধ্যতামূলক নকৰিলে যে এই অৱহেলাৰ অন্ত পৰিব আৰু এই স্কুলবিলাকৰ কিবা উন্নতি হ'ব তাৰ আশা নাই। আমাৰ নতুন চৰ্কাৰে এনে এখন আইন অতি সোনকালেই প্ৰৱৰ্ত্তন কৰিব বুলি মই আশা কৰিলো। এনে

আইন যাত্ৰীবাহী বিমানৰ পাইলটক পেৰাছুট ৰাখিবলৈ নিদিয়াৰ নিচিনাই যুক্তি-সংগত কিয়নো লগত যদি পেৰাছুট থাকে আৰু উৰি থাকোতে বিমানৰ কিবা আঁসোৱাহ ঘটে তেনেহলে পাইলটে বিমানখন আৰু যাত্ৰীসকলক বচাবলৈ নিজৰ সকলো শক্তি প্ৰয়োগ কৰাতকৈ পেৰাছুটেৰে নিজৰ প্ৰাণ বচাবলৈ চেষ্টা কৰাটোহে স্বাভাৱিক। আমাৰ চৰ্কাৰী বিষয়াসকলক কিন্তু ইংৰাজী মাধ্যমৰ পেৰাছুটেৰে নিজৰ পৰিত্ৰাণ(?) কৰি সাধাৰণ ৰাইজৰ ল'ৰা-ছোৱালীৰ শিক্ষাত মাধমাৰ সোধাবলৈ সকলো সুবিধাহে দিয়া হৈছে।

## কেন্দ্ৰীয় পৰীক্ষাত ইংৰাজী মাধ্যমে সহায় কৰে নে ?

বহুতে কয় যে আই-এ-এছ, আই-পি-এছ আদি কেন্দ্ৰীয় প্ৰতিযোগীতামূলক পৰীক্ষাবিলাকত হেনো ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰসকলে বেছি সহজে কৃতকাৰ্যতা লাভ কৰে। এই কথা যে সম্পূৰ্ণ ভিত্তিহীন তাক অসমৰ আই-এ-এছ, আই-পি-এছ বিষয়াসকলৰ ওপৰত দৃষ্টিপাত কৰিলেই উপলব্ধি কৰিব পাৰি। মই জনাত অসমৰ পৰা কেন্দ্ৰীয় প্ৰতিযোগীতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ আই-এ-এছ পোৱাসকলৰ দুই এজনৰ বাদে প্ৰায় সকলোৱেই অসমীয়া মাধ্যমত পঢ়া লোক। উদাহৰণ স্বৰূপে কওঁ শ্ৰীঅচ্যুত শইকীয়া, শ্ৰীহৰেন দাস, শ্ৰীবৰদা শৰ্মা, শ্ৰীমদন বেজবৰুৱা, শ্ৰীঅশোক শইকীয়া, শ্ৰীপ্ৰণব বৰা, শ্ৰীজ্যোতিপ্ৰসাদ ৰাজখোৱা, শ্ৰীপি শৰ্মা, শ্ৰীচি-কে দাস আটাই কেইজনেই অসমীয়া মাধ্যমত শিক্ষা পোৱা লোক। তেওঁলোকৰ দিনতো অসমত ইংৰাজী মাধ্যমৰ স্কুল আছিল আৰু তাত ভাল ভাল মানুহৰ লৰা ছোৱালী পঢ়িছিল। এইটোও মন কৰিব লগীয়া কথা যে এওঁলোকৰ বেছি ভাগেই কিন্তু নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলতহে পঢ়ুৱাইছে - তেওঁলোকে কি কাৰণে তেনে কৰিছে সেই বিষয়ে হয়তো তেওঁলোকেহে বিশদ ভাবে বুজাব পাৰিব। কিন্তু, এই কথা মই বিনা দ্বিধাই ভৱিষ্যত বাণী কৰিব পাৰোঁ যে তেওঁলোকৰ ইংৰাজী মাধ্যমত পঢ়া পুতেকহঁতৰ মাজৰ পৰা এনে এজন ওলোৱা টান আছে যি দেউতাকৰ দৰে আই-এ-এছ পৰীক্ষাত কৃতিত্ব লাভ কৰিব নাইবা তেওঁলোকৰ ইংৰাজী মাধ্যমত পঢ়া জীয়ৰীহঁতেও মাকহঁতৰ দৰে আই-এ-এছ বিষয়া পাকৰাও বা আকৰ্ষণ কৰিব পৰা শিক্ষা-গুণ-কৌশল আদি যে আহৰণ কৰিব পাৰিব সি সন্দেহজনক। মোক ভুল নুবুজিব - সেই ল'ৰা ছোৱালীবিলাকৰ প্ৰতি মোৰ মৰম আৰু শুভ ইচ্ছা নোহোৱা নহয়। মই তেওঁলোকৰ বিপক্ষে কোৱা নাই, গণনাহে তেওঁলোকৰ বিপক্ষে আছে।

অসমীয়া আই-পি-এছ বা আন কেন্দ্ৰীয় বিষয়াৰ ক্ষেত্ৰতো একেবিলাক কথাই দেখা যায় - অৰ্থাৎ তেওঁলোকৰ বেছিভাগেই অসমীয়া মাধ্যমত পঢ়া আৰু ইংৰাজী মাধ্যমত পঢ়া তেওঁলোকৰ ল'ৰা-ছোৱালী নিজৰ নিজৰ দেউতাকৰ দৰে কৃতী হ'ব পৰাটো বা মাকহঁতৰ দৰে পতি-পাকৰাওত সফল হ'ব পৰাটো

সন্দেহজনক। মই যদি মিছা কৈছো বুলি ভাবিছে তেনেহলে তলত নাম দিয়া আই-পি-এছ বা কেন্দ্ৰীয় বিষয়াসকলৰ বিষয়ে অনুসন্ধান কৰিব পাৰে শ্ৰীমিহিৰ বৰুৱা, শ্ৰীবৰদা শৰ্মা, শ্ৰীজ্ঞানেন শৰ্মা পাঠক, শ্ৰীহিৰণ্য ভট্টাচাৰ্য, শ্ৰীদিলীপ দাস, স্বৰ্গীয় প্ৰদীপ মহন্ত, শ্ৰীদৰ্পকুমাৰ বৰা, শ্ৰীতাৰাপদ চক্ৰৱৰ্ত্তী, শ্ৰীৰাজেন বৰা আদি।

## ডাক্তৰ-ইঞ্জিনীয়াৰ-বৈজ্ঞানিক

এতিয়া আহোঁ ডাক্তৰ, ইঞ্জিনীয়াৰ, বৈজ্ঞানিক আদি সকলৰ বিষয়ে। এই ক্ষেত্ৰত আন্তৰ্জাতিক খ্যাতি অৰ্জা বুলি নিজে নিজৰ ঢোল কোবোৱাসকলৰ বাদে যথাৰ্থতে আন্তৰ্জাতিক খ্যাতি লাভ কৰা অসমীয়া আঙুলিৰ মূৰত লিখিবলৈকো নাই বুলিবই পাৰি। তথাপি বহু অসমীয়াই বৰপুখুৰীকে সাগৰ বুলি ভবা মানসিকতা চেৰাই গৈ নিজৰ শ্ৰম আৰু কামৰ যোগেদি বিদেশতো সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে আৰু সসন্মানে অসমৰ বাহিৰত সংস্থান পাবলৈ সমৰ্থ হৈছে। এইসকলৰ ভিতৰতো শতকৰা ৯৬ জনেই অসমীয়া মাধ্যমত শিক্ষা পোৱা লোক আৰু এওঁলোকৰ কোনেও ইংৰাজী মাধ্যমত শিক্ষা নোপোৱাটো তেওঁলোকৰ জীৱনৰ হেঙাৰ বুলি নাভাবে। এইখিনিতে দুটা কথা স্পষ্ট কৰি দিয়া ভাল হ'ব - প্ৰথমেই, জ্ঞানৰ কোনো ভাষা নাই আৰু দ্বিতীয়তে, এইটো সচা যে আধুনিক বিজ্ঞানৰ জ্ঞান অৰ্জন কৰিবলৈ ইংৰাজী ভাষাৰ জ্ঞান বিশেষ প্ৰয়োজন কিন্তু অসমীয়া মাধ্যমত পঢ়া আৰু জ্ঞান অৰ্জন কৰিবলৈ সক্ষম আৰু হাবিয়াস কৰা এজনৰ কাৰণে ইংৰাজী ভাষাৰ সেই জ্ঞানখিনি আহৰণ কৰাটো অতি সহজ। ৰাছিয়া, জাপান, ফৰাছী, ৰুমানিয়া আদি দেশৰ ডাঙৰ ডাঙৰ বৈজ্ঞানিক, ডাক্তৰ, ইঞ্জিনীয়াৰ আদিয়েও নিজৰ নিজৰ মাতৃভাষাতে নিজৰ জ্ঞান আহৰণ কৰে আৰু পিছলৈ প্ৰয়োজন অনুসৰি ইংৰাজী ভাষাৰ জ্ঞান আহৰণ কৰে। আমাৰ বহু অসমীয়াই কিয় নিজকে এইবিলাক নিয়মৰ ব্যতিক্ৰম বুলি ভাবে তাক আমি বুজি নাপাওঁ - ভাষা আহৰণতকৈ জ্ঞান আহৰণহে আমাৰ লক্ষ্য হোৱা উচিত আৰু সেই জ্ঞান কেনেকৈ নিজৰ কৰিব পাৰোঁ তাৰহে উপায় আমি ভাবিব লাগে।

## আই-আই-টি

শেষত আই-আই-টি আদিৰ দৰে বাহিৰৰ ভাল কলেজবিলাকত পঢ়িবলৈ অসমীয়া মাধ্যমত পঢ়াসকলতকৈ ইংৰাজী মাধ্যমত পঢ়াসকলহে বেছি সুবিধা পায় বুলি দিয়া যুক্তিও গ্ৰহণযোগ্য নহয়। প্ৰথমেই আই-আই-টিত পঢ়িবলৈ সুবিধা পোৱা অসমীয়া ছাত্ৰৰ সংখ্যা তেনেই কম আৰু তেওঁলোকে যে নিজৰ যোগ্যতাৰ বলতহে সেইখিনি পাইছেগৈ শিক্ষাৰ মাধ্যমৰ কাৰণে নহয় সেইটো

তেওঁলোকৰ লগত আলাপ আলোচনা কৰিলেই বুজিব পাৰি। মোৰ ভাগিন এজনক আই-আই-টিত পঢ়িবলৈ বচা হৈছে - তেওঁ অৱশ্যে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়া। সেই কাৰণে বহুতেই ক'বলৈ বিচাৰে যে তেওঁ ইংৰাজী মাধ্যমত পঢ়া কাৰণেহে সেইখিনি সুবিধা পালে, মই কিন্তু আক্ষেপ কৰোঁ যে তেওঁ আমাৰ দৰে অসমীয়া মাধ্যমৰ স্কুলত পঢ়া হ'লে আৰু ভাল কৰিব পাৰিলেহেঁতেন। ইংৰাজী মাধ্যমৰ শিক্ষাই ছাত্ৰক আই-আই-টিলৈ ঠেলিব পৰাৰ গুণ থকা হ'লে মোৰ ভাগিনজনৰ লগত পঢ়া বা তেওঁৰ স্কুলৰ আন দুই চাৰিকো তালৈ ঠেলিব পাৰিব লাগিছিল।

সামৰণি

মুঠৰ ওপৰত মোৰ এইটো দৃঢ় বিশ্বাস যে অসমত ইংৰাজী মাধ্যমৰ শিক্ষাৰ যিবিলাক ব্যৱহাৰিক বা অন্তৰ্নিহিত গুণ প্ৰদৰ্শোৱা হয় সেইবিলাক সম্পূৰ্ণ ভিত্তিহীন। মোৰ ধাৰণা এয়েই যে সেইবিলাক প্ৰকাশ্য কাৰণহে - প্ৰকৃততে নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাৰ গুৰিতে আছে সমাজত এক সুবিধা-পোৱা শ্ৰেণী প্ৰতিষ্ঠা আৰু সংৰক্ষণ কৰাৰ মনোভাবহে - সাধাৰণ ৰাইজক অৱহেলা কৰি নিজে যিমান পাৰোঁ সুবিধা আৰু বিষয়-সুখ আহৰণ কৰোঁ তাৰ মানসিকতা। এই মানসিকতাই বৰ্তমান অসমীয়া মাধ্যমৰ স্কুলবিলাকৰ দুৰৱস্থাৰও কাৰণ - সেইবিলাক ভাল অৱস্থাত থাকিলে ইংৰাজী মাধ্যমৰ স্কুলত নিজৰ ল'ৰা ছোৱালী পঢ়াবলৈ যুক্তি এটা নাইকিয়া হোৱাৰ ভয়।

আনহাতে, ইংৰাজী মাধ্যমত পঢ়াৰ কুফলও বহুত আছে। উদাহৰণ স্বৰূপে কওঁ যে ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালী নিজৰ সমাজ আৰু সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু তেওঁলোকে সততে অসমৰ পৰা বাহিৰ হৈ মাক বাপেকৰ পৰা আঁতৰি যাবলৈ বিচৰা হয়। তেনে ল'ৰা-ছোৱালীয়ে অনা-অসমীয়াৰ লগত বৈবাহিক সম্বন্ধত আৱদ্ধ হোৱাৰ সম্ভাৱনাও বেছি। এইবিলাক হয়তো একো বেয়া কথা নহয়, কিন্তু, সাধৰণতে তেনে ল'ৰা-ছোৱালীৰ তেনে কাৰ্যৰ আঁৰপটত আছে এক বিৰাট সাংস্কৃতিক সংঘাত (এই সাংস্কৃতিক সংঘাতৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাটো মই 'মিছ গৌহাটী' লিখাৰ অন্যতম কাৰণ আছিল)। পিছলৈ নিজৰ চিনাকী বিচাৰি এনে ল'ৰা-ছোৱালীয়ে বিশেষ মানসিক কষ্ট ভুগাটো স্বাভাৱিক। তেওঁলোকে হয়তো ক'ৰবাত কেনিবা কেনেবাকৈ বা ভালদৰেই জীৱন অতিবাহিত কৰিবলৈ সক্ষম হয় কিন্তু তেওঁলোক সাধাৰণতে একোটা সংস্কৃতিবিহীন প্ৰাণীৰ দৰেই আহে আৰু যায় - নিজৰ সমাজ, নিজৰ পৰিয়াল (আনকি নিজৰ আই-বোপাইৰ) প্ৰতি কিবা দায়িত্ব পালন কৰিবলৈকো তেওঁলোক সম্পূৰ্ণ অনিচ্ছুক বা অপাৰগ হয়।

মুঠৰ ওপৰত, ইংৰাজী মাধ্যমৰ পৃষ্ঠপোষকতা কৰা সকলে কেৱল যে অসমৰ সাধাৰণ ৰাইজৰ ল'ৰা-ছোৱালীৰ শিক্ষা আৰু ভৱিষ্যতৰ ওপৰতে মাধমাৰ

সোধাইছে এনে নহয় তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰও মূৰ খাইছে আৰু নিজৰ ভৱিষ্যতৰ ওপৰতে বাগী কুঠাৰ মাৰিছে।

এই বিষয়ে ৰাইজে এটা নতুন আন্দোলন আৰম্ভ কৰা উচিত - নহলে অসমীয়াৰ ভৱিষ্যত বৰ বেয়া। মই অত্যুক্তি কৰা নাই। ভাবি চাওক, লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতি, সূৰ্য ভূঞা আদিৰ নাতি-পুতি সকলৰ বেছি ভাগেই অসমীয়াত লিখা-পঢ়া কৰিব নোৱাৰে। কনক লাল বৰুৱা, হেম বৰুৱা আদি আন বহুতৰে (জীয়াই থকাসকলৰ নাম ল'বলৈ ভয় কাৰণে তেওঁলোকৰ নাম নিদিলো) নাতি-পুতি নালাগে ল'ৰা-ছোৱালীয়েই সেই বাটে, অৰ্থাৎ অসমীয়াত লিখা-পঢ়া কৰিব নোৱাৰাৰ বাটে, সোমাইছে। যি ভাষাৰ কৰ্ণধাৰসকলৰ ক্ষেত্ৰতেই এনে অৱস্থা সেই জাতিৰ ভৱিষ্যতৰ বিষয়ে সন্দিহান নহৈ নোৱাৰি।

*[৪ মাৰ্চ, ১৯৮৭ৰ অগ্ৰদূতত প্ৰকাশিত]*

ৰাইজৰ মতামত (২২ মাৰ্চ ১৯৮৭ৰ অগ্ৰদূতৰ পৰা)

(১)

৪ মাৰ্চৰ অগ্ৰদূতত ডঃ দিলীপ কুমাৰ দত্তৰ উক্ত শীৰ্ষক প্ৰসংগটো পঢ়ি সচাকৈয়ে ভাল লাগিল। অসমীয়া জাতি হৈও আমি অসমীয়া ভাষাটোৰ প্ৰতি অৱহেলাৰ চকুৰে চাইছো। মোৰ বোধেৰে অসমীয়া মানুহৰ ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমত পঢ়াটো এটা ষ্টাইল, লগতে ই প্ৰতিযোগিতামূলক হৈ পৰিছে। অতিকৈ দুখৰ বিষয় এই যে কিছুমান নিম্নবেতন ভোগী তথা নিম্নবৃত্তিধাৰী অসমীয়া মানুহেও উচ্চ পৰ্য্যায়ৰ মানুহৰ লগত সমানে ফেৰ মাৰি ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত শিক্ষা দিয়া প্ৰতিযোগিতাত নামিছে।

যাৰ ফলত ল'ৰা-ছোৱালীক ইকুলো পঠাব নোৱাৰে সিকুলো পঠাব নোৱাৰে, মধ্যতে ল'ৰা-ছোৱালীৰ জীৱনটো ধ্বংস কৰে। নিজৰ মাতৃভাষাক বাদ দি পশ্চিমীয়া ভাষা এটাক সাবটি লোৱাটো প্ৰতিজন অসমীয়াৰ পক্ষে লজ্জাজনক। ইংৰাজী মাধ্যমত শিক্ষা দিয়া ল'ৰা ছোৱালীৰ মাক বিলাকে যথেষ্ট কষ্ট স্বীকাৰ কৰে। উদাহৰন স্বৰূপে ৭ বজাত স্কুললৈ নিয়া আৰু দুপৰীয়া স্কুল ছুটীৰ আধা ঘন্টাৰ আগতে স্কুলৰ বাৰান্দাত হাজিৰ হোৱা । ই এটা দৈনন্দিন কাম। মুঠৰ ওপৰত ডঃ দত্তই কোৱাৰ দৰে এচামলোকে ইংৰাজী মাধ্যমৰ পৃষ্ঠপোষকতা কৰি অসমৰ জনসাধাৰনৰ ল'ৰা-ছোৱালীৰ শিক্ষা আৰু ভৱিষ্যতৰ ওপৰত মাধমাৰ সোধাইছে আৰু নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত অন্ধকাৰ কৰি পেলাইছে।

*[দীনেশ বৰ্মণ, নলবাৰী, উলুবাৰী সত্ৰ]*

(২)

আমিও ডঃ দত্তৰ সকিয়নিক শেষ আৰু চূড়ান্ত সকিয়নি বুলি ধৰি লৈ সকলো অসমবাসী ৰাইজক মাতৃভাষাৰ গুৰুত্ব বুজি, ইয়াক আয়ত্ব কৰাৰ লগতে বহুল ভাবে ব্যৱহাৰ কৰিবৰ বাবে মঞ্চপৰ হবলৈ আহবান জনাওঁ। বিশেষকৈ অসমীয়া ভাষাৰ ঐতিহ্যৰ ধ্বজাবাহক ৰূপে নিজকে জাহিৰ কৰা অসমীয়া বাতৰি কাকত কেইখনে, অসমীয়া মন্ত্ৰীসকলে 'উপদেশতকৈ আৰ্হি ভাল কথাষাৰৰ' তাৎপৰ্য গুৰুত্ব সহকাৰে গ্ৰহণ কৰি অসমীয়া ভাষাটোক সুন্দৰ সঠিক আৰু শুদ্ধকৈ ব্যৱহাৰ কৰিবৰ বাবে অনুৰোধ জনাওঁ। ইয়াৰোপৰি অসমীয়া মন্ত্ৰী, বিধায়ক সকলে অসমীয়া আবেদন পত্ৰত ইংৰাজীত দিয়া টোকা, আদেশ আদি, নিজৰ ভ্ৰমণ কাৰ্যসুচী অসমীয়া বিষয়াবৰ্গলৈ ইংৰাজী মাধ্যমত পঠোৱা দেখিলে হাঁহি উঠাৰ লগতে ক্ষোভ জন্মে। সেয়ে এনে বোৰ অভ্যাস এৰিবৰ সময় কেতিয়াবাই পাৰ হৈ গল।

*[বুলবুল আহমেদ, শিৱসাগৰ]*

(৩)

সচাকৈয়ে আজি অসমৰ শিক্ষা বিভাগৰ কাৰ্যালয় বিলাক ইমান দুৰ্নীতিৰে ভৰি পৰিছে যে তাক ভুক্তভোগীৰ বাহিৰে আনে বিশ্বাস কৰিবলৈ টান পায়। শিক্ষা বিভাগৰ কাৰ্যালয়ত বিশেষকৈ শিক্ষক সকলেই যায়। কিবা এটা সৰু সুৰা কামৰ বাবেও দুই চাৰি টকা বৰগুণি নিদিয়াকৈ কাম ফেৰা হৈ নুঠে। যদি টকা নিদিয়াকৈ উক্ত কামৰ বাবে আমোলা বিষয়াৰ ওচৰত লাগি থকা হয়। তেন্তে তেওলোকৰ পৰা টান কথা বা বেয়া ব্যৱহাৰ পাব লগাও হয়। শিক্ষক সমাজৰ প্ৰতি তেনে চৰম অপমান কিয় বাৰু? বৰ্ত্তমান যুগত টকা খোৱা বা লোৱাটো এটা ফেছনত পৰিণত হৈছে। এনে দুৰ্নীতি ৰোধ কৰিবলৈ চৰ্কাৰ শিক্ষক সমাজ ছাত্ৰ তথা শিক্ষিত ডেকাচাম আগবাঢ়ি আহক।

*[সুভাষ চন্দ্ৰ বসুমতাৰী, পুখুৰীপাৰা, লক্ষীপুৰ]*

(৪)

ডঃ দত্তই প্ৰবন্ধটোৰ মাজত প্ৰত্যক্ষ উদাহৰণ সহ অসমৰ শিক্ষা বিভাগটোক চৰিত্ৰহীন আখ্যা দিয়াটো এটা উল্লেখনীয় বিষয় হৈ পৰিছে। আমাৰ বোধেৰেও শিক্ষা বিভাগৰ চৰিত্ৰ নীতিয়ে শিক্ষাৰ মুল সুতিটোকে পংগু কৰি পেলোৱাৰ উপক্ৰম কৰিছে। আকৌ ডঃ দত্তই প্ৰবন্ধটোত উল্লেখ কৰা বহুটো অসমীয়া লোকে নিজে অসমীয়া মাধ্যমত শিক্ষা লাভ কৰি চৰ্কাৰৰ উচ্চ প্ৰশাসনিক বিষয়া হোৱাৰ পিছত নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত শিক্ষা দিয়াৰ বাবে ঢাপলি মেলিছে বোলা কথা সাৰ সম্পুৰ্ণ সত্য। আমাৰ বোধেৰে এই সকল লোকে অসমীয়া সত্বাটোৰ ওপৰত আঘাত হানিছে। আমি আশা কৰো যি সকল লোকে নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমেৰে শিক্ষা দি ডাঙৰ মানুহ কৰাৰ সপোন দেখিছে আৰু বহল অসমীয়া সমাজ খনৰ মাজত এটা সুকীয়া শ্ৰেণী গঠন কৰাৰ অভিলাষ কৰিছে, তেওঁলোকৰ চকু মেল খাব।

নিজৰ ল'ৰা ছোৱালীক অসমীয়া সমাজৰ মূল খুঁটিটোৰ পৰা আঁতৰাই নিয়াৰ অভিলাষ পৰিহাৰ কৰি অসমীয়া সমাজ গঠনৰ লগত মিলি থকাত অনুপ্ৰেৰণা যোগাব।

*[পঙ্কজ কুমাৰ মিশ্ৰ, শিলং, বিষ্ণুপুৰ-৪, মেঘালয়]*

(৫)

সময়োপযোগী লিখনীয়ে বহু সময়ত বহুলোকক সচেতন কৰি দিয়ে। কিন্তু আমাৰ অতিকৈ মৰমৰ জনপ্ৰিয় চৰ্কাৰক সচেতন কৰেনে নকৰে সেইটোহে কোৱা টান। কিয়নো লেখকৰ লিখনীত প্ৰকাশ পোৱা বিষয় বোৰ আৰু ডি-পি-আই অফিচৰ অতিকৈ সত্য কাহিনীবোৰৰ পৰা এইটো থিৰাং কৰিব পাৰি যে আমাৰ বৰ্ত্তমান চৰ্কাৰ এই দুনীতিবোৰৰ প্ৰতি সচেতন নহলেও একেবাৰে অচেতন নহয়। লেখকৰ দৰেই বহুতো লোক আছে যি সকলে এই দুনীতিবোৰৰ অসহ্য যন্ত্ৰণা সহ্য আৰু উপলব্ধি কৰাৰ বাহিৰে অন্য একো উপায় তেওঁলোকৰ নাই আৰু উপায় নাই এই দুনীতিবোৰৰ বিষয়ে লিখি ৰাইজৰ আগত অৱগত কৰাৰ। গতিকে বহুদিনৰ পৰাই ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ চাহিদাৰ কথা আৰু ডি-পি-আই, অফিচৰ দুনীতি বোৰৰ কথা দেখি শুনিও নীৰৱ দৰ্শক হৈ ৰহি থকাৰ বাহিৰে একো কৰিবৰ উপায় নাছিল।

আমাৰ জনপ্ৰিয় চৰ্কাৰলৈ কৰযোৰে অনুৰোধ জনাওঁ যাতে সাধাৰন ৰাইজৰ সুবিধাৰ্থে এই দুনীতিবোৰৰ প্ৰতি চোকা ব্যৱস্থা লয়।

*[নবীন বৰুৱা, গুৱাহাটী শিলিগুৰি প্ৰদাক্ট পাইপলাইন, নুনমাটি]*

(৬)

আজি কালি ইংৰাজী মাধ্যমৰ স্কুল বিলাকত ল'ৰা ছোৱালী পঢ়াবৰ কাৰণে মানুহ বিলাক যি দৰে উঠি পৰি লাগিছে তালৈ চাই অসমীয়া মাধ্যমৰ স্কুল বিলাকৰ অৱস্থা আৰু শোচনীয় হব যেন লাগিছে। ল'ৰা ছোৱালীয়ে ইংৰাজী শব্দৰ উচ্চাৰণ লাগিলে ভুলকৈ কৰক তথাপি আলহি আহিলে ল'ৰাৰ হতুৱাই ইংৰাজী কবিতা শোৱাই সন্তুষ্টি লভে। ইয়াৰ উপৰিও উচ্চ পৰ্যায়ৰ অসমীয়া মাধ্যমৰ স্কুল শিক্ষক কিছুমানে নিজৰ ল'ৰা ছোৱালী ইংৰাজী মাধ্যমৰ স্কুলত পঢ়াই নিজে কিমান আন্তৰিকতাৰে স্কুলত শিক্ষা দান কৰে তাকে ভাবি আমাৰ চিন্তা হয়।

*[চিনু বৰা, নাম-ৰূপ সাৰনগৰী, নামৰূপ]*

(৭)

নিজৰ ভাষা-সংস্কৃতিৰ স্বকীয়তা ৰক্ষা কৰিব নোৱাৰাটো সেই জাতিৰ এটা অৱলক্ষণহে মাথো। জ্ঞানৰ কোনো ভাষা নাই। পানীক যি পাত্ৰত ৰখা হয় সি তাৰে আকাৰ লয়। গতিকে ইয়াত মাধ্যমৰ বিশৃংখলতাৰ ভাৱাদৰ্শ পৰাপক্ষত নহাই উচিত। কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায়, তথাকথিত ভাষা-সংস্কৃতিৰ সাধকসকলেও ইয়াৰ বিপৰীত সোঁতত ভাহি যায়। সম্ভৱ ইয়েই ৰীতি। মুঠতে

নিৰপেক্ষ দৃষ্টিত উনুকিয়াৰ বিচাৰিছো যে বোকাৰটো এৰি কোলাৰটোলৈ প্ৰয়াস কৰিলে তাৰ পৰিণতি সু-সংগত নহয়।

[দুলিন ফুকন, চাবুৱা]

(৮)

শিক্ষাবিদ ডঃ দিলীপ কুমাৰ দত্তই ইংৰাজী মাধ্যমৰ স্কুল সমূহে অসমীয়া ভাষাসাহিত্যৰ ওপৰত কি সাংঘাতিক প্ৰভাৱ পেলাব পাৰে তাক বিশ্লেষণ কৰি অসমবাসীক সকীয়াই দিয়াটো উচিত হৈছে। অনা-অসমীয়া মাধ্যমৰ স্কুল সমূহ যেনেকৈ অসমীয়া ভাষাৰ উন্নতিত বাধাৰ সৃষ্টি কৰিব পাৰে তেনেকৈয়ে ইংৰাজী মাধ্যমৰ স্কুল সমূহো প্ৰতিবন্ধক হব পাৰে। অথচ অসমীয়া ভাষা ভাষী একশ্ৰেণী লোকেই ইয়াৰ প্ৰসাৰত অবিহণা যোগাই আছিছে। ইংৰাজী মাধ্যমত শিক্ষা দিয়াটো এটা অভিজাত্যৰ নিদৰ্শন ৰূপে পৰিগণিত হৈ পৰিছে। পিছে এই আভিজাত্যৰ মানসিকতাই এখন সামাজ বাদী ৰাষ্ট্ৰ নিৰ্মাণত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে।

[যোগেন শৰ্মা, দাধৰা]

(৯)

বৃটিচৰ শাসন কালত খৃষ্টান মিছনেৰী সকলে অসমীয়া মানুহে নিজৰ ভাষাত শিক্ষা লাভ কৰিব পৰাকৈ অশেষ কষ্টেৰে অসমীয়া ভাষাক এক সুকীয়া মৰ্যদা দি গ'ল। তাৰ পিছত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী,আদি অসমীয়া ভাষা সাহিত্যৰ কৰ্ণধাৰ সকলে জীৱন পণ কৰিলে অসমীয়া ভাষাৰ উন্নতিৰ বাবে। অসমীয়াক ৰাজ্যিক ভাষা কৰিবলৈ বহু অসমীয়া চহিদ হল। এইবোৰ দেখি ভাব হয় আন্দোলনত ভাগ লোৱা সকলে কেৱল নিজৰ স্বাৰ্থ পুৰণৰ বাবেহে ৰাজ পথলৈ ওলাই আহি কৈছিল আমিও আন্দোলনকাৰী। এই আন্দোলনৰ তেজৰ দাগ মচ নেখাওতেই অসমীয়া বৰমুৰীয়াইঁতৰ ল'ৰা ছোৱালীয়ে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ি অসমীয়া পঢ়িব লিখিব নজনা হ'ল। অসমীয়া ভাষা সংস্কৃতিৰ বিষয়ে নজনা হ'ল।

ইংৰাজী স্কুলৰ পৰা পাছ কৰি কলেজত পঢ়া ছাত্ৰ ছাত্ৰীয়ে যদি জ্যোতি প্ৰসাদক মাৰোৱাৰী মানুহ আৰু গান লিখিছিল বুলি কয়- বিষ্ণু ৰাভাক এজন পয়েট বুলি কয়। তেনে অসমৰ বাবে অসমীয়াৰ বাবে ই লজ্জাজনক কথা নহয়নে? অসমীয়া জাতিয়ে অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ চলোৱা প্ৰচেষ্ঠাৰ ৰক্তাক্ত ইতিহাসক ইংলিছ মেডিয়ামৰ স্কুলবোৰে উপলুঙা কৰিছে।

[বিপুল শংকৰ দাস, তেজপুৰ]

(১০)

আজি কালি এনেকুৱা হৈ পৰিছে যে মাতৃভাষাতকৈ বিদেশী ভাষাত পাৰদৰ্শিতা প্ৰদৰ্শন কৰাটোহে আচল কৃতিত্বৰ কথা। এইসাৰ কথা উপলব্ধি কৰিয়েই বেছিভাগ লোকেই নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত

পঢ়ুৱাইছে। এতিয়া কথা হ'ল যদি এনেকুৱাই হৈ থাকে, তেতিয়া আমাৰ অসমীয়া ভাষা সাহিত্যৰ কিবা উন্নতি হবনে? বৰ্ত্তমান আমাৰ সমাজৰ বেচিভাগ লোকেই দাসত্বৰ মনোভাৱৰ দ্বাৰা বোগাক্ৰান্ত হৈ পৰিছে। অসমীয়া বিষয়টো গুৰুত্ব সহকাৰে অন্তঃকৰণেৰে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা বহুতেই অনুভৱ নকৰে । ক্ৰমে তেওঁলোকে ইংৰাজী শিক্ষাৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। আৰু যিয়ে যেনেকৈ পাৰে লোগিলে আগফালে ঢকুৱাৰ বেৰেই হওক) নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী স্কুলত নাম লগাই দিছে। এইটো অৱশ্যে সত্য অসমৰ অসমীয়া মাধ্যমৰ স্কুল বিলাকৰ অৱস্থা অতিকৈ দুখ লগা। এই ক্ষেত্ৰত যদি চৰ্কাৰে অধিক মনোনিবেশ দিয়ে তেতিয়া এই স্কুল বোৰৰ যথেষ্ট উন্নতি হ'ব বুলি ভাবিবৰ থল থাকে। তদুপৰি অনপযুক্ত অনভিজ্ঞ শিক্ষক সকলৰ বাবেই আমাৰ স্কুলবোৰত ছাত্ৰ-ছাত্ৰী সকল শিক্ষাৰ ক্ষেত্ৰত বহু পিচপৰি আছে। আচলতে আমাৰ বিদ্যালয়বোৰত শিক্ষক সকলে অন্তঃকৰনেৰে পাঠ দান নকৰে বুলি কলেও বঢ়াই কোৱা নহয়। চাবলৈ গলে অসমৰ শিক্ষা বিভাগটো দুৰ্নীতিৰে ভৰি আছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত ল'ৰা-ছোৱালী পঢ়ুক, সেইটো কৰলৈ যোৱা নাই, বৰ্ত্তমান অসমীয়া মাধ্যমৰ স্কুলবোৰৰ উন্নতিৰ প্ৰতি চকু দিব লাগিব। শিক্ষক সকলক ছাত্ৰ- ছাত্ৰীক শুদ্ধ ৰূপত অসমীয়া ভাষাত শিক্ষাদানৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰাপ্ত কৰি তুলিব লাগিব। আৰু যোগ্য শিক্ষক নিয়োগৰ ক্ষেত্ৰত চৰ্কাৰ তথা সচেতন মহল তৎপৰ হব লাগিব।

*[ডেইজী বেগম, দলগাওঁ]*

(১১)

ডঃ দত্তই নিষ্ঠুৰভাৱে অপ্ৰিয় সত্য কথা প্ৰকাশ কৰা বাবে বহুতো ডাঙৰ মানুহৰ অপ্ৰিয় হয় বুলি মোৰ সন্দেহ হৈছে। দত্তৰ লগতে সুৰ মিলাই ময়ো এটা আমোদ জনক লগতে সচা ঘটনা এটা প্ৰকাশ কৰিবলৈ মন গ'ল।

মই তেতিয়া কলেজীয়া ছাত্ৰ। ১৯৬৮-৬৯ চনৰ ঘটনা। মোৰ এজন বন্ধু(সহপাঠী) গুৱাহাটীৰ কলেজ এখনৰ আলোচনীৰ সম্পাদক। তেওঁ সম্পাদিত কৰা আলোচনী খনৰ কপি এটা তেওঁৰ বন্ধু তেতিয়াৰ প্ৰখ্যাত ৰাজনীতিবিদ হেম বৰুৱাৰ পুতেক অঞ্জন আৰু টুমনলৈ পঠিয়াই দিলে। কেইদিনমানৰ পিছত মোৰ সহপাঠী বন্ধুলৈ দিল্লীৰ পৰা এখন ধন্যবাদ সুচক চিঠি আহিল। চিঠিখনৰ সাৰমৰ্ম এনেকুৱা আছিল যে তেওঁলোকে আলোচনী খন পঢ়ি বৰ ভাল পাইছে। কিন্তু অসমীয়া ভাষা বৰ ভালদৰে পঢ়িব নেজানে বাবে অসমীয়া বিভাগটোৰ বিষয়ে লিখিবলৈ অক্ষম। তাৰ বাবে যেন বেয়া নেপায়। অৱশ্যে ইংৰাজী বিভাগটো মোটামোটি ভালেই হৈছে। উক্ত চিঠি খন ময়ো পঢ়িবলৈ পাইছিলো।

উল্লেখ কৰা নিষ্প্ৰয়োজন যে আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হেম বৰুৱা অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ উপৰিও অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ বাবে জীৱন ত্যাগ কৰা ব্যক্তি। কিন্তু পুতেকহঁতক বোধকৰো চাহাবী চঙত সজাই আই-এ-এছ বা তেনে জাতিয় জীৱন সজোৱাৰ সপোন

দেখিছিল। এই সত্য ঘটনাটোৰ বাবে যেন মোক হেম বৰুৱা প্ৰেমী সকলে ক্ষমা কৰে।

[অনিল শৰ্মা, লক্ষীনগৰ, গুৱাহাটী-৫]

(১২)

বৰ্তমান সময়ত অসমীয়া সমাজে অসমীয়া ভাষাৰ প্ৰতি কি ব্যৱস্থা লব লাগে তাক দুনাই কোৱাৰ প্ৰয়োজন নাই। কিন্তু আমি কাগজে পত্ৰে এই বিষয়ে লিখি থকাতকৈ হাতে কামে লাগি অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহ এনেদৰে গঢ়িব লাগে যাতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি অন্ধ হৈ থকা সকলৰ চকু মেল খায়, এই ক্ষেত্ৰত আমাৰ সমাজৰ স্বেচ্ছামূলক সংগঠন তথা অৱসৰ প্ৰাপ্ত শিক্ষক তথা কৰ্মচাৰী সকলে আগ ভাগ লব লাগে আৰু বৰ্ত্তমান চৰ্কাৰেও সকলো প্ৰকাৰে সাহায্য আগ বঢ়াব লাগে।

[মনোজ শইকীয়া, যোৰহাট-৬]

(১৩)

প্ৰত্যেক অসমীয়া বিদ্যালয়বোৰ যদি উন্নত হ'লহেঁতেন বৰ্তমানে গঢ় লৈ উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰৰ প্ৰতি ৰাইজৰ ধাউতি কেতিয়াও নেবাঢ়িল হেতেন। ডঃ দত্তই বিদেশত থাকিও অসমীয়া ভাষা সাহিত্য বিষয়ে আৰু ইয়াৰ উন্নতিৰ বাবে যেনেকৈ ভাবিছে প্ৰৱন্ধটোত উল্লেখিত আই-এ-এচ তথা আই-পি-এচ বিষয়া সকলেও যদি অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হকে অলপমান চিন্তা কৰিলে হেঁতেন তেনেহলে নিশ্চয় উপকাৰ হ'ল হেঁতেন। কিন্তু তেখেত সকলৰ তেনেকুৱা সুচিন্তা কৰাৰ বাবে আহৰি নাই নতুবা প্ৰয়োজন বোধ নকৰে। আজি কিছুদিনৰ আগতে শ্ৰীবিনয় চৌধুৰীয়েও তেনেকুৱা প্ৰৱন্ধ অগ্ৰদূতত লিখিছিল। কিন্তু বৰ দুখৰ বিষয় যে তেওঁৰ বিৰুদ্ধেও এগৰাকী পঢ়ুৱৈয়ে মাধমাৰ মাৰিলে। যিহেতু তেওঁৰ ল'ৰা-ছোৱালীও ইংৰাজী মাধ্যমৰ বিদ্যালয়তে পঢ়ে। এই বিলাকেই হ'ল অসমীয়া মানুহৰ নিদৰ্শন।

[কেশ ৰৰা, উলুবাৰী]

*একুৰি ন অধ্যায়*

# অসমীয়াৰ মাধমাৰ

এদিন ৰাতিপুৱা আমৰাৰীৰ ঘৰৰ পৰা কেনিবা যাবলৈ ওলাই আহি ওচৰতে থকা আৰু মই সৰুৰে পৰা পোৱা মোৰ ভাই যেন দীপ বৰুৱাইঁতৰ পদুলিমুখ পাওঁতেই দীপে 'দিলীপ দাদা অলপ ৰ'বচোন, বৰ দৰ্কাৰী কথা এটা আছে' বুলি দুতলাৰ ওপৰৰ পৰা মাত লগালে। মই পদুলিমুখতে ৰ'লো আৰু দীপে হাতত কিতাপ এখন লৈ দৌৰি আহিল। কিতাপখন ষষ্ঠ নে সপ্তম শ্ৰেণীত পঢ়া দীপৰ জীয়েকে স্কুলত পঢ়িব লগীয়া অসমীয়া ব্যাকৰণৰ পাঠ্যপুথি। দীপে কিতাপখনৰ পাত এটা মেলি মোক সুধিলে 'এই কেইটা কি আখৰ আৰু এইবিলাক কি কথা অলপ জুনজুনক বুজাই দিয়কচোন, তাইৰ আজি অসমীয়াৰ পৰীক্ষা, মই এইবিলাক একো ধৰিবই পৰা নাই'। কিতাপখন হাতত লৈ দেখোঁ তাত অসমীয়াত ব্যৱহাৰ নোহোৱা আখৰ কেইটামান আছে যি কেইটা দীপ বা মই ভালদৰে চিনি নাপাওঁ - তদুপৰি ব্যাকৰণখনত এনে কিছুমান নীতি নিয়মৰ কথা আছে যিবিলাকৰ অসমীয়া ভাষাৰ লগত কোনো সম্পৰ্ক থকা অনুচিত। দীপে ক'লে, 'আজিকালিৰ অসমীয়া কিতাপ বিলাক ইমান টান আমি একো বুজিয়েই নাপাওঁ, ল'ৰা-ছোৱালীক কি বুজাম?' ওপৰৰ পৰা দীপৰ জীয়েকে তেওঁৰ জোন যেন ধুনীয়া মুখখন ধাবাৰ শুকান বুটিৰ দৰে শুকানকৈ ওফোন্দাই ক'লে, 'মই আৰু অসমীয়া নপঢ়ো দেই ইমান টান নহলে অসমীয়াতে সদায় ফেল কৰিম'।

## আৰ্য হিন্দুসকলৰ কপটীয়া মনোভাব

দীপ আৰু জীয়েকৰ সমস্যা যে আজিৰ সকলো অসমীয়াৰে সমস্যা তাক উপলব্ধি কৰি মই হঠাৎ কৈ পেলালো, "এনেকুৱা ধৰণৰ পাঠ্যপুথি লিখা অসমীয়া পণ্ডিতবিলাকক সচাকৈয়ে নৰ্চা শূলত দিব লাগে। অসমীয়া ল'ৰা-ছোৱালী আৰু অসমীয়া ভাষাৰ ওপৰত তেওঁলোকে সচাকৈয়ে মাধমাৰ সোধাইছে।" মোৰ মনৰ দুখ যদি বুজিবলৈ বিচাৰিছে তেনেহলে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডে কণ কণ ল'ৰা-ছোৱালীৰ কাৰণে লিখা কুঁহিপাঠ (তৃতীয় ভাগ) এখনৰ ১১ পৃষ্ঠা মেলি পঢ়কচোন 'ইপ্সিত বস্তু পাবলৈ চেষ্টা কৰিবা, কিন্তু যাচ্ঞা নকৰিবা।' এইটো বাৰু অসমীয়া বাক্য নে? এইটো যদি অসমীয়া বাক্য তাক কেইজন অসমীয়াই প্ৰয়োগ কৰে বা বুজি পায়। আকৌ সেই একে পৃষ্ঠাতে লিখিছে 'কুজ্ঝটিকা মানে কুঁৱলি', - কোন অসমীয়াই বাৰু কুঁৱলিক কুজ্ঝটিকা বুলিলে বুজি পাব?

আঠ ন বছৰীয়া অসমীয়া ল'ৰা-ছোৱালীয়ে বাৰু এনেদৰে অসমীয়া ভাষা শিকিব পাৰিব নে বা তেওঁলোকৰ অসমীয়া ভাষা শিকিবলৈ আগ্ৰহ বাঢ়িব নে?

অসমীয়া ভাষা আৰু অসমীয়া পাঠ্যপুথিৰ আজিৰ দুখলগা অৱস্থাৰ প্ৰধান কাৰণ হৈছে এয়েই যে ১৮৭৩ চনত অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হোৱা দিনৰে পৰা এই ভাষাৰ ওপৰত সংস্কৃতৰ প্ৰভাব বঢ়াবলৈ আমাৰ বহু পণ্ডিতে জানি শুনি বা নভবা নিচিন্তাকৈ বিশেষ যত্ন কৰি আহিছে। তেওঁলোকে সংস্কৃত শব্দেৰে আমাৰ অভিধান ভৰাই পেলোৱাৰ উপৰিও সংস্কৃত ব্যাকৰণৰ একোডৰা আনি অসমীয়া ব্যাকৰণ বুজিব নোৱাৰা কৰি পেলাইছে। তাৰ ফলত অসমৰ ঘাইকৈ মংগোলীয় গোষ্ঠীৰ আৰু অহিন্দু লোকৰ কাৰণে অসমীয়া ভাষাটো কঠিনৰ পিছত কঠিন হৈ পৰিছে। ভাষাবিদ ডক্টৰ মৰলৰ মতেও,

> 'বৰ্তমানৰ অসমিয়া ভাষা সহজ সৰল অসমিয়া ভাষাতকৈ বহুতো আঁতৰি আহি বিভিন্ন জন গোষ্ঠী বা সৰল গাঁৱলিয়া, অৰুণাচল, নগাভূমিৰ লোকে বুজি নোপোৱা অতি জটিল সাহিত্যৰ ভাষাত পৰিণত হৈছে।'
>
> *('অসম চিন্তা', পঞ্চজ্যোতি প্ৰকাশ, গৌৰীনগৰ, গুৱাহাটী-৯, ১৯৮৭, পৃ ২৪)*

অসমীয়া ভাষাক এনেদৰে সংস্কৃত ভাষাৰ মেৰপাকত পেলোৱাৰ গুৰিতে অসম ৰাজ্যত আৰু অসমীয়া ভাষাৰ ওপৰত প্ৰতিপত্তি বঢ়াবলৈ অসমৰ আৰ্য হিন্দুসকলৰ এক কপটীয় মনোভাবৰ গোন্ধ পোৱা যায়। এইটো সচাকৈয়ে দুখ লগা কথা কিয়নো 'অসম' নামটো আহিল মংগোলীয় গোষ্ঠীৰ আহোমসকলৰ পৰা আৰু অসমৰ ভিন ভিন জনগোষ্ঠীৰ সমন্বয়ত এক শক্তিশালী আৰু ধৰ্মপ্ৰিয় জাতিৰ কল্পনা কৰিয়েই 'অসমিয়া' নামটোও দিলে ব্ৰাওন-ব্ৰন্সনে। কিন্তু অসমৰ ব্ৰাহ্মণ-কায়স্থ-কলিতাসকলেই 'অসমিয়া'ক 'অসমীয়া' কৰি তেওঁলোকহে কেৱল 'অসমীয়া' আৰু 'অসম' ৰাজ্যখন যেন কেৱল তেওঁলোকৰহে এনে মনোভাৱ লৈ অসমত গজগজীয়া হ'ল। তেওঁলোকৰ সেই মনোভাৱ প্ৰতিষ্ঠিত কৰিবৰ কাৰণেই হয়তো অসমীয়া ভাষাৰ ওপৰত সংস্কৃত ভাষাৰ প্ৰভাৱ বেছি কৰি দেখুওৱাটো প্ৰয়োজন হ'ল আৰু চলে বলে কৌশলেৰে তাকেই কৰি অহা হৈছে। মোৰ এই অভিমত যে আৱেগিক নহয় তাৰ কাৰণে দুটামান উদাহৰণ দিওঁ।

## অভিধানৰ কথা

ব্ৰন্সনৰ অভিধানত প্ৰায় ১৪,০০০ শব্দ আছিল আৰু তাৰ শতকৰা মাটীভাগহে সংস্কৃতৰ পৰা অহা। 'হেমকোষ'ত হেমচন্দ্ৰ বৰুৱাই ২২,৩৪৬ শব্দ দিলে। ইয়াত নতুনকৈ দিয়া বেছি ভাগ শব্দই সংস্কৃত শব্দ। তাৰ পিছত, চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণত ৩৬,৮১৯ শব্দ হ'ল। সেই সংস্কৰণৰ

প্ৰধান সম্পাদক শ্ৰীদেবানন্দ ভড়ালীৰ মতে অসমীয়া ভাষাৰ শতকৰা প্ৰায় নব্বৈটামান শব্দ সংস্কৃতৰ পৰা অহা (পুৰণি তৎসম, তদ্ভৱ আৰু নতুন তৎসম, প্ৰথম সংস্কৰণৰ পৃঃ ০.১৬ চাওক)। এইখিনিতে এটা অংক কৰা ভাল হ'ব - যিটো বস্তুৰ সংখ্যা ১৪,০০০ ৰ শতকৰা মাঠী তাক শতকৰা নব্বৈলৈ তুলিবলৈ হ'লে সেই বস্তুটোৰ আৰু কিমান সংখ্যা যোগ দিব লাগিব ? অংকটোৰ উত্তৰ হৈছে ৪২,০০০। অৰ্থাৎ, ব্ৰন্সনৰ অভিধানত থকা ১৪,০০০ শব্দত যদি আৰু ৪২,০০০ সংস্কৃত বা সংস্কৃতৰ পৰা অহা শব্দ যোগ দিওঁ তেনেহলে সংস্কৃতৰ পৰা অহা শব্দ মুঠ শব্দৰ শতকৰা নব্বৈ ভাগ হ'ব। অৱশ্যে, এই অংকটো কঁৰোতে আন শব্দৰ সংখ্যা লৰচৰ কৰা হোৱা নাই। কিন্তু আন শব্দবিলাকৰ সংখ্যা কমালে ৪২,০০০তকৈ ক'ম শব্দেৰেও কামটো কৰা যাব পাৰি। মুঠৰ ওপৰত, চন্দ্ৰকান্ত অভিধানৰ অবয়ৱ বঢ়োৱা ৩৬,৮১৯ শব্দৰ বেছিভাগেই ক'ৰ পৰা আহিছিল সেইটো স্পষ্ট। তদুপৰি, শ্ৰীদেবানন্দ ভড়ালীয়ে তেওঁৰ 'এ ষ্টাডি অৱ ফন'লজী এণ্ড ভকাবুলাৰী অৱ দি আচামিজ লেংগুৱেজ' (যোৰহাট, ১৯৫৯) নামৰ পুথিত এইবুলি মন্তব্য কৰিছে, "ডঃ কাকতীয়ে তেওঁৰ মূল্যবান পুথি 'আচামিজ, ইটচ ফৰ্মেছন এণ্ড ডেভেলপমেণ্ট'ত অষ্ট্ৰো-এচিয়াটিক আৰু আন অনা-আৰ্য দোৱানৰ অসমীয়া শব্দাৱলীলৈ বৰঙণি বৰ বেছি কৰি দেখুৱাইছে।" (পৃঃ ২৭)। এই মন্তব্যৰ পৰা চন্দ্ৰকান্ত অভিধান প্ৰণয়নত ঘাই দায়িত্ব লোৱা শ্ৰীভড়ালীয়ে অসমীয়া ভাষাৰ ওপৰত সংস্কৃতৰ প্ৰভাৱৰ কেনে মনোভাব পোষণ কৰিছিল সেইটো স্পষ্ট। অৱশ্যে, তেখেতে নিজৰ মন্তব্যৰ সমৰ্থনত কোনো সংখ্যাৰে সমৰ্থিত যুক্তি দিয়া নাই - এইটো একো আচৰিত কথা নহয় কিয়নো বহুতৰ মতে এই অভিধানৰ পাতনিত শ্ৰীভড়ালীৰ নাম পজপজীয়া হ'লেও অভিধানৰ শব্দ সংগ্ৰহৰ পৰিশ্ৰমী কামখিনি কৰিছিল শ্ৰীকোঁহিৰাম দাসে।

## কোঁহিৰাম দাসৰ কথা

"১৯২৫ চন মানত কোঁহিৰাম দাসৰ ওপৰত অসমীয়া জাতিৰ এটি গুৰু দায়িত্বৰ ভাৰ পৰিল। অসম সাহিত্য সভাই 'চন্দ্ৰকান্ত অভিধান'খন লিখা কাৰ্যত তেওঁক যোৰহাটত নিযুক্তি দিয়ে। অভিধান সংকলন কাৰ্যত ব্ৰতী হৈ তেওঁ বহুল অধ্যয়ন কৰিব লগা হৈছিল। অজস্ৰ কিতাপ পঢ়াৰ উপৰিও তেওঁ কেবাখনো অভিধান চাব লগা হৈছিল। তেওঁ নিজেই ভাবিছিল অভিধান লিখা বিদ্যা যেন তেওঁৰ নাছিল, তথাপি চন্দ্ৰধৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, কনকলাল বৰুৱা, তৰুণৰাম ফুকন প্ৰভৃতি সেই সময়ৰ বিদ্বান লোকসকলে আৰু সেই সময়ৰ অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক শৰৎচন্দ্ৰ গোস্বামী প্ৰভৃতিয়ে এই মহৎ কামটো তেওঁৰ দ্বাৰাই সমাধা হব বুলি ভাবিছিল আৰু তেওঁক নিয়োগ কৰিছিল। এই কাৰ্যত তেওঁ নীৰৱে নিষ্ঠাৰে লাগি গ'ল। সাহিত্য সভাই তেওঁক মাহিলি ৭৫ টকাকৈ পাৰিশ্ৰমিক দিছিল আৰু বছৰত ৫।৬০ টকাকৈ বঢ়ায়ো দিছিল। দাসে অভিধানৰ কামত যোৰহাটত তিনি বছৰ মান কাল

থাকে। এই তিনি বছৰত তেওঁ দিনে বাৰ-চৈধ্য ঘণ্টা কাম কৰিব লগা হৈছিল। অভিধান লিখা কিযে উন্নাদিহ নোপোৱা কাম তাক তেওঁ 'আত্ম-জীৱন চৰিত'ত এইদৰে উল্লেখ কৰিছেঃ "যোৰহাটলৈ গৈ অভিধান লিখা কাম আৰম্ভ কৰি তাৰ একো উন্নাদিহ নাপাই বৰ বিমোৰত পৰিলো। যিহক কেবাখনো অভিধান চাই মেলি একৰকম কাম আৰম্ভ কৰিলো। নতুন শব্দৰ উৎপত্তি উলিয়াবলৈ যে মোৰ কিমান পৰিশ্ৰম কৰিব লগা হৈছিল তাক আনে সহজে নুবুজিব। কামৰূপী 'তামাকঁাহা'ৰ দৰে নতুন শব্দৰ ব্যুৎপত্তি উলিয়াবলৈ গৈ তিনি চাৰিখন বেলেগ বেলেগ ভাষাৰ অভিধান চোৱাৰ বাহিৰেও দহ বাৰ ঘণ্টা ভাবিব লগাত পৰিছিল।"

এনেকুৱা হাড়ভঙা পৰিশ্ৰম কৰি দাসে চন্দ্ৰকান্ত অভিধান যুগুত কৰা কাম প্ৰায় শেষ কৰিলে। কিন্তু শেষৰ তিনি-চাৰিটামান আখৰ লিখাৰ আগতে কৰ্তৃপক্ষই তেওঁক বিদায় দিলে। ইয়াৰ পিছত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই অভিধানখন নিজে সংশোধন কৰি তাক চমুকৈ উলিয়ায়। এই প্ৰসংগত দাসে আকৌ লিখিছেঃ "অভিধানত মই যিমান বহলকৈ শব্দৰ ব্যুৎপত্তি আৰু নানান কিতাপৰ পৰা উদ্ধৃত পদ দিছিলো তাক ৰখা নহল। অভিধানৰ পাতনিত মোৰ, মোৰ সহকৰ্মী আৰু সভাৰ সম্পাদক শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ কোনো উল্লেখ নাই। অভিধানৰ দ্বিতীয় তাঙৰণত এই ত্ৰুটী গুচোৱা হব বুলি কথা দিয়া হৈছে। সম্প্ৰদায় বিশেষে বা মানুহ বিশেষে অভিধানত লিখা কোনো কোনো কথা লৈ কিছু আপত্তি কৰিছে। ইয়াৰ বাবে যে মই জগৰীয়া নহওঁ সেইটো মই হাতেলিখা অভিধানৰ বহীবোৰ চালেই প্ৰমাণিত হব। এইদৰে অভিধান লিখা পৰ্বটো শেষ হল।"

কোঁহিৰাম দাসে তেওঁৰ আত্মজীৱনীত চন্দ্ৰকান্ত অভিধানৰ শেষৰ তিনি চাৰিটা আখৰ লিখাৰ আগতে কৰ্তৃপক্ষই বিদায় দিয়া বুলি উল্লেখ কৰিলেও এবাৰ তেওঁ আমাক কোৱামতে 'শেষৰ দুটামান' আখৰহে লিখা নহল। শৰৎচন্দ্ৰ গোস্বামীদেৱৰ টোকা মতেও এইটোহে প্ৰমাণিত হয়। তেওঁৰ টোকাত (১৮৭৪ শকৰ 'অসম সাহিত্য সভা পত্ৰিকা', নতুন প্ৰকাশ ১ম সংখ্যাত ওলোৱা) উল্লেখ আছে যে - ১৯২৬ চনত কোঁহিৰাম বাবুৱে 'ম' পৰ্যন্ত অভিধান লিখি উলিয়ায়। তেতিয়া মই Special Dutyত ছিলঙত। চন ১৯২৭-২৮ ইং। (এনেতে কোঁহিৰাম দাসদেৱ যোৰহাটৰ পৰা যায়)। তেতিয়া শ্ৰীযুত দেবানন্দ ভৰালীয়ে 'হ' আখৰটো লিখে। - ইয়াৰ দ্বাৰা বুজা যায় যে দাসে ১৯২৬ চনত 'ম' লৈকে লিখি ১৯২৭-২৮ চনলৈ 'হ'ৰ আগৰ আখৰলৈকে লিখা কথাও সচা।" (শ্ৰীতীৰ্থলোচন তামুলী, 'চন্দ্ৰকান্ত অভিধান সংকলক শিক্ষাবিদ কোঁহিৰাম দাস', কামৰূপ ৰত্নমালা, কামৰূপ সাহিত্য পৰিষদ, লয়াৰ্ছ বুক ষ্টল, ১৯৭৬, পৃঃ ৬৬-৬৮)। এইখিনিতে এইটোও উল্লেখযোগ্য যে কোঁহিৰাম দাসৰ শ্ৰমৰ উল্লেখ ১৯৬২ চনত প্ৰকাশিত চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় তাঙৰণতো দেখিবলৈ পোৱা নগ'ল।

## কুঁহিপাঠৰ কথা

অভিধানবিলাক সংস্কৃত শব্দেৰে ভৰাই পেলোৱাৰ পিছত অসমীয়া পাঠ্যপুথি- আৰু ব্যাকৰণবিলাকৰ যোগেদি সংস্কৃত শব্দ শিকোৱাৰে চেষ্টা চলিল। উদাহৰণৰ কাৰণে কুঁহিপাত দ্বিতীয় ভাগ মেলক - তাত পাব- 'বল্কল মানে গছৰ বাকলি', 'টৌক তৰঙ্গ বোলে', 'গাগ্রীবক দুগ্ধ বোলে', 'ফুলক পুষ্পও বোলে', 'প্লাৱন মানে বানপানী', 'পান্থ মানে বাটৰুৱা' ইত্যাদি। সেইদৰে কুঁহিপাত তৃতীয় ভাগত পাব- 'বিল্ব মানে বেল', 'ধুমুহাক ঝঞ্ঝা' বোলে। এইবিলাক সংস্কৃত শব্দ শিকোৱাৰ চেষ্টা নহয় নে? লিখকে হয়তো ক'ব 'যুক্তাক্ষৰ শিকাবৰ কাৰণেই সেইবিলাক তাত দিয়া হৈছে'। কিন্তু যুটীয়া আখৰ শিকাবৰ কাৰণে যদি কেৱল সংস্কৃত শব্দহে পোৱা যায় তেনেহলে সি এইটো নুবুজায় নে যে অসমীয়া ভাষাত তেনে যুটীয়া আখৰৰ ব্যৱহাৰ নাই যেতিয়া সেইবিলাক অন্তত কণ কণ ল'ৰা-ছোৱালীৰ পাঠ্যপুথিৰ পৰা বাদ দিয়া উচিত? আজি হিন্দু অসমীয়া লিখকসকলে এইটো উপলব্ধি কৰা উচিত যে অসমৰ সাধাৰণ ৰাইজৰ কাৰণে (ঘোইকৈ মংগোলীয় গোষ্ঠীৰ বা অহিন্দু লোকসকলৰ কাৰণে) সংস্কৃতৰ শব্দ স্বাভাৱিক নহয়। সেই লোকসকলৰ কাৰণে বেছি ভাগ যুটীয়া আখৰৰ শব্দ ক'বলৈ, লিখিবলৈ বা বুজিবলৈ টান। আমাৰ ভাষাত তেনেবিলাক শব্দ বেছিকৈ প্ৰয়োগ কৰা মানে ভাষাটো বেছি ভাগ অসমীয়াৰ কাৰণেই টান কৰি পেলোৱা।

## অসমীয়া ব্যাকৰণৰ কথা

সেইদৰে ব্যাকৰণ বা আখৰ যোটনিৰ বেলিকাও এইটো দেখা যায় যে অসমীয়া ভাষাত সংস্কৃত ব্যাকৰণৰ একোডৰা জাপি দি ভাষাটো অসমীয়াৰ কাৰণে বেছি টান কৰি পেলোৱা হৈছে। উদাহৰণ স্বৰূপে সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ' চাওক। তাৰ পাতনিত তেখেতে লিখিছে, 'যদিও সচৰাচৰ অসমীয়া ব্যাকৰণ লিখোঁতে সংস্কৃত ব্যাকৰণৰ আৰ্হিলৈ লিখা হয়, অসমীয়া ভাষা সংস্কৃত ভাষাৰ নিচিনা নহয়। সিহঁতৰ গঠন আৰু গঠন-প্ৰণালী একেবাৰে ভিন, আখৰ যোটনিৰ নিয়ম ভিন, সংস্কৃত শব্দৰ সন্ধি হয়, অসমীয়াত নহয়।' বৰা ডাঙৰীয়াই 'অসমীয়া ব্যাকৰণ ঠিক সংস্কৃত ব্যাকৰণৰ আৰ্হিত হ'ব নোৱাৰে' বুলি স্বীকাৰ কৰিও তেখেতে অসমীয়া ব্যাকৰণখন সংস্কৃত ব্যাকৰণৰ নিয়ম-কানুনেৰে ভৰাই পেলালে। সম্ভৱ তেখেতে সম্পূৰ্ণ অসমীয়া ব্যাকৰণ এখন লিখিবলৈ সাহস নকৰিলে। (মোক ভুল নুবুজিব মই বহল ব্যাকৰণক হেয় কৰিবলৈ চেষ্টা কৰা নাই - তাৰ এটা ত্ৰুটিৰ প্ৰতিহে আঙুলিয়াইছো)। অসমীয়া

প্ৰত্যয় আৰু অসমীয়া জতুৱা ঠাঁচৰ বিষয়ে আলোচনা বহল ব্যাকৰণত আছে সেইখিনিৰ কাৰণেই সেই পুথি অমূল্য)।

কালিৰাম মেধিয়ে ১৯৩৬ চনত প্ৰকাশিত তেখেতৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব'ৰ ইংৰাজী পাতনিত এইবুলি লিখিছে, 'আজিকালি স্কুলত ব্যৱহাৰ হোৱা কেবাখনও অসমীয়া ব্যাকৰণ আছে। কিন্তু তাৰে কিছুমান বঙালী সৃষ্টিৰ ক'ম বেছি অনুকৰণত লিখা সংস্কৃত ব্যাকৰণৰ নিচিনা। প্ৰাথমিক ধৰণৰ হলেও প্ৰথম প্ৰকৃত অসমীয়া ব্যাকৰণ লিখিছিল আমেৰিকান মিচনৰ ৰেভাৰেণ্ড এন ব্ৰাউনে। স্বৰ্গীয় পণ্ডিত নাৰায়ণ চন্দ্ৰ বিদ্যাভূষণেও তেনে এখন ব্যাকৰণ লিখিবলৈ চেষ্টা কৰিছিল। এই ধৰণৰ শ্ৰেষ্ঠ পুথি হ'ল অসমীয়া পণ্ডিত স্বৰ্গীয় এচ-এন বৰা বি-এলদেৱৰ বহল ব্যাকৰণ। আন ব্যাকৰণ বিলাকে সাধাৰণতে মিছাতে সংস্কৃত সন্ধি, সংস্কৃত প্ৰত্যয় আৰু সংস্কৃত সমাসৰ নিয়মবিলাক আলোচনা কৰে আৰু কোনো অসমীয়া শব্দ বাদ দিয়ে।' (দ্বিতীয় প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ১৯৭৮, পৃঃ ৯৯)। কালিৰাম মেধিয়ে ১৯৩৬ চনত বৰ্ণোৱা পৰিস্থিতি অসমীয়াৰ কাৰণে ভালৰ পিনে সলনি নহৈ যে বেছি বেয়াৰ পিনেহে গৈছে তাক দীপ বৰুৱাৰ জীয়েকে স্কুলত পঢ়িবলৈ লগা অসমীয়া ব্যাকৰণখনত চকু ফুৰাই ভালদৰে বুজিব পাৰিলো।

## কিয় এই অত্যাচাৰ?

অসমীয়া ল'ৰা-ছোৱালীৰ ওপৰত কেলেই এই অত্যাচাৰ? অসমীয়া ভাষাৰ ওপৰত আমাৰ পণ্ডিতসকলে কেলেই এনেদৰে সাধাৰণ অসমীয়াই বুজিব নোৱাৰা সংস্কৃত ব্যাকৰণৰ বিষয়-বস্তুবে মাধমাৰ সোধাই আহিছে তাক অনুসন্ধান আৰু গমি পিতি মই তলত দিয়া কাৰণ কেইটাই পাইছো -

(১) আধুনিক যুগত আমাৰ মাজত ভাল সৃষ্টিধৰ্মী সংস্কৃত পণ্ডিত ওলোৱা নাই। থকা হ'লে 'ঋকবেদ', 'নাট্যশাস্ত্ৰ', 'মালবিকাগ্নিমিত্ৰ', 'মালতী-মাধৱ' আদিৰ দৰে সংস্কৃত পুথিৰ অসমীয়া ভাঙনি দেখিবলৈ পোৱা গ'লহেঁতেন। আনকি মই যিমান দূৰ জানো অসমীয়া ভাষাত ভাল সংস্কৃত ব্যাকৰণ এখনও নাই। ভাল ডাঙৰ সংস্কৃত পণ্ডিত নাই কাৰণে সৰু সৰু সংস্কৃত পণ্ডিতেই বা অলপ অচৰপ সংস্কৃত জনা লোকেই আমাৰ মাজত পণ্ডিতালি কৰিবলৈ সুবিধা - এওঁলোকে নিজৰ সংস্কৃত ভাষাৰ জ্ঞানেৰে আমাৰ মাজত পণ্ডিতালি দেখুৱাবলৈ বৰ সহজ। তেওঁলোকে বাহিৰৰ সংস্কৃত পণ্ডিতৰ লগত ফেৰ মাৰিব নোৱাৰে কাৰণে অসমীয়া লোকৰ ওপৰতে দপদপাই ভাল পায়। অসমীয়াৰ ওপৰত তেওঁলোকৰ দপদপনি আৰু প্ৰতিপত্তি চলাই থাকিবলৈ একমাত্ৰ উপায় হৈছে অসমীয়া ভাষাটোৰ ওপৰত সংস্কৃত ভাষাক বেছিকৈ জাপি দিয়া।

(২) গুৱাহাটী বিশ্ববিদ্যালয় প্রতিষ্ঠা হোৱাৰ আগলৈকে অসমীয়াত এম-এ বা বি-এ পাছ কৰা লোক অতি কম আছিল কাৰণে আজি বহুত দিনলৈকে অসমৰ স্কুল কলেজৰ অসমীয়াৰ শিক্ষক বেছিভাগেই আছিল সংস্কৃত বিষয় লৈ এম-এ বা বি-এ পাছ কৰা লোক। আমি স্কুলত পঢ়োতেও অসমীয়া শিক্ষকৰ তিনিজনেই সংস্কৃতৰহে মানুহ আছিল আৰু কলেজতো আমাৰ অসমীয়াৰ অধ্যাপকৰ এজন সংস্কৃতৰহে শিক্ষা পোৱা লোক আছিল। আজিও অসমৰ স্কুল কলেজত এই অৱস্থা বহু পৰিমাণে বৰ্তি আছে বুলি জানিব পাৰিছো। অসমীয়া ভাষাত সংস্কৃতৰ প্রভাৱ বঢ়োৱাটো এই সংস্কৃত পঢ়া অসমীয়া শিক্ষকসকলৰও স্বাৰ্থ হোৱাটো স্বাভাৱিক।

(৩) সংস্কৃত ভাষাৰ লগত হিন্দু ধৰ্ম আৰু আৰ্য সংস্কৃতিৰ ঘনিষ্ঠ সম্বন্ধ যেতিয়া আমাৰ সমাজৰ ব্ৰাহ্মণ-কায়স্থ-কলিতাসকলৰ বহুতৰে এইটো ধাৰণা যে অসমীয়া ভাষাক সংস্কৃতৰ কবলত অনা আৰু ৰখা মানে আমাৰ সমাজত আৰু আমাৰ ভাষা সাহিত্যত তেওঁলোকৰ প্রভুত্ব বঢ়োৱা।

(৫) অসমীয়া ভাষাটো জটিল হ'লে অসমৰ পিছপৰা আৰু জনজাতীয় লোকসকল (ঘাইকৈ মংগোলীয় গোষ্ঠীৰ) বা চাহ-বাগানৰ বনুৱাসকল সদায় পিছ পৰি থাকিব আৰু আৰ্য অসমীয়াৰ লগত তেওঁলোকে কেতিয়াও সমানে ফেৰ মাৰিব নোৱাৰিব। এইটো কাৰণ মোক কেইজনমান বড়ো ডেকা আৰু কেইজনমান মিচিংলোকে কোৱা। ৰাজ্যভাষা অসমীয়াৰ প্রতি তেওঁলোকৰ শংকাৰ কাৰণও এইটোৱেই। সেয়েহে অসমীয়া ভাষাক সংস্কৃত ভাষাৰ কবলত অনা আৰু ৰখাৰ আঁৰপটত ৰাজনৈতিক চতুৰালি নথকাও নহয়। এইবিলাক যে মোৰ অসংযত বলকনি নহয় তাৰ কাৰণে তলত ডিব্ৰুগড়ৰ 'একলব্য' আলোচনীৰ সম্পাদক দেৱব্ৰত শৰ্মা আৰু অমৰজ্যোতি গগৈৰ মত দিলো, 'অসম আজি বিপন্ন। উদয়াচল, স্বায়ত্বশাসিত উত্তৰ-কাছাৰ-কাৰ্বি আংলং ৰাজ্য, লালুং ৰাজ্য, ট্ৰাইবেললেণ্ড, মিছিং বড়ো লেণ্ড, পৃথক কাছাড়ৰ দাবীত উত্তাল অশান্ত। তদুপৰি বিভিন্ন জনজাতি - অনুসূচিত জাতি, অন্যান্য পাছপৰা শ্ৰেণী, সংখ্যালঘুসকলে নিজ নিজ আশা আকাংখা, সংৰক্ষণ, ভাষা, ধৰ্মৰ অধিকাৰক লৈ বিক্ষোভৰ পৰা বিদ্ৰোহৰ পথ ধৰিছেগৈ। অসমৰ চোতালত সাতভনীৰ পৰিৱৰ্তে বোধহয় বাৰভনীয়ে নাচিবলৈ ল'ব। আমি ভাবো অসমীয়া বৰ্ণহিন্দুৰ উগ্ৰজাতিদাম্ভিক অত্যাচাৰ নিপীড়নৰ ফলতেই আজি এইদৰে নিপীড়িত মানুহবোৰ আপোন অধিকাৰ লৈ থিয় হ'ব বিচাৰিছে।' (৫ এপ্ৰিল ১৯৮৭ ত লিখকলৈ দিয়া চিঠিৰ পৰা)।

মুঠৰ ওপৰত অসমীয়াৰ মাধমাৰ সাধাৰণ অসমীয়া ৰাইজৰ ওপৰত ভালদৰেই পৰিছে। বহুব্ৰীহি-কৰ্মধাৰয়-কৃৎ-তদ্ধিতৰ অতপালিত অসমীয়া ল'ৰা-ছোৱালী হাৰাশাস্তি হৈ আছিছে, ণত্ব-বিধি ষত্ব-বিধিৰ অত্যাচাৰত অসমীয়া ল'ৰা-ছোৱালীয়ে অসমীয়া লিখিবলৈ ভয় কৰা হ'ল, ঠ-খৰ ঠেলা-খেলিত বা ঠেকেচনিত অসমীয়া আৰু অসমীয়া ভাষাৰ থুতুৰি ঠেতেলা খালে। আজিৰ

বেছি ভাগ অসমীয়া ছাত্ৰ-ছাত্ৰীয়েই অসমীয়া মাধ্যমৰ স্কুল কলেজত শিক্ষা সাং কৰিও অসমীয়া ভাষাত লিখা পঢ়া কৰাৰ আত্মবিশ্বাস আহৰণ কৰিবলৈ অসমৰ্থ হোৱাৰ উপৰিও অসমীয়া ভাষাক আদৰিবলৈকে টান পোৱা হৈছে। বড়ো-মিচিং-ডিমচা-কাৰ্বি-নেপালী আদি যিসকল অসমীয়াৰ মাতৃভাষা অসমীয়া নহয় তেওঁলোকৰ কাৰণে অসমীয়া ভাষাটো সংযোগী ভাষা হোৱাৰ সকলো গুণ হেৰুৱাবলৈ ধৰিছে আৰু তেওঁলোকৰ কাৰণে অসমীয়া ভাষাৰ যোগেদি জ্ঞান আহৰণ কৰাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে। নাগামিজ ভাষাও লাহে লাহে অসমীয়াৰ পৰা আঁতৰি গৈছে। সেয়েহে, ৰাজনৈতিক আৰু সামাজিক ভাবে অসমীয়া ভাষাৰ আজি সচাকৈয়ে অতি দুখলগা অৱস্থা।

সময়ে সময়ে গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম সাহিত্য সভাই এই বিষয়ে ইকাটি-সিকাটি নকৰা নহয় - কিন্তু, কাৰ্যক্ষেত্ৰত তেওঁলোকে সমস্যা সমাধান কৰিবলৈ একো কৰা নাই আৰু চলি থকা অৱস্থাকে চলি থাকিবলৈ দিছে। উদাহৰণ স্বৰূপে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে ১৯৭০ চনতে 'অসমীয়া ভাষাৰ আখৰ-জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি' নামে পাল-মৰা সৰু পুথি এখনৰ যোগেদি যি নিৰ্দেশ দিলে সি অৱস্থা আৰু বেয়াহে কৰিলে। সেইদৰে, অসম সাহিত্য সভাইও আজি কিছু বছৰ আগতে কেবাটাও লেখক শিবিৰত বহুতকে নানা তৰ্জন গৰ্জন কৰিবলৈ দি শেষত এটা আখৰ-জোঁটনি উপসমিতিৰ যোগেদি আগৰ অৱস্থাকে চলি থাকিবলৈ দিলে। দৰাচলতে, বিশ্ববিদ্যালয়ৰ সমন্বয় সমিতি বা সাহিত্য-সভাৰ আখৰ-জোঁটনি উপ-সমিতি আদিবিলাক কেৱল ছাঁয়াবাজীৰ খেলৰ নিচিনা কিয়নো সেই সমিতিবিলাক গঠন কৰোতেই তেওঁলোকৰ সিদ্ধান্ত কোনপিনে যাব সেইটো নিশ্চয় কৰি লোৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমিতিখনৰ আৰু তাৰ পৰামৰ্শ সমিতিখনৰ বেছি ভাগেই সংস্কৃতত ব্যুৎপত্তি থকা লোক আৰু মুঠ ১৬ জনৰ ভিতৰত ১১ জনেই ব্ৰাহ্মণ আছিল আৰু কেৱল দুজনহে হিন্দু লোক নাছিল। এই সমিতিৰ এক নম্বৰ সিদ্ধান্ত হৈছে - 'সকলোবোৰ সংস্কৃত (তৎসম) শব্দ সংস্কৃতৰ মতেই লিখা হ'ব'-। দেখাত এই নিয়মটো অতি সাধাৰণ যেন লাগিলেও ইয়াৰ অৰ্থ এয়েই যে সংস্কৃত শব্দবিলাক (অসমীয়া ভাষাত যাৰ সংখ্যা শতকৰা নব্বৈ ভাগলৈ তোলা হ'ল) সংস্কৃতৰ মতেই লিখিব লাগিব যেতিয়া অসমীয়াই সংস্কৃতৰ বানানৰ নীতি-নিয়ম আৰু গঠন প্ৰনালী আদি ভালদৰে জানিব লাগিব নহলে তাক শুদ্ধকৈ লিখিব নোৱাৰিব। গতিকে এই নিয়মটোৰে জানো সংস্কৃত ব্যাকৰণ অসমীয়াৰ ওপৰত জাপি দিয়াৰ অভিসন্ধি নহয়?

অসম সাহিত্য সভাৰ ছাঁয়াবাজী সাহিত্য সভাই ১৯৮২ চনত প্ৰকাশ কৰা 'আখৰ-জোঁটনি সমস্যা' নামৰ পুথিত ভালদৰে প্ৰকাশ পাইছে। তাৰ প্ৰবন্ধবিলাকত বেছিভাগেই (যেনে ডঃ উপেন্দ্ৰনাথ গোস্বামী, শ্ৰীবিশ্বেশ্বৰ হাজৰিকা, ডঃ সৰ্বেশ্বৰ ৰাজগুৰু, শ্ৰীভগৱান মৰল, শ্ৰীৰাজেন ৰাভা, শ্ৰীহিতেশ ডেকা, শ্ৰীভৃগুমুনি কাগয়ুং আৰু ডঃসত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে) আখৰ-জোঁটনি

সমস্যা সমাধানৰ নিমিত্তে নানান পৰামৰ্শ দিলে কিন্তু কাৰ্যক্ষেত্ৰত আখৰ-জোঁটনি উপ-সমিতিয়ে (পুথিত এই সমিতিৰ সদস্যসকলৰ নাম মই বিচাৰি নাপালো) সেইবিলাকৰ কোনোটোকে গ্ৰহণ নকৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদনবিলাককে গ্ৰহণ কৰিলে।

## ৰাইজৰ দায়িত্ব

আজি ইমান যুগে অৱস্থাৰ একো সলনি নোহোৱাৰ পিছত অসম সাহিত্য সভা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এই দিশত একো উপকাৰ নোপোৱাৰ পিছত এতিয়া আৰু হাত সাবটি বহি থাকিলে নহ'ব। এতিয়া ৰাইজে হাতে কামে লাগি এক নতুন ভাষা আন্দোলন আৰম্ভ কৰিবৰ হ'ল। এই বিষয়ে ৰাইজে কৰিব পৰা দুটামান পৰামৰ্শ আগ বঢ়ালো-

(১) অসমৰ সকলো খলুৱা ভাষাৰ প্ৰতিনিধি লৈ এখন নতুন জনমুখী সাহিত্য সভা প্ৰতিষ্ঠা কৰা যাৰ উদ্দেশ্য হ'ব অসমীয়া ভাষাক অসমৰ সকলো খলুৱা লোকৰ কাৰণে সহজে শিকিব, বুজিব, লিখিব আৰু পঢ়িব পৰাকৈ নতুন গতিবেগ দিয়া। এই সভাৰ এইটোও লক্ষ্য হোৱা উচিত যাতে অসমৰ সকলো খলুৱা ভাষাই সকলো দিশতে উন্নতি সাধন কৰে আৰু অসমীয়া ভাষা সংযোগী ভাষা ৰূপে আটায়ে আদৰ কৰে। যিসকল খলুৱালোকৰ মাতৃভাষা অসমীয়া নহয় তেওঁলোকে ৰাজ্যভাষা কি ৰূপত আৰু কেনে ধৰণেৰে আদৰ কৰিবলৈ বিচাৰে আমি তাক তেওঁলোকৰ পৰাই বুজ লোৱা উচিত।

(২) অসমীয়া লিখোঁতে যিমান পৰা যায় সংস্কৃত শব্দৰ ব্যৱহাৰ এৰি দিবলৈ সদায় মন দিব লাগে। বিশেষকৈ যুটীয়া আখৰ, ষ-কাৰ থকা শব্দ আদিৰ ব্যৱহাৰ আমি যিমান পাৰোঁ কমাব লাগে। 'কুঁহিপাঠ' (দ্বিতীয় ভাগ)ৰ পৰাই দুটামান উদাহৰণ দিওঁ- 'বিমৰ্ষ হৈ নাথাকিবা'ৰ সলনি 'মন মাৰি নাথাকিবা', 'বৰ্ষাকালত নদী ফেনেফোটোকাৰে পূৰ্ণ হয়'ৰ সলনি 'বাৰিষা নদী ফেনেফোটোকাৰে ওপচি পৰে', 'তাই দৰিদ্ৰক সাহায্য কৰে'ৰ সলনি 'তাই দুখীয়াক সহায় কৰে', 'অন্যান্য দেশ ভ্ৰমণ কৰিছিল'ৰ সলনি 'আন আন দেশ ভ্ৰমণ কৰিছিল', 'নদীত পদ্মফুল ফুলে নে'ৰ সলনি 'নদীত পদুম ফুল ফুলে নে' আদিহে আমি লিখা উচিত।

(৩) সংস্কৃত প্ৰত্যয়ৰ সলনি আমি অসমীয়া প্ৰত্যয় ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা উচিত আৰু অসমীয়াত ব্যৱহাৰ নোহোৱা সংস্কৃত প্ৰত্যয় থকা শব্দৰ ব্যৱহাৰ যিমান পাৰোঁ কমাব লাগে। উদাহৰণ স্বৰূপে কওঁ যে আজিকালি 'শৈক্ষিক পৰিবেশ', 'বৌদ্ধিক জয়যাত্ৰা', 'জনজাতি অধ্যুষিত অঞ্চল' আদি কথা বহুতেই লিখে। এইবিলাক আমি বৰ ভাল নুশুনোঁ।

এইবিলাকৰ সলনি 'শিক্ষাৰ পৰিবেশ', 'বুদ্ধিৰ জয়যাত্ৰা', 'জনজাতি ঘনকৈ বাস কৰা ঠাই' আদি লিখিলে অৰ্থৰ একো লৰচৰ নহয় বুলিয়েই আমাৰ ধাৰণা।

(৪) সংস্কৃত শব্দ প্ৰয়োগ কৰিব লাগিলে আমি যিমান পাৰোঁ সন্ধি ভাঙিহে তেনে কৰিব লাগে। যেনে, পৰমেশ্বৰৰ সলনি পৰম ঈশ্বৰ, শুভেচ্ছাৰ সলনি শুভ ইচ্ছা, জীৱনেতিহাসৰ সলনি জীৱন ইতিহাস আদিহে আমি লিখিব লাগে।

(৫) অসমীয়া ভাষাক কেনেদৰে অসমীয়া ৰূপ দিব পাৰি সেই বিষয়ে মন দি 'অগ্ৰদূত'ৰ দৰে বাতৰি কাকত আলোচনী আদিত আলোচনা ক'ৰক। এই বিষয়ে হাতে কামে লাগি যাবলৈ বিচৰা লোকসকলৰ মতামত আমি দেখিবলৈ পাম বুলি আশা কৰিলো।

*[৮ জুলাই ১৯৮৭ৰ সংখ্যা অগ্ৰদূতত আংশিক ভাবে প্ৰকাশিত]*

## ৰাইজৰ মতামত

(তলত প্ৰথমে মোৰ মতামতৰ প্ৰতিবাদ কৰা কিছুমান মতামত আৰু সেইবিলাকৰ বিষয়ে মোৰ উত্তৰ দিলো - এই মতামত বিলাক ২৬ জুলাই ১৯৮৭ৰ সংখ্যা অগ্ৰদূতৰ পৰা লোৱা হৈছে।)

(ক) প্ৰবন্ধটিৰ নাটকীয় আৰম্ভণিটো মনেসজা আৰু একেবাৰে অপ্ৰয়োজনীয়। দীপৰ ছোৱালীৰ কিতাপখনৰ নাম, কোন শ্ৰেণীৰ পাঠ্যক্ৰম আৰু কি শব্দ বা আখৰ লেখকৰ অপৰিচিত স্পষ্টভাবে কব লাগিছিল।

উত্তৰঃ ঘটনাটো মনেসজা নহয়, দীপ বৰুৱা ৰাজ্যসভাৰ আগৰ সদস্য ˜লীলা বৰুৱা দেৱৰ পুত্ৰ। তেওঁৰ জীয়েক কোন শ্ৰেণীৰ প্ৰবন্ধত উল্লেখ কৰা আছে। সেই শ্ৰেণীৰ ব্যাকৰণ পুথি এখন মেলিলেই সকলো বুজিব - চকু মেলি চালেই হ'ল। পিছত জানিব পাৰিছো যে দীপৰ জীয়েকে পিছলৈ অসমীয়া এৰি হিন্দী বিষয়টোহে পঢ়িলে। এইয়া অসমতে হোৱা ঘটনা।। কথাটো কল্পনা কৰি চোৱা ভাল।

(খ) দীপ বৰুৱাই দেখুৱাই দিয়া ভুল এটা চাই অসমীয়া ব্যাকৰণ প্ৰণেতা সকলৰ প্ৰতি তেখেতৰ উপলব্ধি যেনেকুৱাই নহওক, লেখকৰ 'অসমীয়া পণ্ডিতবিলাকক সচাকৈয়ে নচচা শূলত দিব লাগে' বোলা মন্তব্যই তেখেতৰ দায়িত্বহীন আৰু জংগী মনোভাবৰ পৰিচায়ক। অসমীয়া ভাষাশিক্ষাৰ যিসকল নমস্য ব্যক্তিৰ ত্যাগ আৰু চৰ্চাই বঙালী ভাষা সংস্কৃতিৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰি এক স্বকীয় সত্ত্বা দিলে সেই সকলৰ আৰ্জিত সন্মানৰ ওপৰত থিয় হৈ সেই সকলকেই 'নচচা শূলত' দিয়াৰ

উদ্ভট কল্পনা ডঃ দিলীপ দত্তৰ দৰে হঠাৎ পেট্ৰিয়টেহে কৰিব পাৰে। ভাষাশিক্ষাৰ চৰ্চা কৰা দায়িত্বজ্ঞান থকা ব্যক্তিয়ে কৰিব নোৱাৰে।

উত্তৰঃ মুখৰ পৰা কথাষাৰ ভেনেভাবে ওলাইছিল দেখিছে মই, মনৰ্মি নকৰাকৈয়ে ভেনেভাবে লিখিলো। 'নচচা শুলত দিয়া' কথাষাৰে আমাৰ অংশী মনোভাৱ প্ৰকাশ নকৰে আমাৰ তিক্ততাহে প্ৰকাশ কৰে। আমাৰ আগৰ বহু পণ্ডিতেই যে অসমীয়া ভাষা সাহিত্য আৰু অসমীয়া জাতিৰ নানা প্ৰকাৰে অনিষ্ট কৰি আহিছে তাৰ প্ৰতি ৰাইজক সচেতন কৰাটোহে আমাৰ উদ্দেশ্য। দায়িত্বজ্ঞান কাৰ বেছি ৰাইজে আৰু ভৱিষ্যতে বিচাৰ কৰিব।

(গ) ডঃ দত্তই আৰু এষাৰ কাণ্ডজ্ঞানহীন মন্তব্য কৰিছে। অসমীয়া ভাষাৰ আৰ্যকৰণৰ প্ৰচেষ্টা ব্ৰাহ্মণ কলিতা আদি উচ্চ বৰ্ণ হিন্দুৰ ইচ্ছাকৃত আৰু মংগোলীয় জনগোষ্ঠীৰ প্ৰতি পোষণ কৰা বিৰূপ মনোভাৱৰ প্ৰকাশ।

উত্তৰঃ প্ৰথম কথা মই ব্ৰাহ্মণ-কলিতা আদিক উচ্চ বৰ্ণৰ বুলি আখ্যা দিয়া নাই বা কেৱল তেওঁলোককৈকে আঙুলি টোঁওৱা নাই। সেয়েহে, এইটো চিঠিৰ লিখকে নিজে পা পাতি লোৱা কথা। মই সকলো আৰ্য হিন্দুৰে (কেৱল ব্ৰাহ্মণ-কলিতাসকলৰেই নহয়) কপটীয়া মনোভাৱৰ কথাহে কৈছো। ইয়াতে মই নিজকে আৰু মোৰ অগুহী বগুহী মিতিৰ কুটুম আটাইকে সাঙুৰিছো। এই মত সমৰ্থনত মোৰ প্ৰবন্ধত কেইটামান কথা উল্লেখ কৰা হৈছে (একলব্যৰ সম্পাদকৰ চিঠি)। ইয়াৰ সমৰ্থনত বহু কথা পুথি প্ৰবন্ধপাতি আদিত আছে। সেয়েহে, এতিয়া ওপৰত 'অসম-চিন্তা'ৰ উদ্ধৃতি এটাও দিলো। আমাৰ আৰ্য-গোষ্ঠীৰ অসমীয়াসকলে এতিয়া নিজকে ফাকি দিবলৈ এৰা উচিত। তেওঁলোকে জনজাতীয় লোকক লেই লেই ছেই ছেই কৰিবলৈ এতিয়াও এৰা নাই। চিঠিৰ লিখকে এইবিলাক যদি নাজানে তেনেহলে তেখেতে চকু মেলিবলৈ শিক'ক। 'সংস্কৃত শ্ৰেষ্ঠ ভাষা', 'হিন্দু ধৰ্ম শ্ৰেষ্ঠ ধৰ্ম' কামে কাজেহে দেখুৱাৰ লাগে তাৰ মহানুভৱতাই অসমৰ জনজাতীয়সকলৰ জীৱন আৰু ভাষা স্পৰ্শ কৰিব লাগে।

(ঘ) অসমীয়া ভাষাটো জটিল হলে, অসমৰ পিছপৰা জনগোষ্ঠী আৰু চাহ বনুৱাসকল সদায় পিচ পৰি থাকিব কথাষাৰত যুক্তিতকৈ বেছি দুষ্টবুদ্ধি আছে। কেইজনমান বড়ো ডেকা বা কেইজনমান মিচিংলোকে কোৱা কথাটো বৃহত্তৰ বড়ো মিচিং সমাজৰ কথা নহয়। ডঃ দত্তৰ নিজৰ ৰাজনৈতিক চতুৰালি আছেনে নাই আমাক আৰু বেলেগে অৱগত নকৰিলেও হ'ব।

উত্তৰঃ ইয়াৰ উত্তৰ এতিয়া বড়ো আন্দোলন, মিচিং আৰু কাৰ্বিসকলৰ আন্দোলনে দিছে।

(ঙ)--- অসমীয়া ভাষা অসমৰ সকলো জনগোষ্ঠীৰেই যদি আদৰণীয় হ'ব লাগে তেতিয়া হলে ডঃ দিলীপ দত্তৰ দৰে একদেশদৰ্শী লোক সকলে নিঃস্বাৰ্থ আৰু খোলা মনোভাবৰ হ'বলৈ শিকক।

উত্তৰঃ 'ডঃ দিলীপ দত্তৰ দৰে একদেশদৰ্শী লোক', 'ডঃ দত্তৰ নিজৰ ৰাজনৈতিক চতুৰালি', 'ডঃ দিলীপ দত্তৰ দৰে হঠাৎ পেট্ৰিয়ট' আদি আমাৰ ব্যক্তিত্বৰ বিষয়ে দিয়া মতামতে মই উনুকিওৱা সমস্যাৰ আলোচনাত কি সমিধান যোগাই কব নোৱাৰো, কিন্তু এনেকুৱা কথাৰে আমাৰ বহু ভব্য শব্যলোকে আচল কথা এৰি ধমোৱা কোবাবলৈ ধৰা প্ৰায়ে দেখা যায়। এইবিলাক আমি সদায় আওকণ কৰোঁ যদিও বাতৰি কাকত আলোচনী আদিত প্ৰকাশ পালে মাজে মাজে মুখ মেলিবলৈ বাধ্য হওঁ। আনলোকক মুখৰ কথাৰে হেয় কৰিবলৈ কৰা চৰিত্ৰও যিসকল অসমীয়াৰ আছে তেওঁলোকেহে নিস্বাৰ্থ আৰু খোলা হবলৈ শিকাটো সঁচাকৈয়ে প্ৰয়োজন।

*[(ক) ৰ পৰা (ঙ) লৈকে মতামতৰ লিখক মনোজ বৰঠাকুৰ, বাসৰাজবাৰী, শিৱসাগৰ]।*

(চ) ডঃ দত্ত অসম সাহিত্য সভাৰ সদস্য নহয় যেন লাগে আৰু সেয়ে, সাহিত্য সভাৰ প্ৰতি তেখেতৰ অকণমানো শ্ৰদ্ধা বা আস্থাও নাই যেন লাগিছে। সেই হেতুকেই হয়তো তেখেতে নিজকে সাহিত্য সভাৰ সকলো ধৰণৰ নীতি-নিয়মৰ উৰ্দ্ধত থকা বুলি ভাবিয়েই অসমৰ জাতীয় অনুষ্ঠান স্বৰূপ অসম সাহিত্য সভাখনি সু-সংগঠিত ৰূপত থকা সত্ত্বেও সমান্তৰাল ভাবে আন এখনি সাহিত্য সভা গঠনৰ পৰামৰ্শ ডঃ দত্তই আগ বঢ়াইছে। ---

ডঃ দত্তই প্ৰকৃতাৰ্থত অসম সাহিত্য সভাই ইমান দিনে নকৰা বা কৰিব নোৱাৰা আৰু লগতে তেখেতে বৃহত্তৰ স্বাৰ্থত কৰিব লাগে ভবা বুলি কামখিনি কিদৰে কৰিব লাগে সেই বিষয়েহে গঠনমূলক সজ পৰামৰ্শ আৰু সকলোৱে গ্ৰহণ কৰিব পৰাকৈ কিছুমান নীতি-নিয়ম প্ৰৱৰ্তন কৰিবৰ বাবে যুক্তি-সম্মত আলোচনাহে আগবঢ়াব লাগিছিল। অসম সাহিত্য সভাক জনমুখী কৰি তোলাটো প্ৰতিজন অসমবাসীৰেই কৰ্তব্য নহয়নে?

*[ৰতিমোহন নাথ, নগাঁও]*

উত্তৰঃ অসম সাহিত্য সভা আজি তিনিকুৰি বছৰতকৈও অধিক কাল বৰ্তি আহিছে। ইমানদিনে ই কেনে কাম কৰে, কৰিব পাৰে আদিৰ সীমাৰেখা ভালদৰেই স্পষ্ট হৈছে। আমি সাহিত্য সভাক সমালোচনা কৰা নাই, সাহিত্য সভাই ইমান দিনে নকৰা কামবহে উল্লেখ কৰিছো। আজি তিনিকুৰি বছৰে সাহিত্য সভাই যি কাম হাতত লোৱা নাই সেই কাম সাহিত্য সভাই কৰিব পৰা কামৰ গণ্ডীৰ বাহিৰত বুলিয়েই আমি ধৰিব লাগিব। যদি এইবিলাক কাম সাহিত্য সভাই হাতত লয় ভাল কথা। কিন্তু, সাহিত্য সভাই নকৰে বুলিয়েই

বাইজ হাত সাৰটি বহি থকা অনুচিত। নাথ ভাণ্ডৰীয়াই অসম সাহিত্য সভাক জনমুখী কৰাত আগভাগ লব আৰু আমাৰ দিহা চালি-জাৰি প্ৰয়োগ কৰিলে নথৈ আনন্দিত হ'ম।

(ছ) আমাক দুই এজনে পৰামৰ্শ দিছিল যে ডঃ দত্তক এটি বাক্যৰেই উত্তৰ দিব পাৰি দেখো - আপুনি দেখো এইখিনি কথা লিখোঁতে সংস্কৃতীয়া শব্দ, বাক্য আৰু ভাববোধকে ব্যৱহাৰ কৰিলে? --- ডঃ দত্তৰ বিষয় 'গণিতশাস্ত্র' - ভাষা-সাহিত্যৰ কথাত তেখেত জড়িত নোহোৱাই ভাল নেকি? ডঃ দত্তই বাৰু অসমীয়া ভাষাৰ শাক-ভাত খোৱাৰ অভিব্যক্তিয়ে তেখেতৰ গণিত শাস্ত্ৰৰ পৰমাণু-সূত্ৰ অথবা আধুনিকতম বৈদ্যুতিকীৰ সূত্ৰ বুজাব পাৰিবনে?

*[লোকনাথ ভড়ালী, জটিয়া]*

উত্তৰঃ তেখেতৰ নিচিনালোকক মই যে কিবা বুজাব পাৰিম সন্দেহ। আমি অসমীয়া ভাষাৰ সংস্কৃতৰ লগত সম্বন্ধৰ বিষয়ে একো কোৱা নাই - অবাৰত অসমীয়া ভাষাৰ ওপৰত সংস্কৃত ভাষা আৰু ব্যাকৰণৰ একোডৰা জাপি দিয়াৰ কথাহে কৈছো। "ডঃ দত্তৰ বিষয় 'গণিতশাস্ত্র' - ভাষা-সাহিত্যৰ কথাত তেখেত জড়িত নোহোৱাই ভাল নেকি?"ৰ নিচিনা মতামতেও মই উনুকিওৱা সমস্যাৰ আলোচনাত কি সমিধান যোগাই কব নোৱাৰোঁ। এনেকুৱা মন্তব্য দিয়া লোকে নিজৰ চৌপাশে থকা অন্ধকাৰখিনিকে আগেয়ে আঁতৰাবলৈ চেষ্টা কৰা উচিত।

(জ) ণ-ত্ব বিধি আৰু ষ-ত্ব বিধিৰ অত্যাচাৰত অসমীয়া লৰাই অসমীয়া ভাষা শিকাত ভয় খোৱাৰ কোনো যুক্তি নাই। এই বিধিদ্বয় অসমীয়া ভাষাৰ ব্যায়াকৰণত মই এক অবিচ্ছেদ্য অংগ বুলি ভাবো। এই বিধিদ্বয়ৰ অবিহনে যে অসমীয়া ভাষাই দুই-এটা খোজত উজুতি খাব লাগিব, ই ধ্ৰুৱপ। উদাহৰণ স্বৰূপে 'কাৰন' শব্দটোৰ 'ণ' (মূৰ্ধণ্য) ৰ ঠাইত নিশ্চয় 'ন' (দন্তন্য) লিখিব পাৰিলোহেতেন। কিন্তু দন্ত্যনৰে লিখা 'কাৰন' শব্দটোৰ অৰ্থ বৰ্তমানৰ চন্দ্ৰ কান্ত অভিধানৰ ৩৬,৮১৯ নাইবা ব্ৰন্সন অভিধানৰ ১৪,০০০ শব্দৰ মাজত বিচাৰি পোৱা যাবনে? সেইদৰে 'ঋষি' ৰ সলনি 'ঋসি' লিখিলে?

*[হিৰেণ চন্দ্ৰ দাস, বৰগাওঁ, শিংৰা, কামৰূপ]*

আমাৰ মত সমৰ্থন কৰা মতামতঃ

(১)

"অগ্ৰদূতৰ ৮জুলাই সংখ্যাত ডঃদিলীপ দত্তৰ উক্ত শীৰ্ষক প্ৰবন্ধটো পঢ়িলো। আজি কালি অসমীয়া বানান তথা আখৰ জোটনি সম্পৰ্কে বিভিন্ন জনে বিভিন্ন ধৰনেৰে লিখিবলৈ লোৱাত এক অৰাজকতাই বিৰাজ কৰা বুলি কব পাৰি। অসমীয়া ভাষাত এখন সৰ্বসন্মত অভিধান নোহোৱাটোৱে ইয়াৰ প্ৰধান কাৰন। অসমীয়া ভাষাৰ কোনো এখন অভিধানতে উল্লেখ নথকা শব্দও আমি ব্যৱহাৰ কৰি আছো। শ্বহীদ শব্দৰ বানানটো কোনো অসমীয়া অভিধানত উল্লেখ নাই। 'চন্দ্ৰকান্ত অভিধান' আৰু 'আধুনিক অসমীয়া অভিধান'ত শ্বহিদ 'ব্যৱহাৰিক শব্দ কোষ'ত শ্বহিদ বুলি উল্লেখ আছে। 'হেমকোষত' আকৌ এই শব্দটিকে প্যাবলৈ নাই। ১৯৭৩ চনত পাঠশালাত অসমীয়া বানান আৰু আখৰ জোটনি'ৰ সম্পৰ্কত অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰত এই সম্পৰ্কে পণ্ডিত সকলে বহুতো ভাষণ দিলে। লিখিত ভাষণ সমুহ সম্পাদনা কৰি 'আখৰ জোটনি সমস্যা' নামেৰে এখন সংকলনো প্ৰকাশ কৰি উলিয়ালে। কিন্তু তাত যি বোৰ নিয়ম বান্ধি দিয়া হল সেই বোৰ সাহিত্য সভাই নিজে পালন কৰিছে নে নাই আমাৰ সন্দেহ। এই বোৰ সমস্যা সমাধান কৰিবলৈ হলে বিশ্ববিদ্যালয় (দুয়োখন) শিক্ষা পৰিষদ (মাধ্যমিক আৰু প্ৰাথমিক) অসম সাহিত্য সভা, বাতৰি কাকতৰ প্ৰতিনিধি, ছপাশালৰ কৰ্মী সকলোৱে মিলি এটা সৰ্বসন্মত সিদ্ধান্ত লওক।

*[কৰুণা কান্ত ৰায়, কলবাৰী, বিজনী]*

(২)

কুৰি শতিকাৰ শেষৰ ভাগত অসমীয়া ভাষা শিক্ষাৰ ইমান অৱনতি হব ধৰিছে, সেই বোৰ দেখি দুখ লাগে। ইয়াৰ উদাহৰণ-কুঁহিপাঠ, জীৱনী, অসমীয়া অভিধান আৰু ব্যাকৰণ আদিত থকা অসংখ্য ভুল বোৰৰ লগতে সংস্কৃত আদিতে কণ কণ লৰা-ছোৱালীক বিপাঙত পেলাইছে। আজিৰ ব্যাকৰণবিদ আৰু ভাষাবিদ সকলে সংস্কৃত শব্দেৰে অসমীয়া ভাষাক টনকিয়াল কৰিবলৈ ওলাইছে। কিন্তু সেই সকল ব্যক্তিয়ে নিশ্চয় ভালকৈ জানে যে অসমত বসবাস কৰা জনজাতীয় ভাই-ভনী সকল মংগোলীয় গোষ্ঠীৰ মানুহ। গতিকে সেই সকল মানুহে সংস্কৃত শব্দৰ প্ৰতি মুঠেই আগ্ৰহী নহয় আৰু আদৰি লবলৈ টান পায়। আন হাতে অসমীয়া অজনজাতীয় লৰাছোৱালীয়ে সংস্কৃত যুক্তাক্ষৰ লিখিবলৈ ভয় কৰে জানোচা কৰবাত ভুল হৈ যায়।

*[দিব্যজ্যোতি নাথ, উত্তৰ বইটামাৰী]*

(৩)

নিবন্ধ কাৰে ব্যাকৰণৰ পৰা আদি কৰি অসমীয়া অভিধান, প্ৰাথমিক বিদ্যালয়ৰ পাঠ্য পুথিৰ ওপৰত পঢ়ি যি জ্ঞানেৰে সকলো দিশৰ ওপৰত নিখুত আৰু নিভাজ ভাৱে সকলো কথা দাঙি ধৰি আমাৰ ডাঙৰ ডাঙৰ পণ্ডিত,

সাহিত্যিক সকলৰ টোপনি ভাঙিবলৈ যত্ন কৰাত প্ৰতিজন অসমীয়াই, অসমীয়া ভাষা কোৱা প্ৰতি জন লোক নিবন্ধকাৰৰ লগত একমত হোৱা উচিত। ড°দিলীপ দত্ত দেৱে উনুকিওৱাৰ দৰে প্ৰাথমিক বিদ্যালয়ৰ সাহিত্য কিতাপত থকা সেই আপদীয়া শব্দই যে সৰু সৰু লৰা ছোৱালী বিলাকৰ মুৰ খাইছে ই একেবাৰে সচা। তাৰোপৰি অভিধানৰ কথা উল্লেখ কৰি সংস্কৃত শব্দই অসমীয়া শব্দৰ ওপৰত মৰা মাধমাৰ কোনেও নুই কৰিব নোৱাৰে। তেখেতে সকলো কথা গভীৰ জ্ঞানেৰে ফহিয়াই চাই, মাধমাৰৰ, যি কেইটা কাৰণ দেখুৱাই, নতুন ভাষা আন্দোলনৰ, আহবান দিছে, এই আহবান প্ৰতিজন অসমীয়াই চিন্তা কৰি চোৱাৰ সময় হল।

*[অৰূপ কুমাৰ দুৱৰা, কালুগাও, শিৱসাগৰ]*

(৪)

সচা কথা কবলৈ হ'লে অসমীয়া ভাষাৰ ব্যাকৰণৰ নিয়মবোৰ অতি কঠিন। এই ক্ষেত্ৰত বৰো ছাত্ৰ একজনৰ মতামত পাঠক-ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। কথা প্ৰসংগত বন্ধুজনে এদিন মোক কলে যে তেওঁলোকে অসমীয়া ক'ব পাৰিলেও লিখিবলৈ বৰ টান পায়। কাৰণ, অসমীয়া ভাষাত থকা ণত্ববিধি ষত্ববিধি, বিভক্তি আদি মুখস্থ কৰোতে এযুগ সময় লাগে। তদুপৰি অসমীয়া ভাষাৰ যুক্তাক্ষৰ আয়ত্ব কৰাটোও বৰ কষ্টকৰ। কিন্তু ইংৰাজী শিকোতে ইমান অসুবিধা নাই। গতিকেই তেওঁ অনা-অসমীয়া ভাষী হিচাপে অসমীয়া শিকাটো পছন্দ নকৰে।

*[হোমেশ্বৰ কলিতা, কণিমাৰা (টিহু)]*

(৫)

কণ কণ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বুনিয়াদ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথি সমূহ বৰ আঁসোৱাহপূৰ্ণ, বাক্যগাথনি সংগতিবিহীন আৰু দুৰ্বোধ্য হৈছে বুলি বাতৰি কাকতত টেটুফালি চিঞৰি থাকিলে বা সভা পাতি কিছুমান প্ৰতিশ্ৰুতি ললেই সমস্যাৰ সমাধান নহয়। সংস্কৃত ভাষাৰ পৰাই কিছু শব্দ সুমুৱাই দিলেই পাঠ্যপুথি শুৱনি নহয়। সেই শব্দবোৰ চালিজাৰি চাইহে ব্যৱহাৰ কৰা উচিত।

পাঠ্যপুথি নিৰ্বাচক মণ্ডলীৰ প্ৰত্যেকজনেই একোজন শিক্ষিত ব্যক্তি, সমাজৰ আগশাৰীৰ মানুহ। উক্ত নিৰ্বাচক মণ্ডলীৰ ভিতৰত অৱসৰপ্ৰাপ্তপ্ৰাথমিক বিদ্যালয়ৰ শিক্ষক কেইজনমান নিৰ্বাচিত কৰিলে হয়তো বহুখিনি সুফল পাব।

*[বিধুভূষণ ভট্টাচাৰ্য, জটিয়া, দিছপুৰ]*

(৬)

বৰ্তমান স্কুলৰ অসমীয়া পাঠ্যপুথি সমূহত বহুতো ভুল আমি দেখিবলৈ পাইছো। এই ভুলবোৰ আমাৰ পাঠ্যপুথিবোৰ সংস্কৰণৰ সময়ত এটা দুটা শুধৰণি কৰে যদিও সেই একেখন কিতাপতেই আকৌ ভুল হৈ যায়। ইয়াৰ পৰা আমি বুজিব পাৰো যে আমাৰ লেখক সকলে হয়তো গুৰুত্ব নিদিয়ে

নাইবা বিষয় জ্ঞান কম। উচ্চ পৰ্যায়ৰ কিতাপ সমূহত আমি ভুল দেখিবলৈতো পাওঁৱে, কিন্তু প্ৰাথমিক স্কুলৰ পাঠ্যপুথি সমূহত ভুল হোৱাটোতহে আমি আচৰিত হৈছো। ইয়াতোকৈ আচৰিত হৈছো প্ৰাথমিক স্কুলৰ অসমীয়া বিষয়ত সংস্কৃত ভাষা জাপি দিয়াটো। আকৌ মন কৰিবলগীয়া শুদ্ধ ভাষা শিক্ষাৰ একমাত্ৰ কিতাপ ব্যাকৰণ। যদি আমাৰ লেখকসকলে এই ব্যাকৰণ কিতাপখনতেই ইমান ভুল কৰে তেতিয়া হলে, লাহে লাহে এই অসমীয়া ভাষাটো পংগু হৈ যাব আৰু এদিন হয়তো ই আমাৰ অসমীয়া জাতিৰ পৰা বিলুপ্ত হব।

*[হিতেশ্বৰ ৰায়, আমবাৰী]*

(৭)

বৰ্তমান প্ৰায়বোৰ ব্যক্তিৰে ধাৰণা সকলোৱে বুজিব নোৱাৰা শব্দ কিছুমানৰ সমষ্টিৰে গঠিত বাক্যবোৰহে প্ৰকৃততে উচ্চ সাহিত্য আৰু মানুহজন সাহিত্যিক। এজন অধ্যাপকে বাৰ্ষিক পৰীক্ষাৰ বহীবোৰ (অসমীয়াৰ) চাই কৈছিল 'সহজ সৰল ভাষাৰে লিখিলে অসমীয়াত ভাল নম্বৰ পোৱা টান। কঠিন সংস্কৃতময় শব্দৰে বাক্য লিখিলেহে ভাল নম্বৰ আশা কৰিব পাৰি। অসমীয়াত 'লেটাৰ' পোৱা বহীবোৰ অতি কঠিন সংস্কৃতৰ পৰা অসমীয়ালৈ অহা শব্দৰে ভৰা।

ভাবি আচৰিত হৈছো কি কাৰণে অসমীয়া গৱেষকসকলে কঠিন শব্দ আৰু বাক্য লিখে। দণ্ডদেৱে কোৱাৰ দৰে প্ৰত্যেকজন ব্যক্তিয়ে জনমত গঠন কৰি অসমীয়াৰ গুৰি ধৰোতা সকলক বাধ্য কৰাব লাগে যাতে এজন অনা অসমীয়া লোকে অসমীয়া ভাষাৰ মায়াজালত আবদ্ধ হৈ অসমীয়া ভাষা নিশিকে।

*[ৰমণী কুমাৰ বৰ্মন, মৰিগাওঁ উঃমাঃ বিদ্যালয়]*

(৮)

প্ৰবন্ধটো সময়োপযোগী হৈছে। তেখেতে দিয়া কিছুমান ভুল যুক্তিসংগত আৰু তাৰ প্ৰতিকাৰবোৰ গ্ৰহণযোগ্য। তেখেত উল্লেখ কৰা সংস্কৃত ভাষাৰ কথা বাদেই, অসমীয়াতো কিছুমান মাৰাত্মক ভুল আমাৰ দৃষ্টিগোচৰ হয়।

*[কুশল কলিতা, কান্দুপুৰ, কামৰূপ]*

(৯)

অসমীয়া ভাষাৰ সৃষ্টিত সংস্কৃত ভাষাৰ অৱদান নিশ্চয় আছে। কিন্তু এতিয়া অসমীয়া ভাষা শিকাবলৈ লৈ সংস্কৃত ভাষাৰ শিক্ষা দিয়াটো নিৰৰ্থক। যথেষ্ট সংখ্যক সংস্কৃত শব্দ অসমীয়া ভাষাত প্ৰবেশ কৰি এৰোটা পৰিবৰ্তিত ৰূপ পাইছে।

তাৰোপৰি বৈয়াকৰণিকসকলেও অসমীয়া ভাষাৰ ব্যাকৰণৰ পৰা সংস্কৃত ভাষাৰ অপ্ৰয়োজনীয় অংশটো বাদ দিব লাগে। তেতিয়া অসমীয়া ভাষা শিক্ষা কৰা নশিকাৰু অসমীয়া বা অনা-অসমীয়া দুই পক্ষই উপকৃত হব।

*[দিগন্ত শইকীয়া]*

(১০)

সাঁথৰ সাঁথৰ যেন লগা পাঠ্যপুথিবোৰে কুমলীয়া ল'ৰা ছোৱালীক বিপাঙত পেলাইছে। ফল সুদূৰপ্ৰসাৰী হৈ পৰিছে। প্ৰাথমিক পৰ্যায়ত ল'ৰা-ছোৱালীয়ে দুফালৰ পৰা ঠগ খায়। এক শিক্ষক, দুই পাঠ্যপুথি। বহুজন শিক্ষকৰ অজ্ঞতাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে বানান শুদ্ধি, যুক্তাক্ষৰ আদিত অপৰিচিত হৈয়ে ৰয়।

পাঠ্যপুথিত থকা জটিল আৰু দাঁতভঙা শব্দই কণ-মইনাইঁতক নগুৰ শাস্তি দিয়ে। সৰু সৰু শব্দ প্ৰয়োগ কৰি সংগতি ৰখা কাহিনীৰে বাক্য সাজিলে উপকাৰ নহবনে ?

*[গুণ কাকতি, লামডিং অসমীয়া উচ্চ মাধ্যমিক বিদ্যালয়]*

(১১)

বৰ্তমানে প্ৰাইমাৰি খাপত চলি থকা কুঁহিপাঠ কেইখনৰ শব্দ যোঁটনিত লেখকৰ পাণ্ডিত্য প্ৰকাশৰ প্ৰয়াস দেখি বৰ আচৰিত লাগে। কণ কণ ল'ৰা-ছোৱালীইঁতক শিক্ষাৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ নামত সহজ সৰল আৰু সামগ্ৰিক ভাবে অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত ব্যৱহৃত শব্দবোৰ প্ৰয়োগ নকৰি কিছুমান কঠিন আৰু একপক্ষীয় ভাবে এটা বিশেষ অঞ্চলৰ শব্দৰে কুঁহিপাঠবোৰ ভৰাই থোৱাৰ আঁৰত কি উদ্দেশ্য থাকিব পাৰে বুজা নাযায়।

ডঃ দত্তই উল্লেখ কৰা বৰ্তমানে চলি থকা অসমীয়া ব্যাকৰণ পুথি কেইখনৰ সমস্যাও ভাবিব লগীয়া। সেইবোৰ যেন ব্যাকৰণ শিকাৰ কাৰণেহে, ভাষা শুদ্ধকৈ শিকাৰ বাবে নহয়। এক কথাত কবলৈ গলে, ব্যাকৰণ পুথি কেইখন ছাত্ৰ ছাত্ৰীয়ে শিকা যেনতেন তেওঁলোকৰ মূৰৰ ওপৰত এটা ডাঙৰ বোজা হৈ পৰিছে।

*[বিক্ৰমজিৎ চক্ৰৱৰ্তী]*

(১২)

আমি দেখা পাওঁ নিম্ন স্কুলৰ কিছুমান কিতাপত মাৰাত্মক ভুল থাকে, সেইবোৰ দেখিলে লাজ আৰু খং উঠে। কিছুমান কিতাপত আকৌ অসমীয়া 'ৰ'ৰ ঠাইত বঙালী 'ৰ' লিখা থাকে। সেইবোৰ কিহৰ বাবে হয় ? প্ৰকাশকৰ অন্যমনস্কৰ বাবে নে আন কিবা কাৰণে ? আজি অসমীয়া ভাষাৰ এনে নানান দুৰৱস্থা দেখি আমাৰ ভাব হয় আজি আমাৰ অসমীয়াৰ স্বকীয়তা সচাকৈয়ে বিলুপ্তিৰ পথত।

*[কুশল কলিতা, বৰ্ত্তিয়া, শান্তিপুৰ]*

(১৩)

ডঃ দত্তই আধুনিক অসমীয়া অভিধান আৰু ব্যাকৰণ কেইখনে অসমৰ খলুৱা ভাষাৰ ওপৰত সংস্কৃত মূলীয়া আৰ্যভাষাৰ শব্দৰ আমদানি আৰু অতিশয্যাৰে কেনেকৈ মাধমাৰ সোধাই বেমেজালিৰ সৃষ্টি কৰা লগতে ভাষাটোকো ক্ৰমে-

ক্রমে দুর্বোধ্য কৰি তুলিছে সেই দিশতে সম্প্রতি তেখেতৰ বক্তব্য সীমিত কৰি ৰাখিছে যদিও একেধৰণৰ অন্য কিছুমান বিষয়তো তেনে বিস্তৃত আলোচনাৰ আৰু স্থল নথকা নহয়। আমি এই প্রসংগতে কওঁ যে থলুৱা জাতি সমূহৰ জাতিগত ব্যুৎপত্তি আৰু সংজ্ঞা নিৰূপণৰ ক্ষেত্রতো এই আধুনিক অভিধান কেইখনে কোনো কোনো জাতিৰ প্রতি কেনে মাধমাৰ সোধোৱা তাচ্ছিল্য যুক্তি অৱজ্ঞাৰ দৃষ্টি-ভংগী গ্রহণ কৰিছে - 'হেমকোষ অভিধান'ত তাৰ বহু উদাহৰণ পোৱা যায়।

অসমত যুগ-যুগান্তৰৰ পৰা বসবাস কৰি অহা বিভিন্ন জাতি গোষ্ঠীসমূহৰ আবেগিক ঐক্য আৰু মিলন সেতু নির্মাণত এনে ভেদজ্ঞান দৃষ্টিভংগী যথার্থতে আৱর্জনা স্বৰূপ নহয়নে? এই স্থিতাৱস্থাৰ পৰিবর্তনৰ অবিহনে আজি নিজকে চিনি উঠা ওপৰত উল্লেখিত জাতি গোষ্ঠীসমূহক আমাৰ জাতীয় জীৱনৰ মূল সোঁতটোলৈ কাষ চপাই অনা বা তাত সহজে জীণ নিওৱাটো সহজে সম্ভৱ হৈ উঠিব জানো?

ডঃ দত্তৰ আদৰণীয় ভূমিকাৰ লক্ষণীয় দিশটো হ'ল যে তেখেতে দ্বন্দাত্মক পৰিস্থিতি বা সমস্যাটোৰ অন্তর্নিহিত আৱর্জনাবোৰ চালি-জাৰি ফঁহিয়াই দর্শায়ে সন্তুষ্টি নলভি তাৰ সমাধান কল্পেও আটাইকে স্পর্শ কৰিব পৰা এক বিকল্প সূত্রও দাঙি ধৰিছে। আমাৰ দৃঢ় মত যিসকলে অসমৰ চলমান ভাষা-সংস্কৃতিৰ সুঁতিটোৰ গতি আৱর্জনা মুক্ত কৰিব বিচাৰে, দীর্ঘদিনৰ হতাশা জাতি-অভিমানৰ কবলত বিচ্ছিন্নতাবাদী মনোভাৱী হৈ উঠিব ধৰা নিষ্পেষিত আৰু অনুন্নত জাতি-সম্প্রদায় সমূহৰ আশা-আকাংক্ষাক আমাৰ জাতীয় জীৱনৰ মূল সুঁতিটোৰ কাষ চপাই অনাৰ পৱিত্র সংকল্পত অগ্রাধিকাৰ ভূমিকা লব খোজে সেই আটায়ে তেখেতে আগবঢ়োৱা সময়োপযোগী পৰামর্শক কার্যকৰী কৰি তুলিবলৈ কঁকালত টঙালি বান্ধি ওলাই আহিব লাগে।

*[সুশীল কুমাৰ গগৈ, মাকুম জংচন]*

(১৪)

প্রাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্রী হিচাপে মই লিখকৰ সৈতে সম্পূর্ণ একমত। কথা হৈছে, তেখেতে উল্লেখ কৰা শব্দসমূহ তৃতীয় শ্রেণীৰ কুঁহিপাঠ নামৰ পাঠ্যপুথিত আমিও মন কৰিছো, আৰ পাঠদান দিওঁতে শ্রেণীকক্ষত শিক্ষয়িত্রী হিছাপে আমি নানা সমস্যা তথা অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছো, কিয়নো এনেবিলাক জটিল সংযোগী শব্দ বিশেষকৈ প্রাক বিদ্যালয়ৰ কণ কণ ছাত্র-ছাত্রীৰ বাবে কোনোপধ্যেই গ্রহণযোগ্য হ'ব নোৱাৰে, উচ্চাৰণ কৰিবলৈও জটিল, ইয়াৰ অর্থ বুজাটোও টান, সহজে এনে শব্দ ছাত্র-ছাত্রীয়ে আয়ত্ত কৰিব নোৱাৰে। বিচাৰিলে এনে শ্রুতিকটু শব্দ আৰু বিসংগতিপূর্ণ বাক্য কুঁহিপাঠৰ ১ম খণ্ড, ২য় খণ্ড, ৩য় খণ্ড আৰু ৪র্থ খণ্ডত বহুত ওলাব।

মুঠতে যেয়ে যিহকে নকওক লাগে প্রাক বিদ্যালয়ৰ কোমলমতীয়া কণ কণ ল'ৰা-ছোৱালীক যিমান পৰা যায় সহজ-সৰল আৰু উচ্চাৰণ কৰাত যিবিলাক শুদ্ধ নিয়ম আছে তাৰ যোগেদি শিক্ষাদান দিলেহে পাঠ সহজে

আয়ত্ত কৰিব পাৰিব। জটিল শব্দৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ পাঠ গ্ৰহণত অসুবিধা হয় আৰু আগ্ৰহ কমি যায়।

*[পুণ্যলতা ভূঞা, প্ৰধান শিক্ষয়িত্ৰী, নাজিৰা নগৰ ল'ৰা প্ৰাক বিদ্যালয়]*

(১৫)

আমাৰ ব্যাকৰণবোৰ সংস্কৃতৰ একোটাইত গধুৰ হেঁচাত চেপেটা খাই থকাৰ ফল স্বৰূপে লাভৰ ঘৰত আমি বহুত পাইছো বুলি কেতিয়াও কব নোৱাৰো। অসমীয়া সমাস, প্ৰত্যয়, ণত্ব-বিধি, ষত্ববিধি আদি আটাইবোৰ সংস্কৃতৰ লগত এনেদৰে সংযুক্ত যে আমাৰ নিজা অভিজ্ঞতাৰ পৰা কবলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে ব্যাকৰণৰ ওচৰ চাপিবলৈ ভয় কৰে যাৰ ফলত বিদ্যালয়ৰ কথা দূৰতে থাওক মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে ভাষাজ্ঞান শূন্যতাৰ পৰিণতিস্বৰূপে অসমীয়া ভাষাৰ জাত-পাত মুহাৰি মুচৰি তহিলং কৰি পেলাইছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি বিভাগে ১৯৭০ চনত প্ৰকাশ কৰা 'অসমীয়া ভাষাৰ আখৰ জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি'খন আমি পঢ়িছো। পুথিখনৰ পৰা আমি একো মুৰ উলিয়াব পৰা নাই। তাতে আকৌ অসম সাহিত্য সভাৰ 'আখৰ জোঁটনি সমস্যা'ই সমস্যাৰ সৃষ্টি কৰি সময়ত বিপাঙতহে পেলালে। আমি সাধাৰণ ব্যক্তি, কোনটো এৰিম কোনটো ধৰিম, গ্ৰহণ-বৰ্জন নিৰ্দ্ধাৰণ কৰিব নোৱাৰো।

*[যোগেশ কিশোৰ ফুকন, আমগুৰি, শিৱসাগৰ]*

*হেমচন্দ্ৰ বৰুৱাৰ মত:* বহুতেই ভাবে যে আধুনিক অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই মিছনেৰীসকলে প্ৰবৰ্তন কৰিবলৈ বিচৰা তথাকথিত 'অৰুনোদই'ৰ ভাষাৰ ঘোৰ বিৰোধিতা কৰিছিল। দৰাচলতে সেই মত সচা নহয় - হেমচন্দ্ৰ বৰুৱাই মিছনেৰীসকলৰ সহজ সৰল অসমীয়া ভাষাকে আপোন কৰিছিল। তেওঁ মিছনেৰীসকলৰ বানান পদ্ধতিৰহে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমীয়া শব্দৰ বানান সংস্কৃত মূলৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ধাৰণ কৰিবলৈ চেষ্টা কৰিছিল যদিও অসমীয়া ভাষাত সংস্কৃত ভাষাক জাপি দিয়াটো বিচৰা নাছিল। এই কথা তেখেতৰ তলত দিয়া মতৰ পৰা স্পষ্ট, "যদিও অসমীয়া ভাষাৰ সংস্কৃতেই গুৰি আৰু সংস্কৃত অতি উত্তম ভাষা, তেও অসমীয়া লিখোঁতে যেতিয়ালৈকে আমাৰ মনৰ ভাব অসমীয়া ভাষাত চলি থকা কোনো এটা শব্দত পোৱা যায় তেতিয়ালৈকে অচলিত সংস্কৃত শব্দ লিখা অযুগুত; কিন্তু যেতিয়া দেখা যায় যে, কোনো এটা ভাব প্ৰকাশ কৰিব পৰা শব্দ আমাৰ ভাষাত নাই তেতিয়া সংস্কৃতৰ পৰা, তাত নহলে আন ভাষাৰ পৰা শব্দ ধাৰ কৰাত একো দোষ দেখা নাযায় আৰু তেনে কৰাৰ পৰা ভাষা ভাল আৰু চহকীহে হয়; কিন্তু এই কথালৈ মন নকৰি এতিয়াৰ অনেক ন-লেখাবুৰে পণ্ডিতালি দেখাবৰ ইচ্ছাৰে অসমীয়া লিখাত পাচিয়ে পাচিয়ে সংস্কৃত

শব্দ সুমাই মনেৰে ভাবে যে, তেওঁবিলাকৰ লেখা বৰ শুৱলা হৈছে; কিন্তু সিবিলাকে ভাবি চাব লাগে যে হীৰা মুকুতাবিলাক যদিও বৰ ভাল আৰু বহুমূলীয়া বস্তু, তেওঁ সিবিলাকক ক'ত কিৰূপে পিন্ধিব লাগে তাহৈ নেচাই নাক, কাণ, চুলি আদি সকলো ঠাইতে আঁৰি ললে, যিজনে সেই কাৰ্য কৰে তেওঁ ধুনীয়া নহৈ আপোনাক বীভচ মাখোন দেখাব, আৰু সকলোৱে তেওঁক চহকী বোলাৰ খোজা চহা বুলি হাঁহিব।"

*[সত্যেন্দ্ৰনাৰায়ণ গোস্বামী (সম্পাদিত), হেমচন্দ্ৰ বৰুৱা সাহিত্য-প্ৰতিভা, সৰিতা সভা, গুৱাহাটী, ১৯৮৬, পৃঃ ১৪৬]*

*তিন দহ অধ্যায়*

# ১৯৮৮ চনৰ ধাৰাবাহিক বুৰঞ্জী

২৩ আৰু ২৭ জানুৱাৰী কোকৰাজাৰ জিলাৰ ভুমকা বনগাৱঁত আৰক্ষী বাহিনীৰ দ্বাৰা জনজাতীয় মহিলাৰ ওপৰত সামূহিক ধৰ্ষণ - নজন লোকক চাকৰিৰ পৰা নিলম্বিত আৰু তদন্ত আয়োগ গঠন।

২৪ ফেব্ৰুৱাৰী বিপুল উদ্দীপনাৰে হাইলাকান্দিত অসম সাহিত্য সভাৰ অধিবেশন সম্পন্ন

২৭ ফেব্ৰুৱাৰী অসম চুক্তি ৰূপায়ণত কেন্দ্ৰীয় চৰ্কাৰৰ হেমাহিৰ প্ৰতিবাদত অসম ছাত্ৰ সন্থাৰ দ্বাৰা তিনিদিনীয়া তেল অৱৰোধ আন্দোলন আৰম্ভ।

১৪ মাৰ্চ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ জে-এম-লোধা আৰু এছ-ফুকনে আৰক্ষীৰ দ্বাৰা ভুমকাৰ মহিলা ধৰ্ষণ অমানুষিক আৰু এই ক্ষেত্ৰত সমাজ আৰু ৰাষ্ট্ৰই উচিত ব্যৱস্থা লোৱাৰ প্ৰয়োজন বুলি ৰায় দিয়ে। এই ন্যায়াধীশ দুগৰাকীয়ে বাতৰি কাকতত ওলোৱা বাতৰিকে ভাৰতীয়া সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত দাখিল কৰা ৰীট আবেদন বুলি গণ্য কৰি ৰাজ্য চৰ্কাৰকে ধৰি সংশ্লিষ্ট সকলোলৈকে জাননী দি এঘাৰ মাৰ্চৰ ভিতৰত তথ্য-পাতি দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। এঘাৰ মাৰ্চৰ শুনানীৰ ভিত্তিতে আজিৰ ৰায়। ৰাজহুৱা স্বাৰ্থত এনেদৰে ন্যায় বিচাৰৰ কাৰণে ন্যায়াধীশে আপুনি আগ বাঢ়ি অহাৰ দৃষ্টান্ত বিৰল। এই ৰায়ৰ নিৰ্দেশত চৰ্কাৰে ৯ জনক গ্ৰেপ্তাৰ আৰু কেইজনমানক নিলম্বিত কৰে যদিও এজন বিহাৰী লোক বিহাৰলৈ ছুটী লৈ গুচি যোৱা বাবে গ্ৰেপ্তাৰ কৰিব পৰা নাই।

১৯ মাৰ্চ অসমৰ ৭০খন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষাত শিক্ষা আৰম্ভ।

২৩ মাৰ্চ (ৰে অগ্ৰদূতৰ পৰা) ১৯৮৬ চনত বান পীড়িত খেতিয়কৰ মাজত বিতৰণৰ বাবে অসম চৰ্কাৰৰ বীজ নিগমে বজাৰ দামতকৈ দুগুণৰ অধিক দাম দি সংগ্ৰহ কৰাৰ অভিযোগ তদন্ত কৰিবলৈ পতা বিধান সভাৰ কমিটিয়ে কৃষি বিভাগ আৰু বীজ নিগমক ঘোৰতৰ অনিয়মৰ বাবে দায়ী কৰিছে আৰু দোষী বিষয়াসকলক শাস্তি দিবলৈ পৰামৰ্শ দিছে।

৩ এপ্ৰিল (বে অগ্ৰদূতৰ পৰা) ফেণী কমিটিৰ প্ৰতিবেদনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে আগৰ চৰ্কাৰে বন বিভাগত দিয়া অবৈধ নিযুক্তিবোৰ আইন বিষয়ক আৰু কেতবোৰ আন অসুবিধাৰ বাবে বাতিল কৰিব পৰা নহ'ব। জনজাতীয় সমস্যাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয় যে অসম গণ পৰিষদত সৰ্বাধিক জনজাতীয় বিধায়ক আছে যেতিয়া অন্য কোনেও এই দলতকৈ অধিক জনজাতীয়ৰ প্ৰতিনিধিত্ব কৰে বুলি দাবী কৰিব নোৱাৰে।

মুখ্যমন্ত্ৰীৰ মতে অসমৰ মেধাসম্পন্ন যুৱকে যাতে সৰ্ব ভাৰতীয় প্ৰশাসনীয় সেৱাত অবাধে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে, তাৰ বাবে ৰাজ্য চৰ্কাৰে ভালে সংখ্যক প্ৰাৰ্থীক গাইপতি দহ হেজাৰ টকাকৈ জলপানি দিছিল কিন্তু যোৱা দুবছৰে এওঁলোকৰ এজনেও আই-এ-এছ নাপালে।

৪ এপ্ৰিল নলবাৰীত অসম ছাত্ৰ সন্থাৰ আগৰ নেতা দীনেশ কলিতাক কোনোবাই গুলিয়াই হত্যা কৰে।

৬ এপ্ৰিল উপেন ব্ৰহ্মৰ বড়ো ছাত্ৰ সন্থাৰ এটা উন্মত্ত দলে কোকাৰাজাৰৰ ওচৰৰ ভানুগাঁৱত আক্ৰমণ কৰি এজনৰ মৃত্যু ঘটায় আৰু বহু কেইটা ঘৰত জুই লগাই দিয়ে।

১০ এপ্ৰিল মানাহ অভয়াৰণ্যত অসমৰ মন্ত্ৰী উৎপল দত্তই মদৰ নীচাত বিদেশী মহিলা আৰু অতিথিৰ প্ৰতি অশালীন ব্যৱহাৰ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ ওচৰত অভিযোগ। (এই মন্ত্ৰী গৰাকীক পিছত মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য কৰা হয়)।

১৩ এপ্ৰিল (বে অগ্ৰদূতৰ পৰা) অহা ৰাবিবাৰ পিছতেই বিদেশী চিনাক্তকৰণ আৰু বিতাড়নৰ কাম পূৰ্ণ উদ্যমে আৰম্ভ হ'ব বুলি অসম চৰ্কাৰৰ ঘোষণা।

২০ এপ্ৰিল (বে অগ্ৰদূতৰ পৰা) অসম গণ পৰিষদৰ ভালেমান বিধায়কে দুজন মন্ত্ৰীৰ কাৰ্য কলাপত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিছে।

গাদী ৰক্ষা আৰু মন্ত্ৰী হোৱাৰ লেতেৰা ৰাজনীতিত গণ পৰিষদৰ নেতা ব্যস্ত বুলি আলফাৰ অভিযোগ।

কাৰ্বি আংলং জিলাত স্বায়ত্ত শাসিত ৰাজ্যৰ দাবীত অনা কাৰ্বি ৰাইজৰ ওপৰত অত্যাচাৰ কৰাৰ প্ৰতিবাদত কাৰ্বি আংলং জিলা কছাৰী সমাজৰ প্ৰতিবাদ শোভাযাত্ৰা।

২৭ এপ্ৰিল (ৰে অগ্ৰদূতৰ পৰা) অসমৰ প্ৰায় সকলো ঠাইতে সহজে হোৱা গান্ধ বিৰিণাৰ (citronela) পৰা তেল উৎপাদনৰ সম্ভাৱনাই ৰাজ্যখনলৈ নতুন উদ্যোগৰ প্ৰতিশ্ৰুতি আনিছে।

অসম চৰ্কাৰৰ ৰাজহ বিভাগৰ ন্যস্তস্বাৰ্থই চিলিঙৰ অতিৰিক্ত মাটি হকে-বিহকে মালিক সকলক গতাই দিছে বুলি ৰাজহুৱা অভিযোগ।

নিখিল বড়ো ছাত্ৰসন্থাৰ আহ্বানত ৭২ ঘণ্টীয়া অসম বন্ধ কোকাৰাজাৰ, বিজনী, ওদালগুৰি আদি ঠাইত পালন কৰা হয়। অ'ত ত'ত হোৱা অজনজাতীয় লোকৰ ওপৰত আক্ৰমণত কেবাজনও নিহত আৰু আহত হয়।

২ মে যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰিবেশ কৰ্মশালাত মেগাচাইচাই বঁটা বিজয়ী চণ্ডীপ্ৰসাদ ভাটখাণ্ডেই অসমৰ প্ৰতিদিনে নিম্নগামী পৰিবেশ সম্পৰ্কে অধিক সচেতন হ'বলৈ ৰাইজ আৰু চৰ্কাৰক অনুৰোধ কৰে।

১৪ মে অসমৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিক লৈ মুখ্যমন্ত্ৰীৰ জনজাতীয় সমস্যাৰ বিষয়ে আলোচনা।

২৫ মে (ৰে অগ্ৰদূতৰ পৰা) বড়ো ছাত্ৰসন্থাৰ আন্দোলনৰ ফলত ৰাইজৰ ভিন ভিন অঞ্চলত অশান্তি। এপ্ৰিল আৰু মেই মাহৰ ভিতৰতে ১৬টা বোমা ফুটোৱা হয়।

জুন গৌৰীপুৰত নিৰীহ জনতাৰ ওপৰত পুলিচৰ অত্যাচাৰ আৰু তাৰ প্ৰতিবাদত হোৱা সংঘৰ্ষত পুলিচৰ গুলী চালনা।

২২ জুন অসমৰ নগাওঁ জিলাত যোৱা কেই বছৰে হৈ থকা বানপানীৰ কাৰণে কপিলী জল-বিদ্যুৎ প্ৰকল্পই দায়ী বুলি নগাওঁ জিলা ছাত্ৰ সন্থাৰ প্ৰেছ বিবৃতি।

দুলীয়াজানত থকা অইল ইণ্ডিয়াৰ জ্যেষ্ঠ জনসম্পৰ্কৰক্ষী বিষয়াক আততায়ীয়ে গুলিয়াই হত্যা কৰে। তাৰ ২৪ ঘণ্টাৰ ভিতৰতে নামৰূপত থকা হিন্দুস্থান সাৰ নিগমৰ জ্যেষ্ঠ জনসম্পৰ্কৰক্ষী বিষয়া দিলীপ চলিহাও আততায়ীৰ গুলিত নিহত হয়।

২৮ জুন বৰপেটাৰোডৰ এটা চিনেমা হলত বোমা ফুটোৱাত আঠজন নিহত আৰু বহুলোক আহত হয়।

| | |
|---|---|
| ১০ জুলাই | নগাওঁৰ দুটা চিনেমা হলত বোমা ফুটোৱাত ষাঠীজন লোক আহত হয়। |
| | অসমৰ ৰাইজৰ আকাংখ্যা পূৰণত গণ পৰিষদ চৰ্কাৰ ব্যৰ্থ হৈছে বুলি ছাত্ৰ সন্থাৰ নেতা অতুল বৰাৰ অভিযোগ। |
| ১৩ জুলাই | বান পীড়িতলৈ আগ বঢ়োৱা বিনামূলীয়া ঘেঁহুৰ বীজ বিতৰণ নকৰাকৈ লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগত শোণিতপুৰৰ কেবা গৰাকীও কৃষি বিভাগৰ বিষয়া নিলম্বিত। |
| ২১ জুলাই | অসমত আলছাৰেতিভ ডিজিচ চিন্দ্ৰম (ulcerative Disease Syndrome) নামৰ মাছৰ মহামাৰী। বেমাৰী মাছ খাই সাপ-চৰাই-চিৰিকতিৰ উপৰিও দুই এঠাইত মানুহৰও মৃত্যু। ৰাজ্যৰ কেবাখনও জিলাত মাছ মৰা আৰু মাছ বিক্ৰী কৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰি দিয়া হয়। |
| ৩১ জুলাই | কলীয়া ভোমোৰা দলঙৰ খুটা হেলেকা হোৱাত ৰাইজৰ আশংকা। |
| ৬ আগষ্ট | অসমত এক তাণ্ডৱ ভূমিকম্প। |
| | অসমত আকৌ প্ৰলয়ংকাৰী বান। ধুবুৰীৰ চিন চাব নোহোৱা, গুৱাহাটীৰ ভৰলুমুখ অঞ্চলৰ বুজন অংশ পানীৰ তল যোৱা আদি ঘটনাৰ পৰা এইবাৰৰ বানৰ বিভীষিকাৰ স্বৰূপ বুজিব পাৰি। এই বানপানীয়ে বহুত দলং, বহুত নদীৰ বান্ধ মথাউৰি আদি ধ্বংস কৰাৰ উপৰিও ১০টা মজলীয়া জলসিঞ্চন পদ্ধতি, ৫৪৭টা সৰু জলসিঞ্চন পদ্ধতি আৰু ৭১৬৮টা পানীকল অকামিলা কৰে। লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, শোণিতপুৰ, দৰং, নগাওঁ, কামৰূপ, নলবাৰী আৰু ধুবুৰী জিলাৰ প্ৰায় পাঁচ হেজাৰখন গাঁও বানৰ কবলত পৰাই অসমৰ জনসংখ্যাৰ প্ৰায় তিনি ভাগৰ এভাগ শোচনীয় পৰিস্থিতিৰ সন্মুখীন। |
| ৩১ আগষ্ট | অ-গ-পৰ কেন্দ্ৰীয় কমিটিৰ বৈঠকত তলত দিয়া সিদ্ধান্ত কেইটা লোৱা হয়ঃ (ক) প্ৰধান মন্ত্ৰীয়ে অসম ভ্ৰমণ কৰি বানপানীৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ প্ৰয়োজন বোধ নকৰা বাবে গৰিহণা দিয়ে। (খ) এই বিষয়ে অসমৰ ৰাজ্যপালেও একো নকৰা বাবে আশ্চৰ্য প্ৰকাশ কৰে। (গ) অ-গ-প আৰু আন দলৰ এক প্ৰতিনিধি দিল্লীলৈ গৈ কেন্দ্ৰৰ অৱহেলাৰ প্ৰতিবাদত বিক্ষোভ প্ৰদৰ্শন কৰিব লাগে। (ঘ) দলে ৰাষ্ট্ৰীয় মৰ্চাত যোগদানৰ সিদ্ধান্ত অনুমোদন কৰে। |

৬ ছেপ্তেম্বৰ সদৌ কামৰূপ ছাত্ৰ সন্থাই এক সাংবাদিক মেলত ৰাজ্যৰ কেবাজনো মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ তুলি নথি-পত্ৰ প্ৰকাশ কৰে।

৮ ছেপ্তেম্বৰ ভাৰতৰ সাতটা বিৰোধী দল আৰু অ-গ-পৰ প্ৰতিনিধি দল এটাই বানপানী বিধ্বস্ত অঞ্চল ভ্ৰমণৰ অন্তত এইবাৰৰ বানপানীক এই শতিকাৰ বৃহত্তম আৰু এই শতিকাৰ এক অভূতপূৰ্ব দুৰ্যোগ বুলি অভিহিত কৰে।

১৩ ছেপ্তেম্বৰ অসমত বানপানীয়ে তিনি সপ্তাহ ধৰি ধ্বংসৰ তাণ্ডৱ-লীলা দেখুওৱাৰ পিছত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী অসম ভ্ৰমণৰ কাৰণে আহে। অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰী ইমান পলমকৈ অহা বাবে আৰু অসমৰ বান পীড়িত ৰাইজৰ প্ৰতি সহানুভূতি নজনোৱাৰ বাবে ক্ষোভ প্ৰকাশ কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰীক আদৰিবলৈ নগ'ল আৰু যাবৰ সময়তো তেওঁক বৰজাৰ বিমান কোঠত দেখা নকৰিলে। ১৪ ছেপ্তেম্বৰত প্ৰধান মন্ত্ৰী যোৰহাটৰ পৰা গুৱাহাটীলৈ অহা বাটত এজন যুৱকে কলা পতাকা দেখুৱায়।

১৫ ছেপ্তেম্বৰ (ৰে অগ্ৰদূতৰ পৰা) অ-গ-প চৰ্কাৰৰ যিসকল মন্ত্ৰী বিধায়কৰ গুৱাহাটীত মাটি নাই সেই সকলক মাটিবাৰী দি নিগাজীকৈ গুৱাহাটীত বসবাস কৰাৰ সুবিধা কৰি দিবলৈ চৰ্কাৰে হেনো আঁচনি লৈছে।

৮-৯ অক্টোবৰ অ-গ-পৰ ৰাজ্যিক পৰিষদৰ নগাওঁত হোৱা বৈঠকত শীঘ্ৰে মন্ত্ৰী পৰিষদখন পুনৰ গঠন কৰিবলৈ মুখ্য মন্ত্ৰীক নিৰ্দেশ।

১৪ অক্টোবৰ বড়ো উগ্ৰপন্থীৰ লোকে গায়িকা গংগাদেবী আৰু তেওঁৰ দেউতাকক নিষ্ঠুৰ ভাবে হত্যা কৰে।

১৫ অক্টোবৰ গুৱাহাটীৰ ব্যৱসায়ী গিৰিধাৰীলাল হৰলালকা আততায়ীৰ হাতত নিহত হয়।

২২ অক্টোবৰ মন্ত্ৰী সভাৰ ১২জন মন্ত্ৰীক মহন্তই দুনীতিৰ অভিযোগৰ কাৰণে খেদে। তেওঁলোকক সংগঠনৰ কামত লগাবলৈহে আঁতৰাইছে বুলিহে মুখ্যমন্ত্ৰীয়ে কয় যদিও ৰাইজে দুনীতিয়েই প্ৰধান কাৰণ বুলিহে ভাবে। খেদাখোৱা মন্ত্ৰী কেইগৰাকী হ'লঃ ললিত ৰাজখোৱা, চন্দ্ৰমোহন পাটোৱাৰী, নগেন শৰ্মা, পবিন্দ্ৰ ডেকা, বিৰাজ শৰ্মা, দীগেন বৰা, প্ৰদীপ গগৈ, কামাখ্যা চৌধুৰী, ৰমেন কলিতা, দীপেন কলিতা আৰু থানেশ্বৰ বড়ো।

৬ নৱেম্বৰ অসম-অৰুণাচল সীমা অশান্ত।

১৮ নৱেম্বৰ অ-গ-পৰ কেন্দ্ৰীয় কমিটিৰ সভাই মন্ত্ৰী সভাৰ শেহতীয়া সাল-সলনিৰ প্ৰতি সমৰ্থন জনায় আৰু দল বিৰোধী কাৰ্যত লিপ্ত বিধায়কৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব বুলি সকিয়নী দিয়ে।

১৬ ডিচেম্বৰ অ-গ-প দলৰ আগৰ মন্ত্ৰী আৰু বিধায়ক চন্দ্ৰ পাটোৱাৰীক দলৰ প্ৰাথমিক পদৰ পৰা সাময়িক ভাবে বৰ্খাস্ত কৰে।

## বছৰটোৰ খতিয়ান

*অ-গ-প চৰ্কাৰৰ দুৰ্নীতি:* অ-গ-প চৰ্কাৰৰ দুৰ্নীতিৰ ক্ষেত্ৰত মহন্তই শেষত সাৰ পালে। দুৰ্নীতিপৰায়ণ কেইজনমান লোকক মন্ত্ৰীসভাৰ পৰা খেদা কাৰণে ৰাইজে ভাল পাইছে। কিন্তু, -

'শ্ৰীমহন্তই কয় যে এখন চৰ্কাৰ, এটা প্ৰশাসন সুন্দৰ আৰু নিকা হৈ চলিব পাৰে সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহযোগতহে। মন্ত্ৰী, বিধায়কসকলে চেষ্টা কৰিব পাৰে। কিন্তু অকল সেয়েই যথেষ্ট নহয়। জনসাধাৰণৰ সহযোগিতা এইক্ষেত্ৰত একান্ত কাম্য।' *(অসম বাণী, ২৬ জুন, ১৯৮৭)*,

'দুৰ্নীতি সমাজৰ এক ডাঙৰ ব্যাধি হৈ উঠিছে। দুৰ্নীতিমুক্ত এখন চৰ্কাৰৰ বাবে দুৰ্নীতিমুক্ত এখন সমাজ লাগিব' *(মন্ত্ৰী অতুল বৰা, প্ৰান্তিক, ১৬ ৩১ জানুৱাৰী '৮৯)* -

আদি ধৰণৰ কথাই ৰাইজক হতাশ কৰিছে কিয়নো অ-গ-প চৰ্কাৰে সমাজৰ পৰা দুৰ্নীতি পুলিয়ে পোখাই উঘালিব বুলি ৰাইজে আশা কৰা নাই - ৰাইজে নিৰ্বাচিত কৰি পঠিওৱা বিধায়ক মন্ত্ৰীসকল দুৰ্নীতিত লিপ্ত নহৈ নিকা প্ৰশাসনৰ বাট মুকলি কৰি দিব বুলিহে আশা কৰি আছিছে। সেয়েহে, মন্ত্ৰী-বিধায়কসকলে 'দুৰ্নীতিত লিপ্ত নহওঁ, দুৰ্নীতিক প্ৰশ্ৰয় নিদিওঁ, ক্ষমতাৰ অপব্যৱহাৰ নকৰোঁ' আদি প্ৰতিশ্ৰুতি দি সেইমতে কাম কৰি দেখুৱালেই ৰাইজ সন্তুষ্ট হ'ব। কিন্তু

'অসমৰ ৰাইজে বৰ দুখেৰে লক্ষ্য কৰিছে যে অসমৰ অস্তিত্বৰ নামত শপত গ্ৰহণ কৰা মন্ত্ৰী বিধায়কসকলে অসমৰ ৰাইজক পাহৰি গৈছে।

প্ৰত্যেকজনেই বিচাৰিছে ক্ষমতা, ত্যাগ আৰু দায়িত্বৰ প্ৰশ্ন যেন প্ৰত্যেকেই গা-এৰা দিবলৈ বিচাৰিছে।' *(সম্পাদক, অগ্ৰদূত, ১১ ডিচেম্বৰ)*

'এই সাল-সলনিয়ে নিকা প্ৰশাসন গঢ়িব পাৰিব বুলি মনে নধৰে। মন্ত্ৰী সকলৰ নিজস্ব সম্পত্তিৰ তালিকা ৰাজহুৱা ভাৱে ঘোষণা কৰিম বুলি দিয়া প্ৰতিশ্ৰুতি আজি পৰ্যন্ত পালন কৰিব নোৱাৰা কথাতেই তাৰ পৰিচয় ফুটি উঠিছে। এই চৰ্কাৰে নিকা প্ৰশাসনৰ নামত বক্তব্য ৰখাৰ বাদে আন একো কৰিব পৰা নাই।'

*(অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক অদীপ কুমাৰ ফুকন)*

'বৰ্তমানৰ চৰ্কাৰখন সম্পূৰ্ণৰূপে আমোলা বিষয়াৰ নিয়ন্ত্ৰণাধীন হৈ পৰিছে। উপযুক্ত মানুহক, যোগ্য ব্যক্তিক উলাই কৰা হৈছে। তেওঁলোকৰ মাজত সহযোগিতা আৰু বুজাপৰাৰ কোনো পৰিবেশ আছে বুলি মনে নধৰে। তেওঁলোকে স্বাৰ্থজড়িত লোকৰ ভুল নিৰ্দেশত কেতবোৰ অপ্ৰিয় কাম কৰিছে যিবোৰে ৰাইজক কষ্ট দিছে। স্বাৰ্থপৰতাক অগ্ৰাধিকাৰ দিয়া হৈছে।'

*(কুন্তলা ডেকা)*

তদুপৰি, মহন্ত চৰ্কাৰৰ পৰা খেদাখেদা মন্ত্ৰী কেইজনাই বিধান সভাৰ ভিতৰে বাহিৰে প্ৰফুল্ল মহন্তক ব্যক্তিগত ভাৱে আৰু তেওঁৰ চৰ্কাৰক তীব্ৰ সমালোচনা কৰাৰ উপৰিও দল বিৰোধী, জাতি-বিৰোধী আৰু অসম-বিৰোধী কাৰ্য আৰম্ভ কৰে। ক্ষমতা আৰু মন্ত্ৰিত্বই আনি দিয়া বৈষয়িক লাভালাভৰ লোভত পৰি আমাৰ মানুহে কেনেদৰে আদৰ্শহীন হৈ পৰে তেওঁলোকে তাৰ ভাল পৰিচয় দিয়ে।

*জনজাতীয় সমস্যা:* বড়ো, কাৰ্বি আৰু ভৈয়ামৰ জনজাতিসকলৰ আন্দোলন এই বছৰটোৰ উল্লেখযোগ্য ঘটনা। তেওঁলোকৰ কোনো কোনোৱে হিংসাত্মক পথ লোৱাটো যিদৰে ধিক্কাৰ দিব লগীয়া সেইদৰে তেওঁলোকৰ প্ৰকৃত দাবী বিলাকৰ প্ৰতি চৰ্কাৰ আৰু ৰাইজ এতিয়াও সজাগ নোহোৱাটো দুখৰ কথা। সচা কথা ক'বলৈ গ'লে আগৰ সকলো চৰ্কাৰতকৈ গণ পৰিষদ চৰ্কাৰে জনজাতিসকলৰ উন্নয়নৰ কাৰণে বহুত বেছি কৰিছে যদিও কোনো কোনো দিশত তেওঁলোকক সম্পূৰ্ণ অৱহেলা নকৰা নহয়। উদাহৰণ স্বৰূপে অসমত থকা ৪৫ টা চৰ্কাৰী নিকায় আৰু নিগমৰ সভাপতি বা চেয়াৰমেনৰ পদবীত কেইজন জনজাতীয় লোকক নিযুক্তি দিলে? অসমৰ প্ৰশাসন যন্ত্ৰত (এ-চি-এছ বিষয়া আদিৰ ক্ষেত্ৰত) জনজাতীয়লোকক সাঙুৰিবলৈ কেনে প্ৰচেষ্টা চলোৱা হৈছে? হয়তো বহুতে ক'ব জনজাতীয় সকলৰ মাজত উপযুক্ত লোকৰ অভাৱ - কিন্তু, 'ভালেমান অনভিজ্ঞ ব্যক্তিৰ দ্বাৰা নিগমৰ সভাপতি বা চেয়াৰমেনৰ পদবোৰ অলংকৃত কৰাৰ ফলত চৰ্কাৰৰহে ত্ৰুটি হৈছে' (অগ্ৰদূত, ২৫ ডিচেম্বৰ, পৃঃ ১৩) বা চৰ্কাৰে দায়িত্বহীন মদাহীকও এনেবোৰ পদত বহুৱাইছে

বুলিহে সমালোচনা হৈছে। চৰ্কাৰে এইবিলাক পদবীত নিযুক্ত কৰা লোকসকলতকৈ বহু অভিজ্ঞ আৰু ভাল চৰিত্ৰৰ লোক জনজাতীয়সকলৰ মাজত আছে। সেইদৰে আমাৰ অজনজাতীয় বিষয়াসকল কেনে ধৰণৰ তাৰও প্ৰমাণ ফেণী কমিটিৰ প্ৰতিবেদন, আলু গুটিৰ তদন্ত, ঘেঁহু বীজৰ তদন্ত আদিয়ে ভালকৈ উদঙাইছে - সেয়েহে, অজনজাতীয়লোক বেছি দক্ষ (হয়তো দুৰ্নীতিৰ ক্ষেত্ৰত এইটো সচা) কিন্তু জনজাতীয়সকলৰ মাজত উপযুক্ত লোকৰ অভাৱ আদিৰ যুক্তি সম্পূৰ্ণ ভিত্তিহীন।

সমাজেও, বিশেষকৈ বৰ্ণ হিন্দুৰ লোকসকলে জনজাতীয় লোকসকল একপ্ৰকাৰ হীন, নীচ লোক বুলি বহু যুগৰ পৰা বুকুত বান্ধি ৰখা মনোভাব এৰিবলৈ চেষ্টা কৰা দেখা নাযায়। জনজাতীয় ভাষাবিলাক আৰু অসমীয়া ভাষাৰ মাজত বাঢ়ি অহা বিভেদ আঁতৰাবলৈ আমাৰ ভাষা-সাহিত্যৰ নেতাসকলে একো কৰা নাই। সেয়েহে, জনজাতীয় আন্দোলন ইন্দিৰা কংগ্ৰেছৰ প্ৰৰোচনাত বা সুবিধাবাদী স্বাৰ্থ-অন্বেষী নেতাৰেই সৃষ্টি বুলি সান্তনা লভিলে নহ'ব। জনজাতীয়সকলক সমাজ, প্ৰশাসন, ভাষা-সাহিত্য আদিৰ মূল সুঁতিলৈ আনিবলৈ আন্তৰিক প্ৰচেষ্টাৰ বিশেষ প্ৰয়োজন।

অনুসূচিত জাতিৰ লোকৰ প্ৰতিও আমাৰ সমাজ আৰু চৰ্কাৰে অৱহেলা এৰা নাই। এটা সাধাৰণ উদাহৰণ দিওঁ। যোৱা দুবছৰ আমেৰিকালৈ পঢ়িবলৈ অহা ভালে কেইজন ছাত্ৰক অসম চৰ্কাৰে এককালীন নাইবা আন বৃত্তি দিলে। এওঁলোকৰ ভিতৰত ডাঙৰ ডাঙৰ বিষয়াৰ ল'ৰা-ছোৱালী আছে। আনকি, ১৩ মেই অগ্ৰদূতত ওলোৱা এটা বাতৰিৰ মতে 'অসম চৰ্কাৰৰ শিক্ষা বিভাগে মাৰ্কিণ যুক্তৰাষ্ট্ৰৰ নাগৰিকত্ব লোৱা লোকৰ পত্নীলৈ একলাখ সোতৰ হাজাৰ টকাৰ অনুদান আগ বঢ়োৱাত বাইজৰ মাজত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।' - মহিলা পৰাকী অসমৰ এখন বাতৰি কাকতৰ সম্পাদকৰ জীয়েক আৰু সেই বাতৰি কাকতৰ সম্পাদকীয়ত শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামীৰ প্ৰশংসা ওলোৱাটোও লক্ষণীয় বুলি অগ্ৰদূতৰ সম্পাদকৰ মন্তব্য। সি যিয়েই নহওক, যোৱা বছৰ এম-আই-টিত (মেছাচুচেট্‌চ ইনষ্টিটিউট অৱ টেকন'লজিত) স্নাতক পঢ়িবলৈ বৃত্তি পোৱা অনুসূচিত জাতিৰ ছাত্ৰ ৰঞ্জন কুমাৰ দাসক এটা ফুটা কড়িও নিদিলে। যোৱা বছৰ, এম-আই-টিত স্নাতক পঢ়িবলৈ সুবিধা পোৱা একমাত্ৰ ভাৰতীয় আৰু আমেৰিকালৈ আহিবৰ কাৰণে আৰ্থিক সাহায্য ৰঞ্জন আৰু ৰঞ্জনৰ পৰিয়ালৰেই বেছি প্ৰয়োজন আছিল। এনেকুৱা ধৰণৰ কথাৰ এইটো এটা লেখহে, বাতৰি কাকতত এনে ঘটনা অলেখ ওলাই আছে।

জনজাতীয় সমস্যাৰ বিষয়ে যোৰহাটৰ পৰা প্ৰকাশিত সাময়িকী নামৰ আলোচনীৰ ১৯৮৭ চনৰ আগষ্টৰ সংখ্যাৰ সম্পাদকীয়ত লিখা অপ্ৰিয় সত্য কিছুমান প্ৰণিধান যোগ্য-

"উনবিংশ শতিকাৰ পৰা নিৰ্দিষ্ট ঐতিহাসিক কাৰণত বিভিন্ন গোষ্ঠী, বৰ্ণৰ মিলন আৰু একীভৱনৰ মাজেদি গঢ় লৈ উঠা অসমীয়া সমাজখনত বৰ্ণ-হিন্দু

অসমীয়াসকলৰ বাঢ়ি অহা প্ৰভূত্ব আৰু প্ৰতিপত্তি এক উল্লেখযোগ্য ঘটনা। বৃটিচৰ ঔপনিবেশিক অৰ্থনীতিৰ প্ৰশাসনত এওঁলোকে প্ৰধানকৈ কেৰেণী-মহৰীৰ চাকৰিত নিযুক্ত আছিল। প্ৰশাসনৰ লগত যুক্ত থকাই পৰিবৰ্তিত সময় আৰু বাস্তৱৰ আওভাও তেওঁলোকে সোনকালে পাই গৈছিল আৰু প্ৰশাসনৰ বাহিৰত থকা জনজাতীয়সকলৰ পৰা ছলেৰে মাটি-সম্পত্তি হস্তগত কৰি সম্পদশালী হৈ উঠিছিল। এইদৰেই, সময়ত এওঁলোকেই অসমীয়া মধ্যবিত্ত শ্ৰেণী হিচাপে আত্মপ্ৰকাশ কৰে।

তেতিয়াৰে পৰা আজিও, বৰ্তমানৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ একেবাৰে ওপৰ অংশটো হিচাপে এওঁলোকেই অসমৰ আৰ্থ-ৰাজনৈতিক আৰু সেয়ে সামাজিক-সাংস্কৃতিক ক্ষেত্ৰতো প্ৰভূত্বকামী আৰু নেতৃত্বকাৰী শক্তি হিচাপে বৰ্তি আছে। (আৰু ঘটনাই এতিয়া প্ৰমাণ কৰি দিছে যে অসম গণ পৰিষদ চৰ্কাৰো মুলতঃ এই অংশৰে এক নতুন প্ৰতিনিধি মাত্ৰ।)...

আগৰ বৰ্ণবাদী হিন্দু নেতৃবৰ্গৰ দৰেই অবদমন চলাই যাবলৈ অ-গ-প চৰ্কাৰে সাবধানে চলাই যোৱা জঘন্য কৌশলটি হৈছে এই - শিক্ষিত জনজাতি এচামক হাত কৰি শাসনত আসন দিয়া হ'ল - কিন্তু তেওঁলোকক গঢ়ি তোলা হ'ল বৰ্ণবাদী হিন্দু নেতৃবৰ্গৰ বিশ্বস্ত ভৃত্য হিচাপে। ...

কিন্তু পৰিস্থিতিৰ সলনি হৈছে। এই ভুৱা প্ৰতিনিধি বনোৱা জঘন্য কৌশলৰ প্ৰতি জনজাতি ৰাইজ যিদৰে সজাগ হৈছে, বৰ্ণবাদী হিন্দু নেতৃত্বৰ ফালেৰীত পৰিণত হোৱা ভুৱা প্ৰতিনিধিইঁতৰ বিৰুদ্ধেও তেওঁলোক সচেতন হৈ উঠিছে। আনহাতে অসম আন্দোলনত যোগদান কৰাৰ পিছত কেন্দ্ৰীয় চৰ্কাৰৰ পাশবিক চৰিত্ৰ সম্পৰ্কেও জনজাতি ৰাইজ আজি বহুদুৰ সজাগ।"

*গৌতম কুমাৰ বৰা*

*চুবুৰীয়া ৰাজ্যৰ লগত সীমা বিবাদঃ* মেঘালয়, নগালেণ্ড আৰু অৰুণাচল ৰাজ্যৰ লগত হোৱা সীমা বিবাদ এই বছৰটোৰ এটা উল্লেখযোগ্য ঘটনা। অ-গ-প চৰ্কাৰ ইন্দিৰা কংগ্ৰেছৰ নহয় যেতিয়া আৰু অ-গ-প চৰ্কাৰে ৰাষ্ট্ৰীয় বিৰোধী মৰ্চাত যোগদান কৰিছে যেতিয়া এই তিনিখন ৰাজ্যৰ ইন্দিৰা চৰ্কাৰ আৰু ইন্দিৰা কংগ্ৰেছৰ নেতাসকলে সীমা বিবাদ বিকৃত কৰি অ-গ-প চৰ্কাৰক জুলুম কৰাটো স্বাভাৱিক। এই সীমা বিবাদ অতি ওপৰুৱা সমস্যা - আমি সকলো একেখন দেশৰে নাগৰিক যেতিয়া কোনখিনি ঠাই কোনখন ৰাজ্যৰ প্ৰশাসনৰ তললৈ যায় সেইটো বৰ ডাঙৰ কথা নহয়। গুৰুত্বপুৰ্ণ কথা হৈছে যেই কোনো অঞ্চলৰ বাসিন্দাসকলৰ নিৰাপত্তা আৰু প্ৰাকৃতিক সম্পদ বা বন জংঘলৰ সংৰক্ষণ। সেয়েহে, বিবাদমান অঞ্চলৰ স্বত্ব সুৰক্ষা আৰু বন অঞ্চলৰ সুৰক্ষাৰ ওপৰত প্ৰাধান্য দিহে সমস্যাৰ সমাধান বিচৰা উচিত। সীমান্ত অঞ্চলত দুয়োখন ৰাজ্যৰ লগত জাতিগত বা বৈবাহিক সম্বন্ধ থকা লোকসকলক বসবাস কৰিবলৈ দিয়াৰ প্ৰচেষ্টাও চলাব লাগে।যেনে নগা-অসম সীমান্তত অসমীয়া

ছোৱালী বিয়া কৰোৱা নগালোক বা নগা ছোৱালী বিয়া কৰোৱা অসমীয়া লোকক বসবাস কৰাৰ প্ৰচেষ্টা চলাব লাগে।

*বানপানীঃ* যোৱা দুটা বছৰ অসমত বানপানীয়ে অভাৱনীয় দুৰ্যোগ সৃষ্টি কৰিলে কিন্তু দুৰ্ভাগ্যবশত বানপানী হোৱা কেইদিন বানপানীৰ স্থায়ী সমাধান বিচাৰি চৰ্কাৰ, প্ৰেছ, নেতা আদিয়ে যেনেদৰে হুলস্থূল কৰে বানপানী শাম কাটিলে তেনেদৰেই তেওঁলোকে একেবাৰে সকলো পাহৰি যায়। বানপানীৰ স্থায়ী সমাধানৰ কাৰণে প্ৰয়োজন পৰিকল্পিত ভাবে নিৰীক্ষণ আৰু তথ্য পাতি সংগ্ৰহ কৰি কম্পিউটাৰ প্ৰতিৰূপ গঠন। সমস্যাটোৰ গুৰুত্ব উপলব্ধি কৰি যোৱা বছৰ আনাৰ (অৰ্থাৎ আচাম এছোচিয়েচন অব' আমেৰিকাৰ) ফালৰ পৰা আমেৰিকাৰ ৰাটগাৰ্চ বিশ্ববিদ্যালয়ৰ অভিজ্ঞ বিশেষজ্ঞ ডঃ দেবকান্ত বৰাক এই বিষয়ে ৰাইজ, চৰ্কাৰ আৰু বৈজ্ঞানিক সকলক অৱগত কৰিবৰ কাৰণে অসমলৈ পঠিওৱা হৈছিল। কিন্তু, এই বিষয়ে চৰ্কাৰ বা ব্ৰহ্মপুত্ৰ বৰ্ডে একো কাম হাতত লোৱা নাই। সেয়েহে, আকৌ অহা বানত হৈ চৈ হা-হুতাশ শুনিবলৈ অপেক্ষা কৰাৰ বাহিৰে আমি কৰিব পৰা একো নাই।

*তিন দহ এক অধ্যায়*

# শিক্ষাৰ পৰিবেশ সলনি কৰাৰ উপায়

## আগকথা

ইংৰাজৰ দিনত আমাৰ দেশত ঘাইকৈ ক-খ দুটা শ্ৰেণীৰ শিক্ষা আৰম্ভ কৰি প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে ১২ বছৰীয়া স্কুলীয়া শিক্ষা আৰু তাৰ পিছত মেট্ৰিক পৰীক্ষাৰ ব্যৱস্থা আছিল। মেট্ৰিকৰ পিছত চাৰি বছৰীয়া কলেজীয়া শিক্ষাৰে বি-এ, বি-এছ-চি আদি ডিগ্ৰী পোৱাৰ ব্যৱস্থা আছিল। এই ডিগ্ৰী পোৱাৰ আগতে আই-এ বা আই-এছ-চি পাছ কৰিব লাগিছিল। আমাৰ দেশীয় চৰ্কাৰে এই শিক্ষা পদ্ধতি ভাল নোপোৱা কাৰণে শিক্ষাৰ এক নতুন দিশ ৰচনা কৰিবৰ দায়িত্ব মুদালিয়াৰ আয়োগৰ ওপৰত দিয়ে। ১৯৫৩ চনত মুদালিয়াৰ আয়োগে স্কুলীয়া শিক্ষা একাদশ শ্ৰেণীলৈকে বঢ়াই দি হায়াৰ ছেকেণ্ডাৰী স্কুল গঠন কৰিবলৈ আৰু তিনি বছৰীয়া ডিগ্ৰী প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ দিয়ে। যেনে পৰামৰ্শ তেনে কাম - তৎক্ষণাৎ বহু স্কুল হায়াৰ ছেকেণ্ডাৰী কৰা হ'ল আৰু কলেজ বিলাকত সাময়িক ভাবে প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী খোলা হয়। হায়াৰ ছেকেণ্ডাৰী আৰু প্ৰাক বিশ্ববিদ্যালয়ৰ ভেকো ভাওনা চলাই থাকোঁতেই কুঠাৰী আয়োগ পতা হয়। ১৯৬৬ চনত কুঠাৰী আয়োগে মুদালিয়াৰ আয়োগক ভালদৰে ঘপিয়াই স্কুলীয়া শিক্ষাত আৰু এবছৰ যোগ দি দ্বাদশ শ্ৰেণী খোলাৰ আৰু দুবছৰীয়া প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী খুলিবলৈ পৰামৰ্শ দিয়ে। কুঠাৰী আয়োগৰ পৰামৰ্শকে ১৯৬৮ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতি বুলি গ্ৰহণ কৰা হয়। অসম চৰ্কাৰে এই ৰাষ্ট্ৰীয় নীতি অৱশ্যে ১৯৭৩ চনতহে প্ৰৱৰ্তন কৰে। কিন্তু ৰাষ্ট্ৰীয় নীতিৰ বিপৰীতে অসমৰ বিশ্ববিদ্যালয় দুখনে তিনি বছৰীয়া ডিগ্ৰী এৰি দুবছৰীয়া ডিগ্ৰী শিক্ষাৰ ব্যৱস্থা কৰে। ১৯৮৩ চনৰ পৰা বিশ্ববিদ্যালয় দুখনে কিন্তু পুনৰ তিনি বছৰীয়া ডিগ্ৰী শিক্ষালৈ উভটি যায়।

এই সকলোবিলাক পৰিৱৰ্তন ইমান দিনে কেৱল ভেকো ভাওনাই হৈ আহিছে। দৰাচলতে, এইবিলাকে ইংৰাজে প্ৰৱৰ্তন কৰি যোৱা শিক্ষা ব্যৱস্থাৰ লেশমানও সাল-সলনি কৰিব পৰা নাই বৰং আমাৰ শিক্ষা-জগতক জধাই মধাই দা-কুঠাৰেৰে ঘপিয়াই তাত ইংৰাজী আমোলত বিৰাজ কৰা স্থায়ী পৰিবেশ বৰ্তি থকাৰ সকলো আশাৰ মুদা মাৰিলে। ইংৰাজী আমোলৰ শিক্ষাই ডঃ ৰাধাকৃষ্ণন, কৃষ্ণকান্ত সন্দিকৈ আদিৰ দৰে পণ্ডিত, গান্ধী-আজাদ-বিনোভাজীৰ দৰে মহান পুৰুষ, ৰমন-জগদীশ বসুৰ দৰে বৈজ্ঞানিক আৰু হাজাৰ হাজাৰ উচ্চ মানৰ সুচৰিত্ৰৰ লোক উৎপাদন কৰিছিল। কিন্তু আজিৰ পৰিৱৰ্তিত শিক্ষা-পদ্ধতিয়ে তেনে লোক উৎপাদন কৰাৰ ক্ষীণমানও আশা দেখা নাযায়।

১৯৭৮ চনত গঠিত জনতা চৰ্কাৰে মাধ্যমিক পৰ্যায়লৈ স্কুলীয়া শিক্ষা বিনামূলীয়া কৰে। ১৯৮৬ চনত গঠিত অসম গণ পৰিষদ চৰ্কাৰে আৰু এখোজ আগ বাঢ়ি প্ৰাথমিক পৰ্যায়ৰ পৰা সপ্তম শ্ৰেণীলৈকে সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি আৰু সাজ-পোছাক যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়ে। হিতেশ্বৰ শইকীয়া চৰ্কাৰে ১৯৮৫ চনত ঘোষণা কৰে যে মে' মাহৰ এক তাৰিখৰ পৰা এপ্ৰিলৰ শেষলৈকে শিক্ষা বছৰ ৰূপে ধৰা হ'ব। কিন্তু ১৯৮৬ চনত গণ পৰিষদ চৰ্কাৰে একে খোঁচেই মাৰ্চ মাহৰ পৰাহে শিক্ষা বছৰ আৰম্ভ কৰি দিয়ে আৰু ভৱিষ্যতে শিক্ষা বছৰ জানুৱাৰী মাহৰ পৰা আৰম্ভ কৰাৰ চেষ্টা কৰিম বুলি কয়। এইবিলাক শুভ বাতৰিৰ পটভূমিত আমাৰ শিক্ষা-জগতত এবাৰ ভুমুকি মৰা উচিত হ'ব।

শিক্ষাৰ বৰ্তমানৰ দুৰৱস্থাৰ পৰা এইটো স্পষ্ট যে আমি শিক্ষাৰ বৰ্তমানৰ নীতি আৰু বৰ্তমানৰ প্ৰশাসন সম্পূৰ্ণৰূপে বিসৰ্জন দিয়া উচিত। শিক্ষাৰ ক্ষেত্ৰত ৰাইজে চৰ্কাৰৰ ওপৰত বৰ বেছিকৈ নিৰ্ভৰ কৰা উচিত নহয়, কিয়নো নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত আৰু সমাজৰ ভৱিষ্যতৰ কাৰণে অভিভাৱকসকলে বা স্থানীয় ৰাইজে যিমান আন্তৰিকতাৰে ভাবিব চৰ্কাৰে সিমান আগ্ৰহ দেখুৱাব বুলি আশা কৰাটো ভুল। সেয়েহে বৰ্তমানৰ পদ্ধতিৰ সলনি আমি এনে এক পদ্ধতি প্ৰৱৰ্তন কৰা উচিত যাৰ নীতি হ'বঃ

(১) স্কুলৰ ঘৰ-দুৱাৰ, সাজ-সৰঞ্জাম আদিকে ধৰি তাৰ সৰ্বাংগীন উন্নতিৰ দায়িত্ব স্থানীয় ৰাইজে লোৱা আৰু স্কুলৰ টকা-পইছাৰ চাবি-কাঠীও স্থানীয় ৰাইজে নিজৰ হাতত্তে ৰখা। ৰাইজে নিৰ্বাচন কৰা কমিটি বা লোকৰ ওপৰতে এইবিলাকৰ দায়িত্ব দিব পাৰি।

(২) স্কুলৰ দৈনন্দিন প্ৰশাসনৰ দায়িত্ব শিক্ষকসকলৰ ওপৰতে দিয়া আৰু সেইবিলাকৰ ওপৰত চকু ৰাখিবলৈ অভিভাৱকসকলেও সক্ৰিয় অংশ গ্ৰহণ কৰা।

(৩) নতুন শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰতো প্ৰধান শিক্ষক আৰু স্কুলৰ স্থায়ী শিক্ষকসকলৰ ওপৰতে বাছনিৰ ভাৰ দিয়া।

(৪) শিক্ষকতা কৰিবলৈ ভাল চৰিত্ৰৰ সামৰ্থ্য লোকক আকৰ্ষণ কৰিবলৈ উপায় উদ্ভাৱন কৰা।

(৫) শিক্ষকসকলে সদায় সমাজত আদৰ্শ ব্যক্তিৰূপে থকাটো নিবন্ধ কৰা যাতে দুষ্কাৰ্য কৰা, দুশ্চৰিত্ৰ প্ৰদৰ্শোৱা বা দুনীতিত লিপ্ত হোৱা লোকক শিক্ষকতা কৰাৰ পৰা সহজে আঁতৰাব পৰা যায়।

ওপৰৰ উপায়বিলাক কেনেদৰে কাৰ্যত পৰিণত কৰিব পাৰি তাৰ দুই এটামান দিহা পৰামৰ্শ দিয়া যুগুত হ'ব।

## স্কুল-কলেজৰ প্ৰশাসনত স্থানীয় ৰাইজৰ সক্ৰিয় অংশ গ্ৰহণ

প্ৰত্যেক গাঁৱ বা চহৰৰ স্কুল থকা অঞ্চলৰ ৰাইজে ভোট দি নিৰ্বাচিত কৰা তিনিজন স্থানীয় লোক, চৰ্কাৰে মনোনীত কৰা এজন বিষয়া আৰু শিক্ষকসকলে নিৰ্বাচিত কৰা এজন শিক্ষকেৰে গঠিত এটা স্কুল কমিটিৰ ওপৰতে একোখন স্কুলৰ সৰ্বাংগীন উন্নতিৰ আৰু বিত্তীয় দায়িত্ব অৰ্পণ কৰিব পৰা যায়। আমেৰিকাত এনে কমিটি গঠন কৰিবৰ কাৰণে স্কুল অনুসৰি একোখন স্কুল-জিলা নিৰ্দ্ধাৰণ কৰা হয়। স্থানীয় কৰ দিয়া আৰু তাৰ স্থায়ী বাসিন্দাসকলেহে স্কুল কমিটি নিৰ্বাচনত ভোট দিব পাৰে। এই কমিটিয়েই প্ৰয়োজন অনুসাৰে চৰ্কাৰৰ পৰা স্কুলৰ কাৰণে অনুদান আদায় কৰে আৰু যিমান পাৰে আন উপায়েৰেও ব্যক্তিগত ভাবে স্কুলৰ কাৰণে টকা তোলে। বছৰি ক'ত কিমান টকা কেনেকৈ খৰছ কৰিব তাক এই কমিটিয়েই ধৰি দিয়ে। এনে কৰিলে ৰাইজে সদায় চৰ্কাৰৰ মুখলৈ হাঁ কৰি চাই থাকিব নালাগে বা ডি-আই, ডি-পি-আই আদিৰ মইমতালি সহ্য কৰিব নালাগে। এনে পদ্ধতিৰ স্কুল প্ৰশাসনতো বিজুতি ঘটিব পাৰে কিন্তু ইয়াৰ উপকাৰিতা এয়েই যে এনে কৰিলে শিক্ষাৰ চাবি-কাঠী ৰাইজে নিজে লোৱা হয় আৰু স্কুল কমিটিক উপযুক্ত লোকেৰে গঠন নকৰিলে ৰাইজে নিজেই নিজকে জগৰীয়া কৰিব লাগিব।

## স্কুলৰ দৈনন্দিন প্ৰশাসন

স্কুলৰ দৈনন্দিন প্ৰশাসন মানে মই স্কুল ঠিকমতে চলিছে নে নাই, শিক্ষক আৰু আন কৰ্মচাৰী সকল সময়মতে আহি নিজৰ নিজৰ দায়িত্ব কৰিছে নে নাই, পৰীক্ষা আদি ঠিকমতে পতা হৈছে নে নাই, পঢ়া-কোঠা পায়খানা আদি ঠিকমতে ৰখা হৈছে নে নাই, কোনে কেতিয়া ছুটি বিচাৰিছে, ছাত্ৰ-ছাত্ৰীৰ কিবা অসুবিধা হৈছে নেকি, শিক্ষকসকলে দৰমহা সময়মতে পাইছে নে নাই আদি কামকে বুজাইছো। এইবিলাকৰ দায়িত্ব শিক্ষক আৰু অভিভাৱকসকলে নিজে লোৱা উচিত যাতে প্ৰধান শিক্ষকক সহায় কৰাৰ উপৰিও তেখেত আৰু শিক্ষকসকলৰ ওপৰত চকু ৰখা হয়।

পৰীক্ষাৰ দায়িত্ব সম্পূৰ্ণৰূপে শিক্ষকৰ ওপৰতে থাকিব লাগে। উদাহৰণ স্বৰূপে, ক'ব পাৰি যে যিজন শিক্ষকে যিটো বিষয় পঢ়ায় তেওঁ সেই বিষয়টোৰ পৰীক্ষাৰ প্ৰশ্নবিলাক ৰচা, পৰীক্ষাটো পতা আৰু উত্তৰবিলাক পৰীক্ষা কৰাৰ সম্পূৰ্ণ দায়িত্ব পাব লাগে - আমেৰিকাত ইয়াক শিক্ষকৰ সাধাৰণ দায়িত্ব বোলে আৰু শিক্ষাৰ স্বতন্ত্ৰতাৰ গোটেই বিচাৰ এই সাধাৰণ দায়িত্বটোক কেন্দ্ৰ কৰিয়েই গঢ় লৈছে। আন এটা দিশৰ পৰাও এইটো ক'ব পাৰি যে পৰীক্ষা চলোৱাৰ দায়িত্বটোতকৈ শিক্ষা দিয়াৰ দায়িত্ব অনেক গধুৰ। পৰীক্ষাটো এদিনৰহে কথা কিন্তু শিক্ষা দিয়াটো গোটেই বছৰটোৰ দায়িত্ব। শিক্ষকক গোটেই বছৰটোৰ মহত্বপূৰ্ণ দায়িত্বটোৰ কাৰণে বিশ্বাস কৰা হয় যেতিয়া এদিনৰ পৰীক্ষা চলোৱা দায়িত্বটোৰ কাৰণে বিশ্বাস নকৰাৰ কোনো যুক্তি নাই। আমাৰ বৰ্ত্তমানৰ শিক্ষা পদ্ধতি ইংৰাজসকলে দেশীয় শিক্ষকসকলক বিশ্বাস নকৰা কাৰণেই প্ৰৱৰ্ত্তিত হৈছিল - সেয়েহে, তাক সাম্রতি থকা মানে নিজৰ গোলামী মনোবৃত্তি প্ৰদৰ্শন কৰাহে বুজায়। এইটোও সচা যে দুই এজন শিক্ষকে যে নিজৰ অধিকাৰ আৰু পৰীক্ষা চলোৱাৰ নিচিনা দায়িত্বৰ অপব্যৱহাৰ কৰিব তাত সন্দেহ নাই। তেনে দুই এজনৰ দুষ্কৃতিৰ কাৰণে ভয় কৰি আন সকলোকে নিজৰ সাধাৰণ অধিকাৰ আৰু দায়িত্বৰ পৰা বঞ্চিত কৰাটোহে অন্যায়। আন আন দেশতো দোষীজনক বিচাৰি উলিয়াই যথাবিহিত শাস্তি দিয়াৰহে ব্যৱস্থা কৰে। এনে দোষীজনক বিচাৰি উলিওৱাটোও শিক্ষক আৰু অভিভাৱকসকলৰেই দায়িত্ব হোৱা উচিত।

## শিক্ষক নিযুক্তি

এখন স্কুলত এজন নতুন শিক্ষকক নিযুক্তি দিয়াৰ প্ৰথাটো এনে ধৰণৰ হোৱা উচিত - প্ৰত্যেক পদৰ কাৰণে উপযুক্ত লোকৰ তালিকা এখন যুগুত কৰিবৰ কাৰণে শিক্ষকসকলৰে গঠিত তিনি বা চাৰিজনীয়া একোখন বাছনি কমিটি পাতিব লাগে। এই বাছনি কমিটিয়েই কাগজে পত্ৰে জাননী দি পদবীৰ কাৰণে আৱেদন গোটাব লাগে আৰু তাৰ পৰা দহ বাৰজন মান বাচি লৈ তেওঁলোকৰ মুকলি ইণ্টাৰভিউ ল'ব লাগে। তাৰ সহায়ত তিনি বা চাৰিজন যোগ্যলোকৰ নাম বাছনি কমিটিয়ে বিচাৰ কৰাৰ ক্ৰম অনুসৰি প্ৰধান শিক্ষকক দিব লাগে। প্ৰধান শিক্ষকে তাৰ পিছত স্কুল কমিটিৰ লগত পৰামৰ্শ কৰি সেই তালিকাৰ এজনক নিযুক্ত কৰিব লাগে। অৱশ্যে, বিশেষ কোনো কাৰণ নাথাকিলে বাছনি কমিটিৰ তালিকাৰ প্ৰথমজনকেই মকৰল কৰিব লাগে - প্ৰথমজনক মকৰল কৰিব নোৱাৰিলে বা নোৱাৰাৰ কাৰণ থাকিলে আকৌ বাছনি কমিটিৰ লগত পৰামৰ্শ কৰিহে আন প্ৰাৰ্থীৰ কথা ভাবিব লাগে। এই প্ৰথা প্ৰৱৰ্ত্তন কৰাৰ কাৰণ বহুতো আছে যদিও ইয়াৰ সমৰ্থনত মই তলৰ বাতৰি কেইটাকে দিলো -

"আজি কিছুদিনৰ পৰা অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক বিদ্যালয় পৰ্যন্ত শিক্ষক নিযুক্তি প্ৰসংগত হোৱা খেলিমেলিৰ কথা কাগজে পত্ৰে পঢ়িবলৈ পাইছো আৰু নিজেও দেখা পাইছো। চৰ্কাৰৰ সদ্য ঘোষিত শিক্ষক নিযুক্তি নীতি অতি দুষ্ট বুদ্ধি সম্পন্ন যাৰ ফলত ভালেমান মাধ্যমিক বিদ্যালয়ত অবাঞ্ছিত পৰিবেশৰ সৃষ্টি হৈছে --- বৰ্তমান চৰ্কাৰে ক্ষমতাত মত্ত হৈ শিক্ষক নিযুক্তি ক্ষেত্ৰত যিধৰণ খেল খেলিছে সি অচিৰেই অসমৰ শিক্ষা জগতত অচলতাৰ সৃষ্টি কৰিব। --- বিভাগীয় নীতি নিয়ম অনুসৰি আবেদন কৰা আৰু বহু বছৰ একেৰাহে শিক্ষকতা কৰা অভিজ্ঞ শিক্ষক প্ৰাৰ্থীক চৰ্কাৰে নিযুক্তি নিদি বিদ্যালয়খনত কি কি বিষয়ৰ দৰকাৰ তাকো বিচাৰ নকৰি কেৱল কিবা এটা ডিগ্ৰী বা অৰ্হতা থকা লোকক তথাকথিত ৰাজনীতিৰ মেৰ পাকত কোনো নীতিহীন ভাবে দিয়া প্ৰাৰ্থীৰ শিক্ষক পদত নিযুক্তি অতি নিন্দনীয় আৰু অবাঞ্ছিত।"

*[অগ্ৰদূত, ৫ ডিচেম্বৰ, ১৯৮৩]*

"সদ্যহতে বিশেষকৈ শিক্ষক নিযুক্তি আৰু ৰাইজে পতা বিদ্যালয় সমূহ স্বীকৃতি প্ৰাপ্তকৰণ বা চৰ্কাৰীকৰণ কৰা বিষয় দুটাত ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু জড়িত শিক্ষক-শিক্ষয়িত্ৰী সমূহে জুলুকা-জুলুকে পানী খাইছে। দেখা গৈছে, কোনো কথা নাই, বতৰা নাই, হঠাৎ কিছুমান বিদ্যালয়ত নতুন পদ নতুন বদলি কৰণ, নতুন প্ৰাৰ্থীৰ আবিৰ্ভাব, প্ৰাৰ্থীৰ অৰ্হতা, শিক্ষা, দক্ষতাৰ কোনো প্ৰশ্ন নাই।"

*(১২ ছেপ্তেম্বৰ, ১৯৮৪ ৰ অগ্ৰদূতত কল্পনা চেতিয়া, বোকাখাত)*

'যোৱা ইং ১৯৮৩ চনতে অসমৰ তথাকথিত চৰ্কাৰখনে সমগ্ৰ অসমত সৰ্বমুঠ সোতৰখন হাইস্কুল হায়াৰ ছেকেণ্ডাৰী স্কুল হিচাপে ঘোষণা কৰি পাঠদানৰ নিৰ্দেশ দিছিল। উক্ত স্কুল কেইখনৰ লগতে কামৰূপ জিলাৰ চ'লাবাৰী, হেকৰা আৰু বি-এ-এছ হাই মাদ্ৰাছাখনো হায়াৰ ছেকেণ্ডাৰী স্কুল হিচাবে ঘোষণা কৰি ছাত্ৰ ছাত্ৰীৰ নাম ভৰ্তি কৰণৰ বাবে জাননী দিছিল। কিন্তু আজি আঠ মাহ ধৰি উক্ত তিনিখন স্কুলত কোনো শিক্ষক নিযুক্তি নিদিয়াত উক্ত স্কুল কেইখনৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে বিশেষ অসুবিধা ভোগ কৰি আছিছে। জানিব পৰা মতে হাজোৰ বি-এ-এছ হাই মাদ্ৰাছাখনৰ ক্ষেত্ৰত উক্ত সমষ্টিৰ বিধায়কে খেলি মেলিৰ সৃষ্টি কৰি আছে বুলি অভিযোগ উঠিছে। কিয়নো সেই স্কুল খনৰ আৰবী বিভাগৰ শিক্ষকজন হেনো তেওঁৰ মনোনীত প্ৰাৰ্থীয়ে নিযুক্তি পোৱা নাই।'

*[অগ্ৰদূত', ২৮ মাৰ্চ্চ, ১৯৮৪]*

'বৰ্তমান অসমৰ শিক্ষানীতি ৰাজনীতিৰ অজগৰে এনেভাবে মেৰাই ধৰিছে যে শিক্ষাৰ উশাহ নিশাহ ক্ৰমান্বয়ে বন্ধ হ'বৰ উপক্ৰম কৰিছে আৰু অচিৰে

ইহলীলা সম্বৰণ কৰাৰ আগেয়ে দুষ্ট অজগৰক নিধন কৰি শিক্ষাৰ জীৱন বচাওক, নহলে যে বৰ দেৰী হৈ যাব।'

*(৪ এপ্ৰিল, ১৯৮৪ চনৰ 'অগ্ৰদূত'ত ভাৰত বৰা)*

## শিক্ষকৰ চৰিত্ৰ আৰু সমাজৰ দায়িত্ব

'আজি শিক্ষক সকল মানসিক ভাবে পংগু ক্ৰীত দাসত পৰিণত হৈছে। -- শিক্ষাবছৰৰ শিক্ষাই দেখুৱাইছে চকুৰে সবিয়হ ফুল আৰু অবাস্তৱ এল-ও-চিৰ খটাসুৰে কণ্ঠৰুদ্ধ কৰিছে শিক্ষক সকলৰ। অকল ইমানেই নহয়, ইয়াৰ বাবেই তেওঁলোক আজি সকলো শ্ৰেণীৰ লোকৰ আগত হৈ পৰিছে মৰ্যাদাহীন লোক।'

*(৮ আগষ্ট, ১৯৮৫ৰ 'অগ্ৰদূত'ত ৰামচৰণ ব্ৰহ্ম)*

'যি কোনো প্ৰকাৰে ধন ঘটি আমোদ-প্ৰমোদৰ মাজত মছগুল হ'বলৈ প্ৰতিযোগীতা চলোৱা উন্মাদ সমাজখনত আজি শিক্ষকৰ কি বিলাই সেই কথা ব্ৰহ্ম ডাঙৰীয়াই পৰিষ্কাৰ ভাবে প্ৰকাশ কৰিছে।'

*(২১ আগষ্ট, ১৯৮৫ৰ 'অগ্ৰদূত'ত সুভাষ চন্দ্ৰ আচাৰ্য)।*

আজিৰ ধন-প্ৰধান, ইন্দ্ৰিয়-বিলাসী আৰু দুৰ্নীয়াসকলৰ কাৰণে নিৰাপত্তাহীন সমাজত ভাল চৰিত্ৰ কি তাক নিৰ্দ্ধাৰণ কৰা সহজ নহয়। ভাল বেয়া বিচাৰ কৰিবলৈ আদৰ্শৰ প্ৰয়োজন - কিন্তু আজিৰ সমাজত আমি আদৰ্শ বিচাৰি উলিয়াঁও কেনেকৈ? আমাৰ আদৰ্শ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে নে বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে, আজিৰ আদৰ্শ মানৱ অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে নে সাম্যবাদৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে আদি ভয়ংকৰ প্ৰশ্নৰ সমিধান পোৱা সহজ নহয়। তদুপৰি স্থান, কাল, সমাজ অনুসৰি আদৰ্শ ভেদ হোৱাটোও স্বাভাৱিক। তথাপি আমাৰ ন-পুৰুষৰ কাৰণে আমি আদৰ্শ বিচাৰি উলিয়াবই লাগিব। আদৰ্শ-বিহীন সমাজ অচিৰেই পতনমুখী হোৱাটো নিশ্চিত। সেয়েহে আজিৰ অসমীয়া সমাজত আদৰ্শৰ অভাৱ দেখি জাতিটোৰ ভৱিষ্যতৰ কথা ভাবিলে ভয়ত গা শিঁহৰি উঠে। আজি আমাৰ কাৰণে ভাল চৰিত্ৰ কি, আমাৰ কাৰণে আদৰ্শ ব্যক্তি কেনে হোৱা উচিত তাক সমাজে চালি-জাৰি চাই এটা গৃহীত পথলৈ অহাটো অতি প্ৰয়োজন হৈ পৰিছে তাকে নকৰি শিক্ষকসকলৰ চৰিত্ৰত খুঁত ধৰি বা তেওঁলোকক দোষাৰোপ কৰি কোনো লাভ নাই। এই বিষয়ে বৰ্ত্তমান বিশেষ ক'বলৈ নিবিচাৰোঁ যদিও শিক্ষকৰ চৰিত্ৰৰ কাৰণে মই অতি প্ৰয়োজনীয় বুলি ভবা দুটামান দিশ এতিয়া উনুকিয়াই থওঁ।

প্ৰথমেই, শিক্ষকসকল অতি আড়ম্বৰশূন্য, ইন্দ্ৰিয়-বিলাসত সংযমী, অতিশয় ন্যায়-পৰায়ণ আৰু সম্পূৰ্ণভাবে ধৰ্ম-নিৰপেক্ষ হোৱাটো বিশেষ

প্ৰয়োজন। শিক্ষকসকলে নিজে পঢ়ুৱা বিষয়ৰ গভীৰ জ্ঞান থকা আৰু সেই জ্ঞান অকাতৰে বিলাবলৈ আকুল হোৱা লোক হ'ব লাগে। এতিয়া প্ৰশ্ন হয় আজিৰ শিক্ষকসকলৰ মাজত এনে লোক কম কিয় (মোক ভুল নুবুজিব, আজিৰ শিক্ষকসকলৰ মাজত এনে লোক নাই বুলি মই কোৱা নাই)? মই ভাবোঁ এনে হোৱাৰ কাৰণ দুটা - প্ৰথমেই, আজিৰ সমাজে ওপৰত উনুকিওৱা গুণ বিলাকৰ কোনো মূল্য নিদিয়া কাৰণে আৰু আদৰ নকৰা কাৰণে সমাজত তেনে লোকৰ সংখ্যা লাহে লাহে কমি আহিছে। দ্বিতীয়তে, যি দুই চাৰিজন এনে অৰ্হতা বা গুণ থকা লোক আছে তেওঁলোকে হয়তো শিক্ষক জীৱনত নিৰাপত্তাৰ অভাৱ দেখিয়েই দূৰতে বিদূৰ হৈ জীৱন নিৰ্বাহৰ আন গতিপথ বাচি লৈছে। এই অৱস্থাৰ পৰিৱৰ্তন আনিবৰ কাৰণে সমাজে অতি সহজেই যথেষ্ট কৰিব পাৰে।

সমাজে যাতে ভাল চৰিত্ৰৰ লোক অধিক ভাবে উৎপাদন কৰিব পাৰে তাৰ কাৰণে আজিৰ সমাজে ইয়াৰ ক্ষয়িষ্ণু মূল্যবোধ ত্যাগ কৰিবলৈ উঠি পৰি লাগিব লাগে আৰু শিক্ষকসকলৰ জীৱনলৈ অধিক নিৰাপত্তা অনাৰ উপায় অৱলম্বন কৰিব লাগে। উদাহৰণ স্বৰূপে, শিক্ষকসকলক স্থায়ী ঘৰ-দুৱাৰ আহৰণত সহায় কৰিব লাগে, শিক্ষকসকল আৰু তেওঁৰ দায়িত্বত থকাসকলৰ (ল'ৰা-ছোৱালী, ঘৈণীয়েক বা গিৰীয়েক, বুঢ়া আই-বোপাই আদি) কাৰণে চিকিৎসাৰ-বীমাৰ ব্যৱস্থা, ভাল পেন্সন, ৰাজ্যৰ সকলো স্কুল-কলেজতে (মেডিকেল, ইঞ্জিনীয়াৰিং আদিতো) শিক্ষকসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষা বিনামূলীয়া কৰা আদি নানা ধৰণৰ উপায় অতি সহজেই অৱলম্বন কৰিব পৰা যায়। ইয়াৰ কাৰণে সমাজে বা চৰ্কাৰে বেছি ব্যয় কৰিব নালাগে আৰু যিখিনি ব্যয় কৰিব তাৰ বিনিময়ত পোৱা উপকাৰে ৰাজ্যৰ শিক্ষা-জগতৰ বাতাবৰণ সম্পূৰ্ণ সলনি কৰিব বুলি আশা কৰিব পৰা যায়।

## শিক্ষকৰ দায়িত্ব

আজিৰ শিক্ষকসকলৰ আত্ম-সন্মান, আত্ম-বিশ্বাস আদিৰ অভাৱ হোৱাৰ এটা কাৰণ হৈছে শিক্ষকসকলৰ ওপৰত বিশ্বাসেৰে একো দায়িত্ব দিয়া হোৱা নাই। অসমৰ শিক্ষকসকলৰ জীৱনৰ বিষয়ে থকা ঘনিষ্ঠ সম্বন্ধ আৰু আজি প্ৰায় একুৰি বছৰ আমেৰিকাত শিক্ষকতা কৰাৰ অভিজ্ঞতাৰ পৰা কওঁ যে আমাৰ স্কুল আৰু কলেজবিলাকৰ সকলো শিক্ষকৰ ওপৰতে অধিক দায়িত্ব এৰি দিয়া উচিত যাতে শিক্ষকসকলে নিজকে লৈ গৌৰৱ কৰিব পাৰে। অৱশ্যে দায়িত্ব পালনত হেলা কৰা সকলৰ কাৰণে বা শিক্ষকৰ আদৰ্শৰ পৰা আঁতৰি অহাসকলক কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থাও থাকিব লাগে। 'শিক্ষয়িত্ৰীয়ে জাৰকালি ৰ'দ কাচলিত বহি উল গুঠি থাকি লৰা ছোৱালীক অকল নেওতা বা পাঠ আওৰাবলৈ দিব নোৱাৰে, দহ বজাত বিদ্যালয় বহাৰ

নিয়ম অমান্য কৰি তৰা-নৰা ছিণ্ডি কোনো শিক্ষক ১০-১/২ বা ১১ বজাত আহিব নোৱাৰে। ঘৰৰ জুবুৰি দি ধৰা কামৰ পৰা ওলাই আহি জিৰণিৰ খল বুলি ভাবি মেজত মূৰ থৈ কোনোৱা শিক্ষক বা শিক্ষয়িত্ৰীয়ে ভাগৰ মাৰিব নোৱাৰে। আগতে কৈ অহা হৈছে যে শিক্ষকসকল মানুহ গঢ়াৰ কাৰিকৰ। এনে কাৰিকৰৰ নিপুণতা সকলোতে প্ৰকাশ পাব লাগে তেহে জাতিৰ ভৱিষ্যত কণ কণ লৰা-ছোৱালীৰ প্ৰকৃত শিক্ষাৰ খনি বিদ্যালয় সমূহ হব পাৰে।'

*(৩০ জুন, ১৯৮৫ৰ 'অগ্ৰদূত'ত অসম সাহিত্য সভাৰ সভাপতি বীৰেন বৰকটকী)*

শিক্ষকৰ দায়িত্ব পালনত এনে কঠোৰতা অৱলম্বন কৰিবলৈ যোৱাৰ আগতে আমি তেওঁলোকৰ জীৱনৰ নিৰাপত্তা খিনি (আগেয়ে উল্লেখ কৰাৰ দৰে জীৱন-বীমা, ল'ৰা-ছোৱালীৰ বিনামূলীয়া শিক্ষা, বিনামূলীয়া চিকিৎসা আদি) আমি দিব পাৰিব লাগিব।

## পাঠ্যক্ৰম

'আমাৰ স্কুলবিলাকৰ পাঠ্যক্ৰম বেয়া, চেন্ট্ৰেল স্কুলৰ ভাল' - এই মন্তব্য মই বহুতৰ মুখতে শুনিলো। সেইসকল বেছিভাগৰেই এইটো আৱেগিক মতহে কিয়নো ভাল পাঠ্যক্ৰমতনো কি থাকিব লাগে সুধিলে তেওঁলোক কোনেও একো উত্তৰ নিদিয়ে। আমাৰ পাঠ্যক্ৰম আৰু আমাৰ শিক্ষা-ব্যৱস্থাৰ আটাইতকৈ ডাঙৰ আসোঁৱাহ এয়েই যে আমাৰ স্কুলীয়া শিক্ষাৰ উদ্দেশ্য কি তাক কোনেও নাজানে বা কোনেও ভালদৰে ভাবি চিন্তি চোৱা নাই যেন লাগে। স্কুলীয়া শিক্ষাৰ উদ্দেশ্য কি সেইটো থিৰাং নকৰাকৈ কি পাঠ্যক্ৰম ভাল বা স্কুলৰ পাঠ্যক্ৰম কেনে হোৱা উচিত সেইটো নিৰ্দ্ধাৰণ কৰা জানো সম্ভৱ ?

১৯৮০ চনত অসম চৰ্কাৰৰ দ্বাৰা প্ৰকাশিত 'আচাম' নামৰ ইংৰাজী পুথিত দিয়া তথ্যৰ মতে অসমত সেই সময়ত বিশ্ববিদ্যালয়ৰ সংখ্যা ৩, কলেজৰ সংখ্যা ১৩৭, ইঞ্জিনীয়াৰিং কলেজ ৩, মেডিকেল কলেজ ৩, কৃষি কলেজ ১, পশু কলেজ ১, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ ৩৯, হায়াৰ ছেকেণ্ডাৰী বা হাইস্কুল ১৬৯৯, মজলীয়া স্কুল ৩,৬৫৬, প্ৰাথমিক বিদ্যালয় ২১,৬১৫ আৰু ৩২ খন প্ৰাক প্ৰাথমিক বিদ্যালয় আছে। ১৯৮৫ চনত ভাৰত চৰ্কাৰৰ শিক্ষা বিভাগৰ মন্ত্ৰী বিভাগৰ দ্বাৰা প্ৰকাশিত 'চেলেঞ্জ অৱ এদুকেছনৰ' মতে বৰ্ত্তমান অসমৰ ১০০ জন শিশুৰ ভিতৰত ৬২.৯ জনহে স্কুললৈ যায় (পৃঃ ৩৪)। তদুপৰি গোটেই দেশৰ হিচাপমতে ক-শ্ৰেণীত ভৰ্তি হোৱা ১০০জনৰ ২৩জনহে ৮ম শ্ৰেণী পায়গৈ (পৃঃ৩৫)- অসমৰ ক্ষেত্ৰত হয়তো এই সংখ্যা ২৩ তকৈও কম। ইয়াৰ পৰা খুলমুলকৈ আমি ইয়াকেই বুজিব লাগিব যে অসমৰ স্কুললৈ যাব লগীয়া ১০০জন শিশুৰ ৬৩জনহে স্কুললৈ যায় আৰু সেই ৬৩ জনৰ মাত্ৰ ১৫জনেহে

৮ম শ্ৰেণী পায়গৈ। তাৰ পিছত কেইজনে কলেজৰ মুখ দেখেগৈ তাৰ হিচাপৰ কাৰণে আমি আন কিছুমান সংখ্যা চাব লাগিব।

১৯৭৮-৭৯ চনৰ হিচাপৰ মতে প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১,৫৮৫,১৩৯ আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১১৬,৪২০ (মেডিকেল ১,৯৯৭, ইঞ্জিনীয়াৰিঙৰ ১,৫৫২, কৃষি কলেজৰ ৫০৪, পশু-বিজ্ঞান কলেজৰ ৩৩৩, আয়ুৰ্বেদিকৰ ৫৮, সংস্কৃত কলেজৰ ৮৪ আৰু ডিগ্ৰী কলেজৰ ১১১,৮৯২)। যিহেতু প্ৰাথমিক পৰ্যায়ৰ শিক্ষা চাৰি বছৰীয়া আৰু কলেজীয়া শিক্ষাও ঘাইকৈ চাৰি বছৰীয়া এই সংখ্যাবিলাকৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাথমিক শিক্ষা আৰম্ভ কৰা সকলৰ শতকৰা ৭ জনেহে কলেজৰ মুখ দেখেগৈ অৰ্থাৎ স্কুল আৰম্ভ কৰা ৬৩ জনৰ খুব বেচি ৫ জনহে কলেজ পায়গৈ।

হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫২৭,৫০৪। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ শতকৰা ২০জন মানেহে কলেজৰ মুখ দেখে।

সেয়েহে, এটা ডাঙৰ প্ৰশ্ন হৈছে - আমাৰ প্ৰাথমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা ৮ম শ্ৰেণী পাব লগীয়া ১৫ জনক উদ্দেশি কৰা উচিত নে সেইখিনি পাব নোৱাৰা বাকী ৮৫জনক উদ্দেশি গঢ় দিয়া উচিত? সেইদৰে হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰতো একে প্ৰশ্নই উঠে - সেইবিলাকৰ শিক্ষা কলেজ পাব লগীয়া ২০জনৰ কাৰণে ৰূপ দিয়া উচিত নে বাকী ৮০জনক উদ্দেশি গঢ়া উচিত?

অৰ্থনীতি, ৰাজনীতি বা সমাজনীতিৰ যি যুক্তিয়েই নখটাওঁ লাগিলে এই প্ৰশ্নৰ সচা উত্তৰ এয়েই যে আমাৰ হাইস্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰম ঘাইকৈ কলেজৰ মুখ দেখিবলৈ সম্ভাবনা নথকা এই শতকৰা ৮০ জনক উদ্দেশিহে হোৱা উচিত কিন্তু তাত কলেজলৈ যাব লগীয়া বাকী ২০ জনৰ কাৰণে সুকীয়া সুবিধা থাকিব লাগে। আমাৰ শিক্ষাৰ কেৰোণ এইখিনিতেই - ইয়াক গঢ় দিয়া হৈছে বিশেষ অৰ্হতা থকা ২০জনৰ কাৰণেহে আৰু তেওঁলোকৰ স্বাৰ্থৰ কাৰণে বাকী ৮০জন সাধাৰণ ছাত্ৰৰ ওপৰত শিক্ষাৰ আৱৰ্জনাৰ এটা গধুৰ বোজা জাপি দিয়া হৈছে।

স্কুলীয়া শিক্ষাৰ উদ্দেশ্য যদি আমি ল'ৰা-ছোৱালীক কলেজীয়া শিক্ষাৰ কাৰণে প্ৰস্তুত কৰা বুলিয়েই ভাবো তেনেহলে দেখোন প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰা শতকৰা ৯৫ জনেই বা হাইস্কুললৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ শতকৰা ৮০ জনেই কলেজৰ মুখ নেদেখে।

এইটো নিসন্দেহ যে আমাৰ স্কুলবিলাকত ইংৰাজী, গণিত, কম্পিউটাৰ চাইন্স আদি বিষয়ত অতি উচ্চ মানৰ শিক্ষা দিয়াৰ ব্যৱস্থা থাকিব লাগে কিন্তু এই বিষয়বিলাক সকলোৰে কাৰণে বাধ্যতামূলক হ'ব নালাগে। এই তিনি

বিষয়ৰ শিক্ষা গতানুগতিক শ্ৰেণীৰ লগত জাপি নিদি স্বকীয় ভাবে বেলেগ বেলেগ পৰ্যায়ত দিয়াৰ ব্যৱস্থা থাকিব লাগে অৰ্থাৎ ইংৰাজীৰ প্ৰথমা, দ্বিতীয়া, তৃতীয়া আদি বিভাজন থাকিব লাগে - এজন ছাত্ৰ, যি শ্ৰেণীৰে নহওক লাগিলে, ইংৰাজীৰ প্ৰথমা পাছ কৰিলে ইংৰাজীৰ দ্বিতীয়া পৰ্যায়লৈ পথাব লাগে, তাৰ পিছত তৃতীয়া ইত্যাদি। সেইদৰে ছাত্ৰজনে সেই বিষয়ত যিমান অগ্ৰসৰ হ'ব পাৰিছে তেওঁক আগুৱাই গৈ থাকিবলৈ দিব লাগে। এনে কৰিলে এহাতে যিদৰে সাধাৰণ ছাত্ৰৰ ওপৰত তেওঁলোকে কঢ়িয়াব নোৱাৰা এটা অদৰ্কৰী শিক্ষাৰ বোজা পাতলোৱা হয় সেইদৰে ভাল ছাত্ৰসকলক নিজৰ অৰ্হতা অনুসৰি আগুৱাই গৈ থাকিবলৈ সুবিধা দিয়া হয়। প্ৰয়োজন হ'লে ওচৰৰ কলেজৰ শিক্ষকসকলৰ পৰাও সহায় ল'ব পৰা যায়। আমেৰিকাত এনে ব্যৱস্থা থকা কাৰণেই বহুতো ছাত্ৰই বিশ্ববিদ্যালয় পোৱাৰ আগতেই গণিত, পদাৰ্থ-বিদ্যা আদি বিষয়ত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ কাৰণে প্ৰয়োজন কিছু শিক্ষা লৈ আহে। তেনে ছাত্ৰই তাৰ পিছত বিশ্ববিদ্যালয়লৈ আহি সোনকালে ডিগ্ৰী পোৱাৰ উপৰিও নিজৰ ৰাপ থকা বিষয়ত ক্ষিপ্ৰভাবে অগ্ৰসৰ হৈ গৱেষণাৰ কাম সোনকালেই আৰম্ভ কৰিব পাৰে।

কলেজৰ মুখ দেখিবৰ কোনো সম্ভাৱনা নথকা ছাত্ৰ-ছাত্ৰীসকলে স্কুলীয়া শিক্ষাৰ যোগেদি আধুনিক জগতত বৰ্ত্তি থাকিবলৈ আৰু নিজৰ জীৱনটো অৰ্থপূৰ্ণভাবে কটাবলৈ প্ৰয়োজন ব্যৱহাৰিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক জ্ঞান দিয়াটোৱেই স্কুলীয়া শিক্ষাৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। ভৱিষ্যতৰ বৈজ্ঞানিক, ডাক্তৰ, ইঞ্জিনীয়াৰ আদিক প্ৰস্তুত কৰাটো স্কুলীয়া শিক্ষাৰ দ্বিতীয় উদ্দেশ্য হোৱা উচিত যদিও দুয়োবিধ ছাত্ৰকে একেলগে সাঙুৰাটো মাৰাত্মক ভুল। এইটোও থিক যে স্কুলীয়া শিক্ষাৰ যোগেদি লৰা-ছোৱালীয়ে জ্ঞান আহৰণৰ আহিলাবিলাক প্ৰয়োগ কৰিবলৈ আৰু নিজকে সৃষ্টি ধৰ্মী (মহামানৱতাৰ প্ৰতি ধাৱমান মানৱৰ সৃষ্টিৰ অনুপ্ৰেৰণাত) হ'বলৈ শিক্ষা পোৱা উচিত।

ওপৰত উনুকিওৱা ধৰণৰ নিৰ্দ্ধাৰিত উদ্দেশ্য আগত ৰাখিহে স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰমৰ দোষ-গুণ বিচাৰ কৰিব পৰা যায়। উদ্দেশ্য বা লক্ষ্য নিৰ্দ্ধাৰণ নকৰাকৈ পাঠ্যক্ৰম থিক কৰা বা তাক সমালোচনা কৰাটো আৱেগৰহে চিন।

## পাঠ্যপুথি

আমাৰ স্কুলীয়া পাঠ্যপুথিৰ লিখক নিৰ্ধাৰণ কৰা, তাক প্ৰস্তুত কৰা, তাক ছপা কৰি উলিওৱা আৰু সকলো স্কুললৈ পথিওৱাৰ দায়িত্বও চৰ্কাৰৰ হাতত। পৃথিৱীৰ সকলো দেশতে পাঠ্যপুথি প্ৰণয়ন এটা লাভজনক ডাঙৰ ব্যৱসায়। কিন্তু আমাৰ চৰ্কাৰৰ পাঠ্যপুথি নিগমে বছৰি কোটী কোটী টকা লোকচান

কৰে - ই অতি দুখৰ কথা। অৱশ্যে পাঠ্যপুথিবিলাক তাতোকৈও দুখ লগা। ইংৰাজ সকলে দেশীয়লোকক বিশ্বাস নকৰি নিজৰ হাতত চাবি-কাঠী ৰখা এক গোলামী-প্ৰণালীকে আজিও সাৱটি থকাৰ কাৰণেই এনে হ'বলৈ পাইছে। কেই গৰাকীমান বিষয়া বা কেইগৰাকীমান লোকেৰে গঠিত এটা কমিটিয়েই 'আমিয়েই সকলো জানো' মনোভাবেৰেই পাঠ্যপুথি কোনে লিখিব, তাত কি থাকিব, কেনেকৈ ছপাব আদি সকলো নিৰ্ধাৰণ কৰে। ই এক অসহ্য, অবাঞ্চনীয় আৰু অতি হানিকৰ ব্যৱস্থা।

ভাল ভাল শিক্ষক-লিখক আদিয়ে নানা পৰীক্ষা নিৰীক্ষা কৰি পাঠ্যপুথি লিখিবলৈ পাব লাগে আৰু উৎসাহী প্ৰকাশকসকলে ভাল ভাল পাঠ্যপুথি প্ৰকাশ কৰিবলৈ তুমুল প্ৰতিযোগীতা কৰিবলৈ পাব লাগে। তেনে কৰিবলৈ পালেহে আমি ভাল পাঠ্যপুথি দেখিবলৈ আৰু তাক উন্নত কৰিবলৈ আন্তৰিক প্ৰচেষ্টা দেখিবলৈ পাব পাৰোঁ। তেনে কৰিবৰ উপায়ও অতি সহজ।-

প্ৰথমেই, আমি পাঠ্যপুথি নিৰ্বাচন কৰাৰ দায়িত্ব শিক্ষকসকলৰ ওপৰতেই এৰিব লাগিব কাৰণ পাঠ্যপুথিখন ব্যৱহাৰ কৰা আৰু তাৰ পৰা পঢ়ুওৱাৰ দায়িত্ব শিক্ষকৰ ওপৰতেই। দ্বিতীয়তে, পাঠ্যপুথি প্ৰণয়নৰ দায়িত্ব আমি প্ৰকাশকৰ ওপৰতেই এৰিব লাগিব। প্ৰকাশকসকলেই পুথিবিলাকৰ গ্ৰাহক উলিয়াব লাগিব যেতিয়া তেওঁলোকেই ভাল ভাল লিখক বিচাৰি পাঠ্যপুথি উন্নত ভাৱে প্ৰকাশ কৰিবলৈ বাধ্য হ'ব কিয়নো পুথিখন ভাল নহলে সি শিক্ষকসকলৰ দ্বাৰা গৃহীত নহ'ব। এনেকুৱা ব্যৱস্থা ল'লে এক মুকলিমূৰীয়া প্ৰতিযোগীতা আৰম্ভ হোৱাৰ উপৰিও চৰ্কাৰৰ ধন বাচিব - অন্ততঃ পাঠ্যপুথি নিগমে বছৰি লোকচান কৰা কোটী কোটী টকাখিনি বাচিব। তদুপৰি ই পাঠ্যপুথি ৰচা, ছপা কৰা, প্ৰকাশ কৰা আৰু বিক্ৰী কৰা এক বিৰাট ব্যৱসায় সৃষ্টি কৰিব। পৃথিৱীৰ প্ৰায় সকলো গণতান্ত্ৰিক দেশতে এনেকুৱা ব্যৱস্থাই দেখা যায়। চৰ্কাৰে ইচ্ছা কৰিলে এই ব্যৱস্থাৰ দ্বাৰা কেইগৰাকীমান লিখক বা প্ৰকাশকে যাতে একচেটীয়া ভাবে প্ৰতিপত্তি কৰিব নোৱাৰে তাৰ ব্যৱস্থা ল'ব পাৰে।

*[১ - ১৫ চেপ্তেম্বৰ, ১৯৮৮ৰ প্ৰান্তিকত আংশিক ভাবে প্ৰকাশিত]*

*তিন দহ দুই অধ্যায়*

# অসমত ডাঙৰ ডাঙৰ উদ্যোগৰ ধ্বংস লীলা

আমাৰ দেশখন চহকী কৰিবৰ কাৰণে, দেশখনক প্ৰগতিৰ পথত আগ বঢ়াবৰ কাৰণে, দেশৰ নিবনুৱা সমস্যা দূৰ কৰিবৰ কাৰণে প্ৰায় সকলোৱেই দেশখনক উদ্যোগীকৰণ কৰিবলৈ কয়। এইটো সচা যে ডাঙৰ ডাঙৰ উদ্যোগে দেশৰ জি-এন-পি (দেশৰ মুঠ উৎপাদন) উন্নত কৰে, বহু লোকক চহকী কৰে আৰু নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘৱ কৰে। কিন্তু কথা হৈছে এইবিলাক সমস্যা সমাধানৰ কাৰণে ডাঙৰ ডাঙৰ উদ্যোগ প্ৰতিষ্ঠানেই জানো একমাত্ৰ উপায়? ডাঙৰ ডাঙৰ উদ্যোগে দেশখনৰ আৰু পৰিবেশৰ যি ক্ষতি সাধন কৰে সেই অনুপাতে জানো উপকাৰ আনে? উদ্যোগক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজৰ সমস্যাৰ কাৰণে আমাৰ সমাজ জানো সাজু? এইবিলাক প্ৰশ্নৰ সহজ উত্তৰ দিয়া টান কিন্তু এটা কথা থিক যে কেনো উদ্যোগ প্ৰতিষ্ঠা কৰাৰ আগতে সেই উদ্যোগে দেশৰ, পৰিবেশৰ আৰু সমাজৰ কেনে অনিষ্ট কৰিব পাৰে তাক ভালদৰে ফঁহিয়াই চোৱা উচিত্।

আমি যদি অসমত থকা ডাঙৰ ডাঙৰ উদ্যোগবোৰে আমাৰ কেনে উপকাৰ কৰিছে তাক ফঁহিয়াই চাওঁ তেনেহলে হয়তো এইটো দেখিবলৈ পাম যে এইবিলাকে আমাৰ বহু অপকাৰ কৰিছে। উদাহৰণ স্বৰূপে জাগীৰোডৰ কাগজৰ কল, পাটকাই পাহাৰৰ কয়লা উদ্যোগ, ওপৰ অসমৰ তেল উদ্যোগ, প্লাইউড কাৰখানা আদিলৈকে চাওক। এইবিলাকত কেইজন অসমীয়াই চাকৰি পাইছে বা কেনে ধৰণৰ চাকৰি পাইছে? অসম প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ বিষয়া শ্ৰীমোহিনীকুমাৰ শৰ্মাই প্ৰস্তুত কৰা '*অসমৰ অৰ্থনৈতিক পৰিকল্পনাৰ আধাৰ*' নামে পুথিত দিয়া তথ্যৰ মতে অসমৰ গধুৰ আৰু মজলীয়া উদ্যোগবোৰত মুঠ ৩৪,২৮৮ জন কৰ্মী আৰু চাকৰিয়াল আছে, তাৰে থলুৱা অসমীয়াৰ সংখ্যা ৮,৫৭২ জনতকৈ অধিক নহব (শ্ৰীশৰ্মাই এই লিখকক দিয়া পুথিখনৰ পাণ্ডুলিপিৰ পৰা)। আনহাতে, এই উদ্যোগবিলাকে অসমৰ মাটিপানীক বায়ুকৈয়ে দূষিত কৰিছে। এইবিলাকৰ কাৰণে কেৱল যে বৰ্তমানৰ অসমীয়াৰ স্বাস্থ্য হানি হৈছে এনে নহয়, ই ভৱিষ্যতৰ অসমীয়াকো পংগু কৰাৰ দিহা কৰিছে। এই বিষয়ে ভিন ভিন ঠাইৰ পৰা গোটোৱা কিছুমান সম্বিধান তলত দিলো।

## জাগীৰোডৰ কাগজ-কলৰ কাণ্ড

"জাগীৰোডত অৱস্থিত হিন্দুস্থান কাগজ নিগমৰ নগাওঁ কাগজ কলৰ পৰা হোৱা প্ৰদূষণে সমগ্ৰ পশ্চিম নগাঁৱৰ বিস্তৃত অঞ্চল আৰু পুব কামৰূপৰ বিস্তৃত অঞ্চলত গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। - - - কাগজ কলটোত অপৰিস্কাৰ পানী সমূহ শোধন কৰাৰ পিছত নলাৰে গৈ তৰঙাজানত পৰিছে। উদ্যোগটোৰ পৰা ইয়াৰ দুৰত্ব ১ কিমিঃ। বিজ্ঞানসন্মত ভাবে পানীখিনি গৈ পথাৰত শস্যকে ধৰি মাছ আদি প্ৰাণীৰ অশেষ ক্ষতি সাধন কৰিছে। পানীত ওপঙি থকা ফেনবোৰে বতাহত উৰি সমগ্ৰ অঞ্চলতে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। জাগীৰোড আৰু ইয়াৰ আশে পাশে ফাগুন, চ'ত মাহত বতাহ বব ধৰিলে মানুহ ওলাব নোৱাৰা অৱস্থা হয়। - - - নগাঁও জিলাত ক্ষতিগ্ৰস্ত হোৱা গাঁওবোৰৰ নামবোৰ (১) দেওশাল (২) টেঘেৰিয়া (৩) নথলা (বেছি ক্ষতিগ্ৰস্ত গাওঁ) (৪) বেলগুৰি (৫) বামফৰ (৬) পালিগুৰি (৭) জাগীৰোডৰ নগৰ এলেকা (৮) থানফালি (৯) পশ্চিম নগাঁৱৰ কাঁহিকুছি অঞ্চল (১০) দণ্ডাবাৰী গাঁও (পোভা মৌজাৰ গাঁও) আদি। কামৰূপ জিলাৰ পুব অঞ্চলৰ কেবাখনো গাঁও প্ৰদূষণৰ কবলত পৰিছে। সেইবোৰ (১) গোলাপ গাঁও (২) গোঁহাই গাঁও (৩) ভুমগ্ৰুম (৪) তেতেলিয়া (৫) মালয়বাৰী (৬) বেৰা-মহেশ্বৰ (৭) হেলাগোগ (৮) বামফৰ (৯) ঢোপগুৰি (১০) দুবুং (১১) উলনি। এইবোৰ অঞ্চলত মানুহকে ধৰি জীৱজন্তুৰ অসুখৰ মাত্ৰা বৃদ্ধি হৈছে। কিছুমান গাঁৱত কুঁৱাৰ পানী খাব নোৱাৰা অৱস্থা হৈছে।" *[অগ্ৰদূত, ২৪ জানুৱাৰী, ১৯৮৮]*

ওপৰৰ বাতৰিটোৰ লগতে স্থানীয় বাইজৰ অভিজ্ঞতা কিছুমানও প্ৰকাশ পাইছিল। সেইবিলাক এনেকুৱা ধৰণৰ -

"জাগীৰোডত বায়ু আৰু পানীৰ প্ৰদূষণ ইমান বেছি হৈছে যে মানুহ থকাই টান হৈছে। কুঁৱাৰ খোৱা-পানী খিনিও আমি খাব নোৱাৰা হ'লো। বজাৰৰ মাছ খাব নোৱাৰি। আমাৰ আৰু কি উপায় আছে"

*[হৰমোহন কলিতা, শিক্ষক, জাগীৰোড হাইস্কুল]*

"জাগীৰোডত কাগজ কলটো অহাৰ পৰা পঢ়া-শুনাৰ পৰিবেশ নোহোৱা হৈছে। বায়ুমণ্ডল ইমান দুষিত যে ইয়াত থকাটো স্বাস্থ্যসন্মত নহয়। গা ধুলে গা খজুৱায়। কি কম।"

*[মীনা বৰা, ছাত্ৰী]*

"খোৱামেলাত ইমান টান পাইছো যে আপোনাক ক'ব নোৱাৰো। খোৱা পানী গৰম কৰি খালেও বেয়া গোন্ধ ওলায়। বতাহ বলিলে পানীৰ ফেনবোৰ কমোৱা তুলাৰ দৰে উৰি আহি ইমান কষ্ট দিয়ে যে ল'ৰা-ছোৱালীৰ বাবে ভীষণ অসুবিধা হৈছে।"

*[এগৰাকী গৃহিণী]*

"কেৱল যোৱা বছৰতে ৫৮,০০০ ৰোগী (নতুন) আমাৰ বৰ্হি বিভাগলৈ আহিছে। আমাৰ ইয়াত ডাক্তৰ তিনিজন। এবেলাতে ১৫০জন ৰোগী মই চাব লগা হৈছে। গৰু, মহ, মাছ, হাঁহ আদি মৰাৰ বাতৰি মোলৈও আহে। পানীৰ প্ৰদূষণৰ বাবে পেটৰ অসুখৰ ৰোগীৰ সংখ্যা যথেষ্ট বেছি। চুলিবোৰ অকালতে পকিব পাৰে। বায়ু প্ৰদূষণৰ বাবে ঘনাই এলাৰ্জি হৈ পানী লগা অসুখ, চালৰ বেমাৰ হৈছে। জাগীৰোডত প্ৰদূষণৰ বাবে এই দুইবিধ বেমাৰ বেছিকৈ হৈছে। আমাক ইয়াত অধিক ডাক্তৰ লাগে। চৰ্কাৰে অতিবেই বিহিত ব্যৱস্থা নললে জাগীৰোডৰ পৰিস্থিতি ভয়াবহ হ'ব পাৰে।"

*(ডঃ এম পাটৰ, জাগীৰোড চৰ্কাৰী চিকিৎসালয়)।*

## তেল-উদ্যোগৰ কাণ্ড

"আগৰ ঐতিহ্যমণ্ডিত গহীন গাম্ভীৰ্যপূৰ্ণ শিৱসাগৰ, নাজিৰা অঞ্চল আজিকালি কছম'পলিটান নগৰ। নগৰ কেইখনে যেন নতুনকৈ সাৰ পাই উঠিল। বাছ, মটৰ স্কুটাৰ, ৰিক্সাৰে দিনটোৰ ১৬ ঘণ্টাই ব্যস্ত হৈ থকা আলিবাটবোৰৰ কাষে-কাষে প্ৰতিদিনে গঢ়ি উঠিছে বিশৃংখলভাৱে অনা-অসমীয়া ব্যৱসায়ীসকলৰ পকী অট্টালিকা। বিশেষকৈ হাৰ্ডৱেৰ আৰু মটৰ পেৰেজৰ লানি শিৱসাগৰ, নাজিৰাত অপেক্ষাকৃতভাৱে বেছি যেন লাগিল। - - -এটা অনগ্ৰসৰ অঞ্চললৈ উদ্যোগীকৰণে হঠাতে আনি দিয়া বহল পৰিবৰ্তনৰ ধাৰাটো সমাজ বিজ্ঞানৰ স্বীকৃত সূত্ৰ। - - -

নাম প্ৰকাশত অনিচ্ছুক আয়োগৰে এজন প্ৰথম শ্ৰেণীৰ দায়িত্বশীল বিষয়াই আমাৰ আগত স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে আয়োগে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে চৰ্কাৰৰ কোনো নীতিয়েই পালন কৰা নাই। তেখেতেই উদাহৰণ দিছিল যে.চৰ্কাৰী নীতি অনুযায়ী প্ৰাকৃতিক গেছবোৰ জ্বলাই দিব লগীয়া হ'লে মাটিৰ পৰা কমেও ৩০ ফুট উচ্চতাত জ্বলাব লাগে। আয়োগে এনে কৰা নাই। প্ৰচণ্ড তাপ আৰু পোহৰত কাষৰীয়া অঞ্চলত বাণিজ্যিক ভাবে কৰা মুগা-পলুৰ খেতিৰ অনিষ্ট হোৱাৰ লগতে উদ্ভিদ জগতৰো বিস্তৰ ক্ষতি হৈছে। আনহাতে তেলখাদৰ পৰা জি-জি-এছ আদিলৈ সংলগ্ন তেল প্ৰবাহিত নলীবোৰ নিয়মমতে মাটিৰ তিনি ফুট তললৈকে পুতিব লাগে; কিন্তু কোনো কোনো ঠাইত নলীবোৰ মাটিৰ ওপৰতে ওলাই থকা দেখিবলৈ পোৱা যায়। সুৰক্ষা বিধিসমূহ ভালদৰে প্ৰয়োগ নকৰাৰ বাবে ইতিমধ্যে কেইবা ঠাইতো ঘৰবাৰী জ্বলাৰ, আনকি মানুহ মৰাৰো খবৰ বাতৰি-কাকতত পোৱা যায়।

পথাৰত তেল সোমালে বা তেলে ধান আদি মাৰিলে টকা পোৱাৰ আনন্দত উবুলীকৃত গাঁৱৰ সৰহভাগ ৰাইজেই এই প্ৰদূষণ ইত্যাদিৰ কথা নাজানে বা জানিলেও মুৰ ঘমোৱাৰ চেষ্টা নকৰে। প্ৰত্যেক বছৰে তেল মিহলি পানী হাঁহ আদি খাই গৰুগাই, হাঁহ-কুকুৰা মৰা, ধানমাছৰ উৎপাদন বছৰি হ্ৰাস পোৱা ঘটনাবোৰে মানুহখিনিক প্ৰত্যক্ষভাৱ আঘাত কৰিব পৰা নাই।

শিৱসাগৰ, নাজিৰাৰ কাষৰীয়া ঐতিহাসিক সম্পদবোৰ আকৰ্ষণীয় কৰিবলৈ আয়োগে টকা ব্যয় কৰাৰ হিচাপ দিছে। টকা খৰছ কৰাৰ নামত দেখিলো শিৱসাগৰ পুখুৰীটোৰ চাৰিওকাষে কেইটামান ছডিয়াম ভেপাৰ লাইটহে আয়োগে লগাই দিছে। ঐতিহ্যপূৰ্ণ তলাতলঘৰ, ৰংঘৰৰ নিচেই কাষতে তেল খননৰ বাবে যা যোগাৰ চলোৱা প্ৰতিষ্ঠানটো তেলশেহ আয়োগেই নাছিল জানো? নপুখুৰীৰ পাৰৰ দল কেইটাৰ ভিতৰে-বাহিৰে নানা সামগ্ৰীৰ ভৰালটো আয়োগৰে নহয় জানো?"

*[বোনু বৰুৱা,পূৰ্বাঞ্চলত তেল-শেহ আয়োগ, ১-১৫ মে'৮৫ৰ প্ৰান্তিক]*

## নামৰূপৰ সাৰ উদ্যোগৰ কাণ্ড

"সাৰ কাৰখানা কেইটাৰ পৰা নিৰ্গত হোৱা আবৰ্জনাসমূহ দুটা ভাগত ভাগৰ পাৰি; জলীয় আৰু বাষ্পীয়। বাষ্পীয় ভাগত আছে ছালফাৰ ডাই-অক্সাইড, ছালফিউৰিক এছিড বাষ্প, ছালফাৰ ট্ৰাই-অক্সাইড আৰু বিভিন্ন পাৰ্টিকুলেট(particilate) পদাৰ্থ। আনহাতে জলীয় ৰূপত কাৰখানাসমূহৰ পৰা নিৰ্গত হোৱা বিষাক্ত আবৰ্জনাৰ ভিতৰত আছে আৰ্চেনিক, ক্ৰমিয়াম, নাইট্ৰ'জেন-জাত পদাৰ্থ, তেল আৰু গ্ৰিজ-জাতীয় পদাৰ্থ, বিবিধ ক্ষাৰ, এছিড সামগ্ৰী আৰু বিবিধ উটি যোৱা গোটা পদাৰ্থ। - - - নামৰূপ সাৰ কাৰখানাৰ কাষেদি যোৱা দিলিহ বা দিল্লি নৈলৈ এই সকলো আবৰ্জনা বৈ যায়। ফলত বহু সময়ত নৈখনৰ (নামৰূপৰ পশ্চিমলৈ ইয়াৰ নাম দিচাং নৈ) নামনিত গৰু-ম'হৰ মৃত্যু, খেতিৰ ক্ষতি আৰু মাছৰ মৃত্যুৰ খবৰ ওলাই থাকে। পবিত্ৰ গংগাৰ পানী পৰিশোধন সংক্ৰান্তত যিমান দেশজোৰা হুলস্থূল হৈছে, দিচাং নৈৰ পৰিশোধনৰ বাবেও সিমান এটা হুলস্থূল সম্ভৱ; কিন্তু এই সংক্ৰান্তত নিৰ্দিষ্ট পৰিসংখ্যা আৰু গৱেষণা নাই। ফলত দিচাং নৈৰ ভয়াবহতাৰ অধিক পৰিমাণ কোনেও নাজানে।

কাৰখানাৰ আবৰ্জনাৰ উপৰিও সাৰ নগৰীখনৰ আবাসিক এলেকাৰ আবৰ্জনায়ো ওচৰ চুবুৰীয়া অঞ্চলৰ বাবে কিছু ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। সাৰ নগৰীৰ মাজেৰে বৈ যোৱা এটা জুৰিত আবাসিক এলেকাৰ কেইবাডালো ডাঙৰ পাইপ খালী কৰা হয়। এই জুৰিটো কাষৰ গাঁৱৰ মাজেৰে বৈ যায়। ফলত সেইবোৰ গাঁৱৰ পানী দূষিত হয়।"

*[সমুদ্ৰ গুপ্ত কাশ্যপ, নামৰূপৰ সাৰ উদ্যোগ, প্ৰান্তিক, ১৬-৩০ জুন'৮৬]*

এইখিনিতে এইটো উল্লেখযোগ্য যে সাৰ কাৰখানাই কৰা প্ৰদূষণ নিবাৰণৰ কাৰণে দুই এটা কাম হাতত লোৱা বুলি শ্ৰীকাশ্যপে উল্লেখ কৰিছে আৰু সেইবিলাকে সকলো দুৰৱস্থা আঁতৰাব বুলি কৰ্তৃপক্ষই ৰাইজক সময়ে সময়ে আশ্বাস দিয়ে। কিন্তু ৰাইজে এনে আশ্বাসত ভোল যোৱা উচিত নহয় কিয়নো সাৰ নিগমৰ বাষ্পীয় আবৰ্জনাবোৰ বায়ুমণ্ডলত মিহলি হৈ এছিড-বৰষুণ ৰূপে অসময় অ'ত ত'ত পৰাৰ পৰা বাধা দিব পৰা কিবা উপায় যদি

কোনোবাই উলিয়াব পাৰিছে তেনেহলে তেওঁ ততালিকে নোবেল বটা পাব কিয়নো এই সমস্যাই পশ্চিমৰ প্ৰায়বিলাক দেশকে বিশেষ ভাবে পীড়িছে আৰু তেওঁলোকে ইয়াৰ একো সমাধান বিচাৰি পোৱা নাই। সেইদৰে পানিয়ে উটুৱাই নিয়া বিষাক্ত আৰ্ছেনিক আৰু ক্ৰমিয়াম যদি নামৰূপৰ কোনো বিশেষজ্ঞই আঁতৰাব পাৰিছে তেনেহলে সেই পদ্ধতিয়েও নামৰূপৰ বিশেষজ্ঞলৈ নোবেল বটা আনিব পাৰে। তাতোকৈ দুখৰ কথা এই যে নামৰূপৰ পৰা দিচাং নৈ উত্তৰ পশ্চিমমুৱা হৈ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সমতলৰ মাজেদি গৈ শেষত দিচাংমুখত বৰ লুইতত পৰিছে - অৰ্থাৎ নামৰূপ সাৰ উদ্যোগৰ বিষাক্ত আবৰ্জনা ওপৰ অসমৰ এক বুজন অংশক বিষাক্ত কৰাৰ উপৰিও বৰ লুইতৰ পানীত বিহ ঢালিছে।

## প্লাইউড কাৰখানাৰ কাণ্ড

"অসমৰ ৪৪টা প্লাইউড কাৰখানাৰ (বেচৰ্কাৰী হিচাব মতে ৬৪টা) পৰা ভাৰতবৰ্ষৰ সৰ্বমুঠ উৎপাদিত প্লাইউডৰ শতকৰা ৬০ ভাগ উৎপাদন হয়। ১৯৮২ - ৮৩ চনত এই প্লাইউড কাৰখানাবোৰত মুঠ ৫৮,৭০০ ঘন মিটাৰ কাঠ ব্যৱহাৰ কৰা হয়। এইটো চৰ্কাৰী হিচাবহে। অনুজ্ঞাপত্ৰৰ বিপৰীতে প্লাইউড কাৰখানাবোৰে বনাঞ্চলৰ পৰা চোৰাংকৈ কাঠ কটা কথা বাতৰি কাকতত প্ৰায়েই ওলায়। তাৰোপৰি, এই সম্পৰ্কে কেইবাবাৰো অসম বিধান সভাত যোৱা দহ বছৰত প্ৰশ্নৰ অৱতাৰণা হৈছে।

এই প্লাইউড কাৰখানাবোৰ কেঁচামালৰ অভাৱত সংকটৰ সন্মুখীন হৈছে। প্লাইউড কাৰখানাবোৰত প্ৰয়োজনীয় পৰিমাণৰ কাঠৰ যোগান ধৰিব পৰাকৈ অসমৰ হাবিত কাঠ নাই। প্ৰয়োজনীয় কাঠৰ চাহিদাৰ শতকৰা ২২ ভাগহে অসমৰ বনাঞ্চলৰ পৰা পূৰণ কৰিব পৰা যায়। সেয়ে, অসমৰ বনাঞ্চলৰ কাঠৰ উপৰিও মেঘালয়, নগাৰাজ্য আৰু অৰুণাচল প্ৰদেশৰ পৰাও প্লাইউড কাৰখানাবোৰলৈ কাঠ আহে। কিন্তু ১৯৮২ চনত নগাৰাজ্য আৰু অৰুণাচল প্ৰদেশে ফলাকাঠ ৰাজ্যৰ বাহিৰলৈ সৰবি নাযাবৰ কাৰণে আইন সংগত ব্যৱস্থা গ্ৰহণ কৰে। গতিকেই, ১৯৮২ চনৰ পৰা প্লাইউড কাৰখানাবোৰে কেঁচামালৰ চাহিদা পূৰণৰ বাবে অসম আৰু মেঘালয়ৰ কাঠৰ ওপৰতে নিৰ্ভৰ কৰে। ফলস্বৰূপে, যোৱা তিনি বছৰত আগৰ তুলনাত হাবিত চোৰাংকৈ কাঠ কটা কাৰ্য বৃদ্ধি হ'বলৈ ধৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এচাম দুষ্ট বেপাৰী (কাঠফলা কলৰ মালিক, প্লাইউড কাৰখানাৰ মালিক আদি), ৰাজনৈতিক ব্যক্তি আৰু ঠিকাদাৰ, দালাল, আনকি বন বিভাগৰ এচাম ভ্ৰষ্টাচাৰী দুৰ্নীতি পৰায়ণ বিষয়া-কৰ্মচাৰীয়ে লগ হৈ যোৱা তিনি বছৰে (আন্দোলনৰ সুযোগ লৈ) প্লাইউড কাৰখানাবোৰৰ কাৰণে হাবিৰ কাঠ কাটি (চোৰাংকৈ) অসমৰ বনাঞ্চলৰ যি অপূৰণীয় ক্ষতি কৰিলে

গিয়েই বনাঞ্চলৰ নির্বনীকৰণত এক উল্লেখযোগ্য ভূমিকা ললে আৰু বিস্তৃত হাবত ধ্বংস কৰিলে।"

*[মোহিনীকুমাৰ শৰ্মা, অসমৰ বনভূমিৰ সবিশেষ, ১৯৮৬ চনত শ্ৰীশৰ্মাই এই লিখকক দিয়া প্ৰুফিলনৰ পাণ্ডুলিপিৰ পৰা]।*

এইটো উল্লেখযোগ্য যে বৰ্তমান অসমৰ প্লাইউড কাৰখানাবোৰে মালয়চিয়া আদি দেশৰ পৰাও কাঠ আনে। সেইবিলাক দেশৰ বাইজ আৰু চৰ্কাৰ কাঠৰ এনে ব্যৱসায়ে কেনেদৰে তেওঁলোকৰ দেশখনৰ ঘোৰ অন্যায় সাধিছে সেই বিষয়ে হয়তো এতিয়াও সচেতন হোৱা নাই। অদূৰ ভৱিষ্যতত যে সেইবিলাক দেশৰ পৰা কাঠৰ আমদানী বন্ধ হ'ব তাত সন্দেহ নাই। সেয়ে অসমৰ প্লাইউড কাৰখানাবোৰক সংযত নকৰিলে অসমৰ হাবি জংঘল যে শেষ হ'ব তাত সন্দেহ নাই। এই ক্ষেত্ৰত কালিফৰ্ণিয়াৰ বঙা কাঠৰ হাবি সংৰক্ষণ কৰাৰ নিয়ম আঙুলিয়াই দিয়া উচিত হ'ব। এই হাবিৰ বঙা কাঠ এজোপা কিবা কাৰণত কাটিব লগীয়া হ'লে তেনে গছৰ পুলি এটা সযত্নে ৰোৱাটো নিয়ম। আমি ভাবো যে অসমৰ হাবিৰ ক্ষেত্ৰত এইটো নিয়ম কৰিব লাগে যে যি এজোপা গছ কাটে তেওঁ যেন তেনে দুজোপা গছ (কটা জোপাৰ ওচৰে পাজৰে) ৰোৱাৰ ব্যৱস্থা কৰে।

## পাটকাই পাহাৰৰ কয়লা উদ্যোগৰ কাণ্ড

"অৰ্থনৈতিক উত্থানৰ বাবে সামাজিক শৃংখল প্ৰক্ৰিয়া ধ্বংস কৰাৰ ভয়াবহ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে কয়লাখনিৰে পৰিবেষ্টিত অসমৰ একেবাৰে পুব সীমান্তৰ লিডু, বৰগোলাই অঞ্চলকে ধৰি বহু মাইল জোৰা এটা সেউজ উপত্যকা। পাটকাই পাহাৰৰ পাদদেশত ঘটিছে পৰিবেশৰ অৱক্ষয়, - ইংৰাজীত যাক বোলা হয় ইক'লজিকেল ডিগ্ৰেডেশ্যন'।

অ'পন কাষ্ট মাইনিং প্ৰকল্পত বিৰাট কায় যন্ত্ৰপাতিৰে সুসজ্জিত নেশ্যনেল মাইনিং, অশোক মাইনিং, উজ্জ্বল ট্ৰেন্সপৰ্ট আদি তিনি চাবিটামান ব্যৱসায়ী গোষ্ঠিয়ে ক'ল ইণ্ডিয়াৰ সহযোগত অঞ্চলটোৰ প্ৰাকৃতিক সম্পদবাজিৰ ওপৰত অতি নিৰ্দয়ভাৱে ধ্বংসলীলা চলাই গৈছে। এই ব্যৱস্থাত কয়লা উদ্ঘাটনৰ বাবে প্ৰথমে পাহাৰৰ উপৰি ভাগত থকা সকলো গছ গছনি কাটি মুকলি কৰি লোৱা হয়। তাৰ পাছত ডাম্পাৰ, পৰ্টলেণ্ড আদি আধুনিক খননকাৰী যন্ত্ৰ প্ৰয়োগ কৰি পাহাৰবোৰ ক্ৰমান্বয়ে খান্দি পেলোৱা হয়। এই পদ্ধতিৰ দ্বাৰা ঠিকাদাৰ আৰু কৰ্তৃপক্ষ উভয়ৰে বিশেষ লাভজনক, কিয়নো- এই পদ্ধতিত হোৱা খৰচ সচৰাচৰ হোৱা খৰচতকৈ শতকৰা ৬০ ভাগ কম। কিন্তু এই ব্যৱস্থাৰ ফলত যোৱা দুই তিনি বছৰত ধ্বংস হ'ল কেইবা মাইল জোৰা ডাঠ সেউজীয়া অৰণ্য। চিৰদিনৰ বাবে বন্ধ্যা হ'ব লগীয়া হ'ল সমতলত

থকা কৃষি উপযোগী পথাৰবোৰ। পশু পক্ষী, মানুহ, উদ্ভিদ জীয়াই থকাৰ সামগ্রিক বাতাবৰণটোৱেই এতিয়া বিপন্ন। ---
---যোৱা তিনি চাৰি বছৰতেই একো একোটা গছ-গছনিৰে ভৰা পাহাৰ খান্দি তাক জলাশয়ত পৰিণত কৰিছে। পাহাৰ কেইটাৰ ওচৰে পাজৰে প্ৰায় ৫০-৬০ মিটাৰ গভীৰতাৰ কেইবাটিও জলাশয় আমি পৰ্যবেক্ষণ কালত লক্ষ্য কৰিছিলো। প্ৰকাণ্ড প্ৰকাণ্ড জলাশয় কেইটাত জমা হোৱা পানীবোৰো প্ৰচুৰ পৰিমাণে আম্লিক (acidic)। কিয়নো, অসমৰ কয়লাত ছালফাৰৰ পৰিমাণ যথেষ্ট বেছি। কয়লাত থকা এই ছালফাৰৰ প্ৰাকৃতিক উপায়েৰে ৰাসায়নিক বিক্রিয়া ঘটে আৰু ইয়াৰ পৰা ছালফিউৰিক এছিড উৎপন্ন হয়। তেনেবোৰ বিষাক্ত পানীকেই পৰিশোধন নকৰাকৈ ক'ল ইণ্ডিয়াৰ কর্তৃপক্ষই পাম্পৰ সহায়ত যেনি-তেনি বোৱাই দিছে। এই আম্লিক পানীয়ে মাটিৰ স্বাভাৱিক গুণ নষ্ট কৰাৰ উপৰিও খোৱাপানীৰ পুখুৰী আদিত সোমাই সাঁধাৰণ মানুহৰ জীৱন বিপন্ন কৰি তুলিছে। এইবোৰ পানীকেই খোৱাৰ ফলত গৰু ম'হ আদিও মৃত্যু মুখত পৰিছে। দুখনমান গাঁও আৰু বস্তিৰ সাধাৰণ মানুহখিনিৰ ওপৰত মোটামুটিভাৱে চলোৱা এটা সমীক্ষাৰ পৰা জানিব পৰা গ'ল যে, ঘাইকৈ আম্লিক পানী আৰু কয়লাৰ সঘন সংস্পৰ্শৰ ফলতেই মানুহখিনিয়ে গেষ্ট্ৰো এনটাৰাইটিছ, এজমা, টি-বি আদি ৰোগত ভুগিব লগা হৈছে।"

*[বোনু বৰুৱা, পাটকাই অঞ্চলত যন্ত্ৰযুগৰ ধ্বংসলীলা, প্ৰান্তিক, ১৬-৩০ ছেপ্টেম্বৰ'৮৭]*

৩ ফেব্ৰুৱাৰী ১৯৮৮ৰ অগ্ৰদূতত ওলোৱা এটা বাতৰিৰ মতে মাৰ্ঘেৰিটাৰ পূৰ্বাঞ্চল কল্যাণ সংঘ নামৰ এটা প্ৰতিষ্ঠানে ৮ জুলাই ১৯৮৭ তাৰিখে দিয়া এখন আবেদনত উল্লেখ কৰা দহটা গুৰুত্বপূৰ্ণ পৰিবৰ্তনত এইটোও উল্লেখ কৰিছে যে পানীৰ লগত উটি অহা প্ৰচুৰ পৰিমাণৰ কয়লাৰ গুৰিয়ে জান জুৰিবোৰ বাম কৰি বানপানীৰ সৃষ্টি কৰিছে আৰু কাষৰীয়া খেতিৰ মাটিত ভৱিষ্যতে কোনো শস্য হ'ব নোৱাৰা অৱস্থাৰ সৃষ্টি কৰিছে।

[ ১৯৮৮চনৰ আনাৰ বছৰেকীয়া স্মৃতি গ্ৰন্থত আৰু প্ৰান্তিকত আংশিক ভাবে প্ৰকাশিত]

*তিন দহ তিনি অধ্যায়*

# উদ্যোগ প্ৰধান দেশৰ তিতা-কেহা অভিজ্ঞতা

উদ্যোগৰ বিকাশ আৰু উদ্যোগক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজ আৰু মানুহৰ জীৱন-ধাৰাৰ ক্ষেত্ৰত আমি তথা কথিত উন্নত দেশবিলাকৰ অভিজ্ঞতাবিলাক ভালদৰে অধ্যয়ন কৰা উচিত। আজি আমেৰিকাবাসীয়ে কি কি উদ্যোগৰ বিৰোধিতা কৰে আৰু কিয় বিৰোধিতা কৰে সেইবিলাক ভালদৰে ফঁহিয়াই চাব লাগে। ঔদ্যোগিক বিকাশে কেনেদৰে আমেৰিকাৰ দৰে আন কিছুমান দেশৰ মাটি, পানী আৰু বায়ুক দূষিত কৰিছে আৰু সেইবিলাকে কেনেদৰে ৰাইজৰ হঁিয়া ফালিছে তাক আমি অধ্যয়ন কৰা উচিত।

উদাহৰণ স্বৰূপে অসমীয়া ৰাইজে অসমত তেল শোধানাগাৰ লাগে বুলি আন্দোলন কৰে কিন্তু আজিকালি আমেৰিকাৰ কেনিবা ক'ৰবাত তেল শোধানাগাৰ পাতিবলৈ ওলালে সেই ঠাইৰ ৰাইজে তাৰ বিৰুদ্ধে জাংগুল খাই উঠে। আমাৰ শিক্ষামন্ত্ৰীয়ে অসমত নিউক্লিয়েৰ ৰিয়েক্টৰ পাতিম বুলি গণ পৰিষদৰ বিজয় ঘোষণা কৰিছে কিন্তু আজিকালি আমেৰিকাত কেনিবা নিউক্লিয়েৰ ৰিয়েক্টৰ বা বিদ্যুত উৎপাদন কেন্দ্ৰ পাতিবলৈ ওলালেই আমেৰিকাবাসীয়ে তাৰ বিৰুদ্ধে ৰণভেৰী বজায়।

আচৰিত কথা যে আমেৰিকাত বৰ্তমান ডি-ডি-টিৰ উৎপাদন আৰু প্ৰয়োগ আইনেৰে বন্ধ কৰা হৈছে কিন্তু ভাৰতে সেই বন্ধ হৈ যোৱা কাৰখানাবিলাকৰ সাজ সৰঞ্জাম কিনি অধিক ডি-ডি-টি উৎপাদনত মনোনিবেশ কৰিছে। আজিৰ উন্নত দেশৰ তিতাকেহা অভিজ্ঞতা আৰু অনুন্নত দেশৰ ঔদ্যোগিক বিকাশৰ প্ৰচেষ্টাৰ মাজত কোনো বুজাপৰা দেখা নাযায়। সেয়েহে ঔদ্যোগিক বিকাশক কেন্দ্ৰ কৰি গঢ় লোৱা আমাৰ সোণালী ভৱিষ্যতৰ সপোনবিলাক দিঠকত পৰিণত হ'লে আমাৰ হয়তো বিশেষ ক্ষতি হ'ব পাৰে। এই প্ৰসংগত নিউক্লিয়েৰ শক্তিৰে বিদ্যুত শক্তি উৎপাদন, প্লাষ্টিক উদ্যোগৰ আৰু কীট-নাশক দৰবৰ বিষয়ে ৰাইজক সকিয়াই দুআষাৰ কৈ থওঁ।

## এটা নিউক্লিয়েৰ বিদ্যুত কেন্দ্ৰ বন্ধ কৰাৰ কাহিনী

১৯৮৭ চনত ৰাছিয়াৰ চেৰ্নবল নিউক্লিয়েৰ ৰিয়েক্টৰত হোৱা আৰু তাৰ আগতে ১৯৭৯ চনত আমেৰিকাৰ থ্ৰি-মাইল আইলেণ্ডত হোৱা ভয়াবহ দুৰ্ঘটনাই নিউক্লিয়েৰ উদ্যোগে সাধিব পৰা ধ্বংস-লীলাৰ প্ৰতি মানুহৰ চকু মেল

শুৱাইছে। নিউক্লিয়েৰ শক্তি উৎপাদন কঁৰোতে হ'ব পৰা ভয়ানক দুৰ্ঘটনা বা ৰেডিঅ-এক্টিভ আবৰ্জনা নিৰাপদ ভাবে ৰখাৰ বিষয়ে যে আজিৰ বিজ্ঞানৰ কোনো সমিধান নাই সেইটো উদ্যোগ প্ৰধান দেশ সমূহে ভালদৰে উপলব্ধি কৰিব পাৰিছে। নিউক্লিয়েৰ উদ্যোগ মানৱ সমাজৰ কাৰণে এক ভয়ানক বস্তু তাক এতিয়া মানুহে ভালদৰে বুজিব পাৰিছে। সেয়েহে আমেৰিকাবাসীয়ে নিজৰ সাত শত্ৰুক দমন কৰিবলৈকো নিউক্লিয়েৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰাটো নিবিচাৰে। নিউক্লিয়েৰ অস্ত্ৰ-শস্ত্ৰ নালাগে এতিয়া আমেৰিকাবাসীয়ে নিউক্লিয়েৰ শক্তি উৎপাদনৰও বিৰোধিতা কৰে। আজি কিছুদিন আগতে ৰাইজ আৰু নিউ-ইয়ৰ্ক প্ৰদেশ চৰ্কাৰে তয়াময়া যুজ কৰি লং-আইলেণ্ডত প্ৰতিষ্ঠিত হ'বহাম নিউক্লিয়াৰ বিদ্যুত কেন্দ্ৰটো এদিনও চলিবলৈ নিদিয়াকৈয়ে ভাঙি পেলাবলৈ লোৱা সিদ্ধান্তটো মন কৰিব লগীয়া।

১৯৬৫ চনতে আৰম্ভ কৰি প্ৰায় একুৰি বছৰ পিছত সম্পূৰ্ণ কৰা এই কেন্দ্ৰটো সাজোতে প্ৰায় ৫.৩ বিলিয়ন ডলাৰ অৰ্থাৎ ৬,৫০০ কোটীতকৈও অধিক টকা খৰছ কৰা হৈছিল। ১৯৮৪ চনতে এই কেন্দ্ৰটো সম্পূৰ্ণ হৈছিল যদিও নিউ ইয়ৰ্ক প্ৰদেশ চৰ্কাৰ আৰু লং-আইলেণ্ডৰ ৰাইজৰ বিৰোধিতাৰ কাৰণে ইয়াৰ পৰা শক্তি উৎপাদন আৰম্ভ কৰিব নোৱাৰিলে। ইমান ধন ভাঙিও সজা এই কেন্দ্ৰটো বন্ধ কৰাৰ প্ৰধান কাৰণ এয়েই যে ইয়াত কিবা দুৰ্ঘটনা ঘটিলে ইয়াৰ ওচৰে পাজৰে বাস কৰা ৰাইজক নিৰাপদ ভাবে আন ঠাইলৈ আঁতৰাই নিয়াটো অসম্ভৱ। শক্তি, উদ্যোগ, জি-এন-পি, লাভজনক অৰ্থনীতি আদিৰ বিচাৰে শেষত ৰাইজৰ নিৰাপত্তা আৰু পৰিবেশ ৰক্ষাৰ আগত হাৰ মানিলে-ই এটা সাধাৰণ কথা নহয়।

## প্লাষ্টিক উদ্যোগৰ কথা

"অসমৰ প্ৰস্তাৱিত পেট্ৰ'-ৰাসায়নিক প্ৰকল্পটোও আই-পি-ছি-এলৰ আৰ্হিতে গঢ়ি তুলিব পাৰিলে, ভৱিষ্যতে প্ৰচুৰ সম্ভাৱনা থকা ৰবৰ আৰু প্লাষ্টিক উদ্যোগত আমিও অনায়াসে প্ৰবেশ কৰিব পাৰিম। অইন ৰাজ্যবোৰত থকা প্লাষ্টিকৰ চাহিদাৰ কথাতো বাদেই, পুৰ্বোত্তৰ অঞ্চলতে এতিয়া প্লাষ্টিকৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ চাহিদা দিনক দিনে বৃদ্ধি পাইছে।"

*[পৰাগ কুমাৰ দাস, তেল সম্পদৰ ভিত্তিত অসমৰ অৰ্থনৈতিক পুনৰুত্থানৰ সম্ভাৱনা, প্ৰান্তিক, ১-১৫ জুলাই'৮৭]*

কিন্তু লেঠা এইয়ে যে প্লাষ্টিক এতিয়া পৃথিবীৰ এক ডাঙৰ সমস্যা হৈ পৰিছে। বিশেষকৈ প্লাষ্টিকেৰে সজা বস্তুৰ ব্যৱহাৰ দিনক দিনে বাঢ়ি অহাৰ কাৰণে আজিৰ নগৰ চহৰৰ গোটা আবৰ্জনাৰ অধিক ভাগেই প্লাষ্টিক। এই প্লাষ্টিকৰ আবৰ্জনাবিলাক ৰাসায়নিক ভাবে ক্ষয় নাযায়, ইয়াক পুৰিলে ক্সেন্সাৰ-ঘটাব পৰা দাইঅক্সিন (dioxin) প্ৰচুৰ পৰিমাণে ওলাই কাৰণে ইয়াক পুৰিলেও বিপদ। প্লাষ্টিক মোনাই কেৱল ১৯৫৯ চনতে আমেৰিকাৰ ৫০ জন

শিশুৰ মৃত্যু ঘটায় আৰু বহুবি এনে দুৰ্ঘটনা এতিয়াও হৈ থাকে। তদুপৰি আজিৰ বহু মহানগৰী আৰু জাহাজ আদিৰ পৰা সাগৰত পেলোৱা আবৰ্জনাবিলাকে সাগৰৰ জীৱ-জন্তুৰ বিশেষ ক্ষতি কৰিছে। সাগৰৰ চিলনী, কাছ আদি বহুতেই প্লাষ্টিকৰ বস্তু খাই মৰিছে বা জীয়াতু ভুগিছে। তদুপৰি, সাগৰৰ তলীত অধিক প্লাষ্টিক আবৰ্জনা গোট খুওৱা ঠাইত কোনো ধৰণৰ জীৱ-জন্তু বা গছ-লেলুবৈ জীয়াই থাকিব নোৱাৰে কাৰণে সাগৰৰ তলীত ঠাইয়ে ঠাইয়ে একো একোটা মৰু-অঞ্চলৰ সৃষ্টি হৈছে। এইবিলাক কাৰণে প্লাষ্টিকৰ অন্যতম আৱিষ্কাৰক ৮৩ বছৰীয়া জুলিয়ান হিলে আজি কিছুদিন আগতে কৈছিল,'মোৰ ধাৰণা যে গোটেই মানৱ জাতি প্লাষ্টিকৰ চেপাতেই ধ্বংস হ'ব (I think the human race is going to perish by being smothered in plastic)। সেয়েহে মানৱ জাতিক প্লাষ্টিকৰ কবলৰ পৰা মুক্ত কৰিবৰ কাৰণে এতিয়া আমেৰিকবাসী প্লাষ্টিকৰ বিপক্ষে ৰণত নামিছে। ইতিমধ্যে, নিউ ইয়ৰ্কৰ চাফ'ক সদৰৰ প্লাষ্টিকৰ নানা ধৰণৰ মোনা ব্যৱহাৰ কৰাটো আইনমতে দণ্ডনীয় কৰিছে। কালিফৰ্ণিয়াৰ বাৰ্কলী চহৰত প্লাষ্টিকৰ ব্যৱহাৰ সীমিত হৈছে কিয়নো প্লাষ্টিক বনাওঁতে ব্যৱহাৰ হোৱা কিন্তু ক্লৰফ্লৰ'কাৰ্বন (chlorofluorocarbons) থকা পলিষ্টিনৰ (polystrenes) ব্যৱহাৰ তাত বন্ধ কৰা হৈছে- ক্লৰফ্লৰ'কাৰ্বনে আমাৰ বায়ুমণ্ডলৰ উপৰি ভাগত থকা আৰু পৃথিবীৰ জীৱ-জন্তুক ৰক্ষা কৰি থকা অ'জন (ozone)ৰ বেৰখন খহায়। আমেৰিকাৰ আন আন ঠাইতো একে ধৰণৰ আইন প্ৰস্তুত কৰা হৈছে। সেইদৰে ৰ'ড আইলেণ্ডত বিয়েৰৰ টেমা বন্ধা সজুলি হিচাপে কেৱল ৰাসায়নিক ভাবে ক্ষয় যাব পৰা বস্তুহে ব্যৱহাৰ কৰিব পাৰিব বুলি আইন সদনলৈ আহিছে।

*[প্লাষ্টিকৰ বিষয়ে এই কথাখিনি ১৪ জানুৱাৰী ১৯৮৮ৰ নাৰাগেন্সেট টাইমচ, ১৮ জানুৱাৰী ১৯৮৮ৰ প্ৰভিডেন্স জৰ্নেল বুলেটিন আৰু ৩০ এপ্ৰিল ১৯৮৮ৰ নিউ ইয়ৰ্ক টাইমচ কাকতৰ পৰা লোৱা হৈছে]*

এইবিলাক জানি শুনি আমি প্লাষ্টিক উদ্যোগ পাতিবলৈ জপিয়াই পৰা জানো উচিত হ'ব? কেৱল প্লাষ্টিকেই নহয় আন আন ডাঙৰ ডাঙৰ উদ্যোগৰ বিষয়েও আন আন দেশৰ অভিজ্ঞতাবিলাক আমি এইকাৰণেই অধ্যয়ন কৰিব লাগে যাতে আমি তেওঁলোকে সন্মুখীন হোৱা সমস্যাবিলাকৰ যাতে আমাৰ দেশত পুনৰাবৃত্তি নহয়।

## কীট-নাশক দৰবৰ কথা

আমেৰিকাৰ শাক-পাচলি আৰু ফল-মূলত পোক-পৰুৱা নালাগিবৰ কাৰণে নানা ধৰণৰ কীট-নাশক দৰব (pesticides) ব্যৱহাৰ কৰা হয়। বৰ্তমান আমেৰিকাৰ প্ৰাকৃতিক সম্পদ ৰক্ষা সন্মা (Natural Resources Defense

Council)ৰ মতে এই দৰবৰোৰে আমেৰিকাৰ ল'ৰা-ছোৱালীক কেন্সাৰ ৰোগত আক্ৰান্ত কৰিছে। তেওঁলোকৰ মতে এনে কেন্সাৰ একপ্ৰকাৰ সংক্ৰামক ৰোগৰ দৰে হৈ পৰিছে আৰু ভৱিষ্যতে বছৰি ৬,২০০জনক কেন্সাৰ ৰোগত ভুগাব। এই দৰব বিলাকৰ দ্বাৰা ল'ৰা-ছোৱালী বেছিকৈ ভুগাৰ কাৰণ এয়েই যে ডাঙৰৰ তুলনাত ল'ৰা-ছোৱালীয়ে অধিক ফল-মূল আৰু কেঁচা শাক পাচলি খায়। আমেৰিকা চৰ্কাৰৰ পৰিবেশ সংৰক্ষণ বিভাগ (Environment Protection Agency অৰ্থাৎ EPA) এই বিষয়ে সজাগ নহয় বুলি বৰ্তমান এই বিভাগৰ বিপক্ষে মোকৰ্দমা কৰিবলৈকো পাতিছে - এই সংগ্ৰামৰ কাৰণে খ্যাতনামা অভিনেত্ৰী মেৰিল ষ্ট্ৰীপে আগ ভাগ লৈছে। আজিকালি আমাৰ দেশতো এনে দৰবৰ প্ৰচলন বাঢ়ি অহাটো বৰ দুখৰ কথা।

আন এটা প্ৰয়োজনীয় কথা এই যে উদ্যোগৰ বিকাশৰ কাৰণে সমাজও সাজু হ'ব লাগে। এখন সমাজ এটা উদ্যোগ প্ৰতিষ্ঠাৰ কাৰণে আগতীয়াকৈ সাজু হ'ব লাগে। এটা সাধাৰণ উদাহৰণ দিওঁ- অসমৰ দুৰ সীমান্তলৈকে নেচনেল হাইৱে হ'ল আৰু ই অসমলৈ সৰু ডাঙৰ নানা উদ্যোগ আনি দিলে কিন্তু ই অসমীয়া সমাজক বাহিৰৰ পৰা অহা লোকলৈ যেনেকৈ মুকলি কৰি দিলে তাৰ বাবে অসমীয়া সমাজ হয়তো এতিয়াও সাজু হোৱা নাই। এই হাইৱেবিলাকৰ কাষে কাষে বহা মদৰ মহল (ধাবাবিলাকৰ বেছি ভাগতে বে আইনী ভাবে মদ বিক্ৰী হয় বুলি নিজে পোনপটীয়াভাবে জানিব পাৰিছো আৰু সেই মদৰ নীচাত হোৱা নানা ধৰণৰ মটৰ দুৰ্ঘটনা নেচনেল হাইৱেত বহু নিজ চকুৰে দেখিছো), বেশ্যালয় আৰু অসমলৈ বাহিৰৰ পৰা অহা চোৰ ডকাইতবিলাকে এতিয়া অসমীয়া সমাজক যেনে ভাবে আক্ৰান্ত কৰিছে তাৰ দ্বাৰা অসমীয়া সমাজক ৰক্ষা কৰাৰ উপায় এতিয়ালৈকে অসমীয়া সকলে গভীৰ ভাবে চিন্তা কৰিছে বুলি অনুমান নহয়। অসমত উদ্যোগ বঢ়াৰ লগে লগে উদ্যোগ প্ৰধান দেশৰ সামাজিক দুষ্কৃতি কিছুমান যে অসমীয়া সমাজলৈ আহিছে আৰু ভৱিষ্যতেও আহিব তাত সন্দেহ নাই। মুঠৰ ওপৰত বৃহৎ উদ্যোগে আনিব পৰা প্ৰদূষণ, প্ৰাকৃতিক ধ্বংস-লীলা বা সামাজিক দুষ্কৃতি আদি ভালদৰে অধ্যয়ন নকৰাকৈ বা সেইবিলাকৰ বিপক্ষে যথেষ্ট ব্যৱস্থা নোলোৱাকৈ কেৱল নিবনুৱা সমস্যা সমাধানৰ কাৰণেই উদ্যোগীকৰণৰ কাৰণে হিয়া ভুকুৱাৰ কোনো প্ৰয়োজন নাই।

## নিবনুৱা সমস্যা সমাধানৰ আন উপায়

আনহাতে, নিবনুৱা সমস্যা সমাধানৰ কাৰণে উদ্যোগেই একমাত্ৰ উপায় নহয়। ব্যৱসায় বাণিজ্য আৰু অসমৰ কৃষিজাত বা আন ধন ঘটিব পৰা সম্পদৰ উৎপাদনৰ দ্বাৰাহে নিবনুৱা সমস্যা সমাধানৰ বেছি উপকাৰী পথ আছে। অসমীয়া ডেকা-গাভৰুৰ কাৰণে ব্যৱসায় বাণিজ্যত আত্ম-নিয়োগ কৰিবৰ কাৰণে বহু থল আছে। অসমত জলকীয়া, আলু-পিঁয়াজ আদিৰ ব্যৱসায় কৰিও

বাহিৰৰ লোক লাখ পতি হৈছে। কি খাদ্য সামগ্ৰীয়েই হওক, কি দৰব পাতিয়েই হওক, কি যন্ত্ৰ-পাতিয়েই হওক, কি ব্যৱহাৰিক সামগ্ৰীয়েই হওক, কি প্ৰাইমেৰী স্কুলৰ ফলি চক-পেন্সিলেই হওক অসমত সেইবিলাকৰ ব্যৱসায় কেনেদৰে চলিছে তাৰ ভূ অসমীয়াই নাপায় - অথচ সকলো সামগ্ৰীৰ এক বুজন অংশ অসম চৰ্কাৰেই কিনে। কলিকতীয়া বা দিল্লীৰ ব্যৱসায়ীসকলৰ আদৰ-সাদৰ বা ভাৰ-ভেটীৰ লোভত অসমৰ মন্ত্ৰী, উচ্চ বিষয়া সকলে আজি বহু বছৰ আগৰে পৰাই অসমীয়া ডেকা-গাভৰুক এইবিলাকৰ কাৰণে শিক্ষা সুবিধা দিয়া দূৰৈত থাওক তেওঁলোকক ইয়াৰ ভূকে নিদিয়ে। বহুত দিনৰ পৰাই মই লক্ষ্য কৰি আহিছো যে অসমৰ মন্ত্ৰী আৰু বহু উচ্চ বিষয়াৰ কলিকতীয়া বা দিল্লীৰ ব্যৱসায়ীৰ ঘৰত আতিথ্য গ্ৰহণ কৰিবলৈ বা ব্যৱসায়ীৰ গাড়ীত উঠিবলৈ এক অদম্য লোভ আছে - অসম আৰু অসমীয়াৰ ভাগ্য নিৰ্ণয়কাৰী এই মন্ত্ৰী বিষয়াসকলৰ তেনে ব্যৱহাৰ কেৱল লাজ লগাই নহয় সি অসমীয়াৰ নিবনুৱা সমস্যাৰও এটি কাৰণ। এনেবিলাক ব্যৱসায়ত অসমীয়া ডেকা-গাভৰুক প্ৰয়োগ কৰাৰ উপায় চৰ্কাৰ আৰু বাইজে বিচাৰি উলিয়াব লাগে।

সেইদৰে খাদ্য সামগ্ৰীৰৰ বা অসমত হোৱা আন আন সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰতো নিবনুৱাসকলক নিয়োগ কৰিব পৰাৰ থল আছে। গাখীৰ, ধান-চাউল, ফল-মূল, শাক-পাচলি আদিৰ আধুনিক পদ্ধতিৰ উৎপাদনৰ যোগেদিও নিবনুৱা সমস্যা লঘু কৰিবৰ থল আছে। যোৱা বছৰ অসমৰ বাইজে পিঁয়াজৰ কিলোত বাৰ টকা হোৱা কাৰণে হিঁয়া ভুকুওৱা দেখিছিলো। মই এইটো ভাবি নাপাওঁ কিয় অসমৰ মানুহে আলু পিঁয়াজ বাহিৰৰ পৰা আমদানী কৰিব লাগে। অসমীয়া মানুহে জলকীয়া, নেমু-টেঙা, অমিতা, বেঙেনা আদি দোকানৰ পৰা কিনাটো একপ্ৰকাৰ লাজৰ কথা কিয়নো সেইবিলাক বাৰীৰ চুকত একো কষ্ট নকৰাকৈয়ে হৈ থাকে। আলু-পিঁয়াজৰ উৎপাদনও অসমত সহজতে হয়। বৃটিচ আমোলৰ আদি ভাগত সৰিয়হ আৰু সৰিয়হৰ তেল অসমৰ এটা প্ৰধান ৰপ্তানী আছিল। আজিকালি কিন্তু, অসমত সৰিয়হৰ তেল বিচাৰি হাবাথুৰি খাব লাগে। মুঠৰ ওপৰত খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলৈ অসম আৰু অসমীয়াই বহু কৰিব পাৰে। সেইদৰে চেনিৰ উৎপাদনৰ কাৰণেও কুঁহিয়াৰ খেতিৰ উৎপাদন বৃদ্ধি কৰিবলৈকো আমি বহু কৰিব পাৰোঁ। আজিকালি কাগজৰ কলৰ কাৰণেও বাঁহ এবিধ অধিক মূল্যৰ সামগ্ৰী হ'ব। সেয়েহে বাঁহক এবিধ ধন-আনিব-পৰা খেতি জানি তাৰ পৰিকল্পিত উৎপাদনৰ কাৰণেও ভাবিব লাগে। এইবিলাকৰ উৎপাদন আৰু ব্যৱসায়ত নিয়োগ কৰিও নিবনুৱা সমস্যা বহু দূৰ সমাধান কৰিব পাৰি।

অসমত নগৰ চহৰ বঢ়াৰ লগে লগে নানা ধৰণৰ দোকান-পোহাৰ, ব্যৱসায় বাণিজ্যৰ বাট মুকলি হৈছে। এইবিলাকৰ বেছি ভাগ ইতিমধ্যে অনা-অসমীয়াৰ হাতলৈকে গৈছে। আন নালাগে, গুৱাহাটী চহৰত অসমীয়া ৰাজ-মিস্ত্ৰী, কাঠ-মিস্ত্ৰী আদি দেখিবলৈকে পোৱা নাযায়। সেয়েহে গুৱাহাটী চহৰৰ

আট্টালিকাবিলাকে অসমৰ কিমান ধন বাহিৰা মানুহৰ হাতলৈ গৈছে তাক সোঁৱৰোৱা উচিত। মুঠৰ ওপৰত, উদ্যোগৰ যোগেদি চাকৰি পাবলৈ আশা নকৰি অসমীয়া ডেকা গাভৰুৱে উৎপাদন, ব্যৱসায়-বাণিজ্য আদিৰ কথাহে ভাবিব লাগে আৰু চৰ্কাৰেও তেনে কৰাত সহায় কৰিবলৈকে আঁচনি লব লাগে।

এই বিষয়ে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্লকুমাৰ মহন্তই দিয়া পৰামৰ্শ কিছুমানও মন কৰিব লগীয়া। তেখেতৰ মতে অসম অঞ্চলত "কেন্দ্ৰীয় চৰ্কাৰৰ প্ৰতিষ্ঠানসমূহত ষ্টেনোটাইপিষ্ট আৰু তেনে পৰ্যায়ৰ দুহেজাৰ চাকৰিৰ পদ যোগ্য লোকৰ অভাৱত খালি পৰি আছে। প্ৰতিযোগীতামূলক পৰীক্ষাৰ জৰিয়তে সেইবোৰ গ্ৰহণ কৰিবলৈ আমাৰ যুৱকসকল আগবাঢ়ি অহা উচিত বুলি তেওঁ ভাবে। সেয়ে নহলে এই দুহেজাৰ চাকৰি বাহিৰৰ লোকেহে পাব। যুৱকসকলৰ বহুতেই পাৰ্মিট লয়, কিন্তু সেইবোৰ অনা-অসমীয়া ব্যৱসায়ীৰ ওচৰত বিক্ৰী কৰি পেলায়। ঠিকাঠুকলিৰ সৰু-সুৰা কামবোৰ বাহিৰৰ লোকেহে কৰে। সম্প্ৰতি বাংলাদেশ-অসম সীমাত কাম আৰম্ভ হৈছে। কিন্তু সেইবোৰ কাম কৰিবলৈও অসমীয়া মানুহৰ অভাৱ দেখা গৈছে। এই ব্যৱস্থাৰ পৰিবৰ্তন আনিবলৈ হ'লে সমাজখনৰো দায়িত্ব আছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে হোৱাইত কালাৰ জবৰ প্ৰতি আকৰ্ষণ কমাব লাগিব আৰু শাৰীৰিক শ্ৰমৰ প্ৰয়োজন হোৱা সকলো ধৰণৰ কামৰ বাবে আমাৰ যুৱক-যুৱতীসকল আগবাঢ়ি আহিব লাগিব।"

*[অগ্ৰদূত, ১৩ এপ্ৰিল, ১৯৮৮]*

[১ - ১৫ জুন, ১৯৮৯ৰ প্ৰান্তিকত আংশিক ভাবে প্ৰকাশিত]

*তিন দহ চাৰি অধ্যায়*

# ১৯৮৯ চনৰ ধাৰাবাহিক বুৰঞ্জী

১ জানুৱাৰী অসমৰ শক্তি আৰু খনিজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অতুল কোঁচৰ পদত্যাগ। ব্যক্তিগত কাৰণত পদত্যাগ কৰা বুলি কলেও মন্ত্ৰী শ্ৰীকোঁচে পাক-বিশ্ববিদ্যালয় পৰীক্ষা পাচ নকৰাকৈয়ে ভুৱা চাৰ্টিফিকেট দাখিল কৰি বিশ্ববিদ্যালয়ৰ এম-এ আৰু এল-এল-বি মহলত ভৰ্তি হোৱা বুলি অভিযোগেই এই পদত্যাগৰ কাৰণ।

১১ জানুৱাৰী অপ্ৰীতিকৰ ভাবে বঙাইগাঁৱত আছুৰ অধিবেশন সমাপন। আছুৰ এজন একনিষ্ঠ কৰ্মী ৰূপে আৰু আছুৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে সততা আৰু কৃতিত্ব দেখুওৱা বঙাইগাঁৱ অঞ্চলৰ ছাত্ৰ শ্ৰীব্ৰজেনজিত সিংহ সাধাৰণ সম্পাদকৰ নিৰ্বাচনীত শ্ৰীসমুজ্জল ভট্টাচাৰ্যৰ লগত পৰাজিত হোৱাৰ ফলাফল ওলোৱাৰ লগে লগে অকল অধিবেশন থলীয়েই নহয় গোটেই বঙাইগাঁৱ চহৰ খনৰে পৰিবেশ গোমা হৈ পৰে। শ্ৰীসিংহৰ সমৰ্থক সকলৰ মাজত উদ্ভৱ হোৱা প্ৰবল হতাশা আৰু ক্ষোভে পৰিস্থিতিৰ এনে অৱনতি ঘটাই যে সামৰণি সভা আৰু সাংস্কৃতিক অনুষ্ঠানো বাতিল কৰি সমুজ্জল ভট্টাচাৰ্যকে ধৰি ছাত্ৰসন্থাৰ নেতাসকলে ছত্ৰভংগ দিয়ে। ছাত্ৰসন্থাৰ মাজত 'লবি' সৃষ্টি কৰি গোৱালপাৰা জিলাৰ ছাত্ৰনেতা আৰু জনজাতীয় ছাত্ৰনেতাসকলক অৱহেলা কৰা হ'ল বুলি বহুতেই অভিযোগ কৰে। অ-গ-পৰ দৰে আছুৰ নেতৃত্বও সদায় বৰ্ণহিন্দুসকলৰ হাতত থকাটো এক অশুভ লক্ষণ বুলি চিন্তাশীল মহলৰ মন্তব্য।

১২ জানুৱাৰী গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ভগৱান লহকৰক অ-গ-প চৰকাৰে নিলম্বিত কৰে। যি কাৰণ নেদেখুওৱাক, লহকৰ বিৰোধী ৰাজনীতি দলৰ লগত বিশেষ ভাবে জড়িত কাৰণেই এনে কৰা হ'ল বুলি বহুতৰ বিশ্বাস।

১৩ জানুৱাৰী উত্তৰ লখিমপুৰৰ দিক্ৰু অঞ্চলৰ অ-গ-পৰ উপ-সভাপতি নগেন বৰাক ডকাইতৰ দলৰ লগত জড়িত বুলি গ্ৰেপ্তাৰ কৰা হয়।

২৫ জানুৱাৰী অসম জাতীয় যুৱক বাহিনীৰ দুদিনীয়া অধিবেশনৰ শেহত সংযুক্ত লোক পৰিষদ নামৰ দল গঠন কৰা হয়। নিবাৰণ বৰা এই দলৰ সভাপতি আৰু তপন ডেকাক সম্পাদক পতা হৈছে।

ইতিমধ্যে, নিবাৰণ বৰাৰ পূৰ্বৰ শত্ৰু ডঃ আনন্দ বৰাৰ নেতৃত্বত পূৰ্বাঞ্চলীয় লোক পৰিষদ দলে পুনৰ আত্ম প্ৰকাশ কৰিছে।

২৬ জানুৱাৰী সন্ত্ৰাসবাদ বিৰোধী আইন অ-গ-প চৰ্কাৰে অসমত প্ৰয়োগ কৰাৰ বিৰোধিতা কৰি আছুৱে সেই আইনৰ প্ৰতিলিপি দাহ কৰে। আছুৰ মতে এই আইনখন গণতান্ত্ৰিক পৰম্পৰা বিৰোধী।

৩০ জানুৱাৰী কেন্দ্ৰীয় বিশ্ববিদ্যালয় কাছাৰত পতাৰ কাৰণে অ-গ-প চৰ্কাৰ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইন্দিৰা কংগ্ৰেছী নেতা আৰু চি-পি-এম দলে বিৰোধিতা কৰি আছে বুলি প্ৰচাৰ কৰে।

২ ফেব্ৰুৱাৰী অ-গ-পৰ কেন্দ্ৰীয় কমিটিৰ বৈঠকত অতুল কোঁচক এক পষেকৰ ভিতৰতে বিধায়কৰ পদ ত্যাগ কৰিবলৈ আৰু ডিব্ৰুগড় জিলা অ-গ-পৰ সভাপতিৰ পৰা তেওঁক আঁতৰাবলৈ নিৰ্দেশ দিয়া হয়। দল বিৰোধী কাৰ্য কলাপৰ বাবে আগৰ মন্ত্ৰী চন্দ্ৰ পাটোৱাৰীকো দলৰ প্ৰাথমিক সদস্য পদৰ পৰা সাময়িক ভাব বৰ্খাস্ত কৰা হয়।

(১২ ফেব্ৰুৱাৰীৰ অগ্ৰদূতৰ পৰা) কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী সন্তোষ মোহন দেবে নিখিল বড়ো ছাত্ৰ সন্থা আৰু সদৌ কাছাৰ কৰিমগঞ্জ ছাত্ৰ সন্থাক তেওঁলোকৰ দাবীত চলাই থকা আন্দোলন হিংসাত্মক কৰিবলৈ উচটাইছিল বুলি কাছাৰ কৰিমগঞ্জ ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ দত্তৰায়ে ৰাজহুৱা ভাবে সদৰি কৰে।

১৬ - ১৯ ফেব্ৰুৱাৰী অসম সাহিত্য সভাৰ পঁচ দহ পাঁচ অধিবেশন ডুমডুমাত বহে।

২২ ফেব্ৰুৱাৰী অসমৰ প্ৰস্তাৱিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়খন কাছাৰ জিলাত স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় চৰ্কাৰৰ ঘোষণা।

২৩ ফেব্ৰুৱাৰী গণ পৰিষদ মন্ত্ৰীসভাৰ বৈঠকত কাছাৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয় পতাৰ তীব্ৰ বিৰোধিতা কৰিবলৈ সিদ্ধান্ত।

২৪ ফেব্ৰুৱাৰী নিখিল বড়ো ছাত্ৰ সন্থা আৰু আন আন বড়ো আন্দোলনকাৰীসকলক অবিৰত ভাবে আন্দোলন চলাই থাকিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে উচটনি দি আছে বুলি অভিযোগ চলি থকা সময়তে কেন্দ্ৰিয় গৃহমন্ত্ৰী দপ্তৰৰ কেইজনমান উচ্চ বিষয়াই আন্দোলনকাৰীসকলৰ কেইজনমান নেতাৰ লগত কলিকতাত গোপন আলোচনা কৰেছি। সদৌ কাছাৰ-কৰিমগঞ্জ ছাত্ৰ সন্থাৰ মধ্যস্থতাত এই আলোচনা চলে।

২৬ ফেব্ৰুৱাৰীৰ অগ্ৰদূতৰ পৰা কেন্দ্ৰীয় গৃহ মন্ত্ৰী বুটা চিঙেও নিখিল বড়ো ছাত্ৰ সন্থাৰ উপেন ব্ৰহ্মৰ গোটটোক উচটাইছে বুলি অসমৰ গৃহ মন্ত্ৰীয়ে তথ্য যোগায়। যোৱা ৮ ফেব্ৰুৱাৰীত কোকৰাজাৰত গ্ৰেপ্তাৰ হোৱা বড়ো স্বেচ্ছাসেৱক বাহিনীৰ আহ্বায়ক সোণাৰাম বাগলাৰীয়ে জেৰা কৰাত সেই বিষয়ে সমিধান দিয়ে। বাগলাৰীৰ হাতৰ পৰা জব্দ কৰা ডায়েৰীত বহুতো গোপন তথ্যৰ লগতে দুই এজন কেন্দ্ৰীয় মন্ত্ৰীৰ টেলিফোন নম্বৰও পোৱা যায়।

সুকীয়া ৰাজ্যৰ দাবীত কৰা সন্ত্ৰাসবাদী কাৰ্যকলাপে ওদালগুৰি মহকুমাৰ লোকৰ স্বাভাৱিক জীৱন যাত্ৰা বেয়াকৈ ক্ষতি হৈছে। এই অঞ্চলত বাস কৰা অজনজাতি লোকৰ ঘৰত প্ৰাণ নাশৰ ভাবুকি দেখুৱাই বৰঙণি তোলা, সঘনে হৈ থকা চুৰি ডকাইতি আদিয়ে ৰাইজক অতীষ্ঠ কৰি তুলিছে।

ভাৰতীয় মুছলিম যুৱক সন্মিলনে সাম্প্ৰদায়িক শক্তি সমূহৰ বিপক্ষে আন্দোলন চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সংগঠনৰ সভাপতি মুখটাৰ আকাছ নকভিয়ে কয় যে বাবৰি মছজিদ বনাম ৰামজনম ভূমিৰ বিবাদ মীমাংসা কৰিবলৈ এটা বিশেষ সমিতি গঠন কৰাৰ কোনো কাৰণ নাই, যিটো অংশ বিতৰ্কিত সেইটো হিন্দুসকললৈ হস্তান্তৰ কৰাৰ তেওঁ পক্ষপাতী। তেওঁ আক্ষেপ কৰে যে ভাৰতৰ ৩,২২২,৩১১ টা মছজিদৰ বেছি ভাগেই ব্যৱহাৰ নকৰা বাবে ভাগ ছিগি নষ্ট হৈছে, অকল অযোধ্যাতে ১০০০ মুছলমানৰ বাবে ১৮টা মছজিদ আছে আৰু তাৰে সৰহ সংখ্যক মেৰামতি নকৰা বাবে নষ্ট হৈছে।

১ মাৰ্চ বড়ো উগ্ৰপন্থীয়ে ৰাম চিয়াৰী নেতৃত্বাধীন নিখিল বড়ো ছাত্ৰ সন্থাৰ দৰং জিলাৰ উপ-সভাপতি শ্ৰীধনেশ্বৰ স্বৰ্গীয়াৰীক হত্যা আৰু শ্ৰীবিজেন দৈমাৰী নামে এজন কৃষকক গুলিয়াই জখম কৰে।

৯ মাৰ্চ সদৌ অসম টাই যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰঞ্জন বিকাশ বৰগোঁহায়ে শিলচৰত ঘেষণা কৰে যে প্ৰস্তাৱিত আহোমলেণ্ডৰ বাবে আন্দোলন পৰিচালনা কৰিবলৈ 'আহোমলেণ্ড ডিমাণ্ড কমিটি' গঠন কৰা হৈছে।

১০ মাৰ্চ আবছু (সদৌ অসম বড়ো ছাত্ৰ সন্থা)ৰ সভাপতি ডাঃ ফুকন চন্দ্ৰ বড়োৱে কয় যে তেওঁলোকে বড়োলেণ্ড অঞ্চলবোৰৰ পৰা অসম চৰ্কাৰৰ কাৰ্যালয়, পুলিচ থানা আৰু আউট পষ্টবিলাক অহা ১৫ আগষ্টৰ ভিতৰত উঠাই নিবলৈ নিৰ্দেশ দিছে।

১১ মার্চ অসম চর্কাৰে আৱচুৰ আন্দোলনে সৃষ্টি কৰা সমস্যাৰ সমাধান বিচাৰি এক সৰ্বদলীয় সন্মিলন পাতে।

১৪ মার্চ বড়ো উগ্ৰপন্থীয়ে ৩টা বোমা ফুটোৱাই বঙাইগাঁৱত ১৭জন লোকৰ মৃত্যু ঘটায় আৰু বহুতো আহত কৰে।

১৭ মার্চ অসম বিধান সভাৰ সন্মুখত আছু আৰু অসম মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক সকলৰ ওপৰত পুলিচৰ লাঠী চালনা। ১৯৮৫ চনৰ নিৰ্বাচনীৰ আগতে আছুৰ নেতাসকলে হেনো কৈছিল যে অ-গ-প মানে হেনো 'আমি গৱৰ্ণমেণ্ট পাতিম' - আছুৱে পতা সেই অ-গ-প চৰ্কাৰৰে পুলিচৰ মাৰ খাই অহা ছাত্ৰ এজৰ মতে হেনো অ-গ-প মানে হৈছে 'এতিয়া গম পালি'।

বড়ো উগ্ৰপন্থীয়ে বোমা ফুটোৱা কাৰণে তিনচুকীয়াত এজন লোকৰ মৃত্যু আৰু ৩৪জন গুৰুতৰ ভাবে আহত।

২০ - ২৩ মার্চ ওদালগুৰি মহকুমাৰ লাইলুংপাৰা বড়ো আৰু আন লোকৰ মাজৰ ৰণক্ষেত্ৰত পৰিণত। এই সংঘৰ্ষ আৰু পুলিচৰ গুলী চালনাত বহু লোক হতাহত। বহু লোকৰ ঘৰ ভস্মীভূত।

২৬ মার্চ খাগাৰাৰীত বড়ো উগ্ৰপন্থীৰ গুলীত হেমন্ত কুমাৰ নাথ নামৰ ১৮ বছৰীয়া যুৱকৰ মৃত্যু।

২৮ মার্চ অ-গ-পৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰধানমন্ত্ৰীৰ নিয়ন্ত্ৰণত থকা বিচাৰ্চ এণ্ড এনালিটিকেল উইং (RAW)ৰ যোগেদি অসমত সন্ত্ৰাস, ধ্বংস কাৰ্য আৰু অশান্তি সৃষ্টি কৰিবলৈ কেন্দ্ৰীয় চোৰাংচোৱা সকলক কামত লগাইছে বুলি অভিযোগ কৰে।

৪ এপ্রিল বড়ো উগ্ৰপন্থীয়ে মানাহ অভয় অৰণ্যৰ দৈমাৰী শিবিৰৰ পহু ৰখীয়া শ্ৰীদীনেশ লহকৰক হত্যা কৰে। যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰাই মানাহৰ পশ্চিম অঞ্চল সম্পূৰ্ণ উগ্ৰপন্থীৰ কৱলত পৰিছে বুলি বাতৰি প্ৰকাশ। এতিয়ালৈকে শ্ৰীলহকৰকে ধৰি চাৰিজন বনবিভাগৰ লোক নিহত হৈছে আৰু দুজন নিখোজ হৈ আছে।

৬ এপ্রিল অসম আৰু নগালেণ্ডৰ গোলাঘাট খণ্ডৰ ৰজাপুখুৰীত নগা এন-এছ-চি-এনৰ লোকে ৰাতি মানুহৰ ঘৰত জুই দি আৰু গুলিয়াই ৩০জন লোকক হত্যা কৰে।

২৫ এপ্রিল মুখ্যমন্ত্ৰী মহন্ত আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰী জমিৰৰ মাজত আলোচনা। অসম চৰ্কাৰে ৰজাপুখুৰী অঞ্চলত বাংলাদেশৰ পৰা

অহা বিদেশী লোকক পতন দি এক বিশেষ পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি অভিযোগ তোলে।

সদৌ অসম তাই আহোম ছাত্ৰ সন্থাৰ দ্বাৰা অসম বন্ধ আহ্বান।

২৫ - ২৮ এপ্ৰিল অৰুণাচল সীমান্ত অঞ্চলত অৰুণাচলৰ পৰা অহা বেদখলকাৰীৰ ওপৰত অসম পুলিচৰ গুলী চালনা।

২৭ এপ্ৰিল সদৌ অসম জনজাতি ছাত্ৰসন্থাৰ দ্বাৰা অসম বন্ধ আহ্বান। নগাওঁৰ কঠিয়াতলীত আন্দোলনকাৰী আৰু আৰক্ষী বাহিনীৰ সংঘৰ্ষত এজন আন্দোলনকাৰীৰ মৃত্যু।

আজিৰ ইণ্ডিয়া এক্সপ্ৰেছ বাতৰি কাকতৰ মতে যোৱা বছৰ অগষ্ট মাহত আবছুৰ উপেন ব্ৰহ্ম আৰু আকছাৰ প্ৰদীপ দত্তৰায় একেলগে গৈ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ এজন বিষয়াৰ ঘৰত গুৰুত্বপূৰ্ণ আলোচনা চলাইছিল। তাৰ পিছতো ছিলং, শিলিগুৰি, কলিকতা আদি ঠাইত এই দুই নেতাই কেন্দ্ৰীয় চোৰাংচোৱাৰ লগত আলোচনা চলাইছিল। বড়ো আন্দোলনৰ পিছত কেন্দ্ৰীয় চৰ্কাৰৰ হাত স্পষ্ট।

বৰপেটা জিলাৰ শালবাৰীৰ জলসিঞ্চন বিভাগৰ এচিষ্টেণ্ট ইঞ্জিনীয়াৰ মুকুন্দ কলিতা আৰু ঘৰ ৰখীয়া অমৰেন্দ্ৰ কলিতাক আবছুৰ উগ্ৰপন্থীৰ দ্বাৰা হত্যা।

২৯ এপ্ৰিল আবছুৰ সমৰ্থকে শালবাৰীৰ ওচৰৰ ৰূপহীত কমবয়সীয়া ছাত্ৰ অজিত ওজা আৰু যুগান্ত দাসক হত্যা কৰে।

এপ্ৰিল অসম চৰ্কাৰে গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যক্ষ ডঃ লহকৰক নিলম্বিত কৰা আদেশ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে বাতিল কৰে।

বড়ো উগ্ৰপন্থীৰ বিৰুদ্ধে আদিবাসী কাউন্সিলৰ অভিযোগ। আবছুক ধনে জনে সহায় নকৰিলে আদিবাসী লোকক মাৰি নিশেষ কৰিম বুলি যোৱা কিছুদিনৰ পৰা উগ্ৰপন্থী বড়োসকলে হত্যা, আক্ৰমণ অপ প্ৰচাৰ চলাই আহিছে বুলি সদৌ অসম আদিবাসী কাউন্সিলৰ দৰং জিলা শাখাই অভিযোগ কৰে।

৩ মে' বড়ো উগ্ৰপন্থীয়ে তমুলপুৰ ৰাজহ চক্ৰৰ আনন্দপুৰ বজাৰত অগ্নিসংযোগ কৰি ১৫০ খন দোকান ভস্মীভূত কৰে।

৫ মে কংগ্ৰেছ (ই) ৰ নেতা হিৰণ্য গোস্বামীক নগাঁৱৰ কামপুৰত আততায়ীয়ে হত্যা কৰে।

(১৪ মেৰ অগ্ৰদূতৰ পৰা) ৰজাপুখুৰীৰ হত্যাকাণ্ডৰ লগত এন-এছ-চি-এন আৰু আলফা জড়িত কৰিব বিচৰাটো কংগ্ৰেছী ষড়যন্ত্ৰ বুলি আলফাৰ বক্তব্য।

১৮ মে ষ্টেটফেডে সাত কোটীৰো অধিক টকা লোকচান কৰাৰ এক বিৰাট কেলেংকাৰী প্ৰকাশ। 'ষ্টেটফেডৰ সাম্প্ৰতিক ঘটনাৱলীত কেৱাজনো সাংবাদিক প্ৰত্যক্ষ বা পৰোক্ষভাবে জড়িত থকাৰ অভিযোগ উঠিছে। গুৱাহাটীৰ পৰা প্ৰকাশিত একাধিক কাকতৰ সম্পাদকৰ বিৰুদ্ধেও চাউলৰ কেলেংকাৰীত নিজ নিজ প্ৰভাৱ খটুৱাৰ অভিযোগ আজি সাধাৰণ ৰাইজৰ মুখে মুখে। অসমীয়া জাতীয় জীৱনত বৃত্তম অনুষ্ঠান অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ পুত্ৰ, অসমীয়া ৰাইজৰ তেজ আৰু ঘামৰ ফচল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পুত্ৰ আৰু কেইগৰাকীমান সংবাদপত্ৰৰ স্বত্বাধিকাৰী আৰু ভেওঁলোকৰ অওহী বওহী এই কেলেংকাৰীত জড়িত হৈ অসমৰ জনসাধাৰণক অখাদ্য চাউল যোগান ধৰাটো চূড়ান্ত অপৰাধ আৰু অনৈতিকতাৰ নমুনা।' (৪ জুনৰ অগ্ৰদূতৰ পৰা)

১৯ মে মুখ্যমন্ত্ৰী মহন্ত আৰু স্পিকাৰ পুলকেশ বৰুৱাৰ মাজত যুজ।

২০,২১ মে বৰপেটা জিলাৰ নানা ঠাইত আবছু আৰু পি-টি-চি-এৰ মাজত হোৱা সংঘৰ্ষত ৪৩৩টা পৰিয়াল গৃহহীন।

২৫ মে বৰপেটা জিলাৰ গোলগাঁৱৰ অ-গ-প নেতা কুমাৰ ভাস্কৰ বৰ্মণক বড়ো উগ্ৰপন্থীয়ে হত্যা কৰে।

৯ জুন কোকৰাজাৰ ৰেল ষ্টেচনত হোৱা বোমা বিস্ফুৰণত ৯ জনৰ মৃত্যু।

ভৰত নৰহ আৰু ৰমেন কলিতাক মহন্ত মন্ত্ৰীসভাত লোৱা হয়।

১১ জুন অকছাৰ কাৰ্যকৰী সভাপতি দিলীপ ৰায়ে ঘোষণা কৰে যে অসম চৰ্কাৰে কাছাৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ কাৰণে মাটি নিদিলে অসম চৰ্কাৰৰ কোনো মন্ত্ৰীকে কাছাৰত সোমাবলৈ দিয়া নহ'ব আৰু অহা ১৫ আগষ্টত পৃথক 'বৰাকলেণ্ড'ৰ বাবে আহ্বান দিব।

১৩ জুন মিজোৰামৰ নিৰ্বাচনীত ইন্দিৰা কংগ্ৰেছৰ এজেণ্ট ৰূপে কাম কৰা আদি অভিযোগত উপ-ৰাজ্যপালৰ পদ এৰি অসমৰ ৰাজনীতি দুনাই প্ৰবেশ কৰিবলৈ চেষ্টা কৰা হিতেশ্বৰ শইকীয়াই ৰাজ্যসভাৰ সদস্যৰ নিৰ্বাচনীত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। -পিছত 'কংগ্ৰেছক অসমত সুপ্ৰতিষ্ঠিত কৰাটোৱেই মোৰ লক্ষ্য' বুলি হিতেশ্বৰে কয়।

২৪ জুন সুকীয়া বড়োলেণ্ডৰ দাবীত আবচুৰ উপেন ব্ৰহ্মৰ গোটে আহ্বান কৰা ৩৪০ ঘণ্টীয়া বন্ধত বড়োলোক বেছিকৈ থকা ঠাইত হিংসাত্মক কাৰ্য আৰু অত্যাচাৰ। উগ্ৰপন্থীয়ে বিজনী মৌজাৰ কেবাখনও গাঁৱ আক্ৰমণ কৰি পালচীগুৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীনবেশ্বৰ বাবু আৰু দুজন পি-টি-চি-এৰ সমৰ্থকক গুলিয়াই হত্যা কৰে।

২৭ জুন এখন বাচৰ তলত বোমা দি আৰক্ষী বিভাগৰ দহজন লোকক হত্যা।

২৯ জুন ভোটাৰ তালিকা সংশোধনৰ বিৰোধিতা কৰি আমচুৰ (All Assam Minorities Students' Union) ৩৬ ঘণ্টীয়া বন্ধৰ আহ্বান। নগাঁৱৰ সোণাইবালিত বিক্ষোভকাৰীয়ে ৰাষ্ট্ৰীয় পথত কেবাখনও ট্ৰাক আৰু অসম ট্ৰেন্সপৰ্টৰ চুপাৰ বাচ এখন জ্বলাই দিয়ে। পুলিচৰ গুলী চালনাত চাৰিজন বিক্ষোভকাৰীৰ মৃত্যু আৰু সোত্তৰজন আহত হয়।

২ জুলাই অ-গ-পৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সভাত তিনিজন আগৰ মন্ত্ৰীঃ চন্দ্ৰ পাটোৱাৰী, অতুল বৰ্কোচ আৰু হলিৰাম টেৰাঙ তথা ষ্টেটফেডৰ প্ৰাক্তন অধ্যক্ষ ৰূপম কাকতীক সদস্য পদৰ পৰা নিলম্বিত কৰে।

৫ জুলাই কোকৰাজাৰ, নলবাৰী আৰু দৰং জিলাৰ ওদালগুৰি মহকুমাৰ সকলো চৰ্কাৰী লিখা পঢ়া বড়ো ভাষাত চলাবলৈ অ-গ-প চৰ্কাৰৰ নিৰ্দেশ।

৬ জুলাই কোকৰাজাৰ জিলাত অসম অশান্ত এলেকা আইন বলবৎ কৰে।

৮ জুলাই বড়ো উগ্ৰপন্থীৰ দ্বাৰা বড়োলেণ্ডৰ প্ৰতি সহানুভূতি নথকা বড়ো গাঁৱ সৰুপেটাৰ ওচৰৰ গৰৈমাৰীত ১০২টা ঘৰ জ্বলায়। পুলিচৰ লগত গুলিয়াগুলীত এজন উগ্ৰপন্থীৰ মৃত্যু।

১০ জুলাই আবছু(উপেন্দ্ৰ ব্ৰহ্ম) গোটে আহ্বান কৰা ৩৪০ ঘণ্টীয়া অসম বন্ধৰ সামৰণি পৰে। এই কালছোৱাত মৃত্যু হোৱা ৪৪ জন লোকৰ ১৬ জনেই আৰক্ষী বিভাগৰ লোক।

২৪ জুলাই ওডালগুৰি আকৌ ৰণাংগনত পৰিণত। বড়ো উগ্ৰপন্থীয়ে ৬০ বছৰীয়া বিপিন কলিতাক হত্যা, তেওঁৰ পত্নীক আহত আৰু জীয়েকক অপহৰণ কৰে। বড়ো আৰু আনলোকৰ সংঘৰ্ষত বহুলোক হতাহত হয়। বহুঘৰ ভস্মীভূত।

নগালেণ্ডৰ মুখ্যমন্ত্ৰী জমিৰ আৰু প্ৰফুল্ল মহন্তৰ আলোচনাৰ শেষত ৫ টা সিদ্ধান্ত লোৱা হয়। মুল সিদ্ধান্তটো হ'ল - দুয়োখন ৰাজ্যৰ মুখ্য সচিব দুগৰাকী আৰু কেন্দ্ৰৰ অতিৰিক্ত সচিব এজনক লৈ কৰ্তৃত্বশীল কমিটি এটা গঠন কৰা হ'ল।

২৫ জুলাই ওদালগুৰি অঞ্চলৰ মনপুৰত বড়ো উগ্ৰপন্থীৰ দ্বাৰা আন অসমীয়ালোকৰ ওপৰত অত্যাচাৰ - মানিক ডেকা আৰু প্ৰফুল্ল গায়ন নামে দুজন বুঢ়াক হত্যা। তামুলপুৰত বড়ো উগ্ৰপন্থীয়ে উদয় দাস, বিশ্বেশ্বৰ দাস আৰু অতুল পাটোৱাৰী নামে তিনিজন লোকক হত্যা, ঘৰ জ্বলোৱা, গাভৰু ধৰ্ষণ আদি সন্ত্ৰাসৰ সৃষ্টি।

২৮ জুলাই যোৱা ২৫ জুলাইৰ পৰা আবছু(উপেন্দ্ৰ ব্ৰহ্ম) গোটে আহ্বান কৰা ৩৬০ ঘণ্টীয়া বন্ধৰ কালত আবছুৰ উগ্ৰ পন্থী লোকে পি-টি-চি-এৰ সমৰ্থকসকলৰ ঘৰ-দুৱাৰ আক্ৰমণ কৰি জ্বলোৱাত দুই পক্ষৰ মাজত সংঘৰ্ষ। পুলিচৰ গুলী চালনাত ছজন উগ্ৰপন্থীৰ মৃত্যু আৰু নজন গ্ৰেপ্তাৰ।

৯ আগষ্ট গহপুৰ অঞ্চলত বড়ো আৰু অবড়ো লোকৰ মাজত সংঘৰ্ষ।

১১ আগষ্ট মুছলপুৰৰ দক্ষিণকুচিত উগ্ৰপন্থীৰ বোমাত অসম বেটেলিয়নৰ ছজনৰ মৃত্যু।

২৫ আগষ্ট মুখ্যমন্ত্ৰী মহন্ত সপৰিবাৰে আমেৰিকা ভ্ৰমণৰ পৰিকল্পনা।

২৮ আগষ্ট দিল্লীত উপেন ব্ৰহ্ম গোট, মহন্ত চৰ্কাৰৰ মাজত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীমতী ৰাজপেয়ীৰ মধ্যস্থতাত আলোচনা। উপেন ব্ৰহ্মই তেওঁৰ সংগঠনে হিংসাত্মক আন্দোলন চলাইছে বুলি স্বীকাৰ কৰে আৰু ৰাজ্য চৰ্কাৰে কঠোৰ ব্যৱস্থা সমূহ উঠাই ললে আন্দোলন আৰু হিংসাত্মক কাৰ্য্য-কলাপ উঠাই ল'বলৈ প্ৰস্তুত বুলি কয়।

বাইজৰ হেঁচাত মুখ্যমন্ত্ৰীয়ে আমেৰিকা ভ্ৰমণ বাতিল কৰে।

৩০ আগষ্ট ভাৰত জুৰি হোৱা ভাৰত-বন্ধ অসমত বিশেষ সফল ভাবে আৰু একো অশান্তিকৰ ঘটনা নোহোৱাকৈ সমাধা হয়। অসমত ইয়াৰ সাফল্যই ইন্দিৰা চৰ্কাৰৰ কাৰণে এক অশনি সংকেত।

আগষ্ট বৰাক উপত্যকাত বানপানীৰ তাণ্ডৱ লীলা।

১ ছেপ্তেম্বৰ কোকৰাজাৰত লগোৱা অসম অশান্ত এলেকা আইন অসম চৰ্কাৰে সাময়িক ভাবে উঠাই লয়।

২০ ছেপ্তেম্বৰ আমিনগাঁৱত ষ্টেটফেডে স্থাপন কৰা মিঠাতেল পেৰা কল উদ্বোধন কৰি মুখ্যমন্ত্ৰী মহন্তই কয় যে আমাৰ নিজৰ সৰিয়হৰ তেলেৰে আমাৰ মাত্ৰ ৩ মাহ যায় আৰু নিজৰ চাউলেৰে মাত্ৰ সাত মাহ যায়। অসমত বাহিৰৰ বেপাৰীৰ ৰাজত্ব হোৱাৰ মূল কাৰণ হৈছে বাহিৰৰ পৰা প্ৰধান খাদ্য দ্ৰব্যবোৰ আনিব লগীয়া হোৱা কাৰণে সকলো বস্তুৰ দাম নিজ ইচ্ছাৰে নিৰ্ণয় আৰু নিয়ন্ত্ৰণ কৰি থাকিব পাৰে।

৩ অক্টোবৰ বড়ো উগ্ৰপন্থীক অস্ত্ৰ যোগান ধৰাৰ অভিযোগত ওৰাঙৰ ওচৰৰ বড়িগাঁৱৰ মহম্মদ মফিবুৰ ৰহমান নামৰ ইন্দিৰা কংগ্ৰেছৰ এজন নেতাক পুলিচে গ্ৰেপ্তাৰ কৰে।

৫ অক্টোবৰ দিল্লীত আবছুৰ নেতাৰ লগত অসম চৰ্কাৰৰ আলোচনা।

৮ অক্টোবৰ আলফাৰ গুলীত নলবাৰীৰ চম্পট জৈন আৰু সতীশ তামুলী নিহত। আলফাৰ সদস্য বুলি অভিহিত ৰাজেন শৰ্মাৰও মৃত্যু।

৮, ১১ অক্টোবৰ বড়ো উগ্ৰপন্থীৰ হাতত ২৫ জন লোক নিহত - ইয়াৰে ৭ জন আৰক্ষী বাহিনীৰ লোক।

১৭ অক্টোবৰ অহা ২২ আৰু ২৪ নবেম্বৰত অসমৰ বাদে গোটেই দেশতে লোকসভাৰ নিৰ্বাচন পাতিব বুলি ৰাজীৱ চৰ্কাৰৰ ঘোষণা। অসমত তাৰ আগতে শুদ্ধ ভোটাৰ তালিকা উলিয়াব পৰা নাযাব বুলিয়েই অসমৰ নিৰ্বাচনী বাদ দিয়া হৈছে।

১৯ অক্টোবৰ অ-গ-পৰ কেন্দ্ৰীয় কমিটিৰ বৈঠকত ষ্টেটফেডৰ খেদা-খোৱা চেয়াৰমেন ৰূপম কাকতী আৰু দলৰ আন সদস্য সকলৰ লগতে লোকসভাৰ পৰা পদত্যাগ নকৰি দলীয় অনুশাসন উলংঘা কৰাৰ অভিযোগত মণ্ডলদৈৰ সংসদী সদস্য চাইফুদ্দিন আহমদক দলৰ পৰা খেদোৱা হয়। সেই সভাতে ৰাষ্ট্ৰীয় মৰ্চাৰ আন দুই অংশীদাৰ কংগ্ৰেছ (এছ) ৰ নেতা শৰৎ সিংহ আৰু জনতা দলৰ অসমৰ সভাপতি গোলাপ বৰবৰাই অ-গ-প বিৰুদ্ধী আচৰণত

উঠি পৰি লগা বা'ব মৰ্চাৰ নেতাসকলৰ আগত সেই বিষয়ে আপত্তি জনাবলৈ সিদ্ধান্ত লয়।

২০ অক্টোবৰ অসম চৰ্কাৰৰ কাম-কাজত অসন্তুষ্টি প্ৰকাশ কৰিবলৈ আৰু নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাৰ সংশোধনত নানা খেলি মেলিৰ সৃষ্টি কৰাৰ বাবে প্ৰতিবাদ জনাবলৈ আছুৰ আহ্বানত অসম জুৰি সফল অসম বন্ধ পালন।

৩০ অক্টোবৰ অসম চৰ্কাৰ আৰু আছুৰ লগত অসম চুক্তিৰ বিষয়ে আলোচনা কৰিম বুলি প্ৰফুল্ল মহন্ত আৰু আছুৰ নেতাক দিল্লীলৈ মাতি নি গৃহমন্ত্ৰী বুটা চিঙে গা এৰা দি দিল্লীৰপৰা আঁতৰি থাকে।

৩১ অক্টোবৰ বড়ো উগ্ৰপন্থীয়ে সদৌ বড়ো ছাত্ৰ সন্থাৰ প্ৰচাৰ আৰু সাহিত্য সম্পাদক শ্ৰীকান্তিন্দ্ৰ স্বৰ্গীয়াৰীৰ ককায়েক নাৰদ স্বৰ্গীয়াৰীক নিজ গাঁৱৰ শালবাৰীত পহৰা দি থাকোতে অপহৰণ কৰি নি হত্যা কৰে।

(১ নবেম্বৰৰ অগ্ৰদূতৰ পৰা) মুখ্যমন্ত্ৰীৰ সৈতে তেওঁৰ সম্পৰ্কৰ কেতিয়াবাৰে পৰা অৱনতি ঘটিছে বুলি ভৃগু ফুকনে গুৱাহাটীৰ পৰা প্ৰকাশিত এখন সাদিনীয়া বাতৰি কাকতত প্ৰচাৰ কৰে।

১০ নবেম্বৰ বড়ো উগ্ৰপন্থীয়ে বৰপেটা জিলা আবছু(বোমচিয়াৰী গোট)ৰ সাধাৰণ সম্পাদক ডিম্বেশ্বৰ ঠাকুৰীয়াক নিৰ্মম ভাবে হত্যা কৰে।

২০ নবেম্বৰ আন আন গ্ৰাহকৰ দৰে গুৱাহাটীৰ ৰেডিয়াম অতিথি শালাই বিদ্যুৎ পৰিষদক দিব লগীয়া ২ লাখ ৪৮ হেজাৰ ৪২ টকা নিৰ্ধাৰিত সময়ত আদায় নকৰা বাবে পৰিষদে ১৫ নবেম্বৰৰ দিনা অতিথিশালাৰ লাইন কাটি দিয়ে। তাত আপত্তি জনাই ৰাজ্যৰ যোগান মন্ত্ৰী আৰু অসম ফুটবল সন্থাৰ সভাপতি প্ৰবীণ গগৈয়ে পৰিষদৰ অধ্যক্ষ জ্যোতিপ্ৰসাদ ৰাজখোৱাক আকৌ লাইন লগাবলৈ হুকুম দিয়ে কিন্তু ইঞ্জিনীয়াৰৰ লগত যোগাযোগৰ অসুবিধাত সেই নিশা তেনে কৰা অসম্ভৱ বুলি ৰাজখোৱাই দিয়া উত্তৰত সন্তুষ্ট নহৈ প্ৰবীণ গগৈ ততালিকে মুখ্যমন্ত্ৰীৰ ওচৰলৈ যায় আৰু তাত অসম চৰ্কাৰৰ মুখ্য সচিব ছাবোৱান আৰু আন আন বিষয়াৰ উপস্থিতিত ৰাজখোৱাৰ ওপৰত ততালিকে শাস্তিমূলক ব্যৱস্থা ল'বলৈ দাবী জনায়। পিছদিনাখন অতিথিশালা কৰ্তৃপক্ষই পৰিষদক এক লাখ টকা আংশিক দেনা হিচাপে জমা দি বাকীখিনিও দিম বুলি কথা দিয়াত অতিথিশালাৰ লাইন লগাই দিয়া হয়। কিন্তু গগৈ আৰু ছাবোৱানে ৰাজখোৱাক এসেকা দিবৰ নিমিত্তে উপায় পাতে।

প্ৰথমে তেওঁলোকে ৰাজ্য চৰ্কাৰৰ কৰ্মচাৰী বিভাগৰ আয়ুক্ত টেৱাৰীক খাটে যেন ৰাজখোৱাক তৎক্ষণাৎ চাকৰিৰ পৰা নিলম্বিত কৰা হয়। টেৱাৰীয়ে তেনে কাম কৰিব নোৱাৰোঁ বুলি কোৱাত মন্ত্ৰী প্ৰবীণ গগৈয়ে মুখ্যমন্ত্ৰীৰ ওচৰত ৰাজখোৱাৰ বিপক্ষে মন্ত্ৰীৰ নিৰ্দেশ নমনা আৰু মন্ত্ৰীৰ প্ৰতি সৌজন্য নেদেখুওৱাৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত লিখিত ভাবে অভিযোগ দাখিল কৰে। মুখ্যমন্ত্ৰীৰ পৰা কোনো লিখিত নিৰ্দেশ নোলোৱাকৈ ছাৱৱানে ৰাজহুৱা স্বাৰ্থত চৰ্কাৰে ৰাজখোৱা বিদ্যুৎ পৰিষদৰ চেয়াৰমেন হৈ থকা নিবিচাৰে বুলি তেওঁক ছুটি ল'বলৈ ২০ নৱেম্বৰৰ দিনা হুকুম দিয়ে। তেওঁক তেনে ভাবে ছুটি ল'বলৈ হুকুম দিয়াটো

২৮ নৱেম্বৰ লোকসভাৰ নিৰ্বাচনীত ইন্দিৰা কংগ্ৰেছৰ শোচনীয়া পৰাজয়। ৫২৫খন আসনৰ বাবে হোৱা নিৰ্বচনীত কংগ্ৰেছে পাই ১৯৩খন, জনতা দলে ১৪১, বি-জে-পিয়ে ৮৮, চি-পি-এমে ৩২খন আসন জিকে।

(২৯ নৱেম্বৰৰ অগ্ৰদুতৰ পৰা) দিন দিয়েক আগতে ৰাজীৱ গান্ধীয়েই আমাৰ দেশৰ আৰু ইন্দিৰা কংগ্ৰেছ দলৰ একমাত্ৰ নেতা বুলি নেজ জোকাৰা হিতৈষীৰ শইকীয়াই এতিয়া ৰাজীৱ গান্ধীক নেতৃত্বৰ পৰা আঁতৰোৱা উচিত বুলি হেনো মন্তব্য কৰে।

২ ডিচেম্বৰ জনতা দলৰ নেতা বিশ্বনাথ প্ৰতাপ চিঙ ভাৰতৰ প্ৰধান মন্ত্ৰী হয়। এওঁ বি-জেপি আৰু চি-পি-এমৰ সমৰ্থন লাভ কৰে। অসমৰ অ-গ-পৰ সদস্য দীনেশ গোস্বামীক বিশ্বনাথ প্ৰতাপ চিঙৰ মন্ত্ৰীসভাত আইন মন্ত্ৰী ৰূপে লোৱা হয়।

অ-গ-পৰ কেন্দ্ৰীয় কমিটিয়ে অসমত লোকসভা আৰু পিছলৈ ৰাজ্য বিধান সভাৰ প্ৰাৰ্থী বাছনিৰ কাৰণে নজনীয়া কমিটি গঠন কৰিবলৈ দিহা দি প্ৰফুল্ল মহন্ত, ভৃগু ফুকন আৰু অতুল বৰাক সদস্য মনোনীত কৰে আৰু বাকী ছজন সদস্যক বাচি ল'বলৈ মহন্তকে কৰ্তৃত্ব দিয়ে।

১০ ডিচেম্বৰ কাৰ্বি আংলং জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য ডঃ জয়ন্ত ৰংপিয়ে প্ৰকাশ কৰে যে জিলা পৰিষদখনে ১৮খন কৃষি সমবায় সমিতি গঠন কৰি ১০ হেজাৰ ২০০ বিঘা মাটিত ৪,৮৬২জন খেতিয়কৰ সহায়ত খেতি কৰাইছে। তেওঁ লগতে কয় যে পুঁজিপতি সকলৰ হাতৰ পৰা মাটি মোকলাবলৈ সমবায় সমূহে চেষ্টা কৰিছে।

## বছৰটোৰ খতিয়ানঃ

*ৰাজনৈতিক নেতাৰ খোৱা-কামোৰাঃ* অসমৰ প্ৰায় সকলো ৰাজনৈতিক দলত ভিতৰুৱা কন্দল। ইন্দিৰা কংগ্ৰেছ, সংযুক্ত সংখ্যালঘু মৰ্চা, জনতা দল, অসম প্ৰদেশ যুৱ-কংগ্ৰেছ (ই), ছাত্ৰ সন্থা সকলোতে খোৱা-কামোৰা ভালকৈ চলিছে। আটাইতকৈ বেছি আকৰ্ষণীয় হৈছে অ-গ-পৰ মন্ত্ৰিত্বৰ সোৱাদ পাহৰিব নোৱাৰা অ-গ-পৰ কেইজনমান খেদাখোৱা মন্ত্ৰী আৰু মন্ত্ৰী হোৱাৰ সপোন অপুৰণীয় হৈ থকা তথাকথিত বিসম্বাদী দলৰ চল-চাতুৰী আৰু ৰণ কৌশল। "নীতি আৰু আদৰ্শৰ নামত যুজ চলাবলৈ চল চাই ফুৰা বিসম্বাদী সকলৰ সাম্প্ৰতিক অন্য এটা কাম হৈছে তেওঁলোকৰ সমৰ্থনত বিধায়কৰ চহী সংগ্ৰহ। কিন্তু এই ক্ষেত্ৰতো এক আমোদজনক পৰিস্থিতিয়ে দেখা দিছে। চহী দিছে বুলি গম পাই মুখ্যমন্ত্ৰী শ্ৰীমহন্তই সংশ্লিষ্ট বিষয়াক সেই বিষয়ে প্ৰশ্ন কৰাত উপায় নাপাইহে বা অমুকৰ কথা পেলাব নোৱাৰিহে চহী দিলো, আপোনাৰ লগতে আছো ভুল নুবুজিব বুলি কৈ লগতে মুখ্যমন্ত্ৰীৰ ওচৰতে কিবা এখন লিখি দি আকৌ পিছ মুহূৰ্ততে বিসম্বাদী শিবিৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীৰ কথা পেলাব নোৱাৰি কিবা এখন লিখি দি আহিছো বেয়া নাপাব বুলি জনাই দিয়াৰ লগতে বিসম্বাদীৰ লগত সজ্ঞানে স্বেচ্ছাৰে আছো বুলি আকৌ লিখি দিয়া বিধৰ বিধায়ক ভালে সংখ্যক আছে বুলিও প্ৰকাশ।" (অগ্ৰদুত, ১১ জানুৱাৰী)

বছৰটোৰ বিশেষ উল্লেখযোগ্য কথা হ'ল বড়ো উগ্ৰপন্থীৰ বড়োলেণ্ডৰ দাবীত হিংসাত্মক কাৰ্য। বড়োসকলৰ বহু ন্যায্য দাবী আছে যদিও তেওঁলোকৰ উগ্ৰপন্থীয়ে কৰা হত্যা, লুটপাত, নাৰী ধৰ্ষণ, নিৰীহ লোকৰ ওপৰত অত্যাচাৰ আৰু অশান্তিয়ে ইন্দিৰা কংগ্ৰেছৰ সভ্যসকলৰ বাদে অসমৰ ৰাইজক অতীষ্ঠ কৰি তুলিছে। এইবিলাকৰ মাজেদি তেওঁলোকে যি বড়োলেণ্ডৰ ভৱিষ্যত দেখুৱাইছে সি ঘৃণনীয়। বড়োসকলক কেন্দ্ৰীয় চৰ্কাৰ আৰু ইন্দিৰা কংগ্ৰেছে উচটাই থকা বুলি প্ৰমাণ হোৱাৰ পিছত আমাৰ শাসক আৰু ৰাজনৈতিক দলবিলাকে নিজৰ ক্ষমতাৰ কাৰণে কেনেদৰে দেশখনৰ বিভাজন আৰু অশান্তি বঢ়াই আহিছে সেইটো ফুটি উঠিছে। এই মানসিকতাৰ পৰিবৰ্তন নহ'লে যে ভাৰতৰ ভৱিষ্যত অন্ধকাৰ তাত সন্দেহ নাই। অসমৰ আন্দোলন, পঞ্জাবৰ অশান্তি, কাশ্মীৰৰ আন্দোলন, বড়ো আন্দোলনৰ গুৰিতে যে ইন্দিৰাৰ চিন্তাধাৰা আৰু নিজকে ক্ষমতাত ৰাখিবলৈ কৰা ঘৃণনীয় কৌশল সি আজি স্পষ্ট। এইবিলাকৰ পৰা ভাৰতক ৰক্ষা কৰিবলৈ বিশেষ প্ৰচেষ্টা দেখা নাযায়।

উগ্ৰপন্থীৰ বড়ো সন্ত্ৰাসবাদীসকলৰ কাৰ্যক বড়ো জনসাধাৰণে ধিক্কাৰ দিয়াটো অসমৰ কাৰণে এক সৌভাগ্যৰ কথা। উদাহৰণ স্বৰূপেঃ

কোকৰাজাৰ আৰু দৰং জিলাত ৰাজনৈতিক লাভ বিচৰা কোনোবা দালালৰ ইংগিতত কেইজনমান দুষ্কৃতিকাৰীয়ে বোমা ফুটোৱা, হত্যা, লুট-পাত,

বলাৎকাৰ, অপহৰণ কৰি ফুৰা কাৰ্যক নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি গংগাধৰ ৰামচিয়াৰী আৰু সাধাৰণ সম্পাদক লংকেশ্বৰ ওঁৱাৰীয়ে এক যুটীয়া বিবৃতি যোগে গৰিহণা দিয়ে। সেই দুষ্কৃতীকাৰীসকলক কঠোৰ ভাবে দমন নকৰা বাবে তেওঁলোকে গণ পৰিষদ চৰ্কাৰক দোষ দিয়ে।

শোণিতপুৰ জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীকান্ত কুমাৰ নাৰ্জাৰিয়ে জুলাই মাহৰ এক বিবৃতিত কয় যে উপেন ব্ৰহ্ম গোটে বড়ো ছাত্ৰ সন্থাৰ নাম লৈ বড়ো সকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ বিচৰাৰ নামত যি সন্ত্ৰাসৰ সৃষ্টি কৰিছে তাৰ দ্বাৰা কাৰ্যত বড়োৰ মৰিশালিহে সৃষ্টি হৈছে।

সেইদৰে ১৩ জুলাইত দিয়েলীত ১১জন আহ্বায়কৰ উদ্যোগত পতা এখন সভাত আনৰ লগতে বড়ো নেতা জলেশ্বৰ স্বৰ্গীয়াৰী, হৰেনদাস বড়ো, ৰমাকান্ত বড়ো, কামেশ্বৰ বসুমতাৰী, ধনেশ্বৰ ৰামচিয়াৰী, দেবৰাম ৰামচিয়াৰী, লংকেশ্বৰ বড়ো আদিয়ে উগ্ৰপন্থীৰ সন্ত্ৰাসবাদী কাৰ্যক গৰিহণা দিয়ে। "সন্ত্ৰাসবাদীৰ কোনো জাতি নাই আৰু সন্ত্ৰাসবাদীৰ তাণ্ডৱ-লীলাক আমি সকলোৱে গৰিহণা দিব লাগে।" (কান্তেশ্বৰ ৰামচিয়াৰী)। "জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে মতভেদ থাকিব কিন্তু জীৱশ্ৰেষ্ঠ মানুহ অমানুহ হোৱা দৃশ্য অসহ্যকৰ।"(অতুল ৰামচিয়াৰী), "বিপদ আহিলে শিক্ষিত ব্যক্তি সকলতকৈ বড়ো -অবড়োৰ খেতিয়ক চামৰহে ক্ষতি হ'ব। এটা ঘৰ পুৰিলে ২০ বছৰলৈ ভগনীয়া হৈ থাকিব লাগিব।"(অৰ্ঘা বড়ো), "মানুহ হত্যা, অগ্নি সংযোগ, গুলী চালনা আদি কিবা আন্দোলনৰ কাৰ্যসূচী হ'ব পাৰেনে?"(জলেশ্বৰ স্বৰ্গীয়াৰী) আদি মতে এই ভাই-ভাইৰ মাজত কটাকটি মৰামৰীৰ দুখ বেজাৰেৰে অৱসন্ন অসমৰ ৰাইজৰ মনলৈ আশাৰ বেঙনি আনিছে।

এইবিলাক মৰ্মস্পৰ্শী কথাৰ অৰ্থ বুজি অসমৰ ৰাইজে সম্প্ৰীতি ৰক্ষা কৰিবলৈ মনে প্ৰাণে চেষ্টা কৰাটো বিশেষ প্ৰয়োজন। বিশেষকৈ কান্তেশ্বৰ ৰামচিয়াৰীৰ সকিয়নি সকলোৱে শুনা উচিতঃ "কিছুমান অবড়োৱে কোনো বাচ-বিচাৰ নকৰাকৈ উত্তেজিত হৈ বড়োৰ ওপৰত মাৰপিট চলাইছে। আচলতে প্ৰতিজন বড়োৱেই উপেন ব্ৰহ্মৰ সমৰ্থক নহয়। তথাপিও বড়ো বুলিলেই অবড়োৰ মনত সন্দেহৰ বীজ সোমাই গৈছে। এই ক্ষেত্ৰত অধিক বিভেদকামী মনোভাৱ গা কৰি উঠিলে উপেন ব্ৰহ্ম ফৈদহে লাভবান হ'ব কিয়নো তেওঁলোকে বড়ো আৰু অবড়োৰ মাজত সংযোগ বিচ্ছিন্ন হোৱাটো বিচাৰে।" অসমৰ ৰাইজে বিশেষকৈ অবড়ো সকলে বড়ো উগ্ৰপন্থীৰ ওপৰত উঠা ৰোষ নিৰীহ বড়োসকলৰ ওপৰত জাৰিবলৈ যোৱা অনুচিত। চৰ্কাৰ আৰু ৰাইজে সন্ত্ৰাসবাদীসকলক ধৰিহে সুবিচাৰ আৰু শাস্তিৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিব লাগে। অসমৰ ৰাইজে এতিয়া অ-গ-পৰ নেতাসকলৰ চৰিত্ৰ বুজিবলৈ পোৱাৰ দৰে বড়ো ৰাইজেও আবছু(উপেন ব্ৰহ্ম) গোটৰ চৰিত্ৰ বুজিব পাৰিছে - এইটো যদি সচা তেনেহলে ই বৰ সুখৰ খবৰ।

অসমৰ প্ৰবীণ নেতা শ্ৰীধৰণীধৰ বসুমতাৰীৰ মতে বড়ো সকলে কৰা আন্দোলনটো আগন্তুক নিৰ্বাচনৰ পিচত নাথাকে। ক্ষমতা লাভৰ উদ্দেশ্যে কেতবোৰ লোকে এই আন্দোলন গঢ়ি তুলিছে বুলি তেওঁ দোহাৰে। - গণ পৰিষদ চৰ্কাৰে ভৈয়াম জনজাতিৰ বাবে সংৰক্ষিত চাকৰি সমূহত জনজাতীয় লোকক মকৰল নকৰা কাৰণে অসমৰ জনজাতীয় যুৱক ভালেমান ক্ষুব্ধ বুলিও তেওঁ কয়।

*অ-গ-পৰ স্বৰূপ গম পালো:* অ-গ-প চৰ্কাৰ আৰু প্ৰফুল্ল মহন্তৰ ওপৰত ৰাইজৰ আস্থা থহিবলৈ ধৰাটো এই বছৰৰ লক্ষণীয় কথা। দুৰ্নীতিত অ-গ-প চৰ্কাৰ যে পোত খাইছে সেইটো ৰাইজে বিশ্বাস কৰে। ৰাজ্যখনৰ এক চৰম বিত্তীয় সংকটৰ সময়ত বিধায়কসকলে নিজৰ দৰমহা, পেঞ্চন তথা আন আন সা-সুবিধা বঢ়াবলৈ কৰা প্ৰচেষ্টাই অ-গ-পৰ বিধায়কসকল কিমান স্বাৰ্থ-অন্বেষী তাক উদঙাই দিছে। এইবাৰ দুৰ্নীতিয়ে মুখ্যমন্ত্ৰী মহন্তকো স্পৰ্শ কৰা দেখি অসমৰ ৰাইজ হতাশ হৈছে। ষ্টেটফেদৰ কেলেংকাৰী, আমেৰিকা ভ্ৰমণৰ প্ৰস্তুতি, প্ৰবীণ গগৈ আৰু ছাবোৱানে বিদ্যুৎ পৰিষদৰ চেয়াৰমেন ৰাজখোৱাক শাস্তি দিওঁতে তেওঁ অৱলম্বন কৰা নিৰৱতা আদিৰ কাৰণে প্ৰফুল্ল মহন্তৰ বিচাৰ-বুদ্ধিৰ আৰু নেতৃত্বৰ প্ৰতি ৰাইজ সন্দিহান হৈছে। ৰাইজৰ একমাত্ৰ সান্ত্বনা যে প্ৰায়ভাগ ক্ষেত্ৰতে শেষত তেওঁ ৰাইজৰ ওচৰত হাৰ মানি নিজৰ সিদ্ধান্তৰ বিপৰীতে গৈছে।

*কাছাৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয়:* ৰাজনৈতিক খেল খেলিবৰ কাৰণেই হওক বা আন কাৰণতেই হওক কেন্দ্ৰীয় চৰ্কাৰে কাছাৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয় পাতিবলৈ ওলোৱা সিদ্ধান্তৰ অ-গ-প চৰ্কাৰ তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহু লোকে বিৰোধিতা কৰা কাৰ্যই আৰু কলিয়াবৰত ৰাজধানী পাতিম বুলি অ-গ-প চৰ্কাৰে সিদ্ধান্ত ল'ম বুলি ভাবোতেই কামৰূপৰ বহু ৰাইজে জাংগুল খাই উঠা কাৰ্যই অসমীয়াৰও মনবিলাক কিমান সংকীৰ্ণ তাক উদঙাইছে। আমাৰ মানুহে যে প্ৰথমে নিজৰ ঘাঁলখন আৰু তাৰ পিছত নিজৰ চুবুৰী জিলা আদিৰহে কথা ভাবে সেইটো স্পষ্ট। কাছাৰখন কি অসমত নহয়? কলিয়াবৰ কি অসমত নহয়? অসমত যদি এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় লাগে সেইখন কাছাৰত হ'লে কি ক্ষতি - নিশ্চয় ব্ৰহ্মপুত্ৰ উপত্যকাবাসীৰ ধাৰণা যে তেনেহলে কাছাৰৰ ৰাইজহে বেছিকৈ উপকৃত হ'ব আৰু আমি বৰ্তমানৰ অসমখন বিভাজিত হোৱা নিবিচাৰোঁ যদিও প্ৰথমে আমাৰ জিলা আৰু পিছতহে কাছাৰৰ কথা ভাবিম। অসমৰ আন ঠাইৰ লোকে কাছাৰখনক মনে প্ৰাণে যে আপোন বুলি নাভাবে আৰু তেওঁলোকে যে ব্ৰহ্মপুত্ৰ উপত্যকাকে অসম বুলি ভাবে সেইটো এনে মানসিকতাই জল জল পট পট কৰিছে। কলিয়াবৰত ৰাজধানী পতাৰ ক্ষেত্ৰতো একেই মানসিকতা অসমৰ ৰাজধানীখন কামৰূপতে থাকক অৰ্থাৎ তেওঁলোকৰ মতে কামৰূপেই অসম। সেয়েহে এতিয়া এইটো স্পষ্ট যে নগালেণ্ড, মেঘালয়, অৰুণাচল মিজোৰাম আদি আন্দোলনৰ বীজে

প্ৰথমে অসমীয়াৰ মনতো গজালি মেলিছিল আৰু এতিয়া 'বড়োলেণ্ড', 'ৰৰাকলেণ্ড' আদি আন্দোলনৰ বীজৰও ঘাই শিপা ব্ৰহ্মপুত্ৰ উপত্যকাতে।

## আলফাৰ অভ্যুদয়

আলফা অৰ্থাৎ অসমৰ সংযুক্ত মুক্তি বাহিনীৰ (ইউনাইটেড লিবাৰেছন ফ্ৰন্ট অব্‌ আছাম) অভ্যুদয় আৰু অসমৰ বহু অঞ্চলত এই সংগঠনৰ দ্বাৰা পৰিচালিত সামাজিক সংস্কাৰমূলক তথা সাংস্কৃতিক কামবিলাক এইবছৰৰ এক উল্লেখযোগ্য ঘটনা। এই সংগঠনটোৱে উজনি অসমৰ বিভিন্ন ঠাইত চোৰাং মদৰ ব্যৱসায়, নাৰী ব্যৱসায়, চোৰাং ব্যৱসায়, দুৰ্নীতিকাৰী বিষয়াৰ দুষ্কাৰ্য আদিৰ দৰে সামাজিক ব্যভিচাৰ সমূহ বন্ধ কৰিবলৈ আগ বাঢ়িছে। এইবিলাকৰ বিপক্ষে আলফাৰ প্ৰধান অস্ত্ৰ হৈছে শাস্তি বিধান - তেওঁলোকে দুৰ্নীতিকাৰী বিষয়া, ব্যৱসায়ী আদিক জৰিমনা কৰি ধন আদায়, দুষ্কৃতিকাৰীক সকিয়নি আৰু বাজআলিত আঁঠু কাঢ়ি ৰাইজৰ পৰা ক্ষমা ভিক্ষা কৰাৰ দৰে নৰমৰ পৰা মৃত্যুদণ্ডলৈকে উগ্ৰ শাস্তি দিছে। উদাহৰণ স্বৰূপে পাঠশালা অঞ্চলৰ ডুবিৰ ডেকা হিৰণ্য দাসক ডকাইতি, নাৰী ধৰ্ষণ, আলফাৰ নামত ধন সংগ্ৰহ আদিৰ অভিযোগত তেওঁলোকে হত্যা কৰে আৰু বসন্ত কলিতা, গৌৰী পাটগিৰি, গোপী কলিতা নামে তিনিজনক সকিয়নি দি কুকাৰ্য এৰিবলৈ কোৱা হয়।

সন্ত্ৰাসবাদী বড়ো উগ্ৰপন্থীকো আলফাই তলত দিয়া ধৰণেৰে সকিয়নি দিয়ে,"অত্যাচাৰী প্ৰশাসনীয় বিষয়াৰ বিৰুদ্ধে প্ৰতি আক্ৰমণ চলোৱাত আমাৰ ক'ব লগীয়া একো নাই। কিন্তু উবহৰ খং ভগা চাবিত মাৰিবলৈ গৈ নিৰীহ লোকৰ প্ৰাণ লোৱা বৰ্বৰোচিত সন্ত্ৰাসবাদ চলালে সংযুক্ত মুক্তি বাহিনী অসমেও হাত সাৱটি বহি থাকিব নোৱাৰিব।"

আলফাৰ কাৰ্য যে দেশদেশকৈ বেআইনী তাত সন্দেহ নাই। কিন্তু, স্বাধীনতাৰ পিছত ভাৰত চৰ্কাৰে সাতভনী অঞ্চলত চলাই অহা উপনিবেশী শাসন, এই অঞ্চলত বঘুমলাৰ দৰে বিয়পি পৰা দুৰ্নীতি, অন্যায় অবিচাৰ আৰু অসাধুলোকৰ প্ৰতিপত্তিৰ পটভূমিত আলফাৰ আন্দোলন স্বাভাৱিক। অন্যায় অবিচাৰ, শাসক-গোষ্ঠীৰ অত্যাচাৰ, অসাধু ব্যৱসায়ীৰ দৌৰাত্ম্য, দুষ্কৃতিকাৰীৰ উপদ্ৰৱ আদিয়ে যে অসমৰ বহু আদৰ্শবাদী যুৱকক বিপ্লৱমুখী কৰিছে তাত সন্দেহ নাই। সচা কথা ক'বলৈ গলে অসমীয়াৰ সাহসৰ অভাৱ আৰু স্বাৰ্থ-অন্বেষী স্বভাৱৰ কাৰণেই হয়তো এনে বিপ্লৱে অসমত গজালি মেলা দেৰী হ'ল। অসম আন্দোলনত অসমৰ ৰাইজে জনোৱা অপূৰ্ব সঁহাৰিয়ে হয়তো এক নতুন বিপ্লৱৰ সূচনা কৰিছিল। তাৰ পিছত অ-গ-প চৰ্কাৰৰ প্ৰতিষ্ঠাই এই বিপ্লৱক কিছু পৰিমাণে শান্ত কৰিছিল। কিন্তু, এতিয়া অসমৰ ৰাইজৰ "অ-গ-প চৰ্কাৰৰ প্ৰতি মোহভংগ ঘটিছে আৰু তেওঁলোকে 'আলফা'ৰ প্ৰতি আস্থা স্থাপন কৰিছে। ক্ষমতাত অধিষ্ঠিত চৰ্কাৰৰ মন্ত্ৰী বিধায়কৰ দুৰ্নীতি, স্বজন

প্ৰীতি, কেনেকৈ কাৰী আদিয়েই আলফাৰ কাৰ্যকলাপ বৃদ্ধিত ইন্ধন যোগাইছে।' (২২ নৱেম্বৰ, ১৯৮৯ৰ অগ্ৰদূতত সংযুক্ত সংখ্যালঘু মৰ্চাৰ বিধায়ক আব্দুল জব্বৰ)।

চমুতে, আলফাৰ সদস্যসকলে দেখুওৱা চৰিত্ৰৰ দৃঢ়তা, সাহসী মন আৰু দেশ ও সমাজৰ কল্যাণৰ কাৰণে কৰা স্বাৰ্থত্যাগ প্ৰশংসনীয়। বহু দেৰীকৈ হ'লেও অসমীয়া যুৱকৰ গাত এইবিলাক দেখিবলৈ পোৱাটো এক শুভ লক্ষণ। সেয়েহে, আলফাৰ কাৰ্যকলাপ বেআইনী হ'লেও সি বিপ্লৱধৰ্মীহে। কিন্তু, এতিয়া প্ৰশ্ন হয় আলফাৰ বিপ্লৱ আইনৰ গণ্ডীৰ ভিতৰেৰে কৰাটো সম্ভৱ হয় নে নহয়? আমি ভাবোঁ সি সম্ভৱ - সহজ নহয় কিন্তু সশস্ত্ৰ সংগ্ৰামৰ দৰেই তাৰ কাৰণেও প্ৰয়োজন হ'ব অসীম সাহস, ধৈৰ্য আৰু স্বাৰ্থ ত্যাগ, সশস্ত্ৰ সংগ্ৰামৰ দৰেই সিও হ'ব দীঘলীয়া আৰু বিপদ সংকুল। উদাহৰণ স্বৰূপে, দুষ্কৃতিকাৰীৰ বিপক্ষে আদালতত গ্ৰহণীয় তথ্য পাতি গোটাই আদালতত বিচাৰৰ কাৰণে অনাটো সম্ভৱ, দুনীতিকাৰী বিষয়াসকলৰ পিছতও চোৰাংচোৱাৰ দৰে কাম কৰি তেওঁলোকৰ দুৰ্নীতিৰ বিপক্ষে নেৰা নেপেৰাকৈ লাগি তাক লাঘৱ কৰা আৰু অভিযোগ আনি বিচাৰৰ বাবে পথিওৱা সম্ভৱ। দুৰ্নীতি, দুষ্কৃতিৰ কাৰণে অভিযোগ আনিয়েই ক্ষান্ত নাথাকি সেইবিলাকৰ পিছত সকলো স্তৰতে নেৰা নেপেৰাকৈ লাগি থাকিব পাৰিলেহে সফল হোৱাৰ সম্ভাৱনা থাকে। দুৰ্নীতিকাৰী বা অসৎ ব্যৱসায়ীৰ পৰা ডকা-হকা দি ধন ল'লেই জানো সেইলোকে দুৰ্নীতি বা অসৎ ব্যৱসায় এৰিব?

অসমত আজি উপনিবেশী শাসন আৰু অন্যায় অবিচাৰ চলাৰ কাৰণে কেন্দ্ৰীয় চৰ্কাৰ যিমান দায়ী অসমৰ মন্ত্ৰী বিধায়কসকলও সিমানেই দায়ী। আমাৰ মন্ত্ৰী-বিধায়ক সকলৰ স্বাৰ্থ, স্বজন প্ৰীতি আদিৰ কাৰণে ৰাইজও সমানেই দায়ী কিয়নো তেওঁলোকক ৰাইজেই নিৰ্বাচিত কৰি পঠায়। জাতীয় চৰিত্ৰৰ দুৰ্বলতাৰ কাৰণেই যে অসমৰ ৰাইজৰ দুৰৱস্থা সেইটো স্বীকাৰ কৰাটো প্ৰয়োজন। সেয়েহে, কি সশস্ত্ৰ সংগ্ৰামেই হওক কি অহিংস আন্দোলনেই হওক তাৰ সফলতা নিৰ্ভৰ কৰিব চৰিত্ৰ গঠনৰ ওপৰতেই। বহুল প্ৰচাৰ, হাতে কামে লাগি যোৱা শিক্ষা, আদৰ্শবান লোকক নেতৃ স্থানত প্ৰতিষ্ঠা আদিৰ কঠিয়া পাৰিব নোৱাৰিলে আমাৰ সকলো আন্দোলন, সকলো সংগ্ৰাম, সকলো বিপ্লৱ অথলে যাব।

এটা কথা আমি পাহৰা অনুচিত যে ভাৰত এখন গণতন্ত্ৰ - এখন গণতন্ত্ৰৰ বিপক্ষে সশস্ত্ৰ সংগ্ৰাম চলোৱাটো সহজ নহয় কিয়নো, তেনে কৰাৰ যিমানেই সজ উদ্দেশ্য নাথাকক লাগিলে তাৰ প্ৰধান কাৰণবিলাক সদায়েই যুক্তি-বিপৰীত যেন প্ৰতীয়মান হ'ব আৰু সি সাধাৰণতে আন আন দেশৰ পৰা সমৰ্থন পোৱাও কঠিন।

সেয়েহে নগাসকলৰ-সশস্ত্ৰ আন্দোলন, মিজো সকলৰ সশস্ত্ৰ আন্দোলন, চিখসকলৰ সশস্ত্ৰ আন্দোলন, এচাম কাশ্মীৰীৰ সশস্ত্ৰ আন্দোলন আদি

সকলোৱেই বহু ধনজন হানি ঘটুৱাব বাদে নিজৰ লোকৰ আন বিশেষ একো হিত সাধিব পৰা নাই। অথচ এইবিলাকত মৃত্যু বৰণ কৰা বহু আদৰ্শবাদী, সাহসী আৰু স্বাৰ্থত্যাগী যুৱকৰ কথা ভাবিলে আমাৰ প্ৰাণ কান্দি উঠে। সেয়েহে আলফাই সশস্ত্ৰ সংগ্ৰাম এৰি অসমত উপনিবেশী শাসনৰ অন্ত পেলাবলৈ, চৰিত্ৰবান লোকক মন্ত্ৰী বিধায়ক পাতিবলৈ, দুনীতিকাৰী বিষয়া আৰু অসাধু ব্যৱসায়ীসকলক সংশোধন কৰিবলৈ এক সবল সংগ্ৰাম চলোৱাটোহে কাম্য।

*তিন দহ পাঁচ অধ্যায়*

# ফেটী সাপে বোলে কঁকালৰ কোব নাপাহৰে

ফেটী সাপে বোলে কঁকালৰ কোব নাপাহৰে - কোনোবাই যদি এডাল ফেটী সাপক কোবাই প্ৰাণ নমৰাকৈ এৰি দিছে তেনেহলে সেই ফেটীয়ে তেওঁৰ ওপৰত প্ৰতিশোধ ল'বলৈ আহিবই। ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈকে অসমত চলে বলে কৌশলে বহা ইন্দিৰা কংগ্ৰেছৰ চৰ্কাৰৰ দিনত অসমীয়াই যিদৰে পুলিচৰ লাঠী বেতৰ কোব আৰু গোৰ-ঘুঁচা আদি খাইছিল সি কল্পনা কৰিব নোৱাৰা ধৰণৰ। সেইবিলাক যে অসমীয়া ৰাইজে কেতিয়াবা পাহৰিব পাৰিব মই ভবাই নাছিলো। কিন্তু, আজি অসমত ইন্দিৰা কংগ্ৰেছৰ নেতাসকলৰ প্ৰতি কোনো কোনো অসমীয়া ৰাইজৰ আদৰ আৰু হিতেশ্বৰ শইকীয়াই পুনৰ অসমত ইন্দিৰা কংগ্ৰেছৰ চৰ্কাৰ পাতিবলৈ কৰা সাহস দেখি মোৰ বুজিবলৈ বাকী নাই যে অসমীয়া মানুহ ফেটী সাপ নহয় সেইকাৰণেহে ইন্দিৰা কংগ্ৰেছৰ নেতাসকলে ভোট বিচাৰি নিসংকোচে অসমীয়া ৰাইজৰ কাষ চাপিবলৈ সাহস কৰিছে। তথাপি অসমৰ ৰাইজে ইন্দিৰা-আনোৱাৰা-হিতেশ্বৰৰ দিনত পোৱা কোব কেইটামান সোঁৱৰাই দিয়াটো উচিত বিবেচনা কৰিলো। ই যদি ৰাইজক কেনেবাকৈ ভৱিষ্যতৰ দুখ দুৰ্গতিৰ পৰা হাত সাৰিবৰ কাৰণে কিবা সৎ বুদ্ধি দিয়ে তেনেহলে ধন্য হ'ম।

*১৯৮০ চনৰ কথা*

২৮ নবেম্বৰৰ দিনা চি-আৰ-পিয়ে গুৱাহাটীৰ কটন কলেজৰ ছাত্ৰবাস আক্ৰমণ কৰি যাকে য'তে পালে মাৰি পিটি জখম কৰি ৪৬৮জনক বাছত তুলি পুলিচ থানালৈ নিয়ে। তেওঁলোকক পানী এটোপাও খাবলৈ নিদিয়াকৈ বা হগা-মুতা কৰিবলৈ নিদিয়াকৈ আৰু জখম হোৱা কেইজনৰ কোনো শুশ্ৰূষা নকৰাকৈ প্ৰায় দহ ঘণ্টা বাছতে ৰাখে।

কলেজৰ ডেকা ল'ৰাহঁতক মাৰিছে মাৰক ডেকা তেজ আছে। কিন্তু, হস্পিটালৰ ৰোগী, নাৰ্চ, কাছাৰীৰ উকীল আৰু আদালত চলাই থকা ন্যায়াধীশেও আনোৱাৰাৰ পুলিচৰ কোব সহ্য কৰিব লগা হ'ল।-

১৭ ডিচেম্বৰত চি-আৰ-পিয়ে পাটাচাৰকুছি হস্পিটালত সোমাই ৰোগী, নাৰ্ছ আদিৰ ওপৰত উপদ্ৰৱ কৰি সা-সৰঞ্জাম, ঔষধ-পাতি নষ্ট কৰে। (আচাম ট্ৰিবিউন ১৮ ডিচেম্বৰ, ১৯৮০)।

১৮ ডিচেম্বৰত চি-আৰ-পিয়ে গুৱাহাটীৰ দুজন প্ৰৱীণ উকীলক কাছাৰীৰ সমুখতে আৰু যোৰহাটৰ এজন সহকাৰী ন্যায়াধীশক আদালত চলাই থাকোঁতেই উধাই মুধাই কোবায়। গুৱাহাটীত ৫,০০০জন আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰে আৰু সন্দিকৈ কলেজৰ বৰ-কেৰাণী কম্পনাথ ভট্টাচাৰ্যক মৰিয়াই মাৰে। সেই একেদিনাই বৰপেটাত চি-আৰ-পিয়ে মহিলা সত্যাগ্ৰহীৰ ওপৰত জুই-নুমোৱা পানীৰ যন্ত্ৰেৰে পানী মাৰে আৰু তিতা কাপোৰেৰে দৌৰিব নোৱাৰা হোৱাৰ পিছত তেওঁলোকৰ ওপৰত লাঠী চলায়। বৰপেটাত ঠাকুৰ ওজা আৰু পাটাচাৰকুছিত অখেন্দ্ৰ তালুকদাৰক পুলিচে গুলিয়াই মাৰে।

২২ ডিচেম্বৰত বজিয়া আৰু মিৰ্জাত পুলিচে ৬জন সত্যাগ্ৰহীক গুলিয়াই মাৰে আৰু বহুতকে জখম কৰে। তেজপুৰত পুলিচে কোবাই, গুৰিয়াই আৰু গুলিয়াই ৭৬জনক আহত কৰে।

২৩ ডিচেম্বৰত পুলিচৰ বৰ্বৰতাৰ বাতৰি প্ৰকাশ হোৱাটো বন্ধ কৰিবলৈ আনোৱাৰা চৰ্কাৰৰ পৰামৰ্শত অসমৰ ৰাজ্যপালে অসম বিশেষ ক্ষমতা (প্ৰেছ) আইন প্ৰবৰ্তন কৰে আৰু অসমীয়াই মাৰ খোৱা চাবলৈ ভাল পোৱা কলিকতীয়া বাতৰি কাকতৰ বাতৰি দিওঁতাৰ বাদে অসমৰ বাহিৰৰ পৰা অহা সকলো সাংবাদিকক খেদি পঠিয়ায়।

সৌভাগ্যবশতঃ আনোৱাৰাৰ ৰাজত্ব বেছি দিন নচলিল আৰু ১৯৮১ চনৰ জুনত তেওঁৰ মন্ত্ৰীসভাৰ পতন হ'ল। কিন্তু, দুৰ্ভাগ্যবশতঃ তেওঁ পুলিচ চি-আৰ-পিক অসমীয়াক মাৰি পিতি সৈমান কৰিবলৈ যি বাট দেখুৱাই দিলে সেইটো তেওঁলোকে নতুন পৈশাচিক আচৰণেৰে পালন কৰিবলৈ ধৰিলে। উদাহৰণ স্বৰূপে, ১৯৮১ চনৰ ৩১ ডিচেম্বৰৰ দিনা পুলিচে যোৰহাটত এজন ১২ বছৰীয়া ছাত্ৰক গ্ৰেপ্তাৰ কৰি ওৰে ৰাটটো কাষৰ লাইট পষ্টত তেওঁৰ মূৰটো খুন্দিয়াই খুন্দিয়াই নিয়ে। সেই একেদিনাই ডিমৌত ৰাজীৱ ৰাজকুমাৰ নামে এজন ছাত্ৰই আহত হোৱা আন্দোলনকাৰীক দিবলৈ ঘৰৰ পৰা এবাল্টি পানী লৈ আহোঁতে তেওঁক নিজৰ চোতালতে অসম পুলিচৰ এজন বিষয়াই বিভলভাৰেৰে গুলিয়াই ৰাজীৱক বগৰাই দিয়ে। ৰাজীৱৰ দেউতাকে দৌৰি আহি পুতেকক সাৱটি ধৰোঁতে পুলিচজনে দেউতাকক লক্ষ্য কৰি গুলিয়ায়। (দেউতাক মাটিত শুই দিয়াত তেওঁৰ গাত গুলী নালাগে)।

বেংকৰ মেনেজাৰ, আলোচনীৰ সম্পাদক আদিৰ গাত জানো সভ্য সমাজৰ পুলিচে হাত দিব পাৰে? - নিশ্চয় নোৱাৰে বুলি যদি ভাবিছে তেনেহলে ১৯৮২ চনৰ জানুৱাৰীত অসমত হোৱা ঘটনা পৃথিবীৰ চুকে কোণে বিয়পা বৰ্ণনা এনে ধৰণৰ-

"১ জানুৱাৰীৰ দিনা চি-আৰ-পিৰ লোকে চান্দমাৰিৰ ইউনিয়ন বেংকত সোমাই ব্ৰাঞ্চ মেনেজাৰকে ধৰি তাৰ বিষয়াসকলক মাৰধৰ কৰে।"

"৮ জানুৱাৰীৰ দিনা অসম গণ-সংগ্ৰাম পৰিষদৰ বিষয় ববীয়া সকলক মাৰি পিটি চি-আৰ-পিৰ মানুহ কেইজন উন্মত্ত হৈ পৰে আৰু অসমীয়া পষেকীয়া আলোচনী প্ৰান্তিকৰ সম্পাদক শ্ৰীপ্ৰদীপ বৰুৱাক শিলগুৰি অকলত প্ৰহাৰ কৰে। তেওঁৰ গাড়ীখনৰ কিছু ক্ষতি কৰে আৰু তাৰ আন দুজন যাত্ৰী শ্ৰীধীৰেন বেজবৰুৱা আৰু শ্ৰীইন্দ্ৰজিত বৰুৱাকো মাৰধৰ কৰে" (ইণ্ডিয়া এৱড, জানুৱাৰী, ১৯৮২)।

তাৰ পিছত, ১৯৮২ চনৰ জুন মাহৰ পৰা ইন্দিৰা চৰ্কাৰে আন্দোলনকাৰীৰ কঁকাল বেয়াকৈয়ে ভেকা কৰোঁ বুলি দমন আৰু কঠোৰ কৰে। পুলিচী অতিশয্যা আৰু একোৰ চৰে। আন্দোলনৰ প্ৰতি সহানুভূতি থকা বুলি বহুতো চাকৰিয়াল আৰু বিষয়াক বিলম্বিত কৰে কামৰ পৰা খেদায় বা নানা প্ৰকাৰে ভাবুকি দিয়ে। চলাহমান তেনেদৰে অসমীয়াক মাৰিপিটি লালকাল কৰি ১৯৮৩চনৰ ৫ জানুৱাৰীত আন্দোলনৰ নেতাৰ লগত চলি থকা আলোচনা হঠাৎ বন্ধ কৰি ইন্দিৰা চৰ্কাৰে আগৰ ভোটাৰ তালিকা অনুসৰি অসমত ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰীত নিৰ্বাচনী পাতিব বুলি ঘোষণা কৰে। আলোচনাত অংশ গ্ৰহণ কৰা অসমৰ নেতাসকল দিল্লীৰ পৰা উভতি আহি ৭ জানুৱাৰীত বৰজাৰ বিমানকোঠত নমাৰ লগে লগে গ্ৰেপ্তাৰ আৰু বাতৰি কাকতৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে। তাৰ পিছত চলিল বিৰাট হত্যাকাণ্ড। আমি এই হত্যাকাণ্ড বিলাক বেলেগে আলোচনা কৰিম। বৰ্তমান হিতেশ্বৰৰ কুশাসন আৰম্ভ হোৱা আগলৈকে অসমীয়াই খোৱা কঁকালৰ কোৰ কেইটাকে সোঁৱৰাব খুজিছো। এই বিষয়ে এজনে তেতিয়াই পৰামৰ্শ দিছিল-

"এইবোৰ অত্যাচাৰ কেতিয়াও নাপাহৰাকৈ মনত ৰাখি খোৱাই একমাত্ৰ প্ৰতিকাৰ। প্ৰতিকাৰৰ পথত প্ৰথম পদক্ষেপ। নিন্দা, গৰিহণা, প্ৰতিবাদ - অৰ্থহীন কথা। কোনো বীৰ জাতিয়ে সেইবোৰ নকৰে। ভিয়েটনামীসকলে কৰা নাই, আজি প্ৰায় ডেৰ কুৰি বছৰে অসমৰ চুবুৰীয়া পাহাৰী বীৰ জাতিসকলে কৰা নাই। কেৱল মনত ৰখা, নাপাহৰা - কেতিয়াও নাপাহৰাই একমাত্ৰ প্ৰতিকাৰ। প্ৰতিকাৰৰ পথত প্ৰথম পদক্ষেপ।" (১ - ১৫ ফেব্ৰুৱাৰী, ১৯৮২ ৰ প্ৰান্তিকত অঃ বৰুৱা)।

সেইবিলাক মনত ৰাখিবলৈ অসমীয়াই মন বান্ধোতেই ১৯৮৩ চনত অসমৰ শাসনভাৰ হিতেশ্বৰৰ হাতলৈ বেআইনীভাবে যায়। তাৰ পিছত তেওঁ পুলিচ চি-আৰ-পিৰ হতুৱাই অসমৰ ৰাইজক যি মাৰ সোধালে সি মান সেনাপতি মিত্ৰিমাহা তিলোৱাৰ দিনৰ অত্যাচাৰকো চেৰ পেলালে।

## হিতেশ্বৰৰ দিনত খোৱা মাৰ

১৯৮৩ চনৰ ২৭ ফেব্ৰুৱাৰীৰ দিনা আগৰ কংগ্ৰেছ (এছ) দলৰ পৰা বাগৰি ইন্দিৰা কংগ্ৰেছত যোগ দিয়া হিতেশ্বৰ শইকীয়াক মুখ্যমন্ত্ৰী ৰূপে অসমৰ শাসনভাৰ দিয়া হয়। হিতেশ্বৰে 'আমি নিৰ্ষ্ঠুৰ হ'ব লাগিব' বুলি কৈ হাতে কামে লাগি যায় আৰু সাধাৰণ ৰাইজক মাৰপিট কৰিবলৈ পুলিচ চি-আৰ-পিক বিশেষ ভাবে উচটায়। হিতেশ্বৰৰ উদগনিত পুলিচে সেই কাল ছোৱাত কৰা কিছুমান বৰ্বৰতাৰ নমুনা তলত দিলো।

৫ মাৰ্চত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ এজন বিষয়াৰ নেতৃত্বত প্ৰায় ৭০০জন সেনাই উত্তৰ লক্ষীমপুৰৰ কেৰাখনও গাঁৱ ঘেৰাও কৰি মানুহৰ সা-সম্পত্তি লুটপাত কৰে আৰু ডেকা বুঢ়া, মতা-মাইকী সবু ভাঙৰ যাকে য'তে পালে মাৰি পিটি সন্ত্ৰাস সৃষ্টি কৰে। পুলিচে গঞাৰ ধন-সোণ অলংকাৰ আদিও লুট কৰে। সেই মাৰ-কিল আৰু লুট-পাত সেই অঞ্চলত থকা সেনা বাহিনীয়ে আহি বাধা দিয়ালৈকে দুদিন ধৰি চলে। প্ৰায় ৫০০ গঞা ৰাইজে ভয়ত পলাই শিবিৰত আশ্ৰয় লয়গৈ। [দৈনিক জনমভূমি, ৯ মাৰ্চ, ১৯৮৩]।

৭ জুলাইত অসমৰ ৰাজ্যপালৰ দ্বাৰা ১৯৮৩ চনৰ ফৌজদাৰী কাৰ্যবিধি (অসম সংশোধনী) আধ্যাদেশ জাৰি কৰায় পুলিচক আইনৰ ৰক্ষণাবেক্ষন দি হিতেশ্বৰে অসমীয়াক মাৰিবলৈ সাজু কৰাই লয়। কিয়নো এই আধ্যাদেশৰ দ্বাৰা কেতবোৰ অপৰাধৰ ক্ষেত্ৰত গ্ৰেপ্তাৰ হোৱা লোকক জামিন দিব নোৱাৰা ব্যৱস্থা, আগতীয়া জামিন নিষেধ, পুলিচ বা আন চৰ্কাৰী বিষয়াৰ বিৰুদ্ধে আদালতত গোচৰৰ বাধা আদিৰ ব্যৱস্থা কৰি নিৰ্ষ্ঠুৰ শাসনৰ বাট মুকলি কৰি দিয়া হয়। তাৰ পিছত আমাৰ পুলিচ ভায়াইঁতক কোনে পায়।

সেইবছৰৰ ২৯-৩০ আগষ্টৰ অসম বন্ধ পালনত কেনেকুৱা অত্যাচাৰ চলিছিল সেই বিষয়ে ধাৰাবাহিক বুৰঞ্জী চাওক। এইবিলাক দেখি শুনি অগ্ৰদূতৰ সম্পাদকেও সাৱধান বাণী শুনায় "অসমৰ নতুন পুৰুষক দিল্লী-দিছপুৰে পংগু কৰিছে এবিধ - ৩৬ ঘণ্টীয়া অসম বন্ধৰ কালছোৱাত ৰাজ্যৰ নানা ঠাইত পুলিচে নিৰীহ দোকানী, ব্যৱসায়ী, ছাত্ৰ, যুৱক, চাকৰিয়াল আৰু সমাজৰ অন্যান্য অংশৰ ওপৰত চলোৱা অত্যাচাৰ আৰু উৎপীড়নে আকৌ এবাৰ দেখুৱাই দিলে যে অসমত গণতান্ত্ৰিক ব্যৱস্থা দূৰৰে কথা, সুসভ্য শাসনেই চলি থকা নাই আৰু শান্তিৰক্ষক নামধাৰী পুলিচৰ লোকে অবাধে দানবীয় কাৰ্যকলাপ চলাই আছে।

এইবোৰ অবৰ্ণনীয় পুলিচী উৎপীড়নে ৰাইজৰ এই শংকাহে বৃদ্ধি কৰিছে যে দিছপুৰ আৰু দিল্লীয়ে অসমৰ ডেকা চামক শাৰীৰিক আৰু মানসিক ভাবে ঘূণীয়া কৰি ৰাইজৰ সাম্প্ৰতিক আন্দোলন নিঃশেষ কৰাৰ সপোন দেখিছে আৰু সেই সপোনত মতলীয়া হৈ পুলিচ চিপাহীক এই উদ্দেশ্য পূৰণৰ ঘাই আহিলা

হিচাবে প্ৰয়োগ কৰি এটা শৃংখলাবদ্ধ বাহিনীক বিবেক-বিচাৰ-বুদ্ধিহীন যন্ত্ৰ-মানুহলৈ পৰিণত কৰিছে।" [অগ্ৰদূত, ৪ ছেপ্তেম্বৰ, ১৯৮৩]।

সেইসময়ত প্ৰায়ভাগ বাতৰি কাকত, নেতা আদিয়েও হিতেশ্বৰ চৰ্কাৰক তেনে দুৰাচাৰী পুলিচৰ উপদ্ৰৱ বন্ধ কৰিবলৈ সকীয়নী দিয়ে। আন নালাগে, পুলিচে ব্যৱসায়ীসকলৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিবাদত ব্যৱসায়ীসকলেও বন্ধ পালন কৰে আৰু ২২ ছেপ্তেম্বৰ, ১৯৮৩ত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে সেই বেআইনী চৰ্কাৰে শান্তিপ্ৰিয় অসমীয়া ৰাইজৰ মাজত ডকাইতৰ দৰে মেলি দিয়া পুলিচৰ অত্যাচাৰ আৰু দুৰাচাৰক কঠোৰ ভাবে ধিক্কাৰ দিয়ে। সেইদৰে ১০ অক্টোবৰ, ১৯৮৩ত আছুৰ আহ্বানত পুলিচ, চি-আৰ-পিৰ নিৰ্মম অত্যাচাৰৰ প্ৰতিবাদ কৰি গোটা ধৰ্মঘটত ৰাজ্য জুৰি ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰে, প্ৰতিবাদ সভা পাতে আৰু হাইকৰ্টৰ বিচাৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। তথাপি, হিতেশ্বৰে পুলিচৰ বৰ্বৰ অত্যাচাৰত বাধা দিয়া দূৰৈত থাওক একেবাৰে দিছপুৰৰ পৰা লক্ষীমপুৰলৈকে পুলিচৰ উপদ্ৰৱ দুগুণ বঢ়ায়।

"খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ত ৪৭ বাৰ পুলিচী আক্ৰমণ - খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ত পুলিচে যি বৰ্বৰোচিত কাৰ্য্য-কলাপ চলাই আহিছে তাক দস্যুৰ মত আক্ৰমণ বুলিহে কব লাগিব। যোৱা ৮ ছেপ্তেম্বৰ দেওবাৰে সন্ধিয়া ৫ বজাত ছাত্ৰসকলে নিজ নিজ ছাত্ৰবাসত অধ্যয়নত ব্যস্ত (তোলেমান ছাত্ৰৰ পিচদিনাখন পৰীক্ষা) থকা সময়ত হঠাতে দিছপুৰ থানাৰ কেতবোৰ পুলিচে এজাক চি-আৰ-পিৰ সৈতে দুই নম্বৰ ছাত্ৰবাসত সোমাই নিৰীহ ছাত্ৰসকলক এফালৰ পৰা কোবাই যায়। তাৰ পিছত এটা এটাকৈ চাৰিটা ছাত্ৰবাসত সশস্ত্ৰ পুলিচৰ লোকসকল প্ৰৱেশ কৰে আৰু বৰ্বৰ যুগৰ বন্য মানুহৰ দৰে এফালৰ পৰা কোবাই যায়। কেৰাজনো ছাত্ৰ গুৰুতৰ ভাবে আহত হয় আৰু তেওঁলোক চিকিৎসাধীন হব লগাত পৰে।"[অগ্ৰদূত, ১১ ছেপ্তেম্বৰ, ১৯৮৩]।

১৮ অক্টোবৰৰ দিনা 'বজালী অঞ্চলৰ মুগুৰীয়া, পাঠশালা, কছাৰী ভিঠা, বাং উলা, দৈশিঙৰী, খাটনীয়াৰপাৰা, নিত্যানন্দ, পাটাচাৰকুছি, খাৰাধৰা, ভালুকী, হেলেনা, বাগনা আদি ঠাইত পুলিচে গ্ৰেপ্তাৰ, অত্যাচাৰ, লুটপাত আদিৰে জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে' [দৈনিক অসম, ১৯ অক্টোবৰ, ১৯৮৩]।

"নিৰ্যাতনৰ কণ্ঠস্বৰঃ উত্তৰ লক্ষীমপুৰত পুলিচী অত্যাচাৰ অব্যাহত - জনগণক সংবিধানে প্ৰদান কৰা মৌলিক স্বাধীনতাক স্বৈৰতান্ত্ৰিক প্ৰশাসনে বেপৰোৱা ভাবে হৰণ কৰি স্বেচ্ছাচাৰী ভাবে চলোৱা পুলিচী অতিশয্যাৰ উন্মাদনাই অহিংস গণতান্ত্ৰিক আন্দোলনকাৰী ৰাইজক অতীষ্ঠ কৰি তুলিছে।" [অগ্ৰদূত ২৩ অক্টোবৰ, ১৯৮৩]।

'পাঠশালাত পুলিচৰ নাৰকীয় অত্যাচাৰ— আজি মাহৰ পিছত মাহ ধৰি পাঠশালা বঙালী অঞ্চলত পুলিচৰ নিৰ্মম অত্যাচাৰ অব্যাহত আছে। অত্যাচাৰিত জনতাৰ দুখৰ কাহিনী কৈ থাকিলেও আজি ওৰ নপৰে। এই অঞ্চলৰ জনসাধাৰণে পুলিচক ডকাইত, দস্যু, বৰ্বৰ, অসভ্য গুণ্ডাবাহিনী বুলিহে অভিহিত কৰে।" (অগ্ৰদূত, ৯ নবেম্বৰ, ১৯৮৩)

৮৪-৮৫ চনৰ কথা

হিতেশ্বৰৰ অত্যাচাৰী পুলিচে ১৯৮৪ চনটোৰ অত্যাচাৰ বেছ নাটকীয়ভাৱে আৰম্ভ কৰে ১ জানুৱাৰীৰ দিনা। যোৰহাটত হোৱা এক অভিবৰ্তনৰ পৰা আছুৰ নেতাসকল কৈ উভতি অহা গাড়ীখন কক্ৰাৰ ওচৰত পুলিচে ধৰাই নেতাসকলক ধৰি বা হেঙুলোকৰ ওপৰত ভালদৰেই বেত জাৰে। তাৰ পিছত পুলিচৰ জঘন্য ব্যৱহাৰ আৰু ধন্য হ'বলৈ ধৰে আৰু সিহঁতৰ নিৰ্মম অত্যাচাৰে পাশৱিকতাৰ সীমা চেৰাই যায়। উদাহৰণ স্বৰূপে—

৮ জানুৱাৰীৰ দিন পুলিচে বাতিপুৱা যোৰহাটৰ প্ৰিন্স অব ৱেলচ স্কুল আক্ৰমণ কৰি তাৰ ছাত্ৰসকলক অৱাই মৰাই মৰিয়াই ১৫৩ জনক গ্ৰেপ্তাৰ কৰে। আগদিনা নিশা হেতেৰে যোৰহাটৰ মাজেৰে ছাত্ৰসকলে দিয়া নক্ষত্ৰদীপ আৰু জনতা কাৰ্ফিউ পালনক ল'ব্যলৈকে এনে কৰা হৈছিল।

৪ ফেব্ৰুৱাৰীৰ দিনা জামুগুৰি শাৰদী চকীৰ দায়িত্বপ্ৰাপ্ত বিষয়াজনে মৰা প্ৰদেশ পুলিচৰ এটা দল লৈ ভাং খাই বলিয়া হোৱা হাতীৰ দৰে কিছুমান যুৱকৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। হৰিদিবাকৰ শইকীয়াক পুলিচে গ্ৰেপ্তাৰ কৰি গাড়ীত তুলি লৈ গুৱাহাটী লৈ যাওঁতে অচেতন কৰি মজিয়াত পেলাই লয়। শইকীয়াৰ দুই কাষাৰি ফাটি ধাৰসাৰে তেজ বৰলৈ ধৰাৰ পিছতো জোতাৰে মজিয়াত পৰি থকা অৱস্থাতে ভিতৰুৱা খচকি থাকে। কিছুদূৰ আগবাঢ়ি গৈ বালিপাৰা কাষৰ পুখুৰী পাৰত থকা বাজীৱ বৰা নামৰ ছাত্ৰ এজনক গ্ৰেপ্তাৰ কৰি একেধৰণে জঘন্য কাণ্ড কৰে। তাৰ পিছত কেইটামান ঘৰত সোমাই বয়-বস্তু নষ্ট কৰি অনন্ত বৰঠাকুৰ নামে এজন ছাত্ৰক কোবাই তেতেজা কৰি গাড়ীত তুলি লয়। সেইদৰে প্ৰবীণ শিক্ষক হিলক নাথকো ধৰি বান্ধি গাড়ীত বোজাই কৰি লয়। তেনেতে সমুখ ফালৰ পৰা দুজন ল'ৰা আহি থকা দেখা পাই ভাৰপ্ৰাপ্ত বিষয়াজনে গুলী কৰিবলৈ হুকুম দিয়ে। গুলী ছাত্ৰ দুজনৰ গাত নালাগিল আৰু সেই ছাত্ৰ দুজন দৌৰি পলাবলৈ সক্ষম হয়।

৭ ফেব্ৰুৱাৰী দিনা নগাঁৱৰ বিদ্যাপুৰত বাস কৰা ছাত্ৰ দীপক কলিতা আৰু ভিতেশ্বৰ শৰ্মাক বিচাৰি পুলিচৰ দল এটাই হেঙুলোকৰ বুঢ়া বাপেক আৰু ভায়েক কন্যাবোৰকৈতৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। বুঢ়া কেইজনক

চোচৰাই কলা খৰিবে কোবাই টানি আনিছিল আৰু কলিতাৰ মাকক 'বাত্তিপুৱা পুহেকইতৰ মৰাশ থানাৰ পৰা লৈ অহিবি গৈ' বুলি কৈ আহিছিল।

সেইদৰে ভবানীপুৰ অঞ্চলতো বহুদিন ধৰি পুলিচ, চি-আৰ-পিয়ে ছাত্ৰ-যুৱকক বিচাৰি বহুতৰে ঘৰদুৱাৰ ভঙা খোৱা বস্তু নষ্ট কৰা আৰু মানুহৰ ওপৰত অমানুষিক অত্যাচাৰ কৰে। পুলিচে সুৰাপান কৰি নিশাৰ ভাগত গাঁৱত সোমায় আৰু চিঞৰ বাখৰ কৰি গোটেই গাঁৱতে হুলস্থুল কৰি থাকে। ২০ ফেব্ৰুৱাৰী নিশা পুলিচে বিনয় ডেকাৰ ঘৰত সোমাই তেওঁৰ মাকক লাঠিৰে কোবাই মাটিত বগৰাই দিয়ে। তেওঁলোকৰ খোৱা বস্তু আদিও নষ্ট কৰে। গাৰ বিষ আৰু মনৰ দুখত ওৰে ৰাতি কান্দি থকা সেই বৃদ্ধা মাতৃৰ বিননি শুনি গঞা ৰাইজৰ হিয়া ফাটে।

"জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ৰজনী গোস্বামীক গৌৰী সাগৰ থানাৰ পুলিচে ৰাতি প্ৰায় ২ মান বজাত ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি থানাৰ ভিতৰৰ খুটা এটাত অধ্যাপকজনৰ কঁকালত পঘা এডালেৰে বান্ধি থৈ কাণত ধৰি উঠ বহ কৰোৱাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়াই ইমান নিলৰ্জ আৰু অশ্লীল ব্যৱহাৰ কৰি গালি পাৰিছিল যে তাৰ অধ্যাপক গোস্বামীয়ে সাংবাদিকৰ আগত ... কৈছিল।' ( অগ্ৰদূত ১৯ ফেব্ৰুৱাৰী, ১৯৮৪ )।

২৩ মাৰ্চৰ দিনা পুলচে গুৱাহাটীৰ আদালতত সোমাই এজন উকীলক ভালদৰেই পিতে।

১৫ মাৰ্চৰ দিনা আছুৰ আহ্বানত বান্ধ জোৰা ধৰ্মঘটকাৰীৰ ওপৰত পুলিচৰ লাঠী চালনা মাৰধৰ আৰু অত্যাচাৰ 'গুৱাহাটী চিকিৎসা মহা-বিদ্যালয়ৰ চোতালত প্ৰৱেশ কৰি পুলিচ, চি-আৰ পিয়ে চিকিৎসক আৰু ৰোগীক নিৰ্মম ভাবে প্ৰহাৰ কৰা কাৰ্যৰ তুলনা নাই। অফিচ বা আন কামলৈ বুলি ঘৰৰ পৰা ওলাই অহা পুৰুষ মহিলা অকণো বাচ বিচাৰ নকৰি কোবোৱা, স্কুল কলেজৰ চোতালৰ মুখত বৈ থাকি সশস্ত্ৰ পুলিচ, চি-আৰ-পিয়ে স্কুল-কলেজলৈ অহা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীক আক্ৰমণ কৰা, গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ আশে পাশে সমবেশ হোৱা সহস্ৰাধিক লোকৰ ওপৰত নিৰ্বিচাৰ লাঠী চালনা আৰু আঘাতপ্ৰাপ্ত লোকক চিকিৎসা লোৱাৰ কামতো বাধাদান কৰাৰ দৰে অমানৱীয় ব্যৱস্থাও গুৱাহাটীৰ পুলিচে গ্ৰহণ কৰিবলৈ পিচ হোহকা নাই।" ( ১৮ মাৰ্চৰ অগ্ৰদূতৰ পৰা ) সেইদৰে "তেজপুৰত পুলিচৰ অত্যাচাৰে সকলো সীমা চেৰাইছে।" ( অগ্ৰদূত, ১৮ জুলাই, ১৯৮৪ )।

এনেকুৱা অত্যাচাৰ অসমৰ সকলো অঞ্চলতে ১৯৮৫ চনত অসম চুক্তি চহী হোৱা দিনলৈকে চলে। এই কাল ছোৱাত ইন্দিৰা চৰ্কাৰৰ বাজত্বত পুলিচ চি-আৰ-পিয়ে অতি পাশৱিক ভাবে বহু অসমীয়া লোকক হত্যা কৰে। এই হত্যাকাণ্ডবিলাক আমি বেলেগে আলোচনা কৰিম। বৰ্তমান কঁকালৰ কোব

কেইটাহে গৌৰৱৰ খুজিছো। ১৯৮৫ চনৰ জুলাই মাহত তিক্ৰপড়ৰ বাইজক গোধোৱা মাৰ কেইটাৰ বৰ্ণনা এনে ধৰণৰ ১৩ জুলাই সন্ধিয়া তিক্ৰপড় নলিয়াপুল ৰেলৱে কলনি আৰু ঘৰবাৰি ৰেলৱে কলনিত অসম পুলিচৰ এটা উন্মত্ত দলে নিৰীহ জনতাৰ ওপৰত অতি নিৰ্মম ভাবে অত্যাচাৰ চলায়। সন্ধিয়া আঠমান বজাত কেইবাখনো পুলিচৰ গাড়ীৰে প্ৰথমে দুৰ্গাবাৰী অঞ্চল ঘেৰি লৈ ৰাস্তাই ঘাটে যাকে য'তে পালে তাকে লাঠী আৰু লোহাৰে মৰিয়াই যায়। সিমানতো হেঁপাহ নপোলোৱাত দুৱাৰ ভাঙি ঘৰৰ ভিতৰলৈ সোমাই বহুতক মৰিয়াই গুৰুতৰ ভাবে আহত কৰে।

মুঠৰ ওপৰত আমি উল্লেখ কৰা কালছোৱাত ইন্দিৰা কংগ্ৰেছৰ পৃষ্ঠপোষকতাত আৰু আনোৱাৰা-হিতেশ্বৰৰ অনুগ্ৰহত অসমৰ পূব কোণৰ পৰা পশ্চিম কোণলৈকে আটায়ে পুলিচ, চি-আৰ-পিৰ কোব খালে। বুঢ়া-বুঢ়ী, কণ কণ ল'ৰা-ছোৱালী, উকীল হাকিম-শিক্ষক কোনোৱেই বাদ নপৰিল আনকি হস্পিটালৰ ডাক্তৰ, নাচ আৰু ৰোগীৰ কঁকালতও পুলিচৰ লাঠীৰ কোব পৰিল। ওপৰৰ ঘটনাবিলাকৰ নিচিনা ঘটনা আজিৰ সভ্য জগতত কল্পনা কৰাই কঠিন। এনেকুৱা সকলো অত্যাচাৰ, সকলো কোব এতিয়া অসমীয়া ৰাইজে একেবাৰে পাহৰি যোৱা দেখি মাজে মাজে এনে ভাব হয় যে আমি হয়তো ফেটী সাপৰ নিচিনা প্ৰতিশোধপ্ৰিয় হোৱা হ'লেহে ভাল আছিল।

অসমীয়া মানুহ ফেটী সাপ নহয় ভাল কথা। সেই কাৰণেহে হয়তো বেঁকা কঁকালেৰে এতিয়াও জাতিটো জীয়াই আছে কাৰণ তেওঁলোকে ফেটী সাপৰ নিচিনাকৈ প্ৰতিশোধ ল'বলৈ আহিব পাৰে বুলি জানিলে হয়তো ইন্দিৰা কংগ্ৰেছে অসমীয়া জাতিক নিশেষ কৰিলেহেঁতেন। ফেটী সাপৰ দৰে ফেট তুলিব নোৱাৰাটো বেয়া কথা নহয়, কিন্তু কঁকালৰ কোব কেইটা জানো আমি পাহৰা উচিত? প্ৰতিশোধ নিবিচাৰিলেও বা ফেটী সাপৰ দৰে খুটিব নোৱাৰিলেও অসমীয়াই ইন্দিৰা-আনোৱাৰা-হিতেশ্বৰৰ দিনৰ মাৰবিলাক পাহৰিব নালাগে কাৰণ সেইবিলাক নাপাহৰি তেনেদৰে যাতে আকৌ মাৰ খাব নালাগে বা জীয়াতু ভুগিব নালাগে তাৰ বাবে সতৰ্ক হব লাগে। সেয়েহে অসমীয়াৰ বেঁকা কঁকালত যাতে আকৌ কোব নপৰে তাৰ কাৰণে সতৰ্ক হ'বলৈ এতিয়াই সকীয়াই থলো।

কিন্তু আজি আমাৰ ধাৰণা হয় যে অসমীয়া জাতিয়ে ইন্দিৰা আনোৱাৰা হিতেশ্বৰৰ উৎপাদিত পুলিচে অসমীয়া ৰাইজৰ ওপৰত কৰা পাশৱিক অত্যাচাৰ, অপমান যেন সকলো পাহৰি গ'ল। ইমান বেয়াকৈ পাহৰি গ'ল যে এতিয়া আকৌ অসমৰ ৰাজনীতিত আনোৱাৰা হিতেশ্বৰহঁতে পুনৰ ক্ষমতালৈ অহাৰ সপোন দেখিছে। তেওঁলোকে ভোট বিচাৰি ক্ষমতা বিচাৰি আকৌ অসমীয়া ৰাইজৰ কাষ চাপিবলৈ সাহস কৰিছে। আজি বহুতেই আকৌ তেওঁলোকক আদৰিছে। অসমৰ ৰাইজে এতিয়া প্ৰতিকাৰৰ দ্বিতীয় পদক্ষেপ ল'বলৈ চেষ্টা কৰা উচিত আৰু সেইটো হৈছে তুনাই সেই ৰাজনৈতিক পৰিৱেশ

সৃষ্টি নকৰা যিটো কাৰণে ১৯৮০ ৰ পৰা ১৯৮৫ চনলৈকে অসমীয়া জাতিয়ে বহু নিৰ্যাতিত মানৱ দিনতকৈও অনাচাৰী অত্যাচাৰী শাসনৰ সোৱাদ পাইছিল।

যোৱা তিনিটা বছৰে অ-গ-প চৰকাৰৰ ওপৰত ৰাইজ নানা কাৰণত অসন্তুষ্ট হোৱাটো স্বাভাৱিক। অ-গ-প চৰকাৰৰ সকলো দোষ দহগুণ বঢ়ালেও হয়তো ইন্দিৰা-আনোৱাৰা হিতেশ্বৰৰ দিনৰ তুলনাত দিনতকৈ ৰাইজ ভালে আছে। সি যিয়েই নহওক, আজিৰ অসমীয়া ৰাইজৰ উদ্দেশ্য হ'ব লাগে অ-গ-প চৰকাৰৰ ঠাইত আৰু বিকল্প চৰকাৰ প্ৰতিষ্ঠা কৰাটো নহয়, অ-গ-প দলৰ স্বাৰ্থ-অন্বেষী, আড়ম্বৰপ্ৰিয় বা দুৰ্নীতিপৰায়ণ মন্ত্ৰী নেতাসকলক আঁতৰাই অ-গ-পক সংশোধন কৰাটোহে।

(১৩ ডিচেম্বৰ ১৯৮৯ৰ অগ্ৰদূতত প্ৰকাশিত)

ৰাইজৰ মতামত (১৭ জানুৱাৰী, ১৯৯০ ৰ অগ্ৰদূতৰ পৰা)

(১)

শ্ৰীদত্তই লিখনীত উল্লেখ কৰিছে যে অ-গ-প চৰকাৰৰ সকলো দোষ দহগুণ বঢ়ালেও হয়তো ইন্দিৰা-আনোৱাৰা হিতেশ্বৰৰ দিনতকৈ ৰাইজ ভালে আছে। এই খিনিতে শ্ৰীদত্তক সুধিব খোজো যে যদি সঁচাকৈয়ে দিনতকৈ ৰাইজ ভালে আছে তেনেহলে চাৰিটা বছৰতে পাঁচশৰ অধিক মানুহৰ মৃত্যু হ'ল কিয়? অ-গ-প চৰকাৰে কুৰিটাৰো অধিক চিআৰপিএফ বাহিনী কেন্দ্ৰৰ পৰা খুজিব লগা হ'ল কিয়? সপ্তাহৰ মূৰে মূৰে ১৪/১৫ দিন 'বন্ধ'ৰ মাজত ৰাইজ পৰি থাকিব লগা হৈছে কিয়? কেইবাখনো শিক্ষানুষ্ঠান, কাৰ্যালয়, দল বাজহুৱা সম্পত্তি ধ্বংস হ'ব লগা হ'ল কিয়? অ-গ-পৰ দিনত যদি ৰাইজ ভালে আছে তেনেহলে সঘনে বিভিন্ন সংগঠনে আন্দোলনৰ মুখ দাঙি উঠিছে কিয়? আছুৰ দৰে এটা সংগঠনে বন্ধৰ কাৰ্যসূচী লব লগা হৈছে কিয়? ৰজাপুখুৰী, বৰ্কাজুলি আদি ঠাইত হত্যাকাণ্ড হ'ব পাৰে কেনেকৈ? গতিকে ৰাইজে অ-গ-পৰ দিনত ভালে থকাটো কলে অসমৰ ৰাইজে মানি লব নে? কংগ্ৰেছৰ দিনত আমি একো নাপালো সঁচা কিন্তু অ-গ-পৰ দিনত অসমৰ ৰাইজে পালে কি? অসমৰ ৰাইজে নিৰ্বাচিত কৰি দিয়া প্ৰতিনিধিসকলৰ আজি যি হ'ব লগা অৱস্থা তাৰ নমুনা আজি ৪ বছৰে অসমৰ ৰাইজে দেখি আহিছে।

দীনেশ পাটোৱাৰী, ডাঙ্গলপুৰ, মটঙ্গাপাৰ।

( ২ )

প্ৰবন্ধটো চিন্তাশীল আৰু সাংশয়পূৰ্ণ। যোৱা ছবছৰীয়া আন্দোলনৰ কালছোৱাত "মানৱ দিনকো' চেৰ পেলোৱা অত্যাচাৰ উৎপীড়ন পাহৰি যোৱাটো কেতিয়াও জ্ঞানীৰ কথা নহয়। অসমীয়া ৰাইজে বৰ্জন কৰা নিৰ্বাচনত উঠি আনোৱাৰা হিতেশ্বৰহঁতে ক্ষমতালৈ আহি, ৰাইজে "বৰ ঘৰত বিদেশী সোমালে" বুলি কোৱাৰ বাবে চি আৰ-পি ৰূপী এলচেচিয়ান কুকুৰ লগাই খৰ্গেশ্বৰকে আদি কৰি শত জনক বধিলে, শতজনক চিৰদিনলৈ ঘূণীয়া কৰিলে। সেইবাসৰে এতিয়া আকৌ ক্ষমতালৈ আহিবলৈ ৰাইজক ফুচুলাবলৈ আহিছে। আমিবোৰেও চেনীগুটি দেখি যে সেই কোৰ পাহৰি কেচুৱা লৰাৰ দৰে সেই সকলৰ মিঠা কথাত ভোল যাবলৈ প্ৰয়াস কৰিছো। ইংৰাজীত এষাৰ কথা আছে যে, "তোমাক যি এবাৰ বিশ্বাসঘাতকতা কৰিছে তেওঁৰ পৰা সাৱধান হ'বা।"

সেইবাবে ডঃ দত্তই কোৱাৰ দৰে আমাৰ আঞ্চলিক দল অ-গ-প ক সংস্কাৰ কৰি দুনীতিপৰায়ণ আৰু অকৰ্মণ্য মন্ত্ৰী বিধায়কক আঁতৰ কৰি এই দলটোক সুস্থ সবল কৰাৰহে প্ৰয়োজন—নহলে অসমীয়াৰ গত্যন্তৰ নাই।

পদ্মনাথ কাশ্যপ, শিৱসাগৰ।

( ৩ )

১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈ অৰ্থাৎ নতুন আঞ্চলিক চৰকাৰে শাসনভাৰ লোৱা সময়লৈকে অসমৰ ৰাইজৰ এই সময়খিনি অতিকৈ অন্ধকাৰময় হৈ থকা ভুগীয়া আছিল। অসমৰ ইতিহাসত এই সময়খিনি সদায় কলংকিত অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। অত্যাচাৰী কংগ্ৰেছ (ই)ৰ কুশাসনৰ দ্বাৰা গোটেই অসমত অৰাজকতাৰ সৃষ্টি হৈছিল। সাধাৰণ নাগৰিকৰ জীৱনৰ নিৰাপত্তা সমূলি লোপ পাইছিল। কোনোৱে মুখ খুলি এষাৰ কব নোৱাৰা অৱস্থা আছিল। আনকি সাধাৰণ নাগৰিকৰ মৌলিক অধিকাৰখিনিও নিঃশেষ হৈছিল। এইখিনি আৰম্ভণি দিনৰহে কথা।

ইয়াৰ পিছৰ অৱস্থা আৰু অতিকৈ ভয়াবহ তথা শোচনীয়। সেয়া হিতেশ্বৰ শইকীয়াৰ "বহুবৰটোৰ বিখ্যাত নেতাৰ' অসমীয়া ৰাইজৰ প্ৰতি চৰম বিশ্বাসঘাতকতা। আজিও মনত পৰে সেই ভয়াবহ দিনবোৰৰ কথা। নানা কলা আইন প্ৰয়োগ কৰি আন্দোলন দমন কৰাৰ নামত ৰাস্তাই ঘৰে চি-আৰ পিৰ তাণ্ডৱলীলা আৰম্ভ হ'ল। কত ফুল কুমলীয়া ল'ৰা চি-আৰ-পিৰ লাঠীৰ কোবত চিৰদিনৰ বাবে ঘূণীয়া হ'ল। কতজনে মাতৃৰ কোলা শুদা কৰি গ'ল। আজিও সেই পুত্ৰ শোকত আতুৰ মাতৃৰ হিয়াভঙা কান্দোন মাৰ যোৱা নাই।

( ৪ )

কথা হ'ল অসমৰ নিৰীহ ৰাইজ কি কাৰণত আন্দোলনৰ বলি হ'ব লগা হ'ল। অসমৰ ৰাইজৰ বাবে অত্যাচাৰ একো নতুন কথা নহয়। বিষয় হ'ল কাৰ নেতৃত্বত কিয় অত্যাচাৰ সহিব লগা হ'ল? অত্যাচাৰৰ পিছত ৰাইজে কি পৰিণাম পালে? মই হিতেশ্বৰ বা আনোৱাৰা টাইমুৰৰ সপক্ষে কব খোজা নাই। সচা কথা কেটা সাপে কঁকালৰ কোব নাপাইছে। কিন্তু সাপডাল যদি মাৰি পেলোৱা হয় তেন্তে পাইছা বা নাপাইছাৰ প্ৰশ্নই নুঠে। ঠিক তেনেকৈ অসমৰ ৰাইজক চলেৰে একেবাৰেই মাৰি পেলোৱা হ'ল। আন্দোলন চলি থাকোতে মহন্ত নেতৃত্বই নিজা চৰকাৰ গঠন কৰি বৰ্তমানৰ দৰে দুৰ্নীতিত লিপ্ত হ'ব বুলি অসমৰ ৰাইজে সপোনতো ভবা নাছিল। আন্দোলন নকৰা হলেতো অত্যাচাৰৰ বলি হব লগা নহলহেতেন আৰু চুক্তিৰ নামত যিখন বিদেশী খেদা দলিল তৈয়াৰ কৰিলে সেইখনে বৰ্তমান বিদেশীক স্বদেশী কৰাবহে পক্ষপাতী। বৰ্তমান ভোটাৰ তালিকাই তাৰ প্ৰমাণ।

গতিকে অত্যাচাৰৰ আন্দোলন কালত বা পাছত নিজা নেতৃত্বই দিয়া প্ৰতিশ্ৰুতিৰ কথাহে মনত ৰাখিব লাগিব। কেটা সাপে কঁকালৰ কোব নাপাইছে বুলি জনসভাত ভাষণ দিয়া আমাৰ প্ৰাক্তন মন্ত্ৰী ললিত ৰাজখোৱাৰ সেই বজ্ৰ কঠিন ভাষা কলৈ গ'ল।

সেইবেহে দিলীপ কুমাৰ দত্তৰ এই লেখাখনি চকাৰে অহা নিৰ্বাচনত নিৰ্বাচনী অস্ত্ৰৰূপে যাতে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতিহে ৰাইজে চকু ৰাখিব লাগিব।

বিৰাজ নাথ, চাৰিদুৱাৰ, শোণিতপুৰ

তিনি দহ ছয় অধ্যায়

# নুৰেমবাৰ্গৰ বিচাৰৰ নীতি আৰু ইন্দিৰা চৰকাৰৰ হত্যা-অত্যাচাৰ

কুৰি শতিকা শেষ হবলৈ আৰু মাত্ৰ এটা দশকহে বাকী কিন্তু অসমক কুৰি শতিকাৰ বহু চিন্তাধাৰাই এতিয়াও স্পৰ্শ কৰা নাই যেন অনুমান হয়। উদাহৰণ স্বৰূপে - এই শতিকাৰ মানব সভ্যতালৈ এক লেখত লব লগীয়া বৰঙণি হৈছে দ্বিতীয় মহাযুদ্ধৰ পিছত হোৱা নুৰেমবাৰ্গৰ বিচাৰ আৰু সেই বিচাৰে আনি দিয়া চিন্তাধাৰা। দ্বিতীয় মহাযুদ্ধৰ কালছোৱাত জাৰ্মান বৰ্বৰসকলে নিৰীহ মানুহৰ ওপৰত কৰা হত্যা আৰু অত্যাচাৰৰ বিচাৰৰ কাৰণে কেবাখনও দেশৰ ন্যায়াধীশেৰে গঠিত এক আন্তৰ্জাতিক মিলিটাৰী ট্ৰিবিউনেল গঠন কৰা হৈছিল। এই বিচাৰত হিটলাৰৰ তলতীয়া বিষয়া সকলে তেওঁলোকে কেৱল ওপৰৱালাৰ হুকুম মানিহে সেই হত্যা আৰু অত্যাচৰ কৰিছিল বুলি সাৰিবলৈ বিচাৰিছিল যদিও তেওঁলোকক দোষী সাব্যস্ত কৰা হ'ল এই বুলিয়েই যে সভ্য সমাজৰ দ্বাৰা গৃহীত ব্যক্তি আৰু জনগোষ্ঠীৰ বিপক্ষে বা মানৱতাৰ বিপক্ষে কৰা অপৰাধ নেতা বা ওপৰৱালাৰ হুকুমৰ অজুহাতেৰে ঢাকিব নোৱাৰি। নুৰেমবাৰ্গৰ বিচাৰৰ সকীয়নি এয়েই যে নিজৰ শাসনাধীন ৰাইজক যেনে ভাবে মন যায় তেনেদৰে ব্যৱহাৰ কৰিবলৈ কোনো চৰকাৰৰ অধিকাৰ নাই। অতি সাধাৰণ দোষণীয় ব্যৱহাৰেও চৰকাৰৰ সৰ্বোচ্চজনকো আন্তৰ্জাতিক আদালতৰ সন্মুখত বিচাৰৰ কাৰণে আনিব পাৰে। সকলো চৰকাৰৰ বিষয়ববীয়াসকল এতিয়াৰ পৰা এইবুলি সতৰ্ক হোৱা উচিত যে তেওঁলোকে যদি আন দেশ আক্ৰমণৰ কাৰণে উচটাই বা সাজু হয়, যদি মানৱতা বিৰোধী আইন প্ৰয়োগ কৰে বা যদি তেওঁলোকে সভ্য সমাজৰ দ্বাৰা গৃহীত ব্যক্তি আৰু জনগোষ্ঠীৰ সাধাৰণ অধিকাৰৰ উলঙ্ঘা কৰি হত্যা-অত্যাচাৰ-উৎপীড়ণ চলায় তেনেহলে তেওঁলোকক আন্তৰ্জাতিক অপৰাধী বুলি দোষী সাব্যস্ত কৰা যাব পাৰে।

এই দৃষ্টিকোণৰ পৰা অসমত ইন্দিৰা চৰকাৰে বিশেষকৈ হিতেশ্বৰ শইকীয়াৰ বেআইনী চৰকাৰে অসমৰ ৰাইজৰ ওপৰত চলোৱা হত্যাকাণ্ড, অত্যাচাৰ আদি যে মানৱতাৰ বিপক্ষে কৰা গুৰুতৰ অপৰাধ তাত সন্দেহ নাই। তাইজে বদি পাহৰিছে এনে কেইটামান উদাহৰণ দিলো।

১৯৮৩ চনৰ ২ ফেব্ৰুৱাৰীত ছিপাজাৰত পুলিচে গুলিয়াই পাঁচজন সত্যাগ্ৰহীক হত্যা আৰু বহুতক জখম কৰে। আই-এ-এছ বিষয়া জিতেশ খোছলা

আৰু আই-পি-এছ অফিচাৰ ৰামচন্দ্ৰনে সশস্ত্ৰ পুলিচৰ সৈতে ছিপাজাৰৰ ওচৰৰ দক্ষিণ চুবুৰী গাঁৱত সোমাই গঞা ৰাইজৰ ওপৰত অত্যাচাৰ কৰে।

৩ ফেব্ৰুৱাৰী, ১৯৮৩ত পুলিচে প্ৰহ্লাদ শৰ্মা, চিত্ৰ বৰুৱা আৰু তপন বৰুৱা নামৰ তিনিজন যুৱকক ছিপাজাৰৰ জলা জুইত দলিয়াই হত্যা কৰে (এওঁলোক তিনিওৰে পিচত হস্পিটালত মৃত্যু হয়।

১ মাৰ্চ ১৯৮৩ৰ দিনা বোৰগাটিৰ ওচৰৰ কেৰাখনী গাঁৱত প্ৰায় ২৫ জন চি-আৰ-পি পুলিচ সোমাই বলিয়া হাতীৰ দৰে ঘৰবাৰী ভাঙি ছিঙি সন্ত্ৰাস সৃষ্টি কৰে। ভয়ত মানুহে হাবিয়ে জংঘলেদি পলাই যাবে। নিজৰ বুঢ়া মাক বাপেকক পলাবলৈ সহায় কৰি পিছপৰা দুজন যুৱকক পুলিচে নিষ্ঠুৰ ভাৱে হত্যা কৰে। প্ৰথম যুৱক প্ৰদীপ কলাই দেউতাকক সহায় কৰি থাকোতে পুলিচে তেওঁৰ চুলিত ধৰি টানি আনি গুলিয়াই মাৰে। দ্বিতীয়জন যুৱক বঙ্কাই বৰাই তেওঁৰ মাকক কিছুমান জোপোহাৰ মাজত লুকুৱাবলৈ চেষ্টা কৰোতে পুলিচে তেওঁৰ মাকক খেদি মাকৰ চকুৰ আগতে প্ৰথমে বেয়নেটেৰে খোঁচে আৰু তাৰ পিছত গুলিয়াই হত্যা কৰে। পুলিচে কেইজনমান গঞাক বাঁহৰ ছাটি মাৰি মৰা শ দুটা প্ৰায় ৩ কিলোমিটাৰ পথ কঢ়িয়াই নিয়াবলৈ বাধ্য কৰে। পিছত ঘটনাস্থলীলৈ যোৱা সাংবাদিকসকলে ওৰে বাটত পৰা তেজৰ দাগ আৰু পুলিচে ভস্মীভূত কৰা ঘৰবোৰৰ পৰা এতিয়াও ধোঁৱা দেখা পায় (দৈনিক জনমভূমি ৩, ৪, ৫ মাৰ্চ, ১৯৮৩।

৬ মাৰ্চত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ তিনিজন জোৱানে নগাঁৱৰ ধিঙৰ নামগাঁৱত এগৰাকী ৩০ বছৰীয়া মহিলাক বলাৎকাৰ কৰে। অসমৰ আন আন ঠাইতো অসমীয়া নাৰীৰ ওপৰত কেন্দ্ৰীয় পুলিচৰ তেনে ধৰণৰ অত্যাচাৰ চলে (দৈনিক জনমভূমি, ৯ মাৰ্চ, ১৯৮৩)।

৭ এপ্ৰিল, ১৯৮৩ৰ দিনা পুলিচে গোলাঘাটৰ ওচৰৰ পংকাৰ পৰা ২০জন ধনুৱা লোকক ধৰি বান্ধি ওচৰৰ ৰজাবাৰী চাহ বা গচাৰ ফেক্টৰীৰ ওচৰৰ খালত নমাই তেওঁলোকৰ ওপৰত গুলিয়াবলৈ আৰম্ভ কৰে। পিছদিনাখন তাতে সাতজনৰ মৃতদেহ পোৱা যায়। দুজন কেনেবাকৈ পলাই আহি ঘটনা আৰক জনায়, বাকী এঘাৰজন নিখোজ।

২১ মাৰ্চ, ১৯৮৪ দিনা জগদীশ পাটগিৰিৰ নেতৃত্বত যোৱা এদল সশস্ত্ৰ পুলিচে আছুৰ খাগৰপুৰ শাখাৰ সভাপতিৰ ঘৰত সোমাই তেওঁৰ বিধবা মাকক গুলিয়াই হত্যা কৰে। ৪ এপ্ৰিলত বংগৰ বেআইনী বিধান সভাই ১৯৮৪ চনৰ ফৌজদাৰী কাৰ্যবিধি (অসম সংশোধনী) বিধেয়কখন গ্ৰহণ কৰি আইনত পৰিণত কৰে। এই আইনে যোৱা বছৰ ৭ জুলাইত অসমৰ ৰাজ্যপালে দিয়া অধ্যাদেশ খনকে বিধিবদ্ধ কৰে। আইন নহ'লেও পুলিচে কাৰ্যত ইয়াক

(১০ জুন, ১৯৮৪ৰ অগ্ৰদূতৰ পৰা) "পুলিচৰ অবৰ্ণনীয় অত্যাচাৰৰ এক কলংকিত কাহিনী যে' মাহৰ তিনি তাৰিখে কুকুৰা গাঁৱৰ কমাৰপাৰাৰ শ্ৰীবীৰেণ বৰ্মণৰ ঘৰত বেলশৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই সশস্ত্ৰ পুলিচ সহ প্ৰবেশ কৰি অসম জাতীয়তাবাদী দলৰ সদস্য আৰু গণ সংগ্ৰামৰ কৰ্মী শ্ৰীশশধৰ পাটোৱাৰীক গ্ৰেপ্তাৰ ক'ৰ থানলৈ লৈ যায় আৰু তাত চিপাহী শ্ৰীহক আৰু শ্ৰীৰহমানে শ্ৰীপাটোৱাৰীক তিনি আৰু চাৰি তাৰিখে নিদাৰুণ ভাৱে মাৰপিট কৰে। চাৰি যে' তাৰিখে নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰী চৌবেই দিনৰ প্ৰায় দুই বজাত সাধাৰণ পোচাকত বেলশৰ থানাত উপস্থিত হৈ শ্ৰীপাটোৱাৰীক মাটিত পেলাই লৈ বাওঁ হাত আৰু বাওঁ ভৰিৰ অঠুত জোতাৰে একেৰাহে গচকে ফলত তেওঁৰ বাওঁফালটো একেবাৰে অসাৰ হৈ পৰে। ইমানতো ক্ষান্ত নাথাকি পুলিচৰ দলটোৱে শ্ৰীপাটোৱাৰীক নিৰ্মম ভাৱে প্ৰহাৰ কৰি থকাত তেওঁ সেইখিনি সংজ্ঞা হেৰুৱায় থানাত শ্ৰীপাটোৱাৰীৰ মুখত দুজন চিপাহীয়ে বলেৰে গৰম পানী ঢালি দিয়ে আৰু বেয়াকৈ মথমণ্ডলত বাটিল কৰে।" চাৰি মে'ৰ দিনা আদালতৰ আদেশত শ্ৰীপাটোৱাৰীক চিকিৎসালয়ত ভৰ্তি কৰা হয়। কিন্তু সাত মে'ৰ ৰাতি প্ৰায় ৩ মান বজাত নলবাৰী পুলিচ পৰিদৰ্শক শ্ৰীসুচেন হাজৰিকাই চিকিৎসালয়ত প্ৰৱেশ কৰি শয্যাগত পাটোৱাৰীক অকথ্য ভাষাৰে গালি শপনি কৰাৰ উপৰিও শ্ৰীপাটোৱাৰীয়ে খাবলৈ লোৱা আহাৰ দলিয়াই দিয়ে আৰু ঔষধৰ কাগজ-পত্ৰ খন দাবাকে লৈ যায়।"

(১৯ জুলাই ১৯৮৪ৰ অগ্ৰদূতৰ পৰা) এজন মন্ত্ৰীৰ আদেশত সুভাষ শৰ্মা নামে চামতাৰ কামৰূপ কলেজৰ ছাত্ৰ এজনক পুলিচৰ দ্বাৰা অমানবীয় কষ্ট দিয়া হওঁৱা। ১৩ জুলাইৰ দিনা সুভাষক গুৱাহাটীৰ পাণবজাৰৰ বাস্তাৰ পৰা গ্ৰেপ্তাৰ কৰি নি গুৱাহাটীৰ সদৰ থানাৰ দ্বিতীয় ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীয়ে প্ৰায় দুঘণ্টামান গাৰ সকলো শক্তি প্ৰয়োগ কৰি কোবাই পিচদিনা নলবাৰী থানালৈ প্ৰেৰণ কৰে। নলবাৰীত তেওঁক এদিন কোবাই ধাৰশায়ী কৰি পিচদিনা বেলশৰ থানালৈ পঠিওৱা হয়। বেলশৰ থানাত নলবাৰী আৰক্ষী চক্ৰৰ ইন্সপেক্টৰ শ্ৰীসুচেন হাজৰিকা আৰু থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্ৰী মহাদেৱ সিঙে এটা কোঠাত বন্ধ কৰি লৈ নিৰ্যাতন দিবলৈ ধৰে। পিচদিনা সুভাষৰ আত্মীয় বৰ্গই আদালতত আবেদন কৰাত দণ্ডাধীশে সিদিনাই সুভাষক নলবাৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰিবলৈ আদেশ দিয়ে। সুভাষৰ আটাই কেইটা আঙুলি আৰু আঠু, দুটাত সেই বৰ্বৰ পুলিচে গজাল মাৰে তেওঁৰ যৌন অংগ প্লাচেৰে চেপি দিয়ে আৰু তেওঁৰ বুকুত ভালেখিনি সময় বুট জোতাৰে গচকা কাৰণে তেওঁৰ মুখেৰে তেজ ব'বলৈ ধৰিছিল। সুভাষৰ কলাফুল মাংসপেশী টেমুনা বান্ধি আঠুৰ ওপৰলৈ উঠাই আহিছিল, লাঠীৰ কোবত তেওঁৰ পিঠি তেনেই কলা পৰি গৈছিল আৰু তাত চিৰাচিৰ ফাট মেলিছিল, ইত্যাদি ইত্যাদি। শেষত সুভাষ শৰ্মাৰ ১৯ জুলাইত গুৱাহাটীৰ হস্পিটালত মৃত্যু হয়। মৃত্যুৰ আগতে সুভাষ শৰ্মাই কয় যে বেলশৰ থানাৰ সুচেন হাজৰিকা আৰু কনিষ্টবল ৰহমানে তাতো ক্ষান্ত নাথাকি অৱশেষত [illegible]।

( ১৯ আগষ্ট, ১৯৮৪ৰ অগ্ৰদূতৰ পৰা ) নলবাৰীৰ বাহজানি অঞ্চলৰ শ্ৰীবীৰেন্দ্ৰ কুমাৰ শৰ্মাক আজি কিছুদিন আগতে আৰক্ষী বাহিনীয়ে তেওঁৰ সমগ্ৰ শৰীৰত গজাল মৰা, গৰম আলপিন মৰা, গুহ্য দ্বাৰেৰে লাঠী সুমুৱাই দিয়া, চিলিং ফেনত ওলোমাই লৈ চুইচ টিপি ঘূৰাই দিয়া, প্লাচেৰে হাতভৰিৰ নখবোৰ টানি টানি উধালি পেলোৱা আদি বিভিন্ন ধৰণৰ অত্যাচাৰ কৰাৰ পিছত পুনৰ নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীচৌবেই শৰ্মা পুলি আন এজনলৈ পিষ্টলেৰে গুলী মাৰে।

ওপৰৰ বৰ্ণনাৰ পৰা এইটো স্পষ্ট যে হিতেশ্বৰ শইকীয়া আৰু তেওঁৰ চৰকাৰৰ সহযোগত বৰ্বৰতাৰ চৰম সীমা চেৰাই যোৱা আই-এ এছ বিষয়া জিতেশ্বু খোছলা আৰু আই-পি এছ অফিচাৰ ৰামচন্দ্ৰন, শশধৰ পাটোৱাৰীক নিৰ্মম ভাবে শাস্তি দিয়া পুলিচ হক আৰু ৰহমান, এগৰাকী বিধবাক নিজৰ ঘৰতে হত্যা কৰা পুলিচ জগদীশ পাটগিৰি, সুভাষ শৰ্মাক অমানুষিক ভাবে শাস্তি দি হত্যা কৰা বিষয়া সুচেন হাজৰিকা মহাদেৱ সিং আৰু কনিষ্টবল ৰহমান, নলবাৰীৰ চোৱে আদিৰ অপৰাধ সচাকৈয়ে গুৰুতৰ। সেইদৰে পংকাৰ হত্যাকাৰীসকল আৰু নিমাতীঘাটৰ হত্যাকাৰীসকল হিটলাৰৰ নাজীৰ কুকুৰতকৈও অধম। হিতেশ্বৰ শইকীয়া এই সকলক বিচাৰলৈ আনিব নোৱাৰাটো অ গ প চৰকাৰৰ চৰম ব্যৰ্থতা আৰু অসমৰ বাইজৰ কাৰণে লাজ লগা কথা। এই লোকসকলক নুৰেমবাৰ্গৰ বিচাৰৰ দৰে কিবা উপায়েৰে বিচাৰলৈ আনিবলৈ আমাৰ আইনজীৱীসকলে উপায় উলিওৱাটো অতি প্ৰয়োজন।

অসমীয়া মানুহ প্ৰতিশোধপ্ৰিয় নহয় কিন্তু এই হত্যাকাৰী, অনাচাৰী দুৰ্বৃত্ত সকলক সমাজত এনেদৰে টিকি থকাৰ লৈ এৰি দিয়াটো কেবাটাও কাৰণে অতি ভয়ানক কথা। প্ৰথমতে, ই তেওঁলোকৰ দুৰাচাৰী কামক বিধিবদ্ধ কৰা যেন হয়। দ্বিতীয়তে, নৰখাদকৰ দৰে এই সকলে যে আকৌ তেনে কৰিবলৈ সুযোগ বিচাৰিব তাত সন্দেহ নাই— ( হিতেশ্বৰ শইকীয়াই আকৌ ৰাজনৈতিক ক্ষমতা বিচাৰি অসমত সুমোৱা কথাই তাকেই প্ৰমাণ কৰে )। তৃতীয়তে, ই অসমীয়া জাতিক বিশ্বৰ আগত অতি দুৰ্বল চৰিত্ৰৰ ৰূপে প্ৰকাশিছে।

:x:

# "লুইত পাৰৰ ডেকা বন্ধু নাথাকিবা বৈ"

'ফেটী সাপে যোলে কঁকালৰ কোৰ নাপাহৰে' (অগ্ৰদূত, ১৩ ডিচেম্বৰ, ১৯৮৯) বোলা প্ৰবন্ধ প্ৰকাশ হোৱাৰ পিচত বহুতেই আমালৈ লিখিছে অ-গ-পক সংশোধন কৰাৰ দুই এটা দিহা পৰামৰ্শ দিবলৈ। আমি ১৯৮৬ চনতেই লিখিছিলো, "কোনো কোনোৱে এই মতও পোষণ কৰে যে গণ পৰিষদ দলটো তাৰ বৰ্তমান নেতাসকলে কেৱল ক্ষমতাত আহিবৰ কাৰণেহে গঠন কৰিলে কিয়নো বিধায়ক-মন্ত্ৰী এম-পি আদি হোৱাৰ পিছত দলটোৰ সংগঠন, দলটোৰ নীতি নিয়ম বা স্থায়ী চিন্তাধাৰা আদিৰ প্ৰতি নেতা সকলে সম্পূৰ্ণ পিঠি দিছে দলটোৰ সকলো দিশেই অতি অস্থায়ী ৰূপত থকা বাবে বহুতেই এইটো ভয় কৰিছে যে বৰ্তমান চৰকাৰে নিজকে অতি অস্থায়ী বুলিহে ভাবিছে। সেয়েহে শুভাকাংক্ষী সকলে, দেশৰ ভবিষ্যতৰ প্ৰতি ভৰা সকলে এই মত দিয়ে যে প্ৰফুল্ল মহন্তৰ ওপৰত ৰাজ্য চলোৱাৰ দায়িত্ব সম্পূৰ্ণৰূপে এৰি দি ভৃগু ফুকনৰ দৰে বাহিৰৰ আহা থকা এজন শীৰ্ষস্থানীয় নেতাই গণপৰিষদ দলটোক স্থায়ী ৰূপে সংগঠিত কৰাৰ দায়িত্ব লোৱা উচিত। নহলে শৰাইঘাটৰ ৰণৰ বছৰচেৰেক পিচতে লালুকসোলা বৰফুকনে বিনা যুদ্ধে গুৱাহাটীক মোগলৰ হাতত এৰি দিয়াৰ দৰে যোৱা নিৰ্বাচনৰ বিপুল বিজয়ৰ পিছত অসমীয়া জাতিক ধ্বংস কৰিবলৈ অসম বিদ্বেষী সকলৰ হাতত তুলি দিয়াহে হ'ব।" (অগ্ৰদূত, ২৩ এপ্ৰিল, ১৯৮৬)। কিন্তু আমাৰ কথা তেওঁলোকে কিয় শুনিব - ক্ষমতা আৰু টকাৰ জনজননি শুনিবলৈহে বেছি ভাল। এতিয়া তেওঁলোক দুয়ো খুঁচাখুঁচি কৰিটো মৰিছে মৰিছেই অ-গ-প দল আৰু অসমীয়া জাতিক ডুবাবলৈহে ধৰিছে। অসম আৰু অসমৰ থলুৱা জাতি সমূহৰ কিবা এটা স্থায়ী ৰূপ দিবলৈ অ-গ-প চৰকাৰে যি সোণালী সুযোগ পাইছে অসম বুৰঞ্জীত এনে সোণালী সুযোগৰ দিন আগেয়ে কেতিয়াও অহা নাছিল। ফুকন-মহন্ত দুয়ো আৰু তেওঁলোকৰ সতীৰ্থ সকলে বুৰঞ্জীৰ এই সোণালী সুযোগক বৰ্তমান এক দুৰ্যোগত পৰিণত কৰিবলৈ উদ্যত হৈছে যেন অনুমান হয়।

সেয়েহে, এতিয়া অসমৰ বাটিজে হাত সাৰটি বহি থাকিবৰ সময় নাই। অসম আৰু অ-গ-পক এই দুৰ্য্যোগৰ পৰা উদ্ধাৰ কৰিবলৈ হাতে কামে লাগি লগলে অহা নিৰ্বাচনৰ পিছত সকলো ৰসাতলে যাব। অহা নিৰ্বাচনী আগত

বাধ্য অসমৰ বাহিৰে এতিয়াও কিছু ক'ৰিব পাৰে। অৱশ্যে, ইয়াৰ নেতৃত্ব আকৌ আছু আৰু অ-গ-পৰ স্থানীয় শাখা সমূহেই ল'ব লাগিব।

১) এতিয়া নতুন দল পতাই বা নতুনকৈ পুনৰ গঠন কৰা জাতীয় দল কেইটাৰ পৃষ্ঠপোষকতা কৰি লাভ নাই। কিয়নো এই ক্ষেত্ৰত আগ ভাগ লোৱাসকলৰ উদ্দেশ্য যিমানেই মহৎ নহওক লাগিলে তেওঁলোকে এইটোকে প্ৰচাৰ কৰে যে অ-গ-পক ক্ষমতাৰ পৰা আঁতৰালেহে তেওঁলোক ক্ষমতালৈ আহিলে সকলো ঠিক হৈ যাব। দেশৰ চকাৰক সংশোধন কৰিবলৈ ক্ষমতা পোৱাটোৱেই যেনিবা একমাত্ৰ পথ হ'ব নোৱাৰে। এই দলবিলাকৰ নেতাসকলে ক্ষমতা পাবলৈ ঠাম ঠাম দল থকা লোভ পুহি ৰখাটো স্বাভাৱিক।

) আনোৱাৰা-হেমেশ্বৰৰ দিনত খোৱা কেঁকালৰ কোব কেইটা সুঁৱৰি হান্দৰা কংগ্ৰেছৰ প্ৰলোভনত বাহিৰে ভোল যোৱা অনুচিত। আন্দোলনৰ আৰম্ভণিৰ সময়ত ক্ষমতাত থাকিও আন্দোলনৰ প্ৰতি নিষ্ক্ৰিয় হৈ থকা জনতা দলৰ দুৰ্বল নেতৃত্বৰ কথা সুঁৱৰি তেওঁলোকৰ প্ৰতিশ্ৰুতিতো বাহিৰে ভোল যোৱা অনুচিত। অসমৰ বাহিৰে এতিয়া পাহৰা অনুচিত যে অসমে আন্দোলনৰ পথ ল'ব লগীয়া হোৱাৰ মূলতে ৰাজ্যিক আৰু কেন্দ্ৰীয় জনতা চকাৰৰ নিষ্ক্ৰিয়তা। সেই নেতাসকলৰ যে এতিয়া ৰাজহাড় পোন হৈছে সেইটো সন্দেহৰ কথা।

৩) অ-গ-পৰ বৰ্তমানৰ বিধায়ক সকলক পদত্যাগ কৰিবলৈ জোৰ কৰি লাভ নাই। তেওঁলোকে ভোগ কৰিবলৈ আৰু বেছি দিন নাই। তদুপৰি সমষ্টিত তেওঁলোকৰ প্ৰসাদ পোৱা লোকসকলে অন্তৰ্দ্বন্দ্ব সৃষ্টি কৰি স্থানীয় লোকৰ মাজত নিশ্চয় বিভেদ সৃষ্টি কৰিব। গতিকে পদত্যাগ নকৰাই তেওঁলোক যাতে পুনৰ অ-গ-পৰ প্ৰাৰ্থী হ'ব নোৱাৰে সেইটোহে নিশ্চিত কৰিবলৈ সকলো শক্তি প্ৰয়োগ কৰিব লাগে।

৪) প্ৰত্যেক সমষ্টিত থকা আছুৰ শাখাবিলাক আৰু অ-গ-পৰ স্থানীয় সমিতিবিলাকে অ-গ-পই ওপৰৰ পৰা জাপি দিয়া প্ৰাৰ্থীক গ্ৰহণ নকৰোঁ বুলি এতিয়াৰে পৰা সক্ৰিয় হ'ব লাগে। নিজৰ নিজৰ সমষ্টিৰ পৰা উপযুক্ত প্ৰাৰ্থী গণতান্ত্ৰিক ভাবে বচাৰ সহজ উপায় আছে। নিজৰ নিজৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰাসকলৰ মাজৰ পৰা এজন বাচি উলিয়াবলৈ প্ৰত্যেক সমষ্টিত বাছনি ভোটৰ ব্যৱস্থা কৰিব পাৰি। সেই প্ৰাৰ্থীসকলে বাছনি ভোটৰ আগতে ৰাইজৰ আগত শপত খাব লাগে যে তেওঁলোকৰ যিজনেই ৰাইজৰ বাছনিত আটাইতকৈ বেছি ভোট পাব তেওঁকেই সেই সমষ্টিৰ পৰা অ-গ-পৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনীত নমাব আৰু তেওঁক বিনা দ্বিধাই সকলোৱে সমৰ্থন কৰিব। এনে বাছনি ভোটৰ প্ৰয়োজনীয়তা আৰু আমেৰিকাৰ [illegible] তলত দিলোঁ।

(৫) অ-গ-প দলে যদি ৰাইজে বাচি দিয়া জনক নিৰ্বাচনীৰ কাৰণে মনোনীত নকৰি আন এজনক দলৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচনীত নমাই তেনেহলে স্থানীয় ৰাইজে অ-গ-পৰ প্ৰাৰ্থীৰ লগত সম্পূৰ্ণ অসহযোগ কৰি নিজে বচা জনকে স্বতন্ত্ৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনীত তুলিব লাগে আৰু তেওঁকেই জিকাবলৈ সকলো চেষ্টা চলাব লাগে। নিৰ্বাচনীত জিকিলে তেওঁ অ-গ-প দলকে বা চৰকাৰকে সকলো ক্ষেত্ৰত সমৰ্থন কৰিম বুলি শপত খাব লাগে।

সেয়েহে ৰাইজসকল এতিয়াৰ পৰাই সক্ৰিয় হওক এতিয়াৰ পৰাই নিজ নিজ সমষ্টিত সভা সমিতি পাতি নিজৰ নিজৰ প্ৰাৰ্থী বিচৰাৰ কাম আৰম্ভ ক'ৰক। এই ক্ষেত্ৰত এটা কথা ৰাইজক সোঁৱৰাই দিয়া উচিত হ'ব যে মদাহী, দুশ্চৰিত্ৰবান, ইন্দ্ৰিয়বিলাসী বা আড়ম্বৰপ্ৰিয় লোকক ৰাইজে কেতিয়াও নেতাৰূপে গ্ৰহণ কৰা উচিত নহয়। যোৱা কেইবছৰে যি কেইজন মন্ত্ৰী বা বিধায়কে নিজৰ সা-সুবিধা-সম্পত্তি আহৰণত মনোনিবেশ কৰি দেশৰ আৰু জাতিৰ স্বাৰ্থৰ প্ৰতি পিঠি দিলে তেওঁলোক যাতে পুনৰাই মন্ত্ৰী বিধায়ক হ'ব নোৱাৰে সেইটো নিশ্চিত কৰাৰ সকলো শক্তি ৰাইজৰ আছে। সেয়েহে কও ৰাইজসকল আৰু লুইতপৰীয়া ডেকা বন্ধু এতিয়া নাথাকিবা নৈ-সমুখত আকৌ পৰাইঘাটৰ ৰণদামা বাজিব লাগিছে

২ মে' ১৯৯০ৰ অগ্ৰদূতত প্ৰকাশিত)

ৰাইজৰ মতামত

(১)

আপোনাৰ জনপ্ৰিয় অগ্ৰদূতত ২ মে '৯০ত প্ৰকাশ পোৱা 'লুইত পাৰৰ ডেকা-বন্ধু নাথাকিবা নৈ' শীৰ্ষক সামৰিকী পঢ়ি লেখকক ধন্যবাদ জনাইছোঁ। ইয়াৰ উপদেশখিনি গ্ৰহণ কৰি যেন ৰাইজে এটি সুস্থ জনমত গ্ৰহণ কৰে।

(১৩ মে', ১৯৯০ৰ অগ্ৰদূতত লিলি মজিন্দাৰ বৰুৱা)

( )

যোৱা ২ মে'ৰ 'অগ্ৰদূত' দিলীপ কুমাৰ দত্তই ওপৰোক্ত শিৰোনামাৰে অসমৰ ৰাইজক তথা অ-গ-প দলক পুনৰ সকীয়াই দি লিখা প্ৰসঙ্গটোৰ বাবে তেওঁক ধন্যবাদ জনাইছোঁ। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ ফলত আৰু কিছুমান নিষ্ঠাবান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমত গঢ়ি উঠা ৰাইজৰ দল অ-গ-পক আজি যেন শেষ কৰাৰ ষড়যন্ত্ৰ চলিছে। অসমীয়া জাতিৰ বাবে অ-গ-প এটা ৰাজনৈতিক দল নহয় ই অসমৰ প্ৰাণ স্বৰূপ। কিন্তু আজি অ-গ-পৰ নেতা, পালি নেতা সকলে এনে ৰাজনীতিত লিপ্ত হৈছে যে ই কং (ই)

ৰাজনীতিতকৈয়ো লেতেৰা ৰাজনীতি। আজি কিছুমান তোমাযোদকাৰীৰ চক্ৰান্তৰ বলি হৈ আমাৰ অ-গ-পৰ বিধায়ক, মন্ত্ৰী, নেতাসকলে যেন সকলো কথা পাহৰি গ'ল। যাৰ ফলত অ-গ পৰ আজিৰ এই অৱস্থাটো হৈছে। আন্দোলন বিৰোধী আৰু অন্য দলৰ মানুহে আজি অ-গ পৰ মাজত সোমাই পৰি বিভেদৰ সৃষ্টি কৰিছে। এটা কথা মনত ৰখা উচিত যে অ-গ-প এটা কাৰো ব্যক্তিগত দল নহয়, ই ৰাইজৰ দল।

ডঃ দত্তই কোৱাৰ দৰে ময়ো ক'ব বিচাৰো যে অসমৰ ৰাইজে হাত সাৱটি বহি নাথাকি এই দুৰ্যোগৰ পৰা অসমৰ প্ৰাণ স্বৰূপ অ-গ-পক উদ্ধাৰ কৰক।

(২০ মে', ১৯৯০ ৰ অগ্ৰদত্তত অনিল ডেকা, বিষ্ণুৰাভা পথ, তেজপুৰ)

## বাছনি ভোটৰ কিয় প্ৰয়োজন

আমাৰ দেশৰ গণতান্ত্ৰিক পদ্ধতিৰ আটাইতকৈ দোষণীয় ব্যৱস্থা হৈছে নিৰ্বাচনীৰ দলীয় টিকট বিতৰণ প্ৰথা অৰ্থাৎ ৰাজনৈতিক দলবিলাকে সমষ্টিবিলাকৰ কাৰণে প্ৰাৰ্থী বাচি দিয়া পদ্ধতি। এই ক্ষেত্ৰত ভোটাৰসকলৰ কোনো প্ৰকাৰ মাত নাই। সকলো ক্ষেত্ৰতে দলৰ উৰ্দ্ধতন মহলৰ স্বাৰ্থকেই প্ৰয়োগ কৰি টিকট দিয়া হয়। কোনো কোনো ক্ষেত্ৰত সমষ্টিৰ ভোটাৰসকলৰ লগত প্ৰাৰ্থীৰ কোনো সম্পৰ্কই নাই, তেওঁ সেই সমষ্টিৰ বাসিন্দাও নহব পাৰে বা আগেয়ে সেই ঠাইৰ নাম নুশুনা লোকও হব পাৰে। উদাহৰণ স্বৰূপে, বদৰপুৰ সমষ্টিৰ টিকট পোৱা অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহালৈকে আঙুলিয়াব পাৰি।

আজিৰ এই টিকট দিয়া প্ৰথা ভোটাৰসকলৰ কাৰণে অতি অপমানজনক আৰু দেশৰ গণতান্ত্ৰিক শাসনৰ এক বিৰাট উপহাস। ই ৰাইজৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত অশোভনীয় হস্তক্ষেপেই নহয় ই দেশত স্বেচ্ছাচাৰী শাসনৰও সূত্ৰপাত কৰে। ইন্দিৰা আৰু ৰাজীৱ গান্ধীৰ দিনৰ কংগ্ৰেছী শাসন ইয়াৰ ভাল প্ৰমাণ।

বৰ্তমান অসমীয়া ৰাইজৰ সন্মুখত আহি পৰা নিৰ্বাচনীৰ কথাই চাওক। সকলো ৰাজনৈতিক দৃষ্টিকোণৰ পৰাই দেখা যায় যে অ-গ-প চৰকাৰ পুনৰ ক্ষমতালৈ অহাটোৱেই হয়তো অসমৰ কাৰণে মঙ্গলজনক। কিন্তু বৰ্তমান অ-গ-প চৰকাৰৰ বহু বিধায়ক আৰু মন্ত্ৰীৰ কাৰ্যকলাপ ইমান অসন্তুষ্ট যে তেওঁলোকক পুনৰ অ-গ-প দলৰ প্ৰাৰ্থী ৰূপে থিয় কৰিলে ৰাইজে হয়তো অ-গ-প প্ৰাৰ্থীক ভোট নিদি আন দলৰ প্ৰাৰ্থীক ভোট দিব বা ভোট দিয়াৰ পৰাই বিৰত থাকিব। ইয়াৰ কোনোটোৱেই অসমৰ কাৰণে মংগলজনক নহয়। সেয়েহে, ৰাইজে এতিয়াৰে পৰা অসমৰ ভৱিষ্যতৰ দায়িত্ব হাতত লব লাগে গণতন্ত্ৰৰ এই দায়িত্বৰ পৰা ৰাইজে গা এৰা দিয়া উচিত নহয়।

দলৰ নিৰ্বাচনী টিকট বিতৰণৰ এই প্ৰক্ৰিয়াটোৱে ভাৰতৰ ৰাজনৈতিক বাতাবৰণ এনে দুৰ্নীতিপূৰ্ণ কৰিছে যে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এক আন্দোলনৰ প্ৰয়োজন। চৰকাৰ বা ৰাইজে এই কু-পদ্ধতি আঁতৰাবলৈ কিবা কৰিব নোৱাৰে নে?

নিশ্চয় পাৰে। এই বিষয়ে ৰাইজ বা চৰকাৰে কৰিব পৰা উদাহৰণ আন দেশত আছে। এই সংক্ৰান্তত আমেৰিকাত প্ৰাৰ্থী বাচিবৰ কাৰণে পতা প্ৰাথমিক নিৰ্বাচনী (Primary Election)ৰ বিষয়ে ৰাইজক কিছু অৱগত কৰিবলৈ বিচাৰিছো।

আমেৰিকাৰ বাছনি ভোট গ্ৰহণ প্ৰথা

আমেৰিকাত মূলতে ৰিপাব্লিকান আৰু ডেমক্ৰেটিক বোলা দুটা দলেই সকলো স্তৰৰ প্ৰশাসনত প্ৰতিদ্বন্দ্বিতা কৰে। এই দুই দলে সাধাৰণ নিৰ্বাচনীৰ কাৰণে কাক প্ৰাৰ্থী ৰূপে মনোনীত কৰিব পাৰিব তাৰ নিয়ম আইনেৰে বান্ধি দিয়া আছে। আমেৰিকাৰ সকলো কেন্দ্ৰীয় বা ৰাজ্যিক বিধায়ক নিৰ্বাচনীৰ আগতে প্ৰাৰ্থী বাছনিৰ বাবে প্ৰাথমিক নিৰ্বাচনীৰ ব্যৱস্থা কেনেদৰে কৰিব লাগে তাৰ নিৰ্দেশ এই আইনত আছে। এই বাছনি ভোটৰ নীতি নিয়ম প্ৰদেশ অনুসৰি বেলেগ বেলেগ যদিও মূল নীতিবিলাক তলত দিয়া ধৰণৰ :

(১) সমষ্টিত বাস কৰা আৰু দলৰ পঞ্জীত নাম থকা যেই কোনো ব্যক্তিয়ে এক নিৰ্দিষ্ট সংখ্যক দলীয় সদস্যৰ সমৰ্থন চহীৰে বাছনি ভোটত উঠাৰ অধিকাৰ পায়।

(২) দলৰ সেই সমষ্টিৰ পঞ্জীভুক্ত সদস্যসকলেহে বাছনি ভোটৰ কাৰণে প্ৰাৰ্থীৰ সমৰ্থন কাকতত চহী কৰিব পাৰে আৰু বাছনি ভোট দিব পাৰে। এটা দলৰ সদস্যই আন এটা দলৰ প্ৰাৰ্থীৰ বাছনিত ভোট দিব নোৱাৰে।

(৩) যদি কেৱল দুই জনজনেহে প্ৰাৰ্থী বাছনি ভোটত উঠে তেনেহলে সাধাৰণতে এবাৰ বাছনি ভোটতে আটাইতকৈ বেছি ভোট পোৱাজনকে জয়ী বুলি ঘোষণা কৰা হয়। কিন্তু অধিক সংখ্যক প্ৰতিদ্বন্দ্বী থাকিলে বা তিনিজনমান প্ৰতিদ্বন্দ্বীৰ মাজত ভোটবিলাক প্ৰায় সমানে ভাগ হলে বাছনি ভোট একাধিকবাৰ পতা হয় ইয়াকে ৰান-অফ (run off) অৰ্থাৎ দুনাই বাছনি ভোট লোৱা হয়। দুনাই বাছনিত সাধাৰণতে প্ৰথম বাছনিত বেছি ভোট পোৱা প্ৰথম দুজনকেহে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়া হয়।

(৪) বাছনি ভোট বা দুনাই বাছনিত জিকাজনকে থাই নিৰ্বাচনীৰ প্ৰাৰ্থী ৰূপে থিয় কৰিবলৈ দল আইনমতে বাধ্য।

অ-গ-পৰ প্ৰাৰ্থীৰ কাৰণে বাছনি ভোট

এতিয়া প্ৰশ্ন হয় এনে বাছনি ভোটৰ প্ৰথা আমাৰ তাত প্ৰৱৰ্তন কৰিব নোৱাৰি নে? আমাৰ চৰকাৰে এনে বাছনি ভোটৰ নিয়মৰ আইন প্ৰণয়ন কৰিব পাৰিলে নিশ্চয় দেশৰ কাৰণে মঙ্গল। কিন্তু অহা নিৰ্বাচনীৰ আগতে এনে আইন প্ৰৱৰ্তিত হোৱাটো অসম্ভৱ। তথাপি ৰাইজে বিশেষকৈ অ-গ-প দলৰ সমৰ্থকসকলে নিজৰ নিজৰ সমষ্টিত প্ৰাৰ্থী বাচিবৰ কাৰণে বাছনি ভোটৰ ব্যৱস্থা কৰিব পাৰে। আমেৰিকাতো সৰু সৰু চহৰৰ চেয়াৰমেন, শিক্ষা বিভাগৰ চুপাৰিনটেন আদিৰ দৰে আন নিৰ্বাচনীতো ৰাইজে বাছনি ভোটৰ ব্যৱস্থা কৰে।

এইবিলাক নিৰ্বাচনীৰ কাৰণে বাছনি ভোটৰ আইন নাই যদিও এনে বাছনি ভোটৰ উপকাৰিতা বুজি বাইজে ইয়াৰ ব্যৱস্থা কৰে। আন নালাগে বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বী আদিও এনে বাছনি ভোটৰ দ্বাৰাহে নিৰ্বাচিত কৰা হয়।

চৰকাৰ বা অ-গ প দলে কিবা ক'বক নকৰ'ক অসমৰ বাইজে নিজ নিজ সমষ্টিত বাছনি ভোট পতাৰ ব্যৱস্থা কৰিব পাৰে। এই বাছনি ভোটৰ উদ্দেশ্য হ'ব নিজ নিজ সমষ্টিৰ পৰা অ-গ-প দলৰ প্ৰাৰ্থী বাছনি কৰা। এইটো এনেদৰে কৰিব পাৰি :

(১) নিজ নিজ সমষ্টিৰ ভোটাৰসকলক অ-গ-প দলৰ বিধিমতে পঞ্জীভুক্ত কৰা।

(২) বাছনি ভোটত কোনে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে তাৰ নিয়ম বান্ধি দিয়া। যেনে বাছনি ভোটত উঠিবলৈ বিচৰাসকলে সমষ্টিৰ এহেজাৰজন অ-গ প দলীয় ভোটাৰৰ ঠিকনা সহ চহী লৈ আবেদন কৰিব লাগিব আদি। এনে নিয়ম স্থান বিশেষে বেলেগ বেলেগ হলেও ক্ষতি নাই।

(৩) প্ৰতিদ্বন্দ্বীসকলক ৰাইজে জানিবৰ বুজিবৰ কাৰণে এখন বা বহুতো ডকা'ৰি আদিৰ কাৰণে ৰাজহুৱা সভাৰ আয়োজন কৰা।

(৪) বাছনি ভোটত জিকাজনকে যাই নিৰ্বাচনী ভোট দিম বুলি আটায়ে [illegible] বুজি

সকলো প্ৰতিদ্বন্দ্বীয়ে বাছনি ভোট লোৱাৰ আগতে ৰাইজৰ আগত প্ৰতিজ্ঞা কৰা। প্ৰতিদ্বন্দ্বীসকলে ইজনে সিজনক শত্ৰু যেন জ্ঞান নকৰাটো ভুক্তি প্ৰয়োজন। কোন্দল কিজিয়া, গালাগালি বা ভুল গোচৰ এনেকৈ অনুষ্ঠানৰ পৰা প্ৰতিদ্বন্দ্বীসকল আঁতৰি থাকিব লাগে আৰু ৰাইজেও তেনে কৰিবলৈ অসমৰ্থ লোকক প্ৰাৰ্থীৰ কাৰণে ভোট দিয়া অনুচিত।

(৫ আঞ্চলিক বা অ গ প দলৰ স্থানীয় বিষয় ববীয়াসকলেই এই বাছনি ভোটৰ ব্যৱস্থা কৰাৰ দায়িত্ব ল'ব লাগে। আৰু তেওঁলোকে দলৰ কেন্দ্ৰীয় কাৰ্যকৰী সমিতিক এতিয়াৰ পৰাই জনাই দিব লাগে যে ৰাইজেহে নিজ নিজ এলেকাৰ প্ৰাৰ্থী বাচি দিব।

## নিউ য়ৰ্কৰ মেয়ৰ নিৰ্বাচনীৰ উদাহৰণ

ওপৰত উল্লেখ কৰা বাছনি ভোটৰ এটা ভাল উদাহৰণ দিব পাৰি যোৱাবছৰ নিউ য়ৰ্ক মহানগৰীৰ মেয়ৰৰ কাৰণে ডেমক্ৰেটিক দলে পতা বাছনি ভোটৰ পৰা। ডেমক্ৰেটিক দলৰ প্ৰাৰ্থী হ'বলৈ বিচৰাছিল চাৰিজন লোকে কিন্তু

আটাইতকৈ চকু আছিল দুজনৰ ওপৰত তেতিয়া মেয়ৰ হৈ থকা এডৱাৰ্ড কচ্ আৰু ডেভিদ ডিনকিন্সৰ ওপৰত কিয়নো এওঁলোক দুজন আছিল নিউয়ৰ্ক চহৰৰ বাসিন্দাসকলৰ সংখ্যাগৰিষ্ঠ গোষ্ঠী দুটাৰ পৰা মেয়ৰ কচ্ আছিল ইহুদী লোক আৰু ডিনকিন্স আছিল কলীয়া লোক (কলা বৰণ গোষ্ঠীৰ)। সেয়েহে বহুতে ভয় কৰিছিল যে এই দুজন শক্তিশালী ব্যক্তিৰ প্ৰাৰ্থী কাৰণে কৰা যুঁজে ইহুদীসকল আৰু কলীয়া লোকসকলৰ মাজত ভেদাভেদৰ সৃষ্টি কৰিব আৰু তেওঁলোকে ইজনে সিজনক খুঁচি বিন্ধি নিউয়ৰ্কৰ ৰাজনৈতিক পৰিবেশ ঘোলা কৰাৰ উপৰিও ডেমক্ৰেটিক দলক দুৰ্বল কৰিব। কিন্তু কচ্চ আৰু ডিনকিন্স দুয়ো উপযুক্ত নেতা বুলি নিৰ্বাচনী অভিযানত পৰিচয় দিলে। তেওঁলোকে ইজনে সিজনক বাস্তৱ ভাবে সমালোচনা কৰিলেও সেইবিলাক নীতি আৰু আদৰ্শৰহে সমালোচনা আছিল। তেওঁলোকে ইজনে সিজনৰ ব্যক্তিত্ব বা ভিতৰুৱা জীৱনক আক্ৰমণ নকৰি সুস্থ মনৰ পৰিচয় দিলে। কচ্চে এইটো ভালদৰে বুজিছিল যে ডেমক্ৰেটিক দলৰ প্ৰাৰ্থী ৰূপে আচল নিৰ্বাচনীত জিকিবলৈ হলে তেওঁক কলীয়া ভোটৰ প্ৰয়োজন হব সেইদৰে ডিনকিন্সেও এইটো ভালদৰে বুজিছিল যে কেৱল কলা বৰণ গোষ্ঠীৰ ভোটেৰে তেওঁ ডেমক্ৰেটিক দলৰ প্ৰাৰ্থী হ'ব পাৰিলেও মেয়ৰ হ'ব নোৱাৰে। ৰাজনৈতিক নেতা জে চেস্তেৰিনে এই বিষয়ে ভাল পৰ্যবেক্ষণ কৰিছে, “কচ্চে ডিনকিন্সক আদৰ্শগত নীতিৰে তীব্ৰ আক্ৰমণ কৰা হলে বগা-বৰণ গোষ্ঠীৰ ইহুদী উদাৰমনা লোকৰ ভোট হেৰুৱালেহেতেন। ডিনকিন্সেও এজন অসন্তুষ্ট খঙাল কলীয় লোক বুলি কেতিয়াও দেখুৱাব নিবিচাৰিলে। তেওঁ কোনো প্ৰকাৰে মনত আঘাত নিদিয়াটোৱেই তেওঁ বহু বগা বৰণ গোষ্ঠীৰ লোকৰ সমৰ্থন পোৱাৰ প্ৰধান কাৰণ।”

তদুপৰি আটাইতকৈ ডাঙৰ কথা এয়েই যে দুয়ো নিজৰ দলৰ কাৰণে ভালদৰে ভাবিলে আৰু ইজনে সিজনক সমালোচনা কৰিলেও সদায় ৰাজহুৱা ভাবে ব্যক্ত কৰিলে যে বাছনি ভোটত হাৰিলেও তেওঁ ঘাই নিৰ্বাচনীত ইজনৰ কাৰণে খাটিব আৰু ৰাইজক দঢ়াই দঢ়াই ক'লে যে তেওঁলোকে ডেমক্ৰেটিক দলৰ পৰাজয় নিবিচাৰে। সেয়েহে বাছনি ভোট লোৱাৰ আগতেই তেওঁলোক দুয়ো ঘোষণা কৰিলে যে বাছনি ভোটৰ ফলাফল ওলোৱাৰ পিছতেই বাছনিত জিকাজনক সমৰ্থন কৰিবৰ কাৰণে আটাই কেইজন প্ৰাৰ্থী একলগ হৈ ৰাইজৰ সমুখত থিয় দিব।

বাছনি ভোটত ডিনকিন্স অলপ ভোটত জিকিল আৰু আগেয়ে প্ৰতিজ্ঞা কৰাৰ দৰে বাছনিত তেওঁৰ লগত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী মেয়ৰ কচ্চে যে তেওঁক দেখদেখকৈ সমৰ্থন কৰিলে এনে নহয় ডিনকিন্সক জিকাবৰ কাৰণে তেওঁ দেহে কেহে খাটিলে। ডেমক্ৰেটিক দলৰ আন দুজন প্ৰাৰ্থী হেৰিচন গল্ডিন আৰু বিচাৰ্ড ৰেভিচেও কচ্চৰ আদৰ্শ অনুকৰণ কৰি ডিনকিন্সৰ হৈ খাটিলে। ডেমক্ৰেটিক দলৰ প্ৰাৰ্থীসকলৰ এনে নেতৃত্বই ৰাইজৰ মনত নতুন মিলনৰ বীজ সিঁচিলে আৰু বাছনি ভোটৰ প্ৰায় দুমাহ পিছত (১৯৮৯ চনৰ নবেম্বৰত) হোৱা

আচল নির্বাচনীত ডিনকিন্স ৰিপাব্লিকান দলৰ প্ৰতিদ্বন্দীজনক পৰাজয় কৰিবলৈ সমৰ্থ হয়। নিউয়ৰ্ক মহানগৰীৰ মেয়ৰ হিচাপে ডিনকিন্সেই কৃষ্ণ-বৰ্ণ গোষ্ঠীৰ প্ৰথম লোক।

## ৰাইজৰ শক্তি প্ৰয়োগ-

এতিয়া প্ৰশ্ন হয় অ-গ-প দলে যদি ৰাইজে বাচি লোৱাজনক নিৰ্বাচনৰ কাৰণে মনোনীত নকৰি আন এজনক দলৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচনত নমাই তেনেহলে স্থানীয় ৰাইজে কি কৰিব। সেইটো একেবাৰে সহজ কথা। গণতন্ত্ৰৰ শক্তি ইয়াতেই। অ-গ-প-ৰ প্ৰাৰ্থীৰ লগত ৰাইজে সম্পূৰ্ণ অসহযোগ কৰি নিজে বাচি লোৱাজনক স্বতন্ত্ৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচনত তুলিব লাগে আৰু তেওঁকেই জিকাবলৈ সকলো চেষ্টা চলাব লাগে। নিৰ্বাচনত জিকিলে তেওঁ অ-গ-প দলকে বা অ-গ-প চৰকাৰকে সকলো ক্ষেত্ৰত সমৰ্থন কৰিব বুলি শপত খাব লাগে।

এইবিলাক কথা দলক আগতীয়াকৈ জনাই দিলে আৰু ৰাইজে সচাঁকৈয়ে প্ৰয়োগ কৰিব বুলি জনালে ৰাইজৰ শক্তি দেখি অ-গ-প-ৰ অতি বুঢ়া শিয়ালবোৰেও যে সকলো নেম মানিব তাত সন্দেহ নাই। সেয়েহে গীতিকাৰ সদানন্দৰ সুৰতে কওঁ "আকৌ যদি যাবই লাগে গুৱাহাটীলৈ, লুইতপাৰৰ ডেকা বন্ধু নাথাকিবা বৈ"।

( ১৬-৩০ জুন, ১৯৯০ৰ প্ৰান্তিকত প্ৰকাশিত )